# নামনি অসমৰ তোলনি বিয়া ঃ এটি অধ্যয়ন
## (দৰং জিলাৰ বিশেষ উল্লিখনেৰে)

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ভাষা শাখাত
পি. এইচ. ডি. ডিগ্ৰীৰ বাবে প্ৰদত্ত গৱেষণা গ্ৰন্থ।

ৰুমী হাজৰিকা

২০২১

# NĀMANI ASAMAR TOLANI BIYĀ : ETI ADHYAYAN (DARRANG JILĀR BIŚEṢH ULLIKHANERE)

[A THESIS SUBMITTED TO THE BODOLAND UNIVERSITY FOR
THE DEGREE OF DOCTOR OF PHILOSOPHY IN
THE SUBJECT OF ASSAMESE UNDER THE
FACULTY OF LANGUAGE]

*Submitted by -*

Rumi Hazarika
Assamese Department
Bodoland University
2021

Under the Supervision of
Dr. Bibhuti Lochan Sarma
Asstt. Professor, Department of Assamese
Bodoland University, Kokrajhar.

DECLARATION OF CANDIDATE

I, Rumi Hazarika, bearing Registration No. Final/01ASS/0012 of 2016-17, Dated- 23/06/2020 hereby, declare that the subject matter of the Thesis entitled "নামনি অসমৰ তোলনি বিয়া ঃ এটি অধ্যয়ন (দৰং জিলাৰ বিশেষ উল্লিখনেৰে)" **"NĀMANI ASAMAR TOLANI BIYĀ : ETI ADHYAYAN (DARRANG JILĀR BIŚEṢH ULLIKHANERE)"** is the record of work done by me and that the contents of this Thesis did not form the basis for award of any degree to me or to anybody else to the best of my knowledge. The Thesis has not been submitted in any other University/ Institute.

This Thesis is being submitted to Bodoland University for the degree of Doctor of Philosophy in Assamese.

Place :

Date :

Signature of candidate

RUMI HAZARIKA
Research Scholar
Department of Assamese
Bodoland University, Kokrajhar.

**ড০ বিভূতি লোচন শৰ্মা,** এম্,এ., শাস্ত্ৰী, পি.এইচ,ডি
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়
কোকৰাঝাৰ (বি.টি.চি.) অসম
ই. মেইল ঃ bls.nalbari@gmail.com
ভ্ৰাম্যভাষ ঃ ৯৪৩৫৩৬৪৫৭০

Dr. Bibhuti Lochan Sarma, M.A. Sastri, Ph.D
Asstt. Professor, Department of Assamese
Bodoland University
Kokrajhar (BTC) Assam
Email : bls.nalbari@gmail.com
Mobile No. : 9435364570

*Ref.* ............................ *Date*....................................

Certified that the Thesis entitled "নামনি অসমৰ তোলনি বিয়া ঃ এটি অধ্যয়ন (দৰং জিলাৰ বিশেষ উল্লিখনেৰে)" **"NĀMANI ASAMAR TOLANI BIYĀ: ETI ADHYAYAN (DARRANG JILĀR BIŚEṢH ULLIKHANERE)"** submitted by Mrs. Rumi Hazarika for award of the degree of Doctor of philosophy in Assamese is the outcome of a bonafide research work. This work has not been submitted previously for any other degree of this or any other University. It is further certified that the candidate has complied with all the formalities as per the requirements of Bodoland University. I recommend that the Thesis may be placed before the examiners for consideration of award of the degree of this University.

(Dr. Bibhuti Lochan Sarma)
Supervisor
Department of Assamese
Bodoland University, Kokrajhar.

# সূচীপত্ৰ


**আগকথা ঃ**

**অৱতৰণিকা ঃ** i-xi

.০১ ঃ অধ্যয়নৰ বিষয়বস্তু

.০২ ঃ অধ্যয়নৰ ক্ষেত্ৰ আৰু অধিবাসী

.০৩ ঃ পূৰ্বকৃত অধ্যয়নৰ খতিয়ান

.০৪ ঃ অধ্যয়নৰ উদ্দেশ্য

.০৫ ঃ অধ্যয়নৰ পদ্ধতি

**প্ৰথম অধ্যায় ঃ**

**অসমৰ নাৰীকেন্দ্ৰিক লোকাচাৰ আৰু তোলনি বিয়া** ১ - ৪৩

**দ্বিতীয় অধ্যায় ঃ**

**তোলনি বিয়াৰ লোকাচাৰ আৰু লোকবিশ্বাস** ৪৪ - ১০৭

**তৃতীয় অধ্যায় ঃ**

**তোলনি বিয়াৰ গীত-পদ** ১০৮ - ১৬৩

**চতুৰ্থ অধ্যায় ঃ**

**অসমীয়া সাহিত্যত তোলনি বিয়াৰ প্ৰসংগ** ১৬৪ - ২৩৩

**পঞ্চম অধ্যায় ঃ**

**তোলনি বিয়াৰ পৰিৱৰ্তন আৰু প্ৰাসংগিকতা** ২৩৪ - ২৫৭

**উপসংহাৰ ঃ** ২৫৮ - ২৬৬

**গ্ৰন্থপঞ্জী ঃ** ২৬৭ - ২৮১

**পৰিশিষ্ট ঃ** **ক) সংবাদদাতা / সংবাদদাত্ৰী** ২৮২ - ২৮৪

**খ) দৰঙী উপভাষাৰ শব্দাৰ্থ** ২৮৫ - ২৮৬

**গ) আলোকচিত্ৰ** ২৮৭ - ২৯৮

# আগকথা

অসমৰ সামাজিক উৎসৱ-অনুষ্ঠানৰ ভিতৰত আটাইতকৈ প্ৰাণৱন্ত আৰু আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'ল বিবাহ অনুষ্ঠান। ডেকা-গাভৰুৰ যুগ্মজীৱনৰ বিয়া আৰু তোলনি বিয়া এই দুয়োধৰণৰ বিবাহানুষ্ঠানত সৰুৰে পৰা উপস্থিত থাকি অহাৰ নানান স্মৃতি এতিয়াও মানসপটত সজীৱ হৈ আছে। বিশেষকৈ তোলনি বিয়াত প্ৰয়োজন হোৱা জপা, জননি আদি বাঁহৰ সামগ্ৰী, বিয়াঘৰৰ আখৈ ফুটোৱা খদমদম, তোলনি হোৱা ছোৱালীৰ ওচৰলৈ গাঁৱৰ তিৰোতাসকলৰ সোঁত আৰু কিশোৰীজনীক ধুৱাবৰ দিনা তিৰোতাসকলে কৰা ধেমালি তেনে স্মৃতিৰ অন্যতম। আমি নিজেও তোলনি বিয়াৰ পৰম্পৰাগত আচাৰসমূহ পালন কৰিছিলো আৰু সেই সময়তেই এই অনুষ্ঠানটোৰ ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশতে দৃষ্টি নিবন্ধ হৈছিল। কালক্ৰমত তোলনি বিয়াৰ এই পৰম্পৰাগত ৰূপটো সলনি হৈ আন কেতবোৰ অনুষ্ঠানৰ দৰে  যান্ত্ৰিক আৰু আড়ম্বৰপূৰ্ণ হৈ পৰিল, নিজৰ চকুৰ আগতে এই পৰিৱৰ্তন সাধিত হ'ল।

দৰং জিলাৰ হাজৰিকাপাৰাৰ  যিটো অঞ্চলত আমাৰ জন্মস্থান ইয়াৰ আশে পাশে এটি বিস্তৃত এলেকা সামৰি তাহানিতে দেখি অহা তোলনি বিয়াৰ লোকাচাৰ আৰু লোকবিশ্বাসসমূহক প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰাৰ ইচ্ছা মনত পুহি ৰাখিছিলো। কোকৰাঝাৰ জিলাৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধীনত গৱেষণাৰ বাবে বাট মুকলি হোৱাত দৰং জিলাক মুখ্যস্থান হিচাপে লৈ নামনি অসম সামৰি তোলনি বিয়াৰ বিষয়ে গৱেষণা কৰিবলৈ আগবঢ়াৰ প্ৰয়াস কৰোঁ।

গৱেষণাৰ প্ৰথম ঢাপৰ পৰা শেষলৈকে ব্যস্ততাপূৰ্ণ সময়ৰ মাজতে তত্ত্বাৱধায়ক বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ভাৰপ্ৰাপ্ত মুৰব্বী  অধ্যাপক  ড° বিভূতি লোচন শৰ্মাদেৱৰ আন্তৰিকতাপূৰ্ণ সহায় সহাযোগ অবিহনে আমাৰ কামে পূৰ্ণতা  নাপালেহেঁতেনে, এই চেগতে তেখেতলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি বিভাগৰ অৱসৰী  মুৰব্বী  অধ্যাপক ড° নবীনচন্দ্ৰ শৰ্মা  আৰু একেখন বিশ্ববিদ্যালয়ৰে অসমীয়া বিভাগৰ অধ্যাপক ড° কনকচন্দ্ৰ চহৰীয়া, এই দুয়োজন ব্যক্তিয়ে দিহা-পৰামৰ্শ আৰু নজনা কথা জানিবলৈ দি মোক কৃতাৰ্থ

কৰিছে। দুয়োজন ব্যক্তিলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাঁচিলো।

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক অধ্যপিকা ক্ৰমে ড° চুমী কলিতা, ড° ডেইজীৰাণী ডেকা, ড° ৰাতুল ডেকা আৰু দীপামণি বৈশ্য আৰু এই বিভাগৰে প্ৰাক্তন মুৰব্বী অধ্যাপক ড° নৰজ্যোতি শৰ্মা (বৰ্তমান আমজোঙাৰ পণ্ডিত দীনদয়াল উপাধ্যায় মহাবিদ্যালয়ৰ অধ্যক্ষ) আদি ব্যক্তিসকলে সততে মোৰ গৱেষণা কৰ্মৰ অগ্ৰগতিৰ খা-খবৰ লৈ উৎসাহিত কৰি আহিছে, এই সুযোগতে আটাইলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ অধ্যক্ষা ড° বনবীনা ব্ৰহ্ম মহাশয়াই বিদ্যায়তনিক দিশত দিয়া উৎসাহ-উদ্দীপনাই মোক উপকৃত কৰিছে, তেখেতলৈও মোৰ কৃতজ্ঞতা জনালোঁ। এই মহাবিদ্যালয়ৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ৰুণু দেৱনাথ প্ৰমুখ্যে ড° হেমন্ত কুমাৰ দাস, ড° নিৰ্মালি দাস, ড° সুনীতা শৰ্মাই বিভিন্ন ধৰণে মোক সহায় কৰিছে, আটাইলৈকে মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জনালোঁ।

মোৰ মা নমাই হাজৰিকা, শহুৰ কেশৱ চন্দ্ৰ বৰা, শাহু পদেশ্বৰী বৰাই ভালেমান তথ্য দি আৰু আশীৰ্বাদেৰে মোক ধন্য কৰিছে, তিনিওজনকে মোৰ শ্ৰদ্ধা জনালোঁ। গৃহস্থ ৰমেশ বৰা, মনোজ আৰু মাইনা, ভাই বোৱাৰী আইমণি, দুই ল'ৰা অনুৰাগ আৰু অনুজ সকলোৰে মোক সহায় অনুপ্ৰেৰণা দি আহিছে, আটাইলৈকে মোৰ মৰম জনালোঁ। ভাইটি ৰুবুলে গৱেষণাৰ বাবে অহৰহ হেচাঁ দি আছিল, তালৈ বহুত মৰম আৰু শুভকামনা জনালোঁ।

গৱেষণা কৰ্মত হাত দিয়াৰে পৰা দিলীপ, কল্পনা, স্বপ্নালী, বনশ্ৰী, স্মৃতিয়ে খা-খবৰ লৈ থাকি আমাক উৎসাহিত কৰা বাবে সকলোকে ধন্যবাদ জনালোঁ। অনুজপ্ৰতীম উমেশ দাস, গোবিন্দ বৈশ্য, কংকন তালুকদাৰ, মহানন্দ দাসলৈ অশেষ মৰম যাচিলোঁ।

ডি.টি.পিৰ বৃহৎ দায়িত্ব সুকলমে আৰু নিষ্ঠাৰে সমাপন কৰা বাবে কাজললৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনালোঁ।

শেষত, যিসকল ব্যক্তিয়ে গৱেষণাৰ বাবে বিভিন্ন তথ্য দি অথবা অন্য ধৰণে সহায় কৰি আমাক সহায় কৰিলে সকলোকে মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ।

ৰুমী হাজৰিকা

দিনাংক ঃ

গৱেষক, অসমীয়া বিভাগ,

বড়োলেণ্ড বিশ্ববিদ্যালয়।

# অৱতৰণিকা

## অধ্যয়নৰ বিষয়বস্তু ঃ

“নামনি অসমৰ তোলনি বিয়া এটি অধ্যয়ন (দৰং জিলাৰ বিশেষ উল্লিখনেৰে)” শীৰ্ষক গৱেষণা গ্ৰন্থখনত নামনি অসমৰ আৰ্যমূলীয় লোকসকলে পৰম্পৰাগতভাৱে পালন কৰি অহা তোলনি বিয়াৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে।

অতীজৰে পৰা অসমত পালন কৰি অহা প্ৰায়বোৰ উৎসৱ অনুষ্ঠানৰ অন্তৰালত আদিম মানৱৰ বিশ্বাস, উৰ্বৰতা বৃদ্ধিৰ কামনা, কৃষিৰ প্ৰাচুৰ্য কামনা, ৰোগ-ব্যাধি তথা অমংগলৰ পৰা পৰিত্ৰাণৰ উপায় কামনা আদি ধাৰণা জড়িত হৈ আছে। তোলনি বিয়াৰ লগতো আদিম মানৱৰ উৰ্বৰতা বিশ্বাসৰ কামনা জড়িত হৈ আহিছে। তোলনি বিয়া এটি নাৰীকেন্দ্ৰিক ধৰ্মনিৰপেক্ষ অনুষ্ঠান। সমাজ এখনত বাস কৰা স্ত্ৰী-পুৰুষ উভয়ে সামূহিকভাৱে পালন কৰা কিছুমান লোকাচাৰ স্ত্ৰী বা নাৰী সকলৰ মাজতে সীমাবদ্ধ থকা দেখা যায়। কেৱল নাৰীৰ অংশগ্ৰহণেৰে নাৰীৰ দ্বাৰা পৰিচালিত অনুষ্ঠান তথা লোকাচাৰবোৰেই নাৰীকেন্দ্ৰিক অনুষ্ঠানৰ অন্তৰ্ভুক্ত। আদিম কালৰে পৰা কিশোৰ এজনে নৰত্ব লাভ কৰা ঘটনাটোতকৈ কিশোৰী এগৰাকীয়ে নাৰীত্ব লাভ কৰা ঘটনাটোক অধিক গুৰুত্ব প্ৰদান কৰি অহা হৈছে। আদিম সমাজত কিশোৰী এগৰাকীয়ে প্ৰথম ৰজঃদৰ্শন কৰা ঘটনাটোক এক অলৌকিক ঘটনা বুলি গণ্য কৰি, বিষয়টোক কিছু ভীতিবিহ্বল দৃষ্টিৰে লক্ষ্য কৰা হৈছিল। পৰৱৰ্তী কালত এই ঘটনাটোক কেন্দ্ৰ কৰি নাৰীসকলে কিছুমান লোকাচাৰ গোপনীয়ভাৱে পালন কৰিবলৈ ধৰিলে। ভাৰতীয় সামাজিক জীৱনতো প্ৰথম ৰজঃদৰ্শনৰ ঘটনাটোৱে গুৰুত্ব লাভ কৰাৰ তথ্য বৈদিক যুগৰ সাহিত্য আৰু তাৰ পৰৱৰ্তী মনুস্মৃতি তথা অন্যান্য সাহিত্যত লক্ষ্য কৰা যায়। বিশেষকৈ স্মৃতিশাস্ত্ৰত ৰজঃস্বলা নাৰী সম্পৰ্কে সমকালীন সমাজখনে গ্ৰহণ কৰা ধ্যান-ধাৰণাৰ প্ৰতিফলন ঘটিছে। প্ৰথম ৰজঃদৰ্শনৰ ঘটনাটো দশসংস্কাৰৰ ভিতৰত ধৰা হোৱা নাই যদিও ইয়াৰ যথেষ্ট গুৰুত্ব আছে।

প্ৰথম ৰজঃদৰ্শন কৰা বা ৰজঃস্বলা হোৱা ছোৱালীজনীক কেন্দ্ৰ কৰি গঢ়ি উঠা অনুষ্ঠানটো অসমত তোলনি বিয়া, নোৱাই তোলনি বিয়া, শান্তি বিয়া, ধুৱেনী বা ধুৱানী বিয়া প্ৰভৃতি নামেৰে পালন কৰা হৈ আহিছে। আনহাতে ৰজঃস্বলা হোৱা ঘটনাটোক উজনি অসমত শান্তি হোৱা, তোলনি হোৱা, পুষ্পিতা হোৱা, ঋতুমতী হোৱা বুলি কোৱা হয় আৰু নামনি অসমত উপৰুক্ত নামবোৰৰ উপৰিও ডাঙৰ হোৱা, লায়েক হোৱা, মানুহ হোৱা, ধুৱানী হোৱা প্ৰভৃতি নামেৰে জনা যায়।

সমগ্ৰ অসমতে পালন কৰি অহা তোলনি বিয়াখনে অসমৰ লোকসংস্কৃতিৰ ক্ষেত্ৰখন সমৃদ্ধ কৰি আহিছে। উজনি-নামনি দুয়ো ঠাইতে পালনীয় তোলনি বিয়াখনে প্ৰাচীন কালৰে পৰা নিজস্ব আঞ্চলিক বৈশিষ্ট্য বহন কৰি পালিত হৈ আহিছে। বৰ্তমানৰ অসমৰ অন্যান্য অংশৰ লগতে নামনি অসমতো তোলনি বিয়াৰ যথেষ্ট পৰিৱৰ্তন ঘটিছে। পৰিৱৰ্তিত ৰূপত হ'লেও তোলনি বিয়াখনৰ প্ৰচলনৰ ব্যাপকতাই পৰম্পৰাগত অনুষ্ঠান হিচাবে অসমীয়া জনজীৱনত বিয়াখন কিমান দলৈকে শিপাই আছে তাৰ এটা উমান পাব পাৰি। অৱশ্যে চহা জীৱনত তোলনি বিয়াৰ পৰম্পৰাগত ৰূপটো এতিয়াও একেবাৰে লুপ্ত হোৱা নাই বুলি ক'ব পাৰি। প্ৰথম ৰজঃদৰ্শন হোৱাৰ পৰা চাৰিদিনৰ চুৱা গা ধুওৱা অনুষ্ঠানটোলৈকে কিশোৰী গৰাকীক কেন্দ্ৰ কৰি বিভিন্ন লোকাচাৰ আৰু লোকবিশ্বাসৰ জন্ম হৈছে; এই কেইদিন এই লোকাচাৰসমূহ মানি বিভিন্ন বাধানিষেধৰ মাজত এটা আছুতীয়া কোঠাত ছোৱালীজনীক আবদ্ধ কৰি থোৱা হয়। চাৰিদিনত ৰাতিপুৱা চুৱা গা ধুওৱাৰ পিছত নামনি অসমৰ ঠাইভেদে সেইদিনাই পিছবেলা ভাল গা ধুওৱা অনুষ্ঠান পাতে বা নহ'লে ব্ৰত ভঙাৰ পিছত ছোৱালীজনীক পৰাচিত কৰি উঠি ভাল ধুৱেনীখন পতা হয়। উজনি অসমত সাতদিনৰ দিনা নোৱাই তোলনি বিয়াখন পতাৰ নিয়ম। সাধাৰণতে চুৱা গা ধুৱাওতে যিবোৰ ৰীতি-নীতি পালন কৰা হয়, ভাল গা ধুৱাওতেও সেই একে ৰীতি-নীতিবোৰ মানি চলা হয়। চুৱা গা ধুওৱা অনুষ্ঠানটো চুবুৰীৰ আয়তীসকলৰ মাজতে সীমাবদ্ধ যদিও, ভাল গা ধুওৱা অনুষ্ঠানটোত নিমন্ত্ৰিত অতিথিৰ সংখ্যা বৃদ্ধি পায় আৰু এইখন কিছু জাকজমকতাৰে পালন কৰা হয়।

তোলনি বিয়াৰ লগত জড়িত বিয়া নাম পদবোৰে মৌখিক সাহিত্যৰ ভঁড়াল চহকী কৰি আহিছে। এই গীত-পদসমূহৰ কথাংশ বৰ বিয়া এখনত গোৱা বিয়াগীততকৈ কিছু পৃথক

ৰূপত পৰিৱেশন কৰা হয়। নামনি অসমত প্ৰচলিত তোলনি বিয়াৰ গীত-পদসমূহৰ কথা, সুৰ আৰু লয়ত আঞ্চলিক বৈশিষ্ট্য পৰিলক্ষিত হয়। এই গীতবোৰৰ মাজেৰে সদ্য যৌৱনপ্ৰাপ্ত কিশোৰীগৰাকীক নৈতিক, আধ্যাত্মিক, ব্যৱহাৰিক তথা ভৱিষ্যত জীৱনত কৰণীয় কৰ্তব্য সম্পৰ্কে জ্ঞান প্ৰদান কৰা হয়।

মৌখিক সাহিত্যৰ যুগৰেপৰা বৰ্তমান যুগৰ সাহিত্যলৈকে অসমীয়া সাহিত্যৰ বিভিন্ন শাখা-প্ৰশাখাত সমাজ জীৱনৰ লগত ওতঃ প্ৰোতভাৱে জড়িত সামাজিক লোকাচাৰ আৰু লোকবিশ্বাসসমূহে স্থান পাই আহিছে। সাহিত্যৰ বিভিন্ন ভাগত লেখক লেখিকা সকলে প্ৰয়োজন সাপেক্ষে প্ৰথম ৰজঃদৰ্শন হোৱা কিশোৰী গৰাকীক লৈ তেওঁলোকৰ নিজস্ব দৃষ্টিভঙ্গী প্ৰকাশ কৰোতে অৱধাৰিত ভাৱেই তোলনি হোৱা কথাটোৱে স্থান পাইছে। ৰজঃস্বলা বা তোলনি হোৱাৰ লগত জড়িত লোকাচাৰ আৰু লোকবিশ্বাসসমূহে আত্মজীৱনী সাহিত্য, গল্প, উপন্যাস, তত্ত্বমূলক প্ৰবন্ধ আদিত স্থান পাই আহিছে। এই লিখনিসমূহৰ মাধ্যমেৰে লেখক-লেখিকাসকলে তেওঁলোকৰ নিজস্ব দৃষ্টিভঙ্গীৰে তোলনি বিয়াৰ প্ৰাচীন ৰূপ, পৰিৱৰ্তিত ৰূপ আৰু ইয়াৰ প্ৰাসংগিকতাক বিচাৰ বিশ্লেষণ কৰি চোৱা পৰিলক্ষিত হয়।

সময়ৰ সোঁতত সমাজ আৰু সংস্কৃতিৰ পৰিৱৰ্তন ঘটে। এই পৰিৱৰ্তনে সামাজিক লোকাচাৰ আৰু লোকবিশ্বাস তথা সামাজিক উৎসৱ অনুষ্ঠানসমূহতো প্ৰভাৱ পেলায়। পৰিৱৰ্তিত সমাজৰ লগত পৰিৱৰ্তন ঘটা তোলনি বিয়াৰ লোকাচাৰ-লোকবিশ্বাস, গীত-পদ, প্ৰভৃতিত আমূল পৰিৱৰ্তন পৰিলক্ষিত হৈছে। বৰ্তমান তোলনি বিয়াখনৰ জাকজমকীয়া তথা ব্যয়বহুল আয়োজন চকুত পৰা ধৰণৰ হৈছে যদিও ইয়াৰ প্ৰকৃত ৰূপ বহু পৰিমাণে হেৰাই গৈছে।

গৱেষণা গ্ৰন্থখনত অসমৰ নাৰীকেন্দ্ৰিক লোকাচাৰ, তোলনি বিয়াৰ লগত জড়িত লোকাচাৰ আৰু লোকবিশ্বাস, তোলনি বিয়াৰ গীতপদ, অসমীয়া সাহিত্যত তোলনি বিয়াৰ প্ৰসংগ আৰু সময়ৰ সোঁতত হোৱা তোলনি বিয়াৰ পৰিৱৰ্তিত ৰূপ সম্পৰ্কে আলোচনা কৰা হৈছে। প্ৰসঙ্গক্ৰমে ভাৰতৰ বিভিন্ন ৰাজ্যত প্ৰচলিত তোলনি বিয়া সদৃশ অনুষ্ঠানসমূহৰ এটি পৰিচয় দাঙি ধৰাৰ লগতে পৃথিৱীৰ অন্যান্য দেশ সমূহত এনে ধৰণৰ অনুষ্ঠানৰ প্ৰচলন আছে নেকি তাৰো এটি আভাস দিবলৈ চেষ্টা কৰা হৈছে। গৱেষণা গ্ৰন্থখনত তোলনি হোৱা আৰু তোলনি বিয়া বুজোৱা সকলো সমাৰ্থক শব্দ ব্যৱহাৰ কৰা হৈছে।

## ০২. অধ্যয়নৰ ক্ষেত্ৰ আৰু অধিবাসী ঃ

অতীজৰে পৰা অসমত পালন কৰি অহা তোলনি বিয়াৰ পৰিসৰ যথেষ্ট ব্যাপক। সমগ্ৰ অসমতে অঞ্চলভেদে আৰু সম্প্ৰদায়ভেদে এই অনুষ্ঠানটো নিজস্ব নীতি-নিয়মেৰে পালিত হৈ আহিছে। অৱশ্যে স্বকীয় বৈশিষ্ট্য থাকিলেও সমগ্ৰ অসমত পালন কৰা তোলনি বিয়াৰ সামগ্ৰিক ৰূপ প্ৰায় একেই যদিও উজনি আৰু নামনিৰ তোলনি বিয়াৰ প্ৰভেদ দুই এটা লক্ষ্য কৰা যায়। গৱেষণা গ্ৰন্থখনত নামনি অসমৰ তোলনি বিয়াখনৰ বিষয়ে আলোচনা কৰা হ'লেও প্ৰসঙ্গক্ৰমে উজনি অসমৰ তোলনি বিয়াৰো উল্লেখ কৰা হৈছে।

অধ্যয়নৰ ক্ষেত্ৰ হিচাবে নামনি অসমৰ দৰং, অবিভক্ত কামৰূপ, নলবাৰী, বৰপেটা, বাক্সা, চিৰাং, বঙ্গাইগাওঁ, কোকৰাঝাৰ আৰু ধুবুৰী জিলাক সামৰি লোৱা হৈছে। ইয়াৰ ভিতৰত দৰং জিলাক প্ৰধান ক্ষেত্ৰ হিচাপে নিৰ্বাচন কৰি জিলাখনত প্ৰচলিত তোলনি বিয়াৰ পৰম্পৰাগত আৰু পৰিৱৰ্তিত ৰূপৰ বিস্তৃত অধ্যয়ন কৰা হৈছে। নামনি অসমৰ অন্যান্য জিলাকেইখনৰ তোলনি বিয়াৰ বিশেষ বৈশিষ্ট্যসমূহ প্ৰসংগক্ৰমে উল্লেখ কৰি যোৱা হৈছে।

গৱেষণা গ্ৰন্থখনৰ মূল ক্ষেত্ৰ হিচাবে বাছি লোৱা দৰং জিলা সাংস্কৃতিক ঐতিহ্যৰ ক্ষেত্ৰত এখন চহকী জিলা। ওজাপালি, খুলীয়া ভাউৰীয়া, দেওধনী নৃত্য, বৰঢুলীয়া, ঢেপা-ঢুলীয়া, কালীয়া, চেৰা ঢেক প্ৰভৃতি স্বকীয় বৈশিষ্ট্যপূৰ্ণ সংস্কৃতিৰে সমৃদ্ধ দৰং জিলাত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে সমিলমিলেৰে বসবাস কৰি আহিছে। এই জাতি জনগোষ্ঠীসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল ব্ৰাহ্মণ, কেওঁট, কলিতা, কোঁচ-ৰাজবংশী, নাথ-যোগী, বণিয়া, বড়ো, ৰাভা, চাওঁতাল, নেপালী আদি। ধৰ্মীয় দিশৰপৰা এইখন জিলাত হিন্দু, ইছলাম, খ্ৰীষ্টান ধৰ্মাৱলম্বী মানুহে বসবাস কৰি আহিছে।

নামনি অসমৰ আন জিলা কেইখনতো দৰং জিলাৰ দৰে জনগাঁথনি আৰু ধৰ্মৰ বিভিন্নতা প্ৰত্যক্ষ কৰা যায়। নামনি অসমত পৰম্পৰাগতভাৱে চলি অহা তোলনি বিয়াখন বৰ্ণ-হিন্দুৰ অন্তৰ্ভুক্ত জাতিসমূহৰ মাজতহে আটাইতকৈ বেছি পালিত হোৱা দেখা যায়। নামনি অসমৰ বৰ্ণ-হিন্দুসকলৰ ভিতৰত ব্ৰাহ্মণ, কেওঁট, কলিতা, কোঁচ-ৰাজবংশী, নাথ-যোগী, বণিয়া, সূত প্ৰভৃতি লোকসকল উল্লেখনীয়। বৰ্ণ-হিন্দুৰ প্ৰভাৱত কিছুসংখ্যক জনজাতীয় লোকেও তোলনি বিয়াৰ নীতি-নিয়ম পালন কৰা দেখা যায়। ইয়াৰ উপৰিও নামনি অসমৰ কিছু সংখ্যক বঙালী,

বিহাৰী, পাঞ্জাবী সম্প্ৰদায়ৰ লোকসকলেও প্ৰথম ৰজঃস্বলা হোৱাৰ সময়ত কিছুমান নীতি-নিয়ম পালন কৰে।

গৱেষণা গ্ৰন্থখনত নামনি অসমৰ বৰ্ণ-হিন্দু তথা অন্যান্য সম্প্ৰদায়ৰ তোলনি বিয়া সম্পৰ্কে আলোচনা কৰা হৈছে। উজনি অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ তোলনি বিয়াৰ স্বকীয় বৈশিষ্ট্য কিছুমানো প্ৰসংগক্ৰমে উনুকিয়াই যোৱা হৈছে।

## ০৩. পূৰ্বকৃত অধ্যয়নৰ খতিয়ান ঃ

অসমৰ সাহিত্য সংস্কৃতি বিষয়ক ভালেমান গ্ৰন্থত তোলনি বিয়া আৰু ইয়াৰ লগত জড়িত লোকাচাৰ- লোকবিশ্বাস তথা গীত-পদ সম্পৰ্কে আলোচনা হৈ আহিছে। তোলনি বিয়া বিষয়ক এককভাৱে প্ৰকাশিত হীৰা ডেকা বৰাৰ *'নোৱাই তোলনি বিয়া'* শীৰ্ষক গ্ৰন্থখন এখন উল্লেখযোগ্য গ্ৰন্থ। এই গ্ৰন্থখনত উজনি আৰু নামনি অসমৰ বিভিন্ন সম্প্ৰদায়ৰ তোলনি বিয়া সম্পৰ্কে সংক্ষিপ্ত ৰূপত আলোচনা আগবঢ়োৱা হৈছে। গ্ৰন্থখনত তোলনি বিয়াৰ লোকাচাৰ-লোকবিশ্বাস তথা গীত-পদসমূহৰ কিছু আলোচনা পোৱা যায়। অসমৰ লোকসংস্কৃতি বিষয়ক গ্ৰন্থসমূহত জন্ম আৰু বিবাহ সম্পৰ্কীয় আৰু স্ত্ৰী লোকাচাৰ বা নাৰীকেন্দ্ৰিক লোকাচাৰ সম্পৰ্কীয় আলোচনাত তোলনি বিয়া সম্পৰ্কীয় চমু আলোচনা একোটা সন্নিৱিষ্ট হৈছে। তদুপৰি কোনো কোনো গ্ৰন্থত একোটা অধ্যায় হিচাপেও তোলনি বিয়াৰ আলোচনাই স্থান লাভ কৰিছে। এই সম্পৰ্কে পোনতে নাম ল'ব পাৰি নিৰ্মলপ্ৰভা বৰদলৈৰ *'অসমৰ লোক-সংস্কৃতি'* শীৰ্ষক গ্ৰন্থখনৰ। এই গ্ৰন্থখনত *'লোক-সংস্কৃতিত কন্যাকাল'* নামৰ অধ্যায়টিত তোলনি বিয়াৰ লোকাচাৰ আৰু লোকবিশ্বাসসমূহৰ আলোচনা দাঙি ধৰা হৈছে। গ্ৰন্থখনত বিয়াগীত মাত্ৰ তিনিশাৰীহে পোৱা যায়। ভৃগুমোহন গোস্বামীৰ *'সংস্কৃতি আৰু লোকসংস্কৃতি'* নামৰ গ্ৰন্থখনত 'তোলনি বিয়া' আৰু 'কনাই' সম্পৰ্কে আলোচনা দাঙি ধৰা হৈছে। চাও লোকেশ্বৰ গগৈৰ *'অসমৰ লোকসংস্কৃতিৰ ৰূপৰেখা'*ত 'নোৱাই তোলনি বিয়া' শীৰ্ষক শিৰোনামেৰে তোলনি বিয়াৰ আলোচনা কৰা হৈছে। ইয়াৰ উপৰিও নবীনচন্দ্ৰ শৰ্মাৰ *'অসমৰ সাংস্কৃতিক ইতিহাস* (২য় খণ্ড), গ্ৰন্থত পুষ্পোৎসৱ শীৰ্ষক আলোচনাত তোলনি বিয়াৰ লোকাচাৰ আৰু বিয়াখন পতাৰ কাৰণ সম্পৰ্কে এটি আভাস পোৱা যায়। তেওঁৰ আন এখন গ্ৰন্থ *'অসমৰ লোক সাহিত্য'*ত

পুষ্পোৎসৱৰ আলোচনা প্ৰসংগত তোলনি বিয়াৰ গীত কেইটামানো উল্লেখ কৰিছে। বিৰিঞ্চি কুমাৰ বৰুৱাৰ *'অসমৰ লোকসংস্কৃতি'*, লীলা গগৈৰ *'টাই সংস্কৃতিৰ ৰূপৰেখা'* আৰু *'অসমৰ সংস্কৃতি'* গ্ৰন্থত লোকাচাৰ আৰু লোকবিশ্বাসৰ প্ৰসংগত তোলনি বিয়াৰ উল্লেখ কৰা হৈছে আৰু চমুকৈ তোলনি বিয়াৰ এটি আভাস দিয়া হৈছে। উমেশ চেতিয়াৰ *'অসমৰ লোকসংস্কৃতিৰ ৰূপৰেখা*, আৰু প্ৰফুল্ল কুমাৰ নাথৰ *'অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা'*ত অসমীয়া বিবাহ সম্পৰ্কীয় লোকাচাৰৰ প্ৰসংগত তোলনি বিয়াৰ লোকাচাৰ আৰু লোকবিশ্বাস সম্পৰ্কীয় আলোচনা দাঙি ধৰা হৈছে।

উপেন ৰাভা হাকাচাম আৰু প্ৰফুল্ল কুমাৰ নাথ সম্পাদিত *'অসমৰ জনগোষ্ঠীয় সামাজিক লোকাচাৰ'* নামৰ গ্ৰন্থখনত অসমৰ প্ৰায়বোৰ জনজাতিৰ সমাজকেন্দ্ৰিক লোকাচাৰ আৰু অন্যান্য জনগোষ্ঠীয় সমাজকেন্দ্ৰিক লোকাচাৰ সমূহৰ এটি বিৰৰণ দাঙি ধৰা হৈছে। গ্ৰন্থখনত মেচ-কছাৰী, সোণোৱাল-কছাৰী, নাথ-যোগী, কলিতা, ৰাজবংশী, বণিয়া, ব্ৰাহ্মণ, অসমীয়া শিখ সম্প্ৰদায় আদি সমাজত তোলনি বিয়াৰ প্ৰচলন সম্পৰ্কে চমু আলোচনা কৰা হৈছে। ড° উপেন ৰাভা হাকাচাম ৰচিত *'বৰ অসমৰ বৰ্ণ-হিন্দু জাতি-জনগোষ্ঠী'* শীৰ্ষক গ্ৰন্থখনত অসমৰ বৰ্ণ-হিন্দু সম্প্ৰদায়সমূহৰ উৎপত্তি, লোকাচাৰ আদিৰ বিষয়ে বিস্তৃত আলোচনা পোৱা যায়। গ্ৰন্থকাৰে লোকাচাৰৰ আলোচনা প্ৰসংগত ব্ৰাহ্মণ, নাথ-যোগী, কৈৱৰ্ত আদিৰ সমাজত প্ৰচলিত তোলনি বিয়াৰ বিষয়েও চমু আলোচনা আগবঢ়াইছে।

দৰং জিলাৰ লোকসংস্কৃতিৰ ওপৰত বিশেষভাৱে আলোকপাত কৰি লিখা গ্ৰন্থ, পত্ৰিকা তথা স্থানীয়ভাৱে প্ৰকাশিত বিভিন্ন স্মৃতি গ্ৰন্থ, স্মৰণিকা আদিত তোলনি বিয়া সম্পৰ্কীয় আলোচনা পোৱা যায়। এনে কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে বিজয় কুমাৰ শৰ্মাৰ *'দৰং জিলাৰ উৎসৱ অনুষ্ঠানৰ অধ্যয়ন'*, অসম সাহিত্য সভাই প্ৰকাশ কৰা *'বৰদৌলগুৰিৰ বুৰঞ্জী আৰু সংস্কৃতি'*, ৰজনীকান্ত বৰুৱাৰ *'দৰঙী কলা কৃষ্টিৰ চমু কথা'* আৰু ৰামচন্দ্ৰ ডেকা আৰু প্ৰসন্ন কুমাৰ নাথ সম্পাদিত স্মৃতিগ্ৰন্থ *'সাৰঙ্গ সৌৰভ'*।

ৰামানাথ দেৱশৰ্ম্মোপাধ্যায় বিদ্যাভূষণৰ দ্বাৰা সংকলিত আৰু লক্ষ্মীকান্ত দেৱ শৰ্মাই প্ৰকাশ কৰা *'যজুৰ্ব্বেদীয় বিবাহ পদ্ধতি'* নামৰ গ্ৰন্থখনত 'অথ স্ত্ৰীনাংআদ্য ঋতু গণনা' নামৰ এটি অধ্যায় আছে। এই অধ্যায়টোত পুষ্পিতা হোৱা ছোৱালীজনীৰ গণনা কাৰ্যৰ শুভাশুভ

ফলাফল, ফলাফলৰ ওপৰত ভিত্তি কৰি পোৱা যোগ তথা কন্যা, বিধি নিষেধ আৰু প্ৰতিবিধান সম্পৰ্কে জ্যোতিষীৰ দৃষ্টিভঙ্গীৰে এটি আলোচনা পোৱা যায়। কিৰণ শৰ্মাই অনুবাদ কৰা *'মনুসংহিতা'*ত ৰজঃস্বলা নাৰী সম্পৰ্কে মনুস্মৃতিৰ সমকালীন সমাজখনৰ ধাৰণাৰ উমান পাব পাৰি। আৰ. চি. মজুমদাৰে সম্পাদনা কৰা *'বৈদিক যুগ'* নামৰ গ্ৰন্থখনতো বিবাহযোগ্য নাৰী সম্পৰ্কীয় আলোচনাত ৰজঃস্বলাৰ প্ৰসংগ অনা হৈছে। নৰেন্দ্ৰনাথ ভট্টাচাৰ্যৰ *'Indian Puberty rites'* গ্ৰন্থখনৰ 'Menstrual Rites' শীৰ্ষক অধ্যায়টোত ভাৰতৰ, বিশেষকৈ দক্ষিণ ভাৰতত প্ৰথম ৰজঃস্বলা নাৰীগৰাকীক কেন্দ্ৰ কৰি কেনেধৰণৰ উৎসৱ অনুষ্ঠান বা লোকাচাৰ পালন কৰা হৈ আহিছে তাৰ এটি আলোচনা দাঙি ধৰিছে। বেণুধৰ শৰ্মাৰ *'Assamese Popular Superstitions And Assamese Demonology'* (১৯২০) গ্ৰন্থত লোকবিশ্বাসৰ প্ৰসংগত প্ৰথম ঋতুমতী ছোৱালীজনীক কেন্দ্ৰ কৰি প্ৰচলিত হৈ অহা লোকবিশ্বাসৰ কথা উল্লেখ কৰা হৈছে।

লোকসাহিত্যৰ প্ৰসংগত বিয়াগীত পদৰ আলোচনাত চেগাচোৰোকাকৈ তোলনি বিয়াৰ গীত সম্পৰ্কে দুই এটা গীতৰ আলোচনা পোৱা যায়। নিৰ্মলপ্ৰভা বৰদলৈৰ *'অসমৰ লোককবিতা'* শীৰ্ষক গ্ৰন্থখনত 'যৌৱনৰ কবিতা' শিৰোনামেৰে লিখা অধ্যায়টোত তোলনি বিয়াৰ গীতখিনিৰ কথা আলোচনা কৰি এটা গীত সন্নিবিষ্ট কৰিছে। 'বিয়ানাম' বা 'বিয়াগীত' সম্পৰ্কে অসংখ্য গ্ৰন্থ প্ৰকাশ পালেও বিয়াৰ গীত সম্পৰ্কে প্ৰকাশিত একক গ্ৰন্থসমূহত 'বৰবিয়া'ৰ গীতৰহে আলোচনা পোৱা যায়। এনে গ্ৰন্থৰ ভিতৰত কনকচন্দ্ৰ চহৰীয়াৰ *'দৰঙী লোকগীতি সংগ্ৰহ'*ত দৰং অঞ্চলত প্ৰচলিত তোলনি বিয়াৰ গীত কেইটামান পোৱা যায়। তদুপৰি লাৱণ্য পূজাৰীৰ *'ঐ ৰাম আমাৰে আইদেউৰ বিয়া'*, অনিমা নাথ আৰু প্ৰীতি নাথ সংগ্ৰীহিত *'বিয়ানাম'*, দেবেন গগৈ সম্পাদিত *'বিয়ানাম'* শীৰ্ষক গ্ৰন্থকেইখনত তোলনি বিয়াৰ গীত কিছুসংখ্যক সন্নিবিষ্ট হৈছে।

গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্ত্ৰী-লোকাচাৰ, লোকসাহিত্য তথা উৎসৱ অনুষ্ঠান সম্পৰ্কীয় গৱেষণা গ্ৰন্থসমূহত প্ৰসংগক্ৰমে অসমত পালন কৰি অহা তোলনি বিয়াই স্থান পাইছে। বিভিন্ন অঞ্চল বা জিলাক বিশেষ ক্ষেত্ৰ হিচাবে নিৰ্বাচন কৰি লিখা আৰু তোলনি বিয়াৰ গীত-পদ, লোকাচাৰ-লোকবিশ্বাস সম্পৰ্কীয় আলোচনাই স্থান পোৱা কেইখনমান

উল্লেখযোগ্য গৱেষণাগ্ৰন্থ হৈছে ভানু বেজবৰাৰ *'গোৱালপাৰা লোকসংস্কৃতিত নাৰী ঃ এক বিশ্লেষণাত্মক অধ্যয়ন'*(২০০৮, গুৱাহাটী বিশ্ববিদ্যালয়), প্ৰণীতা বৰদলৈৰ *'লখিমপুৰ জিলাৰ দেউৰী জনগোষ্ঠীৰ উৎসৱ অনুষ্ঠান'*(২০০৯,গুৱাহাটী বিশ্ববিদ্যালয়), মামনি ভট্টাচাৰ্যৰ *'নামনি অসমৰ স্ত্ৰীপ্ৰধান সামাজিক আচাৰ-অনুষ্ঠান আৰু গীত-পদ এক বিশ্লেষণাত্মক অধ্যয়ন'* (২০০৯, গুৱাহাটী বিশ্ববিদ্যালয়), হেমন্ত কুমাৰ চলিহাৰ *'সোণোৱাল কছাৰীৰ সংস্কৃতি এটি অধ্যয়ন'*(২০১০, গুৱাহাটী বিশ্ববিদ্যালয়), কৰবী দাসৰ *'অসমীয়া লোকসাহিত্যত নাৰী আৰু নাৰী মনস্তত্ত্বৰ প্ৰতিফলনঃ এটি অধ্যয়ন'* (২০১৬, গুৱাহাটী বিশ্ববিদ্যালয়) পূৰবী কলিতাৰ *'দক্ষিণ কামৰূপৰ উৎসৱ অনুষ্ঠান ঃ এক অধ্যয়ন'* (২০১৬), পূবালী চহৰীয়া *'দৰঙৰ স্ত্ৰী লোকাচাৰ এটি অধ্যয়ন'*(২০১৭,গুৱাহাটী বিশ্ববিদ্যালয়), ৰমেশ বৰাৰ *'অসমীয়া আৰু বড়ো জনগোষ্ঠীৰ লোকবিশ্বাস আৰু লোকাচাৰ এটি তুলনামূলক অধ্যয়ন (নামনি অসমৰ জন্ম-মৃত্যু-বিবাহ সম্পৰ্কীয় বিশেষ উল্লিখনেৰে)'*(২০১৮, গুৱাহাটী বিশ্ববিদ্যালয়)। অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত প্ৰচলিত তোলনি বিয়া সম্পৰ্কে উপৰোক্ত গৱেষণা গ্ৰন্থসমূহত ভালেমান আলোচনা হৈছে যদিও যথেষ্ট বুলিব নোৱাৰি। বিশেষকৈ দৰং জিলা তথা নামনি অসমত প্ৰচলিত তোলনি বিয়া সম্পৰ্কে বিস্তৃত অধ্যয়ন এতিয়ালৈকে হোৱা নাই। প্ৰায়বোৰ অধ্যয়ন বা আলোচনাত তোলনি বিয়াৰ এক সামগ্ৰিক আলোচনা কৰা পৰিলক্ষিত হয়। কিশোৰীগৰাকীৰ প্ৰথম ৰজঃদৰ্শন হোৱাৰ পৰা ব্ৰত ভঙালৈকে থকা পৰ্যায়সমূহৰ পুংখানুপুংখ আলোচনা আৰু এই পৰ্যায়সমূহৰ আঁৰত লুকাই থকা লোকবিশ্বাসসমূহৰ প্ৰণালীবদ্ধ আলোচনা এতিয়ালৈকে হোৱা নাই। লোকাচাৰ আৰু লোকবিশ্বাসসমূহৰ দৰে তোলনি বিয়াৰ গীতসমূহতো এক স্বকীয় তাৎপৰ্য নিহিত হৈ আছে। লোকগীতৰ সংগ্ৰহ, বিয়াগীতৰ সংগ্ৰহ আৰু বিভিন্ন প্ৰবন্ধ পাতি তথা গ্ৰন্থত তোলনি বিয়াৰ গীতৰ চেগাচোৰোকাকৈ আলোচনা হৈছে যদিও এইবোৰ আলোচনা পৰ্যাপ্ত বুলি ক'ব নোৱাৰি। কিশোৰী গৰাকী ধুৱাবৰ দিনা প্ৰসংগ অনুযায়ী গোৱা গীতসমূহৰ একাদিক্ৰমে আলোচনা হোৱা দেখা নাযায় আৰু এইবোৰৰ সংগ্ৰহো একেবাৰে নগন্য।

দৰং জিলাৰ চুকে কোণে তোলনি বিয়াৰ ভালেমান গীত-পদ সিচৰঁতি হৈ আছে। এইবোৰৰ একক ভাৱে সংগ্ৰহ কৰি গ্ৰন্থাকাৰে প্ৰকাশ হোৱা দেখা নাযায়। সেয়ে ইতিপূৰ্বে

প্ৰকাশিত গ্ৰন্থসমূহ আৰু ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা প্ৰয়োজনীয় তথ্যসমূহ সংগ্ৰহ কৰি গৱেষণাৰ কামত আগবঢ়াৰ প্ৰয়াস কৰা হৈছে।

## ০৪. অধ্যয়নৰ উদ্দেশ্য ঃ

এটা জাতিৰ লোকসংস্কৃতিৰ অন্তৰালত সেই জাতিটোৰ ঐতিহ্য লুকাই থাকে। সংস্কৃতিৰ অধ্যয়নে সেই ঐতিহ্যক জানিবলৈ সুবিধা দিয়ে, লোকসংস্কৃতিৰ অধ্যয়নে সংস্কৃতিৰ মূল ভেটিৰ পৰিচয় দিয়ে। সামাজিক জীৱনত পালনীয় ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান প্ৰভৃতিৰ মাজত সেই সমাজখনৰ স্বৰূপ প্ৰকাশ পায়। এনে লোকাচাৰ আৰু লোকবিশ্বাসসমূহক এখন অলিখিত সংবিধানৰ দৰে সকলোৱে গ্ৰহণ কৰে। সাধাৰণতে দেখা যায় যে, পৰম্পৰাগতভাৱে পালন কৰি অহা ৰীতি-নীতিসমূহৰ ক্ষেত্ৰত নাৰীসমাজ বেছি সংবেদনশীল, ঘৰুৱা বা সামাজিক জীৱনত তেওঁলোকে বিভিন্ন লোকাচাৰ আৰু লোকবিশ্বাসসমূহক প্ৰাধান্য দিয়ে।

গৱেষণা গ্ৰন্থখনৰ জৰিয়তে নামনি অসমৰ পৰম্পৰাগত তোলনি বিয়াৰ লোকাচাৰ, লোকবিশ্বাস, নাৰীৰ স্থান আৰু কাৰ্যাৱলীৰ বিভিন্ন দিশ সামৰি আলোচনা কৰাৰ উদ্দেশ্য বান্ধি লোৱা হৈছে।

নামনি অসমত প্ৰচলিত তোলনি বিয়াৰ পৰম্পৰাগত ৰীতি-নীতি, বিশেষকৈ দৰং জিলাত প্ৰচলিত লোকাচাৰসমূহৰ বিস্তৃত অধ্যয়ন আৰু সেইবোৰৰ উৎপত্তিৰ উৎসৰ সন্ধান কৰা আমাৰ অধ্যয়নৰ অন্যতম উদ্দেশ্য।

তোলনি বিয়াৰ লগত জড়িত লোকবিশ্বাস সমূহ আৰু এইবোৰৰ অন্তৰ্নিহিত তাৎপৰ্য তথা মানসিক জগতখনৰ পৰিচয় বিচৰাও অধ্যয়নটোৰ আন এক তাৎপৰ্য।

লোকাচাৰ আৰু লোকবিশ্বাসসমূহ পৰিৱৰ্তনশীল। উদ্যোগীকৰণ, বৈজ্ঞানিক মানসিকতাৰ বিস্তাৰ, স্বাস্থ্যখণ্ডৰ তথা শিক্ষাখণ্ডৰ দ্ৰুত প্ৰসাৰৰ লগে লগে মানুহবোৰ লোকবিশ্বাস আৰু পৰম্পৰাগত ৰীতি-নীতিৰ পৰা আঁতৰি যায়, তাৰ ফলত মানুহৰ দৃষ্টিভঙ্গীৰ পৰিৱৰ্তন ঘটে। সমাজ জীৱনলৈ অহা পৰিৱৰ্তনবোৰ পৰম্পৰাগত জীৱনশৈলীত যথেষ্ট প্ৰভাৱ পেলায়। কেতিয়াবা এই পৰিৱৰ্তনবোৰ সমাজৰ বাবে হিতকাৰী নহ'বও পাৰে, কিন্তু কোনটো ভাল

কোনটো বেয়া তাক নির্ধাৰণ কৰাও সহজ কথা নহয়। সেয়ে দুয়োটা দিশ পর্যালোচনা কৰি গ্ৰহণ বৰ্জনৰ বাবে এটি সঠিক পথৰ সন্ধান কৰাও অধ্যয়নটোৰ অন্য এক উদ্দেশ্য।

নৱ-প্ৰজন্মৰ বহুসংখ্যকৰ বাবে পৰম্পৰাগত তোলনি বিয়াখন এটা আচহুৱা অনুষ্ঠান। তেওঁলোকৰ মাজত পৰম্পৰাগত তোলনি বিয়াৰ প্ৰকৃত ৰূপ আৰু পৰিৱৰ্তিত ৰূপৰ ছবি দাঙি ধৰি অনুষ্ঠানটোৰ মূল তাৎপৰ্য অনুধাৱন কৰাত সহায় কৰাটোও অধ্যয়নৰ আন এক উদ্দেশ্য।

নামনি অসমৰ বিভিন্ন ঠাইত সিচঁৰতি হৈ থকা তোলনি বিয়াৰ গীত-পদসমূহ সংগ্ৰহ কৰি সংৰক্ষণ কৰাও এই গৱেষণাৰ উদ্দেশ্য।

তোলনি বিয়াৰ মাজেৰে অসমীয়া সমাজ তথা নাৰীৰ ঐতিহাসিক বিৱৰ্তনৰ এক ছবি প্ৰতিফলিত হোৱা দেখা যায়। লোকাচাৰ, গীত-পদসমূহত সোমাই থকা এনে উপাদানসমূহ উলিয়াই অনাও গৱেষণাৰ অন্যতম উদ্দেশ্য।

অসমৰ সামাজিৰ পৰম্পৰাগত তোলনি বিয়াৰ লোকাচাৰসমূহ মৌখিক পৰম্পৰা হিচাপে চলি আহিছে। সময়ৰ সোঁতত কেতিয়াবা সংশোধন বা পৰিৱৰ্দ্ধনৰ বাবে তোলনি বিয়াৰ এটি সু-শৃংখলিত আৰু প্ৰণালীবদ্ধ ৰূপৰ প্ৰয়োজন। সেয়ে তোলনি বিয়াৰ পৰম্পৰাগত লোকাচাৰ আৰু লোকবিশ্বাসৰ পৰা আধুনিক প্ৰভাৱলৈকে এটি শৃংখলাবদ্ধ ৰূপৰ অধ্যয়ন কৰাও এই গৱেষণাৰ আন এক উদ্দেশ্য।

## .০৫ অধ্যয়নৰ পদ্ধতি ঃ

**'নামনি অসমৰ তোলনি বিয়া (দৰং জিলাৰ বিশেষ উল্লিখনেৰে)'** শীৰ্ষক গৱেষণাৰ বিষয়টো অধ্যয়নৰ বাবে বৰ্ণনামূলক অধ্যয়ন আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। গৱেষণা কৰ্মৰ বাবে প্ৰয়োজন হোৱা তথ্যপাতিসমূহৰ বাবে প্ৰাথমিক আৰু গৌণ উৎসৰ সহায় লোৱা হৈছে। প্ৰাথমিক উৎসৰ বাবে ঘাইকৈ ক্ষেত্ৰ অধ্যয়নৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। ক্ষেত্ৰ অধ্যয়নত পৰ্যবেক্ষণ, সাক্ষাৎগ্ৰহণ আৰু অংশ গ্ৰহণৰ যোগেদি তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। তথ্যসমূহ সংৰক্ষণৰ বাবে কেমেৰা টেপৰেকৰ্ডাৰ আদি ব্যৱহাৰ কৰা হৈছে। চুৰা ধুৱেনী আৰু ভাল ধুৱেনী দুয়োবিধ তোলনি বিয়াতে নিজে অংশ গ্ৰহণ কৰি তথ্য সংগ্ৰহ কৰা হৈছে। অসমৰ আৰ্যভিন্ন জনগোষ্ঠীসমূহৰ তোলনি বিয়াৰ স্বৰূপ জানিবৰ

বাবে প্ৰকাশিত গ্ৰন্থৰ তথ্যপাতিৰ সহায় লোৱা হৈছে। ক্ষেত্ৰ অধ্যয়নৰ বাদেও বিশ্ববিদ্যালয়ৰ গৱেষণা পত্ৰ, গৱেষণা পত্ৰিকা আদিৰ পৰাও তথ্য সংগ্ৰহ কৰা হৈছে। অসমীয়া সাহিত্যত তোলনি বিয়াৰ অধ্যয়নৰ বাবে অসমীয়া ভাষাৰ প্ৰৱন্ধ উপন্যাস, গল্প, আত্মজীৱনী অধ্যয়ন কৰি তাৰ পৰাও তথ্য সংগ্ৰহ কৰা হৈছে।

গৌণ উৎসৰ ভিতৰত অসমীয়া, ইংৰাজী, বঙালী, সংস্কৃত ভাষাত প্ৰকাশিত বিভিন্ন গৱেষণামূলক গ্ৰন্থ, প্ৰৱন্ধৰ কিতাপ, পত্ৰিকা, আলোচনী আদিৰ সহায় লোৱা হৈছে। গ্ৰন্থ অধ্যয়নৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ, গুৱাহাটী জিলা পুথিভঁড়াল, জনতা মহাবিদ্যালয় পুথিভঁড়াল, কোকৰাঝাৰ চৰকাৰী মহাবিদ্যলয়ৰ অসমীয়া বিভাগ আৰু বাংলা বিভাগৰ পুথিভঁড়াল, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পুথিভঁড়াল, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পুথিভঁড়াল, মঙ্গলদৈ মহাবিদ্যালয়ৰ পুথিভঁড়াল, দৌলগুৰি জ্ঞানোদয় পুথিভঁড়াল (দৰং) আদি পুথিভঁড়ালসমূহ ব্যৱহাৰ কৰা হৈছে। ভাৰতৰ বিভিন্ন ৰাজ্য আৰু পৃথিৱীৰ অন্যান্য প্ৰান্তত প্ৰচলিত তোলনি বিয়া (Pubety rites) সম্পৰ্কে তথ্য সংগ্ৰহৰ বাবে ইন্টাৰনেটত পোৱা তথ্যৰ সহায় লোৱা হৈছে। তদুপৰি স্থানীয় তথ্য লাভৰ বাবে সামাজিক মাধ্যম ফেচবুক আদিৰো সহায় লোৱা হৈছে।

বৰ্ণবিন্যাস আৰু আখৰ জোঁটনিৰ বাবে *'হেমকোষ অভিধান'*, *'চন্দ্ৰকান্ত অভিধান'*, মহেশ্বৰ নেওগৰ *'নিকা অসমীয়া ভাষা'*, অসম সাহিত্য সভাৰ *'অসমীয়া আখৰ জোঁটনি'* আদি গ্ৰন্থৰ সহায় লোৱা হৈছে।

-----

# প্ৰথম অধ্যায়

## ১.০০ অসমৰ নাৰীকেন্দ্ৰিক লোকাচাৰ আৰু তোলনি বিয়া

### আৰম্ভণি ঃ

লোকাচাৰৰ মাজত নিহিত থকা পৰম্পৰাসমূহ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰচলিত হোৱাৰ ক্ষেত্ৰত নাৰীসমাজৰ ভূমিকা আটাইতকৈ বেছি। বেছিভাগ লোকাচাৰৰ মাজত সন্তান বৃদ্ধি আৰু শস্য বৃদ্ধিৰ কামনা অন্তৰ্নিহিত থকা দেখা যায়। সন্তানৰ লালন-পালনত ব্যস্ত থকাৰ উপৰিও কৃষিকৰ্ম আৰু সামাজিক উৎসৱ অনুষ্ঠানত যোগদান কৰি নাৰীসকলে এক কৰ্মব্যস্তময় জীৱন পাৰ কৰা দেখা যায়। এনে পটভূমিতে অনেক নাৰীকেন্দ্ৰিক লোকাচাৰৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। এই অধ্যায়ত অসমত প্ৰচলিত জন্ম, মৃত্যু, বিবাহাদিত থকা নাৰীকেন্দ্ৰিক লোকাচৰ, তোলনি বিয়াৰ প্ৰাচীনত্ব, তোলনি বিয়াৰ আভিধানিক অৰ্থ আৰু অসমৰ বিভিন্ন জনগোষ্ঠী তথা সম্প্ৰদায়সমূহৰ মাজত তোলনি বিয়াৰ প্ৰচলন সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে।

### ১.০১ নাৰীকেন্দ্ৰিক লোকাচাৰ ঃ

সমাজত পৰম্পৰাগতভাৱে চলি অহা বেছিভাগ লোকাচাৰ ঘাইকৈ নাৰীসকলেই পালন কৰে। নাৰীকেন্দ্ৰিক লোকাচাৰ বা স্ত্ৰী লোকাচাৰ বুলিলে কেৱল নাৰীসকলৰ দ্বাৰা পালন কৰা আচাৰ নীতিক সূচায়, এই ফালৰ পৰা সমাজত প্ৰচলিত অধিকাংশ লোকাচাৰেই নাৰীকেন্দ্ৰিক বুলিব পাৰি। পুৰুষৰ দ্বাৰা কৃত্য লোকাচাৰসমূহতো নাৰীগৰাকীয়ে বিভিন্ন নীতি-নিয়ম পালন কৰি সহযোগ কৰা পৰিলক্ষিত হয়।

অসমত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ মাজত পুৰুষানুক্ৰমে চলি অহা লোকাচাৰসমূহত নাৰীসকলৰ প্ৰাধান্যতা মন কৰিবলগীয়া। উৎসৱ-পাৰ্বণ, ধৰ্মীয় আচাৰ, ঘৰুৱা কাম-কাজ আদি প্ৰতিটো কাৰ্য্যৰ লগত নাৰী এগৰাকী জড়িত হৈ থাকে। নাৰীকেন্দ্ৰিক

লোকাচাৰবোৰ নাৰীসকলে ৰাতিপুৱা শোৱাপাটী এৰাৰ পৰা ৰাতি শোৱালৈকে প্ৰতি খোজতেই পালন কৰে আৰু তেনেদৰে পৰম্পৰাগতভাৱে লাভ কৰা অভিজ্ঞতা, বিশ্বাস, ধ্যান ধাৰণা প্ৰভৃতি তেওঁলোকৰ আচৰণত প্ৰকাশ ঘটে। নাৰীসকলে পালন কৰা আচাৰ-নীতিক নাৰীকেন্দ্ৰিক লোকাচাৰ বুলিব পাৰি আৰু আমাৰ সমাজৰ বেছিভাগ লোকাচাৰেই নাৰীকেন্দ্ৰিক।[১]

### ১.০১.১ নাৰীকেন্দ্ৰিক লোকাচাৰৰ শ্ৰেণী বিভাগ ঃ

নাৰীকেন্দ্ৰিক লোকাচাৰৰ শ্ৰেণী বিভাগ কৰাটো এটা জটিল বিষয়। কিয়নো জন্মৰ পৰা মৃত্যুলৈকে পৰম্পৰাগতভাৱে পালন কৰি অহা লোকাচাৰবোৰৰ লগত নাৰীসকল একাত্মভাৱে জড়িত হৈ থাকে। নাৰীকেন্দ্ৰিক লোকাচাৰবোৰৰ তাৎপৰ্য বিচাৰ কৰি চাবলৈ আলোচনাৰ সুবিধাৰ্থে আচৰণ, প্ৰকাৰ্য তথা প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ নাৰীকেন্দ্ৰিক লোকাচাৰসমূহ তলত দিয়া ধৰণে ভাগ কৰি লোৱা হৈছে —

ক) জন্মৰ সৈতে জড়িত নাৰীকেন্দ্ৰিক লোকাচাৰ।

খ) বিবাহৰ সৈতে জড়িত নাৰীকেন্দ্ৰিক লোকাচাৰ।

গ) মৃত্যুৰ সৈতে জড়িত নাৰীকেন্দ্ৰিক লোকাচাৰ।

ঘ) উৎসৱ অনুষ্ঠান সম্পৰ্কীয় নাৰীকেন্দ্ৰিক লোকাচাৰ।

ঙ) দৈনন্দিন পালনীয় নাৰীকেন্দ্ৰিক লোকাচাৰ।

### ক) জন্মৰ সৈতে জড়িত নাৰীকেন্দ্ৰিক লোকাচাৰ ঃ

মাতৃ গৰ্ভৰ পৰা সন্তান এটিৰ জন্ম প্ৰকৃতিৰ সাধাৰণ ঘটনা। এহাল নাৰী পুৰুষৰ মিলনৰ ফলশ্ৰুতিত মাতৃগৰ্ভত স্থিতি লোৱা ভ্ৰূণ এটি একলা দুকলাকৈ বাঢ়ি আহি এটি পূৰ্ণাৱয়ব শিশুৰূপে ভূমিষ্ঠ হয়। এটি শিশু জন্মৰ পৰা মৃত্যুলৈকে কেইবাটাও স্তৰ পাৰ হৈ আহে। বৈদিক যুগত এই স্তৰবোৰক সংস্কাৰ বুলি অভিহিত কৰা হৈছে। মনুৰ মতে সংস্কাৰ গৰ্ভধাৰণৰ পৰা মৃত্যুলৈকে তেৰটা। যেনে — গৰ্ভধাৰণ, পুংসৱণ, সীমোন্তনয়ন, জাত-কৰ্ম, নামধেয়, নিষ্কামন, অন্নপ্ৰাশন, চূড়াকৰণ, উপনয়ন, কেশান্ত, সমাবৰ্তন, বিবাহ আৰু শ্মশান।[২] অসমীয়া সমাজত প্ৰথমবাৰ গৰ্ভধাৰণ কৰা নাৰী গৰাকীক শাৰিৰীক আৰু মানসিকভাৱে সাজু কৰি তোলাত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। জন্ম সম্পৰ্কীয় লোকাচাৰ সমূহৰ জৰিয়তে আকাংক্ষিত ফল কামনা কৰা হয়। এটি সুন্দৰ তথা সুস্থ সন্তান জন্ম দিবলৈ মাতৃগৰাকীক

কিছুমান নীতি-নিয়ম মানি চলিব দিয়া হয়। গৰ্ভৱতী নাৰীগৰাকী সকলো সময়তে শুদ্ধ বা শুচি হৈ থকাৰ লগতে শাৰিৰীক সুস্থতা বৰ্তাই ৰাখিবলৈ যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লাগে। প্ৰাচীন কালত মানুহে জন্মৰ দৰে ঘটনাবোৰ ঐশ্বৰিক শক্তিৰ ফলত হোৱা বুলি গণ্য কৰি গৰ্ভস্থ সন্তানটি সুৰক্ষিত ৰখাৰ স্বাৰ্থত কিছুমান ঐন্দ্ৰজালিক ক্ৰিয়া-কৰ্ম কৰিছিল। যিহেতু গৰ্ভধাৰণৰ ক্ষমতা কেৱল নাৰী এগৰাকীৰহে আছে, গতিকে সৰহ সংখ্যক ৰীতি-নীতিয়েই নাৰীগৰাকীয়ে পালন কৰা দেখা যায়।

অসমীয়া সমাজত প্ৰথমবাৰ গৰ্ভধাৰণ কৰা নাৰী গৰাকীয়ে প্ৰতিটো খোজতে কেতবোৰ বাধা-নিষেধ মানি চলিব লাগে । এই সময়ছোৱাত গৰ্ভৱতী গৰাকীক দূৰ ভ্ৰমণ কৰা, গধুৰ বস্তু দঙা, কষ্টকৰ কাম কৰাৰ পৰা বিৰত ৰখা হয়। যুৰীয়া মাহত গৰ্ভৱতী মহিলাই ভ্ৰমণ কৰিলে গৰ্ভনষ্ট হয় বুলি বিশ্বাস প্ৰচলিত আছে।[৩] তদুপৰি এই সময়ছোৱাত চৰাই-চিৰিকটি মৰা, গাঁত খন্দা তথা বিয়াত কইনা ধুওৱা কাৰ্য কৰাৰ পৰা বিৰত থাকিব লাগে। এই সময়ছোৱাত গৰ্ভৱতী মহিলাগৰাকীৰ কোঠাত শিশুকৃষ্ণৰ ফটো আঁৰি ৰখা হয়। মাতৃগৰাকী হাবিলৈ যোৱা, মাটিত আঁক-বাক কৰা, মৃতদেহ দেখা বা স্পৰ্শ কৰা অমংগলজনক বুলি ধৰা হয়।

গৰ্ভৱতী নাৰী গৰাকীৰ গৰ্ভ সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত কিছুমান নিষেধাজ্ঞা আৰোপ কৰা হয় যদিও পুষ্টিকৰ খাদ্যৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। গৰ্ভৰ পাঁচমাহত গৰ্ভৱতী মহিলা গৰাকীক পঞ্চামৃত খুওৱাৰ লোকাচাৰ অসমীয়া সমাজত পৰম্পৰাগতভাৱে চলি আহিছে। এটা শুভ দিনবাৰ চাই মাকৰ ঘৰত এই অনুষ্ঠানটো পালন কৰা হয়। পঞ্চামৃতৰ দিনা পাঁচবিধ ফল আৰু তাৰ লগতে মৌ, ঘি, দৈ, গাখীৰ আৰু চেনি মিহলাই খুওৱা হয়। এই অনুষ্ঠানটোৰ বাবে তিনি বা পাঁচগৰাকী বয়সস্থা মহিলাক গৰ্ভৱতী গৰাকীৰ মাকৰ ঘৰলৈ মতা হয়। মাতৃগৰাকীক নতুন কাপোৰ পিন্ধাই কোঠা এটাত পীৰা এখনত বহুওৱা হয়। উপস্থিত আয়তী কেইগৰাকীৰ উৰুলি-জোকাৰৰ মাজত মাকে তেওঁক পাঁচবাৰ পায়স খুৱাই দিয়ে। মাতৃগৰাকীৰ লগতে তেওঁৰ স্বামীকো এনেদৰে পায়স খুৱাই দিয়া হয়। আয়তী কেইগৰাকীয়ে মাতৃগৰাকী আৰু আহিবলগীয়া সন্তানটোৰ সুস্বাস্থ্যৰ বাবে আশীৰ্বাদ দিয়ে।

নামনি অসমত গৰ্ভৱতীৰ সাত বা ন মাহত 'সাধ-ভক্ষণ' বা 'জেউৰা' খুওৱা নিয়ম আছে। এই অনুষ্ঠানটোৰ বাবে গৰ্ভৱতী গৰাকীৰ পিতৃগৃহৰ পৰা কোমল চাউল, দৈ, গুৰ, কল,

পিঠা-লাৰু আদি জলপানৰ লগতে মাছ-মাংস, চাউল-দাইল আদি লৈ স্বামী গৃহলৈ আহে। সেইদিনা ওচৰ-চুবুৰীয়া বা আন আত্মীয়কো নিমন্ত্রণ কৰা হয়। গৰ্ভৱতী গৰাকীক ন বস্ত্র পিন্ধাই প্রথমে জলপান খুওৱা হয়। নীতি-নিয়মসমূহ পালন কৰাৰ পিছত উপস্থিত সকলোকে ভোজ-ভাতেৰে আপ্যায়ন কৰা হয়।

মাতৃগৰাকীৰ গৰ্ভৰ আঠমাহত পুংসৱন বা পোহন বিয়া নামৰ এটা অনুষ্ঠান পালন কৰা হয়। প্রাচীন কালত ঘাইকৈ ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য সকলৰ মাজত পুংসৱনৰ প্রচলন আছিল যদিও পিছত ব্রাহ্মণসকলৰ মাজতহে এই পৰম্পৰা থাকি যায়।[৪] এই অনুষ্ঠানটোৰ বাবে পুৰোহিত মাতি পিতৃপুৰুষৰ শ্রাদ্ধাদি কৰা হয়। শ্রাদ্ধাদিৰ মাজতে হ'বলগীয়া মাতৃ-পিতৃ দুয়োকে বেইৰ[৫] তলত মাহ-হালধিৰে গা ধুওৱা হয়। উপস্থিত আয়তীসকলে উৰুলি জোকাৰ দিয়ে আৰু বিয়া গীত পদ গায়। বিয়াৰ পিছত সম্ভাব্য মাতৃগৰাকীয়ে চাৰিদিনলৈ ব্রত ৰাখি সন্ধিয়া হবিষ্যান্ন ভাত খাব লাগে। মাতৃগৰাকীৰ মাকৰ ঘৰৰ পৰা হবিষ্যান্নৰ বাবে চাউল, আলু, কল-বেঙেনা এটা কলহত ভৰাই দিয়া হয়। এই কলহটোৰ লগতে এখন অনাকটা গামোচাত চাৰিটা ডিমৰুৰ গুটি বান্ধি দিয়া হয়। সন্তান জন্মৰ পিছত এই গামোচাখন প্রথমে সন্তানৰ গাত দিয়াৰ নিয়ম।

গৰ্ভৰ ন মাহত প্ৰসূতি সবাহ পাতি ওচৰ-চুবুৰীয়া আয়তীসকলৰ দ্বাৰা নাম গোৱাই সু-প্রসৱৰ কামনা কৰা হয়। ইষ্টদেৱতালৈ মাহ-প্রসাদ, ফলমূলেৰে নৈবেদ্য আগবঢ়াই নাম গোৱা হয় আৰু আয়তীসকলে গৰ্ভৱতী গৰাকীক নিৰাপদ প্ৰসৱৰ বাবে আশীৰ্বাদ দিয়ে।

গৰ্ভাৱস্থাৰ পৰা সন্তান জন্ম হোৱা সময়ছোৱালৈ গৰ্ভৱতী নাৰীগৰাকীয়ে খাবলৈ মন কৰা সকলো বস্তু সাধ্যানুসাৰে যোগান ধৰা হয়। গৰ্ভৱস্থাত খাব বিচৰা বস্তুটো খাবলৈ নাপালে নৱজাতকৰ মুখেৰে অনবৰতে লেলাউতি ওলাই থাকে বুলি লোকবিশ্বাস প্রচলিত আছে। সেয়ে সন্তান জন্মৰ পিছত হ'লেও কেঁচুৱাটো কোলাত লৈ খাবলৈ মন থকা বস্তুটো খালে লেলাউতি ওলোৱা বন্ধ হয় বুলি বিশ্বাস কৰা হয়।

প্ৰসৱৰ বেদনা আৰম্ভ হোৱাৰ লগে লগে প্ৰসূতি গৰাকীক এটি আছুতীয়া কোঠাত ৰখা হয়। এই সময়ত তেওঁক এগৰাকী অভিজ্ঞ তিৰোতাই সহায় কৰে। সন্তান জন্মৰ পিছত সন্তানটি ল'ৰা হ'লে উৰুলি দিয়া আৰু ছোৱালী হ'লে বেৰত ঢকিওৱা আৰু ঢেঁকীত কেইচাবমান

দিয়াৰ প্ৰথা আছে। তাত উপস্থিত সহায়কাৰী বা আন মহিলা এগৰাকীয়ে বাঁহৰ চেচুঁৰে সন্তানৰ নাড়ী কাটি দিয়ে। কেঁচুৱাৰ নাড়ীকটা হোৱাৰ পিছত কেঁচুৱাটোক গা ধুৱাই মাকৰ চুলিৰ আগেৰে কেঁচুৱাটিৰ জিভা পৰিষ্কাৰ কৰি অলপমান মৌ মুখত দিয়া হয়।

প্ৰসূতিক ৰখা কোঠাটোৰ মূল দুৱাৰখনত বেত, বগৰীৰ জেং, ছিঙা জালৰ টুকুৰা, লো, বাঢ়নী আদি ৰখা হয়। প্ৰসূতিৰ কাষত অনবৰতে একুৰা তুঁহ জুই জ্বলাই তাত নহৰু আৰু সৰিয়হ দি ৰখা হয়। তদুপৰি প্ৰসূতিক দেও-ভূত বা অপশক্তিয়ে যাতে নাপায় তাৰ প্ৰতি লক্ষ্য ৰাখি বিচনাখনৰ শিতানত নহৰু, সৰিয়হ, লো জাতীয় অস্ত্ৰ এবিধ ৰাখিব লাগে।

কেঁচুৱা জন্মৰ এমাহলৈ প্ৰসূতিগৰাকীক অশৌচীয়া বুলি ধৰা হয়। সাধাৰণতে ছোৱালী হ'লে এমাহলৈ আৰু ল'ৰা হ'লে একৈশ দিনলৈ অশৌচীয়া নিয়ম পালন কৰা হয়। সন্তান জন্মৰ পাঁচদিন বা এঘাৰদিনৰ দিনা গণকৰ হতুৱাই নৱজাতকৰ নামকৰণ কৰা হয়। নামকৰণৰ দিনা গাঁৱৰ ৰাইজক জলাবটা, নিমখ, মাছ আদি বিতৰণ কৰা নিয়ম। উজনি অসমত এঘাৰ দিনৰ দিনা সন্তানক বাহিৰলৈ উলিয়াই আনি সূৰ্য দেখুওৱাৰ নিয়ম কৰা হয়।

অশৌচীয়া ভাঙিবৰ দিনা গাঁৱৰ আয়তী সকলৰ দ্বাৰা চোতালত নাম-প্ৰসংগ কৰা হয়। নাম-প্ৰসংগৰ পিছৰ পৰা মাতৃগৰাকী সম্পূৰ্ণৰূপে শুচি হয়। এই দিনাৰে পৰা তেওঁ ৰন্ধা-বঢ়া কৰাকে ধৰি অন্যান্য সকলো কাম কৰিব পাৰে। লোকবিশ্বাস মতে মাকে কেঁচুৱাক আহাৰ খুৱাই থাকোতে লোভ লাগিলে কেঁচুৱাটোৰ অপকাৰ হ'ব পাৰে, সেয়ে খুৱাই থকা অৱস্থাত মুখত তামোল এখন লৈ থাকিব লাগে। সন্তানটোক ঘৰৰ বাহিৰলৈ নিব লগা হ'লে মাকে চোতালৰ মাটিত অলপ থুই পেলাই সেই মাটিৰে কপালত এটা ফোঁট দিয়া আৰু কপালৰ একাষে কাজল বা চাকিৰ ছাইৰে ফোঁট দিয়াৰ নিয়ম আছে।

অসমীয়া সমাজত ছোৱালী সন্তানৰ ক্ষেত্ৰত পালনীয় এটি লোকাচাৰ হ'ল কাণ বিন্ধনি বা কৰ্ণভেদ। পঞ্জিকাত শুভ দিন, তিথি আৰু ক্ষণ চাই ছোৱালীজনীৰ অযুগ্ম বছৰত কাণ বিন্ধনি অনুষ্ঠানটো পতা হয়। অতীতৰ পৰা বিজয়া দশমী তিথিত কাণ বিন্ধোৱা নিয়ম চলি আহিছে। এই তিথিৰ দিনা শনি বা মঙ্গালবাৰে পৰিলে পিছদিনা কাণ বিন্ধোৱাৰ নিয়ম আছে।[৬] কাণ ফুটাবলৈ আগতে নেমু, পনিয়ল বা কেটেলা পহুৰ কাইট ব্যৱহাৰ হৈছিল যদিও পৰৱৰ্তীকালত বেজীৰে কাণ ফুটোৱা ব্যৱস্থা কৰা হ'ল। কাণ বিন্ধাবলৈ এগৰাকী অভিজ্ঞ তিৰোতা আৰু

কেইজনীমান আয়তীক মতা হয়। ছোৱালীজনীক কাণ বিন্ধোৱাৰ সময়ত আয়তীসকলে উৰুলি-জোকাৰ দিয়ে। এই পৰ্ব শেষ হোৱাৰ পিছত কাণ বিন্ধোৱা গৰাকীক এটা সিধা দিয়াৰ নিয়ম। উপস্থিত সকলোকে মাহ-প্ৰসাদ দিয়া হয় আৰু সাধ্যানুসাৰে আপ্যায়ন কৰা হয়।

জন্মৰ সৈতে জড়িত আন এটা উল্লেখযোগ্য অনুষ্ঠান হৈছে তোলনি বিয়া। এই সম্পৰ্কে পৰৱৰ্তী অংশত বিস্তৃত আলোচনা দাঙি ধৰা হৈছে।

## (খ) বিবাহৰ সৈতে জড়িত নাৰীকেন্দ্ৰিক লোকাচাৰ ঃ

স্ত্ৰী-পুৰুষৰ মিলনৰ মাজেদিয়েই মানৱ জাতিৰ বিৱৰ্তন ঘটিছে। বিবাহৰ জৰিয়তে স্ত্ৰী-পুৰুষে সংসাৰ ধৰ্ম পালন কৰিব পাৰে আৰু সন্তান লাভৰ দ্বাৰা পিতৃ ঋণ পৰিশোধ কৰিবলৈ সুযোগ পায়। স্মৃতি শাস্ত্ৰত আঠ প্ৰকাৰৰ বিবাহ কথা কোৱা হৈছে, যেনে— ব্ৰাহ্ম, দৈৱ, আৰ্য আৰু প্ৰজাপত্য (প্ৰশস্তঃ); অসুৰ, গান্ধৰ্ব, ৰাক্ষস আৰু পৈশাচ (অপ্ৰশস্ত) বিবাহ।[৭] যি পদ্ধতিৰেই বিবাহখন নহওঁক কিয় ইয়ে সমাজৰ দ্বাৰা স্বীকৃতি পায় আৰু সামাজিক জীৱনত শৃংখলা বজাই ৰখাত সহায় কৰে।

সমাজ স্বীকৃত বিবাহ এখন অনুষ্ঠিত কৰিবলৈ যাওঁতে কেতবোৰ দীঘলীয়া আনুষ্ঠানিকতাৰ দৰকাৰ হয়। অসমীয়া সমাজত ছোৱালী চাই পচন্দ হোৱাৰ পিছৰে পৰা বিয়াখন সমাপ্ত হোৱাৰ পিছতো কেতবোৰ লোকাচাৰ পালন কৰা হয়। এই বিবাহ অনুষ্ঠানত নাৰীসকলে পৰম্পৰাগতভাৱে চলি অহা ৰীতি-নীতিবোৰ ধৰি ৰাখিবলৈ চেষ্টা কৰে। বিবাহৰ প্ৰথম পদক্ষেপ হিচাপে ল'ৰা ঘৰৰ কেইজন মান বয়োজ্যেষ্ঠ ব্যক্তি ছোৱালীঘৰলৈ গৈ ছোৱালী তথা তেওঁলোকৰ ঘৰ-বাৰী, বংশ-পৰিয়াল সম্বন্ধে বুজ লৈ আহে। ছোৱালী পচন্দ হ'লে ল'ৰাই গৈ ছোৱালী চাই আহি তেওঁৰ পচন্দ হোৱাৰ পিছতহে বিয়াৰ চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাহি-যোৰা মিলিলে শুভদিন চাই বিবাহৰ আয়োজন কৰা হয়।

বিবাহৰ দিন ঠিক কৰাৰ পিছত ছোৱালীজনীক 'আঙঠি পিন্ধোৱা'' হয়। আঙঠি পিন্ধাবৰ বাবে এটা শুভদিন ধাৰ্য কৰা হয়। সেইদিনা দৰাৰ আত্মীয় তথা ওচৰ চুবুৰীৰ কেইজনমান লোক কইনাৰ ঘৰলৈ যায়। আঙঠি পিন্ধাবলৈ আহোঁতে তামোল-পাণ, দৈৰ কলহ এটা, তেল-সেন্দূৰ, গুৰ, চিৰা, নাৰিকল এযোৰ আৰু কইনাক পিন্ধাবলৈ আঙঠি এটা আৰু কাপোৰ এসাজ লৈ অহা হয়। দৰাঘৰীয়াৰ পুৰুষ-মহিলাখিনি আহি পোৱাৰ পিছত তেওঁলোকক প্ৰথমে

চাহ-তামোল খাবলৈ দিয়া হয়। আগতেই নিমন্ত্রণ কৰা  কইনাৰ ওচৰ-চুবুৰীৰ আয়তীসকল আহি কইনাঘৰত উপস্থিত হয়। সকলোৰে উপস্থিতিত চোতালত কইনাক বহুৱাই আঙঠি আৰু  নতুন কাপোৰ সাজ পিন্ধোৱা হয়। আয়তী সকলে উৰুলি-জোকাৰ দিয়ে। দৰাপক্ষৰ মাক বা বাইদেৱেকে কইনাৰ সেওঁতা আৰু কপালত সেন্দুৰৰ ফোঁট দিয়ে। ওচৰৰ আয়তীসকল চাহ-তামোল খাই গুচি যায় আৰু দৰাঘৰীয়া লোকসকলে ভাত খাই আবেলি উভতি যায়। ঘৰলৈ উভতি যাওঁতে কইনাঘৰৰ পৰাও দৰাঘৰলৈ পিঠা-পনা দি পঠোৱাৰ নিয়ম। নামনি অসমত বৰ্তমান আঙঠি পিন্ধোৱা অনুষ্ঠানটো অতি  অনুষ্টুপীয়াকৈ পাতি উজনি অসমৰ দৰে জোৰণ দিয়া অনুষ্ঠানটোহে ডাঙৰকৈ পতা দেখা যায়।

বিবাহৰ আগদিনা অধিবাস আৰু সেইদিনা 'তেলৰ ভাৰ' দিয়া নিয়ম আছে। উজনি অসমৰ জোৰণক নামনি অসমত তেলৰ ভাৰ বুলিহে কোৱা হয়। অসমীয়া সমাজত বিয়াৰ দুদিন আগতে দৰাঘৰীয়াই তামোল-পাণ, চাউল, তেল, মাহ, মাছ, মিঠাই, কইনাৰ বাবে নতুন কাপোৰ আৰু গহণা-গাঁঠৰি লৈ গৈ 'জোৰণ' বা 'তেলৰ ভাৰ' দিবলৈ যায়।[৮]

জোৰণৰ বাবে এটা শুভদিনত  দৰাৰ  মাক, আত্মীয়স্বজন তথা ওচৰৰ কেইগৰাকীমান পুৰুষ-মহিলা কইনাঘৰলৈ আহে। জোৰণৰ বাবে বিয়াত পিন্ধা গুণাবচা পাটৰ সাজ এযোৰ আৰু কেইযোৰমান আন আন সূতাৰ কাপোৰ অনা হয়। জোৰণত দিয়া কাপোৰ কেইসাজ সদায় অযুগ্ম সংখ্যাৰ হ'ব লাগে। কাপোৰ কেইসাজৰ বাহিৰেও তেল-সেন্দূৰ, আইনা-ফণী, আ-অলংকাৰ, অন্যান্য  প্ৰসাধন সামগ্ৰী, ডাঙৰ মাছ এটা, দৈৰ টেকেলী  দুটা, পিঠা-পনা, মিঠাই, আৰৈ চাউল, তামোল-পাণ এযোৰ, আম পাতেৰে সৈতে ঘট দুটা, কেঁচা তামোলৰ থোক এটা, এযোৰ নাৰিকল আৰু গাঁঠিয়নৰ টোপোলা এটা অনাৰ নিয়ম। কইনাৰ পদূলি মুখত দৰা আৰু কইনাৰ মাকে তিনিবাৰ শৰাই সাল-সলনি কৰে। ৰভাতলৰ মড়লৰ সন্মুখত দৰাঘৰৰ সকলোকে বহিবলৈ দিয়া হয়। কইনাঘৰৰ আত্মীয় তথা ওচৰ চুবুৰীয়া আয়তীসকলো উপস্থিত থাকে। কইনাক চোতালত বহুৱাই তেওঁলোকে অনা অলংকাৰ আৰু কাপোৰ এসাজ পিন্ধাই বহুওৱা হয়। 'আঙঠি'টোৰে সেন্দূৰৰ টেমাৰ পৰা সেন্দূৰ লৈ দৰাৰ মাক বা দৰাৰ নিকটাত্মীয় এগৰাকী মহিলাই কইনাৰ শিৰত লগাই দিয়ে আৰু কপালত ডাঙৰকৈ এটা সেন্দূৰ ফোঁট আঁকি দিয়ে। ইয়াৰ পিছত দৰাঘৰৰ পৰা অনা কাপোৰ তথা অন্যান্য সামগ্ৰীসমূহ এটা এটাকৈ

কইনাৰ কোঁচত তুলি দিয়া হয় বা স্পৰ্শ কৰিব দিয়া হয়। মাছটোও কইনাৰ কোঁচত তুলি দিয়াৰ নিয়ম। জোৰণত মাছৰ ব্যৱহাৰ সম্পৰ্কে লীলা গগৈয়ে কৈছে — *"দৰা কন্যাৰ মিলনৰ উপৰিও যাতে প্ৰজনন শক্তি লাভ কৰে, সেইবাবে লোকবিশ্বাসসন্মত কিছুমান কাম কৰিছিল। জোৰণৰ দিনা দৰাঘৰৰ পৰা কন্যা ঘৰলৈ বাকলি থকা মাছ নিয়াটো মাছৰ দৰে প্ৰজনন ক্ষমতা বৃদ্ধিৰ কামনাৰেই চানেকি মাত্ৰ।"* [৯] জোৰণ পৰ্বৰ শেষত কইনা গৰাকীয়ে সকলোৰে ওচৰত আঠু লয় আৰু আয়তীসকলে উৰুলি-জোকাৰ দিয়ে। জোৰণ পৰ্বৰ আন কাৰ্যবোৰ চলি থাকোতেও আয়তীসকলে উৰুলি-জোকাৰ দিয়াৰ লগতে বিয়া নাম গাই থাকে। অনুষ্ঠানটোৰ শেষত উপস্থিত সকলোকে ভোজ-ভাতেৰে আপ্যায়ন কৰা হয়। দৰাঘৰে জোৰণৰ বাবে লৈ অহা খোৱা বস্তুসমূহৰ অলপ অলপ বস্তু কইনাঘৰে ঘূৰাই দিয়াৰ নিয়ম আছে।

বিবাহ অনুষ্ঠানৰ অধিবাসৰ দিনা সন্ধিয়া সময়ত গাঁঠিয়ন খুন্দা অনুষ্ঠানটো কৰা হয়। অধিবাসৰ পূজা শেষ হোৱাৰ পিছত কইনাজনীক মড়লৰ সন্মুখত বহুওৱা হয়। কইনাৰ সন্মুখত পাত এখনত গাঁঠিয়ন আৰু গন্ধ বিৰিণা ৰখা হয়। কেইজনীমান আয়তীয়ে কইনাৰ মূৰৰ ওপৰত চাদৰ এখন মেলি ধৰে। কইনাজনী আৰু আন চাৰিগৰাকী অকুমাৰী ছোৱালীয়ে পটাগুটিটো একেলগে ধৰি গাঁঠিয়ন খুন্দে। কোনো কোনো অঞ্চলত সাতগৰাকী আয়তীয়ে কইনাৰ সতে গাঁঠিয়ন খুন্দা নিয়ম আছে। এই সময়ত আয়তীসকলে বিয়া গীত গাই থাকে আৰু মাজে মাজে উৰুলি দিয়ে। খুন্দা গাঁঠিয়ন মিঠাতেলত ডুবাই দুবৰিৰ আগেৰে কইনাৰ মূৰত অলপ অলপকৈ দিয়া হয়। এই সময়ত আয়তীসকলে এক আনন্দময় পৰিৱেশৰ সূচনা কৰে। ছোৱালীজনীক বহি থকাতে ঘৰৰ মাক বা পেহীয়েকেহঁতে হবিষ্যন্নৰ ভাত খুৱাই দিয়ে। তাৰপিছত কইনাৰ মোমায়েকে কইনাক দাঙি ভিতৰলৈ লৈ যায়।

উজনি অসমত বিয়াৰ দিনা দোকমোকালিতে কইনাঘৰত দৈয়ন দিয়া অনুষ্ঠান পতা হয়। আগদিনাখন ৰাতিয়েই কাঁহী এখনত দৈ, তিল আৰু পাণ কেইখিলামান সাজু কৰি ৰখা হয়। ৰাতিপুৱাই কইনাক শোৱাপাটিৰ পৰা ডাঙি আনি শোৱাকোঠাৰ দুৱাৰ মুখত পাৰি থোৱা পীৰা এখনত বহুৱাই দিয়ে। আগদিনাই যতনাই থোৱা কাঁহীখন আনি কইনাৰ মাক বা খুড়ীয়েকে পাণ এখিলাৰে দৈ লৈ কইনাৰ মূৰৰ পৰা ভৰিলৈকে তিনিবাৰ সানি দিয়ে। এনকৈয়ে আন আত্মীয় তিৰোতাসকলেও তেওঁক দৈ সানি দিয়ে, কিন্তু সংখ্যাটো বিযুৰীয়া হ'ব লাগে।

আয়তীসকলে উৰুলি-জোকাৰ দিয়ে। কইনাক দৈ সনাৰ পিছত উপস্থিত সকলে ইজনীয়ে সিজনীক দৈ সানি দি এক উৎসৱ মুখৰ পৰিৱেশৰ সূচনা কৰে। পৰ্বটো শেষ হোৱাৰ পিছত কইনাই গা-পা ধুই দিনটোৰ বাবে সাজু হয়।

বিয়াৰ দিনা দৰা বা কইনাক গা ধুৱাবৰ বাবে আয়তীসকলে নৈ বা পুখুৰীৰ পৰা পানী তুলি আনে। পানী তুলিবলৈ যাওঁতে ডাঙৰ বাতি এটাত আৰৈ চাউল, তামোল-পাণ এযোৰ আৰু পাঁচ গছি চাকি জ্বলাই এগৰাকী আয়তীয়ে হাতত লয়। আনহাতে কইনা বা দৰা ধুৱাব লগা মাক বা খুড়ীয়েক আৰু আন চাৰি গৰাকী আয়তী বা ছোৱালীয়ে পানী তুলিবলৈ ঘটবোৰ হাতে হাতে লয়। এটা তুলনামূলকভাৱে ডাঙৰ আকৃতিৰ ঘট থাকে। তাত আমডালি তিনিটা, খুচৰা পইচা অলপ ৰখা হয়। ঘটকেইটাত সেন্দূৰৰ ফোঁট দিয়া হয়। ডাঙৰ ঘটটো কইনা বা দৰা ধুৱাবলগাজনীয়ে লয়। মূল ঘট লোৱাজনীয়ে হাতত লৈ যোৱা কটাৰীৰে পানী কাটে আৰু ঘটৰ পৰা পইচা কেইটা পানীত পেলাই দিয়ে। ঘট লোৱা আটাইবোৰে একেলগে উৰুলি-জোকাৰ দি ঘটবোৰত পানী ভৰায়। পানী তুলিবলৈ যাওঁতে আৰু ঘূৰি আহোঁতে আয়তীসকলে ওৰে বাটটো বিয়াগীত গাই আহে।

পানী তুলি আহি আয়তীসকলে ঘটকেইটা কইনা বা দৰা থকা কোঠাটোত থৈ ৰভা তলত বহে। ঘটকেইটা থোৱাৰ আগতে কোঠাটোৰ দুৱাৰ এগৰাকীয়ে বন্ধ কৰি দিয়ে, তেওঁক তামোল-পাণ এযোৰ দিলেহে দুৱাৰখন খুলি দিয়ে। ৰভা তলত আয়তীসকলক তেল-সেন্দূৰ দিয়াৰ নিয়ম আছে।

ৰাতি বেইৰ তলত দৰা কইনাক গা ধুওৱা নিয়ম। গা-ধুৱাই থাকোতে আয়তীসকলে বিয়া-গীত-পদ গাই থাকে। গা-ধুৱাই কইনা তথা দৰাক এসাজ নতুন কাপোৰ পিন্ধাই দাং কোলাকৈ কোঠাটোলৈ লৈ অহা হয়। কোঠাটোত বহুৱাই থৈ আয়তীসকলে সুৱাগ তুলিবলৈ যায়। সুৱাগ তোলাৰ নিয়মটো দৰা আৰু কইনা দুয়োঘৰতে আয়তীসকলে পালন কৰে। সুৱাগ তুলিবলৈ এখন কুলাত পিঠাগুড়ি অলপ, মাটিৰ চাকি এগছি, খৰিকা কেইডালিমান, কপাহৰ গুটি কেইটামান আৰু এৰাঁ সূতা অলপ লোৱা হয়। কেইগৰাকীমান আয়তীৰ লগত কইনা ধুওৱা গৰাকী কুলাখন মূৰত লৈ ওচৰৰে পুখুৰী এটালৈ যাত্ৰা কৰে। কুলাখন থৈ তেওঁ পানীত নামি তিনিবাৰ ডুব মাৰে আৰু প্ৰথম ডুবত অলপ বোকা মাটি লৈ আহে। প্ৰথমবাৰ অনা

মাটিৰে ত্ৰিভুজাকাৰ এটা বেদী সজা হয় আৰু দ্বিতীয়বাৰ অনা মাটিখিনি তাৰ ওপৰত স্থাপন কৰা হয়। তৃতীয়বাৰত মুখত অলপ পানী লৈ আহে। কুলাত লৈ যোৱা খৰিকাখিনি বেদীটোৰ চাৰিওফালে পুতি এৰাঁ সূতাৰে সেইবোৰ মেৰিয়াই দিয়া হয়। তাত চাকিগচি জ্বলাই কপাহৰ গুটিবোৰ চাৰিওফালে সিচি দিয়া হয়। পিছত পুনৰ আটাইবোৰ পানীত পেলাই দি ঠাইখিনি ভালকৈ পানীৰে ধুই থৈ অহা হয়। ধুওৱা গৰাকীয়ে পুনৰ কুলাখন মূৰত লৈ উভতি আহোঁতে মুখত পানীখিনি লৈয়ে থাকিব লাগে। উভতি আহোঁতে তিনি ঠাইত কুলাৰে পিঠাগুড়ি জাৰি মাটিত পেলাই পুনৰ সেইবোৰ সাৰি কুলাত তুলি লোৱা নিয়ম। সকলোবোৰ কইনাৰ কোঠাত সোমাই আৰু দুজনী আয়তীয়ে কইনাৰ মূৰৰ ওপৰত চাদৰ এখন মেলি ধৰে। তাত কুলাৰ পৰা লাহে লাহে তিনিবাৰ জাৰি পিঠাগুড়ি বা অন্যান্য সামগ্ৰীবোৰ পেলাই দিয়া হয়। প্ৰত্যেকবাৰে ওলোটাই বস্তুখিনি কুলাত ঢালি দিয়াৰ নিয়ম। তিনিবাৰ এনেদৰে কৰাৰ পিছত সুৱাগ তোলা বা সুৱাগ জৰা পৰ্বৰ সমাপ্তি ঘটে। সুৱাগ জৰাৰ সময়ত কুলাখনত কলডিল এটা ৰখাৰো নিয়ম আছে। সুৱাগ জৰা হোৱাৰ পিছত সুৱাগ তোলা গৰাকীয়ে মুখত লৈ যোৱা পানীখিনি কোঠাটোৰ এটা চুকত পেলাই দিব লাগে। সুৱাগ তোলাৰ উদ্দেশ্য হ'ল দৰা কইনাৰ সৌভাগ্য কামনা কৰা আৰু এই কৃত্যবোৰ প্ৰজনন যাদুৰ ওপৰত প্ৰতিষ্ঠিত।[১০] সুৱাগ তোলা অনুষ্ঠানটো শেষ হোৱাৰ পিছত দৰা কইনাঘৰলৈ যাত্ৰা কৰিবলৈ সাজু হয় আৰু কইনাঘৰত কইনাক সজাই-পৰাই ৰখা হয়।

ৰাতি শুভক্ষণত দৰা আহি কইনাঘৰত উপস্থিত হয়। উজনি অসমত কন্যাদাতা আৰু নামনি অসমত কইনা ধুওৱা গৰাকীয়ে দৰাক পদুলী মুখৰ পৰা আদৰি অনাৰ নিয়ম। দৰাক যাত্ৰা কলপুলিৰ মাজত এখন পীৰাত থিয় হবলৈ দিয়া হয়। কইনাৰ ভনীয়েকে বাকলি গুচোৱা এটা দোনাত এটা কল আৰু অলপ দৈ আনি তাৰে দৰাৰ ভৰি ধুৱাই দিয়ে, তাৰ পিছত ভাল পানীৰে ভৰি ধুৱাই দিয়া হয়। কইনাঘৰীয়াই দৰাপক্ষলৈ চাউল ছটিয়াই দিয়ে। এনেদৰে দৰাক আদৰি আনি ৰভাতলত দৰাক বহুওৱা হয় আৰু সম্পূৰ্ণ বৈদিক ৰীতি-নীতিৰে বিয়াখন সমাপ্ত হয়। বিয়াখন চলি থাকোতে দুয়োপক্ষৰ আয়তীসকলে বিয়াগীত গাই আৰু উৰুলি-জোকাৰ দি থাকে। বিয়া শেষ হোৱাৰ পিছত দৰা-কইনাক ঘৰৰ ভিতৰলৈ লৈ যোৱা হয় আৰু তাত আঙঠি লুকুৱা পৰ্ব আৰম্ভ হয়। চাউল ভৰ্তি বাতি এটাত কইনাই তিনিবাৰ আঙঠি লুকুৱাব

লাগে আৰু দৰাই বিচাৰি দিব লাগে। ইতিমধ্যে কইনা পক্ষই দৰাপক্ষক সাধ্যানুসাৰে ভোজ-ভাতেৰে আপ্যায়ন কৰে। কইনা বিদায়ৰ মুহূৰ্তত মাকে মূল ঘৰৰ দুৱাৰখন এখন হাতেৰে আগচি ধৰে আৰু কইনা সেই হাতৰ তলেৰে পাৰ হ'ব লাগে। কইনাজনীৰ কোঁচত অলপ চাউল দিয়া হয় আৰু তেওঁ সেইবোৰ পিছলৈ ছটিয়াই থৈ যায়। কইনাই পিছলৈ উভতি চাব নাপায়। আনহাতে অসমীয়া সমাজত কইনাৰ মাকে জীয়েকৰ বা পুতেকৰ বিয়া চাব নাপায়। উল্লেখনীয় যে অসমীয়া সমাজৰ শুভ কামবোৰত বিধবা তথা সন্তানহীনা নাৰীক আগভাগ ল'বলৈ দিয়া নহয়।

দৰাঘৰত উপস্থিত হোৱাৰ পিছত দৰা-কইনাক পদূলিমুখৰ পৰাই দৰাৰ মাকে আদৰি লৈ যায় আৰু ৰভাতলত বহুৱায়। ইয়াতো আঙঠি লুকুৱা পৰ্বটো অনুষ্ঠিত হয়। ইয়াত দৰাই আঙঠি লুকাই আৰু কইনাই বিচাৰিব লাগে। ৰাইজৰ আগত সেৱা লৈ দৰা কইনা ঘৰ সোমায়। কইনাই গা-পা ধুই জ্যেষ্ঠজনক কাপোৰ বা তামোল-পাণেৰে মান ধৰাৰ নিয়ম আছে। ঠাইবিশেষে সেইদিনা আবেলিয়েই কইনা মাকৰ ঘৰলৈ উভতি যায় যদিও কোনো কোনো অঞ্চলতে পিছদিনাহে উভতি যায়। পিছদিনা কইনাঘৰৰ পৰা কেইগৰাকীমান আয়তী আহি কইনাক ঘৰলৈ লৈ যায়।

কইনা ঘৰলৈ গুচি যোৱাৰ পিছত আঠদিনৰ দিনা বা দুয়োঘৰৰ সুবিধা অনুযায়ী কম দিনতে আঠমঙলা পতা হয়। সেইদিনা দৰাৰ লগত আত্মীয় কেইজনমান কইনা ঘৰলৈ আহে। আঠমঙলাৰ খাদ্যসম্ভাৰত আঠবিধ ব্যঞ্জন থকাটো বাঞ্চনীয়। আঠমঙলাৰ ৰন্ধা বঢ়াত ঘাইকৈ নাৰী এগৰাকীয়েই আগভাগ লয়। আঠমঙলা অনুষ্ঠানটোৰ পৰাই বিয়াৰ আনুষ্ঠানিকতা শেষ হয়।

## গ) মৃত্যুৰ সৈতে জড়িত নাৰীকেন্দ্ৰিক লোকাচাৰ ঃ

ভাৰতীয় দৰ্শনত মৃত্যুক লৈ নানা ধাৰণা প্ৰচলিত হৈ আছে। আত্মা-পৰমাত্মা, ইহলোক-পৰলোকত বিশ্বাসী ভাৰতীয় দৰ্শনে মৃতকক যথাযোগ্য সন্মান প্ৰদানত গুৰুত্ব দি আহিছে। অসমীয়া সমাজতো মৃত্যু সম্বন্ধীয় লোকাচাৰ আৰু লোকবিশ্বাস পৰম্পৰাগতভাৱে চলি আহিছে। মৃত্যু সম্পৰ্কীয় লোকাচাৰসমূহ অসমীয়া সামাজিক ৰীতি-নীতিৰ এক প্ৰধান উপাদান। মৃত্যুৰ লোকাচাৰসমূহ পালনৰ ক্ষেত্ৰতো নাৰীসকলৰ বিশেষ ভূমিকা আছে।

মৃত ব্যক্তিজন যদি বিবাহিত পুৰুষ হয় তেতিয়া হ'লে তেওঁৰ বিধবা পত্নীয়ে যথেষ্ট নীতি-নিয়ম পালন কৰিব লাগে। স্বামীৰ মৃত্যুৰ পিছত এগৰাকী নাৰীৰ জীৱনলৈ অভূতপূৰ্ব পৰিৱৰ্তন আহে। বিধবা হোৱাৰ লগে লগে নাৰী গৰাকীয়ে পিন্ধা আ-অলংকাৰ, সেন্দূৰৰ ফোঁট, ৰঙীন সাজ-পাৰ ত্যাগ কৰিব লাগে। স্বামীৰ মৃত্যুৰ লগে লগে পত্নীৰ মেখেলাৰ পাতলি ফালি দিয়া হয় আৰু কপালৰ সেন্দূৰৰ ফোঁট আৰু শিৰৰ সেন্দূৰ মচি পেলোৱা হয়। তেওঁক এসাজ শুধ বগা সাজ পৰিধান কৰিবলৈ দিয়া হয়। স্বামীৰ মৃত্যুৰ পিছত তিনিদিনলৈ তেওঁ কেৱল পানী খাই থাকিব পাৰে আৰু মাটিত শয়ন কৰিব লাগে। অঞ্চলভেদে তিনিদিনত বা চাৰিদিনত তিলনি অনুষ্ঠান পতা হয়। তিলনিৰ দিনা নাৰীগৰাকীয়ে পিঠাগুড়ি, বুট, মগু খাই আবেলি হবিষ্যান্ন ভাত খাব পাৰে। সেইদিনাৰ পৰা মৎসস্পৰ্শ নোযোৱালৈকে প্ৰত্যেক দিনা হবিষ্যান্ন ভাত খোৱাৰ নিয়ম। শ্ৰাদ্ধাদি শেষ নোহোৱালৈকে তেওঁ গা ধোওতে চাবোন, খাৰ ঘঁহা আৰু প্ৰসাধন কৰা নিষেধ।

মৎস্যস্পৰ্শৰ দিনা মৃতকে ভালপোৱা খাদ্য ৰান্ধি পত্নী গৰাকীয়ে ঘৰৰ চৌহদ বা বাৰীৰ আছুতীয়া ঠাইত মৃতকৰ নামত ভাত থোৱাৰ নিয়ম আছে। শ্ৰাদ্ধাদি শেষ হোৱাৰ পিছত মহিলা গৰাকীয়ে ইচ্ছা অনুযায়ী এপদ-দুপদ অলংকাৰ পিন্ধিব পাৰে। মৃত ব্যক্তিৰ পত্নীয়ে এবছৰলৈ আনৰ ঘৰত খোৱা লোৱা কৰা বা শুভ কৰ্মত ভাগ লোৱাৰ পৰা বিৰত থাকে।

ব্ৰাহ্মণ, দৈৱজ্ঞ আদি উচ্চ বৰ্ণৰ বিধবা সকলে কঠোৰ ব্ৰত পালন কৰিব লাগে। তেওঁলোকে মাছ-মাংস খোৱা বা স্পৰ্শ কৰা নিষেধ। স্বামীৰ মৃত্যুৰ এবছৰলৈ মন্দিৰ বা আন ধৰ্মীয় স্থানত প্ৰৱেশ নকৰে।

**ঘ) উৎসৱ অনুষ্ঠান সম্পৰ্কীয় নাৰীকেন্দ্ৰিক লোকাচাৰ ঃ**

বিভিন্ন সংস্কাৰমূলক কৃত্যসমূহৰ উপৰিও অসমত পালনীয় উৎসৱ অনুষ্ঠানসমূহতো বিভিন্ন লোকাচাৰ পালন কৰা হয়। লোকজীৱনৰ লগত সংপৃক্ত হৈ থকা উৎসৱ অনুষ্ঠানসমূহত নাৰীৰ অংশগ্ৰহণ উল্লেখনীয়। উৎসৱ অনুষ্ঠানসমূহৰ ভিতৰত কৃষিকেন্দ্ৰিক লোক উৎসৱ তথা অসমৰ বিহু তিনিটাৰ কথা প্ৰথমে উল্লেখ কৰিব পাৰি। কৃষিক্ষেত্ৰ সুৰক্ষিত কৰি ৰখা আৰু অধিক উৎপাদন কামনাৰে বহাগ বিহু, কাতি বিহু আৰু মাঘ বিহুত বিভিন্ন লোকাচাৰ পালন কৰা হয়। নাৰীসকলে বিহুৰ বাবে প্ৰয়োজনীয় পিঠা-পনা, জা-জলপান গোটোৱা, ঘৰ-দুৱাৰ

মচি-কাচি, চাফ-চিকুন কৰা, কাপোৰ-কানি ধোৱা কামবোৰ বিহুৰ কেইদিনমান আগৰে পৰাই কৰিবলৈ আৰম্ভ কৰে।

খেতি পথাৰখন বিভিন্ন পোক-পৰুৱা, অতিবৃষ্টি-অনাবৃষ্টি আদিৰ পৰা ৰক্ষা কৰিবলৈ কাতি বিহুত কেতবোৰ লোকাচাৰ পালন কৰা হয়। আহাৰ-শাওণ মাহত ৰোপণ কৰা কঠিয়াবোৰ আহিন-কাতি মাহত গেৰ ওলাব ধৰে। এই শস্যডৰা ৰক্ষা কৰিবৰ বাবে আহিন মাহৰ সংক্ৰান্তিৰ দিনা সন্ধিয়া ঘৰে ঘৰে তুলসী তলত আৰু খেতিপথাৰত বন্তি প্ৰজ্বলন কৰা হয়। ঘৰখনৰ মংগল কামনাৰে নাৰীগৰাকীয়ে কাতি মাহৰ প্ৰত্যেক দিনা সন্ধিয়া তুলসী তলত চাকি জ্বলায়।

মাঘ বিহুৰ কেইদিনমান আগৰে পৰা চিৰা খুন্দা, আখৈ আৰু মাহ কৰাই ভজা, তেল পিঠা, তিলপিঠা, নাৰিকলৰ লাৰু, তিলৰ লাৰু প্ৰভৃতি তৈয়াৰ কৰাত ব্যস্ত হয়। নামনি অসমত উৰুকাৰ দিনা সন্ধিয়া ঘৰে ঘৰে চুঙা-পিঠা পোৰা হয়। উৰুকাৰ ৰাতিৰ ভাতসাঁজত মাছ-মাংসৰ উপৰিও থলুৱা খাদ্যৰ সমাহাৰ ঘটে। এই আটাইবোৰ ৰন্ধাৰ ভাৰ ঘাইকৈ নাৰীগৰাকীৰ ওপৰতে থাকে। বিহুৰ দিনা পুৱা ঘৰ-দুৱাৰ মচি-কাচি ইষ্টদেৱতালৈ নৈবদ্য আগবঢ়াই সেৱা লোৱা হয়। তদুপৰি ঘৰৰ তথা চুবুৰীৰ জ্যেষ্ঠজনৰ ওচৰত সেৱা লৈ নাৰী গৰাকীয়ে ঘৰৰ পৰিয়াল তথা ঘৰলৈ বিহু খাবলৈ অহা সকলক জা-জলপান আগবঢ়াই দিয়ে।

অসমত ৰং ৰহইচৰে পালন কৰা আন এটি বিহু হৈছে বহাগ বিহু। চ'তৰ সংক্ৰান্তিত পালন কৰা বিহুটি সাতদিন ধৰি উদ্‌যাপন কৰা হয়। বিহুৰ বাবে তাঁতত বিহুৱান বৈ উলিয়াই ঘৰৰ তথা আপোন মানুহক বিহুৰ দিনা মৰমৰ চিন স্বৰূপে আগবঢ়োৱাটো প্ৰত্যেকজনী অসমীয়া মহিলাৰে গৌৰৱৰ বিষয়। সাধাৰণতে বিহুৰ দুই তিনিদিনমান আগতেই তাঁতৰ পৰা বিহুৱান কাটি উলিয়াব লাগে, নহ'লে বিহুচেৰা শালখন অমংগলীয়া বুলি গণ্য কৰা হয়। বহাগ বিহুত সাতশাকী খোৱাৰ নিয়ম আছে। সাতবিহুৰ ভিতৰত এই শাক খোৱাৰ নিয়ম। নামনি অসমত সাতবিধ শাক গোটাই সাতশাকী খোৱা হয় যদিও উজনি অসমত সাতশাকীত এশ বা এশ আঠবিধ শাক খোৱাৰ নিয়ম। এই শাক তিৰোতাসকলে গোটাই আনে। কোনো কোনো অঞ্চলত পুৱা তিৰোতাবোৰে সাতশাকী তোলা গীত গাই শাক তোলে আৰু দুপৰীয়া ৰান্ধি ঘৰৰ পৰিয়ালৰ আটায়ে খায়।[১১]

নামনি অসমত পালিত অম্বুবাচী, আমতি বা যাঁঠ অসমৰ এটি প্ৰাচীন লোকাচাৰ।

আহাৰ মাহৰ সাত তাৰিখৰ পৰা চাৰিদিন পৃথিৱীখন ৰজঃস্বলা হোৱা বুলি বিশ্বাস কৰা হয়। অম্বুবাচী মূলতে কৃষি উৎসৱ, এই কেইদিন পৃথিৱী ঋতুমতী হোৱা বুলি প্ৰাচীন কালৰ বিভিন্ন শাস্ত্ৰত পোৱা যায়।[১২] এই কেইদিন মঠ-মন্দিৰৰ দুৱাৰ বন্ধ থাকে। পূজা-পাৰ্বণ, হালবোৱা, মাটি খন্দা, ফুল ছিঙা প্ৰভৃতি কামবোৰ কৰা নিষেধ। বৰতীয়া বিধবাসকলে এইকেইদিন কেৱল ফলাহাৰহে কৰিব পাৰে। সধবাসকলৰো কোনো কোনোৱে দিনটো ব্ৰত ৰাখে। আমতিৰ নিবৃত্তিৰ দিনা ঘৰৰ তিৰোতাসকলে বাচন-বৰ্তন, কাপোৰ-কানি ধুই ঘৰ দুৱাৰ মচি শুচি হয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে অম্বুবাচী উপলক্ষে কামাখ্যা ধামত অম্বুবাচী মেলা অনুষ্ঠিত হয়, য'ত দেশ-বিদেশৰ হাজাৰ হাজাৰ লোকে অংশ গ্ৰহণ কৰে।

অতীজৰে পৰা অসমত অনাবৃষ্টি হ'লে ভেকুলী বিয়া পতাৰ পৰম্পৰা চলি আহিছে। মাইকী আৰু মতা ভেকুলী এহাল ধৰি লৈ দুঘৰ মানুহৰ ঘৰত ৰখা হয়। মাইকী ভেকুলী থকা ঘৰ কইনা পক্ষ আৰু মতা ভেকুলী থকাঘৰ দৰাপক্ষ বুলি ধৰি লৈ গাঁৱৰ সকলোৱে একেলগে বিয়াখনৰ প্ৰস্তুতি চলায়। এদিনতে সমাপ্ত হোৱা এই বিয়াখন দিনৰ ভাগত অনুষ্ঠিত হয় আৰু ই সম্পূৰ্ণ বৈদিক নীতি-নিয়মেৰে পালন কৰা হয়। বিয়াখনৰ পানী তুলি অনা, দৰা-কইনাক গা ধুওৱা, প্ৰসংগ অনুযায়ী বিয়াগীত গোৱা আদি কামসমূহত আয়তীসকলে আগভাগ লয়।

ভাদ মাহত কৃষ্ণৰ জন্মাষ্টমী পালন কৰা হয়। এই উপলক্ষে নাৰীসকলে নিজ নিজ অঞ্চলৰ নামঘৰত গোপিনী নাম গায় আৰু কৃষ্ণৰ মহিমা প্ৰচাৰ কৰে। কোনো কোনো অঞ্চলৰ গোপিনীসকলে ভাওনাৰো ব্যৱস্থা কৰে। ইয়াত গোপিনীসকলে নন্দ-যশোদা, অন্যান্য গোপীৰ ভাও লয় আৰু এজনী সৰু ছোৱালীক শিশু কৃষ্ণৰূপে ভাও ল'বলৈ দিয়া হয়।

পচতি উৎসৱ জন্মাষ্টমীৰ পাঁচদিনৰ দিনা পতা হয়। এই উৎসৱতো নাৰীসকলে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। পচতিৰ দিনা শিশু কৃষ্ণৰ গণনা আৰু সূৰ্যদৰ্শন কৰোৱাৰ অনুষ্ঠান প্ৰতীকি ৰূপত পালন কৰা হয়। মহিলাসকলে পতা এই অনুষ্ঠানত এগৰাকী নাৰীয়ে যশোদাৰ ভাও লৈ এটি শিশু কোলাত লৈ মঞ্চৰ একাষে বহে। ছয়জনী সৰু ছোৱালীয়ে যশোদাৰূপী তিৰোতাগৰাকীক প্ৰদক্ষিণ কৰি তেওঁৰ মূৰত চাউল আৰু ফুল ছটিয়াই দিয়ে। আন কেইগৰাকীমান তিৰোতাই গোপীৰ সাজেৰে হাতত ফল লৈ ৰৈ থাকে। তেওঁলোকৰ হাতৰ পৰা যশোদাৰূপী তিৰোতগৰাকীয়ে এটা ফল লৈ কোলাৰ কৃষ্ণলৈ আগবঢ়াই দিয়ে। গৰ্গ ঋষিৰ বেশত হাতত

পুথি পাজি লৈ এগৰাকী নাৰী মঞ্চত প্ৰৱেশ কৰি শিশু কৃষ্ণৰ গণনা আৰম্ভ কৰে। উপস্থিত মহিলা সকলে কৃষ্ণৰ গালৈ আৰু ইজনীয়ে সিজনীৰ গালৈ হালধি পানী ছটিয়াই আনন্দ উলাহত ডুব যায়। এনেদৰে পচতি উৎসৱৰ সামৰণি পৰে।

আহিন মাহত পালন কৰা শাৰদীয় দুৰ্গোৎসৱতো নাৰীসকলে বিশেষভাৱে অংশ গ্ৰহণ কৰে। পূজাৰ কেইদিন আয়তীসকলে পূজাথলিত বা নিজৰ গাঁৱৰ নামঘৰত দুৰ্গা গোঁসানীৰ নাম গাই নিজৰ পৰিয়ালৰ লগতে সমাজৰ সকলোৰে মংগল কামনা কৰে। নৱমীৰ দিনা নামনি অসমৰ উত্তৰ কামৰূপৰ কোনো কোনো অঞ্চলত আইলা পূজা পতা হয়। আইলা পূজাৰ উদ্দেশ্য হ'ল ভাল শিপিনী হোৱা আৰু অবিবাহিতসকলে মনোমত দৰা লাভৰ বাবে প্ৰাৰ্থনা কৰা। এই পূজাৰ বাবে অবিবাহিত ছোৱালীসকলে মিলি কোনো এঘৰৰ চোতালত বা নামঘৰৰ সন্মুখত এখন বৰ্গাকৃতিৰ বেদী সাজে। বেদীটোৰ চাৰিও কোণত কলপুলি চাৰিটা পুতি সেইবোৰ ৰং বিৰঙৰ কাপোৰেৰে মেৰিয়াই দিয়া হয়। বেদীত এটা দুৰ্গাৰ প্ৰতীকস্বৰূপ মজু ৰখা হয় আৰু মজুটোক বেল, তুলসী, ফুল, ধূপ-ধুনা, চাকি জ্বলাই দেৱীক পূজা কৰা হয়। পূজা কৰি তেওঁলোকে ওৰে ৰাতি আউলা পূজাৰ গীত গাই সূতা কাটে আৰু তাঁত বয়। একে উদ্দেশ্যেৰে সধবা নাৰী আৰু আবিয়ৈ ছোৱালী সকলে দশমীৰ দিনা তাঁতশাল পূজা পতাৰ নিয়ম আছে। তাঁতশাল পূজাৰ বাবে আবিয়ৈ ছোৱালী কেইজনীয়ে নৈ বা পুখুৰীৰ পৰা ডলাত ভৰাই বোকা মাটি লৈ আহে আৰু সেই মাটিৰে নিজৰ ঘৰৰ চোতালত এটা মাটিৰ ঢিপ সাজি লয়। তাঁতশালখনৰ চাৰিওটা খুটাত চাৰিটা আৰু মাজতে এটা সৰু মূৰ্তি স্থাপন কৰা হয়। ইয়াত মাজত স্থাপন কৰা মূৰ্তিটো দেৱী দুৰ্গাৰ আৰু আনকেইটা ক্ৰমে লক্ষ্মী, সৰস্বতী, গণেশ আৰু কাৰ্তিকৰ। পূজাৰ শেষত মূৰ্তি কেইটা এজনী ছোৱালীয়ে মূৰত লৈ নৈ বা পুখুৰীত উটুৱাই দিয়ে। মূৰ্তি উটুৱাবলৈ যাওঁতে সকলোৱে ওৰে বাটে দুৰ্গা গোসানীৰ নাম গাই এক পৱিত্ৰ পৰিৱেশৰ সূচনা কৰে।

কাতি বিহুৰ সংক্ৰান্তিৰ দিনা নামনি অসমৰ ঘাইকৈ গোৱালপাৰা আৰু কোকৰাঝাৰ জিলাত পালন কৰা কাৰ্তিকা বা কাতি পূজা সম্পূৰ্ণৰূপে নাৰীকেন্দ্ৰিক অনুষ্ঠান। এই পূজাৰ বাবে এটা মণ্ডপ সাজি তাৰ চাৰিওকোণত চাৰিটা কলপুলি পোতা হয়। ময়ুৰৰ বাহনত সমাসীন কাৰ্তিক মূৰ্তি মণ্ডপত স্থাপন কৰি সেই মণ্ডপতে ঘট আৰু ধানৰ সীহ ৰখা হয়। কলপুলি

কেইটাত চাৰিখন ধেনু-কাঁড় আৰি থোৱা হয়। নাৰীকেন্দ্ৰিক এই লোকাচাৰত সাময়িক ভাৱে অংশ গ্ৰহণ কৰা ব্ৰাহ্মণ আৰু ঢাকুৱাজনৰ বাৰীৰে আন পুৰুষৰ উপস্থিতিৰ অনুমতি নাই।[১৩] পূজাৰ দিনা ৰাতি আয়তীসকলে প্ৰতীকী অভিনয়ৰ জৰিয়তে শিৱৰ সৈতে চণ্ডীৰ বিয়া আৰু শিৱৰ কৃষি কৰ্মৰ কাহিনী দাঙি ধৰে। এই অভিনয় মুকাভিনয় হিচাবে দাঙি ধৰা হয়। এই পূজাত নাৰীসকলৰ অবাধ স্বাধীনতা থকা হেতুকে নৃত্য-গীতত অশ্লীলতাৰ ছাপ স্পষ্টৰূপত দেখা যায়।

পশ্চিম গোৱালপাৰা অঞ্চলত প্ৰচলিত আন এটি নাৰীকেন্দ্ৰিক লোকাচাৰ হৈছে হুদুমদেওৰ পূজা। এই পূজা অনাবৃষ্টিৰ সময়ত বৃষ্টি কামনা কৰি ইন্দ্ৰদেৱতাৰ উদ্দেশ্যে কৰা হয়। পূৰ্বতে আউসীৰ আন্ধাৰ ৰাতি জনসমাগমহীন পথাৰত এটি খুঁটি পুতি তাত আগতে ধৰি থোৱা এটা হুদু চৰাই বান্ধি দিয়া হৈছিল। হুদু বান্ধি লোৱা খুঁটিটোৰ চৌপাশে তিৰোতাসকলে উলংগ হৈ নৃত্য কৰি ইন্দ্ৰদেৱতাক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিছিল। সম্পূৰ্ণৰূপে স্ত্ৰী আচাৰযুক্ত এই অনুষ্ঠানৰ মাজেৰে ইন্দ্ৰদেৱতাক সন্তুষ্ট কৰি বৃষ্টি আনিব পাৰি বুলি লোকবিশ্বাস প্ৰচলিত। আজিকালি হুদুমদেও পূজাত হুদুম খুঁটি ৰূপে কেৱল এটা কলপুলি পুতি লোৱা হয়। এক সন্তানৰ মাতৃয়েহে এই খুঁটি একে উশাহতে পোতাৰ নিয়ম। পূজাৰ সাতদিন আগৰে পৰা সাতজনী অকুমাৰী ছোৱালীয়ে সাতঘৰ মানুহৰ পৰা পানী তুলি আনি জমা কৰি থয়। পূজাৰ দিনা এই পানী পূজাথলীত ছটিয়াই তিৰোতাসকলে হালোৱা আৰু গৰুৰ ভাও লৈ প্ৰতিকী অৰ্থত মাটিডৰা চহোৱাৰ অভিনয় কৰে। এই পূজাত পুৰোহিতৰ স্থান নাই, কেৱল মাত্ৰ এজন ঢাকুৱাই চকুত কাপোৰ বান্ধি কিছু দূৰৈত বৈ ঢাক বজাই থাকে। ৰাতি গৃহস্থক খুৱাই-বুৱাই তিৰোতাবোৰ পূজাস্থলীত উপস্থিত হয়। এই পূজাত কৰা নৃত্য গীত অভিনয়ত শ্লীল-অশ্লীল গীত-মাতে স্থান পায়।

চাহ জনগোষ্ঠীৰ লোকসকলে ধুমধামেৰে পালন কৰা এটি উৎসৱ হ'ল কৰম পৰব বা কৰম পূজা। এই কৰম পৰব ভাদ মাহৰ শুক্লা একাদশীত জীতিয়া কৰম নামেৰে, আহিন মাহৰ বিজয়া দশমীৰ দিনা বুড়ী কৰম নামেৰে আৰু আঘোণ মাহৰ পূৰ্ণিমা তিথিত ৰাস ঝুমুৰ নামেৰে বছৰৰ তিনিটা সময়ত উদ্‌যাপিত হয়। এই আটাইকেইটাৰ ভিতৰত জীতিয়া কৰম সৰ্বশ্ৰেষ্ঠ। এই পূজাৰ তিনি, পাঁচ বা সাতদিনৰ আগৰে পৰা পূজাত অংশ গ্ৰহণ কৰিব বিচৰা জীয়ৰী

বোৱাৰীসকলে উপবাসে থাকে। এই সকলক কৰমতী বুলি কোৱা হয়। কৰমতীসকলে উপবাসে থকাৰ প্ৰথম দিনাই ঢোল-মাদল, বাঁহী আদি বজাই যোৱা এদল লোকৰ লগত নৈৰ ঘাটলৈ গৈ নৈত গা ধুই ধূপ-দীপ নৈবেদ্যৰে ভক্তিভাৱে আৰতি কৰে। তেওঁলোকৰ প্ৰত্যেকে একোটা পাচিত মাহ, সৰিয়হ আদিৰ বীজ লৈ যায়। নৈৰ পাৰৰ পৰা পাচিত বালি ভৰাই সেই বালিত লগত নিয়া শস্যৰ বীজ সিচি, নিজৰ নিজৰ ঠাইখিনি চিন ৰাখি থৈ আহে। পূজাৰ দিনালৈ এই শস্য তিনি চাৰি আঙুল বাঢ়ে, ইয়াকে কোৱা হয় ঝাৰা। ঝাৰা উঠোৱাৰ পিছত তাক জগাবৰ বাবে পূজাথলীতে এডাল কৰম গছৰ ডাল পুতি তাৰ কাষত বাঁহৰ আগ আৰু জৰিগছৰ ডাল থৈ দিয়া হয়। উপবাসে থকা কৰমতীসকলক তাৰ ওচৰতে বহুৱাই পুৰোহিতে কৰমা আৰু ধৰমাৰ কাহিনী শুনায়। কৰম পূজাৰ দিনা ওৰে নিশা ঝুমুৰ নাচ-গান চলি থাকে। ৰাতিপুৱালৈ কৰম ডালটো উঘালি কৰমতীসকলে নৈ বা পুখুৰীত উটুৱাই দিয়ে। এনেদৰে কৰম পূজাৰ সামৰণি পৰে।

চাহ জনগোষ্ঠীসকলে পালন কৰা নাৰীকেন্দ্ৰিক লোকাচাৰযুক্ত আন এটি উৎসৱ হ'ল টুচু পূজা। পুহ মাহ সোমোৱাৰ লগে লগে এই পূজাৰ আনুষ্ঠানিকতা আৰম্ভ হয় বাবে ইয়াক 'পৌষ পৰব' বুলিও কোৱা হয়। পুহ মাহৰ আৰম্ভণিতে চাহ-জনগোষ্ঠীৰ গাভৰুসকল কোনো এঘৰত গোট খায়। তেওঁলোকৰ মাজৰে এগৰাকী ছোৱালীক টুচুৰ মাক পাতি লোৱা হয়। গছৰ পাতেৰে সজা চৌড়ল বা দোলাত কুলি বা ম'ৰা চৰাই উঠি থকা, হাতত ছাতি আৰু কলহ লোৱা টুচুদেৱীৰ মূৰ্তি আনি দোলাত স্থাপন কৰা হয়। মূৰ্তি স্থাপন কৰাৰ পৰা প্ৰত্যেক দিনা সন্ধিয়া গাভৰুহঁতে আখৈ, ফলমূল আদিৰে দেৱীক অৰ্চনা কৰে। পুহৰ শেষৰ দিনা অৰ্থাৎ মাঘ বিহুৰ উৰুকাৰ দিনা গাভৰুহঁতৰ লগতে গাঁৱৰ ডেকাবোৰো উজাগৰে থাকি ওৰে ৰাতি টুচু গীত মাত গায়। পিছদিনা মূৰ্তিটো টুচুমাৰ মূৰত তুলি ঘৰে ঘৰে সোমাই নদীৰ ঘাটলৈ লৈ যায়। টুচুক যাৰ ঘৰতে সোমোৱা হয় তাতেই গৃহস্থই পূজা-অৰ্চনা কৰে আৰু সকলোকে পিঠা-পনা খাবলৈ দিয়ে। এই পূজাখন টুচুৰ মাকৰূপী গাভৰু গৰাকীয়ে পৰিচালনা কৰে। ঘৰে ঘৰে ফুৰোৱা হোৱাৰ পিছত চৌড়ল সহিতে টুচু মাক নৈ বা পুখুৰীত বিসৰ্জন দিয়া হয়।

ফাগুন মাহৰ ফাকুৱা বা হোলী উৎসৱতো নাৰীসকলে নিজাববীয়াকৈ আনন্দ উলাহত ভাগ লয়। হোলী খেলিবলৈ ওলাই অহা নাৰীসকলে ইজনীয়ে সিজনীক ফাকু ৰং ঘঁহি হোলী

গীত-মাত গাই আনন্দ কৰে।

চ'ত মাহৰ শেষৰ ফালে প্ৰৱল ধুমুহা বৃষ্টি হয়। লোকবিশ্বাসমতে এই সময়ত বৰদৈচিলা হিলদল ভাঙি মাকৰ ঘৰলৈ বিহু খাবলৈ আহে আৰু বহাগৰ শেষৰ ফালে একে গতিৰেই উভতি যায়। এই দুয়ো সময়তে নাৰীসকলে এক লোকাচাৰ পালন কৰে। বৰদৈচিলাৰ গতি মন্থৰ কৰি ক্ষয়-ক্ষতিৰ পৰিমাণ কমাবলৈ তেওঁলোকে পালন কৰা লোকাচাৰ মতে ধুমুহা বৰষুণ চলি থকাৰ মাজতে তেওঁলোকে ব্যৱহাৰ কৰা আইনা-ফণি এযোৰ চোতালত পীৰা এখন পাৰি তাৰ ওপৰত থৈ দিয়া হয়। লোকবিশ্বাসমতে এনে কৰিলে বৰদৈচিলাজনীয়ে পীৰাত বহি নিজৰ মুখ চাই আউল-বাউল চুলি ফণিয়াবলৈ ক্ষন্তেক জিৰায়। ফলত ধুমুহাৰ গতি শাম কাটে।

গাঁৱৰ কাৰোবাৰ ঘৰত বসন্তৰোগে দেখা দিলে তিৰোতাসকলে শীতলা পূজা আৰু আইসবাহ পাতি আইনামেৰে শীতলা দেৱীক প্ৰাৰ্থনা কৰি ৰোগী তথা গাওঁখনক এই ৰোগৰ পৰা মুক্ত কৰিবলৈ ভক্তি সহকাৰে প্ৰাৰ্থনা জনায়। ৰোগীৰ ঘৰত বা গাঁৱৰ কোনো ৰাজহুৱা স্থানত এই পূজা কৰা হয়। পূজাৰ বাবে এখন পীৰা সাজু কৰা হয় আৰু পীৰাখন বগা কাপোৰেৰে ঢাকি তাৰ ওপৰত আৰৈ চাউল আৰু বগা ফুল কেইটামান ৰখা হয়। তাৰ কাষতে ধূপ-দীপ নৈবেদ্য আগবঢ়াই আইসকলে আইনাম গাই দেৱীক স্তুতি কৰে। আই ওলোৱা ৰোগীজন ভাল নোহোৱা পৰ্যন্ত তেওঁৰ কোঠাটো প্ৰত্যেকদিনাই মচি-কাচি ধূপ জ্বলাই ৰখা হয়। ৰোগীয়ে ব্যৱহাৰ কৰা বিচনাৰ কাপোৰ আৰু পিন্ধা কাপোৰ বগা ৰঙৰ হয়। সেইকেইদিন ঘৰত তাঁত বোৱা আৰু ঢেঁকী দিয়াৰ দৰে কামবোৰ কৰা নহয়। শীতলা পূজা আই ওলোৱাৰ পৰা তৃতীয়, সপ্তম বা নৱমদিনা পুৰোহিতৰ দ্বাৰা কৰোৱা হয়।

পয়া লগা ৰোগ হৈ বা অকাৰণে শুকাই খীণাই যোৱা ল'ৰা ছোৱালীৰ মংগলাৰ্থে ঘৰত অপেশ্বৰী সবাহ পতা হয়। ইয়াৰ বাবে বেমাৰ হোৱা ল'ৰা-ছোৱালী ঘৰৰ চোতালত দুপৰীয়া সেন্দূৰ, ফুল আৰু পিঠাগুড়িৰে তিনিটা ঘূৰণীয়া বৃত্ত সাজি তাৰ ভিতৰত ন খন আগলতি পাটেৰে আসন পতা হয়। আসন ওচৰত অপেচৰাই গা ধুবলৈ প্ৰতীকি ৰূপত দুটি পুখুৰী আৰু আলি সাজি দিয়া হয়।[১৪] আসনখন সাজু হোৱাৰ পিছত তিনি বা পাঁচজনী অকুমাৰী ছোৱালীক গা ধুৱাই নতুন সাজ-পাৰ পিন্ধাই দিয়া হয়। আসনখনৰ সন্মুখত এখন ঢাৰিত কাপোৰ পাৰি

অকুমাৰী ছোৱালী কেইজনীক বহিব দিয়া হয়। এই ছোৱালী কেইজনীক বহুৱাই লৈ, ধূপ-দীপ আগবঢ়াই আয়তীসকলে ভক্তিভাবে অপেচৰা নাম গাই ৰোগীৰ আৰোগ্য কামনা কৰে। আবেলিলৈ এনেদৰে নাম গাই প্ৰসাদ গ্ৰহণ কৰি সকলো ঘৰাঘৰি গুচি যায়।

কাৰোবাৰ ঘৰত সঘনাই জ্বৰ বা চকুৰ অসুখ হ'লে কুমাৰী পূজা পতাৰ নিয়ম আছে। এই পূজাৰ বাবে তিনি বা পাঁচজনী কুমাৰী ছোৱালীক গা-পা ধুৱাই নতুন বস্ত্ৰ পৰিধান কৰোৱা হয়। ৰোগীৰ ঘৰত এখন ঢাৰি পাৰি তাৰ ওপৰত কাপোৰ এখন পাৰি, তাত কুমাৰী ছোৱালী কেইজনীক বহুওৱা হয়। তেওঁলোকলৈ বুলি ভক্তিভাবেৰে পায়স, ফল-মূল, আইনা-ফণি, ধুপ-দীপ, পুষ্প-পত্ৰ আৰু মালা আগবঢ়োৱা হয়। সাধাৰণভাবে পতা কুমাৰী পূজাত সকলোবোৰ উপাচাৰ নাথাকিলেও কামাখ্যা ধামত পতা কুমাৰী পূজাত এই আটাইবোৰ উপাচাৰেই প্ৰয়োজনীয়। কামাখ্যাত ভক্তসকলে কুমাৰীৰ চৰণত বিভিন্ন উপাচাৰ আগবঢ়ায় আৰু শংখ, ঘন্টা, ঢোল প্ৰভৃতি বাদ্যৰ মাজত পুৰোহিতে মন্ত্ৰ পাঠ কৰে।

উজনি অসমত বহুলভাৱে পালন কৰা এটা নাৰীকেন্দ্ৰিক অনুষ্ঠান হৈছে লখিমী সবাহ। এই অনুষ্ঠান সাধাৰণতে কোনো নিৰ্দিষ্ট তিথিত বা সময়ত অনুষ্ঠিত নহয়। খেতি আৰম্ভ কৰাৰ আগত বা চপোৱাৰ পিছত এই অনুষ্ঠান পতা হয়।[১৫] লখিমী সবাহৰ বাবে এজনী অকুমাৰী ছোৱালী বা এগৰাকী আয়তীয়ে কলৰ থুৰি আৰু আমপাত ভৰোৱা এটা ঘট লৈ নদীত পানী তুলিবলৈ যায়। পানী তুলিবলৈ যাওঁতে লগত আন এগৰাকী মহিলাই এখন জাকৈ, এগৰাকীয়ে চাউল ভৰ্তি দুণৰি আৰু এজন কিশোৰে এখন কল পটুৱাৰ দোনা লয়। জাকৈ লোৱাজনীয়ে নদীত তিনিবাৰ চবিয়াই বোকা মাটি যি উঠি আহে দোলাখনত থৈ দিয়ে। এইদৰে আটাইবোৰ ঘূৰি অহাৰ পিছত নামঘৰৰ বাকৰিত সমবেত হৈ সকলোৱে একেলগে তিনিবাৰ নামঘৰটো প্ৰদক্ষিণ কৰে। শেষত নামঘৰৰ মণিকূটত পানী ভৰ্তি ঘটটো স্থাপন কৰি সকলোৱে ঘটটো লক্ষ্মীদেৱী হিচাবে তামোল-পাণ, ধূপ-দীপ, নৈবেদ্য আগবঢ়াই পূজা সেৱা কৰে। ধানৰ আগ অনাৰ দিনা এই পূজা পাতিলে আগলতি কলপাত এখনত প্ৰথমে কাটি অনা ধানখিনি থোৱা হয়। ধানখিনিৰ লগতে তামোল-পাণ এযোৰ, ধূপ-দীপ, নৈবেদ্য আগবঢ়াই লক্ষ্মীদেৱীক পূজা কৰা হয়। পূজাৰ শেষত এই ধানখিনি ভঁড়ালৰ সন্মুখত সভক্তিৰে আঁৰি থোৱাৰ নিয়ম।

কৃষিৰ লগত জড়িত গোচ লোৱা, আগ অনা, হাল উঠা প্ৰভৃতি আচাৰসমূহৰ লগতো নাৰীসকল পৰোক্ষভাৱে জড়িত হৈ থাকে। কিয়নো এই আচাৰসমূহৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ ঘৰৰ নাৰীগৰাকীয়েই শুদ্ধভাৱে থাকি গোটাই মেলি দিব লাগে।

**ঙ) দৈনন্দিন পালনীয় নাৰীকেন্দ্ৰিক লোকাচাৰ ঃ**

আদিম মানৱে প্ৰত্যক্ষ কৰা প্ৰকৃতিৰ কিছুমান অবাঞ্চিত ঘটনা পৰিঘটনাই তেওঁলোকক চিন্তিত কৰি তুলিছিল। দৈনন্দিন জীৱনত এইবোৰ প্ৰত্যক্ষ কৰি সেইবোৰ আয়ত্বলৈ অনাৰ চিন্তাৰ পৰিপ্ৰেক্ষিতত দৈনন্দিন জীৱনত পালনীয় কিছুমান লোকাচাৰৰ জন্ম হ'ল। তদুপৰি ঘৰ এখনত নিত্য নৈমিত্তিক যিবোৰ কৰ্ম সম্পাদন কৰা হয় সেইবোৰৰ মাজেৰেও বিভিন্ন লোকাচাৰৰ প্ৰকাশ ঘটে, সেইবোৰ দৈনন্দিন জীৱনৰ লোকাচাৰৰ অন্তৰ্ভুক্ত কৰিব পাৰি।

ঘৰ এখন শৃংখলিতভাৱে পৰিচালিত হ'বলৈ হ'লে ঘৰখনৰ কৰ্ম-কাণ্ডবোৰ কিছুমান নীতি -নিয়মৰ মাজেৰে কৰা হয়। মানুহৰ ঘৰুৱা জীৱনত অতি অপৰিহাৰ্য চোতাল, তাঁতশাল, গোহালিঘৰ, ঢেঁকীশাল প্ৰভৃতিৰ লগত কিছুমান লোকবিশ্বাস গঢ় লৈ উঠিল আৰু এইবোৰৰ আলমতে লোকাচাৰসমূহৰ জন্ম হ'ল। ঘৰ এখনলৈ আগমন ঘটা আলহী-অতিথি, পাৰিবাৰিক তথা সামাজিক সম্বন্ধবোৰৰ মাজেৰেও কিছুমান লোকাচাৰৰ জন্ম হ'ল। নাৰী এগৰাকী যিহেতু ঘৰ এখনৰ গৃহকৰ্ত্ৰী, স্বাভাৱিকতে এই নীতি-নিয়মবোৰ পালন কৰাৰ দায়িত্বও নাৰীগৰাকীয়েই গাত পাতি ল'ব লগা হয়। পূৰ্বাপৰে পৰা চলি অহা ৰীতি-নীতিবোৰ দৈনন্দিন জীৱনত নাৰী এগৰাকীয়ে বিনাবাক্যে পালন কৰি আহিছে।

ৰাতিপুৱা ঘৰখনৰ সকলোতকৈ আগতে পাটি এৰি উঠি আহে নাৰীগৰাকী আৰু শোৱাপাটীৰ পৰা নামিয়েই প্ৰথমে সোঁভৰিখনেৰে ভূমি স্পৰ্শ কৰি ইষ্টদেৱতাৰ নাম লৈ দিনটো যাতে সুকলমে পাৰ হয় তাৰ বাবে নীৰৱে প্ৰাৰ্থনা কৰে। তাৰ পিছত তেওঁৰ প্ৰথম কাম হ'ল বাহী চোতালখন সাৰি-পুচি পৰিষ্কাৰ কৰা। জনবিশ্বাসমতে ঘৰৰ পুৰুষ মানুহে বাহী চোতালখন গচকিলে আয়ুস ক্ষয় হয়, সেয়ে পুৰুষ ব্যক্তিসকলে উঠাৰ আগতে চোতালখন সৰা হয়। সাধাৰণতে ৰাতিপুৱা চোতাল সাৰিলে চোতালখন ঘৰৰ ফালৰ পৰা পদূলিমুখলৈ আৰু সন্ধিয়া পদূলি মুখৰ পৰা ঘৰৰ ফাললৈ সৰা হয়। জনবিশ্বাসমতে ৰাতিপুৱা লক্ষ্মীদেৱী ঘৰত সোমাই আৰু সন্ধিয়া ওলাই যায়। সেয়ে সন্ধিয়া লক্ষ্মীদেৱীৰ ভৰিৰ খোজৰ ধূলি ঘৰৰ

ফালে আনি থোৱা নিয়ম।[১৬] জ্যেষ্ঠজন বাহী চোতাল গচকি যাতে কলৈকো যাত্ৰা কৰিব লগা নহয় তাৰ বাবে ঘৰৰ প্ৰতিগৰাকী নাৰীয়েই সচেতন হৈ থাকে।

প্ৰত্যেক গৃহস্থীতে ৰান্ধনিঘৰ, গোহালিঘৰ, ভঁড়ালঘৰৰ সন্মুখ ভাগ তথা চোতাল সাৰিবৰ বাবে পৃথক বাঢ়নী সাজি ৰখা হয়। গোহালিঘৰ সাৰোতে বাঢ়নীডাল গৰুৰ গাত, গৰুবন্ধা খুঁটি আৰু পঘাত লগাব নাপায়। গৰুৰ গোবৰ তথা মূত্ৰক পৱিত্ৰ জ্ঞান কৰা হয়। সেয়ে গৰুৰ গোবৰ বা মূত্ৰৰ ওপৰ থু পেলাব নাপায়। গোবৰত থু পেলালে ডিঙি ফুলা ৰোগ হয় বুলি বিশ্বাস প্ৰচলিত আছে।[১৭] গৰু উলিয়াই নিয়াৰ লগে লগে গোহালিঘৰ চাফা কৰিব লাগে।

ঘৰ চোতাল সাৰি উঠি বাচন-বৰ্তন ধোৱাৰ পিছতহে বাহী বন শেষ হয়। তাৰ পিছত নাৰীগৰাকীয়ে গা-পা ধুই আহি আৰু সধবা নাৰীসকলে মূৰ ফণিয়াই সেন্দূৰৰ ফোঁট লৈ চাকি-বন্তি জ্বলাই প্ৰাৰ্থনা কৰে। ইয়াৰ পিছত তেওঁ ৰান্ধনিঘৰত সোমাই চাহ-জলপান আৰু দুপৰীয়া ভাত যোগাৰ কৰাত ব্যস্ত হৈ পৰে।

ৰন্ধা-বঢ়াৰ কামবোৰ ভক্তিভাবে আৰু মনোযোগেৰে কৰিব লাগে। ৰান্ধনীয়ে ভাত ৰান্ধিবৰ বাবে লোৱা চাউলৰ পৰা প্ৰত্যেকদিনে তিনিমুঠিকৈ আন এটা পাত্ৰত থৈ দিয়াৰ নিয়ম আছে। এই চাউল কেতিয়াবা বিপদ-আপদত ব্যৱহাৰ কৰা হয়। আগৰ দিনত ৰান্ধনীজনীয়ে ভাত ৰন্ধাৰ বাবে এসাজ গাঢ় ৰঙৰ কাপোৰ বেলেগে ৰাখিছিল আৰু ভাত ৰান্ধিবৰ সময়ত সেই কাপোৰসাজ পিন্ধিহে ভাত ৰান্ধিছিল। ভাত ৰান্ধনীয়ে সকলোকে ভাত বাঢ়ি দি খুৱাই উঠাৰ পিছত ৰন্ধা ঘৰটো চাফা কৰি উঠিহে নিজৰ ভাগৰ ভাত খোৱাৰ নিয়ম।

সন্ধিয়া চাকি-বন্তি জ্বলাই উঠি পুনৰ নাৰী এগৰাকীয়ে ৰন্ধা ঘৰত সোমাবলগা হয়। ৰাতিও সকলোকে ভাত-পানী দি উঠিহে নিজে খোৱাৰ নিয়ম। ৰান্ধনী ঘৰটো প্ৰত্যেকদিনা ৰাতি মচি থোৱা হয় আৰু বাচন-বৰ্তনবোৰ ৰাতিপুৱা ধুবলৈ ৰখা হয়। প্ৰত্যেক বৃহস্পতিবাৰে ঘৰ-দুৱাৰ মাটিৰে মচি-কাচি পৰিষ্কাৰ কৰা হয়। ৰান্ধনীঘৰত থকা কলহ সদায় পানীৰে পূৰ্ণ হৈ থাকিব লাগে। ৰাতিপুৱা শুই উঠি কোনোৱে যাতে শুদা ঘটি চুব লগা নহয় তাৰ প্ৰতিও নাৰী গৰাকীয়ে চকু ৰাখিব লাগে।

অসমীয়া জীয়ৰী বোৱাৰীৰ লগত তাঁতশালখনৰ এৰাব নোৱাৰা সম্পৰ্ক আছে। এই তাঁতশালখনৰ লগতো কেতবোৰ লোকাচাৰ পালন কৰা হয়। ৰজঃস্বলা অৱস্থাত বা বংশ

পৰিয়ালৰ মৃত্যু হ'লে অশৌচীয়া নোযোৱালৈকে তাঁতশাল বোৱা নহয়। তদুপৰি শনি, মঙ্গল আৰু অমাৱস্যাৰ দিনা কাপোৰ বোৱা নহয়। দুৰ্গা পূজাৰ কেইদিন আৰু ঘৰুৱাভাৱে পতা পূজা-পাৰ্বণৰ দিনাও তাঁতশাল বোৱা নিষেধ। সম্পূৰ্ণ শুদ্ধভাৱেৰে বৈ উলিওৱা অনাকটা কাপোৰখন কেঁচী বা ব্লেড নলগোৱাকৈ উলিয়াই আনিব লাগে। অসমীয়া নাৰীসকলে ঘৰুৱা ব্যৱহাৰৰ কাপোৰ কেইসাজ নিজ তাঁততে বৈ উলিয়ায়।

তাঁতশালখনৰ দৰে ঢেঁকীশালৰ লগতো বহুতো লোকাচাৰ জড়িত হৈ আছে। বিহুৰে সবাহে সান্দহ, পিঠাগুড়ি খুন্দাৰ উপৰিও দৈনন্দিন ব্যৱহাৰৰ ধান-চাউলো ঢেঁকীতে খুন্দি উলিওৱা হয়, সেয়ে অসমীয়া সমাজত ঢেঁকীশালখন পৱিত্ৰ জ্ঞান কৰা হয়। অমাৱস্যাৰ দিনা, মংগলবাৰে আৰু অম্বুবাচীৰ সময়ত ঢেঁকী দিয়া নিষেধ। অশৌচীয়া ঘৰত ঢেঁকী দিয়া নহয়। দুৰ্গা পূজাৰ কেইদিন আৰু ঘৰত পতা ঘৰুৱা অনুষ্ঠানৰ দিনাও ঢেঁকী দিয়া নহয়। ঢেঁকীশালখন মচি-কাচি থোৱা, ঢেঁকীশালত ব্যৱহৃত কুলা-চালনী, লুৰা, লুৰিমাৰি, থোৰা প্ৰভৃতি নিৰ্দিষ্ট স্থানত থৈ দিয়াটোও নাৰীসকলে নিজৰ কৰ্তব্য বুলিয়েই গণ্য কৰে।

কাপোৰ পিন্ধাৰ ক্ষেত্ৰতো নাৰী এগৰাকীয়ে কেতবোৰ বিধি নিষেধ মানি চলে। মেখেলা পিন্ধোতে মূৰৰ ফালৰ পৰা পিন্ধা নিষেধ। খোজ কাঢ়োতে মেখেলাৰ শব্দ হোৱা, সৰু গাঠি ওলোৱাকৈ মেখেলা পিন্ধা অশুভ লক্ষণ বুলি ধৰা হয়। গা ধুই উঠি কাপোৰ পেলাই থৈ আহিব নাপায়, সেইবোৰ লগে লগে ধুই দিব লাগে। সেয়ে পুৰুষ অহা যোৱা কৰা পথত তিৰোতাৰ কাপোৰ মেলি দিয়া নহয়। শহুৰ, ভাইশহুৰ তথা গাঁৱৰ আন জ্যেষ্ঠজনৰ আগত ওৰণি লৈ থাকিব লাগে। জ্যেষ্ঠজনৰ সন্মুখত ওখ আসনত বহা, জ্যেষ্ঠজনৰ ছাঁ গচকা নিষেধ।

নাৰীসকলে দৈনন্দিন জীৱনত পালনীয় লোকাচাৰসমূহৰ ভিতৰত এটা উল্লেখযোগ্য লোকাচাৰ হ'ল ঋতুস্ৰাৱৰ সময়ত পালন কৰা লোকাচাৰ। কিশোৰী এগৰাকীয়ে প্ৰথম ৰজঃস্বলা হোৱাৰ পিছত প্ৰত্যেক মাহতে তেওঁৰ এই স্বাভাৱিক প্ৰক্ৰিয়া চলি থাকে। কিশোৰী গৰাকীৰ এদিন বিবাহ হয় আৰু মাতৃ হৈ ঘৰ এখন চম্ভালে। মাহেকীয়া হোৱা দিন কেইটাত নাৰী গৰাকী আছুতীয়াকৈ থাকে, ৰন্ধা-বঢ়া, শুভকাম আৰু সামাজিক কামৰ পৰা বিৰত থকা দেখা যায়। আছুতীয়াকৈ থকাৰ পিছত তিনিদিনৰ দিনা গা আৰু ব্যৱহৃত কাপোৰ-কানি ধুই আংশিক ভাৱে শুচি হয় আৰু চতুৰ্থ দিনা পুনৰ গা-মূৰ ধুই ৰাতি উপবাসে থাকি পাঁচ দিনৰ দিনা

সম্পূৰ্ণকৈ শুচি হয়। চাৰি দিনৰ দিনা জুহালৰ কাম কৰিব পাৰিলেও ভাত-পানী নাৰান্ধে। পাঁচ দিনৰ পৰা ৰন্ধা-বঢ়া, গোঁসাইঘৰত চাকি-বন্তি দিয়া কামবোৰ কৰিব পাৰে। ৰজঃস্বলা নাৰীগৰাকীক চুলে আৰু তেওঁ ব্যৱহাৰ কৰা কাপোৰ-কানি বা অন্য বস্তুৰ সংস্পৰ্শলৈ অহা জনে গা-মূৰ ধুই শুচি হ'ব লাগে।

## ১.০২ তোলনি বিয়া ঃ

এটা স্তৰৰ পৰা আন এটা স্তৰলৈ গতি কৰাটো মানৱ জীৱনৰ এটা চিৰাচৰিত প্ৰক্ৰিয়া। শিশু এটি ডাঙৰ হৈ অহাৰ লগে লগে দৈহিক গঠনৰো পৰিৱৰ্তন হৈ আহে। এজন পুৰুষ আৰু এগৰাকী নাৰীৰ দৈহিক গঠনৰ যথেষ্ট পাৰ্থক্য আছে। এই যৌৱনাৰম্ভৰ সময়ছোৱাত পুৰুষৰ দাড়ি গজে আৰু শৰীৰৰ গুপ্তাংগ, বুকু আদিত নোম গজিব ধৰে। ঠিক তেনেদৰে নাৰী এগৰাকীৰো স্তনযুগল বাঢ়িবলৈ ধৰে, কাষলতি তলত আৰু গুপ্তাংগত নোম গজে। এই সময়ত কিশোৰ বা কিশোৰী গৰাকীৰ আবেগিক, মানসিক তথা বৌদ্ধিক পৰিৱৰ্তনো চকুত পৰা হয়। এই সময়ৰ পৰাই কিশোৰ-কিশোৰীয়ে প্ৰজনন ক্ষমতা লাভ কৰে। এনে সময়ত কিশোৰ তথা কিশোৰীগৰাকীক লৈ অতীজৰে পৰা সমাজত কিছুমান কৃত্য পালন কৰি অহা হৈছে। যি কৃত্যই বালক বা বালিকাক শৈশৱৰ পৰা বিচ্ছেদ ঘটাই নৰত্ব বা নাৰীত্বলৈ উত্তৰণ ঘটায়, সেই কৃত্যক যৌৱনাৰম্ভ কৃত্য বুলি ক'ব পাৰি।[১৮]

আদিম সমাজত জীৱনৰ গণ্ডীৰ ভিতৰত হোৱা পৰিৱৰ্তনবোৰ মৃত্যুৰ সমপৰ্যায়ৰ বুলি গণ্য কৰি প্ৰত্যেকটো ৰূপেই নতুন জীৱন বুলি ধাৰণা কৰিছিল। সেয়ে তেওঁলোকৰ দৃষ্টিত যৌৱনাৰম্ভৰ সময়ছোৱাত ল'ৰা বা ছোৱালীয়ে নতুন জীৱন লাভ কৰে। বাল্যকাল অতিক্ৰম কৰি কৈশোৰ কালত ভৰি দিয়া সময়ত পালন কৰা পুষ্পোৎসৱ, চুন্নত, উপনয়নৰ দৰে অনুষ্ঠান যৌৱনাৰম্ভৰ কৃত্য বুলি ধৰা হয়।

অতীজৰে পৰা সমাজত চলি থকা উৎসৱ অনুষ্ঠানবোৰৰ তুলনাত ছোৱালীৰ প্ৰথম ৰজঃ দৰ্শনৰ ঘটনাটোক প্ৰথম যৌৱনাৰম্ভৰ কৃত্য-বুলি অধিক গুৰুত্ব প্ৰদান হ'লেও এই কৃত্য সম্পূৰ্ণ গোপনীয়ভাৱে পালন কৰা দেখা যায়। আদিম কালৰে পৰা পিতৃ প্ৰধান সমাজত এই ঘটনাটোক বিশেষ গুৰুত্ব প্ৰদান নকৰিলেও মাতৃ প্ৰধান সমাজত ৰজঃ, ৰজঃদৰ্শন আৰু ৰজঃস্বলা নাৰীক কেন্দ্ৰ কৰি বিভিন্ন বিশ্বাস আৰু লোকাচাৰৰ সৃষ্টি হয়। অৱশ্যে পৰৱৰ্তী কালত পিতৃপ্ৰধান

সমাজতো এই অনুষ্ঠানটো বহুল ভাৱে পালিত হ'বলৈ ধৰে। হিন্দুৰ স্মৃতি আৰু ধৰ্মশাস্ত্ৰসমূহতো ৰজঃস্বলা নাৰী সম্পৰ্কে বিভিন্ন বৰ্ণনা পোৱা যায়। নাৰীৰ ঋতুকাল সম্পৰ্কে মনুস্মৃতিত কোৱা হৈছে — *"ঋতুঃ স্বাভাৱিকঃ স্ত্ৰীণাং ৰাত্ৰয়ঃ ষোড়শ স্মৃতাঃ।*

*চতুৰ্ভিৰিতৰৈঃ সাৰ্দ্ধমহোভি সদ্বিগৰ্হিতৈঃ" (৪৬)*

*অৰ্থাৎ ৰজোদৰ্শনৰ দিনৰ পৰা ষোল্ল দিনলৈকে নাৰীৰ স্বাভাৱিক ঋতুকাল। ইয়াৰ ভিতৰত প্ৰথম চাৰিদিন ৰজোদৰ্শন হয় কাৰণে সেইকেইটা দিন অতি নিন্দনীয়।*[১৯]

আনহাতে ছোৱালীৰ ৰজঃদৰ্শন নোহোৱালৈকে যে বিবাহৰ উপযুক্ত নহয় এই কথা গোভিচাৰ্য্যৰ পুত্ৰ গোভিলৰ গৃহসূত্ৰ গ্ৰন্থত এনেদৰে উল্লেখ আছে যে ঋতুমতী নোহোৱা পৰ্যন্ত কন্যাক নগ্নিকা বোলে। কুচহীনাকো নগ্নিকা বোলে। ঋতুমতী কন্যাক অনগ্নিকা বোলে, অনগ্নিকা কন্যাকহে বিয়া দিব লাগে। ৰজস্বলা নোহোৱা ছোৱালীক গৌৰী আৰু ৰজঃস্বলা হোৱা কন্যাক ৰোহিনী, যাৰ যৌৱন চিহ্ন দেখা নাই, তাইক কন্যা আৰু স্তনোদ্‌গম নোহোৱা ছোৱালীক নগ্নিকা বোলে। ছোৱালীৰ যৌৱন চিহ্ন প্ৰকাশ পালে সোমদেৱতাই, পয়োধৰ আদি উন্নত হৈ উঠিলে গন্ধৰ্বই আৰু ৰজঃ প্ৰকাশ হ'লে অগ্নিয়ে সেই কন্যাক ভোগ কৰে। গতিকে যৌৱন চিহ্ন প্ৰকাশ নাপালে পয়োধৰাদি উদগম নহ'লে, ৰজঃ দেখা নিদিলে আৰু সোমাদি দেৱতাসকলে ভোগ নকৰিলে সেই কন্যাক বিবাহ দিব নাপায়।[২০] গতিকে ইয়াৰ পৰা স্পষ্টকৈ কব পাৰি যে প্ৰাচীন কালত ৰজঃদৰ্শন হোৱা ছোৱালীজনীহে বিবাহৰ বাবে উপযুক্ত বুলি গণ্য কৰা হৈছিল।

বৈদিক যুগত বাল্য বিবাহৰ প্ৰচলন নাছিল বুলি বিভিন্ন সাক্ষ্য প্ৰমাণৰ পৰা জানিব পাৰি। এই সম্পৰ্কে আৰ. চি. মজুমদাৰে সম্পাদনা কৰা 'বৈদিক যুগ' নামৰ গ্ৰন্থত বিস্তৃতভাৱে আলোচনা কৰা হৈছে। বৈদিক যুগৰ সাহিত্যত মাক-বাপেকৰ ঘৰত ডাঙৰ হোৱা কুমাৰী ছোৱালীৰ কথা বাৰংবাৰ উল্লেখ আছে। প্ৰণয়ীক মুগ্ধ কৰিবলৈ আবিয়ৈ ছোৱালীয়ে পিন্ধা গহনা-গাঁঠৰি, প্ৰেমিকে প্ৰেমিকাক দিয়া উপহাৰ, প্ৰেমিকাক গোপনে লগ কৰাৰ মানসেৰে প্ৰেমিকাৰ ঘৰত মন্ত্ৰপাশ মাৰি সকলোকে নিদ্ৰাত পেলোৱা প্ৰভৃতিৰ বৰ্ণনাৰ পৰা ছোৱালী এজনী ৰজঃস্বলা হোৱাৰ পিছতহে বিয়া দিয়াৰ দস্তুৰ থকাটোৰ সপক্ষে প্ৰমাণ দাঙি ধৰে। ছোৱালীৰ বিবাহৰ বয়স সম্পৰ্কে কবলৈ গৈ কোৱা হৈছে — *"কন্যাৰ বয়সৰ ক্ষেত্ৰত বিভিন্ন*

*গৃহ্যসূত্ৰৰ বিভিন্ন মত। বিবাহৰ পূৰ্ণতাসূচক ‘চতুৰ্থ কৰ্ম’ৰ বৰ্ণনাৰ পৰা বুজি পাব পাৰি যে বিবাহৰ কন্যা নিশ্চয় প্ৰাপ্তবয়স্কা আছিল। কিন্তু অপেক্ষাকৃত অৰ্বাচীন গৃহ্যসূত্ৰ আৰু ধৰ্মসূত্ৰ বিলাকৰ মতে কন্যা ‘সাগ্নিকা’ হ’ব লাগে; অৰ্থাৎ ঋতুমতী হোৱাৰ আগতেই বা দেহত যৌৱন লক্ষণ দেখা দিয়াৰ আগতেই বিবাহ হ’ব লাগে। সম্ভৱতঃ প্ৰাচীন পুথিবিলাকে প্ৰাচীন ৰীতিৰ কথা উল্লেখ কৰাটোৰেই এই খেলিমেলিৰ কাৰণ।”* [২১] ছোৱালী ঋতুমতী হোৱা কথাটোৰ বিষয়ত ইমান গুৰুত্ব দিয়া হৈছিল যে ঋতুমতী ছোৱালী ঘৰত থকাটোৰেই পাপতুল্য আছিল। ৰজঃস্বলা কন্যাক দেখিলে মাক, পিতাক, ককায়েক তিনিও নৰকৰ মুখ দেখিব বুলি বিশ্বাস কৰা হৈছিল।[২২] প্ৰথম ৰজঃদৰ্শনৰ ঘটনাটোক বৈদিক যুগৰে পৰা কেনেধৰণে গুৰুত্ব লাভ কৰিছিল উপৰোক্ত আলোচনাবোৰত তাৰ আভাস পাব পাৰি।

ভাৰতীয় সমাজ বিভিন্ন আচাৰযুক্ত সমাজ। মনুই যি দশসংস্কাৰৰ উল্লেখ কৰিছে তাৰ ভিতৰত ল’ৰাৰ যৌৱনাৰম্ভ কৃত্য উপনয়নৰ উল্লেখ আছে। ছোৱালীৰ যৌৱনাৰম্ভ কৃত্যক দশ-সংস্কাৰৰ ভিতৰত ধৰা হোৱা নাই যদিও ভাৰতৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত গোপনে বা ৰাজহুৱাকৈ পতা এই কৃত্য এক উল্লেখযোগ্য সংস্কাৰত পৰিণত হৈছে। এই সম্পৰ্কে নবীনচন্দ্ৰ শৰ্মাই কৈছে — *“পুষ্পোৎসৱ বা ঋতুৎসৱ অৰ্থাৎ (Puberty rite) দশ সংস্কাৰৰ ভিতৰত নধৰিলেও ই শাৰীৰিক যৌৱনাৰম্ভৰে সৈতে জড়িত। যৌৱনাৰম্ভ জীৱনৰ এনে এটা অৱস্থা, যি অৱস্থাত মানুহে লাভ কৰে প্ৰজনন শক্তি। পুষ্পোৎসৱ এনে এবিধ সংস্কাৰ যাৰ জৰিয়তে কৈশোৰ অৱস্থাপ্ৰায় বালিকা এজনীয়ে এটা সামাজিক আৰু শাৰিৰীক অৱস্থাৰ পৰা বিচ্ছিন্না হৈ লাভ কৰে এক উত্তৰিত অৱস্থা।”*[২৩] অসমীয়া সমাজত প্ৰথম ৰজঃদৰ্শনৰ ঘটনাটোক বিশেষ গুৰুত্ব প্ৰদান কৰা হৈ আহিছে। এজনী কিশোৰীয়ে প্ৰথম ৰজঃদৰ্শন কৰা ঘটনাটোক লৈ অসমীয়া সমাজত সম্পূৰ্ণ নাৰীৰ দ্বাৰা পৰিচালিত আৰু নাৰীৰ অংশগ্ৰহণেৰে এটা অনুষ্ঠান পতা হয়। বিভিন্ন লোকাচাৰেৰে পালন কৰা এই উৎসৱটিকে “তোলনি বিয়া” বা “নোৱাই তোলনি বিয়া” বুলি কোৱা হয়।

### ১.০২.১ ঃ তোলনি বিয়াৰ আভিধানিক অৰ্থ ঃ

“তোলনি বিয়াৰ” অৰ্থ অসমীয়া অভিধান সমূহত প্ৰায় একে ধৰণে দিয়া হৈছে। ‘হেমকোষ’ অভিধানত উল্লেখ কৰা মতে তোলনি বিয়াৰ অৰ্থ হ’ল— *“ছোৱালীৰ কন্যাকাল*

*হোৱাত কৰা উৎসৱ, পুষ্পোৎসৱ"* [২৪] । *"আধুনিক অসমীয়া অভিধান,"* [২৫] *"আধুনিক অসমীয়া শব্দকোষ"* [২৬] *"শৰাইঘাট অভিধান"* [২৭] *"অসমীয়া অভিধান"* [২৮] প্ৰভৃতি অভিধান সমূহতো তোলনি বিয়াৰ অৰ্থ হেমকোষৰ দৰে দিয়া হৈছে। এই আটাইবোৰ অভিধানতকৈ শান্তনু কৌশিক বৰুৱাই "অসম অভিধানত" তোলনি বিয়া" ৰ অৰ্থ দিবলৈ গৈ এটা দীঘলীয়া টোকা দিছে। এই টোকাটোত উল্লেখ থকা কথাখিনিয়েই তোলনি বিয়াৰ বৈশিষ্ট্যবোৰ চুই গৈছে বুলি ক'ব পাৰি। এই অভিধানত "তোলনি বিয়া"ৰ অৰ্থ দিয়া হৈছে— "*ছোৱালীৰ কন্যাকাল হোৱাত পতা উৎসৱ। কন্যা সন্তান পুষ্পিতা হ'লে অসমীয়া সমাজত তোলনি বিয়া, নোৱাই তোলনি, পুহা বিয়া, উঠান বিয়া বা পুষ্পোৎসৱ পতাৰ নিয়ম। ছোৱালী পুষ্পিতা হোৱাৰ পৰা চাৰিদিন বা পুষ্পিতা হোৱাৰ যোগ অনুসৰি ছদিন বা সাতদিনৰ মূৰত পালন কৰা ঋতুস্ৰাৱৰ এই অনুষ্ঠানত কেৱল মহিলাসকলে অংশগ্ৰহণ কৰে। অসমীয়া বিয়াত সচৰাচৰ পালন কৰা বহু আচাৰ অনুষ্ঠান তোলনি বিয়াতো পালন কৰা হয়। পুষ্পিতা হোৱা কালছোৱাত ছোৱালীগৰাকীয়ে চন্দ্ৰ-সূৰ্য্য, গৰু-গাই, পুৰুষ মানুহ চাব নাপায় বুলি বিশ্বাস কৰা হয় আৰু সেয়ে এই সময়ছোৱাত তেওঁক নিলগাই ৰখা হয়। আগৰ দিনত গোঁসাই-ব্ৰাহ্মণ আদি সম্প্ৰদায়ৰ ছোৱালীৰ আগ-বিয়াৰ (কন্যাকাল হোৱাৰ আগতে পতা বিয়া) পাছত শান্তি বিয়া বা পাছবিয়া (আগবিয়া দিয়া ছোৱালী ঋতুমতী হোৱাৰ পাছত স্বামী গৃহলৈ নিবৰ সময়ত পৱিত্ৰ পানীৰে স্নান কৰোৱা লোকাচাৰ) পতাৰ নিয়ম আছিল।"* [২৯]

তোলনি বিয়াখনক 'নোৱাই তোলনি' বা 'পুষ্পোৎসৱ' বুলিও কোৱা হয়। নোৱাই তোলনি শব্দৰ অৰ্থ হেমকোষত দিয়া হৈছে এনেদৰে — *"প্ৰথমে ঋতুমতী হোৱাৰ পৰা সাতদিনৰ মূৰত কন্যাক গা ধুওৱা কাৰ্য।"* [৩০] আকৌ পুষ্পোৎসৱ শব্দটোৰ অৰ্থ দিয়া হৈছে এনেদৰে — *"(সংপুষ্প, তিৰোতাৰ মাসিক স্ৰাৱ + উৎসৱ, আমোদৰ কাৰ্য) ছোৱালী প্ৰথম ঋতুমতী হোৱা সাতদিনৰ দিনা কৰা কাৰ্য, নোৱাই তোলনি, ceremony of puberty'"* [৩১] চন্দ্ৰকান্ত অভিধানত নোৱাই তোলনি বিয়াৰ অৰ্থ এনেদৰে দিয়া হৈছে — *"প্ৰথম ঋতুমতী হোৱা কন্যাক সাতদিনৰ মূৰত নোৱাই ধুৱাই অশুচি অৱস্থাৰ পৰা তোলা বা উদ্ধাৰ কৰা।"* [৩২]

সংস্কৃত অভিধান *'শব্দকল্পদ্ৰুম'* ত কুমাৰী ছোৱালীৰ কথা প্ৰসংগত কোৱা হৈছে যে পুষ্পিতা নোহোৱালৈকে কিশোৰীগৰাকীক কুমাৰী আখ্যা দিয়া হয়। সাধাৰণতে বাৰ-তেৰ

বছৰত কিশোৰীগৰাকীৰ প্ৰথম ৰজ্ঃস্বলা হয় যদিও কোনো কোনো ক্ষেত্ৰত যোল্ল বছৰলৈকেও পুষ্পিতা নোহোৱাকৈ থাকে। কন্যা সন্তান এগৰাকীক প্ৰথম বছৰৰ পৰা যোল্ল বছৰলৈকে এটাকৈ নাম দিয়া হৈছে। এই নাম কেইটা এনেধৰণৰ — এবছৰত সন্ধ্যা, দুইবছৰত সৰস্বতী, তৃতীয় বৰ্ষত ত্ৰিধামুক্তি, চতুৰ্থ বৰ্ষত কালিকা, পঞ্চম বৰ্ষত সুভগা, ষষ্ঠ বৰ্ষত উমা, সপ্তম বৰ্ষত মালিনী, অষ্টম বৰ্ষত কুব্জিকা, নৱম বৰ্ষত কালসংক, দশম বৰ্ষত অপৰাজিতা, একাদশ বৰ্ষত ৰুদ্ৰাশ্ৰী, দ্বাদশ বৰ্ষত ভৈৰবী, এয়োদশ বৰ্ষত মহালক্ষ্মী, চতুৰ্দশ বৰ্ষত পীঠনায়িকা, পঞ্চদশ বৰ্ষত ক্ষেত্ৰজা আৰু ষষ্ঠদশ বৰ্ষত সান্নদা বুলি কোৱা হয়। এই আটাইকেইটা নামেৰে কুমাৰী পূজাত পুষ্পিতা নোহোৱালৈকে ভাগ ল'ব পাৰে।[৩৩]

ভৃগুমোহন গোস্বামীৰ মতে *"তোলনি শব্দটো সংস্কৃত উত্তোলন শব্দৰ পৰা আহিছে। ইয়ে ডাঙৰ হোৱা বা ওপৰলৈ উঠা বুজায়।"*[৩৪]

### ১.০২.২ তোলনিৰ সমাৰ্থক শব্দ ঃ

তোলনি হোৱা মানে ডাঙৰ হোৱা বুজায়। ছোৱালীৰ প্ৰথম ৰজঃস্বলা হোৱা বুজাবলৈ উজনি আৰু নামনি অসমত ভালেমান শব্দ ব্যৱহাৰ কৰা হয়। উজনি অসমত ঋতুমতী হোৱা, কন্যাকাল পোৱা, পুষ্পিতা হোৱা, শান্তি হোৱা শব্দৰে প্ৰথম ঋতুস্নান হোৱাকে বুজোৱা হয়। এই সময়ত তেওঁলোকে পতা বিয়াখনক 'নোৱাই তোলনি বিয়া' বোলে। নামনি অসমত উজনিত প্ৰচলিত শব্দবোৰৰ বাহিৰেও লায়েক হোৱা, ডাঙাৰ হোৱা, মানুহ হোৱা, ধুৰেনী হোৱা, ধুৱানী হোৱা, উঠন হোৱা আৰু তোলেনি হোৱা আদি শব্দবোৰ ব্যৱহাৰ কৰা হয়। নোৱাই তোলনি বিয়াক নামনিত 'তোলেনি বিয়া' বা 'ধুৱানী বিয়া' বুলি কোৱা হয়। দৰঙত এই বিয়াখনক "ঝিয়া ধুৱৰা" বুলিও কোৱা হয়।

### ১.০২.৩ অসমৰ বিভিন্ন সম্প্ৰদায়ৰ তোলনি বিয়া ঃ

অসমীয়া সমাজত এগৰাকী কিশোৰীৰ প্ৰথম ঋতুস্ৰাৱৰ ঘটনাটোক বিশেষ গুৰুত্ব দি পৰম্পৰাগতভাৱে তোলনি বিয়া অনুষ্ঠান পালন কৰি অহা হৈছে। তোলনি বিয়াৰ লগত বিভিন্ন লোকাচাৰ আৰু লোকবিশ্বাস প্ৰচলিত হৈ আহিছে। উজনি আৰু নামনি অসমত পালন কৰা তোলনি বিয়ালৈ লক্ষ্য কৰিলে দেখা যায় যে ইয়াৰ লগত জড়িত লোকাচাৰসমূহৰ কোনো কোনো ক্ষেত্ৰত পাৰ্থক্য আছে। এই পাৰ্থক্যসমূহ ঘাইকৈ চকুত পৰে কনাই বন্ধা

টোপোলাটো, বেইখন সজোৱা পদ্ধতি আৰু  দুণৰি বা দোলেণিত থোৱা সামগ্ৰী খিনিৰ ক্ষেত্ৰত। কনাই বান্ধোতে কোনো কোনোৱে ডিমৰু গুটি, ডালিমৰ কলি, এটকা, চুৰি কটাৰী দিয়ে, কোনোৱে আকৌ এৰাগুটি, তামোল আৰু পোৱালমণি এধাৰ দিয়ে। আনহাতে দুণড়িত চাউলৰ লগত কোনোৱে কেৱল তামোল-পাণ এযোৰ আৰু কোনোৱে কল একাখি, কলডিল, আইনা ফণি থোৱাৰ বিপৰীতে কোনো সম্প্ৰদায়ে এইবোৰৰ উপৰিও পাঁচবিধ ফল থৈ দিয়ে। বেইখন সজাৰ ক্ষেত্ৰতো  সম্প্ৰদায় ভেদে কিছু পাৰ্থক্য চকুত পৰে যদিও দৰাৰূপী কলগছ এটাৰ সন্মুখতহে বেইখন সজাৰ নিয়ম সকলোতে একে। এই পাৰ্থক্যখিনি বাদ দি সামগ্ৰিকভাৱে পালন কৰা লোকাচাৰ আৰু লোকবিশ্বাসসমূহ প্ৰায় একে। অঞ্চলভেদে থকা সূক্ষ্ম পাৰ্থক্যবোৰ বাদ দিলে তোলনি বিয়াৰ সামগ্ৰিক ৰূপ আৰু বৈশিষ্ট্য একেধৰণৰ। এই লোকাচাৰসমূহৰ বিস্তৃত আলোচনা দ্বিতীয় অধ্যায়ত কৰা হৈছে। আনহাতে তোলনি বিয়াত গোৱা গীত-পদ সম্পৰ্কে তৃতীয় অধ্যায়ত আলোচনা দাঙি ধৰা হৈছে। ইয়াত কেৱল যিকেইটা সম্প্ৰদায়ৰ সুকীয়া লোকাচাৰ আছে বা কোনো দিশত বিশেষ চকুত পৰা বৈশিষ্ট্য আছে তাৰ এটি আভাস দিবলৈ যত্ন কৰা হৈছে।

অসমত বাস কৰা কাৰ্বি, মিচিং, বড়ো, ৰাভা, গাৰো, দেউৰী তথা হাজং জনগোষ্ঠীৰ মাজত পৰম্পৰাগতভাৱে পালন কৰা তোলনি বিয়াৰ প্ৰচলন নাই। এই জনগোষ্ঠী সমূহে ছোৱালীৰ যৌৱনাৰম্ভৰ প্ৰথম ৰজঃদৰ্শনৰ কথাটো যিমান পাৰি ঘৰৰ পুৰুষ সদস্য সকলৰ পৰা গোপনে ৰাখে। দেউৰীসকলে ৰজঃদৰ্শনৰ পৰা প্ৰথম সাতদিনলৈ অ'লৈ ত'লৈ যাবলৈ ছোৱালীজনীক বাধা আৰোপ কৰে। পাঁচদিনৰ দিনা গা-পা ধুই উঠাৰ পিছত নেতৃস্থানীয় মহিলা এগৰাকীয়ে তেওঁক আগলৈ চাই বুজি চলিবলৈ উপদেশ দিয়ে। দেউৰী সমাজত তোলনি হোৱাৰ পিছৰে পৰা ছোৱালীয়ে কঁকালত মেখেলা আৰু বুকুত বাইগা মৰাৰ নিয়ম। হাজং সম্প্ৰদায়ৰ ছোৱালীয়েও প্ৰথম ৰজঃদৰ্শন হোৱাৰ পিছত তেওঁলোকৰ জাতীয় সাজ পাতীন (Patin) পিন্ধাৰ নিয়ম। আন কোনো ধৰণৰ সামাজিক  অনুষ্ঠান পতা নহয়। হাজং সম্প্ৰদায়ৰ লোকসকলে ছোৱালী শান্তি  হ'লে একো কৰা দেখা নাযায়, কেৱল ঘৰৰ মানুহখিনিকেই জনাই থয়। [৩৫]

গাৰোসকলৰ  মাজত  ৰজঃস্বলা  হোৱা কন্যা সন্তান মাতৃত্বৰ বাবে সক্ষম বুলি ধৰা

হয়। তেওঁলোকৰ মাজত প্ৰথম ৰজঃদৰ্শন হোৱা উপলক্ষে কোনো অনুষ্ঠান পতা নহয়। কেৱল বিশেষ সেইদিন কেইটাত গাঢ় ৰঙৰ কাপোৰ পিন্ধে আৰু পৰিয়াল তথা সমাজৰ অন্যান্য ব্যক্তিৰ লগত দুই তিনিদিন মিলা-মিচা নকৰাকৈ থাকে।[৩৬]

সোণোৱাল কছাৰী সকলৰ তোলনি বিয়াত কইনাৰ গা ধুৱাবলৈ সজা বেইখন বৰ আকৰ্ষণীয়ভাৱে সজোৱা হয়। বেইখন সজাবৰ বাবে নৈৰ পাৰৰ পৰা নল, খাগৰি বা পাটি দৈৰ গছ ব্যৱহাৰ কৰা হয়। বেইৰ তলত কণী এটা আৰু কাঁচি এখন ৰখা হয়। বেইৰ ওপৰত এটা কলডিল চূড়াৰ আকৃতিত আঁৰি দি তাত এখন ৰুমাল এধাৰ মণি আৰু এখন ধনু আৰু কাঁড় এনেভাৱে দিয়া হয় যে কাঁড়পাটে এটা কপৌৰহে বুকু ভেদি আছে। সোণোৱাল কছাৰীসকলে তোলনি বিয়াৰ আগদিনাখন কইনাৰ মংগল কামনাৰে গাঁঠিয়ন খুন্দে আৰু এই গাঁঠিয়ন কইনা গা ধুৱাওতে ব্যৱহাৰ কৰা হয়। তোলনি বিয়াত কৰা কুলাবুঢ়ীৰ নৃত্য এই সম্প্ৰদায়ৰ একক বৈশিষ্ট্য। তোলনি বিয়াত সাতজনী ছোৱালীয়ে এডাল লাখুটিত পাণ-তামোল এযোৰ গামোছাৰে বান্ধি লয় আৰু মূৰত এখন কুলাত পাণ-তামোল, বিশেষভাৱে তৈয়াৰী খেৰৰ জুমুঠি লৈ ঢোলৰ চাপৰত নৃত্য কৰে। এই নৃত্যক কুলা-বুঢ়ী নাচ বুলি কোৱা হয়। কুলা-বুঢ়ীৰ নৃত্যৰ মাধ্যমেৰে ঋতুমতী ছোৱালীজনীক নতুন জীৱনৰ বাবে অভিজ্ঞ নাৰীসকলে শিক্ষা প্ৰদান কৰে।[৩৭]

অসমত বাস কৰা আহোম, চুতীয়া, মটক জনগোষ্ঠীৰ লোকসকলেও তেওঁলোকৰ নিজস্ব নিয়ম-নীতিৰে তোলনি বিয়া পালন কৰে। প্ৰত্যেকে চাৰিদিনলৈ ফলমূল খাবলৈ দি গণনাৰ ক্ষণ অনুসৰি ছোৱালী ধুওৱা অনুষ্ঠানটো পাতে। উজনি অসমত চাৰিদিনৰ দিনা চুৰা গা ধুৱাই সাতদিনৰ দিনা "নোৱাই তোলনি বিয়া" পতা হয়। কিন্তু নামনি অসমত থকাৰ দৰে জপা থোৱা প্ৰথা বা জননি দিয়াৰ কোনো নিয়ম দেখা নাযায়।

অসমত বাস কৰা কোঁচ-ৰাজবংশীসকলৰ কোনো কোনো অঞ্চলত ছোৱালীৰ তোলনি হ'লে ডাঙৰকৈ কোনো অনুষ্ঠান নাপাতে। ৰাজবংশী সমাজত বাল্যবিবাহ প্ৰথাৰ অৱসান হোৱাৰ পিছতহে নাৰী শিক্ষাৰ প্ৰচলন হৈছিল। ধুবুৰী জিলাৰ বেছিভাগ অংশ, উত্তৰ বংগ, বাংলাদেশৰ ৰাজবংশী সমাজত শান্তি বিয়াৰ প্ৰচলন নাই যদিও ধুবুৰী, কোকৰাঝাৰ জিলাৰ কিছু অংশ, বঙ্গাইগাঁও, গোৱালপাৰা জিলাত ইয়াৰ প্ৰচলন দেখা যায়।[৩৮] তোলনি বিয়াক

ৰাজবংশী ভাষাত ধুৱানী বোলা হয়। এই বিয়াত 'দুণৰি' ৰ সলনি ব্যৱহাৰ হোৱা 'চালনি বাতি' আৰু কনাইৰ সলনি ব্যৱহাৰ হোৱা 'গাজিৰাম'ৰ কথা উল্লেখ কৰিব পাৰি।[৩৯] আছুতীয়া কোঠাত থকা ছোৱালীজনীৰ বিচনাৰ কাষত ৰাখিবৰ বাবে 'চালনি বাতি' সজোৱা হয়। এই 'চালনি বাতি' সজাবৰ বাবে এখন চালনিৰ ওপৰত কলপাত পাৰি তাত ৩টা বা ৫টা মাটিৰ চাকি জ্বলাই ৰখা হয়। এটা সৰু খৰাহি বা পাঁচিত অলপ আৰৈ চাউল, তামোল-পাণ এযোৰ, টকা এটা আৰু সেন্দূৰৰ টেমা ৰাখি সেই পাঁচিটোও চালনি খনত থৈ দিয়া হয়। এই চালনি বাতিখন ছোৱালীজনী ধুৱাবৰ দিনালৈকে তেওঁৰ কাষত জ্বলাই ৰখা হয় আৰু প্ৰত্যেকদিনা ৰাতিপুৱা আৰু গধূলি ছোৱালীজনীৰ মূৰত পাঁচিটোৰ পৰা চাউল দিয়া হয়। এই চাউল ছোৱালীজনীক যিয়ে গা ধুৱাব তেওঁহে দিয়াৰ নিয়ম। গা ধুওৱা মহিলা গৰাকীক 'গাওধানি বুলি কোৱা হয়।

চতুৰ্থ দিনা ছোৱালীজনীক গা ধুৱাই অনাৰ পিছত তেওঁক সজাই পৰাই চোতালত বহুওৱা হয়। চোতালৰ একাষে দেউৰীয়ে ছোৱালীজনীৰ নামত পূজা কৰে। সেইদিনা পুৰণি চালনি বাতি আঁতৰাই নতুনকৈ সজোৱা হয়। বিয়াৰ দিনা দৰাৰ নামত এটা আৰু এটা কইনাৰ নামত খৰাহি সজোৱা হয়। কইনাৰ নামত সজোৱা খৰাহিটোত সাতযোৰ তামোল-পাণ, ফুল, পিঠাগুড়ি আৰু কলগছৰে বনোৱা এটা সৰু পুতলা ৰখা হয়। এই পুতলাটোক "গাজিৰাম" বোলা হয় আৰু ই সন্তানৰ প্ৰতীক। কইনাৰ নামত সজোৱা খৰাহিটো ৰঙা কাপোৰেৰে ঢাকি ৰখা হয়। আনহাতে দৰাৰ নামত সজোৱা খৰাহিটোত ৭যোৰ তামোল-পাণ, সাতযোৰ সৰু সৰু কৈ সজোৱা ধনু-কাড় ৰাখি বগা কাপোৰেৰে ঢাকি ৰখা হয়। এই খৰাহি দুটাকে ৰাজবংশী ভাষাত 'ঝপাঝুপা'[৪০] বুলি কোৱা হয়। এই দুটা কইনাৰ সন্মুখত আনি ৰখা হয়। কইনাৰ সন্মুখত এটা শিলত গোবৰ অলপ আৰু দুবৰি বন থোৱা হয়। শিলটোৰ ওপৰত কইনাজনীয়ে অৰ্ঘা[৪১] ঢালিব লাগে। গণনাৰ ফলাফল অনুসৰি এই অৰ্ঘা ৭,১৫ বা ২১ বাৰ ঢলাৰ নিয়ম। অৰ্ঘা ঢলাৰ পিছত দেউৰীয়ে পূজা মণ্ডপৰ আসনত ফুল ছটিয়াই হাতত চালনি বাতিখন তুলি লয়। কইনাজনীক গাওধানিয়ে ধৰি ধৰি মণ্ডপৰ চাৰিওফালে সাতবাৰ ঘূৰায়। প্ৰত্যেকবাৰ ঘূৰোতে দেউৰীয়ে কইনাজনীৰ কোঁচত ঝপাঝুপাৰ পৰা ফুল, ১ যোৰকৈ তামোল-পাণ আৰু ধনুশৰ দিয়ে। কইনাই সেইবোৰ পৰ্যায়ক্ৰমে চাৰিও দিশলৈ ছটিয়াই দিয়ে। শেষৰবাৰ কইনাৰ

কোঁচত গাজিৰামক তুলি দিয়া হয়। এই সময়ত উপস্থিত আয়তীসকলে গাজিৰামক টনাটনি কৰি আৰু কেঁচুৱাই কন্দাৰ দৰে অভিনয় কৰি এক আমোদজনক পৰিবেশৰ সূচনা কৰে। বিয়াৰ অন্তত কইনাঘৰে সকলোকে সাধ্যানুসাৰে চাহ-জলপান খুওৱাৰ নিয়ম। এই দিনৰ পৰা গণকে দিয়া দিনটোলৈকে ছোৱালীজনীয়ে হবিচ বা ব্ৰতৰ ভাত খাব লাগে। আগতে এই ভাতসাঁজ প্ৰত্যেকদিনাই গাওধানি গৰাকীৰ ঘৰত গৈ খাইছিল যদিও বৰ্তমান এই প্ৰথাৰ বিলোপ ঘটিছে।[৪২]

অসমৰ নাথ-যোগীসকলৰ তোলনি বিয়াত কইনা ধুওৱাৰ দিনা ঢোলুৱা নামতী দল আৰু বৈৰাতীক নিমন্ত্ৰণ জনোৱা হয়। নাথ-যোগী সম্প্ৰদায়ৰ কইনাক গাঁৱৰ স্বীকৃত বৈৰাতীয়ে ধুওৱাৰ নিয়ম। কইনাক ধুৱাই সজাই-পৰাই লোৱাৰ পিছত কইনাৰ সন্মুখত ৰখা শিল এটাত অৰ্ঘা ঢালিব লাগে। অৰ্ঘা ঢলাৰ পিছত শিলটোৰ চাৰিওফালে কইনাই সাতবাৰ ঘূৰাৰ নিয়ম আৰু প্ৰত্যেকবাৰে এটা তামোল আৰু এখন পাণ লৈ ক্ৰমে উত্তৰৰ পৰা দক্ষিণলৈ আৰু পূৱৰ পৰা দক্ষিণলৈ লৈ যাব লাগে। এই সময়ত ফুল এটাকৈ শিলটোত থৈ যাব লাগে। এনেদৰে সাতবাৰ ঘূৰাৰ পিছত সকলো দিশলৈ চাই ছোৱালীজনীয়ে সেৱা লয়। গোটেই অনুষ্ঠানটো চলি থাকোতে ঢোলুৱাই ঢোল বজায় আৰু নামতীয়ে নাম গাই থাকে।[৪৩]

আহোম সম্প্ৰদায়ে তোলনি বিয়া বা শান্তি বিয়াখন বেছ ধুম-ধামেৰে পাতে। ছোৱালীজনীক শুবলৈ দিয়া বিচনাৰ খেৰ পুৰি খাৰ তৈয়াৰ কৰা হয় আৰু সেই খাৰেৰে তেওঁক গা ধুৱাওতে ব্যৱহাৰ কৰা হয়। বেইখন সাধাৰণতে পাটি দৈ বা তৰাগছ চাৰি বা তিনিজোপাৰে সজা হয়। চাৰিদিনৰ চুৰা গা ধুওৱাৰ পিছত গণকে নিৰ্দ্ধাৰিণ কৰি দিয়া দিনত আচল বিয়াখন পাতি ছোৱালীজনীক সম্পূৰ্ণ শুচি কৰি লোৱা হয়। মাজৰ সময়ছোৱাত ছোৱালীজনীয়ে ব্ৰতৰ ভাত খোৱাৰ নিয়ম। চুৰা গা ধূওৱাৰ দিনা গধূলিৰ পৰাই ওচৰৰ লগৰ ছোৱালী, বোৱাৰী আৰু বুঢ়ী আইসকলে সম্পূৰ্ণ শুচি নোহোৱালৈকে প্ৰত্যেকদিনা দুই তিনি ঘন্টাকৈ বহি বিয়া নাম গাই ধেমালি কৰে। এই কাৰ্যক ছোৱালী ৰখা বা 'নাম উৰুৱা' বুলি কয়।[৪৪] আচল বিয়াৰ আগদিনাখন এইদৰে সন্ধিয়া ৰখাসকলক এসাঁজ ভাত খুওৱাৰ নিয়ম, ইয়াক 'ছোৱালী ৰখীয়া ভোজ' বুলি কোৱা হয়।

নামনি অসমত বাস কৰা চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজত তোলনি বিয়াৰ তেনে কোনো আনুষ্ঠানিকতা পালন কৰা নহয়। তেওঁলোকে ছোৱালী ৰজঃস্বলা হোৱা কথাটো

গোপনে ৰাখে। অৱশ্যে ছোৱালীজনীৰ মাকে ছোৱালীজনীৰ দৈহিক পৰিৱৰ্তনলৈ লক্ষ্য ৰাখি তেওঁক এনে এটা পৰিৱৰ্তনৰ বাবে মানসিকভাৱে সাজু কৰে।[৪৫] দৰঙৰ চাহ জনগোষ্ঠীৰ লোকসকলে তোলনি হোৱাক 'জৱান হৱা' বুলি কয়। উজনি অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলৰ যিসকলে বৈদিক নীতি-নিয়ম মানি চলে তেওঁলোকক কুলীন বোলা হয়। তেওঁলোকে ছোৱালী তোলনি হ'লে গণনা পাতি চাই নিজৰ পুৰোহিতৰ দিহামতে দান দক্ষিণা দিয়ে যদিও কোনো ধৰণৰ আনুষ্ঠানিকতা নকৰে। পুৰোহিতে জাৰি দিয়া পানীৰে সাতদিনৰ দিনা গা ধুৱাই ছোৱালীজনীক শুচি কৰে। আনহাতে অকুলীনসকলে, অৰ্থাৎ যিসকলে বৈদিক নীতি-নিয়ম নামানি পৰম্পৰাগত নিজস্ব নীতি নিয়ম মানি চলে তেওঁলোকে তোলনি বিয়াৰ আনুষ্ঠানিকতা কিছু পালন কৰে। এই বিয়াখনক 'ছুট-ছাদী' বুলি কোৱা হয়। তোলনি হোৱাৰ পৰাই সাতদিনলৈ তেওঁক মাহ-হালধিৰে গা ধুৱাই দিয়া হয় আৰু সাতদিনৰ দিনা মহিলাসকলে পুখুৰী বা নৈৰ পাৰলৈ নি গা ধুৱাই আনে। সেইদিনা ছোৱালীজনী সম্পূৰ্ণৰূপে শুচি হয়। প্ৰথম তিনিদিন ছোৱালীজনীয়ে ফলাহাৰ কৰে যদিও চাৰিদিনৰ পৰা সাতদিনলৈ এসাঁজ নিৰামিষ ভাত খোৱাৰ নিয়ম। সাতদিনৰ দিনা গা-ধুই উভতি আহোঁতে এই কেইদিন ছোৱালীজনীয়ে ব্যৱহাৰ কৰা বাচন-বৰ্তনসমূহ আৰু আৰতি কৰিবলৈ লৈ যোৱা আৰৈ চাউল, দুবৰি বন আৰু তুলসী পাতবোৰ তিনিআলি বা চাৰিআলিত ভাঙি-চিঙি পেলাই থৈ অহাৰ নিয়ম। এই কাৰ্য্যক নিন্‌চাই বুলি কোৱা হয়। নিন্‌চাই থৈ আহিলে পুষ্পিতা কন্যাৰ অমঙ্গল নহয় বুলি লোকবিশ্বাস চলি আহিছে।[৪৬] সেইদিনাখন কইনাগৰাকীৰ চোতালত পুৰুষ মহিলা সকলোৱে ঢাক-ঢোল বজাই আনন্দ স্ফূৰ্তি কৰে আৰু কইনাঘৰে আয়োজন কৰা ভোজ-ভাত খায়।

নেপালী সম্প্ৰদায়ৰ প্ৰথম ৰজঃস্বলা হোৱা ছোৱালীজনীক লৈ কোনো সামাজিক অনুষ্ঠান নাই যদিও তেওঁলোকে ছোৱালীজনীক লৈ কেতবোৰ লোকাচাৰ পালন কৰে।[৪৭] ছোৱালীজনীৰ ৰজঃদৰ্শন হোৱাৰ লগে লগে তেওঁক নিজৰ ঘৰৰ পৰা আঁতৰাই নি ওচৰতে থকা কোনো আত্মীয়ৰ ঘৰত ৰখা হয়। সাধাৰণতে আত্মীয়জন মামা হ'লে ভাল, নহ'লেও পেহী বা বাইদেউৰ ঘৰত ৰখা হয়। সেইকেইদিন ছোৱালীজনীয়ে নিজৰ ঘৰৰ কোনো পুৰুষ সদস্যৰ মুখ চাব নাপায়। ছোৱালীজনীক এটা আছুতীয়া কোঠাত ৰখা হয় আৰু তেওঁক

ব্যৱহাৰ কৰিবলৈ বেলেগ বিচনা, বাচন-বৰ্তন, গিলাচ আদি দিয়া হয়। প্ৰত্যেকদিনাই ৰাতিপুৱা গা-পা ধুই তেওঁ কোঠাটোত সোমাই থাকে। সম্পূৰ্ণ সাতদিন নিৰামিষ আহাৰ গ্ৰহণ কৰিবলৈ দি ছোৱালীজনীক ৰখা হয়। এইকেইদিন নেপালীসকলে লক্ষ্মীমাতা বুলি গণ্য কৰা গৰুৰ গাখীৰ খাবলৈ দিয়া নহয় যদিও ফলমূল বা আন সুষম আহাৰ ছোৱালীজনীক যোগান ধৰা হয়। সাতদিনৰ দিনা ছোৱালীজনী থকা কোঠাটো গোবৰ-মাটিৰে মচি-কাচি আৰু ব্যৱহাৰ কৰা কাপোৰ-কানি ধুই ছোৱালীজনীয়ে মূৰ-গা ধোৱে। গংগাজলৰ দৰে পৱিত্ৰ জ্ঞান কৰা গো-মূত্ৰ সকলোতে ছটিয়াই ঘৰখন পৱিত্ৰ কৰা হয়। একেদৰে ছোৱালীজনীৰ নিজৰ ঘৰখনো পৱিত্ৰ কৰি লোৱাৰ নিয়ম। শুচি হোৱাৰ পিছত যাৰ ঘৰতে থাকে তেওঁলোকৰ কোনো মহিলা সদস্যই আনি ছোৱালীজনীক নিজৰ ঘৰত থৈ যায়। প্ৰথম ৰজঃদৰ্শন হোৱাৰ পৰা এমাহলৈ ছোৱালীজনীক ৰন্ধা বঢ়া কৰা আৰু মঠ-মন্দিৰত প্ৰৱেশ কৰিবলৈ দিয়া নহয়।

অসমত বসবাস কৰা বঙালী, বিহাৰী, মাৰোৱাৰী বা শিখ সম্প্ৰদায়ৰ মাজত তোলনি বিয়া দেখা নাযায়। বঙালী আৰু বিহাৰী সম্প্ৰদায়ৰ কোনো কোনোৱে ছোৱালীৰ প্ৰথম ৰজঃদৰ্শন হ'লে ওচৰৰ মন্দিৰৰ পুৰোহিতৰ ওচৰত গৈ কিবা দায়-দোষ আছে নেকি চাই আহে। কিবা দোষ থাকিলে বিহাৰী সম্প্ৰদায়ে ঘৰতে ছোৱালীজনীৰ নামত এভাগ পূজা কৰি ব্ৰাহ্মণক দান দক্ষিণা দিয়াৰ নিয়ম আছে। ৰক্তস্ৰাৱ হৈ থাকিলে ছোৱালীজনীক ৰন্ধা-বঢ়া কৰা বা মন্দিৰ আদিত সোমাব দিয়া নহয়। ৰক্তস্ৰাৱ বন্ধ হোৱাৰ পিছতহে ছোৱালীজনী শুচি হোৱা বুলি ধৰা হয়।[৪৮] আনহাতে বিহাৰী সম্প্ৰদায়ৰ কিছু সংখ্যকে পুৰোহিতৰ ওচৰলৈ চাব নগৈ ঘৰতে দোষ খণ্ডনৰ ব্যৱস্থা কৰে। ৰজঃস্বলা হোৱাৰ তৃতীয় দিনা তেওঁলোকে ঘৰৰ বেৰৰ কামি বন্ধা আঢ়ৈটা গাঁঠি কটাৰীৰে কাটে। এনেদৰে গাঁঠি কাটিলে ছোৱালীজনীৰ গ্ৰহদোষ খণ্ডন হয় বুলি বিশ্বাস কৰা হয়।[৪৯] বঙালী সম্প্ৰদায়ৰ যিসকলে পুৰোহিতৰ দ্বাৰা গ্ৰহ-দোষ চায়, তেওঁলোকে সেই দোষ খণ্ডনৰ বাবে ছোৱালীজনীৰ বৰ বিয়ালৈ বাট চায়। বৰবিয়াৰ দিনা ৰাতিপুৱা ছোৱালীজনীয়ে এই দোষ খণ্ডনৰ বাবে পুৰোহিতক দান-দক্ষিণা দি আহি মুক্ত হয়।[৫০]

অসমত বাস কৰা আন সম্প্ৰদায়ৰ বহুতে বৰ্তমান অসমীয়া সমাজৰ দৰে তোলনি বিয়া পাতিবলৈ লোৱা দেখা যায়। তেওঁলোকে তোলনি বিয়াৰ নীতি-নিয়মসমূহত বেছি

গুৰুত্ব প্ৰদান নকৰিলেও চাৰি বা সাতদিনত ছোৱালীজনী ধুৱাই আলহী অতিথিক আপ্যায়ন কৰে। এইক্ষেত্ৰত নগাওঁ বৰকলাত যুগ যুগ ধৰি বাস কৰি অহা শিখসকলৰ কথা উল্লেখ কৰিব পাৰি। তেওঁলোকে অসমীয়া সমাজৰ নিয়ম-নীতিৰ দৰে তোলনি বিয়া পালন কৰে।

### ১.০২.৪ অসমৰ নৱ বৈষ্ণৱ ধৰ্মৰ লোকসকলৰ তোলনি বিয়া ঃ

অসমত শংকৰদেৱ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ অনুগামী লোকসকলে তেওঁলোকৰ নিজস্ব বিধান মতে তোলনি বিয়াখনৰ আনুষ্ঠানিকতা পালন কৰে। অসমৰ বৈষ্ণৱ ধৰ্মাৱলম্বী সকলৰ সবাতোকৈ ডাঙৰ সংগঠন 'শ্ৰীমন্ত শংকৰদেৱ সংঘ'ৰ নিজাববীয়া সংবিধান আছে। সেই অনুসৰি তেওঁলোকে 'বিবাহ পদ্ধতি'ত তোলনি বিয়াৰ আনুষ্ঠানিক নীতি-নিয়মসমূহ লিপিবদ্ধ কৰিছে। বিবাহ পদ্ধতিত উল্লেখ থকামতে তোলনি বিয়াৰ পালনীয় নিয়মসমূহ এনেধৰণৰ— ছোৱালীৰ প্ৰথম কন্যাকাল হওঁতে, দিনত ফল-মূল আৰু ৰাতি নিৰামিষ আহাৰ কৰিব। তেল, টেঙা, খাৰ, লোণ আদি ব্যৱহাৰ নকৰিব। চতুৰ্থ দিৱসত আনুষ্ঠানিকভাৱে স্নান কৰিব। সদায় ভগৱন্তৰ নাম স্মৰণ কৰিব। সপ্তম দিৱসত গা-মূৰ ভালকৈ ধুবঃ কাপোৰ কানি তিয়াই সকলো প্ৰকাৰে শুদ্ধ হ'ব। ছোৱালী গৰাকী সম্পূৰ্ণভাৱে দৈহিক পৰিস্কাৰ হ'লে সেইদিনাই অথবা প্ৰয়োজনবোধ কৰিলে সুবিধাজনক আন তাৰিখত এভাগি নামৰ আয়োজন কৰিব। সেইদিনাই এভাগ নামৰ আয়োজন কৰিব। আইসকলে নাম কীৰ্তন কৰি কন্যাক কাপোৰ পিন্ধোৱা কাৰ্য কৰিব আৰু অভিজ্ঞা এগৰাকী আই-মাতৃয়ে উপদেশ দিব। সমাজে হৰি ধ্বনিৰে আশীৰ্বাদ কৰিব। কনাই কোলাত লোৱা, তামোল পুলি বা কলপুলি ৰোৱা কাম নিষিদ্ধ। যোগ চাই ব্ৰতাদি কৰা, দান-দক্ষিণা দিয়া নিষিদ্ধ। আড়ম্বৰপূৰ্ণ ভাৱে কোনো অনুষ্ঠানৰ আয়োজন নকৰিব। বিবাহৰ দৰে আয়োজন কৰি বিয়ানাম, বিহুনাম আদি পৰিৱেশন নকৰিব। এই নামভাগ সম্পূৰ্ণ ভাৱে আই সকলে পৰিচালনা কৰিব।[৫১]

### ১.০২.৫ মুছলমান সমাজৰ তোলনি বিয়া ঃ

মুছলমান সমাজত তোলনি বিয়াৰ লোকাচাৰ অঞ্চলভেদে লক্ষ্য কৰা যায় যদিও সাধাৰণ ভাৱে তোলনি বিয়া পতা নহয়। তেওঁলোকে সেই কেইদিন ছোৱালীজনীক চাফ-চিকুণকৈ ৰখা আৰু সুষম খাদ্য গ্ৰহণৰ ওপৰত গুৰুত্ব দিয়ে। মছজিদ বা আন ধৰ্মীয় স্থানলৈ যাব দিয়া নহয়। অৱশ্যে নামনি অসমৰ দৰং আৰু কোকৰাঝাৰৰ মুছলমান সমাজৰ কোনো

কোনোৰে কিছু লোকাচাৰ পালন কৰে। দ্বিতীয় অধ্যায়ত এই সম্পৰ্কে আলোচনা কৰা হৈছে।

## ১.০৩ ভাৰতীয় প্ৰেক্ষাপটত তোলনি বিয়া ঃ

প্ৰথম ৰজঃস্বলা হোৱা ছোৱালীজনীক লৈ ভাৰতত, বিশেষকৈ দক্ষিণ ভাৰতত কিছুমান লোকাচাৰ পালন কৰি অহা হৈছে। অসমত পালন কৰা তোলনি বিয়াখনৰ দৰে বিভিন্ন ৰীতি-নীতিৰে পালন কৰা এই অনুষ্ঠানবোৰত নাৰীসকলেই সৰ্বাধিক ভূমিকা পালন কৰে। প্ৰথম যৌৱনাৰম্ভক বিশেষ মান্যতা প্ৰদান কৰিবলৈ পালন কৰা এনে অনুষ্ঠানবোৰৰ উদ্দেশ্য হ'ল ছোৱালীজনীক দৈহিক পৰিৱৰ্তনৰ সম্পৰ্কে জ্ঞান দিয়া আৰু সমাজত কৰণীয় কৰ্তব্য সম্পৰ্কে শিক্ষা দান কৰা। এই সময়ছোৱাত ছোৱালীজনীক চুৱা বা অপৱিত্ৰ জ্ঞান কৰি আছুতীয়াকৈ ৰখা নিয়মটো প্ৰায় সকলোতে একে ধৰণে পালন কৰা দেখা যায়।

দক্ষিণ ভাৰতত পালন কৰা অনুষ্ঠানটো সম্পৰ্কে নৰেন্দ্ৰনাথ ভট্টাচাৰ্য্যই উল্লেখ কৰিছে এনেদৰে— *"In India, it is especially in the southern region that the rites of first menstruation are observed with minimum strictness"*[৫২] দক্ষিণ ভাৰতৰ বিভিন্ন ঠাইত পালনীয় যৌৱনাৰম্ভ কৃত্যসমূহক ঋতুকলা চম্‌চকৰম নামেৰে জনা যায়। বিশেষকৈ কৰ্ণাটক, তামিলনাডু আৰু অন্ধ্ৰপ্ৰদেশৰ বিভিন্ন স্থানত ঋতুকলা চম্‌চকৰম বিভিন্ন ৰীতি-নীতিৰে পালন কৰি অহা হৈছে। ইন্টাৰনেটত পোৱা তথ্য অনুসৰি এই অনুষ্ঠানটো তেলেগু ভাষাত — লাংগাভানি অনুষ্ঠান, তামিল ভাষাত— পাৱাডাই ধা, কানাড়া ভাষাত— লাংগা দাৱানি বুলি জনা যায়। দক্ষিণ ভাৰতত ঋতুকলা চম্‌চকৰম অনুষ্ঠানটোৰ সময়ত ঋতুমতী ছোৱালীজনীক প্ৰথম শাড়ী পিন্ধোৱা হয়। এই অনুষ্ঠানৰ পিছত ছোৱালীজনীক শাৰিৰীক আৰু আধ্যাত্মিকভাৱে পৰিপক্ক মহিলা বুলি গণ্য কৰা হয়।[৫৩]

তামিলনাডুৰ সম্প্ৰদায়ভেদে ছোৱালী এজনী ৰজঃস্বলা হোৱাৰ পৰা তিনিদিনৰ পৰা যোল্লদিন পৰ্যন্ত অপৱিত্ৰ বুলি গণ্য কৰা হয়। নাপিত শ্ৰেণীৰ অন্তৰ্ভূক্ত এম্বাত্তান সকলে ছোৱালীজনীক এঘাৰদিনলৈ আছুতীয়াকৈ ৰাখে। সেই কেইদিন ছোৱালীজনীয়ে প্ৰত্যেক দিনা ৰাতিপুৱা গা ধুই উঠি তিলৰ তেলৰ লগত কণীৰ বগা অংশ মিহলাই গাত সানে। সেই কেইদিন নিৰামিষ খাদ্যহে গ্ৰহণ কৰিবলৈ দিয়া হয়। বাৰ দিনৰ দিনা গা-ধুই উঠাৰ পিছত তেওঁক সম্পূৰ্ণৰূপে পৱিত্ৰ হোৱা বুলি ধৰা হয়। নীলগিৰি জিলাৰ বাদাগা জনগোষ্ঠীৰ

লোকসকলে ৰজঃস্বলা হোৱা ছোৱালীজনীক নিজৰ ঘৰৰ পৰা আঁতৰত সাধাৰণতে ৰজঃস্বলা মহিলাৰ বাবে তৈয়াৰ কৰা এটা জুপুৰীত থাকিবলৈ দিয়ে। এই জুপুৰীটোক 'হোলাগুদি' বুলি কোৱা হয়। নৰেন্দ্ৰনাথ ভট্টাচাৰ্যই উল্লেখ কৰা মতে ছোৱালীজনী ৰজঃস্বলা হোৱাৰ সম্ভৱনা প্ৰকট হোৱাৰ সময়তে তেওঁক এই ঘৰলৈ প্ৰেৰণ কৰা হয়— *"A few months before a girl is expected to reach puberty she is sent to the holagudi on Friday four or five days, before the new monday"*[৫৪] ৰজঃস্বলা হোৱাৰ পিছত তাত এৰাতি থাকি, পিছদিনা পুৰণি কাপোৰ-কানি ঘৰটোতে এৰি নতুন এসাজ পিন্ধি ঘৰলৈ অহা নিয়ম। ঘৰলৈ অহাৰ পিছত তেওঁক পৰিয়ালৰ সদস্যসকলে আদৰণি জনায়। কিন্তু কাঁচিজোন আকাশত দেখা নিদিয়ালৈকে ছোৱালীজনীয়ে মূল ঘৰৰ কোঠাত প্ৰৱেশ কৰা নিষেধ। এই কেইদিন মূল ঘৰৰ বাহিৰৰ আন কোঠাত থাকি কাঁচিজোন দেখাৰ পিছত মূল ঘৰত প্ৰৱেশ কৰে। বৰ্ত্তমান অৱশ্যে হোলাগুদিত নাথাকি নিজৰ ঘৰতে থকাৰ ব্যৱস্থা কৰা হয়। এইকেইদিন ছোৱালীজনীক নিজৰ ঘৰৰে আছুতীয়া কোঠা এটাত ৰখা হয়। ওচৰ-চুবুৰীয়া মহিলাসকলে তেওঁৰ খবৰ ল'বলৈ ফল-মূল তথা মিঠাই লৈ আহে। এইকেইদিন তেওঁক আছুতীয়া বাচন-বৰ্তন ব্যৱহাৰ কৰিবলৈ দিয়া হয়। চাৰিদিনৰ পৰা যোল্লদিন পৰ্যন্ত এনেদৰে ৰাখি শুভদিন এটাত তেওঁক মহিলাসকলে ওচৰৰে হাবিৰ নৈ বা জুৰিৰ পাৰত গা ধুৱাই লৈ আহি, নতুন সাজ তথা আ-অলংকাৰেৰে সজাই পৰাই তোলে। সেইদিনা নিমন্ত্ৰিত অতিথিসকলে ছোৱালীজনীক উপহাৰ দিয়াৰ নিয়ম আছে। নিমন্ত্ৰিত সকলোকে নিৰামিষ আহাৰ পৰিবেশন কৰা হয়।

তামিলনাডুৰ কপ্পিলিয়ান আৰু পৰিভাৰাম্ সকলে ছোৱালীৰ প্ৰথম ৰজঃদৰ্শনৰ সময়ত ঘৰৰ আছুতীয়া কোঠা বা অস্থায়ীভাবে সজাই দিয়া জুপুৰীত থাকিব দিয়ে। সেই কেইদিন তেওঁক ব্যৱহাৰ কৰিবলৈ এটা মাটিৰ কলহ আৰু অন্যান্য বাচন-বৰ্তন দিয়া হয়। কপ্পিলিয়ান সকলে তেৰদিন আৰু পৰিভাৰাম্সকলে যোল্লদিন এনেদৰে কিশোৰী গৰাকীক আছুতীয়াকৈ ৰাখে। নিৰ্দিষ্ট দিন কেইটা শেষ হোৱাৰ পিছত কেইগৰাকীমান মহিলাই ছোৱালীজনীক ওচৰৰ হাবি অঞ্চলত থকা নদী বা নিজৰাত গা ধুৱাই আনে। গা ধুওৱাৰ আগতে ছোৱালীজনীয়ে ব্যৱহাৰ কৰা জুপুৰীটো জ্বলাই দিয়া হয়। মাটিৰ কলহটো সৰু সৰু টুকুৰা কৰি ভাঙি পেলোৱা হয় যাতে টুকুৰাবোৰৰ ক'তো পানী জমা নহয়। কাৰণ জনবিশ্বাসমতে

সেই টুকুৰাত পানী জমা হ'লে ভৱিষ্যতলৈ ছোৱালীজনী সন্তানহীন হয়। নৰেন্দ্ৰনাথ ভট্টাচাৰ্য্যই উল্লেখ কৰিছে — *"The pots she used are broken into very small pieces, because they think that if rain water gathered in any of them, the girl be childless"*[৫৫]

মালৱাৰ অঞ্চলৰ টিয়ান সকলে ছোৱালীৰ ৰজঃস্বলা হ'লে প্ৰথম চাৰিদিনলৈ কেতবোৰ নীতি-নিয়ম মানি চলে। তেওঁক চাৰিদিনলৈ এটা কোঠাৰ উত্তৰ দিশত বিচনা সাজু কৰি থাকিব দিয়া হয়। সেই কেইদিন ৰখীয়া হিচাপে আন এজনী ছোৱালী কোঠাটোৰ আন এখন বিচনাত থাকে যদিও তেওঁক স্পৰ্শ নকৰে। ছোৱালীজনীক নিমখ, জলকীয়া, আৰু হালধিবিহীন সম্পূৰ্ণ নিৰামিষ খাদ্য খাবলৈ দিয়ে। চাৰিদিনৰ দিনা গা-ধুই উঠাৰ পিছত তেওঁক পৱিত্ৰ বুলি জ্ঞান কৰা হয়।

কৰ্ণাটকৰ বিল্লাভ আৰু বান্ট সকলে দহদিন বা বাৰদিনলৈ ছোৱালীজনীক অপৱিত্ৰ বুলি আছুতীয়াকৈ ৰখাৰ নিয়ম আছে। ছোৱালীজনী ৰজঃস্বলা হোৱাৰ লগে লগে এটুকুৰা আয়তকাৰ আকৃতিৰ ঠাই সাজু কৰা হয়। এই আয়তাকাৰ ঠাই টুকুৰাত পাঁচটা বা সাতটা নাৰিকলৰ এখন আসন সাজু কৰি তোলা হয়। ছোৱালীজনীক এই বিশেষ আসনখনত বহিব দিয়া হয়। চাৰিটা পানী ভৰ্তি কলহ সাজু কৰি ৰখা হয় আৰু তাৰ কাষত চাৰিজনী ছোৱালীক বহিব দিয়া হয়। তাত উপস্থিত মহিলাসকলক পাণ-তামোল আৰু হালধিৰ গুড়ি বিতৰণ কৰা হয়। পানীৰ কলহৰ কাষত বহা ছোৱালী কেইজনীয়ে ৰজঃস্বলা ছোৱালীজনীক কলহটোৰ পৰা পানী ঢালি দিয়ে। সেইদিনা তেনেদৰে গা ধুৱাই দিয়াৰ পিছত ছোৱালীজনী পুনৰ চাৰিদিনৰ দিনা একেদৰে গা ধুৱাই দিয়া হয়। বান্টসকলে চাৰিদিনৰ দিনা এই কৃত্যসমূহ কৰে আৰু বিল্লাভসকলে দহ বা বাৰদিনৰ দিনা এই কৃত্যটো কৰি ছোৱালীজনীক শুচি কৰে। শেষৰ দিনা অনুষ্ঠানলৈ নিমন্ত্ৰিত অতিথি সকলক পৰম্পৰাগত খাদ্যৰে আপ্যায়িত কৰা হয়।

দক্ষিণ ভাৰতৰ কেৰেলাত বাস কৰা নায়াৰ সকলৰ ৰজঃস্বলাৰ সময়ত পালন কৰা কৃত্যক থিৰানদুকুলি বুলি জনা যায়। ছোৱালীজনীক তিনিদিনলৈ এটা আছুতীয়া কোঠাত ৰখা হয়। পুৰুষ ব্যক্তিক চোৱা বা সংস্পৰ্শলৈ অহা নিষেধ। ছোৱালীজনীক পৃথক বাচন-বৰ্তনত নিৰামিষ আহাৰ, ফল-মূল আৰু গুড় খাবলৈ দিয়া হয়। ৰজঃস্বলা হোৱা খবৰটো ওচৰ চুবুৰীয়া মহিলা তথা আত্মীয় মহিলাসকলক আনন্দৰে দিয়া হয়। তৃতীয়দিনা নিমন্ত্ৰিত অতিথি আৰু

চুবুৰীয়াৰ উপস্থিতিত ছোৱালীজনীক ধুৱাই কইনাৰ দৰে সজোৱা হয়। উপস্থিতসকলে ছোৱালীজনীক উপহাৰ প্ৰদান কৰে।

দক্ষিণ ভাৰতৰ বনাঞ্চল আৰু সাগৰীয় অঞ্চলত বাস কৰা মাছমৰীয়া, মুচী, ধুবী শ্ৰেণীৰ লোকসকলৰ মাজত তোলনি বিয়াসদৃশ লোকাচাৰ তথা উৎসৱৰ প্ৰচলন আছে। দক্ষিণ ভাৰতৰ পুলিয়ান, বালিজা,বেদাৰ প্ৰভৃতি জাতিৰ লোকসকলে সাধাৰণতে এসপ্তাহলৈ ছোৱালীজনীক আছুতীয়াকৈ ৰাখে আৰু শেষৰ দিনা এটা সৰু ভোজৰ আয়োজনেৰে ছোৱালীজনীক গা ধুৱাই পৱিত্ৰ কৰে।

উৰিষ্যাৰ বিভিন্ন সম্প্ৰদায়ৰ মাজতো প্ৰথম ৰজঃস্বলা হোৱা ছোৱালীজনীক আছুতীয়াকৈ ৰখাৰ নিয়ম আছে। বেভুৰি, ভূমিয়া, জাতপাচ, ৰাজুৱাৰ প্ৰভৃতি সম্প্ৰদায়ৰ লোকসকলে চাৰি, সাত বা দহদিনৰ দিনা ঋতুমতী হোৱা ছোৱালীজনীক নিজস্ব নিয়মেৰে গা ধুৱাই শুচি কৰে। আছুতীয়াকৈ ৰখা কেইদিন প্ৰতিবেশী মহিলাসকলে আৰু আত্মীয়সকলে ফল-মূল তথা উপহাৰ সামগ্ৰী লৈ অহাৰ নিয়ম। নিৰ্দিষ্ট দিনা প্ৰতিবেশী মহিলাসকলে ওচৰৰ পুখুৰীৰ পাৰলৈ নি ছোৱালীজনীক গা ধুৱাই আনি নতুন সাজপাৰ আৰু আ-অলংকাৰ পিন্ধায়। সেইদিনা ছোৱালীৰ ঘৰত এটা ভোজৰো আয়োজন কৰা হয়।

বিহাৰ, বেংগল আৰু উৰিষ্যাত থকা ওৰাং সকলে ছয়দিনৰ পৰা ন দিনলৈ ৰজঃস্বলা ছোৱালীজনীক আছুতীয়াকৈ ৰাখে। সেইসময়ত তেওঁ ব্যৱহাৰ কৰা সামগ্ৰীসমূহ পৃথকে ৰখা হয়। শেষৰ দিনা গা-ধুই উঠি ছোৱালীজনী শুচি হয়। চম্বলপুৰ আৰু কোলানাগৰ কুলীসকলে অনুষ্ঠানটো গোপনে পালন কৰে।

প্ৰথম যৌৱনাৰম্ভ কৃত্যক দক্ষিণ ভাৰতত যি ধৰণে পালন কৰা হয় উত্তৰ ভাৰতত তেনে ধৰণৰ লোকাচাৰ পালন কৰা দেখা নাযায়। এই সময়ত মধ্য প্ৰদেশ, ৰাজস্থান, গুজৰাট, মহাৰাষ্ট্ৰ আদি ঠাইত ছোৱালীজনীক তিনিদিন আছুতীয়াকৈ ৰখা হয় আৰু মন্দিৰত প্ৰৱেশ কৰিব দিয়া নহয়। বিহাৰ, বেংগল আৰু কাশ্মীৰতো ঋতুমতী ছোৱালীজনীক মন্দিৰত প্ৰৱেশ কৰিবলৈ দিয়া নহয়। আনহাতে পঞ্জাৱত এনেধৰণৰ বাধা-নিষেধ দেখা যায়।[৫৬]

ভাৰতৰ প্ৰেক্ষাপটত বিচাৰ কৰি এটা কথা বুজিব পাৰি যে দক্ষিণ ভাৰতত বিভিন্ন জাতি-জনগোষ্ঠী সমূহৰ মাজত প্ৰথম ৰজঃস্বলা কিশোৰী গৰাকীক লৈ সুকীয়া নীতি-নিয়ম

পালন কৰি অহা হৈছে। কিন্তু উত্তৰ ভাৰতত এনে ধৰণৰ কোনো লোকাচাৰ পালন কৰা নহয়। অৱশ্যে পশ্চিমবংগৰ ঘটি সমাজৰ লোকসকলে ছোৱালী এজনীৰ প্ৰথম ৰজঃদৰ্শন হোৱাৰ পিছত নিজৰ দেউতাক, ককায়েক বা ভায়েক তথা আন কোনো পুৰুষ মানুহক স্পৰ্শ কৰিব নিদিয়ে। সাতদিনৰ দিনা এজন ব্ৰাহ্মণ আহি ঘৰত পূজা কৰে আৰু এটি পাত্ৰত অলপ গোমূত্ৰ, অলপ গোবৰ গাখীৰৰ সৈতে মিহলাই ছোৱালীজনীক প্ৰসাদ হিচাপে গ্ৰহণ কৰিব দিয়ে। প্ৰথম সাতদিন নিলগে থকা ছোৱালীজনীক মন্দিৰত সোমাব দিয়া নহয়। তদুপৰি ঘৰত তৈয়াৰী আচাৰ বা পাপড় চুব দিয়া নহয়। সেইকেইদিন তেওঁক এটা বেলেগ কোঠাত আছুতীয়া বিচনা বা মজিয়াত শুব দিয়া হয়। সাতদিনৰ দিনা প্ৰসাদখিনি গ্ৰহণ কৰাৰ পিছত তেওঁক পৱিত্ৰ বুলি জ্ঞান কৰা হয়।[৫৭]

## ১.০৪ বিশ্বৰ বিভিন্ন প্ৰান্তত তোলনি বিয়া ঃ

বাৰ-তেৰ বছৰ বয়সত প্ৰথম ৰজঃস্বলা হোৱা কিশোৰী এগৰাকীক লৈ অসমত যেনেধৰণে বিভিন্ন লোকাচাৰ পালন কৰা হয়, ঠিক তেনেদৰে বিশ্বৰ বিভিন্ন প্ৰান্তত তোলনি বিয়াৰ দৰে কিছুমান লোকাচাৰ পালন কৰা হয়। বিশ্বৰ অনুন্নত দেশবোৰত, যিবোৰত এতিয়াও শিক্ষাৰ পোহৰ নপৰা জাতি-জনগোষ্ঠী আছে, তেনে জাতি জনগোষ্ঠীৰ মাজত এনেধৰণৰ লোকাচাৰৰ প্ৰাদুৰ্ভাৱ বেছি। ইন্টাৰনেটত পোৱা তথ্য অনুসৰি পৃথিৱীৰ বিভিন্ন দেশত পালন কৰা কিশোৰীৰ যৌৱনাৰম্ভ কৃত্যৰ এটি চমু আভাস দাঙি ধৰা হ'ল।

লেটিন আমেৰিকাৰ ঘানাৰ গ্ৰামাঞ্চলত প্ৰথম ৰজঃস্বলা হোৱা ছোৱালীজনীক কেইবা সপ্তাহলৈ নিলগাই ৰখা হয়। এই কেইদিন কেইগৰাকীমান বয়োজ্যেষ্ঠা মহিলাই তেওঁক সামাজিক দায়িত্ব, সম্পৰ্ক, যৌন শিক্ষা তথা আচাৰ-আচৰণ সম্পৰ্কে শিক্ষা দিয়ে। পুৰুষৰ পৰা কেনেধৰণৰ দূৰত্ব বজাই ৰাখিব লাগে তাৰো শিক্ষা প্ৰদান কৰা হয়। নেটিভ আমেৰিকানৰ এপেছে জাতিৰ লোকসকলে ছোৱালীৰ প্ৰথম ৰজঃদৰ্শনৰ চাৰিদিনৰ দিনা এটা অনুষ্ঠান পাতে যাক Sunrise Ceremony বুলি কোৱা হয়। সেইদিনা ছোৱালীজনীক নিমন্ত্ৰিত সকলে উপহাৰ প্ৰদান কৰে আৰু এটা ভোজৰো আয়োজন কৰা হয়।[৫৮]

ব্ৰাজিল, কলম্বিয়া আৰু পেৰুত বাস কৰা আমাজনিয়ান টিকুনা জাতিৰ ছোৱালী ঋতুমতী হোৱাৰ পিছত তেওঁক নিজৰ ঘৰৰ এটা আছুতীয়া কোঠাত তিনিমাহৰ পৰা এবছৰ

পৰ্যন্ত থকাৰ নিয়ম। এনেকৈ আছুতীয়াকৈ থকাক 'পিলাজন' বুলি কোৱা হয়। এইসময়ছোৱাত ছোৱালীজনীক নিজ জাতিৰ ইতিহাস, সংগীত, বিশ্বাস সম্পৰ্কীয় জ্ঞান প্ৰদান কৰা হয়। নিৰ্ধাৰিত সময় শেষ হোৱাৰ পিছত ছোৱালীজনীক সকলোৱে উষ্ম আদৰণি জনাই আৰু নাৰীত্বলৈ উন্নীত হোৱাৰ আনন্দত এটা অনুষ্ঠান আয়োজন কৰে।[৫৯]

ফিজিৰ কোনো কোনো জাতিৰ লোকসকলৰ মাজত প্ৰথম ৰজঃস্বলা হোৱা ছোৱালীজনীক এখন বিশেষ বিচনাত শুৱলৈ দিয়া হয়। চাৰিদিন ছোৱালীজনীক আছুতীয়াকৈ ৰখা হয় আৰু এইকেইদিন নতুন জীৱন সম্পৰ্কে ছোৱালীজনীক জ্ঞান প্ৰদান কৰা হয়। চতুৰ্থ দিনা এটা অনুষ্ঠান পতা হয়, যাক 'টুনুদ্ৰা' নামেৰে জনা যায়। সেইদিনা ছোৱালীজনীৰ পৰিয়ালে তেওঁ যৌৱনত ভৰি দিয়াৰ আনন্দত এটা ভোজৰ আয়োজন কৰে।[৬০]

জাপানৰ কোনো কোনো অঞ্চলত ছোৱালীৰ প্ৰথম ৰজঃস্বলা হ'লে ছোৱালীজনীৰ পৰিয়ালে তেওঁলোকৰ থলুৱা খাদ্য (Sekihan) প্ৰস্তুত কৰি আনন্দত ভাগ লয়। এই খাদ্যত ব্যৱহাৰ হোৱা ৰঙা ৰঙে সুখ আৰু আনন্দৰ ইংগিত বহন কৰে।[৬১]

পেৰুৰ য়ানেচা জাতিৰ ছোৱালীয়ে প্ৰথম ৰজঃস্বলা হ'লে এটা দীঘলীয়া সময়ৰ বাবে গছ-পাতেৰে নিৰ্মিত জুপুৰী এটাত থাকিব লাগে। এই সময়খিনিত তেওঁলোকৰ খাদ্য গ্ৰহণৰ ক্ষেত্ৰতো বিভিন্ন নিষেধাজ্ঞা আৰোপ কৰি ভেষজ খাদ্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। জুপুৰীটোত থকা সময়ছোৱাত সম্পৰ্কীয় মহিলাসকলে তেওঁক সাক্ষাৎ কৰে আৰু পৰম্পৰাগত জীৱন পদ্ধতি সম্পৰ্কে শিক্ষা প্ৰদান কৰে। তেওঁক ঘাইকৈ বয়ন শিল্প আৰু বনৌষধ সম্পৰ্কে বিশেষ শিক্ষা দিয়া হয়। পূৰ্ণিমা ৰাতি এটাৰ পিছত এটা ভোজৰ আয়োজন কৰা হয় আৰু ছোৱালীজনীক পৰিয়ালৰ সকলো সদস্যৰ সতে বাস কৰাৰ অনুমতি দিয়া হয়। সেইদিনাৰ পৰা ছোৱালীজনীয়ে শক্তিশালী, স্বাস্থ্যৱতী আৰু সক্ষম নাৰী হিচাবে স্বীকৃতি পায়।[৬২]

শ্ৰীলংকাৰ তামিল বসতিপ্ৰধান অঞ্চলতো প্ৰথম ৰজঃদৰ্শনৰ আনুষ্ঠানিক আয়োজন কৰা হয়। প্ৰথম দিনা ছোৱালীজনীক নিকটাত্মীয় কেইগৰাকীমান মহিলাই গা ধুৱায় আৰু এটা কোঠাত আছুতীয়াকৈ ৰাখে। চাৰিদিনৰ পৰা সাতদিনলৈ এনেদৰে ৰাখি নিৰ্দিষ্ট দিনা পুনৰ তেওঁক গা ধুৱাই গধুৰ আ-অলংকাৰ আৰু সুন্দৰ শাৰীৰে সজাই পৰাই তোলা হয়। সেইদিনা বন্ধু-বান্ধৱ আৰু আত্মীয়সকলক নিমন্ত্ৰণ জনোৱা হয়। সকলোৱে ছোৱালীজনীলৈ উপহাৰ

আদি লৈ আহি পৰিয়ালে আয়োজন কৰা ভোজ মেলত অংশ লয়।[৬৩]

ইছলামিক ৰাষ্ট্ৰসমূহত ছোৱালী এগৰাকী ৰজঃস্বলা হ'লে কোনো ধৰণৰ লোকাচাৰ পালন কৰা নহয়। অৱশ্যে প্ৰথম ৰজঃস্বলা হোৱাৰ পিছত মুছলমান সম্প্ৰদায়ৰ ছোৱালী এজনীয়ে হিজাব পৰিধান কৰাৰ নিয়ম আছে। ইয়াৰ দ্বাৰা পুৰুষৰ দৃষ্টিৰ পৰা ছোৱালীজনীৰ মুখখন আঁতৰাই ৰখা হয়।[৬৪]

## প্ৰসংগটীকা ঃ

১) বিজয় শৰ্মা ঃ *দৰং জিলাৰ উৎসৱ অনুষ্ঠান,* পৃষ্ঠা-৪০
২) উল্লিখিত ঃ পৃষ্ঠা-৪২
৩) Benudhar Rajkhowa ঃ *Assamese popular Superstitions And Assamese Demonolgy*, Page-111
৪) নবীনচন্দ্ৰ শৰ্মা ঃ *অসমৰ সাংস্কৃতিক ইতিহাস ( দ্বিতীয় খণ্ড),* পৃষ্ঠা-৩২৩
৫) বিয়াত কইনা বা দৰাক গা ধুৱাবৰ বাবে তৈয়াৰ কৰা আচ্ছাদন। স্থান আৰু সম্প্ৰদায়ভেদে বেই সাজোতে কলপটুৱা, কাঠ, ইকৰা-খাগৰি আদি বিভিন্ন সামগ্ৰী ব্যৱহাৰ কৰা দেখা যায়।
৬) নাৰায়ণ দাস আৰু পৰমানন্দ ৰাজবংশী (সম্পাঃ) ঃ *অসমৰ সংস্কৃতি কোষ,* পৃষ্ঠা-১২৬
৭) বিজয় শৰ্মা ঃ *দৰং জিলাৰ উৎসৱ অনুষ্ঠানৰ অধ্যয়ন,* পৃষ্ঠা-২৪০
৮) ফুল কুমাৰী কলিতা ঃ *লোক সংস্কৃতিৰ দাপোণ,* পৃষ্ঠা-২০
৯) লীলা গগৈ ঃ *অসমৰ সংস্কৃতি,* পৃষ্ঠা-১৯৯
১০) বিজয় শৰ্মা ঃ *দৰং জিলাৰ উৎসৱ অনুষ্ঠানৰ অধ্যয়ন,* পৃষ্ঠা-২৫৩
১১) নাৰায়ণ দাস আৰু পৰমানন্দ ৰাজবংশী (সম্পাঃ) ঃ *অসমৰ সংস্কৃতি কোষ,* পৃষ্ঠা-৬০৫
১২) বিৰিঞ্চি কুমাৰ বৰুৱা ঃ *অসমৰ লোকসংস্কৃতি,* পৃষ্ঠা-১৫৫-১৫৬
১৩) নাৰায়ণ দাস আৰু পৰমানন্দ ৰাজবংশী (সম্পাঃ), *অসমৰ সংস্কৃতি কোষ,* পৃষ্ঠা-১২৭
১৪) উল্লিখিত ঃ পৃষ্ঠা-৫
১৫) উল্লিখিত ঃ পৃষ্ঠা-৫৬৮
১৬) সংবাদদাত্ৰী ঃ অহল্যা চহৰীয়া, দুনী, দৰং
১৭) সংবাদদাত্ৰী ঃ নমাই হাজৰিকা, হাজৰিকাপাৰা, দৰং
১৮) Narendra Naht Bhattacharyya ঃ *Indian puberty rites,* Page-1
১৯) কিৰণ শৰ্মা ঃ *মনুসংহিতা,* পৃষ্ঠা-৬৬
২০) পৰমানন্দ মজুমদাৰ (সম্পাঃ) ঃ *আৱাহন,* প্ৰথম খণ্ড, পৃষ্ঠা-৪৬৯-৪৭০
২১) আৰ. চি. মজুমদাৰ (সম্পাঃ) ঃ *বৈদিক যুগ,* পৃষ্ঠা-৬৮৮
২২) অজন্তা ৰাজখোৱা ঃ *নাৰী, ঐতিহ্য আৰু বাগ্‌ধাৰা,* পৃষ্ঠা-৩০
২৩) নবীনচন্দ্ৰ শৰ্মা ঃ *অসমৰ সাংস্কৃতিক ইতিহাস,* পৃষ্ঠা-৩২৬
২৪) হেমচন্দ্ৰ বৰুৱা ঃ *The ceremony performed when a girl reaches the age of puberty. হেমকোষ,*পৃষ্ঠা- ৫২৯
২৫) অসম প্ৰকাশন পৰিষদ ঃ *আধুনিক অসমীয়া অভিধান,* পৃষ্ঠা-২৩৭

২৬) সুমন্ত চলিহা ঃ *আধুনিক অসমীয়া শব্দকোষ,* পৃষ্ঠা-২৭১

২৭) দীনেশচন্দ্র গোস্বামী (সম্পাঃ) ঃ *শৰাইঘাট অভিধান,* পৃষ্ঠা-৪৫৫

২৮) গিৰিধৰ শৰ্মা ঃ *অসমীয়া অভিধান,* পৃষ্ঠা-৪৭০

২৯) শান্তনু কৌশিক বৰুৱা ঃ *অসম অভিধান,* পৃষ্ঠা-১৩৫

৩০) হেমচন্দ্ৰ বৰুৱা ঃ *The ceremony of anointing a girl with unguents and bathing her on the seventh day after the first appearance of catamenia, হেমকোষ,* পৃষ্ঠা- ৬৩৬

৩১) উল্লিখিতঃ পৃষ্ঠা-৬৯১

৩২) মহেশ্বৰ নেওগ , উপেন্দ্ৰনাথ গোস্বামী (সম্পাঃ) ঃ *The ceremony of giving a ceremonial bath to a girl on the ceremonial bath to a girl on the exping of the unclean days after the first appearance of catamenia, চন্দ্ৰকান্ত অভিধান,* পৃষ্ঠা- ৫৫২

৩৩) শব্দকল্পদ্রুম ঃ পৃষ্ঠা- ১৪৬

৩৪) ভৃগুমোহন গোস্বামী ঃ *সংস্কৃতি আৰু লোকসংস্কৃতি,* পৃষ্ঠা- ২৯

৩৫) উপেন ৰাভা হাকাচাম আৰু প্ৰফুল্ল কুমাৰ নাথ(সম্পাঃ) ঃ *অসমৰ জনগোষ্ঠীয় সামাজিক লোকাচাৰ,* পৃষ্ঠা- ১৮৪

৩৬) উল্লিখিত ঃ পৃষ্ঠা-১৮৪

৩৭) উল্লিখিত ঃ পৃষ্ঠা- ৬৩

৩৮) উল্লিখিত ঃ পৃষ্ঠা- ২৪২-২৪৩

৩৯) সংবাদদাত্ৰী ঃ ৰহিলা বালা ৰায়, বালাগাওঁ, কোকৰাঝাৰ।

৪০) উল্লিখিত

৪১) অৰ্ঘা ঃ অসমৰ ৰাজবংশী সমাজত গৰুৰ মুত্ৰ আৰু কেঁচা গাখীৰৰ মিশ্ৰণেৰে অৰ্ঘা তৈয়াৰ কৰা হয়। নাথ যোগী সকলে এৰাঁ গাখীৰ, তিল আৰু শিলিখাৰে অৰ্ঘা তৈয়াৰ কৰে। দুয়োখন সমাজতে বিয়া-বাৰু, পূজা-পাৰ্বণ আদিত এই অৰ্ঘা পবিত্ৰ দৈব্য বুলি গণ্য কৰি ব্যৱহাৰ কৰা হয়।

৪২) সংবাদদাত্ৰী ঃ ৰহিলা বালা ৰায়, বালাগাওঁ, কোকৰাঝাৰ।

৪৩) সংবাদদাত্ৰী ঃ প্ৰণালী নাথ, ভাউৰাগুৰি, কোকৰাঝাৰ।

৪৪) হীৰা ডেকা বৰা ঃ *নোৱাই তোলনি বিয়া,* পৃষ্ঠা-২৭

৪৫) সংবাদদাত্ৰী ঃ আনিনাচ হেমব্ৰম, কোকৰাঝাৰ।

৪৬) হীৰা ডেকা বৰা ঃ *নোৱাই তোলনি বিয়া,* পৃষ্ঠা-১০৩

৪৭) সংবাদদাত্ৰী ঃ মনমায়া সোনাৰ, সৰলপাৰা, কোকৰাঝাৰ।

৪৮) সংবাদদাত্ৰী ঃ বীণা প্ৰসাদ, কোকৰাঝাৰ।

৪৯) সংবাদদাত্ৰী ঃ বেদন্তী শ্বাহ, কোকৰাঝাৰ।

৫০) সংবাদদাত্ৰী ঃ চুকলা দাস, কোকৰাঝাৰ

৫১) শ্ৰীমন্ত শংকৰদেৱ সংঘ ঃ *সংশোধিত চাৰি হাত পুথি আৰু উপবিধিৰ একত্ৰ সংকলন,* পৃষ্ঠা-১৬৩

৫২) Narendra Naht Bhattacharyya ঃ *Indian puberty Rites,* Page-21

৫৩) Ritukala Sanskaram Wikipedia ঃ w.en.in. wikipedia -org>Ritu-K-
Date 2.4.2020, Time 9 AM

৫৪) Narendra Nath Bhattacharyya ঃ *Indian puberty Rites,* Page-21

৫৫) Do, Page-22

৫৬) https://www.womensweb.in/2016/09/puberty-rituals-in-india/
Date-20-7-2020 Time 12 noon

৫৭) https://health.howstuffworks.com/wellness/women/general/female-puberty.htm Date 11/11/2020
৫৮) https://prezi.com/1mn0ypyxkruf/puberty-rituals-in-islam-and-apache-tribes/ Date 17/08/2020
৫৯) https://www.actonaid.org.uk/blog/news/2019/10/18/how-do-people-around-the-world-celebrate-periods
৬০) Do, Date 09/11/2020
৬১) Do, Date 09/11/2020
৬২) https://www.sapiens.org/biology/puberty-ritual/ Date 11/10/2020
৬৩) https://roar.media/english/life/culture-identities/puberty-rituals-in-sri-lanka-a-tale-of-blood-demons-and-flower-baths Date 09/09/2020
৬৪) https://www,storypick.com/period-rituals-in-india/amp/, Date 09/10/2020

-----

# দ্বিতীয় অধ্যায়

## ২.০০ তোলনি বিয়াৰ লোকাচাৰ আৰু লোকবিশ্বাস ঃ

**আৰম্ভণি ঃ**

অসমৰ প্ৰায়বোৰ অঞ্চলতে কিশোৰী এগৰাকী প্ৰথম পুষ্পিতা বা তোলনি হোৱাৰ সময়ত ভালেমান লোকাচাৰ আৰু লোকবিশ্বাস পালন কৰা হয়। সেইগৰাকী কিশোৰীয়েই ভৱিষ্যতে এদিন এগৰাকী মাতৃ, কৰ্মক্ষম নাৰী, পাৰিবাৰিক তথা সামাজিক সম্পৰ্ক ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। নাৰীসমাজৰ এই ভূমিকাৰ বাবে যি পৰিৱেশ আৰু মানসিক প্ৰস্তুতিৰ দৰকাৰ, তোলনি বিয়াৰ লোকাচাৰত তাৰেই প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। তোলনি বিয়াৰ লোকাচাৰসমূহ মূলতঃ বৰ্ণহিন্দু লোকসকলৰ মাজত প্ৰচলিত, ইয়াৰ বাহিৰেও বড়ো, ৰাভা, আদিবাসী, মুছলমান লোকসকলৰ মাজতো আংশিকভাৱে প্ৰচলিত আছে। এই অধ্যায়ত দৰং জিলাৰ বৰ্ণহিন্দু সম্প্ৰদায়সমূহৰ মাজত প্ৰচলিত তোলনি বিয়াৰ পৰম্পৰাগত লোকাচাৰসমূহক মূল হিচাপে লৈ আলোচনা আগবঢ়োৱা হ'ব। লগতে অন্যান্য সম্প্ৰদায়ৰ মাজত প্ৰচলিত লোকাচাৰসমূহো উল্লেখ কৰি যোৱা হ'ব।

**২.০১ লোকাচাৰ ঃ**

আদিম কালৰে পৰা পৃথিৱীৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ লোকে নিজস্ব সামাজিক ৰীতি-নীতিৰ মাজেৰে জীৱন অতিবাহিত কৰি আহিছে। সভ্যতাৰ অগ্ৰগতিৰ লগে লগে এই আচাৰ তথা ৰীতি-নীতিসমূহৰ পৰিৱৰ্তন সাধন হৈ আহিছে। সমাজ এখন কিছুমান আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত হৈ থাকে আৰু এই আদৰ্শই সমাজখন সুচাৰুৰূপে চলাই ৰাখে। জন্মৰ পৰা মৃত্যুলৈকে একোজন ব্যক্তিয়ে পাৰ কৰা বৈচিত্ৰময় জীৱনটো শৃংখলিতভাৱে চলাই নিবলৈ কিছুমান নিয়ম-নীতি মানি চলে। ব্যক্তিগত বা পৰিয়ালগত আচাৰ অনুষ্ঠানবোৰেই সামাজিক আচৰণত পৰিণত হয়। মানৱ জীৱনত পৰম্পৰাগতভাৱে প্ৰচলিত আৰু সমাজৰ দ্বাৰা স্বীকৃত

আচাৰ অনুষ্ঠানবোৰ ব্যক্তি এজনে জন্মৰে পৰা আহৰণ কৰে আৰু নিজৰ জীৱনৰ স্বাভাৱিক গতিৰ সৈতে সংগতি কৰি পৰম্পৰাগত সমলৰাজি ব্যৱহাৰ কৰে। বয়সৰ স্তৰে স্তৰে ব্যক্তি এজনে সমাজৰ পৰা নিষেধাত্মক আৰু অনুমোদিত আচাৰসমূহ শিকি নিজে তাক প্ৰকাশ কৰিবলৈ ধৰে। সমাজৰ অংগীভূত প্ৰতিজন ব্যক্তিয়ে প্ৰয়োজনীয় বুলি ভাবি পৰম্পৰাগতভাৱে পালন কৰি অহা সামাজিক কাৰ্যকলাপৰ সমষ্টিকে লোকাচাৰ বুলি কব পাৰি। এই সামাজিক আচৰণৰ সংহত, যৌগিক আৰু সামগ্ৰিক ৰূপকেই সংস্কৃতি বুলিব পাৰি। এডৱাৰ্ড টেইলাৰে সংস্কৃতিৰ সংজ্ঞা এনেদৰে দিছে — *"সমাজৰ অংগীভূত সদস্যৰূপে মানৱে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থ্যৰ যৌগিক ৰূপেই সংস্কৃতি।"* [১]

জন্মৰ পৰা মৃত্যুলৈ ব্যক্তিয়ে যি সামাজিক পৰিৱেশত বাস কৰে, সেই সমাজখনৰ বিভিন্ন ৰীতি-নীতিৰ মাজেৰে জীৱন অতিবাহিত কৰে। মানুহে সমাজ পাতি বাস কৰিবৰ দিন ধৰি বিভিন্ন সময়ত, বিভিন্ন প্ৰয়োজনত পৰম্পৰাগতভাৱে পালন কৰি অহা সামাজিক লোক প্ৰথা বা সামাজিক লোকাচাৰসমূহে লোকসমাজত সঞ্জীৱনীৰ দৰে কাম কৰে। লোকাচাৰসমূহ ব্যক্তিগত জীৱনৰ কাৰ্যকলাপ নহয়, ই সামাজিক জীৱনৰ সৈতে সম্পৰ্কিত এক পৰম্পৰাগত কাৰ্যকলাপৰ সমষ্টি। মুঠ কথাত ক'বলৈ গ'লে — *"সমাজখনৰ মংগলৰ বাবে সমাজৰ স্বীকৃত যিবোৰ আচৰণ, নীতি-নিয়ম কঠোৰভাৱে পালন কৰা হয় আৰু যাক ভংগ কৰিলে সমাজৰ বাবে দোষণীয় বুলি পৰিগণিত হয় তেনে আচাৰ অনুষ্ঠানেই হৈছে লোকাচাৰ।"* [২] হিন্দু ধৰ্মত বিভিন্ন আচাৰ অনুষ্ঠান মানি চলা হয়। প্ৰাচীন ভাৰতীয় স্মৃতিকাৰসকলে হিন্দু ধৰ্মত যে আচাৰেই পৰম ধৰ্ম সেই কথা কৈ গৈছে। মনুস্মৃতিত কোৱা হৈছে —

*"আচাৰ: পৰমো: ধৰ্ম: শ্ৰুত্যুক্ত: স্মাৰ্ত এৱ চ।*

*তস্মাদস্মিন্ সদাযুক্তো নিত্যং স্যাদাত্মাৱান দ্বিজ:*

*(বেদ আৰু স্মৃতিত উক্ত আচাৰেই পৰম ধৰ্ম। সেয়ে আত্মজ্ঞানী দ্বিজই এই আচৰতেই সদাযুক্ত হৈ থাকিব লাগে।)"* [৩]

মনুস্মৃতিৰ পৰা এটা কথা কব পাৰি যে সমাজ আৰু জীৱনৰ প্ৰতিটো দিশৰ লগতে আচাৰ অনুষ্ঠান জড়িত হৈ আছে। লোকাচাৰসমূহ সমাজত বসবাস কৰা প্ৰতিজন ব্যক্তি বা

গোষ্ঠীয়ে সমাজৰ মংগলৰ বাবে প্ৰয়োজনীয় বুলি ভাবি অন্ত:কৰণেৰে পালন কৰে। ইয়ে সমাজখন সুসংবদ্ধ কৰি ৰাখে। ধৰ্মানুষ্ঠান, পূজা-পাতল, সাধু, উপাখ্যান, পুৰাণ কাহিনী, প্ৰকৃতিৰ ব্যাখ্যা, সামাজিক প্ৰথা, ৰীতি-নীতি, বিশ্বাস-অবিশ্বাস, আইন-কানুন, নৃত্য-নাট, অভিনয়, ক্ৰিয়া কৌতুক, পৰম্পৰা আদি লোকসংস্কৃতিৰ বিভিন্ন উপদানসমূহৰ মাজত সামগ্ৰিক দিশ সমূহৰ বুকুতেই সামাজিক লোকাচাৰ বা লোকপ্ৰথাসমূহ নিহিত হৈ আছে। [৪]

এখন সমাজৰ জনসমষ্টিয়ে পৰম্পৰাগতভাৱে লোকাচাৰসমূহ পালন কৰি আহে। সমাজৰ প্ৰত্যেকজন ব্যক্তিৰ লগতে এইবোৰ গভীৰ ভাৱে সম্পৃক্ত হৈ থাকে। সমাজখন শৃংখলাবদ্ধভাৱে চলিবলৈ আৰু নৈতিকতা তথা কৰ্তব্যবোধৰ শিক্ষাদান কৰিবলৈ লোকাচাৰে প্ৰধান ভূমিকা পালন কৰে। বিভিন্ন ক্ৰিয়াকাণ্ডৰ মাজেৰে ব্যক্তি জীৱন পৰিচালিত হয়। এজন ব্যক্তিৰ জন্মৰ পৰা মৃত্যু পৰ্যন্ত পালনীয় লোকাচাৰসমূহৰ মাজত বিভিন্নতা পৰিলক্ষিত হয়। ব্যক্তি এজনে নিজৰ জীৱন কালত পালন কৰা লোকাচাৰসমূহে ব্যক্তিজনৰ লৌকিক আচৰণৰ ভেটি সুদৃঢ় কৰে। পৰম্পৰা বিশ্বাসী ব্যক্তি এজনক সমাজমুখী কৰি গঢ়ি তোলে। লোকাচাৰসমূহে সমাজৰ গাঁথনি দৃঢ় কৰে আৰু সমাজ এখনৰ শান্তি শৃংখলা বজাই ৰাখে। মানৱ সভ্যতাৰ উত্থানৰ লগে লগে বিশ্বৰ প্ৰতিটো জাতি-জনগোষ্ঠীয়ে নিজস্ব সমাজ-ব্যৱস্থা তথা নীতি উদ্ভাৱন কৰি লোৱা আৰম্ভ কৰে। তেনেকৈয়ে গঢ় লৈ উঠে একোটা জনগোষ্ঠীৰ আচাৰ নীতিসমূহ আৰু এইবোৰ পৰম্পৰাগতভাবে চলি থাকে।

লোকাচাৰ শব্দই "লোক" সকলে পালন কৰা আচৰণ সমূহক বুজায়। এই 'লোক' শব্দই কোনবোৰ লোকক বুজায় তাক লৈ বিদ্বৎ সমাজৰ মাজতো মতবিৰোধ আছে। নবীনচন্দ্ৰ শৰ্মাই এলান ডাণ্ডেজৰ উদ্ধৃতিসহ 'লোক' শব্দ সম্পৰ্কে এনেদৰে উল্লেখ কৰিছে— *"The term 'folk' can refer to any group of people whatsoever who share at least one common factor- মুঠতে উমৈহতীয়া উপাদানৰ অংশীদাৰ কোনো এক জনসমষ্টিক লোক বা 'folk' বুলি ক'ব পাৰি।"* [৫] 'লোক' শব্দই গঞা, কৃষিজীৱী, মৌখিক পৰম্পৰা আশ্ৰয়ী, যাদু আশ্ৰয়ী সমাজৰ লোকসকলক বুজায়। 'পৰম্পৰা' আশ্ৰয়ী এচাম লোকক 'লোক' বুলি কোৱা হয় যিসকলে সমাজৰ নানা বিশ্বাস, ৰীতি-নীতি প্ৰভৃতি পৰম্পৰাগতভাৱে পালন কৰি আহিছে। পৰম্পৰাগতভাৱে চলি অহা লোকবিশ্বাসৰ আধাৰত গঢ় লোৱা লোকাচাৰবোৰ পালন কৰি

এই লোকসকলে সমাজ এখনৰ শৃংখলা অটুট ৰাখে। সমাজ এখনত বসবাস কৰিবলৈ হ'লে এজন ব্যক্তিয়ে সমাজৰ আচাৰ-আচৰণক পদ্ধতিগত ভাৱে গ্ৰহণ কৰি চলিব লাগে যাতে ব্যক্তিগত জীৱন আৰু সামাজিক জীৱনত পালন কৰা লোকাচাৰসমূহৰে সমাজ এখনক বান্ধি ৰাখিব পাৰে। সমাজত বাস কৰা প্ৰতিজন ব্যক্তি তথা তেওঁৰ সামূহিক পৰিচয় বহন কৰা গোষ্ঠীটোক পৰম্পৰাগতভাবে চলি অহা লোকাচাৰ সমূহে প্ৰভাৱান্বিত কৰে। কালক্ৰমত এইবোৰ সমাজৰ বাবে এৰাব নোৱাৰা অংগত পৰিণত হয়। সামাজিক লোকাচাৰৰ পৰিসীমাত উৎসৱ-অনুষ্ঠান, অৱসৰ বিনোদন, লোকঔষধ, লোক ধৰ্ম, খেল-ধেমালি আদি বিষয়সমূহ সামৰি ল'ব পাৰি।

কেতিয়াবা লোকাচাৰৰ উৎপত্তিৰ অন্তৰালত লোকবিশ্বাসেও প্ৰভাৱ পেলোৱা দেখা যায়। নবীন চন্দ্ৰ শৰ্মাই কৈছে — *"আচাৰ অনুষ্ঠানৰ আধাৰ হৈছে বিশ্বাস বা লোকবিশ্বাস। স্বৰ্গ-নৰক, আকাশ-পৃথিৱী, পৰ্বত- পাহাৰ, মেঘ-বিজুলি, বতাহ-বৰষুণ, জল-স্থল, দেৱ-দেৱতা, ভূত-প্ৰেত, যখ-যখিনী, ৰোগ-ব্যাধি, বেমাৰ-আজাৰ, জীৱজন্তু, জন্ম-মৃত্যু সম্পৰ্কীয় বিবিধ বিশ্বাস প্ৰচলিত আৰু বিশ্বাসৰ আধাৰত জন্ম হৈছে বিভিন্ন আচাৰ অনুষ্ঠানৰ।"*[৬] বহুতো লোকাচাৰ লোকবিশ্বাসৰ গাত ভেজা দি গঢ় লৈ উঠিছে বুলি ক'ব পাৰি।

**২.০১.১ গাত কাপোৰ দিয়া কৃত্য ঃ**

অসমত প্ৰচলিত এটি পৰম্পৰাগত পৰিয়ালকেন্দ্ৰিক অনুষ্ঠান হ'ল গাত কাপোৰ দিয়া কৃত্য। এই অনুষ্ঠানটোৰ তোলনি বিয়াৰ লগত প্ৰত্যক্ষভাৱে সম্পৰ্ক নাথাকিলেও তোলনি হোৱাৰ দিশলৈ আগবাঢ়ি যোৱা ছোৱালীজনীক কেন্দ্ৰ কৰি পালন কৰা এটি প্ৰয়োজনীয় লোকাচাৰ বুলি ধৰা হয়। সাধাৰণতে আঠ-ন বছৰৰ পৰা এগৰাকী কন্যা সন্তানৰ দৈহিক পৰিৱৰ্তন সহজে চকুত পৰে। এনে সময়ত ঘৰৰ মহিলা সদস্যসকল তথা ওচৰৰ তিৰোতাসকলেও তেওঁৰ চকুত পৰা দৈহিক পৰিৱৰ্তনক গুৰুত্ব সহকাৰে গ্ৰহণ কৰে। সেয়ে তেওঁৰ কাৰণে ঘৰত জোখৰ সৰু মেখেলা, গামোচা, চাদৰ বৈ ৰখা হয়। আঠ-ন বছৰীয়া ছোৱালীজনী সাধাৰণতে ১২-১৩ বছৰ বয়সত তোলনি হয়। তোলনি হোৱাৰ আগতে ঘৰৰ মহিলাসকলে কিশোৰী গৰাকীৰ গাত কাপোৰ দিয়া কৃত্যটো পালন কৰে। নবীনচন্দ্ৰ শৰ্মাই এই অনুষ্ঠানটোৰ সম্পৰ্কে এনেদৰে উল্লেখ কৰিছে — *" কন্যা গৰাকীৰ মাকে আন আন ওচৰ চুবুৰীয়া বয়সীয়া মহিলাক*

*মাতি আনি ঘৰৰ ভিতৰত (পুৰুষে নজনাকৈ) এই ছোৱালীজনীক কিছু কথা শিকাই আৰু ইমান দিনে কঁকালত পিন্ধি অহা মেখেলা বা পাতেনীখন বৰ্ধিত স্তনযুগলৰ ওপৰত পিন্ধিবলৈ শিকায়। এই কৃত্যটোৰ নামেই হৈছে গাত কাপোৰ দিয়া।”* [৭] পূৰ্বতে দৰং জিলাতো এই প্ৰথাৰ প্ৰচলন আছিল। গাত কাপোৰ দিয়া কৃত্যটোৰ আগলৈকে কঁকালত পাতেনীখন পিন্ধিছিল যদিও কিশোৰীগৰাকীৰ ওপৰভাগ উন্মুক্ত হৈয়ে থাকিছিল। কঁকালত পিন্ধা মেখেলা বা পাতেনীখনক দৰঙত ‘টনা’ বুলি কোৱা হয়।” [৮] এই গাত কাপোৰ দিয়া অনুষ্ঠানটো ঘৰৰ তিৰোতা মানুহখিনিৰ মাজতে সীমাবদ্ধ আছিল। আগতে যৌথ পৰিয়াল আছিল, পৰিয়ালটোত মাক, খুড়ীয়েক, বৰ-মাক, পেহীয়েকহঁতে গিজগিজাই আছিল। গতিকে এই অনুষ্ঠানৰ বাবে আন তিৰোতাৰ প্ৰয়োজন নাছিল। তথাপিও বংশৰে দুই-তিনিজনীক সেই অনুষ্ঠানটোলৈ মতা হৈছিল। অনুষ্ঠানটোৰ বাবে এটা ভাল দিন চাই লোৱা হয়। অৱশ্যে দিনটো কোনো জ্যোতিষী বা ব্ৰাহ্মণৰ জৰিয়তে চোৱা নহয়। ঘৰত থকা পঞ্জিকাৰ পৰাই দিন, পক্ষ চাই লৈ নিৰ্দিষ্ট দিন এটা স্থিৰ কৰা হয়। সেইদিনা পুৱাৰ ভাগতে ছোৱালীজনীক গা-ধুই আহিবলৈ কোৱা হয়। বৰঘৰৰ মজিয়াত এখন পীৰা পাৰি থৈ দিয়া হয়। পীৰাখনৰ সন্মুখত আগলতি কলপাত এখিলাৰ ওপৰত এগছি মাটিৰ চাকি জ্বলাই থোৱা হয়। ছোৱালীজনীক পীৰাখনত বহিব দি তেওঁৰ জোখত সাজু কৰি ৰখা বুকুলৈকে মেঠনি মাৰিব পৰা মেখেলা, গামোচা আৰু চাদৰ এখন গাত পেলাই দিয়া হয়। কোনোবা এজনীয়ে ভৰিৰ ফালৰ পৰা মেখেলাখন পিন্ধাই ছোৱালীজনীৰ বুকুত মেঠনি মাৰি দিয়ে। সেইদিনাৰ পৰা ছোৱালীজনীয়ে এনেদৰে বুকুত মেঠনি মাৰি মেখেলা পিন্ধি থাকিব লাগে। মেখেলাৰ ওপৰত চুটিকৈ বৈ উলিওৱা চাদৰ বা গামোচা এখন পেলাই লয়। আৰ্থিকভাৱে স্বচ্ছল বা গাঁৱৰ পৰা গৈ চহৰৰ আদৱ কায়দাৰ লগত পৰিচিত কোনো কোনোৱে মেখেলাৰ ওপৰত ব্লাউজ এটাও যোগাৰ কৰি দিয়ে। কিন্তু সাধাৰণতে ব্লাউজ নিপিন্ধাকৈয়ে মেখেলাখন বুকুলৈ পিন্ধি গাত গামোচা বা চাদৰ পেলাই লোৱাৰ নিয়ম। সেইদিনাৰ পৰা তোলনি হোৱা দিনটোলৈ সকলো সতৰ্ক হৈ থাকে। ভৱিষ্যতলৈ নিজৰ দেহটো আবুৰ কৰি ৰখাৰ এটা শিক্ষা ছোৱালীজনীক এই অনুষ্ঠানটোৰ মাজেৰে দিয়া হয়। গাত কাপোৰ লোৱাৰ পিছতেই ছোৱালীজনীক তাঁত শালৰ তাঁত বাটি কৰা, ব-তোলা আদি সহজ কামবোৰ শিকোৱা হৈছিল। *”* [৯]

**২.০১.২ আগ-বিয়া ঃ**

মনুই ছোৱালীৰ বিবাহৰ কথা কবলৈ গৈ স্পষ্টভাৱেই নিৰ্ধাৰণ কৰিছে যে —

*"অষ্টাবৰ্ষা ভবেদ গৌৰী, নববৰ্ষাতু ৰোহিনী*

*দশমে কন্যকা প্ৰোক্তা, অত উৰ্দ্ধ ৰজস্বলা"।*

আঠ বছৰৰ কন্যাক গৌৰী, ন বছৰৰ কন্যাক ৰোহিনী, দহ বছৰৰ কন্যাক কন্যকা, তাৰ ওপৰৰ বয়সৰ কন্যাক ৰজস্বলা বুলি কোৱা হয়।[১০]

কুৰি শতিকাৰ চতুৰ্থ-পঞ্চম দশকমানলৈকে অসমত আগ-বিয়াৰ প্ৰচলন আছিল। বিশেষকৈ ব্ৰাহ্মণ সম্প্ৰদায় আৰু আন উচ্চবৰ্ণৰ হিন্দুৰ মাজত এই বিয়াৰ প্ৰচলন আছিল। সাধাৰণতে ৮-১০ বছৰ বয়সতে অৰ্থাৎ ছোৱালীজনী তোলনি নৌহওঁতেই তেওঁক বিয়া দিয়াৰ এটা পৰম্পৰা আছিল। ছোৱালীৰ বিবাহৰ কাল বাৰ বছৰ ধৰা হৈছিল। তোলনি হোৱাৰ আগতেই পতা বিয়াখনক কোৱা হৈছিল আগ-বিয়া। ব্ৰাহ্মণৰ ঘৰৰ জীয়ৰীৰ ক্ষেত্ৰত আগ-বিয়াখন অতি জৰুৰী আছিল। সেয়ে আগ-বিয়াৰ আগতেই ছোৱালী তোলনি হ'লে ঘৰৰ মানুহে আনে গম নোপোৱাকৈ লুকুৱাই ৰাখিছিল আৰু বৰ বেছি বাচ-বিচাৰ নকৰাকৈ তোলনি হোৱাৰ আগতে ছোৱালী বিয়া দিব নোৱাৰি পতিত হ'ব বুলি থকা ভয় আৰু শংকাৰ বাবেই অভিভাৱকসকলে ৩০-৪০ বছৰৰ বয়সৰ ব্যক্তিলৈ ৯-১১ বছৰীয়া ছোৱালী এজনীৰ বিয়া দিয়া হৈছিল। সমাজৰ ৰীতি-নীতি ৰক্ষাৰ স্বাৰ্থত কন্যাৰ বাবে উপযুক্ত পাত্ৰৰ সন্ধান নাপালে কেতিয়াবা বহু পত্নী থকা ব্যক্তি, বয়সিয়াল মানুহ, বৰলা বা ৰুগীয়া ব্যক্তিলৈও ছোৱালী দিবলৈ বাধ্য হৈছিল। *নবীন চন্দ্ৰ শৰ্মাই আগবিয়া সম্পৰ্কে এনেদৰে উল্লেখ কৰিছে—*

*"মধ্যযুগীয়া অসমৰ বৰ্ণহিন্দুৰ মাজত বিশেষকৈ ব্ৰাহ্মণ-কায়স্থ-বৈশ্য-কলিতা আদিৰ মাজত বাল্য-বিবাহৰ প্ৰচলন আছিল। পুষ্পিতা নোহোৱাৰ পূৰ্বেই কন্যাক বিয়া দিয়া হৈছিল। কিছুদিন আগলৈকে ব্ৰাহ্মণ কন্যাক পুষ্পিতা হোৱাৰ পূৰ্বে বিয়া দিব নোৱাৰিলে সেই কন্যাজনী হৈছিল জাতিভ্ৰষ্টা। তেওঁক কোনো ব্ৰাহ্মণেই বিয়া নকৰাইছিল। উচ্চবৰ্ণৰ মাজত বিধবা বিবাহৰ প্ৰচলন নাছিল, কিন্তু আছিল বৰলা বিবাহৰ প্ৰচলন। ব্ৰাহ্মণ আদি উচ্চ হিন্দুৰ মাজত আগ-বিয়া (কন্যাজনী পুষ্পিতা নোহোৱাৰ পূৰ্বে, পাছ-বিয়া (কন্যাজনীৰ পুষ্পিতা হোৱাৰ পিছত) বা শান্তিবিয়া আৰু পুংসৱন বা পোহন বিয়া বা পুহন বিয়া (মাতৃৰ অষ্টম মাহত) প্ৰচলন*

*আছিল।”*[১১] আগ-বিয়াখন সম্পূৰ্ণ বৈদিক পদ্ধতিৰে সম্পন্ন হৈছিল আৰু এইখন বিয়া সাধাৰণতে দিনৰ ভাগতে হৈছিল। আগ-বিয়া হৈ যোৱাৰ পিছত ছোৱালীজনী তোলনি নোহোৱালৈকে মাকৰ ঘৰতে থকা নিয়ম। তোলনি হোৱাৰ পিছত পাছ-বিয়া পাতি ছোৱালীজনীক দৰাৰ ঘৰলৈ লৈ যোৱা হয়।

আজিৰ পৰা প্ৰায় ৮০-৯০ বছৰ আগলৈকে প্ৰচলিত থকা আগ-বিয়াৰ বাবে ল'ৰাই সাধাৰণতে একেখন গাঁৱতে ছোৱালী চাই থৈছিল। সেই সময়ত বাল্যবিবাহৰ অন্য এটা কাৰণ আছিল যাতে বিয়াখনৰ জৰিয়তে পৰম্পৰা ৰক্ষা কৰাৰ উপৰিও একেখন গাঁৱৰে চকুত পৰা ছোৱালীজনী আন কাৰোবাৰ লগত বিয়া হোৱাৰ আগতে ৰাখি থোৱা হৈছিল। বৰ্তমান কালৰ আঙঠি পিন্ধাই ছোৱালী ৰাখি থোৱাৰ দৰে আগ-বিয়া পাতি ছোৱালীজনীক ৰাখি থোৱা হয়। সৰুৰেপৰা কাম-বনত পটু, দেখনিয়াৰ ছোৱালী এজনীক ঘৰৰ বোৱাৰী কৰিবলৈ সকলো ল'ৰা ঘৰেই বিচাৰে, সেয়ে নিৰ্দিষ্ট এজন ল'ৰাৰ কাৰণে ছোৱালীজনীক সুধি আগ-বিয়া পাতি ৰাখি থোৱা হৈছিল। পুষ্পিতা নোহোৱালৈকে ছোৱালীজনী মাকৰ ঘৰত থাকে। দৰাঘৰ ওচৰত হ'লে দিনৰ ভাগত ছোৱালীজনী তেওঁলোকৰ ঘৰলৈ গৈ ইটো-সিটো কৰি দিয়াৰো নিয়ম আছিল।[১২] সাধাৰণতে কৃষিজীৱি পুৰুষ মানুহখিনি ৰাতিপুৱাৰে পৰা সন্ধিয়ালৈকে খেতি-পথাৰ বা চাপৰিত বিভিন্ন কৃষিকৰ্মত জড়িত হৈ থাকে। ঘৰত কোনো পুৰুষ মানুহ নথকা সময়খিনিত বাল্য-বিবাহ কৰাই থোৱা ছোৱালীজনীয়ে কৰিব পৰা সৰু-সুৰা কাম কৰি দিছিল। পুৰুষ মানুহখিনি ঘৰলৈ অহাৰ আগতে ছোৱালীজনী নিজৰ ঘৰলৈ গুচি গৈছিল। ইয়াৰ জৰিয়তে তেওঁ একেবাৰে আহিবলগা ঘৰখনৰ পৰিবেশৰ লগত সহজ হোৱাৰ সুযোগ পায়। তাৰ উপৰিও পৰিয়ালৰ প্ৰতিজনৰ, বিশেষকৈ তেওঁৰ দৰাজনৰ পচন্দ-অপচন্দৰ কথাও গম পায়। বাল্যবিবাহ কৰাই থোৱা ছোৱালীজনীৰ ঘৰ দূৰত হ'লে এনেদৰে আহি কাম কৰি দিব নোৱাৰে। আগ-বিয়া আৰু পাছ-বিয়াৰ মাজৰ সময়ছোৱাত দৰাপক্ষৰ ঘৰত হোৱা যিকোনো উৎসৱ-অনুষ্ঠানত কইনা ঘৰৰ পৰিয়াল সহিতে কইনাজনীও দৰাঘৰত উপস্থিত থকাৰ নিয়ম। দূৰণিবতীয়া বাট হ'লে কেতিয়াবা দৰাঘৰত থাকিব লগা পৰিস্থিতি হ'লে কইনাজনী বয়োজ্যেষ্ঠ তিৰোতা এজনীৰ লগতহে থাকিব পাৰে। মাজে মাজে দৰাঘৰে কইনাঘৰক বা কইনা ঘৰে দৰাঘৰক আলহী খাবলৈ নিমন্ত্ৰণ কৰাৰো নিয়ম আছিল। এই

সময়ছোৱাত বিহু হ'লে দৰাপক্ষক বিহুৱান দিয়া আৰু দৰাঘৰেও কইনাক এসাজ কাপোৰ আৰু আন পৰিয়ালক বিহুৱান দিয়াৰ প্ৰথাও আছিল।[১৩] বাল্যবিবাহৰ দৰে সংস্কাৰৰ বাবে পূৰ্ণযুৱতী হোৱাৰ পুৰ্বেই ছোৱালী এজনীয়ে সংসাৰৰ গধুৰ ভাৰ কান্ধ পাতি ল'ব লগা হৈছিল।

**২.০১.৩ তোলনি বিয়াৰ পূৰ্ব প্ৰস্তুতি ঃ**

ছোৱালী এগৰাকী ১২-১৩ বছৰ সময়ত তোলনি হয়। সেয়ে মাক তথা ঘৰৰ আন মহিলা সদস্যসকলে তেওঁক লৈ এটা পূৰ্ব প্ৰস্তুতি আৰম্ভ কৰে। প্ৰথমতে তেওঁলোকে ছোৱালীজনীৰ কাৰণে কাপোৰ সাজু কৰাত গুৰুত্ব দিয়ে। ঘৰতে তাঁতত বৈ কাপোৰবোৰ সাজু কৰা হয়। ছোৱালীজনীক মনৰ ইচ্ছাৰে কেইবাজোৰো কাপোৰ বৈ দিবলৈ সময়ৰ প্ৰয়োজন হয়। সেয়ে তোলনি হোৱাৰ দুই-তিনি বছৰ আগৰেপৰাই সময় সুবিধা অনুযায়ী কাপোৰবোৰ বৈ থোৱা হয়। বজাৰৰ পৰা ধোৱা সূতা বা চাফা সূতা, আশী নম্বৰী সূতা, ১২০ নম্বৰী বা মাৰ্জচাজৰ বিভিন্ন ৰঙৰ সূতা কিনি আনি ঘৰতে মাৰ দি তাঁতত কাপোৰবোৰ ফুল বাছি দেখনিয়াৰ কৰি বৈ ৰখা হয়। আগতে কাপোৰ থবলৈ বেতৰ জপা, টিনৰ বাকচ বা কাঠৰ আলমাৰি ব্যৱহাৰ হৈছিল। এনেদৰে সামৰ্থ্য অনুযায়ী যিমানখিনি পাৰি কাপোৰ গোটাই ৰখাটো প্ৰয়োজনীয় বুলি ভবা হৈছিল। উল্লেখনীয় যে ১২০ নম্বৰী সূতাৰ বাহিৰে বাকী সূতাবোৰত মাৰ দিব লাগে। এই মাৰ ঘৰতে তৈয়াৰ কৰা হয়। মাৰ দি ৰখা কাপোৰবোৰক “মাৰুৱা কাপোৰ”[১৪] বোলা হয়। ছোৱালীজনীৰ কাৰণে বিশেষভাৱে বোৱা কাপোৰ ৰজঃস্বলা অৱস্থাত বোৱা নহয়।

তোলনি বিয়াত আখৈৰ ব্যৱহাৰ অপৰিহাৰ্য। পুৰণি ধানৰ আখৈ ভালকৈ ফুটে। সেয়ে ছোৱালীজনী তোলনি হোৱাৰ এবছৰমান আগৰে পৰা আখৈৰ বাবে ধানো সাজু কৰি ৰখা হয়। মাটিৰ কলহত বৰা ধান, শালিধান বা লতা মাকৰি ধান ভৰাই থৈ দিয়া হয়, যাতে প্ৰয়োজন হ'লেই সেই ধানেৰে আখৈ ভাজিব পাৰে। কাপোৰ আৰু ধান-সাজু হৈ থাকিলে তোলনি বিয়াখনত যথেষ্ট সকাহ পোৱা যায়।

ধান, কাপোৰ সাজু কৰি উঠি মাক সতৰ্ক হৈ থাকে। ছোৱালীজনীৰ দৈহিক গঠনৰ পৰিৱৰ্তন, দেহলৈ অহা লাৱণ্য আৰু জ্যোতিয়ে যিকোনো মুহূৰ্ততে ছোৱালীজনীৰ তোলনি হোৱাৰ ইংগিত দিয়ে। এনে সময়ত তেওঁক চকুৰ সন্মুখত ৰখাটোৱে শ্ৰেয় বুলি বিবেচনা কৰা

হয়। সেয়ে ছোৱালীজনীক ঘৰৰ বয়সস্থজনে গা চাই ফুৰিবলৈ, দূৰলৈ থকাকৈ নাযাবলৈ পৰামৰ্শ দিয়ে।[১৫] ছোৱালীৰ মাক-খুড়ীয়েকহঁতে তোলনি হোৱাৰ প্ৰথম অৱস্থাটোৰ কথা বুজাই কয়। তেওঁক কৈ থোৱা হয় যে প্ৰথম ঋতুস্ৰাৱ দেখাৰ লগে লগে তেওঁ যেন যিকোনো তিৰোতা বা ছোৱালী মানুহকহে কথাটো জনায়। প্ৰথম ঋতুস্ৰাৱ হোৱাৰ পৰৱৰ্তী কৰণীয় কথাবোৰ ছোৱালীজনীৰ অৱগত, কিয়নো তেওঁ ইতিমধ্যে নিজৰ সমনীয়া বা তেওঁতকৈ ডাঙৰ আত্মীয় তথা ওচৰ চুবুৰীয়াৰ ছোৱালীৰ তোলনি বিয়াত অংশগ্ৰহণ কৰিছে। সেয়ে কিছু পৰিমাণে তেওঁ নিজেও এই নিয়ম নীতিবোৰ পালন কৰিবলৈ মানসিকভাৱে প্ৰস্তুত হৈ থাকে।

**২.০১.৪ প্ৰথম দিনাৰ আনুষ্ঠানিকতা ঃ**

অৱশেষত সকলোৱে উৎকণ্ঠাৰে বৈ থকা দিনটো আহি পায়। পাটগাভৰু ছোৱালীজনীৰ কোনো এটা সময়ত প্ৰথম ঋতুস্ৰাৱ হয়। ছোৱালীজনীয়ে কথাটো কোৱাৰ লগে লগে ঘৰখনত এক গোপন খদমদম আৰম্ভ হয়। চুবুৰীৰ মহিলা কেইজনীকো কথাটো জনোৱা হয়। কোনোবা এজনীয়ে লগে লগে কাগজ এখিলাত তোলনি হোৱা সময়টো আৰু দিনটো লিখি বা মনত ৰাখি থয়। ছোৱালীজনীক আছুতীয়াকৈ ৰাখিবৰ বাবে ঘৰৰ কোঠা এটা ঠিক কৰা হয়। ঘৰত যদি এটা কোঠাৰ বাহিৰে আৰু আন কোঠা নাথাকে তেতিয়া হ'লে একেটা কোঠালিতে মাজত ঢাৰিৰ বেৰ দি আছুতীয়া ঠাই অকণ উলিয়াই লোৱা হয়। আছুতীয়া কোঠাটোত বিচনাখন সাজু হৈ নুঠালৈকে ছোৱালীজনীক এঠাইত থিয় কৰাই ৰাখি কেইজনীমান তিৰোতাই মতা-মানুহ আৰু আন জীৱ-জন্তু দেখা নোপোৱাকৈ আৱৰি ৰাখে। ইতিমধ্যে ঘৰৰ মতা মানুহখিনি আৰু সৰু ল'ৰা থাকিলে সকলোকে জনাই দিয়া হয় যাতে আছুতীয়া কোঠাটোত তেওঁলোকে ভুলতো প্ৰৱেশ নকৰে। ছোৱালীজনীৰ কাৰণে মাটিত ধানখেৰৰ বিচনা এখন পাতি দিয়া হয়। ঠাণ্ডা দিন হ'লে ধানখেৰ বেছিকৈ দিয়া হয়। গৰমৰ দিনত ঢাৰি এখন পাতি দিলেও তাৰ তলত অলপ মান হ'লেও খেৰ দিয়াৰ নিয়ম। ধান খেৰৰ বিচনাখনৰ তলত সৰু কটাৰী বা লোহাৰ অস্ত্ৰ এবিধ থোৱা হয়। ছোৱালীজনীক পূবমুৱাকৈ শোৱাৰ ব্যৱস্থা কৰি দিয়া হয়। তেওঁক অতি কম পৰিমাণৰ কাপোৰহে ব্যৱহাৰ কৰিবলৈ দিয়া হয়। বিচনা চাদৰ এখন, গাৰু এটা আৰু আঠুৰাখনৰ বাহিৰে ঠাণ্ডা দিন হ'লে কম্বল বা কেথা এখন দিয়া হয়। আঠুৰা তৰিবৰ বাবে সুবিধাজনকভাৱে সৰু খুঁটি মাৰি দিয়া হয়। এনেদৰে সম্পূৰ্ণৰূপে বিচনাখন সাজু

হোৱাৰ পিছত ছোৱালনীজনীক বিচনাখনলৈ অনা হয়। যি মুহূৰ্তত তেওঁৰ তোলনি হয় সেই মুহূৰ্তৰ পৰা গণনা নকৰালৈকে তেওঁ পানীৰ বাহিৰে অন্য কোনো খাদ্য গ্ৰহণ কৰিব নোৱাৰে। এইদিনাৰ পৰা ছোৱালীজনীক "চুৰা" বুলি ধৰা হয়। তেওঁক কিবা দিব লগা থাকিলেও ওপৰৰ পৰা লাহেকৈ বিচনাত বা হাতত পেলাই দিয়া হয়। শৌচ-পেচাব কৰা, মুখ ধোৱা প্ৰভৃতি কামৰ বাবে ওচৰত এটা চৰিয়া ৰখা হয়।

ছোৱালীজনীক আছুতীয়াকৈ ৰখাৰ পিছত এটা দুণৰি সজোৱা হয়। হেমকোষ অভিধানমতে দুণৰি শব্দৰ অৰ্থ হ'ল— *"বিয়াত পানী তুলিবলৈ যাওঁতে চাউল আৰু তামোল-পাণ ভৰাই এটা চাকি লগাই লৈ যোৱা দোণ বা খৰাহি।"* ১৬ বৰবিয়াত ব্যৱহাৰ কৰা এই দুণৰিটো তোলনি বিয়াত অপৰিহাৰ্য, সেয়ে প্ৰথম দিনাই দুণৰিটো সজোৱা হয়। কোনো কোনোৱে দুণৰিটো খৰাহিত নসজাই ডাঙৰ কাঁহৰ বাতিত সজায়। দুণৰিৰ ভিতৰত আৰৈ চাউল, এযোৰ তামোল-পাণ আৰু খুচৰা পইচা এটা থোৱা হয়। তাৰ ওপৰত সৰুকৈ কলপাত এখন পাৰি তাত মাটিৰ চাকি এটাও ৰখা হয় যাতে প্ৰয়োজনত তাক জ্বলাব পাৰি। তোলনি বিয়াত সজোৱা দুণৰিটোত মাটিৰ চাকিগছি ৰখা নহয়। ছোৱালীজনীৰ বিচনাখনৰ সন্মুখত পূৰমুৱাকৈ আগলতি কলপাত এখন পাৰি তাৰ ওপৰত মাটিৰ চাকি এটা, ধূপদানি এটা আৰু দুণৰিটো ৰখা হয়। মাটিৰ চাকি গচি আৰু ধূপ জ্বলাই দি ওচৰৰে তিনিজনী বা পাঁচজনী কুমাৰী ছোৱালী মাতি আনি ছোৱালীজনীৰ সন্মুখত তিনিবাৰ উৰুলি-জোকাৰ দিয়া হয়। উৰুলি-জোকাৰ দিওতে 'হৰিবোলা হৰি এ হ'ল' বুলি তিনিবাৰ কোৱা হয়। ছোৱালীজনীক গা নুধুওৱালৈকে এনেদৰে কুমাৰী ছোৱালীৰ দ্বাৰা আগবেলা আৰু পিছবেলা উৰুলি জোকাৰ দিয়াৰ নিয়ম।

দৰঙৰ নাথ সম্প্ৰদায়ৰ মাজত এই উৰুলি জোকাৰ দিয়াৰ সময়ত চাৰিদিনৰ দিনা ছোৱালীজনীক যিজনীয়ে গা ধুৱাব তেওঁৰ ভূমিকা গুৰুত্বপূৰ্ণ। চাৰিদিনৰ দিনা গা ধুৱাবলৈ ঠিক হোৱা মানুহগৰাকী সাধাৰণতে মাক বা খুড়ীয়েক হয়। মাক-খুড়ীয়েকৰ অবৰ্তমানত, পেহীয়েক বা বংশৰ আন সম্বন্ধীয় ব্যক্তিও হ'ব পাৰে। এইগৰাকী মানুহক 'ধুৱেতী' বুলি কোৱা হয়। উৰুলি-জোকাৰ দিয়াৰ সময়ত পুৱা-গধূলি দুয়োসময়তে ধুৱেতী উপস্থিত থাকিব লাগে। উৰুলি-জোকাৰ দিয়া হোৱাৰ পিছত মানুহগৰাকীয়ে দুণৰিটোৰ পৰা সোঁহাতৰ তিনিটা

আঙুলিৰে অলপ চাউল উঠাই ছোৱালীজনীৰ মূৰত এবাৰ আৰু দুণৰিৰ তামোল-পাণবোৰৰ ওপৰত এবাৰ দিয়ে। এইদৰে চাউল মূৰত দিয়াক আগ চাউল ছটিওৱা বোলে। এনেদৰে তিনিবাৰ কৰিব লাগে। এই নিয়ম ছোৱালীজনী ধুওৱাৰ দিনলৈকে প্ৰত্যেকদিনে কৰিব লাগে।

দক্ষিণ কামৰূপ অঞ্চলত পুষ্পিতা হোৱা ছোৱালীজনীক পৱিত্ৰ জ্ঞান কৰি ওচৰত এটা জলৰ ঘট থোৱা হয়। তিনিডাল শলিতা ত্ৰিভুজ আকৃতিৰ কৰি আৰু শলিতা কেইডালক ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ জ্ঞান কৰি তাৰ ওপৰত চাকি জ্বলোৱা হয়। দোণ এটাত ধান আৰু একাখি কল ৰাখি ছোৱালীজনীৰ নতুন জীৱনটোৰ মঙ্গল কামনা কৰা হয়।[১৭]

কোকৰাঝাৰ অঞ্চলৰ কোঁচ-ৰাজবংশীসকলেও তোলনি বা ধুৱেনী হোৱা ছোৱালীজনীক পুৰুষে নেদেখাকৈ আছুতীয়া কোঠাত ৰাখে। ধানখেৰৰ বিচনাত শুবলৈ দি ছোৱালীজনীৰ কাষত এখন 'চালনি বাতি' সজাই ৰখা হয়। এইকেইদিন পুৱা-গধূলি গাঁৱৰে এগৰাকী বয়োজ্যেষ্ঠ মহিলাই ছোৱালীজনীৰ মূৰত চালনি বাতিৰ খৰাহিটোৰ পৰা আগচাউল ছটিয়াই তিনিবাৰ উৰুলি দিয়ে।

ছোৱালীজনী তোলনি হোৱাৰ খবৰটো লাভ কৰাৰ পিছত ঘৰৰ পুৰুষ মানুহ এজন গণক এজনৰ ওচৰলৈ যায়। তেওঁৰ ওচৰলৈ যাওঁতে এযোৰ তামোল-পাণ লৈ যোৱাৰ নিয়ম। তামোল-পাণ যোৰ গণকজনৰ সন্মুখত সভক্তিৰে ৰাখি পিছদিনা ৰাতিপুৱাতে তেওঁক তোলনি হোৱা ছোৱালীজনীৰ ঘৰলৈ গৈ গণনা কৰি দিবলৈ অনুৰোধ জনায়। পিছদিনা গণনা শেষ নোহোৱালৈকে যিহেতু ছোৱালীজনীয়ে একো খাব নোৱাৰে সেয়ে তেওঁক যিমান সোনকালে পাৰে আহিবলৈ কোৱাৰ লগতে, পিছদিনা তেওঁক কি কি সামগ্ৰীৰ দৰকাৰ হ'ব তাৰো খবৰ লৈ আহে। সাধাৰণতে একোটা অঞ্চলৰ একোজন নামকৰা গণক থাকে। তেনে গণকৰ গণনাৰ ওপৰত সকলোৱে অগাধ বিশ্বাস ৰাখে। তেনে নাম থকা গণকজনকে সকলোৱে বিচাৰে যদিও তেওঁৰ অসুবিধা হ'লে বিকল্প হিচাপে আন গণকৰ ওচৰ চাপিবলৈ বাধ্য হয়। কাৰণ গণনা কৰিব নোৱাৰালৈকে ছোৱালীজনীক লঘোণে ৰাখিবলৈ সকলো বাধ্য। ঘৰত গণনা নকৰি গণকৰ ঘৰতেই গণনা চাই অহাৰো নিয়ম আছে। যিহেতু গণনা কাৰ্যত অলপ খৰচ হয়, সেয়েহে আৰ্থিকভাৱে দুৰ্বল লোকৰ কিছুসংখ্যকে গণকৰ ঘৰলৈ গৈ তেওঁক অলপ মাননি দি গণনা চাই আহে।

### ২.০১.৫ দ্বিতীয় দিনাৰ আনুষ্ঠানিকতা ঃ

গণনাৰ দিনা ৰাতিপুৱাই ঘৰ দুৱাৰ গোবৰ মাটিৰে মচি-কাচি পৰিষ্কাৰ কৰি থোৱা হয়। গণনা শুনিবৰ বাবে চুবুৰীৰ বয়োজ্যেষ্ঠ তিৰোতা মানুহখিনিকো মাতি থৈ অহা হয়। বহল বাৰাণ্ডাতে ঢাৰি-পাটি পাৰি গণকৰ কাৰণে সকলোৱে অধীৰ হেপাহেৰে অপেক্ষা কৰি লয়।

গণনাৰ বাবে এটা পিতলৰ বা মাটিৰ ঘট, ডালিমৰ কলি এযোৰ, ধানৰ আগ এটা, তামোল-পাণ এযোৰ, তিনিটা বা পাঁচটা পাতেৰে আমৰ সৰু ডাল এটা আৰু সেন্দুৰৰ টেমা এটা যোগাৰ কৰা হয়। ডালিমৰ কলি নাপালে ডিমৰুৰ গুটি তিনিটা ৰখা হয়। ঘটটোৰ তিনিওফালে তিনিটা দীঘলকৈ সেন্দূৰৰ ফোঁট দিয়া হয়। ঘটটোত আধাতকৈ বেছি পানী ভৰাই তাত এটা খুচৰা পইচা থৈ আমৰ ডালিটো ৰখা হয়। গণনাৰ সময়ত অতি প্ৰয়োজনীয় এবিধ ফল হৈছে অমিতা। গণকজনৰ কাৰণে এটা 'সিধা' বা ভোজনীও[১৮] যোগাৰ কৰি ৰখা হয়। তেওঁ আহি পোৱাৰ লগে লগে আহল-বহল বাৰাণ্ডাৰ এটা চুকত এখন সৰু ঢাৰি পাৰি তাৰ ওপৰত ধোৱা বিচনা চাদৰ এখন পাৰি তেওঁক বহিবলৈ দিয়া হয়। গণনা শুনিবৰ বাবে ওচৰ-চুবুৰীয়া তিৰোতা মানুহখিনি আহি পাৰি থোৱা ঢাৰি-পাটিত বহি পৰে।

গণকজনৰ সন্মুখলৈ ভিতৰত সজাই থোৱা দুণৰিটো উলিয়াই অনা হয়। আগলতি কলপাত এখনত চাকি এগছি জ্বলাই ধুপ-ধূনা জ্বলোৱা হয়। কলপাতখনৰ ওপৰতে অমিতাটোও ৰখা হয়। ঘট, দুণৰি সজাই লৈ উঠি গণকজনে এখন ফলি আৰু পেঞ্চিল বিচাৰে। এই সময়ত গণকজনক আগদিনা ছোৱালীজনী তোলনি হোৱা সময়টো জনাই দিব লাগে। পঞ্জিকাখন লৈ, ফলিত বিভিন্ন গ্ৰহ-গতিৰ ফলাফলত ব্যস্ত গণকজনৰ মুখলৈ সকলোৱে উৎকণ্ঠাৰে মন কৰি থাকে। তোলনি বিয়াৰ গণনা কাৰ্যৰ মাজেৰে ছোৱালীজনীৰ ভৱিষ্যৎ দশা, তাৰ প্ৰতিকাৰ জানিবলৈ উৎসুক মানুহখিনিক গণকজনে তন্ন তন্নকৈ তেওঁৰ গণনাৰ ফলাফল জনাই যায়। গণনা শেষ হোৱাৰ পিছত এখন পৰিষ্কাৰ কাগজত সকলোবোৰ লিখি গৃহস্থৰ হাতত দি গণনাৰ মোখনি মাৰে।

ছোৱালীজনী তোলনি হোৱাৰ ক্ষণ, মাহ, বাৰ আৰু তিথিৰ ওপৰত নিৰ্ভৰ কৰি গণনাৰ ফলাফল ওলায়। তোলনি হোৱা সময়টো শুদ্ধকৈ ক'ব পাৰিলে গণনা নিৰ্ভুল হয় বুলি বিশ্বাস কৰা হয়। সময়টো শুদ্ধ হ'লে গণকজনে তোলনি হোৱাৰ সময়ত ছোৱালীজনীৰ গাত কেইখন

কাপোৰ আছিল, কিমান বয়সৰ মানুহক তেওঁ কথাটো জনাইছিল তাৰো তথ্য দিব পাৰে বুলি ভবা হয়। গণনা কৰা সময়ত উপস্থিত তিৰোতাসকলে জানিব বিচাৰিলে ছোৱালীজনীৰ কিমান বয়সত বিয়া হ'ব, দৰা কোন দিশত আৰু ঘৰৰ পৰা কিমান দূৰত হ'ব, দৰাঘৰৰ পৰিয়াল কিমান হ'ব প্ৰভৃতি কথাবোৰো কয় যদিও এইবোৰ গণনাৰ অন্তৰ্গত নহয়।

**২.০১.৫.১ বাৰৰ ফল ঃ**

ছোৱালীজনীৰ কি বাৰে প্ৰথম ৰজঃদৰ্শন হৈছিল তাৰ ওপৰত তেওঁৰ ভৱিষ্যত নিৰ্ভৰ কৰে। সাধাৰণ গঞা সমাজে বছৰৰ কিছুমান দিন আপদীয়া বা অমঙ্গলীয়া আৰু কিছুমান দিন মঙ্গলজনক বুলি ভাবে। পঞ্জিকা আৰু জ্যোতিষৰ বিচাৰত শুভ-অশুভ দিনবোৰৰ বাহিৰেও লোকজীৱনত আন কিছুমান দিন অমঙ্গলীয়া বুলি ধৰি লোৱা হয়। শনি আৰু মঙ্গলবাৰ তেনে অমঙ্গলীয়া দিন বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে।[১৯] শুভ দিনতকৈ অমঙ্গলীয়া বাৰৰ ফলাফল জানিবলৈ সকলোৰে আগ্ৰহ বৃদ্ধি পায়। সাধাৰণতে পঞ্জিকাশ্ৰয়ী গণনাৰ ফলাফল মতে — **ৰবিবাৰে বৈধব্য, সোমবাৰে পতিব্ৰতা, মঙ্গলবাৰে নৃত্য কলা প্ৰিয়, চঞ্চলা হয়, বুধবাৰে নৃত্য কলা প্ৰিয়, সৌভাগ্যৱতী, বৃহস্পতি বাৰে সুপতিযুক্তা, শুক্ৰবাৰে আপত্যযুক্ত (সতি-সন্তানযুক্ত) শনিবাৰে কমসংখ্যক সন্তানৰ** অধিকাৰিণী হয় বুলি গণকে উপস্থিত আয়তীসকলক অৱগত কৰে।[২০] যজুৰ্ব্বেদীয় বিবাহ পদ্ধতিতো বাৰৰ ফলাফলৰ কথা নিম্নোক্ত ধৰণে উল্লেখ কৰা হৈছে —

*" আদিত্যে বিধবা নাৰী সোমে চৈব পতিব্ৰতা।*
*মঙ্গলেচ ভবেদ্বেশ্য বুধে সৌভাগ্যমাপ্নুয়াৎ।।*
*গুৰৌ ভৱেৎ শ্ৰীমতী চ শুক্ৰে পুত্ৰবতী ভবেৎ।*
*শনৌ বন্ধ্যা বিজানীয়াৎ প্ৰথমে স্ত্ৰীৰজস্বলা।।"*[২১]

গণকৰ মুখেৰে বাৰৰ ফলাফল শুনি শুভ হ'লে সকলোৱে স্বস্তিৰ নিশ্বাস পেলায় আৰু অশুভ হ'লে বাৰৰ অশুভ দোষ খণ্ডনৰ বাবে কেনে ধৰণৰ প্ৰতিবিধান দিয়ে তালৈ অপেক্ষা কৰে।

**২.০১.৫.২ মাহৰ ফল ঃ**

কোন মাহত ছোৱালীজনী তোলনি হৈছে তাৰ ওপৰতো ছোৱালীজনীৰ ভাগ্য নিৰ্ভৰ কৰে। যজুৰ্বেদীয় বিবাহ পদ্ধতিত উল্লেখ থকা মাহৰ ফলাফল এনেধৰণৰ —

*'জ্যৈষ্ঠে চ বিধবা নাৰী আষাঢ়ে ধনসংযুতা।*

*শ্ৰাৱণে ম্ৰিয়তে পত্যা ভাদ্ৰে চ বহুৰোগিনী।।*

*আশ্বিনে ম্ৰিয়তে কন্যা কাৰ্ত্তিকে কুলনাশিনী।*

*মাৰ্গশীৰ্ষে কৰ্ম্মশীলা পৌষে চ ৰতিবিহ্বলা।।*

*মাঘে ধনৱতী নাৰী ফাল্গুনে বহুপুত্ৰিণী।*

*চৈত্ৰে নাৰী মদোন্মাত্তা বৈশাখে প্ৰিয়দৰ্শিনী।।"*[২২]

অৰ্থাৎ **বহাগ মাহত হ'লে-প্ৰিয়দৰ্শিনী, জেঠ মাহত হ'লে-দুৰ্ভাগিনী/বিধৱা, আহাৰ মাহত হ'লে- ধন, পুত্ৰিনী, শাওণ মাহত হ'লে-মৃতবৎসা অৰ্থাৎ মৃত সন্তান জন্ম দিয়া, ভাদ মাহত হ'লে-ৰোগিনী, আহিন মাহত হ'লে-ধনশূন্য/দৰিদ্ৰ, কাতি মাহত হ'লে-কুলনাশিনী, আঘোণ মাহত হ'লে-ধৰ্মশীলা, পুহ মাহত হ'লে-দুৰ্ব্বলা, মাঘ মাহত হ'লে-খঙাল স্বভাৱৰ, ফাগুণ মাহত হ'লে- বহুপুত্ৰিনী, চ'ত মাহত হ'লে-বেশ্যা** হয় বুলি বিশ্বাস কৰা হয়।[২৩] বেণুধৰ ৰাজখোৱাই অসমীয়া সমাজৰ বিভিন্ন বিশ্বাসৰ কথা আলোচনাৰ প্ৰসংগত উল্লেখ কৰিছে — চ'ত মাহত প্ৰথম ৰজঃদৰ্শন হোৱা ছোৱালীজনী চৰিত্ৰহীনা হয় বুলি বিশ্বাস কৰা হয়।[২৪]

**২.০১.৫.৩ পক্ষ আৰু তিথিৰ ফলাফল ঃ**

শুক্লপক্ষ আৰু কৃষ্ণপক্ষৰ ভিতৰত শুক্লপক্ষক শুভ বুলি গণ্য কৰা হয়। সেয়ে শুভ কাম-কাজবোৰ শুক্লপক্ষত হ'লে মঙ্গলজনক বুলি বিবেচনা কৰা হয়। ছোৱালী এজনীয়ে প্ৰথম ৰজঃদৰ্শনৰ শুভাশুভ ফলাফল গণনাত পক্ষৰো ভূমিকা আছে। গণনা অনুসৰি শুক্লপক্ষত তোলনি হ'লে তেওঁ বহুপুত্ৰিনী হয় বুলি কোৱা হয়। আনহাতে কৃষ্ণ পক্ষত তোলনি হ'লে তেওঁৰ স্বামী আৰু কুলনষ্ট হোৱাৰ যোগ থাকে।

ছোৱালীজনী তোলনি হোৱাৰ দিনাখন কি তিথি আছিল, তাৰ ওপৰতো গণনাৰ ফলাফল নিৰ্ভৰ কৰে। সেই অনুসৰি **প্ৰতিপদ তিথি হ'লে-পুত্ৰৱতী, দ্বিতীয়া আৰু তৃতীয়াত-অল্পায়ু পুত্ৰৰ মাতৃ, চতুৰ্থীত-কামিনী, পঞ্চমীত - পুত্ৰৱতী, ষষ্ঠীত-অৰ্থ বিনাশকাৰী, সপ্তমীত-দন্দুৰী স্বভাৱৰ, অষ্টমীত-বহু পুত্ৰৱতী, নৱমীত-বিধৱা, দশমীত- ৰুগীয়া, একাদশীত- কন্যা সন্তানৰ মাতৃ, দ্বাদশীত-উত্তম পুত্ৰ সন্তানৰ মাতৃ, ত্ৰয়োদশীত- বৰ্ণসংকৰ**

**কন্যা, চতুৰ্দশীত-সৰ্বলক্ষণযুক্তা, অমাৱস্যাত-গৰ্ভনষ্ট, পুৰ্ণিমাত-সৰ্ব্বগুণসম্পন্ন পুত্ৰৰ** মাতৃ হয় বুলি গণকে গণনাৰদ্বাৰা অৱগত কৰে।[২৫]

### ২.০১.৫.৪ যোগ নিৰূপণ ঃ

তোলনি হোৱা সময়ৰ বিভিন্ন নক্ষত্ৰৰ অৱস্থানৰ ওপৰত নিৰ্ভৰ কৰি যোগ নিৰূপণ কৰা হয়। **কৃত্তিকা, ৰোহিনী, মৃগশিৰা নক্ষত্ৰৰ অৱস্থান অনুসৰি - পতিহীতা, আত্ৰা, পুৰ্ণৰ্ব্বসু, পুষ্যা, অশ্লেষা, মঘা, পূৰ্ব্বফলগুণী, উত্তৰ ফলগুণীৰ অৱস্থানত - কান্তা, হস্তা, চিত্ৰা, স্বাতী, বিশাখাৰ অৱস্থানত - বেশ্যা, অনুৰাধা, জ্যেষ্ঠা, মূলা, পূৰ্ব্বষাঢ়াৰ অৱস্থানত - পতিহীনা, উত্তৰষাঢ়া, শ্ৰবণা, ধনিষ্ঠাৰ অৱস্থানত - শুভগা, শতভিষা, পূৰ্ব্বভাদ্ৰাপদ, উত্তৰভাদ্ৰপদৰ অৱস্থানত-দুৰ্ভগা, ৰেৱতী, অশ্বিনী, ভৰণীৰ অৱস্থানত- দুঃশীলা** যোগৰ অধিকাৰিণী হয় বুলি গণনাৰ ফলাফলত পোৱা যায়।[২৬] যজুৰ্বেদীয় বিবাহ পদ্ধতিক উল্লেখ থকা অনুসৰি — *"যোগানাং মধ্যে পতিহীনা বেশ্যা দুৰ্ভগা দুঃশীলা এতে অশুভাঃ। অন্যে শুভ যোগাঃ।"* [২৭] অৰ্থাৎ পতিহীনা, বেশ্যা আৰু দুঃশীলা যোগ অশুভ আৰু বাকীবোৰ যোগক শুভ বুলি ধৰা হয়। যোগৰ ফলাফলে ছোৱালীজনীৰ ভৱিষ্যত জীৱনত বহুত প্ৰভাৱ পেলায়। সেয়ে ছোৱালীজনীয়ে কি যোগ পালে সেইটো সকলোৰে বাবে গুৰুত্বপূৰ্ণ।

প্ৰতিটো যোগৰ একোটা অধিপতি গ্ৰহ থাকে। সেই হিচাপে **পতিহীতা যোগৰ - বৃহস্পতি, কান্তা যোগৰ - বুধ আৰু চন্দ্ৰ, বেশ্যা যোগৰ - আদিত্য (নক্ষত্ৰ), পতিহীনা যোগৰ- শনি, শুভাগা যোগৰ - শুক্ৰ, দুৰ্ভাগা যোগৰ - মঙ্গল, দুঃশীলা যোগৰ - ৰাহু আৰু কেতু** গ্ৰহ বুলি কোৱা হয়।[২৮]

### ২.০১.৫.৫ কন্যা নিৰূপণ ঃ

প্ৰথম ৰজঃদৰ্শন কৰা ক্ষণটোৰ ওপৰত ছোৱালীজনীৰ গণনাৰ ফলাফল নিৰ্ভৰ কৰে। সন্ধ্যা সময়, ৰাতি, আনৰ ঘৰত, সংক্ৰান্তি, কৃষ্ণপক্ষ চন্দ্ৰ আৰু সূৰ্যগ্ৰহণৰ সময়ত ছোৱালী এজনী তোলনি হোৱাটো অশুভ বুলি গণ্য কৰা হয়। ৰাতি তোলনি হোৱাটো অশুভ বুলি গণ্য কৰিলেও ৰাতিৰ প্ৰথম ভাগত তোলনিৰ ফলাফল শুভ, মাজনিশা হ'লে ফলাফল মধ্যম আৰু শেষ ৰাতি হ'লে একেবাৰে অশুভ বুলি গণনাৰ জৰিয়তে জনোৱা হয়। কন্যা নিৰূপণো তোলনি হোৱাৰ ক্ষণৰ ওপৰতে নিৰ্ভৰশীল। এই কন্যা চাৰি প্ৰকাৰৰ ঃ পদ্মিনী, শঙ্খিনী, চিত্ৰিনী আৰু হস্তিনী। পুৱা ৫ বজাৰ পৰা ৯ বজাৰ ভিতৰত ৰজঃস্বলা হ'লে-**পদ্মিনী**, পুৱা ৯ বজাৰ

পৰা ১২ বজাৰ ভিতৰত -**চিত্ৰিনী,** দুপৰীয়া ১২ বজাৰ পৰা সূৰ্য অস্ত যোৱা আগত তোলনি হ'লে - **শঙ্খিনী** আৰু সূৰ্য অস্ত যোৱাৰ পৰা ৰাতিপুৱা ৫ বজাৰ ভিতৰত হ'লে - **হস্তিনী** কন্যা বুলি কোৱা হয়। এই কথাখিনি যজুৰ্বেদীয় বিবাহ পদ্ধতিত এনেদৰে পোৱা যায় —

*"প্ৰভাতে পদ্মিনী কন্যা অপৰাহ্নেচ শঙ্খিনী।*

*মধ্যাহ্নে চিত্ৰিনী চৈব সায়াহ্নে হস্তিনী মতা।"* ২৯

উপৰোক্ত চাৰি প্ৰকাৰৰ কন্যাৰ কিছুমান বৈশিষ্ট্য আছে। সেই বৈশিষ্ট্যসমূহ এনেধৰণৰ—

*"পদ্মিনী কন্যাৰ পদ্মত প্ৰমাণ। পৰ পুৰুষক দেখে পিতৃৰ সমান।।*

*চিত্ৰিনী কন্যাৰ চিন্তাত ৰতি। সদায় কৰে কন্যা স্বামীত ভকতি।।*

*শঙ্খিনী কন্যাই শঙ্খ মুখে ধায়। সেই কন্যাৰ পুৰুষে বহু দুখ পায়।।*

*হস্তিনী কন্যাৰ হস্তীৰ গমণ। সেই কন্যাৰ পুৰুষৰ নাই অধিক জীৱন।।"* ৩০

গণনাৰ জৰিয়তে সকলোৰে সন্মুখত ছোৱালীজনীৰ ভৱিষ্যতৰ ফলাফলসমূহ দাঙি ধৰা হয়। স্বাভাৱিকতেই গণনাৰ ফলাফল শুভ হ'লে সকলোৱে স্বস্তিৰ নিঃশ্বাস কাঢ়ে। কিন্তু গণনাৰ ফলাফল অশুভ হ'লে সকলোৰে মনত এক অজান আশংকাই দেখা দিয়ে। ছোৱালীজনীৰ গণনাৰ ফলাফল প্ৰায়ে মিশ্ৰিত হয়। কেতিয়াবা শুভ ফলৰ পৰিমাণ বেছি হয়, কেতিয়াবা অশুভ ফলৰ পৰিমাণ বেছি। অশুভ ফলসমূহ খণ্ডনৰ বাবে গণকে কেতবোৰ প্ৰতিবিধান দিয়ে। অশুভ দশাৰ পৰা হাত সাৰিবলৈ সকলোৱে গণকে দিয়া প্ৰতিবিধানসমূহ নিষ্ঠাৰে পালন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰে।

### ২.০১.৫.৬ গণকে দিয়া প্ৰতিবিধান ঃ

অতীজৰে পৰা মানুহ ভাগ্যবিশ্বাসী। বিশেষকৈ ভাৰতীয় মানুহৰ জীৱন যাত্ৰাত ভাগ্যৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। গণকে ভাগ্য গণনা কৰি তোলনি হোৱা ছোৱালীজনীৰ অশুভ ফলাফলবোৰ আঙুলিয়াই দিয়াৰ পিছত তাৰ প্ৰভাৱ অদূৰ ভৱিষ্যতে ছোৱালীজনীৰ গাত পৰিব বুলি সকলোৱে অন্তঃকৰণেৰে বিশ্বাস কৰে। এই অশুভ প্ৰভাৱৰ পৰা মুক্ত হ'বলৈ জ্যোতিষ শাস্ত্ৰত কেতবোৰ প্ৰতিবিধানো উল্লেখ থাকে। গণকে ঘৰৰ পৰিয়ালটোক আশ্বস্ত কৰিবলৈ তথা ছোৱালীজনীৰ মনৰ শংকা দূৰ কৰিবলৈ কেতবোৰ প্ৰতিবিধান দিয়ে।

তোলনি হোৱা ছোৱালীজনীয়ে কি যোগ পাইছে তাৰ ওপৰত নিৰ্ভৰ কৰি ব্ৰত ৰখাৰ সময় নিৰ্দ্ধাৰণ কৰা হয়। সেই অনুসৰি **পতিহীনা** যোগ পালে-**তিনিমাহ**, **দুঃশীলা** যোগ পালে-**ডেৰ মাহ**, **বেশ্যা** যোগ পালে-**পোন্ধৰ** দিন, **দুৰ্ভগা** যোগ পালে-**বাৰ** দিন, **পতিহীতা**, শুভগা আৰু কান্তা যোগ পালে-**সাতদিন** ব্ৰত ৰাখিব লাগে। ৩১

কন্যা অনুযায়ী কি পাত্ৰত ব্ৰতৰ ভাত খাব সেয়া নিৰ্দ্ধাৰণ কৰা হয়। যজুৰ্বেদীয় বিবাহ পদ্ধতিত উল্লেখ আছে —

*"পদ্মিনী পদ্মপত্ৰে চ উৎপলে চৈব চিত্ৰিনী।*
*শঙ্খিনী ক্ষাৰ পত্ৰে চ শিলা পত্ৰে চ হস্তিনী।।*
*অভাবে সৰ্ব পাত্ৰাণাং শীলাপাত্ৰং প্ৰশস্যতে।*
*পতিহীনা দুষ্টাযোগে মৃত্তিকাপাত্ৰমাদিশেৎ।।"* ৩২

অৰ্থাৎ **পদ্মিনী** কন্যা হ'লে- **পদুম ফুলৰ পাতত**, **চিত্ৰিনী** কন্যা হ'লে- **উৎপলৰ পাতত**, **শঙ্খিনী** কন্যা হ'লে-**কল পাতত**, **হস্তিনী** কন্যা হ'লে-**শিলৰ পাত্ৰত** ভাত খোৱাৰ নিয়ম প্ৰচলতি আছে। আনহাতে পতিহীনা যোগ পোৱাসকলে মাটিৰ পাত্ৰত ব্ৰতৰ ভাত খাৰ লাগে।

গণনাৰ সকলোবোৰ দিশ চালিজাৰি চাই উপস্থিত ৰাইজক সেইবোৰ অৱগত কৰাৰ পিছত ধুৱাবৰ দিনা দোষখণ্ডনৰ বাবে ছোৱালীজনীক একোবিধ সামগ্ৰী বা প্ৰাণী দেখুৱাব দিয়ে। ধুওৱাৰ পিছত কি দেখুৱাব সেইটো নিৰ্ভৰ কৰে তেওঁ পোৱা যোগ অনুসৰি। সাধাৰণতে তোলনি হোৱাৰ পৰা চতুৰ্থ দিনাই ছোৱালীজনী ধুৱাব দিয়া হয় যদিও গ্ৰহ দোষ অত্যন্ত বেছি হ'লে কেতিয়াবা পাঁচদিনৰ দিনাহে ধুৱাব দিয়ে। **পতিহিতা** যোগ পালে-**কল এক আখি, কান্তা** যোগ পালে-**দধি-দুগ্ধ, বেশ্যা** যোগ পালে-**এযোৰ বগা ৰাজহাঁহ**, **পতিহীনা** যোগ পালে-**ক'লা বৰণৰ ছাগলী** বা **গৰু, শুভগা** যোগ পালে-**এপোৱা গুৰ**, **দুঃশীলা** যোগ পালে-**এযোৰ ক'লা পাৰ**, দুৰ্ভগা যোগ পালে-**কাছ** দেখুওৱাৰ প্ৰতিবিধান দিয়া হয়।

মাহ, বাৰ, নক্ষত্ৰ, যোগ, তিথি আৰু লগ্নদোষ খণ্ডনৰ বাবে দিয়া আন আন বিধানবোৰৰ উপৰিও দান দিও দোষ খণ্ডণৰ উপায় দিয়া হয়। দান কোনো এজন ব্ৰাহ্মণ বা তেওঁক গণনা কৰা গণক জনকো দিব পাৰি। দান সম্পৰ্কে যজুৰ্বেদীয় বিবাহ পদ্ধতিত এনেদৰে উল্লেখ আছে —

*"মাস দোষে গুড়ং তৈলং, বাৰ দোষেতু তণ্ডুলম্।*
*নক্ষত্ৰেচ মনিং দদাৎ যোগেচ তিল কাঞ্চনম্।।*
*তিথি দোষে চ গাং দদ্যাৎ, কৰণে কাঞ্চনং তথা।*
*লগ্নদোষে বৃষং দদ্যাৎ, প্ৰথম স্ত্ৰী ৰজস্বলা।।"* ৩৩

অৰ্থাৎ **মাহৰ** দোষত-**গুড় আৰু তেল**, **বাৰৰ** দোষত-**চাউল**, **নক্ষত্ৰৰ** দোষত-**মণি**, **যোগৰ** দোষত-**তিল আৰু সোণ**, **তিথিৰ** দোষত-**সোণ** আৰু **লগ্ন** দোষত-**ষাঁড়** গৰু দান দিব লাগে।

দানৰ বাবে নিৰ্দ্ধাৰিত সকলো বস্তু দিয়াটো সম্ভৱ নহয়। সেয়ে সাধাৰণতে দিব নোৱাৰা বস্তুবোৰৰ এটা মূল্য ধৰি দিয়া হয়। সেই মূল্যখিনি নামমাত্ৰ টকাৰ হিচাপত দিয়া হয় যাতে পৰিয়ালটোৰ মনৰ পৰা এটা গুৰুভাৰ কমি যায়।

ছোৱালীজনীক চাৰিদিন বা পাঁচদিনৰ দিনা কোনটো সময়ত, কোন দিশত মুখ কৰি ধুৱাব সেই কথা কৈ দিয়াৰ পিছত গণনা কাৰ্যৰ সামৰণি পৰে। এই সকলোবোৰ কথা অতি চমুকৈ কাগজ এখনত লিপিবদ্ধ কৰি গৃহস্থক গতাই দিয়া হয়। এই চাৰিদিন ছোৱালীজনীক ফলাহাৰ কৰিবলৈ দিয়া হয় যদিও কল খাবলৈ দিয়া নহয়। গণনাৰ সামৰণি পৰাৰ পিছত ছোৱালীজনীক গণকৰ সন্মুখত থকা অমিতাটোৰ পৰা অলপ কাটি প্ৰথমে মুখত দিবলৈ দিয়া হয়। ইয়াৰ পিছত আন ফলমূল আৰু আগদিনা তিয়াই থোৱা বুট-মুগ খাব পাৰে।

গণকজনক আৰু তাত উপস্থিত থকা মানুহকেইগৰাকীক সামৰ্থ্য অনুযায়ী চাহ তামোলেৰে আপ্যায়ন কৰা হয়। এখন শৰাই বা কাঁহৰ বটাত গণকৰ দক্ষিণা হিচাপে অলপ টকা আৰু তেওঁক দিবলৈ সাজু কৰি ৰখা সিধাটো আগবঢ়োৱা হয়। কিছুমান গণকৰ মাননিৰ পৰিমাণটো নিৰ্দ্ধাৰিত থাকে। এনেধৰণে গণকক বিচৰা অনুযায়ীয়ে মাননিটো দিব লাগে যদিও দুখীয়া মানুহৰ ক্ষেত্ৰত অলপ এৰাধৰা চলে। এইদিনাৰ পৰাই ওচৰ চুবুৰীয়া তথা আত্মীয় স্বজনে ছোৱালীজনীৰ কাৰণে বুট-মুগ, ফল-মূল বা গাখীৰ আনে। দ্বিতীয় আৰু তৃতীয় দিনত ঘৰখনলৈ এনেকৈ ছোৱালীজনীৰ কাৰণে বস্তু অনা মানুহ আহিয়েই থাকে। ছোৱালীজনীক যি খাবলৈ দিয়া হয় সেয়া সূৰ্য অস্ত যোৱাৰ আগতেই দিয়া হয়, ৰাতি একো খাব দিয়া নহয়। যিহেতু এইকেইদিন ছোৱালীজনী বাহিৰত ওলোৱা নিষেধ সেয়ে তেওঁ নিত্য-নৈমিত্তিক কামবোৰ ঘৰৰ ভিতৰত কৰে। ছোৱালীজনীক ধুৱাবলৈ দিয়া দিশত এটা ডাঙৰ গাত খান্দি

ৰখা হয়। ছোৱালীজনীয়ে খাই এৰা বস্তু, শৌচ-প্ৰস্ৰাৱ আদি যিটো চৰিয়াত কৰা হয় এই আটাইবোৰ সময়ে সময়ে মাকে বা ঘৰৰ আন এগৰাকীয়ে উলিয়াই আনি গাঁতটোত পেলাই দিয়ে। এইবোৰ পেলাই উঠি তেওঁ খাৰেৰে গা-মূৰ ধুই আহিলেহে শুচি হয়।

**২.০১.৬ জননি ঃ**

গণনাৰ দিনাখন গণকজনৰ এটা গুৰুত্বপূৰ্ণ কাম হৈছে 'জননি' বন্ধা। এই জননি বন্ধা কাৰ্যক দৰং অঞ্চলত 'জলেনি বান্ধা' বুলি কোৱা হয়। জলেনি বান্ধিবলৈ প্ৰয়োজনীয় বস্তুকেইবিধ হ'ল ৰূপৰ আঙঠি এটা, ডালিমৰ কলি এটা, তামোল-পাণ এযোৰ, খুচৰা পইচা এটা, সৰু কটাৰী এখন, আৰৈ চাউল অলপ আৰু দুবৰি বন কেইডালি মান। এই সামগ্ৰীখিনি এখন অনাকটা কাপোৰত বন্ধা হয়। দক্ষিণ কামৰূপ অঞ্চলত ইয়াক কোৱা হয় গাজী, আনহাতে উজনি অসমক ইয়াক কনাই বুলি জনা যায়। হেমকোষ অভিধান মতে 'কনাই' শব্দটোৰ অৰ্থ এনেধৰণৰ— *"কনাই-বি (হিং কাণহায়া কৃষ্ণৰ ল'ৰা কালৰ নাম) ডিমৰুগুটি, আৰৈ চাউল আৰু দুৰ্বাৰ টোপোলা, তাক তোলনি বিয়াত সন্তান স্বৰূপে ছোৱালীৰ কোলাত দিয়া যায় আৰু শান্তি বিয়াৰ অন্তত দৰা কন্যা দুয়ো দুইৰ কোলাত দিয়া দি কৰে।* [৩৪] জননিটো হ'ল সন্তানৰ প্ৰতীক। ভৃগুমোহন গোস্বামীয়ে কনাই সম্পৰ্কে আলোচনা প্ৰসংগত কৈছে— *"গুৱাহাটী, উত্তৰ গুৱাহাটী আৰু নলবাৰীৰ কোনো কোনো অঞ্চলত 'কনাই' শব্দটো 'কানাই' হিচাবে উচ্চাৰিত হয়। দৰং জিলা আৰু কামৰূপৰ কোনো কোনো ঠাইত 'কনাই' শব্দৰ ঠাইত জননি আৰু নলবাৰীৰ গন্ধিয়া আদি অঞ্চলত 'গাজী' শব্দ ব্যৱহাৰ কৰা হয়। সংস্কৃত 'জননী' মানে মাতৃ কিন্তু জননি (জন-অনি) মানে উৎপত্তি অৰ্থ সূচায়। গাজী শব্দটোৱেও অঙ্কুৰ বা গজালি অৰ্থকে সূচায়।"* [৩৫] জননিত ৰখা বস্তুবোৰো প্ৰতীকাত্মক। জননি সম্পৰ্কে নবীনচন্দ্ৰ শৰ্মাই কোৱা কথাখিনি প্ৰণিধানযোগ্য *" 'জননি'ৰ অৰ্থ জাননি অথবা পুষ্পিতা হোৱা কন্যাজনীয়ে জনন্ (প্ৰজনন্) ক্ষমতা লাভ কৰিলে বা কৰিছে। 'জননি' এটা সৰু টোপোলা- যি টোপোলাটো কলাসুলভ কৰি প্ৰস্তুত কৰে। টোপোলাটোত অৰ্থাৎ জননিত কি কি বস্তু থাকিব লাগিব তাৰ হিচাপ অঞ্চলে অঞ্চলে বেলেগ হোৱাই স্বাভাৱিক; কিন্তু এইটো ঠিক, সেই বস্তুবোৰে প্ৰজনন শক্তি লাভ কৰাৰ ইংগিত বহন কৰে। নতুন সৰু গামোচা এখনত নতুনকৈ পৰা তামোল-পাণ এযোৰ, অপৰাজিতা ফুল অথবা জয়ন্তী ফুল এটা, ডালিমৰ কৰ বা কলি এটা, আৰৈ বা*

*আলোৱা চাউল এমুঠি, ডিমৰুৰ গুটি এযোৰ, দীঘল বগা বেঙেনা এটি ঘুৰণীয়াকৈ গামোচাখনেৰে বান্ধি শৰাই বা বটাত তুলি, অভাৱত নতুন খৰাহী এটাৰ মুখখন কাপোৰেৰে ঢাকি তাৰ ভিতৰত 'জননি' টো সম্ভ্ৰমেৰে প্ৰেৰণ কৰা হয়। যালৈ পঠিওৱা হয় তেওঁলোকৰ ঘৰৰ মহিলা এগৰাকীয়ে জননিটো গ্ৰহণ কৰি যত্নসহকাৰে ৰাখে। জননিটো প্ৰকৃতাৰ্থত যৌৱনমতী গাভৰু গৰাকীৰ প্ৰতীক মাথোন।"*[৩৬] এই জননি বন্ধা সামগ্ৰীবোৰো ঠাইভেদে বেলেগ বেলেগ হয়। কামৰূপ আৰু নলবাৰী জিলাত জননিত বন্ধা সামগ্ৰীখিনি এনেধৰণৰ — ডালিমৰ কলি এটা, সেন্দূৰৰ ফোঁট দিয়া হাঁহকণী এযোৰ, খটুৱা এখন, ডম্বৰু গছৰ গুটি তিনিটা বা চাৰিটা, ছুৰী-কটাৰী এখন, কঠাল গছৰ পাত কেইখিলামান, তামোল-পাণ এযোৰ, আঙঠি বা খাৰু এপাট, অলপ চাউল আৰু অলপ ফুল ভৰাই দিয়া হয়। সামগ্ৰীখিনি বান্ধি এটা সৰু জপাত ভৰাই দিয়া হয়। দৰঙত জলেনিটো এখন ডাঙৰ ৰুমালৰ সমান অনাকটা কাপোৰত বন্ধা হয়। জলেনিটো এটা সৰু জপাত ভৰাই তাত ছোৱালীজনীয়ে প্ৰথম দিনা ব্ৰতৰ ভাত খাবৰ জোখাৰে চাউল, আলু আদি ভৰাই ৰখা হয়। এই জপাটোক দৰং জিলাত পেটেৰি বুলি কোৱা হয়।

জননিত ৰখা ডালিমৰ কলিটোৱে ভৱিষ্যতৰ সন্তান বুজায়। হাঁহকণীযোৰে ভৱিষ্যতৰ স্ত্ৰী-পুৰুষৰ মিলনৰ কথা সূচায়। জপাটো কইনা আৰু জপাৰ ভিতৰত থকা টোপোলাটোক দৰা অৰ্থত ধৰা হয়। আন অৰ্থত আকৌ জপাটোকে জৰায়ুৰ প্ৰতীক হিচাবে ধৰা হয় আৰু ভিতৰত থকা কনাইক সন্তানৰ প্ৰতীক ৰূপে ধৰা হয়। ৰাজবংশী সমাজত 'গাজিৰাম' তোলনি হোৱা ছোৱালজনীক ধুৱাবৰ দিনা চোতালত সজোৱা হয়।

### ২.০১.৭ জপা থোৱা নিয়ম ঃ

জননিটো তোলনি বিয়াত অপৰিহাৰ্য অংশ। জপাত ভৰোৱা জননিটো সেইদিনা আবেলি অথবা পিছদিনাৰ ভিতৰত মামাকৰ ঘৰ নতুবা আন আত্মীয়ৰ ঘৰত ৰখা নিয়ম। জপাটো এখন এহতীয়া গামোচা বা ৰুমালেৰে ঢাকি ধুনীয়াকৈ এডাল ফুলৰ মালাৰে মেৰিয়াই দিয়া হয়। জপাটো থবলৈ নিয়াৰ আগতে জপাটো এখন আগলতি কলপাতৰ ওপৰত চোতালত মচি-কাচি এঠাইত ৰখা হয়। এগৰাকী কুমাৰী ছোৱালীয়ে জপাটো মূৰত লোৱাৰ আগতে তাত গোট খোৱা আয়তীসকলে উৰুলি জোকাৰ দিয়ে। নাবালিকাজনীৰ মূৰত জপাটো দি আৰু লগত চাৰি-পাঁচজনীমান তিৰোতা মানুহ জপা থোৱা মানুহঘৰলৈ যায়। বাটত তেওঁলোকে

হাঁহি-ধেমালি কৰি গীত পদ গাই যায়। যাৰ ঘৰত জননি ৰাখিব তেওঁলোকে জননি থবলৈ যোৱা মানুহখিনিক বহিবলৈ দিয়ে আৰু জননিটো সাধাৰণতে পাকঘৰৰ এটা চুকত এখন আগলতি কলপাত পাৰি থব দিয়ে। কোনো কোনোৱে ঘৰৰ আন কোঠাৰ আছুতীয়া ঠাইতো জননিটো থব দি সকলোকে চাহ-পানী খুৱাই বিদায় দিয়ে। অৱশ্যে ঠাইভেদে জপা থবলৈ যাওঁতে দুখন বটাত পিঠাগুড়ি ৰুমালেৰে বান্ধি জপাটোৰ লগতে লৈ যোৱা হয়। ধুৱাবৰ দিনা জপাটো ওভতাই লৈ অহা হয়।

দৰঙত চাৰিদিনৰ দিনা চুৰা গা ধুৱাবৰ বাবে অনা জপাটো চুবুৰীৰ যিকোনো এঘৰত থোৱাৰ নিয়ম। চুৰা গা ধুৱাই ছোৱালীজনীক চোতালত বহুওৱা হয়। তাৰ পিছত কেইজনীমান ছোৱালী বা তিৰোতা গৈ ওচৰৰ মানুহঘৰৰ পৰা যথা নিয়মে জননিটো লৈ আহে। জননি থোৱা মানুহ ঘৰৰক দৰাপক্ষ হিচাপে গণ্য কৰা হয়।

বাল্য-বিবাহ প্ৰচলন থকা সময়ত আগ-বিয়াখন হৈ যোৱাৰ পিছত কইনাজনীৰ তোলনি নোহোৱালৈকে মাকৰ ঘৰতে থকাৰ নিয়ম। মাকৰ ঘৰত তোলনি হোৱাৰ পিছত কন্যাঘৰে জপাৰ ভিতৰত কনাই ভৰাই কেইগৰাকীমান ছোৱালী আৰু তিৰোতাক দৰাঘৰলৈ পঠিয়াই দি তেওঁৰ তোলনি হোৱাৰ খবৰটো দিছিল। কন্যাঘৰৰ পৰা জপা লৈ দৰা ঘৰত উপস্থিত হ'লেই তেওঁলোকে বুজি পাইছিল যে কন্যাগৰাকীৰ তোলনি হ'ল। আগতে একেদিনাই চুৰা গা ধুওৱা আৰু ভাল তোলনি বিয়া পতাৰ নিয়ম আছিল। আগবেলা চুৰা গা ধুৱাই, পিছ বেলা ভাল গা ধুওৱা হয়। নামনি অসমত কোনো কোনোৱে ব্ৰত ভাঙি পৰাচিত হোৱাৰ পিছতহে ভাল গা ধুৱা অনুষ্ঠানটো পাতে। এইদিনাৰ বিয়াখনতো দৰাপক্ষৰ পৰাই জপা লৈ দৰাঘৰীয়া হৈ অহাৰ নিয়ম প্ৰচলিত আছিল। অৱশ্যে উজনি অসমত চাৰি দিনৰ দিনা চুৰা গা ধুৱাই সাত দিনৰ দিনাহে নোৱাই তোলনি বিয়া পতা হয়।

**২.০১.৮ তৃতীয় দিনাৰ আনুষ্ঠানিকতা ঃ**

দ্বিতীয় দিনা গণকে গণনা কৰি থৈ যোৱাৰ পিছত ছোৱালীজনীয়ে ফলাহাৰ কৰিব পৰা হয়। সেয়ে ওচৰ-চুবুৰীয়া তথা আত্মীয় সকলে তেওঁলৈ বুলি দ্বিতীয়দিনাৰ পৰাই বুট, মুগ, গাখীৰ, বতৰৰ ফল আদি লৈ আহে। বুটবোৰ কিছুমানে তিয়াই আনে যদিও সৰহসংখ্যকে শুকানকৈয়ে আনে, যিহেতু ছোৱালীজনীৰ ঘৰত ইতিমধ্যে বুট যথেষ্ট জমা হয়। এই শুকান

বুটখিনি ব্ৰতৰ বাকী থকা কেইদিন খাবৰ বাবে ৰখা হয় বা তোলনি বিয়াতো ব্যৱহাৰ কৰা হয়। সাধাৰণতে তৃতীয় দিনাই খবৰ লবলৈ অহা মানুহৰ সোঁত বেছিকৈ বয়। খবৰ লবলৈ অহা মহিলাসকলে ছোৱালীজনীৰ কোঠাত গোটখাই বিভিন্ন কথা বাৰ্তাৰ মাজেৰে ছোৱালীজনীক সহজভাৱে কিছুমান শিক্ষা দান কৰে। বিশেষকৈ ছোৱালীৰ দৈহিক গঠনৰ পৰিবৰ্তনৰ লগে লগে মনৰো যি পৰিৱৰ্তন ঘটে তাৰ আভাস দি ছোৱালীজনীক সতৰ্ক কৰি দিয়ে। নিজৰ অভিজ্ঞতা, অ'ত ত'ত ঘটা কিছুমান অবাঞ্চিত ঘটনাৰ কথা কৈ ছোৱালীজনীক পুৰুষ জাতিৰ পৰা দেহটো বচাই ৰাখিবলৈ প্ৰত্যেকজনী মহিলাই সকীয়নি দিয়ে। তদুপৰি ছোৱালীজনীয়ে এতিয়া ঘৰুৱা কাম-বনৰ প্ৰতিও যে মন-কাণ দিয়া উচিত সেই পৰামৰ্শও তেওঁলোকে দিয়ে। তেওঁলোকে হাঁহি-ধেমালিৰ ছলেৰে যৌৱনকালৰ সম্ভাৱ্য বিপদ-আপদ, দায়িত্ব আদিৰ বিষয়ে ক'বলৈ চেষ্টা কৰে। এই মহিলাখিনি সদ্য যৌৱনপ্ৰাপ্ত ছোৱালীজনীৰ ভৱিষ্যত সুৰক্ষাৰ ক্ষেত্ৰত যথেষ্ট সচেষ্ট হোৱা দেখা যায়।

প্ৰথম দিনাৰ পৰা চতুৰ্থদিনালৈ ছোৱালীজনীয়ে গা-ধোৱা, চুলি ফণিওৱা, নখ কটা, দাঁত ঘঁহা, পিন্ধি থকা কাপোৰ সাজ সলোৱা নিষেধ। এটা অস্বাস্থ্যকৰ পৰিৱেশত ছোৱালীজনীয়ে এইকেইটা দিন অতিবাহিত কৰিব লগা হয়। গ্ৰাম্য সমাজে এয়া পৰম্পৰা বুলি মানিয়েই এইকেইটা দিন পাৰ কৰাত গুৰুত্ব প্ৰদান কৰি আহিছে। এইকেইদিন প্ৰত্যেকদিনাই কোঠাটো সৰা-মচা কৰি পৰিষ্কাৰ কৈ ৰখা হয়। বেয়া গোন্ধ নেপাবৰ বাবে ধূপ-ধুনা জ্বলাই ৰখা হয়।

তৃতীয় দিনা ছোৱালীজনীক গা-ধুৱাই উঠি গাত দিবলগীয়া কাপোৰবোৰ জপা বা বাকচৰ পৰা উলিয়াই লোৱা হয়। মাৰ থকা কাপোৰবোৰ তিয়াই দি মেলি দিয়া হয়। কাপোৰবোৰ মেলি দিয়াৰ সময়ত ইয়াৰ পানীবোৰ চেপি দিয়া নহয়। তিয়াই লোৱা কাপোৰবোৰ পোনে পোনে মেলি দি শুকাই ৰখা হয়। বজাৰৰ পৰা সৰু আইনা, ফণি, সেন্দূৰ, তেল, ব্লাউজ, পেটিকোট, সেন্দূৰৰ টেমা এটা, তেলৰ বটল এটা ৰখা হয়। এখন ধুই লোৱা নতুন গামোচাত হিচাপ কৰি কাপোৰবোৰ লোৱা হয়। পেটিকোট, ব্লাউজকে ধৰি মুঠ কাপোৰৰ সংখ্যা সদায় বিযুৰীয়া অৰ্থাৎ অযুগ্ম সংখ্যাৰ হ'ব লাগে। মেখেলা চাদৰ তিনিযোৰ বা চাৰিযোৰ যিয়েই নহওঁক তাৰ লগত ব্লাউজ, পেটিকোট আৰু গামোচাখনেৰে বিযুৰীয়া সংখ্যাটো ধৰা হয়। এনেদৰে সাজু কৰা কাপোৰবোৰ আইনা-ফণি, সেন্দূৰৰ টেমাটো একেলগে গামোচাখনেৰে

টোপোলা বান্ধি থৈ দিয়া হয়। কাৰণ এই কাপোৰ আনে গাত লগাব নালাগে, কেৱল ছোৱালীজনীহে প্ৰথম গাত লগাব। গণকে ছোৱালীজনীক দেখুৱাব দিয়া বস্তু বা জীৱ-জন্তু যিয়েই নহওঁক সেয়াও আগদিনাখনেই গোটাই থোৱা হয়।

কাপোৰখিনিৰ লগে লগে পিছদিনাৰ কাৰণে প্ৰয়োজনীয় দুবিধ বস্তু হ'ল প্ৰসাদ আৰু আখৈ। আগতে প্ৰসাদৰ বাবে থলুৱা ভাৱে উৎপাদিত গোটা মাটিমাহ বা ইয়াৰ দাইল ব্যৱহাৰ কৰা হৈছিল। এই দাইলখিনি খালৈত ভৰাই পুখুৰীত থকা সাঁকোত ওলোমাই ৰাতিটো পানীত তিয়াই ৰখা হৈছিল। অৱশ্যে ঘৰৰ ভিতৰতো আছুতীয়া বাচনত মাহ তিয়াই ৰখা হয়। কেতিয়াবা ছোৱালীজনীক দিবলৈ অনা বুট বৈ গ'লে তাৰো অলপ তিয়াই ৰখা হয়। আখৈ ভাজিবৰ বাবে সাঁচি ৰখা ধান উলিয়াই লোৱা হয়। আখৈ ভাজিবৰ বাবে চুবুৰীৰে কেইজনীমান তিৰোতাক মতা হয়। চুৰা গা ধুওৱা অনুষ্ঠানত যিহেতু নিমন্ত্ৰিত অতিথি সীমিত সংখ্যক হয়, সেয়ে আখৈৰ পৰিমাণো কমকৈ লাগে। দুজনীমানে আখৈ ভাজে আৰু দুজনীমানে চালনিৰে চালি আখৈবোৰ পৰিষ্কাৰ কৰে। এনেদৰে প্ৰসাদ আৰু আখৈ সাজু কৰি ৰখা হয়। নিমন্ত্ৰিত আয়তীসকলৰ বাবে পাণ-তামোলো সাজু ৰখা হয়। ঘৰৰ কোনোবা এজনীয়ে ওচৰৰ তিৰোতা আৰু ছোৱালী মানুহখিনিক পিছদিনা ৰাতিপুৱা গণকে দিয়া সময়ৰ ভিতৰত ছোৱালীজনীক ধুওৱাত সহযোগ কৰিবলৈ নিমন্ত্ৰণ জনাই থৈ আহে। এই আয়তীসকল বহিবৰ বাবে আগদিনাই ওচৰ চুবুৰীয়াৰ পৰা আনি হ'লেও কঠ-ঢাৰি গোটাই থোৱা হয়। অতিথিসকলক আপ্যায়ন কৰিবৰ বাবে অনুষ্টুপীয়াকৈ চাহৰ যোগাৰ ৰখা হয়। তৃতীয় দিনাৰ আন এটা প্ৰধান কাম হ'ল বেই সজা। ঘৰৰ পুৰুষ সদস্যসকলে গণকে কৈ দিয়া দিশত বেইখন সাজিবলৈ প্ৰস্তুতি চলায়। ইয়াৰ বাবে চাৰিটা ভীম কলৰ পুলি আয়তকাৰে পুতি ওপৰৰ ফালে পাতবোৰ একলগে বান্ধি দিয়া হয়। আয়তকাৰ ঠাইখিনিত কলগছৰ চতি বা পীৰা এখন পাৰি দিয়া হয়। বেইখনৰ ওচৰত আন এটা কলপুলি পতা হয়, এইটো দৰাৰ প্ৰতীক বুলি ধৰা হয়। চুৰা গা ধুওৱাৰ সময়ত লেতেৰা পানীবোৰ জমা হ'বলৈ ওচৰতে গাঁত এটাও খান্দি ৰখা হয়।

চাহৰ বাবে কেটলি, গিলাচ-কাপ, খৰি-খেৰো গোটাই লোৱা হয়। গিলাচ, কাপ নিজৰ ঘৰত পৰ্যাপ্ত নাথাকিলে ওচৰ চুবুৰীয়াৰ পৰাও আনি গোটাই ৰখা হয়। এনেদৰে কন্যাঘৰে চতুৰ্থদিনৰ কৰ্মসূচীৰ বাবে এক ব্যস্ততাপূৰ্ণ দিন পাৰ কৰে।

## ২.০১.৯ চতুৰ্থদিনাৰ আনুষ্ঠানিকতা ঃ

চতুৰ্থ দিনা চুৰা ধুৱেনি অৰ্থাৎ চুৰা গা ধুওৱা পৰ্ব আৰম্ভ হয়। ৰাতিপুৱাই ঘৰৰ মহিলা সদস্যসকলে ঘৰ, চোতাল গোবৰ মাটিৰে মচি-কাচি সুন্দৰ কৰি ৰাখে। মাহ-প্ৰসাদৰ বাবে কলপাতো পুৱাৰ ভাগতে যোগাৰ কৰি ৰখা হয়। পুৱাৰ ভাগত সাজু কৰি ৰখা আন এবিধ সামগ্ৰী হৈছে "সোণা-ৰূপাৰ"[৩৭] পানী, যিহেতু বিয়াখনৰ সকলো চুৰা বস্তু শুদ্ধি কৰণৰ বাবে সোণা-ৰূপাৰ পানী অতি প্ৰয়োজনীয়। ছোৱালী ধুৱাওতে ব্যৱহাৰ কৰিবলৈ মাহ-হালধি পিহি সাজু কৰি ৰখা হয়। আয়তীসকলে ধেমালী বাবে গালে মুখে ঘঁহিবলৈ পিঠাগুড়িও খুন্দি ৰখা হয়। আয়তীসকলে খাবৰ বাবে ওচৰৰ কোনোবা এজনীৰ হতুৱাই তামোল-পাণ কাটি ৰখা হয়।

চুৰা গা ধুওৱাৰ যা-যোগাৰ চলি থকাৰ সময়তে চুবুৰীৰ আয়তীসকল কইনা ঘৰত আহি উপস্থিত হয়। চুৰা গা সাধাৰণতে ছোৱালীৰ মাকে ধুৱায়, কাৰণ ছোৱালীজনী এইকেইদিন বহুত বেছি লেতেৰা হৈ থাকে। মাকে নোৱাৰিলে বা মাক নথকা ছোৱালী হ'লে খুৰীয়েক, বৰ-মাক আদিয়ে এই দায়িত্ব গাত পাতি লয়। ছোৱালী ধুওৱা মানুহগৰাকীক 'ধুৱেতী' বোলা হয়। ধুৱেতীয়ে প্ৰথমে ছোৱালীজনীয়ে ব্যৱহাৰ কৰা কাপোৰ, বাচন-বৰ্তন উলিয়াই লৈ যায়। সেইবোৰ পুখুৰী, নাদ বা দমকলৰ পাৰত আছুতীয়াকৈ ধোৱাৰ ব্যৱস্থা কৰা হয়। কাপোৰ ধোৱাৰ বাবে প্ৰয়োজনীয় চাবোন, খাৰ আদিৰ যোগাৰ ধৰিবলৈ এজনী ছোৱালীক কোৱা হয়। ছোৱালীজনীয়ে এইবোৰৰ যোগান ধৰে আৰু ধুৱেতীয়ে সকলো কাপোৰ-কানি ধুই খাৰ দি শুচি কৰে। কাপোৰখিনিত খাৰপানী দিয়াৰ পিছত লাচনি-পাচনি কৰা ছোৱালজনীয়ে কাপোৰখিনিত ঘটত থকা সোণা-ৰূপাৰ পানী ছটিয়াই দিয়ে। সোণা-ৰূপাৰ পানী ছটিওৱাৰ পিছত এই কাপোৰখিনি ধুৱেতীজনীয়ে আৰু চুব নোৱাৰে, বেলেগ এজনীয়ে আনি কাপোৰবোৰ মেলি দিয়ে নতুবা ধুৱেতীজনীয়ে গা-পা ধুই শুচি হৈ আহি মেলি দিব পাৰে। বিচনাত পাৰি লোৱা খেৰখিনি বেইৰ ওচৰত খন্দা গাঁতটোত পেলোৱা হয়।

বাহিৰৰ কাপোৰ-কানি ধোৱা হোৱাৰ পিছত ধুৱেতীয়ে ছোৱালীজনী থকা ঠাইখিনি গোবৰ-মাটিৰে মচি থয়। এই সময়ত ছোৱালীজনী কোঠাটোৰ এচুকত থিয় হৈ থাকে। ঠাইখিনি মচি উঠি ছোৱালীজনীক মুখখন ঢকাকৈ এখন গামোচা দি তেওঁক চকুমুদি থাকিব

দিয়া হয়। চকুমুদা অৱস্থাতে ধুৰেতীয়ে ছোৱালীজনীক বাহিৰলৈ উলিয়াই আনে। গা ধুওৱা কৰ্মখিনি গণনাৰ সময়ত গণকে কৈ দিয়া সময়ৰ ভিতৰত কৰিব লাগে। ইতিমধ্যে ছোৱালীজনী থিয় হৈ থকা ঠাইখিনিত সোণা-ৰূপাৰ পানী ছটিয়াই শুচি কৰা হয়। ছোৱালীজনীক উলিয়াই অনাৰ লগে লগে তেওঁৰ পিছে পিছে হাতত সোণা-ৰূপাৰ পানী লৈ এজনীয়ে ঠাইখিনিত পানী ছটিয়াই আহে। চুৰা ধুৱাবৰ বাবে লৈ অহাৰ পৰাই ছোৱালীজনীক সেইদিনাৰ বাবে কইনা বুলি কোৱা হয়। এই চুৰা গা ধুৱাবৰ সময়ত কোনো পুৰুষ ব্যক্তি চোতালত বা ঘৰৰ আশে-পাশে থাকিব নোৱাৰে। পদূলিৰ মূৰত এগৰাকী মানুহক ৰাখি কোনোবা পুৰুষ মানুহ আহিছে নেকি লক্ষ্য ৰাখিব দিয়া হয়। সৰু ল'ৰা পৰ্যন্ত এই বিয়াত উপস্থিত থকা নিষেধ। তোলনি বিয়াৰ কইনাজনীয়ে চকু মুদিয়েই ধুৰেতিৰ সহায়ত বেইৰ তলত থিয় হয়। ইতিমধ্যে কেইবাল্টিমান পানী, মগ, মাহ-হালধি বটা, গণকে দেখুৱাব দিয়া বস্তু তাত সাজু কৰি ৰখা হয়। বেইৰ কাষত পোতা কলপুলিটোত এটা সেন্দূৰৰ ফোঁট দিয়া হয়। এজনীয়ে আগদিনাখন সাজু কৰি থোৱা কাপোৰৰ টোপোলাটো আৰু আন এজনীয়ে দুণৰিটো লৈ কইনা ধুওৱা ঠাইত থিয় হয়। দুণৰিত মাটিৰ চাকি গছি জ্বলাই লোৱা হয়। আয়তীসকলো তাত গোট খাই বিয়ানাম দিবলৈ আৰম্ভ কৰে। এই বিয়াত কইনাক গা ধুৱাওতে যথেষ্ট পৰিমাণৰ পানী দৰকাৰ হয়, সেয়ে চুৰা গা ধুৱাবলৈ পানী তুলি অনা নহয়। কইনাক গা ধুওৱা পানী যাতে কাৰো গাত নপৰে তাৰ বাবে সকলোৱে এটা নিৰাপদ দূৰত্বত অৱস্থান কৰে। গা ধুই থকা সময়খিনি কইনাই চকু মুদিয়েই থাকিব লাগে। গা ধুৱাই থাকোতে বিয়াগীতৰ মাধ্যমেৰে ধুৰেতীক গা ধুওৱাৰ নিয়ম-নীতিবোৰ কৈ থকা হয়। ধুৰেতীয়ে প্ৰথমে কইনাৰ মূৰ তথা ভৰি বাদ দি দেহৰ আন অংশত মাহ বটা ঘঁহি দিয়ে। বাল্টিৰ পৰা মগেৰে পানী লৈ তেওঁক ঘঁহি-পিহি গা ধুৱাই দিয়া হয়। গা ধুৱাওতে চাবোনৰ সলনি গোটা খাৰেৰে গাটো পৰিষ্কাৰ কৰা হয়। যিটো বাল্টিৰ পৰা পানী ল'ব তাৰ পানী শেষ হ'লে আন এগৰাকীয়ে ওপৰে ওপৰে সেই বাল্টিত পানী ভৰাই দিব। এনেদৰে গা ধুওৱা হোৱাৰ পিছত চকু মুদি থকা অৱস্থাতে কইনাক বেইৰ পৰা অলপ আঁতৰত এখন পীৰাত আহি থিয় হ'বলৈ দিয়া হয়। পীৰাখনত থিয় হোৱাৰ পিছৰেপৰা ধুৰেতীয়ে আৰু কইনাগৰাকীক চুব নোৱাৰে। পীৰাখনৰ ওপৰতে এজনীয়ে প্ৰথমে তেওঁৰ গাত সোণা-ৰূপাৰ পানী আৰু পিছত ঘটৰ পানী ছটিয়াই দিয়ে। সোণা-ৰূপাৰ পানী

ছটিয়াই দিয়াৰ পিছত তেওঁক আনে চুব পাৰে। ছোৱালীজনীক তিতি থকা অৱস্থাতে এগৰাকীয়ে ধৰি পীৰাখনৰ ওপৰতে তিনিপাক ঘূৰায়। আৰু ইয়াৰ পিছত তেওঁক চকু মেলিব দিয়া হয়। চকু মেলিয়েই তেওঁক চাবলৈ দিয়া হয় গণকে দেখুৱাব দিয়া বস্তুবিধ। যোগ অনুসৰি তেওঁক যি বস্তুৰেই চাবলৈ দিয়ে সেই বস্তুটোলৈ চাই তেওঁ হাতযোৰ কৰি সেৱা লয় আৰু দোষ খণ্ডনৰ বাবে প্ৰাৰ্থনা জনায়। তাৰ পিছত সূৰ্যলৈ চাই প্ৰণাম কৰে। সূৰ্যৰ পিছত ছোৱালীজনীক ফলেৰে ভৰি থকা তামোল বা নাৰিকল গছলৈ চাই প্ৰণাম জনাব দিয়া হয়। চাৰিদিনৰ মূৰত বাহিৰৰ পোহৰত ন গাভৰু হৈ ওলোৱা ছোৱালীজনীক এক অচিন লজ্জাবোধে আগুৰি ধৰে যদিও আয়তীসকলৰ পৰামৰ্শমতে সকলোবোৰ কৰি যায়। তিতা গাৰে যথাযোগ্যভাৱে সকলোকে প্ৰণাম জনোৱাৰ পিছত কইনাক কাপোৰ পিন্ধোৱাৰ ব্যৱস্থা কৰা হয়।

কইনাৰ বাবে সাজু কৰা কাপোৰৰ টোপোলাটো প্ৰথমে ছোৱালীজনীৰ গাত তিনিবাৰ লগাই দিয়া হয়। টোপোলাটো গাত লগোৱাৰ পিছত টোপোলাটো খুলি তাৰ পৰা আইনা-ফণিযোৰ উলিয়াই অনা হয়। এগৰাকী আয়তীয়ে কইনাক মুখখন চাবলৈ দিয়ে আৰু ফণীখনেৰে মূৰটো অলপ ফণিয়াই দিয়ে। সেন্দূৰৰ টেমাটোৰ পৰা সেন্দূৰ লৈ কপালত এটা ফোঁট আঁকি দিয়া হয়। কইনাৰ ভগ্নী বা ভগ্নীতুল্য এগৰাকী ছোৱালীয়ে এখন কটাৰীৰে কইনাৰ ভৰিৰ বুঢ়া আঙুলি দুটা আৰু হাতৰ বুঢ়া আঙুলি দুটাৰ নখ অলপ অলপ কাটি দিয়ে। ইয়াকে 'নখ কমোৱা' বুলি কোৱা হয়। নখ কমোৱাৰ পিছত কাপোৰৰ টোপোলাৰ পৰা কাপোৰবোৰ এখন এখনকৈ লৈ কইনাৰ গাত পেলাই দিয়া হয়। গামোচাৰে গা মূৰ মচি দি গামোচাখন মূৰত খোপাৰ দৰে বান্ধি ৰখা হয়। কাপোৰবোৰৰ মাজৰ পৰা এসাজ কাপোৰ উলিয়াই কইনাক পিন্ধাই দিয়া হয়। খুড়ীয়েক বা বৰমাক সম্বন্ধৰ কোনোবা এগৰাকীয়ে ছোৱালীক ডাংকোলাকৈ আনি চোতালত পাৰি থোৱা বৰপীৰাত আহি বহুৱাই দিয়ে।

চোতালত বৰপীৰাখনৰ কাষতে ভৰি থবলৈ এখন আঠিয়া কলৰ আগলতি কলপাত পাৰি থোৱা হয়। চোতালত আন এখন আগলতি কলপাতত মাটিৰ চাকি এগছি, ধূপ-ধূনা, দুটা সৰু সৰু খৰাহীৰ এটাত মাহ-প্ৰসাদ আৰু আনটোত আখৈ থৈ কলপাতেৰে ঢাকি ৰখা হয়। দুণৰিটো আৰু ইমানদিনে কইনাৰ ওচৰত থকা ঘটটো চাকিগছিৰ ওচৰতে ৰখা হয়।

কইনাক চোতালত বহুৱাই থৈ উঠি কেইজনীমান ছোৱালী আৰু তিৰোতা দৰা ঘৰলৈ

জননিটো আনিবলৈ ওলায়। যাৰ ঘৰত জননিটো থোৱা হৈছিল, তেওঁলোকৰ মহিলাসকল ৰাতিপুৱাৰে পৰা বিয়াঘৰত ব্যস্ত থাকে যদিও জননি অনাৰ আগমুহূৰ্তত ঘৰত গৈ উপস্থিত হয়। তেওঁ মচি থোৱা চোতালৰ এটা অংশত আগলতি কলপাতত চাকি এখন জ্বলাই দিয়ে। জননি ৰখা জপাটো তিৰোতাগৰাকীয়ে আগলতি কলপাতখনত থৈ দিয়ে। জপাটো সৰু গামোছা এখন বা ডাঙৰ ৰুমালেৰে ঢাকি দি ফুলৰ মালা এডাল মেৰিয়াই থোৱা হয়। মাহ-প্ৰসাদৰ খৰাহী দুটাও জপাৰ ওচৰতে ৰখা হয়। কইনা দৰাঘৰীয়াই এসাজ কাপোৰ পিন্ধোৱাৰ নিয়ম, সেয়ে তেওঁলোকৰ সামৰ্থ্য অনুযায়ী নতুন কাপোৰ অথবা পুৰণি পাটৰ কাপোৰ এযোৰ গোটাই থয়। ইয়াৰ বাহিৰেও সেন্দূৰৰ টেমা এটা, গোন্ধ তেলৰ বটল এটা, গাম খাৰু বা মুঠি খাৰু এযোৰ দৰাপক্ষই লৈ অহাৰ নিয়ম। চুবুৰীৰ কাৰোৰে ঘৰত মুঠিখাৰু নাপালে চিনাকি আন মানুহৰ ঘৰৰ পৰা হ'লেও এইযোৰ দৰাপক্ষই অনাৰ নিয়ম। এই আটাইবোৰ যা-যোগাৰ লৈ এগৰাকী নাবালিকাৰ মূৰত জননি থোৱা জপাটো তুলি দিয়া হয় আৰু তেওঁকেই বিয়াখনৰ দৰাৰূপত ধৰি লোৱা হয়। জপাটো মূৰত দিয়াৰ আগতে আয়তীসকলে 'হৰি বোলা হৰি এ হ'ল' বুলি তিনিবাৰ উৰুলি জোকাৰ দিয়ে। চুবুৰীৰ ঘৰতে জপা থলে বাটচোৱাৰ দুৰত্ব কম হয় যদিও জননি লৈ আহোতে সকলোৰে হাঁহি স্ফুৰ্তি কৰি গীত-মাত গাই আহে।

জননি লৈ দৰাপক্ষ কইনাপক্ষৰ পদূলিত থিয় হোৱাৰ লগে লগে জপা লৈ অহা নাবালিকা গৰাকীক পদূলিতে এখন পীৰা পাৰি তাত থিয় হ'বলৈ দিয়া হয়। ইতিমধ্যে ধুৱেতীজনীয়ে গা-মূৰ ধুই সোণা-ৰূপাৰ পানীৰে শুচি হৈ সকলোকে চুব পৰা হয়। ধুৱেতীজনীয়েই আগতেহ সাজু কৰি ৰখা কলৰ দোনা এটাত অলপ এৰাঁ গাখীৰ আৰু বাকলি গুচোৱা কল এটা লৈ সেইখিনি দৰা হৈ অহা নাবালিকা গৰাকীৰ ভৰিত ঢালি দিয়ে। গাখীৰ কল ঢালি দিয়াৰ পিছত ভাল পানীৰে ভৰিখন পুনৰ ধুই দিয়া হয়। ভৰি ধুওৱা হোৱাৰ পিছত ধুৱেতীজনীয়ে নিজৰ গাৰ চাদৰৰ আঁচল বা গামোচা এখনেৰে দৰাক বা দি দি আদৰি আনি চোতালত থিয় কৰায়। চোতালত কইনাৰ ওচৰত জপাটো, দৰা পক্ষৰ পৰা অনা আখৈ-প্ৰসাদ, লগত লৈ অহা কাপোৰ আৰু তেল সেন্দূৰ থৈ দিয়ে। ইতিমধ্যে চোতালত কঠ-ঢাৰি পাৰি দিয়া হয়। তাত সকলোবোৰ বহি লোৱাৰ পিছত কইনা সজোৱাৰ পৰ্ব আৰম্ভ হয়।

কইনা সজাবৰ বাবে কোনোবা এজনী ছোৱালী বা তিৰোতা উঠি আহে। প্ৰথমে

কইনাৰ মূৰত তেল অলপ দি মূৰটো ভালকৈ ফণিয়াই দিয়া হয়। চাৰিদিন ধৰি নফণিওৱা মূৰত চুলিৰ যথেষ্ট জঁট লাগে। ছোৱালীজনীয়ে যাতে দুখ নাপাই তালৈ লক্ষ্য ৰাখি আলফুলে মূৰটো ফণিয়াই দিয়া হয়। মূৰটো ফণিওৱা হ'লে মুখত পাউদাৰ স্নো ঘঁহি দিয়া হয়। পাউদাৰ স্নো নতুনকৈ কিনা নহয়, ঘৰত ব্যৱহাৰ কৰা পাউদাৰ স্নোৰে ঘঁহি দিয়া হয়। মুখত পাউদাৰ স্নো ঘঁহাৰ পিছত কপালত আল্পনা অঁকা হয়। এই আল্পনা আঁকিবলৈ জ্বলি থকা চাকিগছিৰ পৰা ছাই আৰু গুড়ি পাউদাৰ অলপ লোৱা হয়। এডাল সৰু বাহৰ কাঠি বা জুইশলাৰ কাঠিৰে বিন্দু বিন্দুকৈ বগা-কলা মিলাকৈ আল্পনা অঁকা হয়। ভ্ৰূযুগলৰ ওপৰত কপালৰ দুয়োফালে আল্পনা অঁকাৰ পিছত কপালৰ মাজতে সেন্দূৰৰ ফোঁট এটি দিয়া হয়। পোনে পোনে সেওঁতাত নিদি, সেওঁতাৰ ওচৰতো দীঘলীয়াকৈ সেন্দূৰ লগাই দিয়া হয়।

কইনাৰ মুখমণ্ডল সজোৱাৰ পিছত দৰাপক্ষই অনা কাপোৰসাজ আৰু মুঠিখাৰু বা গামখাৰু পিন্ধাই দিয়া হয়। ডিঙিত দুগদুগী হাৰ এডাল পিন্ধোৱা হয়। কইনা সজোৱা হোৱাৰ পিছত জননি লোৱা পৰ্ব আৰম্ভ হয়। ধুৰেতিজনীয়ে প্ৰথমে জননি লোৱা নিয়ম। কইনাৰ সন্মুখত এখন পীৰা পাৰি দিয়া হয়। জননি লোৱা মানুহগৰাকী পীৰাখনত বহি লয়। তেওঁৰ হাতত আৰু কইনাজনীৰ হাতত এখন গামোচা দিয়া হয়। কটাৰীৰ আগেৰে জপাটো খুলি জননিটো উলিয়াই কইনাই হাতত লৈ থকা গামোচাখনত থৈ দিয়া হয়। চাকিগছিৰ ওচৰত থকা ঘটৰ পৰা অলপ পানী লৈ ধুৰেতীজনীয়ে জননিটো ধুৱায়। কইনাই এইবাৰ জননিটো ধুৰেতীজনীয়ে লৈ থকা গামোচাখনত দি একেদৰে ঘটৰ পৰা অলপ পানী দি জননিটো ধুৱায়। এইদৰে তিনিবাৰ জননিটো ইহঁাত-সিহঁাত কৰি ধুওৱা হয়। জননি ধুওৱা হোৱাৰ পিছত ধুৰেতীজনীয়ে সোঁহাতৰ আঙুলিৰে দুণৰিৰ পৰা অলপ চাউল লৈ কইনাৰ মূৰত আৰু বাওঁহাতেৰে দুণৰিত থকা তামোল-পাণযোৰত দিয়ে। এনেদৰে তিনিবাৰ দিয়াৰ পিছত আঁজলিৰে দুণৰিৰ পৰা চাউল লৈ চোতালত বহি থকা মানুহখিনিলৈ তিনিবাৰ ছটিয়াই দিয়ে। ধুৰেতীজনীৰ পিছত দৰা হৈ অহা নাবালিকা গৰাকীয়ে একে ধৰণে জননি লব লাগে। ধুৰেতীজনী আৰু দৰা হৈ অহা ছোৱালীজনীক বাদ দি খুড়ীয়েক, পেহীয়েক, বৰ-মাকহঁতেও জননি লয়। কিন্তু জননি লোৱা মানুহ অযুগ্ম সংখ্যাত শেষ হ'ব লাগে। দৰং জিলাৰ নাথ সম্প্ৰদায়ৰ জননি পৰ্ব শেষ হ'লে আখৈৰ বাতি টনাটনি কৰে। এটা কাঁহৰ বাতিত আখৈ লৈ দৰাপক্ষৰ এজনী

আৰু কইনাপক্ষৰ এজনীয়ে বাতিটো টানে। যিয়ে নিজৰ ফালে বাতিটো নিয়ে তেওঁৰে জিকে বুলি কোৱা হয়। জননি লোৱা পৰ্ব চলি থাকোতে আয়তীসকলক তেল সেন্দূৰ দিয়া হয়। এই তেল সেন্দূৰ কইনাঘৰীয়া আৰু দৰাঘৰীয়া দুয়োপক্ষৰে দিয়া হয়। সেয়ে এটা বাতিত দুয়োপক্ষৰ তেল অলপ মিলাই লৈ চামুচ এখনেৰে সকলোৰে হাতে হাতে বা মূৰত তেল দি যোৱা হয়। তেলৰ লগে লগে সেন্দূৰৰ ফোঁটো দিয়া হয়।

জননি লৈ থাকোতে এক আনন্দমুখৰ তথা আমোদজনক পৰিৱেশৰ সূচনা হয়। তিৰোতাসকলে ইজনীয়ে সিজনীক পিঠাগুড়ি, সেন্দূৰ সানি ৰং ৰহইচ কৰে। জননি লৈ পীৰাত বহিথকাজনীকো নগুৰ-নাগতি কৰিবলৈ নেৰে। জননি লৈ থাকোতে পীৰাৰ তলত পানী পেলাই দি এজনীয়ে পীৰাখন হঠাৎ টান মাৰি আনে, মানুহগৰাকী পানীত লেপেটা খাই পৰি যায়। তাৰ পিছত এজনীয়ে তেওঁক পানীখিনিৰ ওপৰেৰে চোঁচৰাই নিয়ে। জননি লৈ থাকোতে ডিঙিত খালৈ, অমিতাৰ ঠাৰি বা শামুকৰ খোলাৰ মালা গাঠি আঁৰি দিয়া হয়। কেতিয়াবা জননি ধুৱাই থাকোতেই ৰঙীয়াল দুগৰাকী মহিলা হঠাৎ অন্তৰ্দ্ধান হয়। অলপ পিছত দেখা যায় তেওঁলোকে কোনোবা এঘৰৰ পৰা পুৰুষৰ ধুতি, কামিজ পিন্ধি হাতত এডাল লাখুটি, মূৰত পাগুৰিৰে এটা অদ্ভূত বেশভূষাৰে হাজিৰ হয়। তেওঁলোকক দেখি চোতালৰ আয়তীসকলৰ মাজত হাঁহিৰ ৰোল উঠে। দুয়োগৰাকীক দুটা মুঢ়া বা চকী পাৰি বহিব দিয়া হয়। দুয়োৰে কথোপকথনৰ মাধ্যমেৰে ছোৱালীজনীৰ গণনা চোৱাৰ দৰে অভিনয় কৰে। এই গণনাত ঘাইকৈ ছোৱালীজনীৰ বিয়া, লৰা-ছোৱালীৰ প্ৰসংগ,গণনাৰ ফলাফলাবোৰো অদ্ভূত ধৰণে বিশ্লেষণ কৰে। যেনে — ছোৱালীজনীৰ দৰাটোৰ তিনিখন কাণ থাকিব, লৰা ছোৱালী এশটামান হ'ব ইত্যাদি। অৱশ্যে এনেধৰণে ধেমালি কৰোতে মানুহগৰাকীয়ে যাতে খং নকৰে তালৈ দৃষ্টি ৰখা হয়। সাধাৰণতে এনেকুৱা ধেমালিত সহযোগ নকৰাসকলক এৰাই চলা হয়। উজনি আৰু নামনিৰ কোনো কোনো অঞ্চলত বৰবিয়া বা নোৱাই তোলনি বিয়াত প্ৰচলন থকা 'কুলাবুঢ়ীৰ নাচ' নিৰ্দোষ ধেমালিৰে এটা অংগ। ঘাইকৈ ৰাভা সম্প্ৰদায়ৰ মাজত প্ৰচলন থকা এই কুলাবুঢ়ীৰ নাচত মহিলা এগৰাকীয়ে পুৰুষৰ পোছাক পিন্ধি ভূতৰ দৰে ৰূপ লৈ নাচি-বাগি চোতালত এক আমোদজনক পৰিৱেশৰ সূচনা কৰে। এনেদৰে ভূত ৰূপ লোৱাৰ মূল কাৰণ হ'ল বৰবিয়াত দৰা কইনাক আৰু তোলনি বিয়াত কিশোৰীগৰাকীক যাতে কোনো

ভূত-প্ৰেতে লম্ভিব নোৱাৰে। এনেবোৰ নিৰ্দোষ ধেমালিৰ মাজেৰে জননি পৰ্ব শেষ হয়। চোতালত বিয়াগীতৰ পদো সমানে চলি থাকে। চোতালৰ পৰ্ব শেষ হোৱাৰ পিছত ছোৱালীজনীক চাকিগছিৰ সন্মুখত সেৱা ল'ব দিয়ে। আয়তীসকলৰ উৰুলি-জোকাৰৰ মাজেৰে তেওঁ সেৱা লয়। সেৱা লোৱাৰ পিছত ধুৰেতী গৰাকী আহি কইনাই পিন্ধি থকা চাদৰৰ আঁচলত বাওঁহাতেৰে ধৰি সোঁহাতেৰে গামোচা এখনেৰে বা দি বৰঘৰৰ ভিতৰলৈ লৈ যায়। বৰঘৰৰ ভিতৰ সোমোৱাৰ আগতে কোনোবা এজনীয়ে চোতালত জ্বলাই ৰখা চাকিগছি ওলোটাই দি নুমাই দিয়ে আৰু চাকিগছি আনি বৰঘৰৰ পানীপোতাত এটা শিল বা পীৰা এখনত ওলোটাই থৈ দিয়ে। কইনা ঘৰৰ ভিতৰত সোমোৱাৰ আগতে সোঁভৰিৰ গোৰোহাৰে মাটিৰ চাকিগছ ভাঙি পেলায়। এজনীয়ে ঘৰৰ ছালত পানী অলপ ছটিয়াই দিয়ে আৰু চাকিগছিৰ যিমান টুকুৰা হ'ল হিচাব কৰি ঘৰৰ ছাললৈ টুকুৰাবোৰ দলি মাৰি পেলাই দিয়ে।

বৰঘৰত সোমোৱাৰ পিছত কইনাজনী পুনৰ চোতাললৈ ওলাই আহে। এইবাৰ তেওঁ চোতালৰ খৰাহিত ৰখা মাহ-প্ৰসাদ আৰু আখৈ ভগাই দিয়ে। সাধাৰণতে এই আখৈ আৰু প্ৰসাদ নাবালিকা ছোৱালীকহে খাবলৈ দিয়া হয়। এই সময়তে তাত উপস্থিত মানুহখিনিক গৃহস্থৰ সামৰ্থ অনুযায়ী চাহ বা আন বস্তুৰে আপ্যায়ন কৰে। চাহ খোৱাৰ পিছত দৰা পক্ষৰ পৰা অনা মাহ-প্ৰসাদ, আখৈ আৰু কইনা পক্ষই গোটোৱা আখৈ, মাহ-প্ৰসাদ একেলগে দুখন ডাঙৰ ডলাত ভাগে ভাগে মিলোৱা হয়। চোতালত বহি থকাৰ পৰা দুগৰাকীমান আয়তীয়ে ডলাৰ পৰা মাহ-প্ৰসাদ আৰু আখৈ সৰু সৰু খৰাহীত লৈ বিলাবলৈ সাজু হয়। ইতিমধ্যে কোনোবা দুজনীমানে সকলোৰে আগে আগে কলপাত দি যায়। আখৈ বিলাবৰ বাবে বিলনীয়া গৰাকীয়ে এটা সৰু জোখৰ বাতি লয়। কলপাতত মাহ-প্ৰসাদ আৰু সকলোৱে পাতি দিয়া কোঁচত বা চাদৰৰ আঁচলত আখৈ দি যায়। কোনো কোনোৱে আখৈ লবলৈ ঘৰৰ পৰা সৰু খৰাহী লৈ আহে। এই বিয়াৰ আখৈ প্ৰসাদ কোনো পুৰুষ বা ল'ৰা মানুহে খাব নাপায়। সেয়ে ঘৰলৈ লৈ গ'লেও প্ৰসাদ আৰু আখৈ কেৱল মহিলা বা ছোৱালীবিলাকেহে খাব পাৰে। এনেদৰে ৰাতিপুৱাৰে পৰা আৰম্ভ হোৱা বিয়াখন প্ৰায় এটামান বজাত সামৰণি পৰে। সকলো ঘৰাঘৰি গুছি যায়। দৰাপক্ষই কইনাক পিন্ধাবলৈ যদি পুৰণি কাপোৰ আনে সেইযোৰ সেইদিনা সন্ধিয়া বা পিছদিনা ঘূৰাই লৈ যায়। মুঠিখাৰু যোৰো ঘূৰাই নিয়ে। সন্ধিয়া ছোৱালীজনীয়ে ব্ৰতৰ ভাত খাব লাগে।

## ২.০১.১০ ব্ৰতৰ ভাতখোৱা নিয়ম ঃ

ব্ৰতৰ ভাত খোৱাক দৰং জিলাত 'হবিচ-কৰা' বুলি কোৱা হয়। এই হবিচৰ ভাত খোৱাৰ কিছুমান নিয়ম আছে। হবিচৰ ভাত দিনটো উপবাসে থাকি সন্ধিয়া "চকা নুডুবাৰ আগতে" ৩৮ খাব লাগে। এই ভাত সাঁজৰ কাৰণে ৰান্ধনি ঘৰৰ এচুকত খুটি পুতি এটা চৌকা সাজি দিয়া হয়। ভাত খোৱাৰ কেইদিনৰ কাৰণে সাধাৰণতে এটা লোহাৰ কেৰাহী দিয়া হয়। আগতে হবিচৰ ভাত মাটিৰ পাত্ৰত ৰান্ধি খোৱা হৈছিল। যিমানদিন ব্ৰত ৰাখিব লাগে সিমানটা মাটিৰ চৰু কিনি আদি থৈ দিয়া হৈছিল। প্ৰত্যেকদিনাই ভাত ৰন্ধা পাত্ৰটো পেলাই দিয়া হৈছিল। ভাত ৰন্ধাৰ বাবে খৰি-খেৰ আগতেই গোটাই থোৱা হয়। এইসাঁজ ভাতৰ লগত নিমখ খাব পাৰে, কিন্তু তেল, টেঙা, খাৰ, জলকীয়া খোৱা নিষেধ। আৰৈ চাউলৰ ভাতত আলু, খৰুৱা বেঙেনা, আদা সিজাই লৈ ভাতখিনি সাজু কৰি লোৱা হয়। এই ভাত ব্ৰতত থকা ছোৱালীজনীয়েই ৰান্ধিব লাগে। ভাত খোৱাৰ সময়ত গণনাৰ ফলাফল অনুসৰি যি পাত্ৰত খাব দিয়ে সেই পাত্ৰত হে খাব লাগে। কলপাতখন ঘৰতে পায় যদিও উৎপলৰ পাত বা পদুমৰ পাত কেতিয়াবা দূৰৈৰ পুখুৰী বা বিল আদিৰ পৰা আনিব লগা হয়। ঘৰৰ পুৰুষ মানুহে এই পাত যেনে তেনে যোগাৰ কৰি অনাৰ দায়িত্ব লয়। শিলৰ পাত্ৰ যিহেতু পোৱাটো সম্ভৱ নহয়, সেয়ে, শিলৰ পাত্ৰত ভাত খোৱা বিধান থাকিলে কলপাত এখনৰ তলত শিল এটা ৰাখি ভাত খোৱাৰ নিয়ম। ভাত সাঁজ বাঢ়ি লৈ অতি সভক্তিৰে খোৱাৰ পিছত ছোৱালীজনীয়ে ভাত খোৱা পাত চুৰা পাতনিত পেলাই দি, ৰন্ধা পাত্ৰটো ধুই ঠাইখিনি মচি থৈ দিব লাগে। যিখন পীৰাত বহি ভাত খায় সেই পীৰাখন ব্ৰতৰ কেইদিন আনে বহিব নোৱাৰাকৈ আছুতীয়াকৈ ৰখা হয়। ব্ৰতৰ শেষত পীৰাখন ভালদৰে ধুই শুচি কৰা হয়।

ব্ৰত ৰখা কেইদিন ছোৱালীজনীয়ে কিছুমান কাম কৰা নিষেধ। ব্ৰত শেষ কৰি পৰাচিত নোহোৱালৈকে তেওঁ আনক চাহ-ভাত ৰান্ধি খুৱাব নোৱাৰে। গোহালি ঘৰ, আৰু গোসাঁইঘৰত সোমাব দিয়া নহয়। পৰাপক্ষত শোৱা বিচনাখনো আছুতীয়াকৈ ৰখা হয়। একেখন আলনাতে সকলোৰে লগত কাপোৰ ৰাখিব দিয়া নহয়। বিয়া-সবাহ বা আন সকাম-নিকামত ভাগ ল'ব নোৱাৰে। আত্মীয়ৰ ঘৰলৈ ফুৰিবলৈ যোৱাটো নিষেধ। আগতে এইকেইদিন স্কুলত যোৱাটো বাধা আৰোপ কৰা হৈছিল। ব্ৰত ৰখা কেইদিন দুপৰীয়া আৰু সন্ধিয়া ঘৰৰ চৌহদৰ বাহিৰ

হ'লে হাতত এখন সৰু কটাৰী লৈ থকাৰ নিয়ম। আনহাতে ছোৱালীজনীৰ বাউসিত মন্ত্ৰপুত জাপ জৰীও পিন্ধোৱা হয়। নিজৰ গাৰ কাপোৰ ৰাতি বাহিৰত ৰাখিব দিয়া নহয়। এইকেইদিন বয়সত জ্যেষ্ঠজনক স্পৰ্শ নকৰে। দেউতাক, ভায়েক বা ককায়েক তথা আন পুৰুষ মানুহক স্পৰ্শ নকৰে। ব্ৰত শেষ হোৱাৰ পিছদিনা ছোৱালীজনীক পৰাচিত বা প্ৰায়শ্চিত্ত কৰা হয়।

**২.০১.১১ প্ৰায়শ্চিত্তৰ নিয়ম ঃ**

ব্ৰত শেষ হোৱা পিছদিনা আগবেলাৰ ভিতৰত ছোৱালজনীক প্ৰায়শ্চিত্ত কৰাৰ নিয়ম। প্ৰায়শ্চিত্ত কৰিবৰ বাবে এজন ব্ৰাহ্মণ পুৰোহিতক মাতি অনা হয়। পুৰোহিতৰ নিৰ্দেশ অনুসৰি প্ৰায়শ্চিত্তৰ বাবে যোগাৰ কৰা সামগ্ৰীসমূহ হৈছে — চাৰিটা কলৰ দোনা, ফুল, তুলসী, বেলৰ পাত কেইটামান, তিল পাঁচগ্ৰাম, আৰৈ চাউল দহগ্ৰাম, মাটি মাহ দুমুঠি, মিঠাতেল দুই গ্ৰাম, ধূপ, তামোল-পাণ দুযোৰ আৰু দক্ষিণা হিচাবে টকা অলপ।[৩৯] যিহেতু পৰাচিতৰ সময়ত ছোৱালীজনীয়ে দুই-তিনিবাৰ ডুব মাৰি গা-ধুহ আহিব লাগে, সেয়ে ব্ৰাহ্মণজন আহি এই সকলোবোৰ সামগ্ৰী এটা পুখুৰীৰ পাৰত সজাই লয়। এনে ব্যৱস্থা কৰা হয়। ওচৰত পুখুৰী নাথাকিলে কুৱা বা দমকলৰ পাৰত পৰাচিতৰ ব্যৱস্থা কৰা হয়। ব্ৰাহ্মণজনে পূজাৰ সামগ্ৰীবোৰ চাৰিওটা দোনাত যথাবিধি সজাই লয়। ছোৱালীজনীক পুখুৰীত মূৰ তিয়াই গা ধুই আহি তিতা কাপোৰেৰে হাতযোৰ কৰি ব্ৰাহ্মণজনৰ ওচৰত বহিব দিয়া হয়। যথাবিধি মন্ত্ৰোচ্ছাৰণেৰে প্ৰায়চিত্তৰ কৰ্ম কৰি যাওঁতে ব্ৰাহ্মণজনে ছোৱালীজনীক কি কৰিব লাগে তাৰ নিৰ্দেশ দিয়ে। পূজাৰ মাজতে ছোৱালীজনীয়ে আৰু দুবাৰ পুখুৰীত নামি গা ধুই আহে। এনেদৰে পৰাচিতৰ নিয়মবোৰ হোৱাৰ পিছত ছোৱালীজনীক এফাঁকি শ্লোক মাতিবলৈ দিয়ে। শ্লোকফাঁকি এনেধৰণৰ —

*"পাপোহং পাপ কৰ্মাহং পাপাত্মা পাপসম্ভৱঃ।*
*ত্ৰাহি মাং পুণ্ডৰীকাক্ষ সৰ্ব্বপাপহৰো মম।।"*[৪০]

(অৰ্থাৎ হে বাসুদেৱ মোৰ সৰ্ব্বদোষ মৰিষণ আৰু পাপ মোচনাৰ্থে তোমাক স্মৰণ কৰিছোঁ। তুমি মোৰ যেতিয়াই তেতিয়াই হোৱা বা দেখা আত্মাৰ অসন্তুষ্টিক পৰিত্ৰাণ কৰা বা আত্মাদোষৰ পৰা মোক ৰক্ষা কৰা।)

মন্ত্ৰফাঁকি মতাৰ পিছত ছোৱালীজনীয়ে পুনৰ গা ধুই আহি কাপোৰ সাজ সলায়।

তেওঁৰ দোষ খণ্ডনৰ বাবে গণকে দিব দিয়া দান সেইদিনাৰ ব্ৰাহ্মণজনক দিব লাগে। কোনো কোনোৱে ব্ৰাহ্মণজনক নিদি ছোৱালীজনীক গণোৱা গণকজনকহে দিয়ে। দানৰ বস্তু সেইদিনা দিব নোৱাৰিলে সুবিধামতে পিছত দিব পাৰি। পৰাচিত হোৱাৰ পিছত ছোৱালীজনী সম্পূৰ্ণৰূপে শুদ্ধ বা পবিত্ৰ হয়। এইদিনাৰ পৰা তেওঁ সকলো কাম-কাজ কৰিব পাৰে আৰু সকলোৰে লগত খোৱা-বোৱাও কৰিব পাৰে। পৰাচিত হোৱাৰ পিছত খুব কম দিনৰ ভিতৰতে গৃহস্থৰ সুবিধা অনুযায়ী ভাল তোলনি বা ভাল ধুওৱা অনুষ্ঠানটো পতা হয়।

### ২.০১.১২ ভাল তোলনি বিয়া বা ভাল গা-ধুওৱা অনুষ্ঠান ঃ

আগবিয়া প্ৰচলন থকা সময়ত আৰু এই বিয়াৰ প্ৰচলন বন্ধ হোৱাৰ কেবা দশক পিছলৈকে ভাল তোলনি বিয়াখন চুৱা গা ধুওৱাৰ দিনাই পতা হৈছিল। কিন্তু পৰৱৰ্তীকালত এই বিয়াখন পৰাচিত হোৱাৰ পিছত সুবিধা অনুযায়ী কমদিনৰ ভিতৰতে পতাৰ নিয়ম প্ৰচলন হয়। ভাল তোলনি বিয়া বা ভালকৈ ধুওৱা অনুষ্ঠানটোৰ প্ৰস্তুতি অলপ বহলাই কৰা হয়। ৰ'দ আদি নপৰিবৰ বাবে চোতালত সৰুকৈ এখন ৰভা দিয়াৰো ব্যৱস্থা কৰা হয়। চুৱা গা ধুওৱাৰ দিনা পতা বা পৰাচিত হোৱাৰ পিছত পতা যি সময়তেই পতা নহওঁক কিয় এই বিয়াখনত নিমন্ত্ৰিত অতিথিৰ সংখ্যা বেছি হয়। বিয়ালৈ ওচৰ-চুবুৰীয়া, আত্মীয়-স্বজন তথা ছোৱালীগৰাকীৰ বান্ধৱীসকলক নিমন্ত্ৰণ জনোৱা হয়। এইখন তোলনি বিয়াত আখৈ আৰু মাহ-প্ৰসাদৰ পৰিমাণো বেছিকৈ গোটোৱা হয়। আখৈ ভাজিবৰ কাৰণে বিয়াৰ আগদিনাখনেই ব্যাপক প্ৰস্তুতি চলোৱা হয়। সাধাৰণতে চৰুত ভাজিলে আখৈবোৰ কেউফালে ছিটিকি পৰে, সেয়ে ডাঙৰ ডাঙৰ মাটিৰ কলহত আখৈ ভজাৰ ব্যৱস্থা কৰা হয়। ইয়াৰ বাবে চোতালত শিল, ইটা বা চোতালত খান্দি লৈ হ'লেও উধানৰ ব্যৱস্থা কৰা হয়। খেৰৰ পুজিৰ পৰা খেৰৰ লুৱা সাজি সেইবোৰ এহাতমান দীঘল বাঁহৰ লাঠিৰ মূৰত সুমুৱাই লোৱা হয়। ইয়াক 'লুৱা মাৰি' বুলি কোৱা হয়। এই লুৱা মাৰিবোৰেৰে কলহত আখৈ ভাজোতে লৰাই দিয়া হয়। চাৰি-পাঁচজনীমানে আখৈ ভাজে আৰু কেইজনীমানে এইবোৰ চালনিৰে চালি ধানবোৰ বাচি থয়। আখৈবোৰ ভাজোতে চুবুৰীৰ মহিলাসকলে সহযোগ কৰে। আখৈ ভাজিবলৈ বাচনি কৰা মহিলাসকলৰ হাতত যাতে ভালকৈ আখৈ ফুটে সেইটোত গুৰুত্ব দিয়া হয়। আগদিনাখনেই আখৈ ভজা, মাহ-প্ৰসাদ তিয়াই থোৱা, পাণ-তামোল গোটোৱা, ঢাৰি-পাতি সাজু কৰি ৰখা, চাহ-জলপানৰ

ব্যৱস্থা কৰা প্ৰভৃতি যোগাৰবোৰ কৰি ৰখা হয়।

ভাল তোলনি বিয়াৰ অনুষ্ঠানৰ আগদিনাৰ অন্যতম এটি কাম হ'ল জননি দিয়া। সাধাৰণতে মামাকৰ ঘৰত জননি দি থৈ অহা হয়। অৱশ্যে মামাকৰ ঘৰ দূৰৈত হ'লে বা আন কিবা অসুবিধা থাকিলে আত্মীয়ৰ ঘৰতো জননি দিয়াৰ নিয়ম আছে। কোনো কোনোৱে মামাকৰ ঘৰত জননি নিদি তেওঁলোকৰ 'গিয়েতীৰ' ঘৰত জননি দিয়ে।[৪১] জননি থৈ অহাৰ নিয়ম চুৱা গা ধুৱাওতে জননি থোৱাৰ নিয়মৰ দৰে একে।

তোলনি বিয়াৰ দিনা ঘৰ-দুৱাৰ মচি-কাচি পৰিষ্কাৰ কৰি ৰখা হয়। তদুপৰি পাঁচোটা মাটিৰ ঘট বা কাঁহ-পিতলৰ ঘটি পানী তুলিবলৈ সাজু কৰি থোৱা হয়। ৰাতিপুৱাৰ পৰাই আত্মীয়-স্বজন আৰু গাঁৱৰ নিমন্ত্ৰিত আয়তীসকল বিয়া ঘৰলৈ আহিবলৈ লয়। দুপৰীয়াৰ পৰা সকলোৱে দৰাপক্ষ অহালৈ বাট চাই থাকে, কাৰণ দৰাপক্ষ অহাৰ পিছতহে কইনা ধুওৱাৰ পৰ্ব আৰম্ভ কৰা হয়।

দৰাপক্ষই তেওঁলোকৰ চুবুৰীৰ তিৰোতা মানুহখিনিক লৈ কইনা ঘৰলৈ আহিবলৈ সাজু হয়। দৰাপক্ষই চুৱা ধুৱেনীত অনাৰ দৰে সামগ্ৰীবোৰ আৰু হবিচৰ ভাতৰ যোগাৰখিনিৰ লগতে জপাটোত এটা কণী লৈ অহাৰ নিয়ম। হবিচ কৰি খাবৰ জোখাৰে আৰৈ চাউল, আলু, খৰুৱা বেঙেনা আৰু আদা জপাটোত ভৰাই লৈ আহে। দৰাঘৰীয়া হৈ অহা তিৰোতাসকলেও যিয়ে যেনেকৈ পাৰে মাহ-প্ৰসাদ বা আখৈ লৈ অহাৰ নিয়ম। খৰাহীত আখৈ আৰু কাঁহৰ বটাত মাহ-প্ৰসাদ ৰুমাল বা সৰু গামোচাৰে বান্ধি লৈ আহে। সেইদৰে আখৈৰ খৰাহীবোৰো গামোচাৰে বা টেবুল ক্লথ জাতীয় কাপোৰেৰে ঢাকি লৈ অহা হয়। দৰাঘৰীয়া হৈ তিৰোতা মানুহ, নাবালিকা ছোৱালী বা গাভৰু ছোৱালী আহিব পাৰে যদিও ল'ৰা মানুহ অহাটো নিষেধ। অৱশ্যে কইনাঘৰত ভাল তোলনিৰ দিনা চোতালৰ বাহিৰে বাহিৰে পুৰুষসকলে চাহ-জলপান যোগাৰ কৰা বা আন কাম কৰিব পাৰে। কিন্তু চোতালত বা ধুওৱা স্থানত অংশ গ্ৰহণ কৰিব নোৱাৰে।

দৰাপক্ষ যিহেতু দূৰৈৰ গাঁৱৰ পৰা আহে, তেওঁলোকে কইনাঘৰলৈ আহোঁতে ওৰে ৰাস্তাত গীত গাই, হাঁহি-খিকিন্দালি কৰি আনন্দ মনেৰে আহে। দৰাৰূপী নাবালিকাজনীয়ে মূৰত জপা লৈ কইনা পক্ষৰ পদূলিত থিয় হয়। দৰাক পীৰা এখনৰ ওপৰত থিয় হ'বলৈ দি তেওঁৰ পিছফালে আখৈ জপা লোৱা আন তিনিগৰাকী আয়তীক একে শাৰীতে থিয় হ'বলৈ

দিয়া হয়। এখন চাদৰ বা ৰিহাৰে চাৰিওটা জপা ঢাকি দিয়া হয়। দৰাক আদৰি নিয়াৰ লগে লগে তিনিগৰাকী আয়তীও পিছে পিছে চোতালত গৈ উপস্থিত হয়। চোতালৰ এফালে দৰা ঘৰৰ বস্তুবোৰ থৈ দিয়া হয়। দৰা পক্ষ আৰু অতিথিসকলক চোতালত ঢাৰি-পাটী পাৰি বহিব দিয়া হয়। এই অতিথিসকলেও লগত তেওঁলোকৰ ল'ৰা সন্তানবোৰ লৈ নাহে। অতিথি বিলাকে বটাত ৰুমালেৰে বান্ধি অলপ হ'লেও মাহ-প্ৰসাদ অনাৰ নিয়ম। অতি নিকটাত্মীয় হ'লে মাহ-প্ৰসাদৰ সলনি আখৈ লৈ আহে। এই সকলোবোৰ মাহ-প্ৰসাদ আৰু আখৈ ৰান্ধনি ঘৰৰ এটা চুকত থৈ দিয়া হয়।

দৰাপক্ষ অহাৰ পিছতেই পানী তোলাৰ ব্যৱস্থা কৰা হয়। আগৰে পৰা সাজু ৰখা ঘটকেইটা চোতাললৈ উলিয়াই অনা হয়। ধুৰেতীয়ে ল'ব লগা ঘটটো আনকেইটা ঘটতকৈ ডাঙৰ হ'ব লাগে। মূল ঘটটোৰ ভিতৰত তিনিটা বা পাঁচটা পাত থকা আমৰ ডালি এটা, খুচৰা পইচা এটা, তামোল-পাণ এযোৰ ভৰাই লোৱা হয়। ধুৰেতীজনীয়ে হাতত এখন সৰু কটাৰী ল'ব লাগে। ধুৰেতীৰ বাহিৰে ঘট ল'ব লগা আন চাৰিজনী নাবালিকা ছোৱালী হ'লে ভাল, নহ'লেও বংশৰ খুড়ীয়েক বৰমাকহঁতে ঘট ল'ব পাৰে। চোতালত আটাইকেইজনীয়ে একেলগ হৈ হাউলি ঘট কেইটা ধৰি 'হৰি বোলা হৰি এ হ'ল' বুলি তিনিবাৰ উৰুলি জোকাৰ দি ঘটবোৰ হাতত তুলি লয়। ওচৰৰ পুখুৰী বা নদীৰ পৰা পানী তুলিবলৈ যাওঁতে দৰাপক্ষ আৰু কইনাপক্ষৰ জীয়ৰী-বোৱাৰী সকলো একেলগে যায়। সাধাৰণতে বহু বেছি দূৰৈৰ নদী বা পুখুৰীলৈ নগৈ কম দূৰত্বৰ নদী বা পুখুৰী বাচি লোৱা হয়। পানী তুলিবলৈ যাওঁতে আৰু ঘূৰি আহোঁতে আয়তীসকলে বিয়াগীত গাই আনন্দত আত্মহাৰা হৈ পৰে। পানী তুলিবলৈ নদী বা পুখুৰীৰ ওচৰ পোৱাৰ পিছত ঘট লোৱা আটাইবোৰ পানীলৈ নামি যায়। পূবমুৱাকৈ থিয় হৈ প্ৰথমে আয়তীগৰাকীয়ে ঘটটোত অনা পইচা আৰু তামোল-পাণযোৰ পানীত পেলাই দিয়ে। ইয়াৰ পিছত হাতৰ কটাৰীখনেৰে পূবা-পশ্চিমাকৈ আৰু উত্তৰ-দক্ষিণাকৈ (+) যোগ চিনৰ আৰ্হিত পানীখিনিৰ ওপৰেৰে কটাৰীখন পাৰ কৰি দিয়ে। ইয়াকে 'পানীকটা' বুলি কোৱা হয়। পানীকটাৰ পিছত আটাইবোৰে একেলগে পানীত ঘটবোৰ ডুবাইদি তিনিবাৰ 'হৰি বোলা হৰি এ হ'ল' বুলি উৰুলি জোকাৰ দিয়ে। পাৰত ৰৈ থকা আয়তীসকলে বিয়া গীত গাই থাকে। ঘটবোৰত পানী ভৰোৱা হ'লে সকলোৰে একেলগে

‘হৰি বোলা’  দি উভতি যাত্ৰা আৰম্ভ কৰে। পানী তুলি উভতি আহোঁতে কোনোৱে  পিছলৈ উভতি চাব  নাপায়। সকলোৱে পানী তুলি লৈ অহাৰ পিছত ঘটবোৰ পোনে পোনে ছোৱালীজনীক ধুৱাবৰ কাৰণে সাজু কৰি থোৱা বেইৰ ওচৰত ৰাখে। ধুৱেতীজনীয়ে গৈ কইনাজনীক বেইৰ ওচৰলৈ লৈ  আহে, দৰাপক্ষ আৰু কইনাপক্ষৰ সকলোৱে বেইৰ কাষত গোট খায়। কইনাপক্ষৰ  এগৰাকী আয়তীয়ে কাপোৰৰ টোপোলাটো আৰু আন এগৰাকীয়ে দুণৰি এটা লৈ   বেইৰ কাষত থিয় দি থাকে। বেইৰ কাষলৈ মাহ-হালধি বটা খিনিও লৈ অহা হয়। এই বিয়াত ছোৱালীজনী  সম্পূৰ্ণ শুচি, সেয়ে তেওঁক  সকলোৱে চুব  পাৰে। আগতে গা-পা ধুই পৰিষ্কাৰ পৰিচ্ছন্ন হৈ থকা ছোৱালীজনীক ঘটৰ পানীৰে গা  ধুওৱাৰ  নিয়মটো কৰা হয়, প্ৰয়োজন হ’লে বেলেগ পানীও ব্যৱহাৰ কৰা হয়। চুৰা গা ধুৱাওতে কৰা আটাইবোৰ নিয়ম-নীতি এই বিয়াতো যথাযোগ্যভাৱে  কৰা হয়। গা ধুৱাই থাকোতেও বিয়াগীত চলি থাকে।  কইনা ধুৱেতী আৰু  কইনাপক্ষৰ  তিৰোতাসকলে  ইজনিয়ে সিজনীক পিঠাগুৰি, সেন্দূৰ আদি সানি দি এক  আনন্দমুখৰ পৰিবেশৰ সৃষ্টি কৰে। কইনাক গা ধুওৱা হ’লে গাত কাপোৰ দি, নখ কমাই, নতুন এসাজ কাপোৰ  পিন্ধাই দাং কোলাকৈ আনি চোতালত পাৰি থোৱা পীৰাত বহুৱাই  দিয়া হয়। ভৰি থবলৈ আগলতি কলপাত এখন পাৰি দিয়া থাকে।

কইনা সজাই উঠি ধুৱেতী গৰাকী, দৰা হৈ অহা নাবালিকা  গৰাকী আৰু আন কেইগৰাকীমান বংশৰ মহিলাই চুৰা গা ধুওৱাৰ নিয়মৰ দৰে জননি লয়। জননি লওঁতেও পিঠাগুড়ি সনাৰ পৰ্ব চলি থাকে। এই  ধেমালিবোৰ  কইনাপক্ষৰ মানুহখিনিৰ মাজতে সীমাবদ্ধ থাকে। জননি লোৱা পৰ্ব শেষ হোৱাৰ  পিছত নিমন্ত্ৰিত অতিথিসকলে ছোৱালীজনীক চোতালত বহি থকা অৱস্থাতে উপহাৰ প্ৰদান  কৰে। অৱেশ্য তোলনি বিয়াত উপহাৰ প্ৰদান কৰাতো বাধ্যতামূলক নহয়। তথাপিও  আত্মীয়-কুটুম্ব বা বংশ পৰিয়ালৰ কোনোবাই কিবা দিব বিচাৰিলে দিব পাৰে। উপহাৰৰ ভিতৰত হাতেবোৱা চাদৰ বা মেখেলা, ব্লাউজ, সামান্য পৰিমাণৰ টকাই প্ৰাধান্য পায়। মামাকৰ ঘৰৰ  অৱস্থা  ভাল হ’লে তেওঁলোকে সৰুকৈ  এপদ সোণৰ অলংকাৰ বা ভাল কাপোৰ এসাজ দিয়ে।  চোতালত বিয়াগীত পদ চলিয়েই  থাকে। কইনাৰ সকলোবোৰ নিয়ম-নীতি হোৱাৰ পিছত উপস্থিত আয়তীসকলৰ আগত আঠু লয়, আয়তীসকলে “হৰি বোলা হৰি এ হ’ল” বুলি তিনিবাৰ উৰুলি জোকাৰ দি তেওঁক আশীৰ্বাদ দিয়ে। এইবাৰো

কইনা গৰাকীয়ে চোতালত বেলেগকৈ থোৱা মাহ-প্ৰসাদ আৰু আখৈ অলপ নাবালিকা কেইজনীমানক ভগাই দিয়ে। ইয়াৰ পিছত কইনাক ধুৰেতীয়ে ঘৰলৈ আদৰি নিয়ে আৰু যাওঁতে আগৰদৰে মাটিৰ  চাকিটো ভঙাৰ নিয়ম। এই বিয়াতো দৰাপক্ষ আৰু কইনাপক্ষৰ আয়তীসকলক তেল সেন্দূৰ দিব লাগে।

আগৰ দিনত এই তোলনি বিয়াখনত পিঠাগুৰিৰ জলপান খুওৱা হৈছিল। ইয়াৰ বাবে ৰাতিপুৱাৰে পৰা ঢেঁকীত পিঠাগুৰি খুন্দি সাজু কৰি ৰখা হৈছিল। পিঠাগুৰিৰ লগত পানী আৰু "চুৰা" [৪২] দিয়া হৈছিল। এই জলপান খোৱাৰ বাবে কলৰ দোনা ব্যৱহাৰ কৰা হৈছিল। পিঠাগুৰিৰ  জলপানৰ সলনি কোনো কোনোৱে পায়স দিছিল। পৰৱৰ্তী কালত এই জলপানৰ সলনি চাহৰ লগত লুচি দুখন বা বুন্দিয়া ভুজিয়া কাগজত টোপোলা বান্ধি দিয়াৰ ব্যৱস্থা হ'ল। বিয়াৰ কামবোৰ চলি থকাৰ মাজতে চাহ-জলপানৰ পৰ্বও চলি থাকে। আগৰ দিনত যিহেতু মানুহবোৰৰ ঘৰৰ চৌহদ যথেষ্ট আহল-বহল আছিল, সেয়ে চাহ-জলপানৰ ব্যৱস্থা চোতালতে নকৰি  ঘৰৰ আন একাষত কৰা হৈছিল। ঠাই অনুসৰি মানুহ উঠাই নি চাহ-জলপান দি থকা হৈছিল। চাহ-জলপানৰ পৰ্ব শেষ হ'লে এজনী বা দুজনী আয়তীয়ে খৰাহীত  কটা তামোল পাণ লৈ সকলোৰে হাতে হাতে দি যায়। এই বিয়াত দৰাৰূপী নাবালিকাজনী আৰু  লগত অন্য দুগৰাকীক মুঠতে তিনিগৰাকী নাবালিকাক কইনা পক্ষই আছুতীয়া কৈ মাতি নি ভাত খুৱাব লাগে। এনেদৰে সকলোৰে খোৱা বোৱা হোৱাৰ পিছত মাহ-প্ৰসাদ আৰু আখৈ বিলোৱাৰ সময় হয়। সকলোকে  হাতে হাতে কলপাত দিয়া হয়। তিনি-চাৰিজনী আয়তীয়ে ইতিমধ্যে ঘৰৰ ভিতৰত থকা বটাবোৰ আৰু  আখৈবোৰ উলিয়াই আনে। চোতালত দুখন ডাঙৰ ডলা পৰা হয়। দৰাপক্ষৰ বটাবিলাকৰ গাঁঠি খুলি এখন ডলাত মাহ-প্ৰসাদ আৰু  আনখন ডলাত আখৈবোৰ ৰখা হয়। এইবোৰৰ লগত কইনাপক্ষই সাজু কৰি ৰখা মাহ-প্ৰসাদ আৰু আখৈও মিলাই দিয়া হয়। বটা আৰু খৰাহীবোৰৰ পৰা আখৈ প্ৰসাদ বাকোতে সম্পূৰ্ণ নাবাকি অলপ অলপ ৰাখি দিয়াৰ নিয়ম। চোতালত জমা হোৱা বটা আৰু খৰাহীবোৰ ঢাকি অনা কাপোৰখনৰ জৰিয়তে আত্মীয়সকলে চিনি পায় আৰু সেইবোৰ চোতালৰ পৰাই সংগ্ৰহ কৰে। তিনি-চাৰিজনী আয়তী মাহ-প্ৰসাদ  আৰু  আখৈ  বিলাই দিবলৈ উঠে। এনেদৰে  বিয়াখনৰ সামৰণি পৰে। চোতালত সকলোৱে  তিনিবাৰ 'হৰিবোলা হৰি এ হ'ল' বুলি উৰুলি জোকাৰ দি

বিয়াখনৰ সামৰণি মাৰে আৰু গৃহস্থৰ পৰা নিমন্ত্রিত অতিথিসকলে বিদায় লয়।

দৰাপক্ষ হৈ অহা আয়তীসকলে যোৱাৰ আগতে সেইদিনাৰ কইনাজনীৰ কোঁচত জপাত অনা তামোল-পাণ, চাউল, বেঙেনা, আলু, কণী সকলোবোৰ বাকি দিয়ে আৰু তেওঁক লৈ ওচৰৰ পুখুৰী এটাৰ ওচৰলৈ যায়। ছোৱালীজনীক পুখুৰীত কণী আৰু তামোল-পাণযোৰ পেলাই দিবলৈ দিয়া হয় আৰু সকলোৰে উৰুলি জোকাৰ দিয়ে। চাউল, আলু প্ৰভৃতি কোঁচত লৈ ছোৱালীজনী উভতি আহে। ছোৱালীজনীক চোতালত থৈ আটাইবোৰে বিদায় লয়। সেইদিনাই ছোৱালীজনীয়ে জপাত অনা চাউল-আলু আৰু বেঙেনাৰে সিদ্ধ ভাত ৰান্ধি খাব লাগে।

**২.০১.১৩ সখী পতা বা লগৰীয়া বন্ধা অনুষ্ঠান ঃ**

সখি বন্ধা বা মিতা বন্ধা পৰম্পৰা বৰবিয়া এখনত প্ৰচলন আছে। এই সখি বা মিতা দৰাৰ অভিন্ন বন্ধু আৰু কিছু পৰিমাণে দৰাৰ লগত সাদৃশ্য থকা হয়। পৰৱৰ্ত্তী সময়ত তেওঁলোক দুয়োৰে সম্পৰ্ক ঘৰুৱা ভাবেও দৃঢ় হয় আৰু দুয়োখন ঘৰৰ এই আত্মীয়তা তেওঁলোকৰ পো-নাতিৰ দিনলৈকে অক্ষুন্ন থাকে।

তোলনি বিয়াতো সখী পতা বা লগৰীয়া বন্ধা পৰম্পৰা এটাৰ প্ৰচলন আছে। ভাল তোলনি বিয়াত এই অনুষ্ঠানটো পতা হয়। সাধাৰণতে ছোৱালীজনীৰ মনে মিলা আৰু কিছু পৰিমাণে দেখাত সাদৃশ্য থকা এগৰাকী সমবয়সীয়া ছোৱালী সখী পাতিবৰ বাবে দুয়োখন ঘৰৰ সন্মতিক্ৰমে ঠিক কৰি থোৱা হয়। দুয়োজনী ছোৱালী যিহেতু সমবয়সীয়া গতিকে সখী পাতিবলৈ ঠিক কৰা ছোৱালীজনীৰ ইতিমধ্যে তোলনি হৈ উঠে বা তোলনি হোৱাৰ বয়সৰ হয়। এই সখীগৰাকী ঘৰৰ বংশ পৰিয়াল বা আত্মীয় স্বজনৰ ফালৰ পৰা হ'ব নোৱাৰিব। ভাল তোলনি বিয়াৰ দিনা সখীগৰাকী মাক-খুড়ীয়েকহঁতৰ লগত ৰাতিপুৱাই আহি কইনা ঘৰত উপস্থিত হয়। দুপৰীয়া তোলনি বিয়াৰ আনুষ্ঠানিকতা আৰম্ভ হোৱাৰ আগতে তেওঁ গা পা ধুই এসাজ ভাল কাপোৰ তথা গহনা-গাঁঠৰি পিন্ধি সাজু হৈ থাকে। সম্ভৱ হ'লে সখীয়েক গৰাকীক কইনাই পিন্ধা সাজযোৰৰ সতে প্ৰায় মিল থকা কাপোৰ পিন্ধোৱা হয় আৰু কইনাগৰাকীৰ দৰে সজাই পৰাই তোলা হয়। অৱশ্যে মিলাব নোৱাৰিলে সখীয়েকক ভাল এসাজ কাপোৰ পিন্ধালেও হয়। তোলনি বিয়াৰ কইনাজনীক নোৱাই ধুৱাই চোতালত বহুৱাই

আনুষ্ঠানিকতাবোৰ কৰা হয়। সাধাৰণতে জননি লোৱা পৰ্ব শেষ হোৱাৰ পিছত সখী পতা অনুষ্ঠানটো আৰম্ভ কৰা হয়।

এখন কাঁহৰ বটাত তামোল-পাণৰ থোক এটা আৰু পাণৰ গুছি ৰখা হয়। সখী পাতিবলৈ সাজু হৈ থকা ছোৱালীজনীক চোতাললৈ উলিয়াই অনা হয়। তেওঁকো কইনাজনীৰ কাষতে এখন পীৰাত বহিবলৈ দিয়া হয়। চোতালত বহি থকা নিমন্ত্ৰিত অতিথিসকলৰ সন্মুখত দুয়োগৰাকীয়ে থিয় হৈ বটাখন একেলগে ধৰি তিনিবাৰ ওপৰলৈ উঠোৱা আৰু তললৈ নমোৱা কাৰ্য কৰে। এনেদৰে বটাখন উঠোৱা-নমোৱা কৰোতে আয়তীসকলে উৰুলি জোকাৰ দিয়ে। এনেদৰে দুয়োগৰাকীয়ে ৰাইজৰ উপস্থিতিত সখী পাতি আত্মীয়তাৰ বান্ধোনত বান্ধ খাই পৰে। দুয়োয়ে একেলগে সমাজৰ আগত আঠু লৈ তেওঁলোকৰ সম্বন্ধ চিৰযুগমীয়া হোৱাৰ আশিস প্ৰাৰ্থনা কৰে। সামৰ্থ অনুযায়ী দুয়ো সখীয়ে চোতালতে ইজনীয়ে সিজনীক একোসাজ কাপোৰ উপহাৰ দিয়ে। কাপোৰ বিনিময় কৰাৰ বাবে কোনো ধৰাবন্ধা নিয়ম নাই। পৰৱৰ্তী সময়ত এই সম্বন্ধ ঘৰুৱাভাৱেও সুদৃঢ় হৈ পৰে। ইজনীয়ে সিজনীৰ সখীৰ মাক-দেউকাকক ক্ৰমে তাৱৈ আৰু আমৈ সম্বোধন কৰে। সখী পতাৰ পিছত দুয়োঘৰে সখীয়েকৰ পৰিয়ালটোক আলহী খাবলৈ মতাৰ নিয়ম। ইঘৰে সিঘৰৰ ঘৰত অহা যোৱা কৰি বংশ পৰিয়ালৰ অচিনাকি মানুহখিনিৰ লগতো চা-চিনাকি হয়। সখীয়েক দুগৰাকীৰ ঘৰৰ যিকোনো উৎসৱ-পাৰ্বণ বা ঘৰুৱা সকাম-নিকামত তেওঁলোকে আগস্থান পায়। যিজনী সখীয়েকৰ আগতে বিয়া হয়, সেই সখীয়েকৰ বিয়াত আনজনীৰ উপস্থিতি অতি গুৰুত্বপূৰ্ণ হৈ পৰে।

### ২.০১.১৪ পাছবিয়া ঃ

বাল্য বিবাহ প্ৰচলন থকা সময়ত আগবিয়াখন হৈ যোৱাৰ পিছত তোলনি নোহোৱালৈকে ছোৱালীজনী মাকৰ ঘৰতে থাকিছিল। তোলনি হোৱাৰ পিছত দৰাপক্ষই জাননী লাভ কৰি ছোৱালীজনীক ধুৱাবলৈ আহি পতা বিয়াখনকেই শান্তি বিয়া বোলা হয়। আনহাতে বাল্য বিবাহ প্ৰথা উঠি যোৱাৰ পিছত ঘৰতে তোলনি হোৱা ছোৱালীৰ যিখন বিয়া পতা হয় সেয়াই তোলনি বা নোৱাই তোলনি বিয়া। ছোৱালীজনী তেতিয়া ৰজঃস্বলা হয়, তেতিয়া দৰাপক্ষক জনোৱা হয় আৰু তেওঁলোকে কইনাজনীক ধুৱাবলৈ আহি পতা বিয়াখনকেই শান্তি বিয়া বোলা হয়।[৪৩] আগবিয়া হৈ যোৱাৰ পিছত মাকৰ ঘৰত থকা ছোৱালীজনীৰ যেতিয়া তোলনি

হয় তেতিয়া কইনাঘৰে বাঁহ-বেতৰ জপাৰ ভিতৰত কনাই ভৰাই কেইজনীমান ছোৱালী আৰু তিৰোতাক পঠিয়াই দি দৰাপক্ষক সেই সংবাদটো দিছিল। এইদৰে তেওঁলোকে ছোৱালীজনীক আনিব পৰা হৈ গ'ল বুলি পৰোক্ষভাৱে জাননী দি থৈ আহে। ছোৱালী গৰাকী তোলনি হোৱা বুলি গম পোৱাৰ পিছত দৰাঘৰীয়াই জপাটো ৰাখি থয় আৰু চাৰিদিনৰ দিনা ছোৱালী ধুৱাবৰ বাবে তেওঁলোকেই দৰাপক্ষ হৈ আহে। এই চাৰিদিন নিয়ম-নীতিৰ মাজত থকা ছোৱালীজনীক দৰাঘৰৰ পৰা প্ৰত্যেকদিনে বুট-মুগ, গাখীৰ, ফলমূল আদি যোগান ধৰে। অৱশ্যে কইনাঘৰীয়া আৰু খবৰ ল'বলৈ অহা লোকসকলে অনা ফল-মূল, বুট-মুগো ছোৱালীজনীক খাবলৈ দিয়া হয়। তোলনি হোৱা ছোৱালীজনীৰ আগতে উল্লেখ কৰি অহা নিয়ম নীতিৰে আগবেলাৰ ভিতৰত চুৱা গা আৰু পিছবেলা ভাল গা বা ভাল ধুওৱা অনুষ্ঠান পতা হয়।

তোলনি বিয়াখন হৈ যোৱাৰ পিছত ব্ৰতাদি কৰি শেষ হোৱাৰ পিছদিনা পৰাচিত হয়। পৰাচিত হোৱাৰ পিছত দুয়োপক্ষৰ সুবিধামতে এটা নিৰ্দিষ্ট দিনত পাছবিয়াখন পতা হয়। সাধাৰণতে তোলনি হোৱাৰ পৰা ছমাহ বা এবছৰৰ ভিতৰত পাছবিয়াখন পতা হয়। পাছবিয়াখনৰ খৰছ দৰাপক্ষই বহন কৰে। এই বিয়াখন কইনাৰ ঘৰত সম্পূৰ্ণ বৈদিক নীতিৰে পালন কৰা হয়। এই বিয়াখনতো দৰা-কইনাৰ কোলাত জননি দিয়াৰ নিয়ম আছে। এটা টোপোলাত ডিমৰুগুটি, আৰৈ চাউল আৰু দুবৰি বন বান্ধি ৰখা হয়। বৈদিক নীতি নিয়মবোৰ শেষ হোৱাৰ পিছত দৰা কইনা দুয়োৰে মাজত এখন চাদৰ বেৰৰ দৰে দুজনে ধৰি থাকে। কইনাৰ হাতত প্ৰথমে টোপোলাটো দিয়া হয়। চাদৰখনৰ ওপৰেৰে কইনাই টোপোলাটো দৰাৰ কোলালৈ দলিয়াই দিয়ে আৰু দৰাইও একেদৰে কইনাৰ কোলাত পৰাকৈ দলিয়াই দিয়ে। এনেদৰে তিনিবাৰ দুয়ো দুয়োৰে কোলালৈ টোপোলাটো দলিয়াই দিয়ে। এই টোপোলাটো সন্তানৰ প্ৰতীকস্বৰূপ বুলি গণ্য কৰা হয়। এনেদৰে পাছবিয়াখনৰ সামৰণি পৰে আৰু কইনা দৰাঘৰলৈ একেবাৰে গুচি যোৱাৰ বাবে সামাজিক স্বীকৃতি লাভ কৰে।

### **২.০১.১৫ সঠা তুলি থোৱা তোলনি বিয়া ঃ**

চুৱা ধুৱেনিখন পতাৰ পিছত ব্ৰতাদি শেষ হ'লে প্ৰায়শ্চিত্ত কৰাৰ পিছত ছোৱালীজনী সম্পূৰ্ণৰূপে পৱিত্ৰ হয়। সেয়ে তাৰপিছত অতি কমদিনৰ ভিতৰতে ছোৱালীজনীৰ ভাল

তোলনিখন পতা হয়। কিন্তু কেতিয়াবা ছোৱালীজনীৰ ঘৰৰ আৰ্থিক অৱস্থা বা অন্য কিবা কাৰণত গৃহস্থই বিয়াখন সময়মতে নাপাতি নিজৰ সুবিধামতে দেৰিকৈ পাতিম বুলি থৈ দিয়ে। এইদৰে থৈ দিয়া বিয়াখনক দৰঙত **'সঠা তুলি থোৱা বিয়া'** বুলি কয়। এই সঠা তুলি থোৱা বিয়াখন পাতিম পাতিম বুলি ভাবি থাকোতেই কেতিয়াবা ছোৱালীজনী যুৱতী অৱস্থা পায়। যিমানেই বিয়াখন পতা দেৰি হয়, সিমানেই ছোৱালীজনীয়েও ভাল তোলনিত বহিবলৈ লজ্জাবোধ কৰে। ভাল তোলনি নপতাকৈ যিহেতু ছোৱালীজনীক বিয়া দিব নোৱাৰি, সেয়ে কেতিয়াবা সঠা তুলি থোৱা বিয়াখন অনুষ্টুপীয়াকৈ পতা হয়। এই বিয়াখনৰ বাবে কোনো ধৰণৰ আনুষ্ঠানিকতা নকৰি ভাল তোলনি বিয়াখনৰ নামত ঘৰত আই নাম পতা হয়। আই নামত মাহ-প্ৰসাদৰ উপৰিও তেল-সেন্দূৰৰ প্ৰয়োজন হয়। ছোৱালীজনী আৰু তেওঁৰ মাকে নাম শেষ নোহোৱালৈকে উপবাসে থাকে। এই নামলৈ ওচৰ চুবুৰীৰ আয়তীসকলকো মতা হয়। ছোৱালীজনীয়ে শুদ্ধমনেৰে গা-পা ধুই এসাজ বোৱা নতুন মেখেলা চাদৰ পিন্ধি ডিঙিত গামোচা লৈ আয়তীসকলৰ লগত নামত ভাগ লয়। নাম শেষ হোৱাৰ পিছত আয়তীসকলক তেল সেন্দূৰ দিয়া হয়। নামৰ শেষত ছোৱালীজনীয়ে সকলোৰে আগত আঠু লৈ সকলো দোষ খণ্ডনৰ বাবে প্ৰাৰ্থনা কৰে। আয়তীসকলে ঘোষা এফাঁকিৰে তেওঁক আশীৰ্বাদ দিয়ে। গৃহস্থই চাহ-তামোল বা সামৰ্থ্য অনুযায়ী আন জলপানেৰে উপস্থিত সকলোকে আপ্যায়িত কৰে। এই সঠা তুলি থোৱা বিয়াখন কেতিয়াবা ছোৱালীজনীৰ বৰবিয়া আয়োজন কৰাৰ পিছতো কৰা হয়। বৰবিয়াৰ আগতে যেনে তেনে আইনামৰ আয়োজন কৰি আয়তীসকলক তেল-সেন্দূৰ দি উদ্ধাৰ হয়। বিয়াখন আঙঠি পিন্ধোৱাৰ আগতে পাতিব লাগে, পিছত পতাৰ নিয়ম নাই। কেতিয়াবা ভাল তোলনি নপতা ছোৱালীক কোনো ল'ৰাই পলুৱাই নিলে আৰু দৰাঘৰত এই কথাটো জ্ঞাত হ'লে তাতেই আই নাম পাতি ঘৰ সুমুৱা ন-ছোৱালীজনীৰ দোষ খণ্ডনৰ ব্যৱস্থা কৰে। দৰাঘৰে এই কাম নকৰিলে, মাকৰ ঘৰৰ লগত আহ-যাহ হ'লে মাকৰ ঘৰতেই আয়তীক তেল-সেন্দূৰ দি আইনাম এভাগ পাতি ভাল তোলনি নপতা দোষৰ পৰা মুক্ত হয়।

### ২.০১.১৬ দৰঙৰ নৱ-বৈষ্ণৱ সম্প্ৰদায়ৰ মাজত প্ৰচলিত তোলনি বিয়া ঃ

শংকৰদেৱৰ প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ অসমীয়া সমাজ জীৱনত অপৰিসীম।

তেওঁৰ জাতিভেদহীন, উদাৰ আৰু সৰল ধৰ্মমতৰ প্ৰতি আকৃষ্ট হৈ হেজাৰ হেজাৰ লোকে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল। তাহানিৰে পৰা বৰ্তমানেও অসমৰ সমাজ জীৱনত বৈষ্ণৱ ধৰ্মৰ আদৰ্শত বিশ্বাসী আৰু শৰণ লোৱা লোকৰ সংখ্যা কম নহয়। অসমৰ বৰ্তমান বৈষ্ণৱ ধৰ্মৰ বিভিন্ন পন্থৰ ভিতৰত 'শ্ৰীমন্ত শংকৰদেৱ সংঘ' ই সৰ্ববৃহৎ অনুষ্ঠান আৰু ধৰ্মীয় আচাৰ-নীতিৰ বাবে এওঁলোকৰ নিজস্ব সংবিধান আছে; জন্ম, মৃত্যু, বিবাহ সম্পৰ্কীয় সংস্কাৰকৃত্যৰ সকলোবোৰ উৎসৱ অনুষ্ঠান এই নিয়ম মতে পৰিচালিত হয়। উল্লেখযোগ্য যে এই নীতি-নিয়মসমূহত বৈদিক আচাৰ নাথাকে।

নামনি অসমত শংকৰদেৱ সংঘৰ এক বৃহৎ সংখ্যক অনুগামী আছে। দৰঙৰ গ্ৰাম্যাঞ্চলত এই ধৰ্মত শৰণ লোৱা লোকসকলক 'ভকত' আৰু তেওঁলোকৰ নীতি-নিয়মবোৰক 'ভকতীয়া নিয়ম' বুলি কোৱা হয়। তোলনি বিয়াৰ আচাৰ নীতিসমূহ শংকৰদেৱ সংঘৰ সংবিধানৰ *"বিবাহ পদ্ধতি"* ত অন্তৰ্ভূক্ত হৈছে।[৪৪] সেই মতে ছোৱালী এগৰাকী পুষ্পিতা হোৱাৰ লগে লগে এটা আছুতীয়া কোঠাত মাটিত ধানখেৰ পাৰি বিচনা সাজু কৰা হয়। পুষ্পিতা হোৱাৰ প্ৰথম দিনটো উপবাসে থাকিব লাগে। বৈষ্ণৱ সম্প্ৰদায়ৰ লোক সকলোৰ মাজত প্ৰত্যক্ষভাৱে বা ৰাজহুৱাকৈ তোলনি হোৱা ছোৱালীজনীৰ গণনা কাৰ্য কৰা নহয়। অৱশ্যে কোনো কোনো অঞ্চলত অনানুষ্ঠানিকভাৱে এজন বয়োজ্যেষ্ঠ ভকত বৈষ্ণৱৰ ঘৰলৈ গৈ গণনা চাই অহাৰ নিয়ম আছে। ভকতে তোলনি হোৱাৰ সময় জানিলৈ পঞ্জিকা চাই শুভাশুভ অৱগত কৰায়। দ্বিতীয়দিনাৰ পৰা ফল-মূল, বুট-মুগ খাবলৈ দিয়া হয়। কোনো কোনোৱে সন্ধিয়া এসাঁজ নিৰামিষ ভাতো খাব দিয়ে। ছোৱালীজনী থকা কোঠাটোৰ একাষত কীৰ্তন বা ভাগৱত এখন ৰাখি পূৱা-গধূলি চাকি এগছি জ্বলাই ৰখা হয়। প্ৰত্যেকদিনা পুৱা-গধূলি চাকিগছিৰ সন্মুখত তিনিজনী নাবালিকা ছোৱালীয়ে এফাঁকিকৈ ঘোষা গায়। এনেদৰে ছোৱালীজনীক চাৰিদিনলৈ ৰখা হয়।

চাৰিদিনৰ দিনা ওচৰৰে আইসকল আহি ছোৱালীজনীক ঘৰৰ পানীৰে সাধাৰণভাৱে গা ধুৱাই দিয়ে আৰু অযুগ্ম সংখ্যাৰে নতুন কাপোৰ গাত দিয়ে। সেইদিনা আন কোনো আনুষ্ঠানিকতা নাই। আইসকলে ছোৱালীজনীক গা ধুৱাই চাহ-পানী খাই ঘৰাঘৰি গুচি যায়। আচলতে চাৰিদিনৰ দিনাই ছোৱালীজনী শুচি হয়, অন্য কোনো প্ৰায়শ্চিত্তৰ প্ৰয়োজন

নাই। চাৰিদিনৰ পৰা সাতদিনলৈ ছোৱালীজনীয়ে সন্ধিয়া এসাঁজ নিৰামিষ ভাত ৰান্ধি খায়। এইকেইদিন নামঘৰত সোমোৱা, ৰন্ধা-বঢ়াৰ পৰা বিৰত থাকিব লাগে।

সাতদিনৰ দিনা ভাল তোলনি বিয়া পতাৰ নিয়ম। সেইদিনা ৰাতিপুৱাৰ ভাগত নাম-প্ৰসংগ আৰু পিছবেলা তোলনি বিয়াখন পতা হয়। ৰাতিপুৱা প্ৰায় দহমান বজাৰ পৰা ভকত-ভকতনীসকল আহি নাম-প্ৰসংগ কৰিবলৈ ধৰে। নাম-প্ৰসংগ আৰু পিছবেলাৰ বিয়াৰ বাবে বুট-মুগ, ফল-মূল যতনাই ৰখা হয়, কিন্তু আখৈৰ ব্যৱহাৰ নাই। নাম-প্ৰসংগ কৰাৰ পিছত ভকতসকলে মাহ-প্ৰসাদ আৰু চাহ খাই বিদায় লয়। দুইমান বজাৰ পৰা নিমন্ত্ৰিত অতিথি আৰু ওচৰত মহিলাসকল আহি ছোৱালীজনীক গা ধুওৱাৰ ব্যৱস্থা কৰে। ঘোষাপদ, বিয়াপদ গাই ওচৰৰে নৈ বা পুখুৰীৰ পৰা পানী তুলি আনে। গীতৰ ক্ষেত্ৰত নাম-প্ৰসংগ মুখ্য, নাম-প্ৰসংগৰ পিছতহে বিয়াগীত গোৱা দেখা যায়। পানী তুলি অনাৰ পিছত ঘৰৰ চৌহদৰ সুবিধাজনক ঠাইত গা-ধুওৱাৰ ব্যৱস্থা কৰা হয়। গা ধুওৱাৰ বাবে কলপুলি আৰু মা-হালধিৰ ব্যৱস্থা কৰা নহয়। গা ধুৱাই থাকোতে প্ৰথমে এফাঁকি ঘোষা গাই উঠি পিছত বিয়াগীত গোৱা হয়। কোনো কোনোৱে বাহিৰত গা নুধুৱাই গা-ধোৱা ঘৰতো গা ধুওৱা দেখা যায়। গা ধুৱাই নতুন এসাজ কাপোৰ পিন্ধাই চোতাললৈ লৈ অহা হয়। চোতালত ভাগৰত এখন ৰখা হয় আৰু চাকি এগছি জ্বলোৱা হয়। ছোৱালীজনীক কিছুসময় চোতালৰ পীৰা এখনত বহুৱাই ৰখা হয়। জননি লোৱা, আগচাউল ছটিওৱা নিয়ম নাই। ছোৱালীজনী চোতালত বহি থাকোতেই নিমন্ত্ৰিত অতিথি সকলে সাধ্যানুসৰি সৰু-সুৰা উপহাৰাদি দিয়ে, এই উপহাৰাদিৰ ভিতৰত সাধাৰণতে হাতে বোৱা চাদৰ, ব্লাউজ, টকা আদি থাকে। গোট খোৱা আইসকলে ঘোষা গাই উঠি বিয়া-পদ গাবলৈ ধৰে। এই সময়খিনিত ইজনীয়ে সিজনীক পিঠাগুড়ি সানি দি ধেমালি কৰে। ইয়াৰ মাজতে চাহ-জলপানৰো ব্যৱস্থা কৰে। খোৱালোৱাৰ পিছত ছোৱালীজনীয়ে সকলোৰে সন্মুখত সেৱা লৈ এফাঁকি ঘোষা গায় আৰু আইসকলেও ঘোষা এফাঁকিৰে তেওঁক আশীৰ্বাদ দিয়ে। এইদিনাৰ পৰাই অশৌচ গুচি সম্পূৰ্ণৰূপে শুচি বা শুদ্ধ হয়। সাতদিনৰ পিছত ছোৱালীজনীয়ে কোনোধৰণৰ ব্ৰত বা হবিচ কৰাৰ প্ৰয়োজন নাথাকে।

পঞ্জিকাৰ গণনা ছোৱাৰ সময়ত ছোৱালীজনীৰ যদি কিবা দোষ বা অশুভ ফলাফলৰ কথা কোৱা হৈছিল, তেনেহ'লে ছোৱালীজনীৰ সকলো দোষ খণ্ডনৰ বাবে সময় সুবিধা

অনুযায়ী গৃহস্থই কেইজনমান ভকত বৈষ্ণৱক মাতি আনি নাম-প্ৰসংগ কৰোৱায় আৰু এসাঁজ খুৱায়। ছোৱালীজনীয়ে সকলোৰে ওচৰত আঠু লৈ দোষ খণ্ডনৰ বাবে প্ৰাৰ্থনা কৰে।

**২.০১.১৭ দৰঙৰ জনজাতীয় লোকসকলৰ মাজত প্ৰচলিত তোলনি বিয়া ঃ**

দৰঙৰ জনজাতীয় লোকসকলৰ মাজত পৰম্পৰাগতভাৱে তোলনি বিয়া বা তোলনি বিয়া সদৃশ কোনো ধৰণৰ লোকাচাৰ পালন কৰা নহয়। কিন্তু বৰ্তমান বড়ো আৰু ৰাভা সম্প্ৰদায়ৰ লোকসকলে তোলনি বিয়াৰ কিছুমান নীতি নিয়ম পালন কৰা দেখা যায়। এইবোৰ অজনজাতীয় অৰ্থাৎ বৰ্ণহিন্দু সম্প্ৰদায়ৰ মাজত প্ৰচলিত তোলনি বিয়াৰ প্ৰভাৱত হোৱা বুলি অনুমান কৰিব পাৰি।

দৰঙৰ কিছুসংখ্যক বড়ো জনগোষ্ঠীৰ লোকৰ মাজত অদ্যপি প্ৰচলিত হ'ব ধৰা তোলনি বিয়াৰ নিয়ম মতে পুষ্পিতা হোৱা ছোৱালীজনীক চাৰিদিন আছুতীয়াকৈ ৰখাৰ ব্যৱস্থা কৰে। পিছদিনা গণকৰ ওচৰলৈ গৈ তোলনি হোৱা সময় অনুসৰি শুভাশুভ চাই আহে। ফলাফল অনুসৰি আৱশ্যক হ'লে কি প্ৰতিবিধান বা দান-দক্ষিণা দিব লাগিব তাকো জানি আহে। গণনা চাই অহাৰ পিছত বুট-মুগ আৰু অন্য ফল-মূল খাবলৈ দিয়া হয়। তেওঁলোকৰ মাজত ছোৱালীজনীৰ ওচৰত আগবেলা বা পিছবেলা চাকি দিয়া, জননি থোৱা আদি নিয়ম নাই। চাৰিদিনৰ দিনা ওচৰ চুবুৰীয়া তিৰোতা আৰু ছোৱালী মানুহখিনি মাতি আনি আছুতীয়া থাইত পুতি থোৱা ভীমকলৰ পুলি এটাৰ কাষত ছোৱালীজনীক ধুওৱা হয়। ধুওৱাৰ সময়তো বিশেষ নীতি-নিয়ম নাই, গীত-পদো নাই। গা ধুওৱাৰ পিছত ছোৱালীজনীক চোতালত বহুৱাই এগছি চাকিৰ সন্মুখৰ নতুন দখনা পিন্ধাই সেৱা ল'বলৈ কোৱা হয়। নিমন্ত্ৰিত অতিথিসকলক চাহ-জলপান খুৱাই আপ্যায়িত কৰা হয়। ধুওৱাৰ পিছত ব্ৰত, পৰাচিত হোৱাৰ কোনো নিয়ম নাই। যিসকলে তোলনি বিয়া নাপাতে, তেওঁলোকে গণকৰ ওচৰলৈ গৈ গণনা চাই আহে। গণনাৰ ফলাফলমতে ছোৱালীজনীৰ কিবা অশুভ দোষ থাকিলে তাক খণ্ডনৰ বাবে গণকজনক মাতি আনি দান-দক্ষিণা দি দোষ খণ্ডনৰ বাবে প্ৰাৰ্থনা জনায়।

দৰং জিলাৰ ৰাভালোকসকলৰ মাজত প্ৰচলিত তোলনি বিয়াৰ লোকাচাৰো প্ৰাচীন নহয়। বড়োসকলৰ দৰে যিসকল ৰাভালোক বৰ্ণহিন্দুৰ লগত ওচৰা-ওচৰিকৈ বাস কৰে তেওঁলোকেহে তোলনি বিয়া পাতে। দৰঙৰ ৰাভা সমাজত তোলনি বিয়াৰ ৰীতি-নীতি

আদিতে নাছিল যদিও পৰৱৰ্তী কালত বৰ্ণ-হিন্দুসকলৰ মাজত চলা তোলনি বিয়াৰ ৰীতি-নীতিৰ প্ৰভাৱ পৰা দেখা যায়। বিশেষকৈ তেওঁলোকে ঋতুমতী তিৰোতা আৰু প্ৰথম ঋতুমতী হোৱা ছোৱালী অইন মানুহৰ সংস্পৰ্শলৈ নাহে আৰু তিনিদিনৰ দিনা ধোৱা-পখলা কৰি গা-মূৰ ধোৱাৰ নিয়ম আছে।[৪৫] সেইদিনাৰ পৰা আনক চাহ-তামোল দিব পাৰিলেও ভাত নাৰান্ধে। পাঁচ দিনৰ দিনাখন পুনৰ তিয়ন-বুৰণ কৰি গা-ধুই নিশা উপবাসে থাকি শুদ্ধ হয়।

কুমাৰী ছোৱালী শান্তি হ'লে প্ৰথম দিনৰ পৰা পাঁচ দিনলৈ ছোৱালীজনীক কোনো মানুহৰ সংস্পৰ্শ নোহোৱাকৈ নিৰাপদে ৰাখিব লাগে। গণনাৰ ব্যৱস্থাও কৰা দেখা যায়। পাঁচদিনৰ দিনা ছোৱালীজনীক ধুৱাই খেলৰ সন্মানিত লোকৰ দ্বাৰা সদাচাৰী উপদেশ দিয়া হয়। কোনো কোনো লোকে তোলনি বিয়া পাতি উৎসৱমুখৰ কৰে। পাঁচদিনলৈ ছোৱালীজনীক ফল-মূল খাবলৈ দিয়া হয় আৰু কিছুমানে নিৰামিষ ভাত কলপাতত খাবলৈ দিয়ে। জনন লোৱাৰ আৰু বিয়াগীত গোৱাৰ কোনো নিয়ম নাই। পৰাচিত হ'বৰ বাবে কেতিয়াবা ব্ৰাহ্মণক নামাতি গাঁৱৰে বয়োজ্যেষ্ঠ এজনক মতাও দেখা যায়। এই ব্যক্তিজনে ছোৱালীজনীৰ আচাৰ-আচৰণ কেনে হ'ব লাগে, ভৱিষ্যতে কেনেদৰে চলিব লাগিব ইত্যাদি উপদেশবাণী শুনায়। সেইদিনা গৃহস্থই সামৰ্থ অনুসৰি দুই এজনক ভাত খাবলৈ নিমন্ত্ৰণ কৰে। কোনো কোনোৱে ব্ৰাহ্মণক মাতিও দান-দক্ষিণা দিয়া দেখা যায়।

### ২.০১.১৮ মুছলমান সমাজৰ তোলনি বিয়া ঃ

দৰঙৰ মুছলমান সমাজত তোলনি বিয়া পতা নহয় যদিও প্ৰথম ঋতুমতী ছোৱালীজনীক লৈ ঘৰুৱাভাৱে কিছু আনুষ্ঠানিকতা পালন কৰা হয়। এজনী ছোৱালী ঋতুমতী হোৱাৰ সময় সমাগত হ'লে ঘৰৰ মহিলা সদস্যসকলে তেওঁৰ প্ৰতি তীক্ষ্ণ নজৰ ৰাখে। প্ৰথম ঋতুমতী হোৱাৰ লগে লগে ছোৱালীজনীক একাষৰীয়াকৈ ৰাখি সম্বন্ধীয়া চাৰি-পাঁচজনী মহিলাক কথাটো জনোৱা হয়। তেওঁলোকে এটা ডাঙৰ পাত্ৰত ছোৱালীজনীক ধুৱাবৰ বাবে পানী সাজু কৰে। এই পানীখিনিত দুবৰি বন অলপ, তুলসী পাত কেইটামান দি তাত সোণ আৰু ৰূপৰ অলংকাৰ এবিধ ডুবাই দিয়া হয়। এনেদৰে তৈয়াৰ কৰা পানীখিনিক অতি 'পৱিত্ৰ' বুলি গণ্য কৰা হয়। পানীখিনি তৈয়াৰ হোৱাৰ পিছত গোটা মাটিমাহ আৰু হালধি অলপ পিহি লোৱা হয়। ছোৱালীজনীক গা ধোৱা ঘৰ বা দমকলৰ পাৰৰ আৰ বেৰ থকা ঠাইলৈ লৈ

গৈ গাত মাহ-হালধি ঘঁহি দি পাত্ৰৰ পানীখিনিৰে গা ধুৱাই দিয়া হয়। গা ধুৱাওতে উপস্থিত আটাইকেইগৰাকী মহিলাই সহযোগ কৰে যদিও প্ৰধানতঃ মাকেই গাটো ধুৱাই দিয়ে। প্ৰথমে ঋতুমতী হোৱাৰ পৰা তিনি চাৰিদিন মানলৈ ছোৱালীজনীয়ে নিজৰ ঘৰৰ চৌহদত ওলোৱা-সোমোৱা কৰি ফুৰিব পাৰে যদিও আনৰ ঘৰলৈ যাব দিয়া নহয়। এই কেইদিন তামোল-পাণৰ বাৰীৰ ফালে যোৱা, ভঁড়াল-গোহালি ঘৰত প্ৰৱেশ কৰা নিষেধ। তদুপৰি তেওঁক ৰন্ধা-বঢ়াও কৰিব দিয়া নহয়। এনেদৰে চাৰিদিনলৈ চুৱা মানি গৃহস্থৰ সুবিধা অনুযায়ী পাঁচদিন বা সাতদিনত এটা অনুষ্টুপীয়া অনুষ্ঠান পতা হয়। সেইদিনা ছোৱালীজনীৰ সমনীয়া তিনিজনী বা পাঁচজনী ছোৱালী ঘৰলৈ ভাত খাবলৈ মাতি অনা হয়। গৃহস্থৰ সামৰ্থ্য নাথাকিলে বা আন অসুবিধাবশতঃ এই ভাত খুওৱাৰ ব্যৱস্থাটো সেইদিনা কৰিব নোৱাৰিলে বৰ বিয়াৰ আগত হ'লেও নিয়মটো কৰিব লাগে। ছোৱালীকেইজনীক মতাৰ দিনাই গা-পা ধোৱাৰ পিছত তেওঁ সম্পূৰ্ণৰূপে শুচি হয়। সেইদিনাই এজন মৌলবী বা মোল্লা মাতি ঘৰত কোৰাণ পাঠ কৰোৱা হয় আৰু ছোৱালীজনীৰ বাবে প্ৰাৰ্থনা কৰা হয়। নিমন্ত্ৰিত মোল্লা বা মৌলবীজনে ছোৱালীজনীক অপদেৱতাৰ প্ৰভাৱৰ পৰা আঁতৰত ৰাখিবলৈ তাবিজ এটা পিন্ধিব দিয়ে। সেইকেইদিন ছোৱালীজনীৰ খাদ্য তালিকাৰ পৰা খাৰ, টেঙা, কণী, মাছ, মাংস বাদ দি সম্পূৰ্ণৰূপে নিৰামিষ আহাৰ খাব দিয়া হয় আৰু কঠিন কাম-বন কৰিব দিয়া নহয়।

আমন্ত্ৰিত মোল্লাজনক গৃহস্থই সামৰ্থ্য অনুযায়ী ভাত এসাঁজ বা আন জা-জলপানেৰে আপ্যায়ন কৰে। বিদায় দিয়াৰ সময়ত তেওঁক তামোল-পাণ এযোৰ আৰু সামান্য টকা মাননি হিচাবে দিয়া হয়। আৰ্থিক দিশত স্বচ্ছল পৰিয়ালে কেইদিনমান পাছত কেইজনীমান বয়সস্থ মহিলাক ভাত খাবলৈ নিমন্ত্ৰণ কৰে। মহিলাকেইগৰাকীয়ে ভাত খাই উঠি ছোৱালীজনীৰ মূৰত অলপ অলপ তেল দি তেওঁক ভৱিষ্যত মংগলাৰ্থে আশীৰ্বাদ দিয়ে। এই অনুষ্ঠান মুকলিমূৰীয়াকৈ পালন কৰা নহয়। মুছলমান সমাজত এটা বিশ্বাস প্ৰচলিত আছে যে ছোৱালী মামাকৰ ঘৰত প্ৰথম ঋতুমতী হ'লে সেই ছোৱালীৰ ভৱিষ্যত শুভ হয়।[৪৬]

নামনি অসমৰ কোকৰাঝাৰ জিলাৰ মুছলমান সমাজতো অঞ্চল ভেদে প্ৰথম ঋতুমতী ছোৱালীজনীক কেন্দ্ৰ কৰি পালন কৰা লোকাচাৰ দেখা যায়।[৪৭] প্ৰথম ঋতুমতী হোৱা বুলি গম পালে ছোৱালীজনী এটা কোঠাত সোমাই থাকিব দি চুবুৰীৰে তিনিজনী বা

পাঁচজনী বয়োজ্যেষ্ঠা মহিলাক মাতি অনা হয়। তেওঁলোক আহি ছোৱালীজনী থকা কোঠাটোত বহে। গৃহস্থৰ কোনোবা এজনে আমৰ পাত বা কঠালৰ পাত এটা আনি মহিলাকেইগৰাকীৰ হাতত দিয়ে। ঘৰৰ মহিলা এগৰাকীয়ে ভাতেৰে তিনিটা লাড়ু সাজি তেওঁলোকক দিয়ে। ভাতৰ লাড়ুকেইটা আৰু পাতখিলা লৈ তেওঁলোকে কোঠাটো বন্ধ কৰি দিয়ে। মহিলাকেইগৰাকীয়ে পাতখিলা ছোৱালীজনীৰ হাতত দি তাত তেওঁৰ ৰক্তস্ৰাৱেৰে তিনিটা ফোঁট দিবলৈ নিৰ্দেশ দিয়ে। ফোঁটকেইটা দিয়া হোৱাৰ পিছত পাতখিলা আঢ়ৈ ভাগ (২$\frac{১}{২}$) হোৱাকৈ ফালিব দিয়া হয়। এতিয়া ভাতৰ লাড়ু কেইটা দুটা গোটাকৈ ৰাখি আন এটা ভাগ আধা কৰি লাড়ু আঢ়ৈ ভাগ কৰা হয়। ভাতৰ আধা অংশ আৰু সৰু পাতখিলা একাষে থোৱা হয়। আঢ়ৈ ভাগত ফালি লোৱা পাতখিলাত ভাতৰ গোটা লাড়ু আৰু আধাফালখিনি সজাই লোৱা হয়। ইয়াৰ পিছত বন্ধ কোঠাৰ দুৱাৰ খুলি ছোৱালীজনীক ভাতেৰে সৈতে পাতখিলা লৈ কোনো এটা ঘৰৰ চালত সেইখিনি থৈ দিবলৈ দিয়া হয়। পাতখিলা এনেদৰে থোৱা হয় যাতে ভাত কেইটা কাউৰী বা আন চৰায়ে খাব পাৰে। যিখিনি ভাত আৰু পাতৰ ভাগ ৰৈ গ'ল সেইখিনি আনি চুৰা পাতনিত পেলাই দিব দিয়া হয়। এই কামখিনি হোৱাৰ পিছত ছোৱালীজনী আঢ়ৈ দিনত শুচি হ'ব কৈ মহিলা কেইগৰাকী চাহ-তামোল খাই গুছি যায়। যি সময়ত প্ৰথম ঋতুমতী হয় সেই সময়ৰ পৰা আঢ়ৈ দিনত ছোৱালীজনী শুচি হয়। অৰ্থাৎ যদি ৰাতিপুৱাই ঋতুমতী হয় তেনেহ'লে সম্পূৰ্ণ দুটা দিন আৰু তৃতীয়দিনাৰ দুপৰীয়ালৈকে আঢ়ৈদিন ধৰা হয়। এনেদৰে ঋতুমতী হোৱাৰ সময় অনুযায়ী আঢ়ৈ দিনৰ হিচাবটো কৰি লোৱা হয়। এই সময়ছোৱাত ছোৱালীজনীৰ ওলোৱা-সোমোৱা বা খোৱা লোৱাত কোনো বাধা নিষেধ আৰোপ কৰা নহয়। অৱশ্যে এনে অৱস্থাত মছজিদ বা আন ধৰ্মীয় অনুষ্ঠানলৈ যাব দিয়া নহয়।

আঢ়ৈ দিন সম্পূৰ্ণ হোৱাৰ দিনা আগতে মাতি অনা মহিলা কেইগৰাকী পুনৰ তেওঁলোকৰ ঘৰলৈ আহে। মহিলাকেইগৰাকীক গৃহস্থই ভাত এসাঁজ বা চাহ-জলপান খুওৱাৰ ব্যৱস্থা কৰে। ছোৱালীজনীয়ে গা-পা ধুই আহি তেওঁলোকক সেৱা জনাই আশীৰ্বাদ লয়। গৃহস্থৰ সামৰ্থ অনুযায়ী মহিলা কেইগৰাকীক একোখনকৈ শাড়ী দিয়ে। সামৰ্থ্য নাথাকিলে শাড়ীৰ পৰিৱৰ্তে মাননি হিচাবে অলপ অলপ টকা দি বিদায় দিয়ে। এইদিনাৰ পৰা ছোৱালীজনীক

সম্পূৰ্ণৰূপে শুচি হোৱা বা পৱিত্ৰ হোৱা বুলি গণ্য কৰা হয়। এই অনুষ্ঠানখিনি সম্পূৰ্ণ ঘৰুৱাভাৱে পালন কৰা হয়।

**২.০১.১৯ অন্যান্য লোকাচাৰ ঃ**

প্ৰাক্ যৌৱন কালৰ আৰু সদ্য যৌৱনপ্ৰাপ্ত কিশোৰীগৰাকীক কেন্দ্ৰ কৰি অসমীয়া সমাজত আন কেতবোৰ লোকাচাৰ প্ৰচলিত আছে। সাধাৰণতে কুমাৰী পূজা বা অন্যান্য কিছুমান পূজাত তোলনি নোহোৱা ছোৱালীৰ প্ৰয়োজন হয়। তোলনি হোৱাৰ পিছত কিশোৰীগৰাকীক ডাঙৰ মানুহৰ শাৰীত ধৰা হয় কাৰণে, তেওঁ মহিলাসকলে পালন কৰা বহুতো নিয়ম-নীতি মানি চলিব লগা হয়। কিছুমান বিশেষ আচাৰ-আচৰণ পালন কৰা লোকে বাহিৰত অকুমাৰী ছোৱালীৰ হাতেৰে পানী বা আন খোৱা বস্তু গ্ৰহণ কৰাত বাধা নাই, কিন্তু তোলনি হোৱা ছোৱালীৰ হাতেৰে পানী এগিলাচো নাখায়। বয়োজ্যেষ্ঠ বৃদ্ধ-বৃদ্ধা কিছুমানেও তোলনি হোৱা ছোৱালীৰ হাতেৰে পানী টোপাও নাখায় কিন্তু অকুমাৰী ছোৱালীৰ হাতেৰে পানী বা অন্যান্য খাদ্য গ্ৰহণ কৰাত বাধা নাই।

প্ৰথম ৰজঃদৰ্শন হোৱাৰ পিছৰ পৰা স্বাভাৱিকভাৱে কিশোৰীগৰাকী এমাহৰ মূৰে মূৰে ৰজঃস্বলা হয়। তোলনি হোৱাৰ পিছত নিৰ্দিষ্ট দিনত পুনৰ ৰজঃস্বলা হোৱা অৱস্থাটোকো অসমীয়া সমাজে বিশেষভাৱে গ্ৰহণ কৰে। সাধাৰণতে প্ৰথম ৰজঃস্বলা হোৱাৰ পিছত দ্বিতীয়বাৰ ৰজঃদৰ্শন হ'লেহে পৰিয়ালটো বা আন মানুহবোৰ আশ্বস্ত হয় যে তেওঁৰ ৰজঃদৰ্শনৰ স্বাভাৱিক আৰু নাৰীত্ব লাভৰ ক্ষেত্ৰত কোনো জটিলতা নাই। তোলনি বিয়াৰ পিছত প্ৰথম ৰজঃদৰ্শন হোৱাক দৰঙত 'পাটলানী' হোৱা বুলি কয়। 'পাটৰাণী' শব্দৰ অপভ্ৰংশ হৈ পাটলানী শব্দটো হৈছে বুলি অনুমান কৰিব পাৰি। পাটলানী হোৱাৰ সময়তো ছোৱালীজনীয়ে কিছুমান নীতি নিয়ম মানি চলিব লাগে। তেওঁক দিনত এসাঁজ ভাত খাবলৈ দিয়া হয়, ৰাতি উপবাসে থাকিব লাগে। সাধাৰণতে ৰজঃস্বলা হোৱা গাভৰু বা মহিলাসকলে যাক চুৱা হোৱা বুলি কোৱা হয়, তেওঁলোকে তৃতীয়দিনাত চুৱা গা ধুব পাৰে, কিন্তু পাটলানী হ'লে চাৰিদিনৰ দিনাহে চুৱা গা ধুই শুচি হয়। চাৰিদিনত খাৰেৰে গা মূৰ ধুই, সোণাৰূপাৰ পানীৰে শুচি হোৱা নিয়ম। সেইদিনাও দিনত ভাত খাই ৰাতি উপবাসে থাকে আৰু পিছদিনাৰ পৰা ৰন্ধা-বঢ়াকে ধৰি ঘৰুৱা সকলো কাম কৰিব পাৰে। পাটলানী হোৱাৰ প্ৰত্যেকদিনে গা ধোৱা,

কাপোৰ সলোৱাত বাধা নাই কিন্তু সেইকেইদিন ব্যৱহাৰ কৰা কাপোৰ চাৰিদিনৰ দিনা ধুই খাৰ আৰু সোণাৰূপাৰ পানী ছটিয়াই দিয়াৰ পিছতহে শুচি হয়।

অসমীয়া সমাজত গাভৰু তথা জীয়ৰী-বোৱাৰীসকলে ৰজঃস্বলা হোৱা কেইদিন যিবোৰ নীতি-নিয়ম মানি চলে, সেই নিয়ম-নীতিবোৰ পৰৱৰ্তী কালত মাহে মাহে হোৱা ঋতুস্ৰাৱৰ সময়ত মানি চলিব লাগে। চুৰা গা ধুই উঠি মুখত সৰুকৈ হ'লেও তামোল-পাণ লৈ খোৱাৰ নিয়ম এটাও অসমীয়া সমাজত প্ৰচলন আছে। মুখ শুদ্ধিয়েহে মানুহগৰাকীক সম্পূৰ্ণৰূপে শুচি কৰে।

## ২.০২ লোকবিশ্বাস ঃ

ইংৰাজী Folk belief শব্দৰ অসমীয়া প্ৰতিশব্দ হ'ল 'লোকবিশ্বাস'। সাধাৰণভাৱে চালে দেখা যায় যে লোকবিশ্বাস আৰু লোকসংস্কাৰ প্ৰায় একে, দুয়োটাৰে প্ৰধান বৈশিষ্ট্য হ'ল প্ৰত্যয়। হ'লেও দুয়োটাৰ মাজত পাৰ্থক্যও আছে। কোনো এক জনসমষ্টিয়ে তেওঁলোকৰ বিশেষ আচাৰ-আচৰণ, ক্ৰিয়াদিক উচিত-অনুচিত বুলি বিবেচনা কৰি তাৰ লগত শুভ-অশুভ ধাৰণা জড়িত কৰিলে সেইবোৰকে লোকবিশ্বাস বুলিব পাৰি। লোকবিশ্বাসৰ লগত ঐতিহ্যৰ সম্পৰ্ক ক্ষীণ। লোকবিশ্বাস হ'ল এটা ধ্যানধাৰণা, মানসিক ক্ৰিয়া মাত্ৰ। নবীন চন্দ্ৰ শৰ্মাৰ মতে— *"লোকবিশ্বাসে মানসিক সজহবৃত্তি গঠন কৰে আৰু যুগ যুগ ধৰি এই মানসিক সহজ বৃত্তিয়ে মানৱৰ যুক্তি প্ৰৱণতাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি আহিছে।"* [৪৮] আনহাতে জনপ্ৰিয় বিশ্বাসবোৰ কিয় আৰু ক'ৰ পৰা উৎপত্তি হয় সঠিককৈ কোৱা টান। বিশ্বাসবোৰ পৰম্পৰাৰ মাজেৰে সমাজত বৰ্তি থাকে আৰু সমাজখনে মানুহৰ মনত ওপজা সংশয় আৰু জটিল মনস্তত্ত্ব আদি দিশ সমূহ কেনেকৈ, ক'ৰ পৰা আৰম্ভ হ'ল সেই বিষয়ে কাচ্িৎহে চিন্তা কৰে। [৪৯] কিন্তু দেখা যায় যে বেছিভাগ লোকবিশ্বাস ধৰ্মবোধ বা শাস্ত্ৰ নিৰ্দেশিত আচাৰ-আচৰণৰ পৰা উৎপত্তি হয়।

এইখিনিতে ব্যক্তিগত বিশ্বাসৰ লগত লোকবিশ্বাসৰ পাৰ্থক্যৰ কথাও উনুকিয়াব পাৰি। প্ৰত্যেক ব্যক্তিয়ে জীৱনত সাফল্য লাভ কৰিব খোজে, তাৰ বাবে বিভিন্নজনে বিভিন্ন সংস্কাৰ তথা বিশ্বাসৰ বশৱৰ্তী হয়। পৰীক্ষা, ইন্টাৰভিউ আদিত বিশেষ ৰঙৰ পোছাক পিন্ধা, খেলাত নিৰ্দিষ্ট বুট, বেট আদিৰ ব্যৱহাৰ আদিক ব্যক্তিগত বিশ্বাসৰ ভিতৰত ধৰিব পাৰি।

ব্যক্তিগত বিশ্বাস বা সংস্কাৰ ব্যক্তিগৰাকীৰ মৃত্যুৰ লগে লগে মৃত্যু হয়, কিন্তু লোকবিশ্বাস দীৰ্ঘস্থায়ী। ব্যক্তিৰ জন্মৰ লগে লগে এইবোৰৰ লগত পৰিচিত হয় আৰু আয়ত্ব কৰে।

লোক বিশ্বাস বা লোকসংস্কাৰ উভয় ক্ষেত্ৰতেই মূল কথা হ'ল বিশেষ কাৰ্য বা ক্ৰিয়াৰ এটি সুনিৰ্দিষ্ট কাৰণৰ অনুসন্ধান। বাস্তৱত যিবোৰ ঘটনা ঘটে সেইবোৰ আকস্মিকভাৱে নঘটে, প্ৰতিটো ঘটনাই কিছুমান নিৰ্দিষ্ট কাৰণৰ লগত সংযুক্ত থাকে। আদিম যুগৰে পৰা মানুহে এই কাৰ্য-কাৰণৰ সম্পৰ্ক নিৰূপণ কৰাৰ প্ৰয়াস কৰি আহিছে, অৱশ্যে এই সম্পৰ্ক বৈজ্ঞানিকভাৱে পৰীক্ষিত নহয়। কাৰ্য-কাৰণ উদঘাটনৰ প্ৰয়াস থাকিলেও পৰৱৰ্তী কালত লোকবিশ্বাস আৰু লোকসংস্কাৰৰ মাজত অন্ধবিশ্বাস বা আনুগত্যৰ মনোভাৱ ক্ৰিয়াশীল হৈ থকা পৰিলক্ষিত হয়। দুয়োটাতে যুক্তিৰ বন্ধনক অস্বীকাৰ কৰা হয়।

লোকবিশ্বাসৰ লগতে সঘনে উচ্চাৰিত হোৱা এটি শব্দ হ'ল অন্ধবিশ্বাস- 'Superstition'। লোকবিশ্বাসসমূহ মঙ্গলদায়ক বা যুক্তিৰ ওপৰত প্ৰতিস্থিত, ইয়াৰ বিপৰীতে অন্ধবিশ্বাসসমূহত আনক অপকাৰ কৰাৰ প্ৰৱণতা থকা দেখা যায়। লোকবিশ্বাস, আচাৰ-অনুষ্ঠান সকলোতে অন্ধবিশ্বাসৰ প্ৰাদুৰ্ভাৱ দেখা যায়। বহুতে মতপ্ৰকাশ কৰে যে কোনো বিশ্বাস এজন নিৰক্ষৰ ব্যক্তিৰ মনত যিমানখিনি সময় অৱস্থান কৰে, সিমান সময় সেইটোক লোকবিশ্বাস বুলিব পাৰি।[৫০] লোকবিশ্বাস, অন্ধবিশ্বাস যে অকল নিৰক্ষৰ, আদিম সমাজতহে বিদ্যমান তেনে নহয়, শিক্ষিত তথা অভিজাত সমাজতো ইয়াৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। কিছুমান লোকবিশ্বাস আৰু আচাৰ অনুষ্ঠান অন্ধবিশ্বাসৰ লগত একান্তভাৱে মিলি থাকে। লোকবিশ্বাসসমূহ লোকজীৱন আৰু চিন্তাৰ লগত একীভূত হৈ আধুনিক সমাজ জীৱনৰ ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানৰ লগত অপৰিহাৰ্য বুলি পৰিগণিত হয়। তথাপি শিক্ষা-দীক্ষা, স্বাস্থ্য, যোগাযোগ আদিৰ উন্নতিয়ে অন্ধবিশ্বাসৰ ক্ষেত্ৰখন বহু পৰিমাণে কমাই অনা পৰিলক্ষিত হয়।

আধুনিক জীৱনত অন্ধবিশ্বাসসমূহৰ প্ৰাদুৰ্ভাৱ কিছু পৰিমাণে আছে যদিও নতুন অন্ধবিশ্বাসৰ উৎপত্তিৰ সংখ্যা হ্ৰাস হৈ আহিছে। একেদৰে ভালেমান লোকবিশ্বাসৰ পৰিৱেশ-পৰিস্থিতি হেৰাই গৈছে যদিও কিছুমান ক্ষেত্ৰত ই অক্ষত ৰূপত চলি অহা দেখা যায়। উদাহৰণ স্বৰূপে অসমৰ লোকসমাজত প্ৰচলিত জন্ম সম্পৰ্কীয় ভালেমান লোকবিশ্বাস হেৰাই

গৈছে, কিন্তু মৃত্যুৰ লগত জড়িত লোকবিশ্বাসসমূহ অবিকল ৰূপত চলি আহিছে। বৰ্তমান সমাজত প্ৰচলিত আচাৰ-অনুষ্ঠান, পূজা-পাতল, ক্ৰিয়াকাণ্ড আদিৰ মাজেৰেই লোকবিশ্বাসসমূহে আত্মপ্ৰকাশ কৰি আহিছে। এইফালৰ পৰা সামাজিক জীৱনত লোকবিশ্বাসসমূহৰ গুৰুত্ব উলাই কৰিব নোৱাৰি। তোলনি বিয়াৰ লোকাচাৰসমূহৰ অন্তৰালতো লোকবিশ্বাস কিছুমান জড়িত হৈ থকা দেখা যায়।

### ২.০২.১ প্ৰথম চাৰিদিনৰ লোকবিশ্বাস ঃ

তোলনি হোৱা ছোৱালীজনীৰ লগত জড়িত লোকবিশ্বাসসমূহ পৰম্পৰাগতভাৱে চলি আহিছে। তোলনি হোৱাৰ লগে লগে ছোৱালীজনীক চন্দ্ৰ, সূৰ্য, জীৱ-জন্তু তথা পুৰুষ ব্যক্তিৰ দৃষ্টিৰ পৰা আঁতৰত ৰখাৰ ব্যৱস্থা কৰা হয়। সেয়ে তেওঁক এটা আছুতীয়া কোঠাত খেৰৰ বিচনা পাৰি দিয়া হয়। ছোৱালীজনীক আছুতীয়াকৈ ৰখা সম্পৰ্কত নিৰ্মল প্ৰভা বৰদলৈৰ মন্তব্য উল্লেখ কৰিব পাৰি— *"সূৰ্য উৰ্বৰতাৰ মূল উৎস। সেইকাৰণেই বোধকৰো সদ্য পুষ্পিতা ছোৱালী এজনী গৰ্ভৱতী হ'ব বুলি ভাবি সূৰ্যৰ দৃষ্টিৰ পৰা আঁতৰত ৰখা পৰম্পৰাটো জনসমাজত আজিও প্ৰচলন আছে।"*[৫১] সাধাৰণ লোকৰ দৃষ্টিত চন্দ্ৰ-সূৰ্যক দেৱতা বুলি গণ্য কৰা হয়। গতিকে প্ৰথম ঋতুমতী ছোৱালীয়ে চুৱা গাৰে দেৱতাস্বৰূপ চন্দ্ৰ-সূৰ্যক দৰ্শন কৰাৰ পৰা বিৰত থাকিব লাগে বুলি বিশ্বাস কৰি অহা হৈছে। এই সময়ত পুৰুষ ব্যক্তিক চালে ছোৱালীজনীৰ নহয় পুৰুষজনৰহে ক্ষতি হয় বুলি ভবা হয়। এনে অৱস্থাত পুৰুষে ছোৱালীজনীক দেখিলে বা ছোৱালীজনীয়ে পুৰুষজনক চালে সেই ব্যক্তিজনৰ আয়ুস টুটি যায় বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে। আন এটা বিশ্বাসমতে তোলনি হোৱা ছোৱালী দেখা ল'ৰাৰ ভৱিষ্যতে দাড়ি নগজে। সেয়ে দাড়ি নগজাৰ ভয় দেখুৱাই সৰু ল'ৰা এজনক নিজৰ ঘৰৰ তোলনি হোৱা ছোৱালীজনীৰ দৰ্শনৰ পৰা বিৰত ৰখা হয়। সাধাৰণ লোকৰ বিশ্বাসমতে ভৱিষ্যতে পুৰুষেই এগৰাকী ছোৱালীৰ স্বামী হৈ পৰে, গতিকে প্ৰথম ঋতুমতী গাৰে এগৰাকী পুৰুষ ব্যক্তিক চালে তেওঁৰ অমংগল হ'ব। আনহাতে কুকুৰ-মেকুৰী বা আন জীৱ-জন্তু দৰ্শন কৰিলে ভৱিষ্যতে ছোৱালীজনীৰ অমংগল হয় বুলি বিশ্বাস কৰি অহা হৈছে।

বিচনাখনৰ পূব দিশত এখন আগলতি কলপাতত ৰখা দুণৰিত চাউল আৰু তামোল-পাণ থোৱাৰ লগতো লোকবিশ্বাস প্ৰচলিত হৈ আহিছে। ছোৱালীজনী হৈছে লক্ষ্মীস্বৰূপা। লক্ষ্মীস্বৰূপা ছোৱালীজনীৰ ভৱিষ্যতে ঐশ্বৰ্য-বিভূতিৰ অধিকাৰী হোৱাৰ কামনাৰে তেওঁৰ দৃষ্টিত পৰাকৈ চাউল ৰখা হয়। দুণৰি ভৰ্তি চাউলেৰে ছোৱালীজনীৰ জীৱনৰ পূৰ্ণতা কামনা কৰা হয়।

ছোৱালীজনীৰ বিচনাখনৰ মূৰ শিতানৰ গাৰুৰ তলত কটাৰী বা লোহাৰ অস্ত্ৰ এবিধ ৰখা হয়। ইয়াৰ কাৰণ ভূত-প্ৰেতক কেন্দ্ৰ কৰি গঢ়ি উঠা লোকবিশ্বাস। লোকবিশ্বাসমতে ভূত-প্ৰেতে লোহাৰ বস্তুক ভয় কৰে। তোলনি হোৱা ছোৱালীজনী যিহেতু মানসিক আৰু শাৰিৰীকভাৱে কিছু দুৰ্বল হৈ থাকে, এনে অৱস্থাত ভূতে সহজে লম্ভিব পাৰে। সেয়ে ভূতক দূৰতে ৰখাৰ লক্ষ্যৰে এই ব্যৱস্থা গ্ৰহণ কৰা হয়। তদুপৰি কোনো কোনোৱে ছোৱালীজনীৰ মূৰ শিতানত সৰিয়হৰ সৰু টোপোলা এটা ৰাখি ভূত-প্ৰেতৰ শংকাৰ পৰা মুক্ত কৰি ৰখাৰ চেষ্টা কৰে। চাৰিদিনৰ দিনা গা নুধুওৱালৈকে ছোৱালীজনীয়ে পিন্ধি থকা কাপোৰসাজ সলোৱা, গা-ধোৱা, নখ-কটা, মূৰ ফণিওৱা, চাবোন তথা আন প্ৰসাধন সামগ্ৰী ব্যৱহাৰ কৰা নিষেধ। *‘যৰ্জুবেদীয় বিবাহ পদ্ধতি’* ত প্ৰথম ৰজস্বলা ছোৱালীয়ে এই কাৰ্যবোৰ কিয় কৰিব নাপায় তাৰ ব্যাখ্যা আগবঢ়োৱা হৈছে —

*অঞ্জনাজ্জায়তে কানঃ কেৰন্ত নখ কৰ্ত্তনাৎ।*

*দন্তধাৱনতঃ কুষ্ঠীসুৰাপীগাত্ৰ মাৰ্জ্জনাৎ।।*

*(অৰ্থাৎ নাৰী গৰাকীয়ে ৰজোদৰ্শনাবধি ব্ৰতৰ ভিতৰত অঞ্চন ললে কনা সন্তান, নখ কাটিলে কেৰা সন্তান, দন্ত মাৰ্জ্জন কৰিলে কুষ্ঠৰোগী সন্তান, খাৰ খলিহাৰে গাত মাজিলে মদাপি সন্তান জন্মিব।)* [৫২] আন এটা বিশ্বাসমতে চুৰা ছোৱালীজনীয়ে মূৰ ফণিয়ালে য'তে ত'তে চুলি উৰি যাব পাৰে, নখ কাটিলে নখো য'তে ত'তে পৰিব পাৰে আৰু এইবোৰ আন মানুহে গচকিব বা চুব পাৰে। অপৰিষ্কাৰ তথা অপৱিত্ৰ গাত প্ৰসাধন কৰাৰ কোনো যুক্তিযুক্ততা নাই বুলিয়েই প্ৰসাধনৰ পৰাও ছোৱালীজনীক আঁতৰাই ৰখা হয়। আন এটা বিশ্বাস মতে চাৰিদিনৰ দিনা কিশোৰী জীৱনে এটা নৱৰূপ পাব, গতিকে পুৰণি দেহৰ মলি-মাকতি একেদিনাই চাফা কৰি সম্পূৰ্ণ নতুন ৰূপত আদৰি লোৱা হয়। দেহৰ মলি-মাকতিৰ দৰে ছোৱালীজনীয়ে

নিজৰ কুমাৰী শুচিতাকো এৰি অহাৰ ইংগিত বহন কৰে।

ছোৱালীজনীৰ কোনো শত্ৰুৱে তেওঁৰ মূৰৰ চুলি, নখ বা কাপোৰ আদি সংগ্ৰহ কৰি কুমন্ত্ৰ কৰিব পাৰে বুলিও এই সময়ছোৱাত যথেষ্ট সাৱধানতা অৱলম্বন কৰা হয়। শত্ৰুজ্ঞান কৰি কোনোৱে যাতে ছোৱালীজনীক কুমন্ত্ৰ কৰিব নোৱাৰে তাৰ প্ৰতি কঠোৰ দৃষ্টি ৰখা হয়। বিৰিঞ্চি কুমাৰ বৰুৱাই কুমন্ত্ৰ বা আহুদি সম্পৰ্কে মন্তব্য দিবলৈ গৈ কৈছে — "*আহুদি কৰা অভিশাপৰ আন এটা ফাল। শত্ৰুৰ দেহত মন্ত্ৰপুত বস্তু সুমুৱাই দিব পাৰিলে অভাৱনীয় ফল ধৰে বুলি সাধাৰণ বিশ্বাস। শত্ৰুৰ চুলি, নখ, তেজ বা তেওঁ ব্যৱহাৰ কৰা কাপোৰ কানি সংগ্ৰহ কৰি তাত শাও-শপনি উচ্চাৰণ কৰিলে সেইবোৰে অধিক ক্ৰিয়া কৰে। এই বস্তুবোৰৰ ওপৰৰ শাও-শপনি উচ্চাৰণ কৰোতে বস্তুবোৰক অভিশপ্তজনৰ প্ৰতীকৰূপে গণ্য কৰা হয়।*"[৫৩]

পুৱা-গধূলি ছোৱালীজনীৰ ওচৰত শলিতা জ্বলাই উৰুলি জোকাৰ দি ছোৱালীজনীৰ মংগল কামনা কৰা হয়। দ্বিতীয়দিনা গণনা শেষ হোৱাৰ পিছৰপৰা ছোৱালীজনীয়ে ফলাহাৰ কৰিব পাৰে যদিও এই সময়ছোৱাত কল একেবাৰে খাব নিদিয়ে। কল খালে ছোৱালীজনীয়ে ভৱিষ্যতে মিছা অপবাদ বা কলংক পায় বুলি বিশ্বাস কৰা হয়। এই বিশ্বাসৰ বাবেই পৰাচিত নোহোৱা পৰ্যন্ত ছোৱালীজনীক কল খাবলৈ নিদিয়ে। ছোৱালীজনীক প্ৰথমে খাবলৈ দিয়া ফল হ'ল অমিতা। তোলনি বিয়াৰ লোকাচাৰ আৰু লোকবিশ্বাসসমূহ যিহেতু উৰ্বৰা বিশ্বাসৰ লগত জড়িত সেয়ে প্ৰতিমুহূৰ্ততে তেওঁৰ ভৱিষ্যত উৰ্বৰা শক্তিৰ কথা মনত ৰখা হয়। অমিতা খাবলৈ দিয়াৰ অন্তৰালতো এই উৰ্বৰা বিশ্বাস জড়িত। অমিতা হৈছে বহু গুটিযুক্ত ফল। ভৱিষ্যতে যাতে এই ফলত থকা গুটিৰ দৰে তেওঁ বংশ বিস্তাৰ কৰিব পাৰে এই কামনাৰে প্ৰথমে অমিতা খাবলৈ দিয়া হয়। এইকেইদিন খাৰ, তেল, নিমখ, গৰম খাদ্য খোৱাৰ পৰা ছোৱালীজনীক বিৰত ৰখা হয়। প্ৰথম ঋতুমতী হোৱা ছোৱালীজনীক স্বাস্থ্যৰ হানি হ'ব পাৰে বুলি থকা বিশ্বাসৰ বাবেই এনেধৰণৰ খাদ্য দিয়াৰ পৰা বিৰত থকা হয়।

তোলনি হোৱা ছোৱালীজনীক ৮ - ৯ বছৰীয়া অকুমাৰী ছোৱালীয়ে চাবলৈ গ'লে সেই ছোৱালীজনীও সোনকালে তোলনি হয় বুলি লোকবিশ্বাস প্ৰচলিত হৈ আহিছে। সেয়ে বহু অভিভাৱকে এনে বয়সৰ কন্যা সন্তানক তোলনি হোৱা ছোৱালীজনীক চাবলৈ

যাব নিদিয়ে। স্বাস্থ্যজনিত বা আন কোনো কাৰণত তেৰ-চৈধ্য বছৰ বয়সলৈকে ছোৱালীজনীৰ তোলনি নহ'লে অভিভাৱকসকল চিন্তিত হৈ পৰে। এনে অৱস্থাত তেওঁলোকে ছোৱালীজনীক তোলনি হোৱা আন ছোৱালীক দৰ্শন কৰিবলৈ দিয়ে। ইয়াৰ ফলত ছোৱালজনীৰ সোনকালে তোলনি হ'ব বুলি গভীৰ বিশ্বাস পোষণ কৰা হয়।

ধুৱাবৰ আগদিনা আখৈ ভজা হয়। আখৈ ফুটা-নুফুটা লৈও লোকবিশ্বাস প্ৰচলিত আছে। আখৈ নুফুটাতো অশুভ বুলি ভৰা হয়। ভৱিষ্যতে যি ছোৱালীৰ সন্তান হোৱাৰ সম্ভৱনা নাই, তেনে ছোৱালীৰ নামত আখৈ নুফুটে বুলি ভৰা হয়। আখৈ ভাজি থাকোতে গোটাকৈ থাকিলে ল'ৰা আৰু পাহি মেলি ফুটিলে ছোৱালী জন্ম পাব বুলি বিশ্বাস প্ৰচলিত আছে।[৫৪] আন এটা লোকবিশ্বাসমতে আখৈ ভালদৰে নুফুটিলে ছোৱালীজনীৰ সন্তান বোবা হয় বুলি ভবা হয়।[৫৫] আন এটা বিশ্বাস মতে আখৈ যিমান ভালদৰে ফুটে ছোৱালীজনীয়ে সিমান প্ৰজনন ক্ষমতা লাভ কৰে বুলি বিশ্বাস কৰা হয়।[৫৬] আহোম সম্প্ৰদায়ৰ লোকসকলোৰ মাজতো আখৈ ভজাৰ লোকবিশ্বাস প্ৰচলিত আছে। শান্তি হ'বলগা ছোৱালীৰ শান্তি হ'বলৈ, শান্তি নোহোৱা ছোৱালীৰ নামত ফুটালে ছোৱালীজনী সোনকালে তোলনি হয় বুলি বিশ্বাস কৰা হয়। আন হাতে 'দৰা আৰু কইনাৰ নামত দুটা চৰুত একেলগে আখৈ ভজা হয়, যিটোৰ আখৈ বেছিকৈ ফুটে সেইজনৰে মুখখন চোকা হয় বুলি বিশ্বাস।[৫৭]

ধুওৱাৰ আগদিনাখন ছোৱালীজনীক পিন্ধাবৰ বাবে সাজু কৰি ৰখা মাৰুৱা কাপোৰবোৰ ধোওতে পানী চেপি নিদিয়াকৈ মেলি দিয়াৰ অন্তৰালতো লোকবিশ্বাস জড়িত। এই বিশ্বাসমতে কাপোৰবোৰ পানী চেপি মেলিলে ভৱিষ্যতে ছোৱালীজনীৰ সন্তান কেঁচুৱা অৱস্থাত দেহটোৰ ভাঁজ দি কেৰমেৰাই থাকে।

**২.০২.২ গণনা সম্পৰ্কীয় লোকবিশ্বাস ঃ**

প্ৰকৃতিৰ নিয়ম অনুসৰি দেহৰ পৰিৱৰ্তন ঘটা সময়ছোৱাৰ সময়ত মানুহে ভূত-ভৱিষ্যত, শুভাশুভ ফল কেনে হ'ব সেইবোৰৰ ওপৰত গুৰুত্ব দি আহিছে। এগৰাকী কিশোৰীৰ যৌৱন প্ৰাপ্তিৰ সময়ত পালনীয় লোকাচাৰসমূহৰ লগতে জড়িত হৈ আছে লোকবিশ্বাসসমূহ। নিয়মানুসৰি ছোৱালীজনী তোলনি হোৱাৰ দ্বিতীয়দিনা ছোৱালীজনীৰ গণনা চোৱা হয়। গণকজনে গণনা কৰি পোৱা ফলাফলখিনিয়ে ছোৱালীজনীৰ ভৱিষ্যত নিৰ্দ্ধাৰণ কৰে বুলি

পৰম্পৰাগতভাৱে বিশ্বাস কৰি অহা হৈছে। গণকৰ সন্মুখত বহুগুটিযুক্ত ফল অমিতা ৰখা হয় বংশবৃদ্ধিৰ কামনাৰে কাৰণ এক গুটিযুক্ত ফলে বংশবৃদ্ধি সীমিত কৰিব বুলি বিশ্বাস কৰা হয়। গণকে সেইদিনা বন্ধা কনাইটোও প্ৰতীকধৰ্মী। কনাইটোক সন্তানৰ প্ৰতীক হিচাবে গণ্য কৰা হয়। সন্তান এটাক আলফুলে ৰখাৰ দৰে কনাইটোও জপা এটাৰ ভিতৰত চাৰিদিনলৈ সযতনে ৰখা হয়। কনাইৰ ভিতৰত থকা প্ৰত্যেকটো বস্তুকেই প্ৰজননৰ প্ৰতীকৰূপে বিশ্বাস কৰা হয়। গণকে দিয়া বিধানমতে ব্ৰত ৰাখিলে আৰু দান আদি দিলে ছোৱালীজনীৰ দোষ খণ্ডন হয় বুলি বিশ্বাস কৰি যিমানেই কঠোৰ নহওঁক কিয় গণকৰ বিধান পালন কৰিবলৈ চেষ্টা কৰা হয়। বিশেষ অসুবিধাবশতঃ পৰাচিতৰ দিনা দান-দক্ষিণাদি দিব নোৱাৰিলে পিছত হ'লেও সুবিধা অনুযায়ী দান দি উদ্ধাৰ হ'ব লাগে। গণকে দিয়া বিধানমতে দান-দক্ষিণা নিদিলে ছোৱালীজনীয়ে ভৱিষ্যতে কিছুমান সমস্যা বা অসুবিধাৰ সন্মুখীন হয় বুলি বিশ্বাস কৰা হয়। এই সমস্যাবোৰৰ ভিতৰত ভৱিষ্যতে ছোৱালীজনী সন্তানহীনা হোৱা, অনবৰতে গাত এটাৰ পিছত এটা সৰু-সুৰা বেমাৰ আজাৰ হৈ থকা বা ঘৰুৱা আন অপায়-অমংগলক ধৰা হয়। গণকৰ বিধানমতে দান-দক্ষিণা দি এনেধৰণৰ সমস্যাৰ পৰা পৰিত্ৰাণ পাব পাৰি বুলি দৃঢ়বিশ্বাস পোষণ কৰি অহা হৈছে।

গণনা কাৰ্যৰ মাজেৰে নিৰূপণ হোৱা যোগৰ শুভাশুভ ফলাফলৰ ওপৰত ছোৱালীজনীৰ ভৱিষ্যত আটাইতকৈ বেছি নিৰ্ভৰ কৰে। পতিহীনা যোগ পালে সেই ছোৱালী সোনকালে বিধবা হয় বুলি বিশ্বাস কৰা হয়। সেয়ে এনে যোগ পোৱা ছোৱালীৰ বিয়া-বাৰুৰ ক্ষেত্ৰতো কেতিয়াবা সমস্যাই দেখা দিয়ে। একেদৰে শংখিনী আৰু হস্তিণী কন্যা পোৱা ছোৱালীৰ হাতৰ পৰা ঘনাই বস্তু ভাঙে বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে। তোলনি হোৱাৰ সময়ত ছোৱালীজনীৰ গাত কেইখন কাপোৰ আছিল সেই কথা গণকজনে নিৰ্ভুলভাৱে কব নোৱাৰিলে বিশ্বাস কৰা হয় যে ছোৱালীজনী তোলনি হোৱা সময়ৰ কথাটো কওঁতে ভুল হৈছে যাৰ বাবে এই কথাখিনি মিলি যোৱা নাই।

গণনা কৰিবলৈ অহা গণকজনক সন্তুষ্ট কৰি নপঠালেও ছোৱালীজনীৰ অমংগল হ'ব পাৰে বুলি ভবা হয়। সেয়ে গণকজনক মান-সৎকাৰ কৰাত গুৰুত্ব দিয়া হয়।

### ২.০২.৩ ধুৰাবৰ দিনা পালিত লোকবিশ্বাস ঃ

ছোৱালীজনী ধুৰাবৰ দিনা যিবোৰ ৰীতি-নীতি মানি চলা হয় সেইবোৰ লোকবিশ্বাসৰ আধাৰত প্ৰতিষ্ঠিত। ধুৰাবৰ দিনা ছোৱালীজনীয়ে ব্যৱহাৰ কৰা কাপোৰ কানি ধুই 'সোণা-ৰূপা'ৰ পানী ছটিয়াই শুদ্ধিকৰণ কৰা আৰু ঘৰ গোবৰ মাটিৰে মচি লোৱাৰ জৰিয়তে সম্পূৰ্ণ পৱিত্ৰতাৰ ওপৰত বিশ্বাস কৰা হয়। গা ধুৰাবৰ কাৰণে সজা বেইৰ তলত কণী পোতাৰ অন্তৰালতো লোকবিশ্বাস প্ৰচলিত। কণী উৰ্বৰা বিশ্বাসৰ প্ৰতীক। মেচ কছাৰীসকলে সজা বেইত যি ধনু কাড় দিয়া হয়, সেয়া যিফালে হালি যায় সেই দিশতেই ভৱিষ্যতে কইনাজনীৰ বিয়া হয় বুলি বিশ্বাস কৰা হয়। ছোৱালীজনীয়ে বিচনাত পাৰি লোৱা খেৰবোৰ পুৰি নেপেলাই গাঁতটোত পুতি থোৱা হয়। কাৰণ প্ৰচলিত বিশ্বাসমতে ব্যৱহৃত এই খেৰবোৰ পুৰি পেলালে ছোৱালীজনীৰ গাত পোৰণি উঠে।

বেইৰ ওচৰত দৰাৰ প্ৰতীকস্বৰূপ কলপুলি পোতাৰ উদ্দেশ্য হ'ল যাতে ছোৱালীজনী কল গছৰ দৰে উৰ্বৰা শক্তিৰ অধিকাৰিণী হয়।[৫৮] চুৱা গা ধুৱাওতে কলপুলিটোত কইনা গা ধুওৱা পানী পৰি চুৱা বা অপৱিত্ৰ হোৱা বুলি ধৰা হয়। সেয়ে এই কলপুলিটো কাটি লেতেৰা গাঁতটোতে পুতি পেলোৱা হয়। কিন্তু ভাল তোলনিত কলপুলিটো নি বাৰীৰ এচুকত ৰুই থোৱাৰ নিয়ম। এই কলপুলিটোত থোক ধৰা নধৰাৰ লৈও লোকবিশ্বাস প্ৰচলিত আছে। কলপুলিটোত থোক ধৰিলে ছোৱালীজনীৰ ভৱিষ্যতে সন্তান হ'ব বুলি বিশ্বাস কৰা হয় আৰু থোক নধৰিলে ছোৱালীজনী বাঁজী হ'ব বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে। আন এটা বিশ্বাস মতে কলপুলিতো মৰি গ'লে বা গৰু ছাগলীয়ে খালে অশুভ বুলি ভৱা হয়, সেয়েহে নোৱাই তোলনিৰ পাছত কলপুলিটো উঠাই নি আছুতীয়া ঠাইত ৰোৱা হয়।[৫৯]

প্ৰাচীন কালৰে পৰা সৌন্দৰ্যবৰ্দ্ধক উপাদান হিচাপে মাহ-হালধিৰ ব্যৱহাৰ হৈ আহিছে। সদ্য যৌৱনা ছোৱালীজনীৰ দেহৰ উজ্জ্বলতা তথা সৌন্দৰ্য বৃদ্ধিৰ কামনাৰে গা ধুৱাওতে মাহ-হালধিৰ ব্যৱহাৰ কৰা হয়। আন এটা বিশ্বাসমতে যেনেদৰে বিহুৰ দিনা মাহ-হালধিৰে গা ধুলে ভৱিষ্যতে দেহত খৰ-খজুৱতি নহয় বুলি বিশ্বাস কৰা হয়, তেনেদৰে তোলনি বিয়াৰ দিনা মাহ-হালধিৰে গা ধুলেও ভৱিষতে তেওঁৰ ছালৰ কোনো ধৰণৰ বেমাৰ নহয় বুলি বিশ্বাস কৰা হয়। আন বিশ্বাসমতে চুৱা গা ধোওতে ছোৱালীজনীয়ে কাষলতিৰ

তলখন জোৰেৰে ঘঁহি ঘঁহি ধুলে ভৱিষ্যতে কাষলতিত নোম নগজে বুলি ভৰা হয়।

গা ধুওৱা হোৱাৰ পিছত ‘সোণা-ৰূপাৰ পানী’ ৰে পৱিত্ৰ হোৱা ছোৱালীজনীয়ে চকুমেলি প্ৰথমে সূৰ্যলৈ আৰু তাৰ পিছত গণকে দেখুৱাবলৈ দিয়া সামগ্ৰীবিধলৈ চাই সেৰা লয়। সূৰ্য সৃষ্টিৰ প্ৰতীক। সূৰ্যৰ তেজস্বী শক্তি যাতে ছোৱালীজনীয়ে লাভ কৰে তাৰ কামনাৰে সূৰ্যলৈ চাই সেৱা ল'ব দিয়া হয়। বিশ্বাস কৰা হয় যে যদি সূৰ্যলৈ চাই সেৱা লওঁতে ছোৱালীজনীয়ে কেৰাহিকৈ চাই তেনেহ'লে ভৱিষতে তেওঁৰ সন্তান কেৰা চকুৱা হয়। সেয়ে সূৰ্যলৈ পোণপটীয়াকৈ  চাইহে সেৱা লোৱাৰ নিয়ম। গণকে দেখুৱাবলৈ দিয়া সামগ্ৰীবিধলৈ চাই সেৱা লোৱাৰ লগে  লগে গণনাৰ সময়ত পোৱা সকলো দোষ খণ্ডন হয় বুলি বিশ্বাস কৰা হয়। গণকে প্ৰতিবিধান দিয়া মতে সূৰ্য আৰু  সামগ্ৰীবিধ চোৱাৰ পিছত ছোৱালীজনীক তামোল গছৰ  থোক বা নাৰিকলৰ থোকলৈ চাই সেৱা ল'ব দিয়া হয়। তামোল আৰু নাৰিকলৰ থোকত বহুত ফল  থাকে বাবে এনেদৰে চাব দিয়া হয়। ছোৱালীজনীয়ে ভৰা বিৰিখলৈ  চাই সেৱা ললে ভৱিষ্যতে অধিক সন্তানৰ মাতৃ হ'ব পাৰিব বুলি বিশ্বাস কৰা হয়। এই সম্পৰ্কে লীলা গগৈয়ে কৈছে ‘*‘যিবোৰ গছ-বনে সৰহীয়াকৈ পুলি পোখা দিয়ে, যিবোৰ গছৰ অধিক গুটি ধৰে, যিবোৰ গছ-বনৰ জীৱনী শক্তি অধিক সেইবোৰকে আনুষ্ঠানিকভাৱে মংগলজনক বুলি ধৰা হয়, ঠিক তেনেদৰে ফলহীন গছ অনুৰ্বৰতাৰ প্ৰতীক বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে।’’* ৬০  আন এটা বিশ্বাস মতে ফলভৰা গছলৈ চালে ছোৱালীজনীয়ে কম বয়সতে স্বামীদান পাব, অৰ্থাৎ কম বয়সতে বিয়া হ'ব পাৰিব বুলি ভৰা হয়।

ছোৱালীজনী শুচি হোৱাৰ পিছত পীৰাখনৰ ওপৰতে  তিনিপাক ঘুৰোৱা হয়। বৰবিয়াত যেনেকৈ হোমৰ জুইক সাক্ষী কৰি দৰা-কইনাক সাতপাক  ঘুৰোৱা হয়, তেনেদৰে কলগছৰূপী দৰাটোক উদ্দেশ্য কৰি এনেদৰে কইনাক তিনিপাক ঘূৰিব দিয়া হয়।

গা ধুৱাই উঠি নতুন কাপোৰসাজ পিন্ধাই পথালি কোলাকৈ কইনাক দাঙি আনি চোতালত পাৰি থোৱা বৰপীৰাখনৰ সন্মুখত থোক থকা আঠিয়া কলৰ আগলি কলপাত এখিলাত ভৰি ৰাখিব দিয়াৰ অন্তৰালতো লোকবিশ্বাস জড়িত হৈ আছে। গুটি লগা কলৰ পাতখিলাই উৰ্বৰা বিশ্বাসক সূচায়। ৬১

কইনাজনীক সজাই পৰাই লোৱাৰ পিছত চোতালত কইনাৰ সতে কনাই সাল-

সলনি কৰা হয়। এই কনাইটো সন্তানৰ প্ৰতীকৰূপে ধৰা হয়, সেয়ে সন্তানৰূপী কনাইটো সদ্যযৌৱনা ছোৱালীজনীৰ কোলাত দি তেওঁ যাতে ভৱিষ্যতে কোলাত কেঁচুৱা ল'ব পাৰে তাৰ কামনা কৰা হয়। কনাইটো ধুৱাওতে ঘটৰ পানীৰে ধুওৱা হয়। অৱশ্যে কেতিয়াবা এই ঘটৰ পানীখিনিত পিঠাগুড়ি অলপ মিহলি কৰি লোৱা হয়। এনেদৰে পিঠাগুড়ি মিহলি পানীৰে কনাইটো ধুৱালে ভৱিষ্যতে তেওঁৰ সন্তানটোৱে পিঠাগুড়ি মিহলি পানীৰ বৰণৰ পনীয়া শৌচ নকৰে বুলি বিশ্বাস কৰা হয়।[৬২] জননি লৈ উঠাৰ পিছত দৰঙৰ নাথ সম্প্ৰদায়ৰ তোলনি বিয়াত আখৈৰ বাতি টনাটনি কৰাৰ নিয়ম আছে। এটা ডাঙৰ বাতিত আখৈ লৈ দৰাপক্ষৰ এজনী আৰু কইনাপক্ষৰ এজনীয়ে বাতিটোৰ দুইফালে ধৰি টনাটনি কৰে। দৰাপক্ষ জয়ী হ'লে ভৱিষ্যতে ছোৱালীজনীৰ দৰাঘৰ কইনাঘৰতকৈ আৰ্থিকভাৱে শক্তিশালী হ'ব আৰু কইনাপক্ষ জয়ী হ'লে দৰাঘৰীয়া কইনা ঘৰতকৈ আৰ্থিকভাৱে দুৰ্বল হ'ব বুলি বিশ্বাস প্ৰচলিত আছে।

জননি লোৱাৰ সময়ত আগচাউল ছটিওৱা হয়। চাউল মংগলৰ প্ৰতীক হিচাবে শুভকৰ্মত চাউলৰ ব্যৱহাৰ হৈ আহিছে। তোলনি বিয়াত এইদৰে চাউল ছটিয়াই ছোৱালীজনীৰ মংগল কামনা কৰা হয়। আন এটা বিশ্বাসমতে চাউলৰ সংখ্যাধিক্যৰ সমতুল্য সন্তান আশা কৰাটো এই ৰীতিৰ অৰ্ন্তনিহিত বিশ্বাস।[৬৩] তোলনি বিয়াৰ ছোৱালীজনীক সেইদিনা কইনা হিচাবে ধৰা হয় বাবেই এনেদৰে আগচাউল ছটিওৱা হয়। আগচাউল ছটিয়াই ছোৱালীজনীৰ আশে পাশে থকা অপদেৱতাক খেদি দিয়া হয় বুলিও বিশ্বাস প্ৰচলিত আছে। আন এটা লোকবিশ্বাসমতে আগচাউল ছটিয়ালে যিমান দুৰলৈ যাব সিমান দুৰলৈকে কোনো অশুভ শক্তিৰ প্ৰৱেশ ঘটিব নোৱাৰে। কইনা আৰু সমজুৱাসকলৰ গালৈ ছটিওৱা এই আগচাউল বিয়া ভঙাৰ পিছত সাৰি-পুছি এটা বাঁহৰ চুঙা বা মাটিৰ টেকেলীত ভৰাই ৰখাৰ নিয়ম। পথাৰৰ শইচত পোকে ধৰা ৰোগ হ'লে এনেদৰে ৰখা আগচাউল পথাৰত ছটিয়াই দিলে পোকে ধৰা ৰোগ সম্পূৰ্ণৰূপে ভাল হয় বুলি বিশ্বাস কৰা হয়। সেয়ে এই আগচাউল সাঁচি ৰখা হয়। কইনাজনী ঘৰ সুমুৱাৰ সময়ত চোতালত জ্বলি থকা মাটিৰ চাকিটো নুমুৱাই বৰঘৰৰ সন্মুখৰ শিল এছটা বা পীৰা এখনত থৈ সোঁভৰিৰ গেৰোহাৰে গচকি ভাঙিলে যিমান টুকুৰা হ'ব ভৱিষ্যতে ছোৱালীজনীৰো সিমান সংখ্যক সন্তান জন্ম পায় বুলি বিশ্বাস

প্ৰচলিত হৈ আহিছে। চাকিৰ টুকুৰাবোৰ পিছত ঘৰৰ চালত পেলাই দিয়া হয়। ঘৰৰ চালত পেলাই দিয়াৰ আগতে ঘটৰ পৰা অলপ পানী লৈ ঘৰৰ চাললৈ ছটিয়াই দিয়া হয়। চুৱা ধুৱেনিৰ কইনাই বিলাই দিয়া আখৈ আৰু প্ৰসাদ খালে তোলনি হ'বলগা ছোৱালীৰ তোলনি আগতীয়াকৈ হয় বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে। সেয়ে কোনো কোনোৱে সোনকালে তোলনি হোৱাৰ ভয়ত এই আখৈ প্ৰসাদ খোৱাৰ পৰা বিৰত থাকে। আনহাতে সময় পাৰ হৈ যোৱাৰ পিছতো তোলনি নহ'লে সেই ছোৱালীজনীক এই আখৈ প্ৰসাদ খাব দি তোলনি হোৱাৰ কামনা কৰা হয়।

কোঁচ-ৰাজবংশীসকলৰ লোকবিশ্বাসমতে ধুৱেনি বিয়াৰ দিনা ব্যৱহাৰ কৰা পিঠাগুড়ি দাড়ি নগজা ল'ৰাৰ মুখত সানি দিলে দাড়ি গজে। আনহাতে সেইদিনা কইনাই চাৰিওফালে পেলাই দিয়া ফুল, তামোল-পাণ আদি বুটুলি নি ফলহীন গছৰ গুৰিত পেলালে সেই গছত ফল ধৰে বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে।

চুৱা ধুওৱা পৰ্বত পানী তুলি অনাৰ নিয়ম নাই যদিও ভাল তোলনিত পানী তোলাৰ নিয়ম আছে। গা ধুৱাবলৈ ওচৰৰ নদ-নদী বা পুখুৰীৰ পৰা পানী তুলি অনা হয়। য'ৰ পৰাই পানী তুলি নানক কিয় সেই পানীখিনিক পৱিত্ৰ গংগাজলৰ লগত তুলনা কৰি লোৱা হয়। কাৰণ গংগা নদীক পৱিত্ৰ জ্ঞান কৰা হয়। গতিকে কইনা ধুৱাবলৈ অনা পানীখিনিও 'গংগাজল' ৰ দৰে পৱিত্ৰ হোৱাটো বাঞ্চনীয়। পানী তুলিবলৈ যাওঁতে ধুৱেতীয়ে লোৱা ঘটৰ পৰা তামোল-পাণ এযোৰ আৰু নগদ টকা এটা পেলাই জলৰূপী গংগা আৰু জলদেৱতাক পূজা কৰি লোৱা হয়। তাৰ পিছত ধুৱেতীয়ে লগত নিয়া কটাৰীখনেৰে পানী কাটে। পানী কাটোতে কটাৰীৰ আগেৰে প্ৰথমে পূবৰ পৰা পশ্চিমলৈ আৰু তাৰপিছত দক্ষিণৰ পৰা উত্তৰলৈ পানীখিনি (+) এই চিনৰ আৰ্হিত কাটি লোৱা হয়। এনেদৰে কাটি লোৱা কাৰণ হ'ল পানীখিনি চাৰিটা ভাগ কৰি চাৰিটা ঘাট হিচাবে ধৰি লোৱা। নিয়মানুযায়ী কইনাক গা ধুৱাবলৈ চাৰিটা ঘাটৰ পৰা পানী আনিব লাগে। কিন্তু চাৰিটা ঘাটলৈ পানী তুলিবলৈ নগৈ একে ঘাটতে পানীখিনি চাৰিটা ভাগ কৰি চাৰিটা ঘাটৰ পানী তুলি অনাৰ নিয়মটো কৰা হয়। আন এটা বিশ্বাসমতে এনেদৰে পানীখিনি কাটি পানীখিনিত থকা দোষ কাটি পানীখিনিক শুদ্ধিকৰণ কৰি লোৱাৰ লগতে পানীত থকা অপদেৱতাকো এনেদৰে দূৰ

কৰাৰ চেষ্টা কৰা হয়। শুভকাৰ্য এটা কৰি আহি পিছলৈ ঘূৰি চাব নাপায়। সেয়ে পানী তুলি আহোঁতে কোনোৱে পিছফালে ঘূৰি নাচায়, পিছফালে ঘূৰি চালে অমংগল হয় বুলি লোক বিশ্বাস প্ৰচলিত হৈ আহিছে।

জননি লৈ অহা দৰাৰূপী সৰু ছোৱালীজনীক পদূলি মূৰত পীৰা এখনত থিয় কৰাই দোনাত লোৱা গাখীৰ কলেৰে ভৰি ধুওৱা হয়। সেইদিনা দৰাজন সন্মানীয় আৰু আদৰণীয় ব্যক্তি। গতিকে সন্মানপূৰ্বকভাবে তেওঁক দৈ কলেৰে ভৰি ধুৱাই সন্মান যঁচা হয়। দৰাপক্ষ হৈ অহা আয়তীসকলে অনা আখৈ আৰু প্ৰসাদৰ ওপৰত চাদৰেৰে ঢাকি দি দৰাঘৰীয়াক সন্মান প্ৰদৰ্শন কৰা হয়।

**২.০২.৪ অন্যান্য লোকবিশ্বাস ঃ**

তোলনি বিয়াত বেইৰ কাষত পোতা কলপুলিটোত সেন্দূৰৰ ফোঁট দিয়া হয়। ছোৱালীজনী গা ধুই উঠাৰ পিছত কপালত এটা ডাঙৰ সেন্দূৰৰ ফোঁট দিয়া হয়। শুভকাৰ্যবোৰত সেন্দূৰৰ ব্যৱহাৰ অপৰিহাৰ্য। সেয়ে তোলনি বিয়াখনতো সেন্দূৰৰ ব্যৱহাৰ চলি আহিছে। দৰাপক্ষ তথা কইনাপক্ষৰ তৰফৰ পৰা আয়তীৰ কাৰণে তেল সেন্দূৰ অনা হয়। বিশেষ অসুবিধাবশতঃ গৃহস্থই ভাল তোলনি বিয়াখন পাতিব নোৱাৰিলে আয়তীক ঘৰলৈ মাতি তেল সেন্দূৰ দি উদ্ধাৰ হ'ব পাৰি বুলি বিশ্বাস কৰা হয়।

তোলনি বিয়াত ব্যৱহৃত তামোল-পাণো অসমীয়া সংস্কৃতিৰ অপৰিহাৰ্য অংগ। তামোল-পাণযোৰ আটাইতকৈ সন্মানৰ বস্তু বুলি ধৰা হয়। সেয়ে সকলো মাংগলিক অনুষ্ঠানতে তামোল-পাণৰ ব্যৱহাৰ পূৰ্বৰে পৰা চলি আহিছে। তোলনিৰ শেষত কইনাই পানীত তামোল-পাণ এযোৰ পেলাই দি জলদেৱতাকে পূজা কৰে। পানী তুলিবলৈ যাওঁতেও তামোল-পাণেৰে জলদেৱতাক পূজা কৰা হয়। চোতালত কইনাৰ সন্মুখত জ্বলাই ৰখা চাকিগছিৰ ওচৰতো আগগুৰি কটা তামোল-পাণ ৰখাৰ নিয়ম। তোলনি বিয়াত তামোল-পাণেৰে আয়তীসকলৰ ওচৰত সেৱা ল'লে আৰু আয়তীৰ আশীৰ্বাদ পালে সকলো দোষ মৰিষণ হয় বুলি বিশ্বাস কৰা হয়। তোলনি হোৱা ছোৱালীজনীৰ ওচৰত উৰুলি দিয়া, জননি লোৱা, ঘট লোৱা প্ৰভৃতি কাৰ্যবোৰত সদায় অযুগ্ম সংখ্যাৰ লোক উপস্থিত থকাৰ নিয়ম। লোকবিশ্বাস মতে যুগ্ম সংখ্যাৰে শুভ কৰ্মবোৰ কৰিলে ভৱিষ্যতে ছোৱালীজনীয়ে যঁজা সন্তান জন্ম দিয়াৰ সম্ভৱনা থাকে।

তোলনি হোৱাৰ সময়ত আৰু তোলনি হোৱা পিছত ছোৱালীজনীৰ স্বাস্থ্য পাতি চকুত লগা হৈ পৰে। এনে অৱস্থাত ছোৱালীজনীৰ ওপৰত কাৰোবাৰ বেয়া দৃষ্টি পৰিব পাৰে বুলি গভীৰভাৱে বিশ্বাস কৰা হয়। সেয়ে কাৰোৰে যাতে কুপ্ৰভাৱ নপৰে তাৰবাবে ছোৱালীজনীক বেজৰ পৰা অনা মন্ত্ৰপুত ৰঙা, বগা আৰু ক'লা সূতাৰে জাপ বা তাবিজ পিন্ধাই ৰখা হয়। এই সময়ছোৱাত অপশক্তিলৈও ভয় থাকে, বিশেষকৈ তোলনি হোৱা কেইদিন আৰু ব্ৰত ৰাখি থকা দিনকেইটা ছোৱালীজনীক সহজে অপশক্তিয়ে লম্ভিব পাৰে। অপশক্তিৰ সম্পৰ্কত নিৰ্মল প্ৰভা বৰদলৈয়ে লিখিছে — *"অপশক্তিৰ প্ৰতি থকা আদিম মানুহৰ বিশ্বাস, সেই শক্তিয়ে যাতে মঙ্গল বিধান কৰে সেই উদ্দেশ্যে আগবঢ়োৱা যাদুমন্ত্ৰ আৰু কেতিয়াবা প্ৰত্যাহ্বান প্ৰাচীন অথৰ্ব বেদতো সংৰক্ষিত হৈছে। অথৰ্ব বেদৰ দিনৰে পৰা প্ৰচলিত হিন্দু বিশ্বাস, তান্ত্ৰিক-বৌদ্ধ পদ্ধতিৰ আচাৰ প্ৰক্ৰিয়াৰ অংশ, মুছলমান সকলৰ আগমনৰ লগে লগে তেওঁবিলাকৰ "জিন্" আদি ধাৰণাৰপৰা পোৱা কিছু বিশ্বাস, অনাৰ্য জনজাতীয় লোক সকলৰ মাজত অশৰীৰি অজস্ৰ দেৱতাৰ প্ৰতি থকা বিশ্বাসৰ সমন্বয়ত অসমত ভূত-প্ৰেত, তন্ত্ৰ-মন্ত্ৰ, বেজ-বেজালিৰ এক ৰহস্যময় অধ্যায় নজনা দিনৰে পৰা আৰম্ভ হৈ আজিও পূৰ্ণ বিশ্বাসত চলি আছে।"*[৬৪] এনেধৰণৰ বিশ্বাসৰ বাবেই পৰাচিত নোহোৱালৈকে ছোৱালীজনীৰ হাতত এখন কটাৰী লৈ থাকিবলৈ দিয়া হয়। সন্ধিয়া আৰু দুপৰীয়া বাহিৰলৈ ওলালে লগত কোনোবা থাকিব লাগে। তোলনি হোৱা অৱস্থাতো ছোৱালীজনীক এক মুহূৰ্তৰ বাবেও অকলে এৰা নহয়। সাল-সলনিকৈ হ'লেও কোনোবা এজনী থাকে। ৰাতি তেওঁৰ কোঠাত এগৰাকী মানুহ সদায় শোৱে। এনে ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণ ছোৱালীজনীক অপশক্তিৰ প্ৰভাৱৰ পৰা আঁতৰত ৰখা।

প্ৰায়শ্চিত্ত নোহোৱালৈকে ছোৱালীজনীক চুৱা বুলি ধৰা হয়। সেয়ে এনে অৱস্থাত ছোৱালীজনীৰ বিচনা বেলেগে দিয়া হয় আৰু ব্যৱহাৰ কৰা কাপোৰ-কানিও বেলেগে ৰাখিব দিয়া হয়। এইকেইদিন তেওঁক পুৰুষ ব্যক্তিক চুব দিয়া নহয় আৰু ৰন্ধা-বঢ়া কৰা, নামঘৰ, ভঁড়ালঘৰ, গোহালিঘৰত সোমোৱাত বাধা আৰোপ কৰা হয়। ওচৰ চুবুৰীয়া বা আত্মীয়-স্বজনৰ যিকোনো উৎসৱ-পাৰ্বণ, সকাম আদিত ছোৱালীজনীক ভাগ ল'বলৈ নিদিয়ে, কাৰণ ছোৱালীজনী পৱিত্ৰ বুলি গণ্য কৰা নহয়। এইকেইদিন ছোৱালীজনীৰ কাপোৰ কানি য'তে-ত'তে থোৱা নিষেধ। গা ধুই মেলি দিয়া কাপোৰৰ ক্ষেত্ৰতো তীক্ষ্ণ নজৰ ৰখা হয়। কাৰণ

এনে কাপোৰৰ অংশ চুৰ কৰি কুমন্ত্ৰ কৰিলে ইয়াৰ প্ৰভাৱ অতি বেছি হয় বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে।

## প্ৰসংগ টীকা ঃ

১) নবীনচন্দ্ৰ শৰ্মা ঃ *অসমীয়া লোকসংস্কৃতিৰ আভাস,* পৃষ্ঠা-২
২) ভদ্ৰকান্ত বৰা ঃ *অসমীয়া সমাজৰ লোকাচাৰ আৰু লোকবিশ্বাস,* পৃষ্ঠা-২
৩) কিৰণ শৰ্মা ঃ *মনুসংহিতা,* পৃষ্ঠা-১৭
৪) ভদ্ৰকান্ত বৰা ঃ *অসমীয়া সমাজৰ লোকাচাৰ আৰু লোকবিশ্বাস,* পৃষ্ঠা-১
৫) নবীনচন্দ্ৰ শৰ্মা ঃ *উত্তৰ পূৰ্বাঞ্চলৰ লোকসংস্কৃতি,* পৃষ্ঠা-৪
৬) নবীনচন্দ্ৰ শৰ্মা ঃ *অসমৰ সাংস্কৃতিক ইতিহাস ( দ্বিতীয় খণ্ড),* পৃষ্ঠা-১৩৩
৭) নবীন চন্দ্ৰ শৰ্মা ঃ *অসমৰ লোক সাহিত্য,* পৃষ্ঠা - ৩০৭
৮) সংবাদদাত্ৰী ঃ লাহেশ্বৰী হাজৰিকা, ধ্বজাপাৰা, দৰং
৯) লীলা গগৈ ঃ *টাই সংস্কৃতিৰ ৰূপৰেখা,* পৃষ্ঠা-৭৫
১০) ঁৰামনাথ দেৰশৰ্ম্মোপাধ্যায় বিদ্যাভূষনেণ সঙ্কলিতা ঃ *যজুৰ্ব্বেদীয় বিবাহ পদ্ধতি,* পৃষ্ঠা- ৪৮
১১) নবীনচন্দ্ৰ শৰ্মা ঃ *অসমৰ সাংস্কৃতিক ইতিহাস ( দ্বিতীয় খণ্ড),* পৃষ্ঠা-৬৭
১২) সাংবাদদাত্ৰী ঃ ফুলেশ্বৰী চহৰীয়া, হাজৰিকা পাৰা, দৰং।
১৩) সংবাদদাত্ৰী ঃ ফুলেশ্বৰী চহৰীয়া, হাজৰিকা পাৰা, দৰং।
১৪) মাৰুৱা কাপোৰ ঃ মাৰ দিয়া সূতাৰে বোৱা কাপোৰ। আজি প্ৰায় দুইদশকমান আগলৈকে বজাৰৰ পৰা অনা সূতাত মাৰ দিবলৈ এক বিশেষ পদ্ধতিৰে মাৰ তৈয়াৰ কৰা হৈছিল। মাৰ তৈয়াৰ কৰা পদ্ধতিটো আছিল এনেধৰণৰ — সাধাৰণতে থলুৱা লতাশালি ধানেৰে মাৰ তৈয়াৰ কৰা হৈছিল। কাৰণ এই ধানৰ আঠা বেছি। সূতাৰ পৰিমাণ অনুযায়ী ধান লৈ ৰাতি ধানখিনি ফাটি থোৱাকৈ সিজাই লোৱা হৈছিল। পিছদিনা ঠাণ্ডা হৈ থকাধানখিনি ঢেঁকীত খুন্দি লোৱা হৈছিল। খুন্দি লোৱা ধানখিনি এটা পানীৰ পাত্ৰৰ ওপৰত খৰাহী এটাত পানীত ডুব যোৱাকৈ লোৱা হয়। খৰাহিটোত খুন্দা ধানখিনি ভালদৰে মোহাৰি লৈ পুনৰ খুন্দা হয়। এনেদৰে ধানখিনি তিনি চাৰিবাৰ মান খুন্দি প্ৰত্যেকবাৰে খৰাহিত ভালকৈ মোহাৰি লোৱা হয়। আঠাযুক্ত ভাবটো নোহোৱা হোৱাৰ পিছত ধানখিনি পেলাই দিয়া হয়। ধান মোহাৰি লোৱা পানীখিনিত সূতাবোৰ উতলাই লৈ এখন কাপোৰত সূতাখিনি বাকি লৈ এটা টোপোলাৰ দৰে কৰি ভালদৰে চেপি পানীখিনি উলিয়াই পেলোৱা হয় আৰু ৰ'দত সূতাখিনি শুকাবলৈ দিয়া হয়। ইয়াৰ বাহিৰেও আটা আৰু পিঠাগুড়িৰেও সূতাত মাৰ দিয়া হৈছিল। মাৰ দিবলৈ প্ৰস্তুত কৰা পিঠাগুড়িৰ চাউলখিনি নোধোৱাকৈয়ে খুন্দি পিঠাগুড়ি উলিওৱা হৈছিল। বৰ্তমান বজাৰত সহলভ্য মাৰেৰে সূতাত মাৰ দিয়া হয় যদিও আগৰ দিনৰ সূতাত মাৰ দিয়াটো এটা লেখত লবলগীয়া কাৰ্য আছিল। এনেদৰে মাৰ দিয়া সূতাৰে বোৱা কাপোৰক 'মাৰুৱা কাপোৰ" বোলা হয়।
১৫) নিৰ্মলপ্ৰভা বৰদলৈ ঃ *অসমৰ লোকসংস্কৃতি,* পৃষ্ঠা -২০
১৬) হেম বৰুৱা ঃ *a small basket containing* rice, *betel nuts and a lightend lamp carried with the procession going to fetch water at a marriage. হেমকোষ অভিধান,* পৃষ্ঠা -৫০

১৭) যামিনী মালী ঃ দক্ষিণ কামৰূপৰ তোলনি বিয়াৰ লোকবিশ্বাস ঃ পৰমানন্দ ৰাজবংশী আৰু নাৰায়ণ দাস (সম্পাঃ) *অসমৰ সংস্কৃতি কোষ,* পৃষ্ঠা-৩২৫

১৮) সিধা ঃ গণনা কৰা গণকজনক দিবৰ বাবে এটা সৰু খৰাহীত ১কেজি আৰৈ চাউল, নিমখ অলপ, আলু কেইটামান, আদা, আৰু মিঠাতেল সজোৰা হয়। গণকজন যোৱাৰ সময়ত মাননি হিচাবে দিয়া টকাৰ লগতে এই সিধা দিয়াৰ নিয়ম।

১৯) উল্লিখিত ঃ পৃষ্ঠা -১৫

২০) সুৰেন্দ্ৰপ্ৰসাদ বৰুৱা ঃ *জ্যোতিষ শিক্ষণ,* পৃষ্ঠা-২৭

২১) ৰামনাথ দেৱশৰ্ম্মোপাধ্যায় বিদ্যাভূষণেন ঃ *যজুবেদীয় বিবাহ পদ্ধতি,* পৃষ্ঠা-৪৫

২২) উল্লিখিত ঃ পৃষ্ঠা-৪৪

২৩) সংবাদদাতা ঃ চন্দ্ৰমোহন শৰ্মা, দেৱানন্দ, দৰং।

২৪) বেণুধৰ ৰাজখোৱাৰ ঃ *'Assam Popular Superstition and Assamese Demonology,* পৃষ্ঠা-৬৮

২৫) সংবাদদাতা ঃ চন্দ্ৰমোহন শৰ্মা, দেৱানন্দ, দৰং।

২৬) সুৰেন্দ্ৰ প্ৰসাদ বৰুৱা ঃ *জ্যোতিষ শিক্ষণ,* পৃষ্ঠা-২৯

২৭) ৰামনাথ দেৱশৰ্ম্মোপাধ্যায় বিদ্যাভুষণেন ঃ *যজুৰ্বেদীয় বিবাহ পদ্ধতি,* পৃষ্ঠা- ৪১

২৮) উল্লিখিত ঃ পৃষ্ঠা-৪১

২৯) উল্লিখিত ঃ পৃষ্ঠা- ৪১

৩০) সংবাদদাতা ঃ চন্দ্ৰমোহন শৰ্মা, দেৱানন্দ, দৰং।

৩১) উল্লিখিত।

৩২) ৰামনাথ দেৱশৰ্ম্মোপাধ্যায় বিদ্যাভুষণেন ঃ *যজুৰ্বেদীয় বিবাহ পদ্ধতি,* পৃষ্ঠা- ৪৮

৩৩) উল্লিখিত ঃ পৃষ্ঠা- ৪৮

৩৪) হেমবৰুৱা ঃ *Wild figs, some rice and durva grass placed in the tap of puberty, asa child. হেমকোষ অভিধান,* পৃষ্ঠা- ২১৮

৩৫) ভৃগুমোহন গোস্বামী ঃ *সংস্কৃতি আৰু লোকসংস্কৃতি,* পৃষ্ঠা -৩১

৩৬) নবীন চন্দ্ৰ শৰ্মা ঃ *অসমৰ লোক সাহিত্য,* পৃষ্ঠা - ৩০৮

৩৭) সোণাৰূপাৰ পানী ঃ সোণাৰূপাৰ পানী হৈছে এটা পাত্ৰত লোৱা অলপ এৰাঁ গাখীৰ, পানী, কেইটামান আৰৈ চাউল, দুবৰি বন কেইডালিমান, সোণ আৰু ৰূপৰ এপদ এপদ বস্তু। এই আটাইবোৰ একেলগে মিলাই লৈ সোণ আৰু ৰূপৰ ধাতুবিধ তাত ডুবাই দি সোণৰূপৰ বস্তুখিনি আঁতৰাই অনা হয়। পানীখিনিত গাখীৰ, পানী, আৰৈ চাউল আৰু দুবৰি বনখিনি থাকে। এই পানীখিনিক গঙ্গাজলৰ দৰে পৱিত্ৰ বুলি গণ্য কৰা হয়। সোণাৰূপাৰ পানী শুদ্ধিকৰণৰ কামত ব্যৱহাৰ কৰা হয়।

৩৮) চকা নুডুবাৰ আগতে ঃ সূৰ্য অস্ত যোৱা বুজাবলৈ দৰঙৰ গ্ৰামাঞ্চলত ব্যৱহাৰ কৰা বাক্যাংশ।

৩৯) সংবাদদাতা ঃ চন্দ্ৰমোহন শৰ্মা, দেৱানন্দ, দৰং।

৪০) উল্লিখিত।

৪১) সংবাদদাত্ৰী ঃ অহল্যা চহৰীয়া, দুনী, দৰং।

৪২) চুৰা ঃ কুঁহিয়াৰৰ ৰস পগাই পগাই তৈয়াৰ কৰা জুলীয়া গুড়।

৪৩) নাৰায়ণৰ দাস ঃ কনাই, পৰানন্দ ৰাজবংশী আৰু নাৰায়ণ দাস (সম্পা) *অসমৰ সংস্কৃতি কোষ,* পৃষ্ঠা -১১২

৪৪) সংবাদদাতা ঃ কৃষ্ণ শইকীয়া, হাজৰিকা পাৰা, দৰং।

৪৫) ৰামচন্দ্ৰ ৰাভা ঃ দৰঙৰ ৰাভা জনজাতিৰ কৃষ্টি সংস্কৃতিৰ চমু ৰেঙণি, কনকচন্দ্ৰ চহৰীয়া (সম্পাঃ)ঃ *দৰঙৰ লোকসংস্কৃতি সমীক্ষা,* পৃষ্ঠা - ১৬০
৪৬) নাজমা বেগম ঃ বৰদৌলগুৰি, দৰং।
৪৭) চায়েনা বিবি ঃ মকৰাপাৰা, কোকৰাঝাৰ।
৪৮) নবীন চন্দ্ৰ শৰ্মা ঃ *অসমীয়া লোক সংস্কৃতিৰ আভাস,* পৃষ্ঠা-১০০
৪৯) প্ৰফুল্লদত্ত গোস্বামী ঃ পাতনি, বেণুধৰ ৰাজখোৱাৰ *'Assam Popular Superstition and Assamese Demonology,* পৃষ্ঠা-৬
৫০) বৰুন চক্ৰবৰ্তী ঃ *লোক-বিশ্বাস ও লোক-সংস্কাৰ,* পৃষ্ঠা-১৯
৫১) নিৰ্মল প্ৰভা বৰদলৈ ঃ *সূৰ্য,* পৃষ্ঠা- ২
৫২) ৰামনাথ দেৱশৰ্ম্মোপাধ্যায় বিদ্যাভুষণেন ঃ *যজুৰ্বেদীয় বিবাহ পদ্ধতি,* পৃষ্ঠা- ৪৮
৫৩) বিৰিঞ্চিকুমাৰ বৰুৱা ঃ *অসমৰ লোকসংস্কৃতি,* পৃষ্ঠা - ১১৩
৫৪) নিৰ্মলপ্ৰভা বৰদলৈ ঃ *অসমৰ লোকসংস্কৃতি,* পৃষ্ঠা- ২২
৫৫) সংবাদদাত্ৰী ঃ ফুলেশ্বৰী চহৰীয়া, হাজৰিকা পাৰা, দৰং।
৫৬) লীলা গগৈ ঃ*অসমৰ সংস্কৃতি,* পৃষ্ঠা -১৯৯
৫৭) হীৰা ডেকা বৰা ঃ *নোৱাই তোলনি বিয়া,* পৃষ্ঠা -২৮
৫৮) লীলা গগৈ ঃ*অসমৰ সংস্কৃতি,* পৃষ্ঠা - ১৯৮
৫৯) শিৱনাথ বৰ্মন ঃ *লোককৃষ্টিৰ উৎস,* পৃষ্ঠা - ৬০
৬০) লীলা গগৈ ঃ *অসমৰ সংস্কৃতি,* পৃষ্ঠা -২০০
৬১) উল্লিখিত ঃ পৃষ্ঠা-১৯৮
৬২) সংবাদাদাত্ৰী ঃ মাকনী ডেকা, দুনী, দৰং।
৬৩) লক্ষেশ্বৰ চৌধুৰী ঃ *ক্ষেত্ৰী অঞ্চলৰ বিবাহ আৰু আচাৰসমূহৰ তাৎপৰ্য,* পৃষ্ঠা - ২৩৭
৬৪) নিৰ্মলপ্ৰভা বৰদলৈ ঃ *অসমৰ লোকসংস্কৃতি,* পৃষ্ঠা-৭১-৭২

-----

# তৃতীয় অধ্যায়

## ৩.০০ তোলনি বিয়াৰ গীত-পদ

**আৰম্ভণি ঃ**

অসমীয়া মৌখিক সাহিত্যৰ এটি প্ৰধান উপাদান হ'ল লোকগীতসমূহ। তোলনি বিয়াৰ লগত জড়িত গীত-পদ সমূহে লোকগীতৰ পথাৰখনক অধিক সমৃদ্ধিশালী কৰিছে। ৰজঃস্বলা কিশোৰীগৰাকীক ধুৱাবৰ দিনা পালন কৰা বিভিন্ন লোকাচাৰৰ লগত এই গীতসমূহ জড়িত হৈ আছে। এই অধ্যায়ত নামনি অসমত প্ৰচলিত তোলনি বিয়াৰ গীত আৰু বিশেষকৈ দৰঙত প্ৰচলিত তোলনি বিয়াৰ গীতৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। তোলনি বিয়াৰ বিভিন্ন লোকাচাৰৰ লগত জড়িত গীত, যেনে — দৰাপক্ষ আহোঁতে গোৱা গীত, দৰাক আদৰোঁতে গোৱা গীত, কইনাক উলিওৱা গীত, ধুৱাওতে, কাপোৰ পিন্ধাওতে, কইনাক চোতালত বহুৱাওতে গোৱা গীত সম্পৰ্কে প্ৰচলিত গীতসমূহৰ বিশ্লেষণ আগবঢ়োৱা হৈছে। তদুপৰি বৰবিয়াৰ দৰে তোলনি বিয়াতো গোৱা নিন্দা বা খিচা গীত সম্পৰ্কেও আলোচনা কৰা হৈছে। গীতসমূহ যদিও নাৰী মনৰ স্বতঃস্ফূৰ্ত প্ৰকাশ, তথাপি গীতবোৰৰ মাজত অসমৰ বিভিন্ন সময়ৰ সামাজিক চিত্ৰ আৰু মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যৰ চিত্ৰ কিদৰে প্ৰকাশ পাইছে তাৰো এটি বিশ্লেষণ আগবঢ়োৱা হৈছে। অনাখৰী সমাজৰ হাতত গঢ় লোৱা লোকগীতসমূহত ৰচকে নজনাকৈয়ে বিভিন্ন উপমা, ৰসে আহি ধৰা দিছেহি এই সম্পৰ্কেও এই অধ্যায়ত কিছু আভাস দিয়া হৈছে।

**৩.০১ মৌখিক সাহিত্য ঃ**

লোকসংস্কৃতিৰ অন্যতম ভাগ হ'ল মৌখিক সাহিত্য। মৌখিক লোকবিদ্যা, লোকসাহিত্য, জনসাহিত্য, অলিখিত সাহিত্য, আদিম সাহিত্য, জনপ্ৰিয় সাহিত্য আদি অভিধাৰেও এইবিধ সাহিত্যক বুজোৱা হয়। এইবোৰৰ ভিতৰত ইংৰাজী Verbal Art ৰ

প্ৰতিশব্দৰূপে ব্যৱহৃত বাচিক কলা বা মৌখিক কলা অভিধাটোৱে অধিক ব্যৱহাৰ হোৱা দেখা যায়। অতীজৰে পৰা মুখে মুখে বাগৰি অহা আৰু পৰম্পৰাগতভাৱে এখন সমাজত প্ৰচলিত আৰু সংৰক্ষিত হৈ অহা সাহিত্যই মৌখিক সাহিত্য বুলি কব পাৰি।

মৌখিক সাহিত্যৰ ক্ষেত্ৰত অসম চহকী। সত্যেন্দ্ৰনাথ শৰ্মাই অসমৰ মৌখিক সাহিত্যক তিনিটা শ্ৰেণীত ভাগ কৰিছে। সেই শ্ৰেণীকেইটা হৈছে (১) লোকগীত (২) ফকৰা যোজনা আৰু প্ৰৱচন আৰু (৩) সাধুকথা। এইবোৰৰ ভিতৰত লোকগীতৰ পৰিসৰ বহল। ইংৰাজী Folk Song শব্দটোৰ প্ৰতিশব্দৰূপে অসমীয়াত 'লোকগীত' শব্দটোৰ প্ৰচলন হৈ আহিছে। লোকগীতসমূহ চহা জীৱনৰ লগত সম্পৰ্কিত। চহা কৃষিজীৱী সমাজৰ সুখ-দুখ, হাঁহি-কান্দোন, সামাজিক ঐতিহ্য, আবেগ অনুভূতিৰ সাৱলীল আৰু স্বতঃস্ফূৰ্ত প্ৰকাশ লোকগীতসমূহত দেখা যায়। আদিম সমাজে নিজৰ সামূহিক আনন্দ উলাহ স্বতঃস্ফূৰ্তভাৱে নৃত্য-গীতৰ মাজেৰে উদ্‌যাপন কৰিছিল। পৰৱৰ্তীকালত এইবোৰ সামাজিক জীৱনৰ অপৰিহাৰ্য অংগ হৈ পৰিল। আলোচনাৰ সুবিধাৰ্থে এই লোকসাহিত্য বা মৌখিক সাহিত্যক বিভিন্ন উপশ্ৰেণীত ভাগ কৰি লোৱা হয়। যেনে — (ক) লোকসাহিত্য (খ) গদ্যধৰ্মী লোককথা (গ) লোকভাষা, (ঘ) প্ৰবাদ-পটন্তৰ প্ৰৱচন আৰু (ঙ) সাঁথৰ বা দিষ্টান।[১] সত্যেন্দ্ৰ নাথ শৰ্মাই লোকগীতসমূহক অনুষ্ঠানমূলক, আখ্যানমূলক আৰু বিবিধ বিষয়ক এই তিনিটা বহল ভাগত ভাগ কৰিছে।[২]

সাহিত্যিক দিশৰ পৰা লোকগীতসমূহ এটা জাতি বা এখন সমাজৰ অমূল্য সম্পদ। নিভাঁজ প্ৰাকৃতিক পৰিবেশৰ মাজত সৰল, ঘৰুৱা জীৱন-যাপন কৰা শ্ৰমজীৱী চহাজীৱনে তেওঁলোকৰ সৰল বিশ্বাসৰ মাধ্যমেৰে নিজস্ব ভাৱ অনুভূতিৰ প্ৰকাশ ঘটায়। সেইবাবে গীতবোৰৰ ছন্দ, ভাৱ-ভাষা, শৃংখলিত নহয়। এই সম্পৰ্কে সত্যেন্দ্ৰনাথ শৰ্মাৰ মন্তব্য প্ৰণিধানযোগ্য *"অনাড়ম্বৰ সৰল ভাষা, ঘৰুৱা চিত্ৰ, আঞ্চলিক প্ৰকাশভংগী, ভাৱৰ মুকলি প্ৰকাশ, সৰল বিশ্বাস আৰু অলৌকিকতাৰ প্ৰভাৱ লোকগীতসমূহত লক্ষ্য কৰা যায়। গীতবোৰৰ ছন্দ, ভাৱ আৰু ভাষা-শৃঙ্খলিত নহয়, সাৱলীল আৰু উন্মুক্ত। চহা প্ৰাণৰ ই মুক্ত পৰিস্ফুৰণ আৰু আদিম আৰু মৌলিক ভাবাৱেগৰ (Elemental passion) অকৃত্ৰিম প্ৰকাশ।"*[৩] বিহুগীত, আইনাম, বিয়ানাম, নিচুকনি গীত, নাঙেলী গীত, মহখেদা গীত, মনসা

পূজাৰ গীত, মালিতা, পগলা-পাৰ্বতীৰ গীত, আদি লোকগীতৰ অন্তৰ্গত। অসমৰ সকলো অঞ্চলতে স্থানীয় বৈশিষ্ট্য বহন কৰি বিভিন্ন উৎসৱ-পাৰ্বণ, পূজা-পাতল খেল-ধেমালি আদি প্ৰচলিত হৈ আহিছে আৰু ইয়াৰ লগত জড়িত লোকগীতসমূহ সিচঁৰতি হৈ আছে। এই লোকগীতসমূহৰ ভিতৰত অনুষ্ঠানমূলক লোকগীতৰ অন্তৰ্গত বিয়াগীতবোৰে অসমীয়া মৌখিক সাহিত্যৰ ভঁৰাল চহকী কৰি আহিছে।

**৩.০২ বিয়ানাম, বিয়াগীত বা বিয়াপদ ঃ**

অসমীয়া সমাজত পালনীয় সংস্কাৰমূলক কৃত্যসমূহৰ ভিতৰত বিবাহ অনুষ্ঠান মুখ্য আৰু গুৰুত্বপূৰ্ণ অনুষ্ঠান। বিবাহ এক প্ৰাণময় সামাজিক অনুষ্ঠান। বিবাহৰ জৰিয়তে এহাল ডেকা-গাভৰুক যুগ্ম জীৱনৰ পাতনি মেলিবলৈ সামাজিকভাবে স্বীকৃতি প্ৰদান কৰা হয়। বিবাহ অনুষ্ঠানৰ বিভিন্ন নীতি-নিয়মৰ লগত সংগতি ৰাখি আয়তীসকলে যিবোৰ গীত পৰিৱেশন কৰে, সেই গীতবোৰকে বিয়াগীত বোলে। আঙঠি পিন্ধোৱাৰ পৰা কইনা বিদায় দিয়ালৈকে বিভিন্ন পৰ্যায়ত আয়তীসকলে গোৱা বিয়া গীতবোৰে অনুষ্ঠানটোক স্মৰণীয় আৰু মনোমোহা কৰি তোলে। নাৰীমনৰ অপূৰ্ব সৃষ্টি বিয়াগীতবোৰ নাৰীৰ একচেটিয়া সম্পত্তি। সাধাৰণতে উৎসৱ অনুষ্ঠানবোৰত পুৰুষৰ তুলনাত নাৰীয়ে সক্ৰিয়ভাবে অংশগ্ৰহণ কৰে। বিবাহ অনুষ্ঠানৰ পালনীয় বিভিন্ন লোকাচাৰ সমূহৰ ক্ষেত্ৰতো নাৰীয়েই আগভাগ লয়। বিয়াৰ ভিন্ন অৱস্থাৰ লগত ৰজিতা খুৱাই, নাৰীসুলভ কোমলতা আৰু আবেগ-অনুভূতিৰে গোৱা হয়। বিয়াগীতসমূহক ঠাইভেদে বিয়ানাম বা বিয়া পদ বুলিও কোৱা হয়।

বিয়াগীত ঘাইকৈ দুটা ভাগত ভাগ কৰা হয় — গহীন ভাবযুক্ত আৰু লঘু হাস্যস্পদ গীত। গহীন ভাবৰ গীতবোৰত পুৰাণ প্ৰসিদ্ধ চৰিত্ৰ, যেনে — কৃষ্ণ-ৰুক্মিণী, হৰ-গৌৰী, উষা-অনিৰুদ্ধ, নল-দময়ন্তী, ৰাম-সীতা প্ৰভৃতিক আদৰ্শ দম্পতী হিচাবে গণ্য কৰি তেওঁলোকৰ চৰিত্ৰ দৰা কইনাৰ গাত আৰোপ কৰি গীতসমূহ গোৱা হয়। এই চৰিত্ৰসমূহৰ লগতে দৈৱকী, যশোদা, ভীষ্ম, দশৰথ, কৌশল্যা, সুমিত্ৰা প্ৰভৃতি চৰিত্ৰবোৰেও বিয়াগীতৰ মাজেৰে প্ৰাণ পাই উঠে। গহীন ভাবৰ গীত সম্পৰ্কে সত্যেন্দ্ৰনাথ শৰ্মাই কৈছে — *"এই শ্ৰেণীৰ গীতত কৃষ্ণ-ৰুক্মিণী, উষা-অনিৰুদ্ধ আদি পৌৰাণিক চৰিত্ৰসমূহৰ বিবাহৰ বৰ্ণনা দি আৰু সেই চৰিত্ৰসমূহ বৰ কন্যাত আৰোপ কৰি নামতীসকলে বিয়াঘৰত সুৰৰ এটি*

*গহীন পৰিৱেশ সৃষ্টি কৰে। এই পৌৰাণিক কাহিনীৰ লগত জড়িত ভালেখিনি "ৰুক্মিণী হৰণ", কুমৰ-হৰণ" আদি বৈষ্ণৱ কাব্যৰ প্ৰভাৱো দেখা যায়।"*[৪]

লঘু-হাস্যস্পদ-গীতবোৰক যোৰানাম, খিচাগীত বা নিন্দাগীত বুলি কোৱা হয়। এই গীতবোৰৰ সুৰ-লয় লঘু ভাবৰ হয়। দৰাঘৰীয়া আৰু কইনাঘৰীয়াই পৰস্পৰে পৰস্পৰক ঠাট্টা-বিদ্রূপ বা ইতিকিং কৰি বিয়াঘৰত এক হাস্যমধুৰ পৰিৱেশৰ সূচনা কৰি এক নিৰ্মল আনন্দ লাভ কৰে। এই গীত সম্পৰ্কে নবীনচন্দ্ৰ শৰ্মাই আলোচনা প্ৰসংগত মন্তব্য কৰিছে— *"যোৰানাম বা 'খিচাগীত' বা 'নিন্দাপদ' বোৰ যথাৰ্থতে অভিনৱ সৃষ্টি। পাৰস্পৰিক বিৰোধাভাসৰ আধাৰত এইবোৰৰ জন্ম-কইনাঘৰীয়াই দৰাঘৰীয়াৰ বিৰোধিতা কৰে আৰু দৰাঘৰীয়াই কইনাঘৰীয়াৰ বিৰোধিতা কৰে, কিন্তু, এই বিৰোধ ক্ষণস্থায়ী; উদ্দেশ্য কৌতুকতা।"*[৫] যিকোনো পৰিৱেশ পৰিস্থিতি তথা ব্যক্তি বিশেষক সাঙুৰি আয়তীসকলে তেওঁলোকক জোকাবলৈ এই গীতবোৰ সৃষ্টি কৰে। পৰম্পৰাগতভাৱে চলি অহা যোৰানাম বা নিন্দাগীতবোৰৰ বাহিৰেও নতুন নতুন এনে গীত সৃষ্টি হৈ থাকে। ইজনীয়ে-সিজনীক বা এটাপক্ষই আনটো পক্ষক জোকাই গীতবোৰ গোৱা হয় যদিও এইবোৰ কেৱল হাস্যৰস সৃষ্টিৰ বাবেহে, কোনেও ইয়াক গাত পাতি নলয়। গাত পাতি লবলৈ গ'লে কেতিয়াবা কাজিয়াৰ সূত্ৰপাত ঘটে যদিও এয়াও ঠাইতে মীমাংসা হয়।

বিয়াগীতবোৰ বৰ বিয়া বা দাম্পত্যজীৱনৰ বিবাহ অনুষ্ঠান, তোলনি বিয়া আৰু ভেকুলী বিয়াত গোৱা হয়। ভেকুলী বিয়াৰ গীত বৰবিয়া বা তোলনি বিয়াত গোৱা গীততকৈ পৃথক।

### ৩.০২.১ দৰঙৰ বিয়াপদ ঃ

দৰঙৰ চহকী লোকসংস্কৃতিত দৰঙী উপভাষাত ৰচিত মৌখিক সাহিত্য বা লোকসাহিত্যৰ এক গুৰুত্বপূৰ্ণ স্থান আছে। দৰঙৰ লোকসাহিত্যক লোকগীত, লোককথা আৰু লোকোক্তি এই তিনিটা শ্ৰেণীত ভগাব পাৰি। এই শ্ৰেণীসমূহৰ ভিতৰত লোকগীতৰ ক্ষেত্ৰখনৰ পৰিসৰ ব্যাপক। বিয়ানাম, ছিয়া গীত, নাঙেলী গীত, দিহানাম, থিয়নাম, চেওচাপৰি নাম, মহ খেদা গীত, আইনাম, নাগাৰা নাম প্ৰভৃতি গীতসমূহে দৰঙী লোকগীতৰ ভঁৰাল চহকী কৰিছে। দৰঙত গীত শব্দৰ বিপৰীতে পদ শব্দটোহে অধিক ব্যৱহাৰ কৰা হয়। পদ

লগাই দিয়া পুৰুষসকলক ওঝা (ওজা) আৰু মহিলাসকলক পদেলী বুলি কোৱা হয়। দৰঙৰ লোকগীতসমূহক কনকচন্দ্ৰ চহৰীয়াই তাত্ত্বিক দিশৰপৰা নটা উপশ্ৰেণীত ভাগ কৰিছে — *"(১) পূজা সেৱাৰ গীত (২) লোক উৎসৱ অনুষ্ঠান গীত (৩) সংস্কাৰমূলক নৃত্যৰ গীত (৪) আখ্যানমূলক গীত (৫) কৰ্মমূলক গীত (৬) লোককাব্য- লোকমহাকাব্য-লোকপুৰাণ (৭) দাৰ্শনিক ভাবৰ গীত (৮) বিবিধ গীত (৯) নিচুকনি আৰু খেল-ধেমালিৰ গীত।"*[৬]

দৰঙৰ লোকগীতসমূহৰ ভিতৰত সংস্কাৰ কৃত্য অনুষ্ঠানৰ লগত জড়িত গীতবোৰৰ স্থান সুকীয়া। মানুহৰ জন্মৰ পৰা মৃত্যুলৈকে যিবোৰ সংস্কাৰমূলক কৃত্য পালন কৰা হয় সেইবোৰৰ লগত সংগতি ৰাখি গোৱা গীত-পদবোৰেই সংস্কাৰমূলক অনুষ্ঠানৰ গীত। জাতকৰ্ম, চূড়াকৰণ, তোলনি বিয়া, দাম্পত্য জীৱনৰ বিয়া, শ্ৰাদ্ধ প্ৰভৃতি সংস্কাৰকৃত অনুষ্ঠানৰ লগত জড়িত গীতসমূহ প্ৰধানত নাৰী মনৰ সৃষ্টি। দৰঙৰ বিয়া গীতবোৰক 'বিয়াপদ' আৰু যোৰানাম বা খিচাগীতবোৰক 'নিন্দাপদ' বুলি কোৱা হয়। উজনি অসম আৰু নামনি অসমত বিবাহৰ লগত জড়িত আচাৰ-নীতি, গীত-পদ, ভাষা আদিৰ পাৰ্থক্য আছে। গতিকে সেই অনুযায়ী বিয়াগীতত বৰ্ণিত সমাজ বা নীতি নিয়মবোৰৰ মাজত কিছু পাৰ্থক্য চকুত পৰে যদিও বিষয়বস্তু বা প্ৰকাশভঙ্গী একেধৰণৰ। নামনি অসমৰ বিয়াগীতৰ ভিতৰত দৰঙৰ বিয়াপদবোৰৰ সুৰ আৰু প্ৰকাশভঙ্গী কিছু বেলেগ দেখা যায়। দৰঙৰ বিয়াপদত বিয়াহৰ ওজাপালিৰ গীতৰ সুৰ আৰু লয়ৰ সামঞ্জস্য দেখা যায়।[৭] দৰঙত দাম্পত্য জীৱনৰ বিবাহ আৰু তোলনি বিয়া দুয়োখনতেই আয়তীসকলে জাউৰিয়ে জাউৰিয়ে বিয়াগীতসমূহ গায়। এই দুয়োখন বিয়াতেই নিন্দাপদসমূহে পৰিৱেশটো হাস্যমধুৰ কৰি তোলে।

**৩.০২.২ তোলনি বিয়াৰ গীত ঃ**

তোলনি বিয়াত গোৱা গীতবোৰেই নোৱাই তোলনি বিয়া বা তোলনি বিয়াৰ গীত বা বিয়ানাম বা বিয়াপদ বুলি কোৱা হয়। সম্পূৰ্ণৰূপে নাৰীকেন্দ্ৰিক এই অনুষ্ঠানত গোৱা গীতবোৰৰ বিয়ষবস্তু আৰু প্ৰকাশভঙ্গী একে হ'লেও গীতবোৰে আঞ্চলিক বা স্থানীয় বৈশিষ্ট্য বহন কৰি আহিছে। দৰঙী লোকগীতৰ অন্তৰ্গত তোলনি বিয়াৰ গীত পদবোৰৰ ৰচয়িতাসকল সহজ-সৰল নাৰী। বিয়াগীতক লোক কবিতাৰ শাৰীত ৰাখি নিৰ্মল প্ৰভা বৰদলৈয়ে তোলনি বিয়াৰ গীতৰ প্ৰসংগত মন্তব্য দাঙি ধৰিছে — *"যৌৱনৰ কবিতাবোৰৰ ভিতৰত নাৰী প্ৰথম*

*ঋতুমতী হওঁতে গোৱা গীতখিনি তাৎপৰ্যপূৰ্ণ। ছোৱালীজনী প্ৰথম ঋতুমতী হোৱাৰ পাছত চাৰিদিনৰ দিনা পুৱা কেবাগৰাকীও আই বাই আহি উৎসৱ কৰি গা ধুৱাই যি যি কাৰ্য কৰে আৰু গীত গায় তাত উৰ্বৰতা বৃদ্ধিৰ কামনা পোনপটীয়াকৈ লক্ষ্য কৰা যায়।"*[৮] তোলনি বিয়াৰ গীতবোৰ বৰবিয়া এখনৰ বিয়াতকৈ পৃথক। পুৰুষৰ অংশগ্ৰহণ অবিহনে নাৰীসকলে সক্ৰিয় অংশগ্ৰহণ কৰি পৰিচালনা কৰা বিয়াখনত কোনো পুৰোহিত নাথাকে। গীতবিলাকৰ মাধ্যমেৰে প্ৰত্যেকটো স্তৰতে কৰিবলগীয়া লোকচাৰবোৰৰ আভাস দিয়া হয়। তোলনি বিয়াত কোনো পুৰোহিত নাথাকে, তাৰ সলনি বিয়াৰ কৰণীয় বিধিবোৰ আয়তীসকলে গীতৰ মাধ্যমেৰে জনাই যায়।[৯] ছোৱালীজনীৰ দাম্পত্য জীৱনৰ সুখ-শান্তিৰ কামনা, তেওঁ ঘৰ এখন এৰি যোৱা বিচ্ছেদৰ কাৰুণ্য, নতুন ঘৰত পালনীয় কৰ্তব্য আৰু দায়িত্ব, ভৱিষ্যত মংগল কামনাৰ কৰুণসিক্ত প্ৰকাশ দাম্পত্য জীৱনৰ বিয়াৰ গীতত প্ৰকাশ পায়। আনহাতে তোলনি বিয়াৰ গীতসমূহত নকৈ গাভৰু হোৱা ছোৱালীজনীক কেন্দ্ৰ কৰি পালন কৰা লোকাচাৰ আৰু ইয়াৰ লগত জড়িত লোকবিশ্বাস, ছোৱালীজনীয়ে ভৱিষ্যতে ল'ব লগা সাৱধানতা, ভৱিষ্যতে এগৰাকী পত্নী তথা মাতৃ হ'বলগা ছোৱালীজনীৰ নৈতিক শিক্ষা প্ৰভৃতি দিশবোৰ প্ৰতিফলিত হয়। দৰঙত তোলনি বিয়া অনুষ্ঠানটো দুবাৰ পতা হয়, এবাৰ চুৱা গা ধুওৱা বা চুৱা ধুৱেনি আৰু আনবাৰ ভাল গা ধুওৱা বা ভাল তোলনি বিয়া। এই দুয়োটা ধুওৱা অনুষ্ঠানতে বিয়াগীত গোৱা হয় যদিও গীতবোৰৰ বিষয়বস্তুৰ কিছু পাৰ্থক্য আছে। চুৱা ধুওৱা গীতবোৰত ছোৱালীজনী ঘৰৰ পৰা উলিয়াই অনাৰ লগত সঙ্গতি ৰাখি গীত গোৱা হয়। যিহেতু চাৰিদিনৰ মূৰত ছোৱালীজনীয়ে বাহিৰখন দেখা পায় গতিকে গীতৰ বিষয়বস্তুও তাৰ ওপৰত ভিত্তি কৰি সৃষ্টি হয়। এই বিয়াখনত পানী তোলাৰ নিয়ম নাই, গতিকে পানী তোলা গীত চুৱা গা ধুওৱা অনুষ্ঠানত নাই। দৰাপক্ষক আদৰা গীত, গা ধুৱাই থাকোতে, চোতালত বহোতে গোৱা গীতবোৰ ভাল তোলনিতো একেধৰণে গোৱা হয়। ভাল ধুৱনিৰ বাবে দূৰৈৰ গাঁৱত জননি দি থৈ অহা হয় বাবে দৰাঘৰীয়াই জননি লৈ আহোঁতে বিভিন্ন ধৰণৰ গীত গাই অহাৰ নিয়ম। তদুপৰি ভাল তোলনিত নৈ বা পুখুৰীৰ পানী তুলি অনা হয়। পানী তুলিবলৈ যাওঁতে আৰু উভতি আহোঁতে বিয়াপদ গোৱা হয়। দুয়োখন তোলনিতে গোৱা গীতবোৰ বিয়াখনৰ বিভিন্ন পৰ্যায়ৰ লগত সঙ্গতি ৰাখি গোৱা হয়।

ভাল ধুৰেনি আৰু চুৰা ধুৰেনিত গোৰা গীতবোৰ বিয়াৰ ক্ৰম অনুসৰি কেইটামান শ্ৰেণীত ভাগ কৰি ল'ব পাৰি যদিও গোৰাৰ ক্ৰমৰ সামান্য সালসলনি ঘটে। চুৰা ধুৰেনি অনুষ্ঠানটোত কইনাপক্ষৰ আয়তীসকলেই ওচৰতে ৰখা জননিটো লৈ আহে। জননিটো অনাৰ আগতে তেওঁলোকে ছোৱালীজনীক ধুৱাই চোতালত বহুৱাই থৈ যায়। জননি লৈ আহোঁতে তেওঁলোকে গীত গোৱাৰ বিশেষ সুবিধা নাপায়, কাৰণ এটামান গীত শেষ নৌহওঁতেই তেওঁলোক কইনাৰ পদূলি পায়। বাকী গীতবোৰ অৱশ্যে দুয়োখন বিয়াতে একেধৰণে গোৱা হয়। আয়তীসকলৰ মাজৰ মুখ্য নামতীজনীয়ে গীতবোৰ আৰম্ভ কৰে। তেওঁ লগাই দিয়া গীতাংশ বাকীসকলে সমস্বৰে সুৰ লগাই গাই যায়। প্ৰতিটো গীত আৰম্ভ কৰাৰ আগত আৰু শেষত সকলোৱে সমস্বৰে 'হৰি বোলা হৰি এ হ'ল' বুলি তিনিবাৰ গাই উৰুলি জোকাৰ দিয়ে। এই উৰুলি জোকাৰৰ মাজেৰে কইনাজনী, আয়তীসকল আৰু গোটেই অঞ্চলবাসীৰে মংগল কামনা কৰা হয়।

প্ৰসংগ অনুযায়ী গোৰা গীতবোৰ কেইটামান শ্ৰেণীত ভাগ কৰি তলত আলোচনা কৰা হ'ল।

**৩.০২.৩ দৰাপক্ষ আহোঁতে গোৰা গীত ঃ**

ভাল তোলনি বিয়াখনৰ জননি বা জপা দূৰৈৰ মামাকৰ ঘৰত বা আন আত্মীয়ৰ ঘৰত থৈ অহা হয়। কইনাঘৰলৈ জননি লৈ আহোঁতে তেওঁলোকে গোটেই পথচোৱা বিয়া গীতেৰে মুখৰিত কৰি আহে, উদ্দেশ্য পথশ্ৰম লাঘৱ কৰা আৰু মনৰ অনাবিল আনন্দ উলাহক দাঙি ধৰা। পথচোৱাত দেখা গছ-গছনি, চৰাই চিৰিকটি প্ৰভৃতি গীতবোৰৰ মূল উপজীব্য হৈ পৰে। ওৰে বাটে দেখা নৈসৰ্গিক প্ৰকৃতিৰ উপৰিও সেই সয়মত তেওঁলোকৰ মনত অগা-ডেৰা কৰা বিভিন্ন কল্পনাই গীতবোৰত স্থান পায়। তেওঁলোকৰ সন্মুখত সেই মুহূৰ্তত আহি পৰা সকলো বস্তুৰেই স্বতঃস্ফূৰ্তভাৱে গীতৰ মাজত সোমাই পৰে। প্ৰায়ে গীতবোৰৰ মাজৰ কথাংশৰ সংগতি হেৰাই যায়। গাঁৱৰ পথৰ দুয়োকাষে থকা শাৰী শাৰী কলগছৰ মনোমোহা পৰিবেশক টানি আনি গীত গোৱা হয় —

*এ ৰবি গাওঁৰ মাজে মাজে        এ ৰবি কলগছৰে শাৰী*

*এ ৰবি বাদুলি ওলমি খাইহে।*

*এ ৰবি ৰামচন্দ্ৰৰ হাততে        এ ৰবি মুঠিকাৰে ধেনু*

*এ ৰবি বাদুলিক গুলিয়াই যায়হে।*

*এ ৰবি বাদুলিক গুলিয়াওতে        এ ৰবি পালে সোণৰ মণি*

*এ ৰবি জানেকীৰ হাতত দেই হে।* [১০]

গীতটোৰ কথাংশৰ লগত কাৰ্যৰ মিল বিচাৰি পোৱা নাযায়। ৰামৰ হাতত মুঠিকাৰ ধেনু থাকে, অথচ বাদুলিক শৰবিদ্ধ নকৰি গুলিয়াই মাৰিছে। বাদুলিক গুলিয়াই সোণৰ আঙঠিও পাইছে। এই ধৰণৰ গীতৰ মাজেৰে আয়তীসকলে নতুন আৰু পুৰণিৰ সংমিশ্ৰণ ঘটাইছে। এহাতে ৰামৰ বীৰত্ব আৰু পৌৰষত্বক স্মৰণ কৰিছে, আনহাতে ৰামৰ তেনে গুণ আয়ত্ব কৰি দৰাই বন্দুকেৰে বাদুলি গুলিয়াই মৰাৰ কল্পনা কৰা হৈছে। ৰামৰ সতে সীতা বা জানকীক গীতৰ মাজেৰে টানি আনি পৌৰাণিক চৰিত্ৰৰ প্ৰতি থকা শ্ৰদ্ধামিশ্ৰিত আকৰ্ষণকো প্ৰকাশ কৰিছে।

শাৰী শাৰী কলগছৰ মাজেৰে আহি থাকোতে আয়তীসকলে পৰিষ্কাৰ পৰিচ্ছন্ন গাঁওখনৰ চিত্ৰও গীতৰ মাজেৰে চিত্ৰিত কৰে —

*এ ৰবি এইখন কি গাওঁ     এ ৰবি আজিহে দেখা পাওঁ*

*এ ৰবি বগুলা পাখি যেন লাগে।*

*এ ৰবি গাঁৱৰ মাজে মাজে     এ ৰবি ৰুলো কলৰ পুলি*

*এ ৰবি বাদুলি ওলমি খায়হে।*

*এ ৰবি কইনাথেৰ নঙলাত     এ ৰবি দুডালি শলখা*

*এ ৰবি মাউতে বান্ধিলে হাতীহে।*

*এ ৰবি হাতী লৰে মাৰি     এ ৰবি ভাঙিলে পাঁচোটা পুলি*

*এ ৰবি মাউতক ধৰিমে আজি।*

*এ ৰবি পাঁচোটা পুলিতে     এ ৰবি লমে পাঁচে টকা*

*এ ৰবি হাতে যোৰ কৰি মইহে।* [১১]

গাঁৱৰ মাজে মাজে গৈ থাকোতে গীতটো যি ঠাইতেই গোৱা নহওঁক, গাঁৱৰ সেই একেই ছবি একেই পৰিৱেশ দৃশ্যমান হয়। এনেকুৱা লাগে যেন এখনি গাঁৱক উদ্দেশ্য

কৰিহে গীতটো ৰচনা  কৰা হৈছে। দীঘলীয়া যাত্ৰাত গাই যোৱা বাবে কিছুমান অৰ্থহীন কথাও গীতত সোমাই যোৱা পৰিলক্ষিত হয়।

গাঁৱৰ মাজে  মাজে আহি থাকোতে হয়তো  কোনোবাজনী আয়তীৰ দৃষ্টিগোচৰ হৈছে  আমগছবোৰ  মলিয়াইছে  অৰ্থাৎ  কলি পেলাইছে, মলিওৱা আমগছৰ সৌন্দৰ্যই গোটেই বাৰীখনৰে  উজ্জ্বলতা  বঢ়াই  তুলিছে। এনে দৃশ্যৰ অৱতাৰণাৰে গীত এটা আৰম্ভ কৰি নামতী গৰাকীয়ে সেইদিনাৰ  বিয়াখনত  দৰাৰূপে  যিজনী নাবালিকাই জপা মূৰত লৈ আহে তেওঁক জোকাবলৈ আৰম্ভ কৰে —

*শ্ৰীকৃষ্ণ  আমডাল মলিছি        শ্ৰীকৃষ্ণ  বাৰীখান জ্বলিছি*
*শ্ৰীকৃষ্ণ ভনী তোক ক'ৰ কইনা লাগেই।*
*শ্ৰীকৃষ্ণ  অৰো নালাগেই        শ্ৰীকৃষ্ণ  তৰো নালাগেই*
*শ্ৰীকৃষ্ণ  লাগেই পিঠাখোৱাৰ ঝিয়া।*
*শ্ৰীকৃষ্ণ  পিঠাখোৱাৰ ঝিয়া        শ্ৰীকৃষ্ণ  এক নম্বৰ ঘটিয়া*
*শ্ৰীকৃষ্ণ উৰ্মাল দি ভুলাব পাৰে।*[১২]

এনে গীতত নামতী  গৰাকীৰ  প্ৰত্যুৎপন্নমতী গুণৰ পৰিচয় পোৱা যায়। তেওঁলোক কোনখন  গাঁৱলৈ  তোলনি  বিয়াৰ বাবে আহিছে গীতটোত সেই  গাঁওখনৰ  নাম সুমুৱাই দিয়া হয়। ওপৰৰ  গীতটোত উল্লেখ থকা ‘পিঠা খোৱা’ এখন গাঁওৰ নাম। ‘পিঠাখোৱা’ ৰ সলনি তেওঁলোকৰ  লক্ষ্যস্থান যিখন গাঁও সেইটো সোমাই দিয়াটো নামতী গৰাকীৰ কাম, তেওঁ উপস্থিত বুদ্ধিৰে এই  কামটো সমাধা কৰে আৰু  বাকী  আয়তীসকলে সমস্বৰে গীতটো গাই  যায়। ছোৱালীজনীৰ  ক্ষেত্ৰত ‘এক নম্বৰ ঘটিয়া’ বুলি  নকৈ ‘সাতঘাটৰ চেঙেলী’ জাতীয় সেই  মুহূৰ্তত  মনলৈ অহা যিকোনো বিশেষণ প্ৰয়োগ  কৰিব পাৰে। গাঁওখনৰ ছোৱালীয়ে দৰাক ‘উৰ্মাল’ অৰ্থাৎ ৰুমাল দি ভুলোৱাৰ সলনি ‘তামোল’ জাতীয় অন্য বস্তুৰেও ভুলাব পাৰে। এই  সকলোবোৰ  নামতী  গৰাকীৰ মনলৈ সেই মুহূৰ্তত  কি শব্দ আহে তাৰ ওপৰত নিৰ্ভৰ কৰে।

গাওঁৰ মাজে মাজে কইনাঘৰলৈ অহা বাটচোৰাত আয়তীসকলৰ চকুত পৰা বিভিন্ন গছ-গছনি, পুখুৰী, দলং প্ৰভৃতি বস্তুবোৰ বিয়াগীতৰ মাজেৰে  প্ৰতিফলিত হয়। এনেধৰণৰ

বিয়াগীতবোৰ বহুদূৰৈৰ পৰা শুনিয়েই কোনো এজন ব্যক্তিয়ে আয়তীসকলে বৰ্তমান কি স্থান পাইছে সেয়া অনুমান কৰি পাৰে —

*হৈ চৌ ভোমোৰা শহুৰৰ ঘৰে / আহি আহি পালো মই কটা বাঁহৰ তলে ||*
*হৈ চৌ ভোমোৰা শহুৰৰ ঘৰে / আহি আহি পালো মই বকুল গছৰ তলে ||*
*হৈ চৌ ভোমোৰা শহুৰৰ ঘৰে / আহি আহি পালো মই পদুমপুখুৰীৰ পাৰ এ ||*
*হৈ চৌ ভোমোৰা শহুৰৰ ঘৰে / আহি আহি পালো মই কলগছৰ তলে ||*
*হৈ চৌ ভোমোৰা শহুৰৰ ঘৰে / আহি আহি পালো মই কইনাথেৰ ঘৰ এ ||*[১৩]

গীতটো নামতীগৰাকীৰ ইচ্ছা অনুযায়ী বহলাই গৈ থাকিব পাৰে। অকোৰা পকোৰা পথ ভ্ৰমি আহোঁতে আয়তীসকলৰ দেহৰ অৱস্থা কেতিয়াবা বেয়া হ'ব পাৰে বা তেওঁলোক ভাগৰি পৰিবও পাৰে। এনে চিত্ৰও গীতবোৰৰ মাজত প্ৰকাশ পাইছে। তদুপৰি বাটত দেখা নাহৰ-বকুলৰ দৰে ফুলবোৰ চিঙি অনাৰ অদম্য হেপাহো গীতবোৰত প্ৰাণ পাই উঠিছে —

*ৰাস্তাৰ চকৰি কত যাৰ লগৰী / ঘূৰোতে ঘূৰোতে মুখ গেল ভখুৰী ||*
*যাওঁতে দেখিলো আহঁত গছ এডালি / আহোঁতে আছে ফুলি হে লগৰী ||*
*ৰাস্তাৰ চকৰি কত যাৰ লগৰী / ঘূৰোতে ঘূৰোতে দেহা গেল ভাগৰি ||*
*যাওঁতে দেখিলো বকুল গছ এডালি / আহোঁতে আছে ফুলি হে লগৰী ||*
*হাকুটি লগালো মাথা চপৰাইলো / আনিলো এপাহি চিঙি হে লগৰী ||*
*ৰাস্তাৰ পৰুৱা এইটো ক'ৰ ঝিয়া / আছে মূৰত পেটেৰী লৈ হে ৰাম ||*[১৪]

দৰাঘৰৰ পৰা কইনাঘৰলৈ অহা বাটচোৰাত এনেধৰণৰ গীতবোৰ গোৱা হয়। এই গীতবোৰত প্ৰকৃতিৰ দৃশ্যাৱলীয়ে আয়তীসকলক কি দৰে মুগ্ধ কৰি আহিছে তাৰ আভাস পাব পাৰি। এই প্ৰসংগত নিৰ্মল প্ৰভা বৰদলৈৰ বক্তব্য প্ৰণিধানযোগ্য — *"বিয়াগীতবোৰৰ আন এক মন কৰিবলগীয়া বৈশিষ্ট্য হৈছে এইবোৰ অনুষ্ঠান নিৰ্ভৰ যদিও ইয়াতো সূক্ষ্ম ভাবাবেগ পৰিস্ফুটিত হৈছে আৰু অসমীয়া নাৰীসমাজে কৰা মোহনীয়া নিৰীক্ষণ প্ৰতিফলিত হৈছে য'ত জীৱজগত আৰু জড়জগতৰ মাজত এক অপূৰ্ব সম্বন্ধ ৰচিত হৈছে।"*[১৫] বিয়াগীতৰ এই বৈশিষ্ট্য তোলনি বিয়াৰ গীতসমূহত সুন্দৰকৈ প্ৰতিফলিত হোৱা দেখা গৈছে। পানী তোলা গীতৰ প্ৰসংগতো এই বৈশিষ্ট্য লক্ষ্য কৰা যায়।

### ৩.০২.৪. দৰা আদৰোঁতে গোৱা গীত ঃ

দৰা আহি কইনাঘৰৰ পদূলিত থিয় হয়। জপা লৈ অহা ছোৱালীজনী পদূলিত পাৰি থোৱা পীৰা এখনত থিয় হয়। অসমীয়া সমাজৰ লোকাচাৰ অনুসৰি বিয়াৰ দৰাক আদৰি সাদৰি স-সন্মানে আগবঢ়াই নিব লাগে। ওৰে বাটে মূৰত জপা লৈ অহা সৰু ছোৱালীজনীৰ ভাগৰ লাগি আহে। এনেক্ষেত্ৰত দৰা আগবঢ়াই নিয়াত পলম হ'লে আয়তীসকলে গায় —

*বেতৰে শিহেনী কি কচ্ছা বিয়েনী / ঐ ৰাম জৱাৰেক আগবঢ়াই নিয়াহে //*
*বেতৰে শিহেনী কি কচ্ছা বিয়েনী / ঐ ৰাম জপা মূৰত লৈ আছো //*
*কিমাননো থিয়া কৰি থোৱা হে / বেতৰে শিহেনী কি কচ্ছা বিয়েনী //*
*ঐ ৰাম জৱাৰেক নওলাত থৈ হে / খঙাল জৱাৰে হাতী লৈ আহিছে //*
*ঐ ৰাম গচকি ভাঙিব পীৰাহে।*[১৬]

দৰাপক্ষই কইনাপক্ষক সোনকালে দৰাক আগবঢ়াই নিবলৈ গীত গাই থাকোতে কইনা পক্ষৰ আয়তী কেইগৰাকীমানেও তেওঁলোকক উভতি ধৰে। কইনাপক্ষই অভিযোগ কৰে যে তেওঁলোক সময়মতে অহা নাই —

*আগবঢ়াবলৈ মৈৰাৰ বিচনী / ঐ ৰাম ভৰি ধুৱাবলৈ পানীহে //*
*হাকিমৰে ঝিয়া হাতঘড়ী পিন্ধা / ঐ ৰাম ঘড়ী চাই নাহিলি কিয়াহে //*
*আহিব দিছিলো দহটা বজাতে / ঐ ৰাম বাৰটা বাজি গেল কিয়া হে //*[১৭]

এনেদৰে গীতৰ মাজেৰে বাদানুবাদ চলি থাকোতেই ধুৱৈতীয়ে কলৰ দোনাত গাখীৰ-কল আৰু ঘটীত পানী লৈ দৰা আদৰিবলৈ সাজু হয়। লোকাচাৰ অনুযায়ী দৰাক গাখীৰ কলেৰে ভৰি ধুৱাই ধুৱৈতীয়ে চাদৰৰ আঁচলেৰে বা দি চোতাললৈ আগবঢ়াই আনিব লাগে। এই সময়ত হাতত দুণৰি লৈ থকা আয়তী গৰাকীৰ দুণৰিৰ পৰা চাউল ছটিয়াই দিয়ে। এনে ধৰণৰ নীতি-নিয়ম প্ৰতিফলিত হোৱা গীত এফাঁকি এনেধৰণৰ —

*আগবঢ়াবলৈ মৈৰাৰ বিচেনী / ঐ ৰাম ভৰি ধুৱাবলৈ পানীহে //*
*কলৰে দোনাতে আছে থৈ এ দিয়া / ঐ ৰাম আনগৈ গাখীৰ কল সানিহে //*
*ভৰিত দিবা গাখীৰ কল / মাথাত দিবা মালা //*
*ঐ ৰাম দুণেৰিৰ চাউল চিতেই / আগবঢ়াই আনাহে //* [১৮]

চুৰা ধুৱেনিতো দৰা আদৰা গীতসমূহ এনেধৰণে গোৱা হয়। কেৱল গীতগোৱাৰ সময়ৰ পাৰ্থক্য আছে। চুৰা ধুৱেনিত কইনা ধুৱাই চোতালত বহাই থোৱাৰ পিছত একেখিনি আয়তীয়ে দৰাপক্ষ হৈ আহে আৰু তেওঁলোকেই দুয়োপক্ষৰ হৈ গীতসমূহ গায়।

দৰাক আদৰি আনি জপাৰ সৈতে চোতালত বহাই থোৱাৰ পিছত আন আয়তীসকলেও চোতালত পাৰি থোৱা ঢাৰি-পাটীত আসন গ্ৰহণ কৰে। কইনাপক্ষই ছোৱালীজনীক ধুৱাবলৈ দৰাপক্ষ অহালৈ বাট চাই থাকে, সেয়ে দৰাপক্ষ অহাৰ পিছত বেছি দেৰি নকৰি দুয়োপক্ষৰ আয়তীসকলে পানী তুলি অনাৰ ব্যৱস্থা কৰে। সাধাৰণতে পানী তুলিবলৈ ওচৰৰে নৈ বা পুখুৰী নিৰ্বাচন কৰা হয়।

### ৩.০২.৫ পানীতোলা গীত ঃ

পানী তোলা গীতবোৰ বৰবিয়াৰ গীতৰ দৰে একেধৰণৰ হয়। পানী তুলিবলৈ যোৱা পথচোৱাৰ দূৰত্বৰ ওপৰত নিৰ্ভৰ কৰি গীতবোৰ গোৱা হয়। পানী তুলিবলৈ যোৱা আৰু উভতি অহাৰ পথত এই গীতবোৰ গোৱা হয়। পথৰ দূৰত্ব দীঘলীয়া হ'লে কেতিয়াবা দৰাপক্ষ আহোঁতে বাটে বাটে গাই অহা গীতো দুই এটা গোৱা হয় যদিও গীতবোৰৰ মূল লক্ষ্য পানী তোলা প্ৰসংগহে। যিখন নদী বা পুখুৰীৰ পৰা পানী তুলি আনিব সেই নদী বা পুখুৰীটোত গংগা-যমুনাৰ দৰে পৱিত্ৰ নদীৰ গুণ আৰোপ কৰি লোৱা হয়। ঘটধৰা আয়তীসকলক ৰাধা, ৰুক্মিণী, জানকী বা সীতা, যশোদা, কৌশল্যা, শশীপ্ৰভা প্ৰভৃতি পৌৰাণিক চৰিত্ৰৰ নাৰী হিচাবে কল্পনা কৰি গোৱা গীতবোৰত অনাখৰী নাৰীসকলৰ এই চৰিত্ৰসমূহৰ প্ৰতি থকা শ্ৰদ্ধা-ভক্তিকে প্ৰকাশ কৰে। একেটা গীততে ৰাধা-ৰুক্মিণী, সীতা বা দৈৱকী-যশোদাৰ দৰে চৰিত্ৰ একেলগে ভুমুকি মৰাও দেখা যায়। গীতবোৰত ৰাধা-কৃষ্ণৰ সঘন উল্লেখৰ পৰা ৰাধা-কৃষ্ণৰ প্ৰেমৰ প্ৰতি থকা অনুৰক্তি তথা বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি।

ঘট ল'বলৈ পাঁচজনী আয়তীৰ প্ৰয়োজন হয়। পাঁচজনী আয়তী আৰু পাঁচটা কলচীৰ উল্লেখেৰে বিয়াগীত গোৱা হয় এনেদৰে —

*হে হৰি পানী তুলিবা হে হৰি ওলেইছি আয়তী*
*হে হৰি কাষতে কলচী লৈ হে।*
*হে হৰি পাঞ্চ বৰণীয়া হে হৰি পাঞ্চ কলচী*

*হে হৰি লৈ আয়তী যায় হে।*[১৯]

এইদৰে পানী তোলা গীত আৰম্ভ কৰা হয়। পাঁচটা কলচী লৈ সাজু হোৱা আয়তীসকলে পলম নকৰি পানী তুলিবলৈ যাত্ৰা কৰা উচিত —

*কাযে ঘটে লোৱা ৰাধে ঐ | ঐ সখী নকৰিবা হেলা ||*
*যমুনাকে যাব লাগে ঐ | ঐ সখী নকৰিবা বেলা ||*
*ওলাই আহা নন্দৰাণী ঐ | ঐ সখী বাসুদেৱক কৈ ||*
*শুভক্ষণে যাত্ৰা কৰি ঐ | ঐ সখী জলে আনোগৈ ||*[২০]

পানী তুলিবলৈ যোৱা নদীখন পাবলৈ হয়তো কিছু একাবেকা পথ পাৰ হ'ব লগা হয়। একাবেকা পথেৰে গৈ ৰিণিকি ৰিণিকি দূৰৈত দেখা নদীখনে তেওঁলোকৰ মন ভৰাই তোলে। আয়তীসকল জ্ঞাত যে যমুনা নদী, কদম গছ, কৃষ্ণ, ৰাধা আৰু কৃষ্ণই বজোৱা বাঁহী এইবোৰ ইটোৰ লগত সিটো অংগাংগীভাবে জড়িত হৈ আছে। সেয়ে পানী তোলা গীতবোৰত এইবোৰ টানি অনাৰ প্ৰয়াস কৰা হয়। একে ভাৱ বা বিষয়বস্তু সম্বলিত গীত সুৰ আৰু কথাংশ সলনি কৰি বাৰে বাৰে গাই থকা হয় —

*শ্ৰীকৃষ্ণ পানী তুলিবলৈ / শ্ৰীকৃষ্ণ ওলাইছে আয়তী*
*শ্ৰীকৃষ্ণ কাযতে কলচী লৈহে /*
*শ্ৰীকৃষ্ণ নৈ হ'ল দূৰণিত / শ্ৰীকৃষ্ণ বাট হ'ল ঘূৰণিত*
*শ্ৰীকৃষ্ণ ক'তেবা যমুনাৰ জলহে /*
*শ্ৰীকৃষ্ণ ৰিণিকি ৰিণিকি / শ্ৰীকৃষ্ণ দেখিছো দূৰণিত*
*শ্ৰীকৃষ্ণ বৈ আছে কদম্বৰ তলেহে /*
*ৰামকৃষ্ণ ঢোলে বাই ঢুলীয়াই / ৰামকৃষ্ণ জাকতে জিলিকা*
*হৰি মোৰ ঐ / ঢোলে ভালকৈ বাবা /*
*ৰামকৃষ্ণ পঞ্চ বৰণীয়া / ৰামকৃষ্ণ পাঁচোটি টেকেলী*
*হৰি মোৰ ঐ / ফটিক বৰণীয়া পানী /*[২১]

নদী বা পুখুৰীটোৰ ওচৰ চপাৰ লগে লগে আয়তীসকল পানী তুলিবলৈ সাজু হয়। সেই নদী বা পুখুৰীটো আয়তীসকলৰ চকুত যমুনা নদী হৈ উজলি উঠে —

*পানী তুলিবাৰে হৰি এ / ঐ লৈ যাম কলচী ভৰি এ //*

*কদম পৰি আছে হালি এ / এ লৈ যাম যমুনাৰ পানী এ //*[২২]

কেতিয়াবা নদীৰ সলনি পুখুৰীটোৰ উল্লেখ কৰিও গীত গোৱা হয় যদিও এনে গীতৰ সংখ্যা তাকৰ। সাধাৰণতে গাঁৱৰ পুখুৰীত পুনী বা মেটেকাৰ দৰে জলজ উদ্ভিদে ঢাকি ৰাখিব পাৰে। গতিকে পানী তুলিবলৈ যাওঁতে হাতেৰে পুনী আঁতৰাই ল'ব লগা হয়। এনেদৰে পানী তুলি অনাৰ চিত্ৰ চিত্ৰিত হোৱা গীত এফাঁকি এনেধৰণৰ —

*গোঁহাইথেৰ পুখুৰীত কেউফালে চেচুৰি / চকোৱাই পানীমলা খাই তুলি এ //*

*গোঁহাইথেৰ পুখুৰীৰ মই পানীত নামিলো / ঢৌ মাৰি গুচালো পুনী এ //*[২৩]

ঐতিহ্যমণ্ডিত পুখুৰীত পানী তুলিবলৈ গৈ পুখুৰীটো 'গোঁহাইথেৰ' বুলি উল্লেখ কৰি এক শ্ৰদ্ধামিশ্ৰিত অনুভৱ ব্যক্ত কৰা হয়।

সাগৰ সদৃশ নৈখন বা পুখুৰীটোৰ ৰূপ দেখি আয়তীসকলৰ বুকুলৈ ভয় ভাৱ অহাটো স্বাভাৱিক। নৈৰ ৰূপত ভীতিগ্ৰস্ত হোৱা আয়তীসকলৰ অৱস্থাৰ বৰ্ণনা পোৱা যায় এনেধৰণৰ গীতত —

*সাগৰৰে ঢৌ দেখি / ৰাধাৰ কম্পে হিয়া //*

*ঘাটে নাওঁ চপাই দিয়া / অ' ক'ৰে নাৱৰীয়া //*

*ইপাৰৰে ঢৌ দেখো / সিপাৰলৈ যায় //*

*সোণৰে কলচী ৰাধা / ভৰিল নে অ নৌ //*[২৪]

বিয়াগীতবোৰৰ আন এটা বিশেষ বৈশিষ্ট্য হ'ল নাট্যধৰ্মীতা। বহু গীতত প্ৰশ্ন আৰু উত্তৰ একেলগে সোমাই থাকে। পানী তুলিবলৈ গৈ নৈৰ বহুকেইটা ঘাটৰ মাজৰ পৰা কোনটো ঘাটৰ পৰা পানী তুলিব সেই ক্ষেত্ৰত দ্বিধাগ্ৰস্ত হৈ মনত যি প্ৰশ্ন উদয় হয় তাক আয়তীসকলে গীতৰ মাধ্যমেৰে তুলি ধৰে আৰু একেটা গীততে তাৰ সমিধানো দি যায়। কোনটো ঘাটত পানী তুলিব এই প্ৰশ্ন অহাৰ লগে লগে ৰূপ কথাৰ কাহিনী শুনি জীৱন পাৰ কৰা আয়তী সকলৰ মনলৈ ৰজাৰ কোঁৱৰ বা কুঁৱৰীৰ ছবিখন আহে। কইনাজনী দুখীয়া-নিচলাৰ ঘৰৰ হ'লেও বিয়াৰ দিনৰ পৰিৱেশটোত এক ৰাজসিক আভিজাত্য কল্পনা কৰা হয়। তদুপৰি সেই বিশেষ দিনটোত কইনাজনীৰ স্থান ৰজাৰ কুঁৱৰীতকৈ কোনোগুণে কম

নহয়। এনে ভাৱে খেলা কৰা আয়তীসকলে গীতত পানী তোলাৰ ঘাট দেখুৱাই দিয়ে —

*ইঘাটে দুবৰি সিঘাটে দুবৰি । কোন ঘাটে তুলিম মই পানী হে ।।*

*ৰজাৰে কুঁৱৰী যি ঘাটে গা ধোৱে । সেই ঘাটে তুলিবা পানী হে ।।* [২৫]

আঁৰৈ চাউল এমুঠি, তামোল-পাণ এযোৰ আৰু সুৱৰ্ণৰ আঙঠি দি জলদেৱতাক সন্তুষ্ট কৰি পানী তুলি অনাৰ যি লোকাচাৰ তাৰ প্ৰকাশ গীতবোৰৰ মাজত প্ৰতিফলিত হৈছে। সুৱৰ্ণৰ আঙঠিৰ কথা উল্লেখ থাকিলেও কোনো আঙঠি পানীত পেলাই দিয়া নহয়, যদিও আঙঠিৰ সলনি তামোল-পাণৰ লগতে কেইটামান খুচৰা পইচা পেলাই দিয়া হয়। সুৱৰ্ণৰ আঙঠিৰ বিকল্প হিচাবেই পইচা পেলোৱাৰ নিয়ম আছে বুলি ভাবিবৰ থল আছে। গীতত এই আটাইবোৰ লোকাচাৰ প্ৰকাশ পাইছে —

*ৰামকৃষ্ণ ৰিণিকি ৰিণিকি । ৰামকৃষ্ণ দেখিছো যমুনা ।।*

*হৰি মোৰ ঐ । আনিমগৈ কলচী ভৰি হে ।।*

*ৰামকৃষ্ণ আউলা চাউল এমুঠি । ৰামকৃষ্ণ সুৱৰ্ণৰ আঙঠি ।।*

*হৰি মোৰ ঐ । তাকে দি আনিম গৈ পানী ।।*

*ৰামকৃষ্ণ হাতে যোৰে কৰি । ৰামকৃষ্ণ দিলো তামোল পাণ এযুৰি।।*

*হৰি মোৰ ঐ । জলদেৱতা পানী দিয়া হে ।।* [২৬]

লগে লগে গীতৰ সুৰ সলনি কৰি আয়তী সকলে গায় —

*যোৰ তামোল দিয়া ৰাধা । জলতে নামিলা এ ।।*

*সোণৰে কটেৰীৰে ৰাধা । জলকে কাটিলা এ ।।*[২৭]

অসমীয়া সমাজৰ লোকবিশ্বাসমতে জলদেৱতাৰ মহিমা অপাৰ। সেয়ে পানী তুলি আহোঁতে ভক্তিভাৱেৰে পানী তুলি আনিব লাগে। আয়তীসকলে ঘট লোৱা কেইজনীক প্ৰশ্ন কৰে যে তেওঁলোকে জলদেৱতাক কিহেৰে সন্তুষ্ট কৰি ঘটত পানী ভৰালে। প্ৰশ্নৰ উপৰি প্ৰশ্নৰ মাজতে সোমাই থাকে আয়তীসকলৰ মনত থকা একান্ত ভক্তিভাৱ —

*ফুল চন্দন তুলসী । ভৰিল নে নভৰিল*

*ৰাধা তোমাৰ কলচী।।*

*জল নাৰায়ণী । ফুল চন্দন তুলসী*

*মিছা নামাতিবি ||*

*ফুল চন্দন তুলসী / কি দি আনিলা জলহে ||*

*ফুল চন্দন তুলসী / ভৰিলনে নভৰিল*

*ৰাধা তোমাৰ কলচী ||*

*হাতে যোৰ কৰি / ফুল চন্দন তুলসী*

*তামোল পাণ এযুৰি ||*

*ফুল চন্দন তুলসী / সেই দি আনিলো জলহে ||*

*ফুল চন্দন তুলসী / ভৰিল নে নভৰিল*

*ৰাধা তোমাৰ কলচী ||* [২৮]

নাৰীসকলৰ বিনয়ী আচৰণ বিয়াগীতৰ এটি বৈশিষ্ট্য। এই বিনয়ী আচৰণ পানী তোলা গীতত প্ৰত্যক্ষ কৰা যায়। সেয়ে আয়তীসকলে হৰিভক্তিত গদ্ গদ্ হৈ ভৰগানৰ অস্তিত্ব অনুভৱ কৰি বিনয়েৰে পানী তুলিবলৈ অনুমতি বিচাৰে —

*কদম্বৰ তলতে কানাই বহি আছে / দেই কি নেদেই জলহে /*

*তুতিকৈ মাতিছো মিনতি কৰিছো / জল এৰি দিয়া তুমিহে ||* [২৯]

মংগলজনক কাম কৰিবলৈ গৈ পিছলৈ ঘূৰি চাব নাপায় বুলি অসমীয়া সমাজত এটি লোকবিশ্বাস প্ৰচলন হৈ আহিছে। তোলনি বিয়াখন শুভকৰ্ম বুলি ভবা হয়। গতিকে পানী তুলিবলৈ যাওঁতে ঘট লোৱা আয়তী কেইগৰাকীক সাৱধান কৰি দিয়া হয় তেওঁলোকে যাতে পানী লৈ আহোঁতে পিছলৈ উভতি নাচায়। বিনয়েৰে পানী এৰি দিবলৈ কাকূতি কৰাৰ লগতে পিছলৈ ঘূৰি নাচাবলৈ সতৰ্কবাণী শুনাই কোৱা হয় যে পিছলৈ ঘূৰি চালে অমংগল হ'ব পাৰে —

*জল এৰি দিয়া হৰি এ / এ লৈ যাওঁ কলচী ভৰি এ ||*

*জলভৰি যশোদা পাছলৈ নাচাবা এ / এ সাগৰো আহিব ভাগি এ ||*

*সাগৰো ভাগিব জগৰো লাগিব এ / এ থৈ দিব আমাকে ৰাখি হে ||* [৩০]

পানী ভৰাই উভতি আহোঁতে ঘটকেইটা থৈ দিয়াৰ সময়তো কিছুমান লোকাচাৰ পালন কৰা হয়। যিটো ঘৰত ঘটবোৰ ৰাখিব সেই ঘৰটোৰ চালত পানী ছটিয়াই শুদ্ধিকৰণ

কৰি লোৱাৰ নিয়ম। বিয়াগীতত এনে নিয়মৰ প্ৰতিফলন ঘটা দেখা যায় —

*ফুল চন্দন তুলসী*
*ভৰিল নে নভৰিল / ৰাধা তোমাৰ কলচী /*
*ওপৰে উৰি গেল / ফুল চন্দন তুলসী*
*বগাকৈ বগুলা / ফুল চন্দন তুলসী*
*তলতে পৰি ৰ'ল ছায়াহে*
*ফুল চন্দন তুলসী*
*ভৰিল নে নভৰিল / ৰাধা তোমাৰ কলচী।*
*চালত পানী দিবা / ফুল চন্দন তুলসী*
*নিয়মকৈ সোমাবা / ফুল চন্দন তুলসী*
*মৰল চাই ৰাখিবা ঘটহে*
*ফুল চন্দন তুলসী*
*ভৰিল নে নভৰিল / ৰাধা তোমাৰ কলচী /* [৩১]

আয়তীসকলে জান-জুৰি, খাল-বিল, পুখুৰী, নদী কিম্বা আধুনিক দিনৰ দমকলেই হওঁক সকলো পানী গংগাৰ বুলি ধাৰণা কৰে। তেনেদৰে পানী অনা কলহটো কাঁহ-পিতলৰ অথবা মাটিৰ হ'লেও সেয়া সোণৰ অৰ্থাৎ সোণসম মূল্যবান —

*মন হৰে পানী আনোগৈ / সোণৰে কলচী লৈ হে /* [৩২]

কইনাজনীক ধুৱাবলৈ বাঁওকা-শিকিয়াত কলচী বান্ধি পানী কঢ়িয়াই আনিব লগা হৈছে — এয়া আয়তীসকলৰ গীতৰ কথা। বাঁওকাৰে পানী কঢ়িয়াই অনা আয়তীসকলৰ বাবে সহজসাধ্য কাম নহয়। পানী কঢ়িয়াই তেওঁলোক ভাগৰি পৰে আৰু কৰবাত জিৰোৱাৰ কল্পনা কৰে। আকৌ ঘট লোৱাসকলৰ ভিতৰত মূল নায়িকা ৰাধা আয়তীসকলৰ তীব্ৰ প্ৰশ্নবাণৰ সন্মুখীন হয়। এনেধৰণৰ কল্পনাৰে মনোমোহা হৈ পৰা গীত এটি এনেধৰণৰ —

*ৰাধা তুমি কাৰ ঘাটে / বুৰাইলা কলচী /*
*ভাৰ বন্তে ভাৰ বন্তে / কান্ধ গৈল ফুটি //*
*কদম তলে ভাৰ থৈ ৰাধা / ক্ষণিক জিৰাইলা /*

*সকল গোপী ৰাধাক / বেঢ়িয়া ধৰিলা //*
*ৰাধা তুমি কাৰ ঘাটে / বুৰাইলা কলচী /*
*কানাই দলি মাৰে / গোপী কাপোৰ ধোৱে //*
*সেই ঘাটে মই বুৰাইলো কলচী //*
*ৰাধা তুমি কাৰ ঘাটে / বুৰাইলা কলচী //*
*সোণৰে শিকিয়া যুৰি / ৰূপৰে বাঙ্কা /*
*ভাৰ বন্তে ভাৰ বন্তে / কান্ধ গৈল ফুটি //*[৩৩]

পানী তুলি উভতি আহোঁতে আয়তীসকলে কিছুমান হাস্যব্যঙ্গাত্মক গীতো গাই আহে। গীতবোৰৰ মাজেৰে কইনাৰ খুড়ীয়েক, মাহীয়েক, পেহীয়েক, বৰমাকহঁতক জোকাই অহা হয়। কেতিয়াবা একেটা গীতেই কেৱল মানুহগৰাকীৰ নামটো সলাই বাৰে বাৰে গোৱা হয়। পানী তুলিবলৈ যোৱা কইনাৰ আত্মীয় মহিলা এগৰাকীক হাড়ী, কুমাৰ, ধোবাক বেচিব খোজা আৰু সেইসকলে তেওঁলোকৰ কামবোৰ আনে কৰিব নাজানে বুলি এৰি থৈ যোৱাৰ প্ৰসংগেৰে গীতবোৰ আমোদজনক হৈ উঠে। অসমত জাতি ভেদৰ গোড়ামি নাছিল যদিও প্ৰায় ক্ষেত্ৰতে একে জাতিৰ ভিতৰতে বিবাহ সম্পন্ন হৈছিল। প্ৰত্যেকটো জাতিয়েই নিজৰ জাতিটোক উচ্চ বুলি ভাবিছিল। উচ্চবৰ্ণৰ লোকসকলে হাড়ী, কুমাৰ, ধোবা, ডোম আদিক নিম্নজাতিৰ বুলি গণ্য কৰিছিল। কিছুমান গীতত সেই সময়ৰ জাতিভেদ প্ৰথাৰ চিত্ৰখনো সংৰক্ষিত হৈ আছে। তলৰ গীতটোত তেনে আভাস পোৱা যায় —

*পোতা পুখুৰী বেচা মাছ / শ্যাম হৰি এ হে //*
*কইনাৰ খুড়ীয়েকক ধোবাক বেচ / শ্যাম হৰি এ হে //*
*ধোবাই বোলে নালাগে / শ্যাম হৰি এ হে //*
*কাপোৰ ধুব নাজানে / শ্যাম হৰি এ হে //*
*সিও ধোবাই এৰি গেল / বাছি কি এ হৰি এ //*
*ভালে হ'ল /* [৩৪]

যেনেকৈ পোতা পুখুৰীত মাছ থকা কথাটো অসম্ভৱ তেনেকৈ এগৰাকী নাৰীক যাকে তাকে বেচিম বুলি কোৱা বা বেচিব খোজা ধৰণৰ কথাও অবাস্তৱ কথা। এই অবাস্তৱ

চিন্তাধাৰাক গীতৰ মাজলৈ টানি অনাৰ উদ্দেশ্য কেৱল হাঁহিৰ খোৰাক যোগোৱা আৰু বিমল আনন্দ লাভ কৰি এক আমোদজনক পৰিৱেশৰ সৃষ্টি কৰা। কেতিয়াবা 'পোতা পুখুৰী বেচা মাছ' এই পদখিনিৰ সলনি 'সোল্কা কটেৰী বেচা মাছ' বা 'পকা বগুৰি বেচা মাছ' বুলিও নামতী গৰাকীয়ে গীতটো আৰম্ভ কৰিব পাৰে। গীতটি কেনেদৰে আৰম্ভ কৰিব সেইটো নামতী গৰাকীৰ সেই মুহূৰ্তত মনলৈ কোনটো পদ আহে তাৰ ওপৰত নিৰ্ভৰ কৰে আৰু গীতটো দীঘলীয়াকৈ নি গাই থকা হয় —

*সোল্কা কটেৰী বেচা মাছ / শ্যাম হৰি এ হে //*
*কইনাৰ বৰমাকক ডোমত বেচ / শ্যাম হৰি এ হে //*
*ডোমে বোলে নালাগে / শ্যাম হৰি এ হে //*
*মাছ বেচ্‌পা নাজানেই / শ্যাম হৰি এ হে //*
*সিও ডোমে এৰি গেল / বাছি কি এ হৰি এ //*
*ভালে হ'ল //* [৩৫]

এনেকৈ গীতৰ শিকলিডাল দীঘল কৰি নি থাকিব পাৰি। এনে গীতত মাথোন 'কাক বেছিব', 'কালৈ বেছিব' সেই চৰিত্ৰবোৰহে সলনি হয়। গীতবোৰৰ প্ৰধান লক্ষ্য ঘাইকৈ কইনাৰ খুড়ীয়েকক কৰি লোৱা হয় —

*পকা বগুৰি বেচা মাছ / শ্যাম হৰি এ হে //*
*কইনাৰ খুড়ীয়াকক কুমাৰক বেচ্‌। শ্যাম হৰি এ হে //*
*কুমাৰে বোলে নালাগে / শ্যাম হৰি এ হে //*
*গঢ় দিব নাজানে / শ্যাম হৰি এ হে //*
*সিয়ো কুমাৰে এৰি গেল / বাছি কি এ হৰি এ //*
*ভালে হ'ল /*
*শাক তোলো খুতুৰা / শ্যাম হৰি এ হে //*
*কইনাৰ খুড়ীয়াক মুতুৰা / শ্যাম হৰি এ হে //*
*শাক তোলো থুথেনী / শ্যাম হৰি এ হে //*
*কইনাৰ খুড়ীয়াক নেঠনি / শ্যাম হৰি এ হে //*

*পাজি কাটি এৰ্‌লো যঁতৰ / শ্যাম হৰি এ হে //*

*কইনাৰ খুড়ীয়াক হতৰ মতৰ / শ্যাম হৰি এ হে //*

*সকলোৱে এৰি গেল / বাছি কি এ হৰি এ //*

*ভালে হ'ল /*[৩৬]

গীতটোত উল্লেখিত শাক, যঁতৰ, পাজি, সূতা আদিয়ে এখন গৃহস্থীৰ ছবি দাঙি ধৰে। তাঁতশালৰ লগত অসমীয়া নাৰীৰ সম্পৰ্কৰ কথা বিয়াগীতত স্বতঃস্ফূৰ্তভাৱে প্ৰাণ পাই উঠে। তাঁতশালৰ সামগ্ৰী শলা, চিৰি, মহুৰা প্ৰভৃতিৰ লগত বিয়াগীতত এখন গাঁৱৰ ছবিও প্ৰতিফলিত হয়। গীতবোৰত বাটৰ কাষত পৰি থকা পচা কোমোৰা, মাহ, শাক, হোকা, জেওৰা, আহাৰ-শাওণৰ বৰষুণত পথাৰ ভৰি থকা পানী প্ৰভৃতি বৰ্ণনাৰে গাঁও এখনৰ ছবি চকুৰ সন্মুখত তুলি ধৰে —

*পচা কোমোৰাৰ পানী / হৰি এ*

*কইনাৰ খুড়ীয়াকক দেও দলি মাৰি / হৰি এ*

*লৈ যাওঁক শিয়ালে টানি / হৰি এ*

*ভলুকা বাঁহৰে শলা চিয়েৰী / হৰি এ*

*মকল বাঁহৰে হোকা এ জয় / হৰি এ*

*কইনাৰ খুড়ীয়াক পানী তুলি আহোঁতে / হৰি এ*

*বাটত ৰাখি দিলো ঢোকা এ জয় / হৰি এ*

*আউলা মহুৰাৰ আঁতে জয় / হৰি এ*

*কইনাৰ খুড়ীয়াক পানী তুলি আহোঁতে / হৰি এ*

*হেঙাৰত বজি ৰ'ল দাঁতে এ জয় / হৰি এ*

*আহাৰ শাওণে মেঘে বৰষিলা / হৰি এ*

*দোবেলি ভৰি গেল পানী এ জয় / হৰি এ*

*কইনাৰ খুড়ীয়াকৰ একেখন মেখেলা / হৰি এ*

*ধুবলৈ নাপালে পানী এ জয় / হৰি এ*

*কেহোমবাই কৈছিলো এ কইনাৰ খুড়ীয়াক / হৰি এ*

*মাহ শাক নাখাবি বুলি এ জয় / হৰি এ*

*ভতিজাৰে বিয়াতে চেৰেণী ধৰিবো । হৰি এ*
*ধুবলৈ নাপাবি পানী এ জয় । হৰি এ*
*পুখুৰী ঢাকিয়া বগুলা পৰিছি । হৰি এ*
*মণিব নোৱাৰি পাখি এ জয় । হৰি এ*
*কইনাৰ খুড়ীয়াক পানী তুলবা আহোঁতে । হৰি এ*
*পুখুৰী ভৰলা হাগি এ জয় । হৰি এ*
*কইনাৰ খুড়ীয়াক ধূলি বুলি । হৰি এ*
*নাযায় বাট বুলি এ জয় । হৰি এ*
*লৈ যাওঁ ঢেকুৰাত তুলি এ জয় । হৰি এ*
*ঢেকুৰা বপুৰাই মূৰতে মুতিলা । হৰি এ*
*বিৰিণা চোপ যেন পাই এ জয় । হৰি এ ।* ৩৭

ওপৰৰ দীঘলীয়া গীতটোত কইনাৰ খুড়ীয়েকক লৈ বহু ধৰণৰ ধেমালি কৰা হৈছে। কইনাৰ খুড়ীয়েকৰ সলনি আন কাৰোবাক এই স্থানত বহুৱাই গীতটো গোৱাৰ পূৰ্ণ স্বাধীনতা আয়তীসকলৰ আছে। আন সকলৰ তুলনাত কইনাৰ খুড়ীয়েকক যিকোনো ধৰণে জোকোৱাৰ সুবিধাকণ আটায়ে লয়। গীতটোত কোৱা হৈছে কইনাৰ খুড়ীয়েকক দলি মাৰি দিওতে শিয়ালে টানি নিয়াৰ কথা, জেওৰাত দাঁত বজি ৰোৱাৰ কথা, মাহৰ দালি খাই হাগনি হোৱাত একেখন মেখেলা ধুবলৈ পানী নোপোৱাৰ কথা, ঢেকুৰা কুকুৰক তুলি দিওতে খুড়ীয়েকৰ চুলিকোছা বিৰিণাৰ জোপা বুলি কুকুৰে প্ৰস্ৰাৱ কৰি দিয়াৰ দৰে বহু অবাস্তৱ কথা। গীতটোৰ কথাংশৰ মাজত বিৰোধাভাস মন কৰিবলগীয়া। আহাৰ শাওণৰ বৰষুণত পথাৰ ভৰি পানী থকাৰ কথা কোৱাৰ পিছতো কোৱা হৈছে কইনাৰ খুড়ীয়েকে মেখেলা ধুবলৈ পানী নাপালে। এনেবোৰ কথাৰ মাজতে বাৰিষাৰ পথাৰত পাখি গণিব নোৱাৰাকৈ পৰি থকা বগলীয়ে সৃষ্টি কৰা নৈসৰ্গিক দৃশ্যৰো অৱতাৰণা কৰা হৈছে। নামতীগৰাকীয়ে গীতটোত মাজে মাজে বেলেগ প্ৰসংগলৈ আতৰি গৈ পুনৰ আক্ৰমণৰ মূল লক্ষ্য খুড়ীয়েকক টানি আনিছে। এয়াই নাৰী মনৰ মূৰ্ত প্ৰকাশ। গীতটোৰ উদ্দেশ্য কাকো তুচ্ছ তাচ্ছিল্য কৰা নহয়, কেৱল নিৰ্মল আনন্দৰ সোৱাদ লোৱা।

পথৰ দূৰত্ব অনুযায়ী যিখিনি গীত গোৱাৰ সময় থাকে সেই আটাইবোৰ গীত গাই আয়তীসকলে গোটেই অঞ্চলটোৱে মুখৰিত কৰি তোলে। সাধাৰণতে বৰবিয়াত দৰা বা কইনাক ৰাতি ধুওৱা হয়। সেয়ে এটা বিশেষ ঘৰত পানী তুলি অনা ঘটবোৰ থৈ দিয়া হয় আৰু ৰাতি ধুৱাবৰ সময়ত উলিয়াই অনা হয়। তোলনি বিয়াত কইনাজনী দিনতে ধুওৱা হয় কাৰণে ঘটবোৰ পোনে পোনে কইনা ধুৱাবৰ কাৰণে সাজু কৰা বেইৰ কাষতে থোৱা হয়। পানী তুলি অহাৰ পিছতে কইনা ধুওৱা পৰ্ব আৰম্ভ হয়।

**৪.০২.৬. কইনাক ঘৰৰ পৰা উলিয়াই অনা গীত ঃ**

কইনাক ঘৰৰ পৰা উলিয়াই অনা গীতখিনি চুৰা ধুৰেনিৰ লগত বেছি সংগতিপূৰ্ণ। চাৰিদিন ঘৰৰ ভিতৰৰ পৰা নোলোৱা ছোৱালীজনীক ধুৱাবলৈ উলিয়াই অনাৰ সময়ৰ পৰা গা ধুওৱা আৰম্ভ কৰাৰ সময়লৈকে এই গীতখিনি গোৱা হয়। চুৰা ধুৰেনিৰ ক্ষেত্ৰত বেছি প্ৰাসংগিক যদিও এনেধৰণৰ গীত ভাল তোলনিটো গোৱা হয়।

চাৰিদিন ঘৰৰ ভিতৰত আছুতীয়াকৈ সোমাই থকা ছোৱালীজনীয়ে ওলাই আহি সকলোৰে লগত একেলগে বহিবলৈ ইচ্ছা কৰে। তোলনি হোৱা ছোৱালীজনীৰ মনৰ ইচ্ছাৰ উমান আয়তীসকলৰ বোধগম্য নোহোৱাকৈ নাথাকে। গীতত ৰামায়ণ-মহাভাৰতৰ প্ৰসংগ টানি আনি ছোৱালীজনীক সীতাৰ লগত তুলিনা কৰি বাহিৰলৈ উলিয়াই অনাৰ কথা কোৱা হৈছে —

*বৰঘৰৰ পৰা সীতাই মাত লগালে / মোকো সমাজলৈ নিয়া হে ৰাম //*
*কৌৰৱৰ ঘৰৰে সৰা তামোল যুৰি / পাণ্ডৱৰ ঘৰৰে পাণ হে ৰাম //*
*আয়তীৰ তামোল পাণ / পঠিয়াই দিয়া ৰাম //*
*ঐ ৰাম জানকীক উলিয়াই আনাহে //*
*নগৰৰ তগৰ ফুল ৰামৰ বা কি কুল / মোকো সমাজলৈ আনা হে ৰাম //* [৩৮]

চাৰিদিন বাহিৰৰ জগতখন নেদেখা ছোৱালীজনীৰ বাবে সকলো অচিনাকি যেন হৈ পৰে। তদুপৰি ন গাভৰুৰ আভাৰে উজ্জ্বল হৈ পৰা ছোৱালীজনীৰ পৰিৱৰ্তিত ৰূপো আয়তীসকলৰ চকুত নতুনকৈ ধৰা দিয়ে। গীতৰ মাজেৰে ছোৱালীজনীৰ এই ন-ৰূপৰ কথা প্ৰকাশ পোৱাৰ লগতে ছোৱালীজনীয়ে এই চাৰিদিন কি খালে, গণনা কৰি কি পালে তাৰো

বৰ্ণনা দিয়া হয় —

*আজি চাৰিদিনে নোলেলি ৰুকুণী / কাঠিতে গজিলে কাহি হে ৰাম //*
*চাৰি দিনৰ মূৰত ওলেলি ৰুকুণী / মুখত মিচিকিয়া হাঁহি হে ৰাম //*
*আজি চাৰিদিনে নোলেলি ৰুকুণী / কিহেৰে কৰিলি ভোগহে ৰাম //*
*খাইছিলো গাখীৰ ফল লেখিছিলো তৰাবল / খেৰতে আছিলো শুইহে ৰাম //*
*আজি চাৰিদিনে নোলেলি ৰুকুণী / কাথিতে গজিলে কাহি হে ৰাম //*
*গণকৰে ল'ৰাই লেখি পঢ়ি চালা / পালে পতিহীতা যোগহে ৰাম //* [৩৯]

যোৱা চাৰিদিনে কি খাইছিল, ক'ত শুইছিল, কি কৰিছিল এই সকলোৰে উত্তৰ গীতটোত সোমাই আছে। ছোৱালীজনীয়ে সেইকেইদিন গাখীৰ-ফল খাইছিল, খেৰৰ বিচনাত শুইছিল। তদুপৰি জ্যোতিষীয়ে গণনা কৰি পোৱা যোগটোৰ উল্লেখো গীতটোত আছে।

গীতটোত উল্লেখ থকা 'তৰাবল লেখি থকা' কথাখিনি ব্যঞ্জনাধৰ্মী। আন্ধাৰ কোঠাত সোমাই থকা ছোৱালীজনীৰ বাবে দিন-ৰাতি একাকাৰ হৈ পৰে যদিও ৰাতিৰ আকাশৰ তৰাবোৰ তেওঁ বেৰৰ জলঙাৰে দেখা পায়। সময় পাৰ কৰাৰ বাবে তেওঁ তৰা লিখি থাকে। এনে উপলব্ধি তথা কল্পনা নিৰক্ষৰ নাৰীসকলৰ এক বিস্ময়কৰ সৃষ্টি বুলিব পাৰি। বেৰৰ জলঙাৰে তৰা লেখিব পৰা জীয়ৰী এগৰাকীৰ কথাৰে গাঁৱৰ আৰ্থসামাজিক দিশৰ ছবিখনো প্ৰতিফলিত হয়। ইয়াত কিছু পৰিমাণে আনন্দমিশ্ৰিত কৰুণ সুৰ এটিৰো উমান পোৱা যায়।

চাৰিদিন ব্ৰত ৰাখি কেৱল ফলমূল খাই থকা ছোৱালীজনীৰ চেহেৰাৰ পৰিবৰ্তন সকলোৰে দৃষ্টিগোচৰ হয়। কোনো কোনোৱে ফলমূলৰ লগতে এৰাঁ গাখীৰ আৰু পিঠাগুৰিও ছোৱালীজনীক খাবলৈ দিয়ে। খোৱাৰ যতন আৰু নতুন তেজৰ আগমনে ছোৱালীজনীৰ ৰূপ এই ফুলো এই ফুলো কৈ থকা কেতেকীৰ ডিলাৰ দৰে হৈ পৰিছে। গীতৰ মাজেৰে তাৰ সুন্দৰ প্ৰকাশ ঘটিছে —

*আজি চাৰিদিনে ভিতৰত আছিলি / হৰি এ মাৰে পাৰি দিছিল পীৰা হে ৰাম //*
*চাৰিদিনৰ মূৰত ওলেলি ৰুকুণী / যেন কেতেকীৰ ডিলা হে ৰাম //*
*আজি চাৰিদিনে কি বৰত ধৰিলি / মাৰেৰ বৰঘৰত সোমাই হে ৰাম //*
*আৱা পিঠাগুৰি এৰাঁ গাখীৰেৰে / সেই খাই ধৰিলো বৰত হে ৰাম //*

*চাৰিদিনৰ মূৰত ওলেলি ৰুকুণী  / যেন একনুৰা পাউৰা হে ৰাম //*[৪০]

ছোৱালীজনীৰ দেহ-সৌষ্ঠৱক 'একনুৰা পাউৰা'ৰ লগত তুলনা কৰি এটি সুন্দৰ উপমাৰ কল্পনা কৰা হৈছে। সাধাৰণতে দুটা পাৰ পোৱালীৰ এটা মৰি গ'লে জীয়াই থকাটোৱে বেছিকৈ খুদকণ খাবলৈ পাই নোদোকা হৈ পৰে, এয়াই 'একনুৰা পাউৰা'। ছোৱালীজনীয়েও এনেদৰে অকলে অকলে খাই নোদোকা অর্থাৎ স্বাস্থ্যৱতী হৈ উঠাৰ প্ৰসংগত গীতফাঁকিত এই তুলনা কৰা হৈছে।

আখৈ ভাজিবৰ বাবে সাধাৰণতে মাটিৰ চৰু ব্যৱহাৰ কৰা হয়। মাটিৰ চৰুত আখৈ ভাজিলে আখৈবোৰ ফট্‌ফট্‌কৈ ফুটি উঠে। তোলনি হোৱা ছোৱালীজনীয়ে নিজৰ নাবালিকা ৰূপটো সলাই গাভৰু সাজ পিন্ধি লাজ তথা অজানিত ভয়ত ম্ৰিয়মান হৈ পৰাটো স্বাভাৱিক। এই ৰূপটো নাৰী মনস্তত্ত্বৰ লগত জড়িত। ছোৱালীজনীক তেওঁৰ শাৰিৰীক পৰিৱৰ্তনে মনলৈ বিভিন্ন ভাৱনা আনি দিয়াটো স্বাভাৱিক কথা, আখৈ ফুটাৰ দৰে তেওঁৰ বুকুৰ ভিতৰতো বিভিন্ন কথাই তোলপাৰ লগায় —

*ধান দিলে আখৈ ফুটে চৰুৰে বুকুতে  ।  ওলেই নাহে আইদেউৰে মনৰে দুখতে।।*
*তেলৰ চাকি ফুলৰ বাতি পাৰি থৈছো দৈ  ।  ৰোহ কৰি নাহে আইদেউক মাতি আনোগৈ।।*
*ওলেই আহা আইদেউৰে আঙুলিকে লেখি । সকল প্ৰজাই বেঢ়ি চাৱৈ তোমাকে নেদেখি।।*[৪১]

এনেদৰে ছোৱালীজনীক ঘৰৰ পৰা উলিয়াই আনি বেইত থিয় কৰোৱালৈকে গীত গাই থকা হয়। গা ধুওৱা আৰম্ভ কৰাৰ লগে লগে গীতৰ বিষয়বস্তু স্বতঃস্ফূৰ্তভাৱে সলনি হয়।

### ৩.০২.৭ গা ধুৱাওতে গোৱা গীত ঃ

কইনা বেইত থিয় হোৱাৰ পিছত আয়তীসকলে কইনাৰ মাক, বৌয়েকহঁতক জোকাই গীত গোৱা আৰম্ভ কৰে। মাক, বৌয়েক আৰু খুড়ীয়েকৰ ভিতৰত যিকোনো এজনে কইনা ধুৱাব লাগে যদিও সকলোৱে নিজৰ নিজৰ কাম থকা বুলি উচাৎ মাৰি গুচি গ'ল, গতিকে কইনাক কোনে ধুৱাব তাক লৈ আয়তীসকলৰ মনত সংশয় উপজিছে। গীতবোৰত যদিও অভিযোগ প্ৰতি অভিযোগ সোমাই আছে তাৰ মাজতো এটা যৌথ পৰিয়ালত সচৰাচৰ চলি থকা পৰিয়ালকেন্দ্ৰিক সংঘাতৰ কিছু চিত্ৰও চিত্ৰিত হয়। এয়া সামাজিক আচাৰ আচৰণৰ

খণ্ডচিত্ৰও বুলিব পাৰি —

*কাৰ ঘৰৰ বাছা কল ধৰি আছা / মাৰে ধুৱাব বুলি ৰাম জানকী //*

*নুধুৱাই মাৰে গেল চতি মাৰি / চোতালখান সাৰোগৈ বুলি ৰাম জানকী //*

*কাৰ ঘৰৰ বাছা কলধৰি আছা / বৌয়েৰাই ধুৱাব বুলি ৰাম জানকী //*

*নুধুৱাই বৌয়েৰাই গেল চতি মাৰি / মূৰটো চোঁচোগৈ বুলি ৰাম জানকী //*

*কাৰ ঘৰৰ বাছা কল ধৰি আছা / খুড়ীয়াৰাই ধুৱাব বুলি ৰাম জানকী //*

*নুধুৱাই খুড়ীয়াৰাই গেল চতি মাৰি / কাপোৰখন ধোওগৈ বুলি ৰাম জানকী //*

*বেইতে উঠিবা লাজে নকৰিবা / আপোনাৰ ধৰমৰ বিয়া ৰাম জানকী //*

*বেইতে উঠিয়া কিনো দুখ পালা / দিনতে দুইচক্ষু খালি ৰাম জানকী //*[৪২]

ৰাজবংশী সমাজতো কইনা ধুৱাব লোৱাৰ সময়ত গীত গোৱা হয়। দৰাপক্ষ হৈ অহা আয়তীসকলে কইনাগৰাকীক ধুৱাবলৈ সাজু কৰোতে দেৰি হ'লে মাকক উদ্দ্যেশি গায় —

*কইনাঘৰৰ পাছফালে কাতি / নাৰীকেল শাৰী শাৰী /*

*আমি আইচুং কইনা ধুৱাবা / নাওঁ ভাড়া কৰি //*

*হেৰ কইনাৰ মাৰ / বসিয়া কৰস্ কি?*

*নাওঁ ভাড়াৰ টাকা লাগে / সন্দুক খুলিয়া দি //*

*কপালে কপালে দেখুং / তিলকেৰ ফোঁট /*

*আমি আইচুং কইনা ধুৱাবা / কইনা থৈছা ক'ত //*[৪৩]

গংগা-যমুনা সদৃশ নদীৰ পৰা তুলি অনা পানীৰে গা ধুৱাবৰ সময়ত আয়তী সকলে গায় —

*আহা বাইদেউ বহাহি / গংগাজল আনিছো*

*শিৰত তুলি লোৱাহি /*[৪৪]

গংগাজলখিনি লগে লগে আন এটা বিয়াগীতত যমুনাৰ জল হৈ পৰিল —

*আইদেউৰ নঙলাতে হালি আছে নল / কলহে কলহে ঢালে যমুনাৰে জল,*

*আইদেউৰ নঙলাতে আছে কলৰ থোক / চাৰিদিনৰ মূৰত ধুৱবো তোক /*[৪৫]

অসমীয়া সমাজৰ লোকাচাৰ আৰু লোকবিশ্বাসৰ প্ৰতিফলন বিয়াগীতবোৰৰ এটা

বৈশিষ্ট্য। বিয়াৰ দৰা কইনাক গা ধুৱাওতে মাহ-হালধিৰ ব্যৱহাৰ অপৰিহাৰ্য। তোলনি বিয়াৰ কইনাজনীও ইয়াৰ ব্যতিক্ৰম নহয়। বিয়াগীতৰ মাজেৰে ধুৱেতিজনীক মাহ্-হালধি ক'ত কেনেকৈ দিব লাগে তাৰ নিৰ্দেশ দিয়া হয় —

*মাহে মতেহী ধুৱই ঐ বতেহী / হৰি এ*
*উৰেই যাওঁ উৰেই যাওঁ / কৰে হে ৰাম //*
*ৰূপৰে থালতে মাহ যে হালধি / সোণৰে থালতে তেল হে ৰাম*
*মূৰত মাহে দিবা ভৰিত হাল্ধি দিবা / দিবা ধুৱেতী জানি হে ৰাম*
*মাহ মূৰত দিয়া শিৰত পানী দিয়া / বৈ যাওঁক হালধিৰ পানী হে ৰাম //*[৪৬]

গা ধুই উঠি ছোৱালীজনীয়ে প্ৰথম চকু মেলিয়েই ফলেৰে ভৰি থকা গছৰ ফালে চাই সেৱা ল'ব লাগে। এনে কৰিলে তেওঁৰ সোনকালে বিয়া হ'ব আৰু সন্তানৰ মাতৃ হোৱাৰ গৌৰৱ লাভ কৰিব। এনে লোকবিশ্বাসৰ প্ৰতিফলন গা ধুৱাই থাকোতে গোৱা গীতত দেখা যায় —

*গা ধুই ৰুকুণী কাৰোল্লে নাচাবি / ভৰা বিৰিখলৈ চাবি হে ৰাম /*
*চাবিতো চাবিতো ভালকৈ চাবিহে / অল্পতে স্বামীদান পাবিহে ৰাম //*[৪৭]

গীতটোত বাকীখিনি একে ৰাখি 'অল্পতে স্বামীদান পাবিহে ৰাম' এই শাৰীটোৰ সলনি 'অল্পতে পুত্ৰদান পাবিহে ৰাম' বা 'অল্পতে জননী হবিহে ৰাম' বুলিও গোৱা হয়। কথাংশৰ সলনি কৰি গোৱা এনে বিশ্বাস চিত্ৰিত হোৱা গীত এটি এনেধৰণৰ —

*ৰাধাই চিলান কৰেই কানাই দলি মাৰেই / তৰুৱা কদমৰ তলে এ*
*গা ধুই ৰুক্মিণী অইন দিগিৰ নাচেবি / ভৰা বিৰিখকে চাবি এ*
*ভৰা বিৰিখডালক প্ৰতিপাল কৰবি / অল্পতে জননী হবি এ //*[৪৮]

ৰাজংবশী সমাজতো এনেদৰে গোৱা হয় —

*গা ধুই ৰুকুণী আন্‌কাতি নাচাবি / চাবি ফলান গাছেৰ কাতি /*
*ফলান গাছেৰে ফলখানি নানিবি / সাকালে ফলকে পাবি //*[৪৯]

দেৱ দেৱীৰ ৰূপ সৌন্দৰ্যৰ প্ৰতি নাৰীসকলৰ শ্ৰদ্ধামিশ্ৰিত আকৰ্ষণৰ কথা বিয়াগীতসমূহতো প্ৰকাশ পাইছে। সকলো দেৱ-দেৱীৰ ভিতৰত আয়তীসকলৰ মনত বিশেষ

স্থান লাভ কৰা দেৱীগৰাকী হৈছে পদ্মাদেৱী। দৰঙৰ নাৰীসকলক পদ্মাদেৱীয়ে বিশেষভাৱে আকৰ্ষণ কৰাৰ কাৰণ হিচাবে দৰঙত ওজাপালি অনুষ্ঠানৰ জনপ্ৰিয়তাৰ কথা ক'ব পাৰি। বেইৰ মাজৰ মাহ-হালধিৰ বোলেৰে অপৰূপা হৈ জিলিকি উঠা ছোৱালীজনীৰ ৰূপৰ তুলনা পদ্মাদেৱীৰ লগত কৰা হয়। গীতত তাৰ সুন্দৰ প্ৰকাশ ঘটিছে —

*বেইৰ মাজে চিকণ কন্যা / পদ্মাহেন জ্বলে*
*অগ্নিসম ৰূপ দেখি / সমাজ ঢলি পৰে*
*হালধিৰ বোলে সখী / পেলালি বোলাই*
*তাত বেলি ধুৱেই থাকেই / জাৰত দুখ পাই*
*আইদেউৰে চুলি টাৰি / ধাৰে কাটে পানী*
*কি চাই আছা লগৰীয়া / টুকি দিয়া আহি*
*চিলান কৰি আইদেউৰে / মাকক আছে চাই*
*মলামলি মাকৰ মনত / কি ভাৱে খেলায়।।*[৫০]

বেইৰ মাজত আয়তীসকলে সদ্য গাভৰু নিজৰ জীয়েকজনীক আগুৰি থকা দেখিলে মাকৰ মনত বিভিন্ন ধৰণৰ ভাৱ চিন্তা অহাটো নাৰী মনস্তত্ত্বৰ দিশৰ পৰা স্বাভাৱিক। সৰু ছোৱালীজনীক কইনাৰূপত দেখি মাকৰ মন অবুজ আৱেগে চানি ধৰে। সেয়ে আয়তীসকলৰ গীতত মাকৰ এই ৰূপ প্ৰতিফলিত হয়।

চাৰিদিন সূৰ্য দৰ্শনৰ পৰা আঁতৰি থকা ছোৱালীজনীয়ে গা ধুই উঠি সূৰ্যলৈ চাই সেৱা জনাব লাগে। সূৰ্যক দেৱতা বুলি গণ্য কৰা হয় আৰু সাধাৰণ বিশ্বাসমতে আন দেৱ-দেৱীসকলো স্বৰ্গত থাকে। সূৰ্যৰ ফালে চাবলৈ আকাশলৈ মূৰ তুলি চাওঁতেই যেন দেৱগণে ছোৱালীজনীক আশীৰ্বাদ দিয়ে —

*স্বৰ্গৰপৰা মাতে সখী মাতে হে / এ হাঁহে মিচিকাই*
*অত বেলি ধুৱেই থাকেই / জাৰত দুখ পায়*
*চিলান কৰি আইদেউৰে / এ মাথাত দিছে হাত*
*স্বৰ্গৰ পৰা দেৱগণে / কৰে আশীৰ্বাদ।*
*চিলান কৰি আইদেউ এ / এ কৰে যোৰ হাত*

*যুগে যুগে দিবো তোক / মাধৱত দান*

*চিলান কৰি আইদেউয়ে / দুৰ্গাক মাগে বৰ*

*জন্মে জন্মে স্বামী মোৰ / হৌক দামোদৰ।*[৫১]

কইনা ধুৱাবৰ কাৰণে বেইখন কোনো এজন পুৰুষ ব্যক্তিয়ে সাজু কৰি দিয়ে। ঠাণ্ডা দিন হ'লে গা ধুই উঠি ছোৱালীজনীৰ কঁপনি উঠে আৰু বেইত খোপনি ধৰি থিয় হৈ থাকিবলৈ চেষ্টা কৰে। বেইখন সজা বেয়া হ'লে পাভ মাছৰ দৰে জাৰত কঁপি থকা ছোৱালীজনীয়ে খোপনি ধৰা টান হৈ পৰে। ছোৱালীজনীৰ কঁপনিক পাভ মাছৰ লগত তুলনা কৰি ইয়াত এটি সুন্দৰ উপমা চিত্ৰিত কৰা হৈছে —

*এ ৰাধা কোন খন্দিকৰে / এ ৰাধা বেইখান সাজিলে*

*এ ৰাধা বেইত নাই শিকিয়া জৰীহে*

*এ ৰাধা চিলান কৰি আইদেউ এ*

*এ ৰাধা পাভুৰা মাছ যেন / এ ৰাধা কঁপিবা লাগিছি*

*এ ৰাধা বেইতে খোপনি ধৰিহে ।।* [৫২]

ছোৱালীজনীয়ে বেইৰ চাৰিওফালে তিনিপাক ঘূৰাৰ নিয়ম। ছোৱালীজনীয়ে খুব লাহে লাহে বেইৰ চাৰিওফালে ঘূৰে। এইদৰে লাহে লাহে ঘূৰা অৱস্থাটোক পাৰৰ খোজৰ লগত তুলনা কৰি বিয়াগীতত গোৱা হয় —

*বেইতে ঘূৰণী ঘূৰেহে / এ পাউৰা বুলা দি বুলে হে*

*বেইতে ঘূৰিবা লাজে নকৰিবা এ / এ আপোনাৰ ধৰমৰ বিয়াহে।* [৫৩]

দেহ-সৌষ্ঠৰৰ বৰ্ণনাত চিৰ অভ্যস্ত নামতীসকলে গা ধুৱাই থকা সুকোমল কিশোৰীগৰাকীৰ গাত সাইলাখ লক্ষ্মী, সৰস্বতী, দেৱী দুৰ্গা বা সীতাৰ ৰূপ গুণ আৰোপ কৰি লয়। কিশোৰীগৰাকীৰ দেহৰ প্ৰতিটো অংগৰ সৌন্দৰ্য আৰু দৃশ্যমান প্ৰকৃতিৰ সৌন্দৰ্যৰ মাজত এক যোগসূত্ৰ স্থাপন কৰি কইনাৰ ৰূপক বাংময় কৰি তোলে —

*থুৰি কলপাত স্বৰগে লম্ভিলে / কঁকালে লম্ভিলে চুলি*

*পাভ মাছ যেন কঁপিব ধৰিছে / বেইতে খোপনি ধৰি।* [৫৪]

গা ধুৱাই থাকোতে ধুৱেতীজনীক জোকাইও কিছুমান গীত গোৱা হয়। ধুৱাই থাকোতে

অসাৱধানবশতঃ মাহ-হালধি অলপ ৰৈ গলে আয়তীসকলে ধুৰতৌজনীক ঠাট্টা মস্কৰা কৰাৰ এটা সুযোগ পায়। সেই সময়ত ধুৰেতীজনীক লক্ষ্য কৰি আয়তীসকলে গায়—

*মাহে বতেহী ধুৰেই অ মতেহী / উৰেই যাওঁ উৰেই যাওঁ কৰে হে ৰাম //*

*মাহৰে চোকোৰা মুৰবপে নেগেল এ / হৰি ধুৰেতী কুকুৰীকাণীহে ৰাম //*

*ৰৌ মাছৰ টুকুৰা খাবা ভালকে জানা / হৰি এ ধুৰাবা নাজানা কিয়া হে //*

*কি ধান মাগুৰী ধুৰেতি হাগুৰি / হৰি এ তইহে ধুৰাবা পালি হে ৰাম //*

*ধুৰবি ধুৰবি ভালকৈ ধুৰবি / হৰি এ মুখখন জোকোৰা কিয়া হে ৰাম //*[৫৫]

আয়তীসকলে ধুৰেতীজনীক কুকুৰীকাণী, হাগুৰী তথা খকুৰা জাতীয় কথা কৈ মিছা অপবাদ জাপি দিয়ে। তদুপৰি তেওঁ কইনা ধুওৰা কামটোও ভালকৈ নকৰি মুখখন বিকটাই থকা বুলিও কোৱা হৈছে। এইবোৰতে ক্ষান্ত নাথাকি ধুৰেতীজনীৰ আচৰণ তথা কাৰ্যকলাপসমূহত অবাস্তৱ কল্পনা কৰি কেৱল আনন্দ লাভৰ বাবেই কিছুমান অদ্ভুত আৰু সংগতিবিহীন কথাৰে গীত গোৱা হয় —

*বৰুৱা আমখৰি কাটিলো / বৰুৱা জামখৰি কাটিলো*

*বৰুৱা কাটিলো মৈনাৰ ঢেঁকী না ল //*

*বৰুৱা সেই ঢেঁকীয়েদী / বৰুৱা মই চিৰা খান্দিলো*

*বৰুৱা ডাইভাৰ চাহাবৰ ভেটি না ল //*

*বৰুৱা চাহাবৰ পুতেকে / বৰুৱা সেন্দুৰ দি পঠাইছে*

*বৰুৱা আইনা চাই মাৰোগৈ ফোঁটা না ল //*

*বৰুৱা চাহাবৰে আলি / বৰুৱা চাহাব যায় বালি দি*

*বৰুৱা চাহাবৰ কেঁকোৰা দোলা না ল //*

*বৰুৱা কইনা ধুৰেতীৰ / বৰুৱা মুখখান দেখিলো*

*বৰুৱা আখৈ ভাজি খোৱা চৰু না ল //*

*বৰুৱা লুইতৰ সিপাৰে / বৰুৱা ধুঁৱলি কুঁৱলী*

*বৰুৱা কোনে বালি ভাতে খাই এ না ল //*

*বৰুৱা হাতী ভাতত দিয়া / বৰুৱা ঘোঁৰা পাতত দিয়া*

*বৰুৱা মেকুৰী খৰিকাত দিয়া না ল ||*[৫৬]

ধুৰেতীজনীক জোকোৱাৰ উদ্দেশ্যে এই দীঘলীয়া গীতটো গোৱা হয় যদিও, গীতটোৰ কথাবোৰ অৰ্থহীন তথা অবাস্তৱ। কোনোৱে বালিভাত খাওঁতে হাতী, ঘোঁৰা বা মেকুৰী নাখায়। ধুৰেতীৰ প্ৰসংগ টানি আনি গীতটো গোৱা হ'লেও ইয়াত উল্লেখ থকা কেঁকোৰা দোলা, বৰুৱা আদিৰ পৰা আহোম যুগৰ সন্মানীয় বিষয়বাব, সামগ্ৰী আদিৰ উমান পাব পাৰি। গীতটোৰ শাৰী কিছুমানৰ শেষত সংযোগ হোৱা 'না ল' বৰ্ণ দুটা অৰ্থহীন, কেৱল সুৰৰ তাল ৰাখিবৰ বাবে ব্যৱহাৰ হৈছে। এনেদৰে বিভিন্ন ধৰণৰ গীত-পদৰ মাজেৰে কইনা ধুওৱাৰ পৰ্ব সমাপ্ত হয় আৰু কইনাজনীক কাপোৰ পিন্ধাবলৈ সাজু কৰা হয়।

**৩.০২.৮ কাপোৰ পিন্ধাওঁতে গোৱা গীত ঃ**

ধুৰাই উঠাৰ পিছত ছোৱালীজনী ৰূপেৰে উজ্বলি উঠে, যেন এটি সোণৰ পুতলাহে। এই নৰূপ চাই আয়তীসকলে বুজিব পাৰে ছোৱালীজনীয়েও নিজৰ নতুন ৰূপত চমকি নুঠাকৈ থকা নাই। এই নতুন ৰূপক আদৰি ল'বলৈ গৈ এক অবুজ দুখ তথা শিহৰণত তেওঁৰ মন দোঁ খাই পৰিছে। এনে ভাৱনা সৃষ্টি হোৱাটো মানসিক দৃষ্টিকোণৰ পৰাও স্বাভাৱিক। বাস্তৱ অভিজ্ঞতাৰে পুষ্ট নাৰীসকলে তেওঁলোকৰ নিজস্ব জীৱনৰ পৰা কিশোৰী গৰাকীৰ এই মনোভাৱ বুজিব পাৰে। সেয়ে গীতৰ মাধ্যমেৰে তেওঁলোকে গায় —

*ধুৰেই তুলিলা হৰি / সোণৰে পুতলি হৰি এ*
*হাত কম্পে ভৰি কম্পে / আৰু কম্পে হিয়াহে*
*ধুৰেই তুলিলা হৰি / সোণৰে পুতলি হৰি এ*
*জনকৰে জীয়ৰী কম্পে / বস্ত্ৰ পেলাই দিয়া হে ||*[৫৭]

আগৰ দিনত তোলনি বিয়াত ন গাভৰুজনীক গাত দিবলৈ সাঁচি ৰখা কাপোৰবোৰ সযতনে জপাত থোৱা হৈছিল। বৰ্তমান এনে বেতৰ জপাৰ ব্যৱহাৰ নাই যদিও কাপোৰ পিন্ধাব লোৱাৰ সময়ত সঘনে এই জপাৰ উল্লেখ হয়—

*জপা মেলা জপা মেলা / পৰি যতন কৰিহে*
*জপাত আছে পাটৰ বস্ত্ৰ / পিন্ধক লাহৰ কৰি হে*
*আইতাকৰ দিনৰ পাটৰ বস্ত্ৰ / কঙ্কালে নাটিলা এ*

*পাটৰ বস্ত্ৰ এৰি সীতা / সূতাৰ বস্ত্ৰ লৌ হে*

*পুৰাণ বস্ত্ৰ এৰি সীতা / ন বস্ত্ৰ লৌ হে*

*ন বস্ত্ৰ নাপা মানে / মাৰেক বান্ধি থৌ হে ।।* [৫৮]

পুৰণি বস্ত্ৰ এৰি নতুন বস্ত্ৰ লোৱা কথাখিনি প্ৰতীকি অৰ্থত ব্যৱহাৰ হৈছে। পুৰণি কাপোৰ এৰাৰ দৰে ছোৱালীজনীয়ে কৈশোৰ কাল এৰি নতুন কাপোৰৰ দৰে যৌৱন অৱস্থাত সোমাই পৰিল। এইখিনিতে হেম বৰুৱাই বিহু গীতৰ প্ৰসংগত কৰা মন্তব্য এটি উল্লেখ কৰিব পাৰি — *" আহঁতে সলাবৰ পাত, আমাৰে আইটিয়ে বৰণটি সলালে, ল'লে ৰঙা ৰিহা গাত — ৰঙা ৰিহাই আইটিৰ যৌৱন প্ৰাপ্তিৰ কথা ঘোষণা কৰিছে।"*[৫৯] আহঁতে পাত সলোৱাৰ দৰে সৰু আইটিজনীয়েও নতুন কাপোৰ গাত লৈ নতুন জীৱন আদৰি ললে।

যৌৱনত সোমোৱাৰ লগে লগে ছোৱালীজনীয়ে বহুতো বাধ্যবাধকতা মানি চলিব লগা হয়। পিন্ধা-উৰাৰ ক্ষেত্ৰতো মাক- দেউতাকৰ পৰামৰ্শ মানি চলাটো প্ৰয়োজনীয় হৈ পৰে। বিয়া গীতত ইয়াৰ বৰ্ণনা পোৱা যায় —

*গা ধুই শশীমাই মাকক সোধে এ / কি কাপোৰ পিন্ধিব পাই হে ৰাম*

*ছাতে শুকুৱা মুঠিতে লুকুৱা / সেই কাপোৰ পিন্ধিব পাই হে ৰাম ।।*

*গা ধুই শশীমাই দেউতাকক সোধে এ / কি ফুল পিন্ধিব পাই হে ৰাম*

*সৰগত আছে পাৰিজাত ফুলি / সেই ফুল পিন্ধিব পাইহে ৰাম ।।*[৬০]

গীতটোত অসমীয়া শিপিনীৰ কৰ্মকুশলতাৰ উমানো পাব পাৰি। অসমীয়া শিপিনীয়ে বোৱা কাপোৰ মিহি আৰু সুন্দৰ হয় 'ছাতে শুকুৱা মুঠিতে লুকুৱা' কথাই তাকেই সূচাইছে।

### ৩.০২.৯ কইনা চোতালত বহাওঁতে গোৱা গীত ঃ

গা ধুৱাই নতুন কাপোৰ পিন্ধোৱাৰ পিছত ছোৱালীজনীক পথালি কোলাকৈ চোতাললৈ লৈ অনা হয়। মাকে ছোৱালীজনীক দাঙি লৈ আহোঁতে তেওঁৰ মনৰ ভিতৰত সুখ -দুখৰ অনুভূতিৰে থৌকি-বাথৌ লগায়। সদায় মৰমেৰে ডাঙৰ কৰি অহা ছোৱালীজনীক আজি কৰা মৰমৰ যেন কিছু পাৰ্থক্য আয়তীসকলৰ দৃষ্টিগোচৰ হয়। তাৰ সুন্দৰ প্ৰকাশ ঘটে গীতৰ মাজেৰে —

*অ চিলা মাজ পথাৰতে / অ চিলা আহঁত গছ এজুপি*

*বিনা বতাহতে লৰে চিলা / ৰামে হৰি নিলা*
*অ চিলা আজি মাকৰনো / অ চিলা কি মৰম লাগিছে*
*অ চিলা লৈছে পথালি কোলা চিলা / ৰামে হৰি নিলা //* ৬১

আহঁত গছৰ পাত বতাহ নোহোৱাকৈ লৰিছে বোলা কথাষাৰ গভীৰ অৰ্থব্যঞ্জক। বয়স তথা অভিজ্ঞতাৰে সমৃদ্ধ মাকৰ মন কিশোৰী জীয়েকৰ যৌৱনপ্ৰাপ্ত ৰূপ দেখি বিনা কাৰণতে ভাৰাক্ৰান্ত হৈছে, তেনে তুলনা কৰিবলৈ গৈ গীতফাঁকিৰ সৃষ্টি হৈছে।

পথালি কোলাকৈ আনি ছোৱালীজনীক চোতালত বৰপীৰাত বহুৱাই ভৰি দুখন কলপাতৰ ওপৰত থবলৈ দিয়া হয়। গাভৰু ছোৱালী এজনীৰ কথা ভাবিলেই আয়তীসকলৰ অন্তৰ দুখত ভৰি পৰে। কাৰণ তেওঁলোকে জানে ছোৱালী ডাঙৰ হ'লে বিয়া দিব লাগিব। বিয়াগীতৰ মাজেৰে কোৱা হৈছে —

*ৰ'দ পাই ৰহিলা / পীৰা পাই বহিলা*
*পাত পাই মুচিলা ভৰি*
*গা ধুই ৰুকুণী / সৰা ফুল বুটলে*
*ৰামকে বৰোগৈ বুলি*
*সিদিনাই কৈছিলো / অৰে কইনাৰ পিতাক*
*নঙলাত নুৰুবি জুনা*
*জুনাও সৰিব / পৰে লৈয়ে যাব*
*হৈ যাব তোৰ ঘৰ শুদা //* ৬২

জুনা পূৰঠ হ'লে সৰি যোৱাৰ দৰে ছোৱালী ডাঙৰ হ'লে আনে লৈ যাব অৰ্থাৎ বিয়া দি উলিয়াই দিব লাগিব।

ছোৱালী তোলনি হোৱাৰ পিছতেই বিবাহৰ উপযুক্ত হ'ল বুলি ভবা হৈছিল। পৰম্পৰাগতভাৱে দেখি শুনি কিশোৰীজনীয়েও অনুভৱ কৰিব পাৰে যে তেওঁ যৌৱনপ্ৰাপ্ত হ'ল মানে এতিয়া ঘৰখন এৰি যোৱাৰ কথা আহিব, মাক-দেউতাকে বিয়াৰ কথা চিন্তা কৰিব। এনেধৰণৰ উপলব্ধিয়ে ছোৱালীজনীক বিমৰ্ষ কৰি তোলে। আয়তীসকলে তাৰ উমান নোপোৱাকৈ নাথাকে —

*গা ধুই শশীমাই চোতালে থিয়া / মাকে সোধে অ' ভাত নাখা কিয়া//*

*কি খাম ভাত মই পেটে নাই ভোক / বিবাহৰ খবৰ পাই শুকেই গেল মুখ//*

*পদুমৰ পাততে পখিলাই নাচে / আইদেউৰ কপালে লখিমী আছে//*

*বুধে মঙ্গলে নিদিবি বিয়া / ওলেই যাবো তোৰ লখিমী ঝিয়া।।*[৬৩]

ছোৱালী লক্ষ্মীস্বৰূপা বুলি গণ্য কৰা অনাখৰী চহা সমাজখন ভাগ্য বিশ্বাসী। তেওঁলোকে বিশ্বাস কৰে যে বিধাতাই কপালত ভাগ্য লিপিবদ্ধ কৰি পঠাই দিয়ে। ছোৱালী এগৰাকীৰো ভৱিষ্যত জীৱন কপালখনেই নিৰ্ধাৰণ কৰে। তদুপৰি দিনবাৰৰ শুভাশুভ ফলাফল সম্পৰ্কে তেওঁলোকৰ বিশ্বাস জড়িত আছে। গীতটোৱে এনে বিশ্বাসৰে প্ৰতিফলন ঘটাইছে।

গা ধুই নতুন-সাজ পিন্ধি চোতালত বহি ছোৱালীজনীয়ে দেউতাকলৈ মনত পৰিছে। চাদৰ মেখেলা পিন্ধি ডাঙৰ হোৱা ছোৱালীজনীক দেউতাকে ওচৰৰ পৰা চাব পাৰিলেহেঁতেন, সেয়ে ছোৱালীজনীৰ চকুৱে দেউতাকক বিচাৰে। সেই মুহূৰ্তত এটা ভাৱাক্ৰান্ত মন লৈ দেউতাক হয়তো কৰবাত আঁতৰি আছে। গীতৰ মাজত এনে ভাৱবস্তুৰ প্ৰকাশ ঘটিছে —

*মইনা আজি চাৰিদিনে / মইনা এ নোলেলি ৰুকুণী*

*মইনা এ নাখায়ে থাকিলি ভাত/*

*মইনা আজি নোৱাই ধুৱাই / মইনা চোতালত বহাইছো*

*মইনা অ' ন বস্ত্ৰ পিন্ধামে তোক/*

*মইনা পিন্ধি উৰি উঠি / মইনা দেউতাকক মাতিছে*

*মইনা এ এবেলি চোৱাচোন মোক/*

*মইনা চাবও নোৱাৰো / মইনা ৰাখিবও নোৱাৰো*

*মইনা এ কন্যাকাল পালি যে তই/*

*মইনা আগফাল শুৱনি / মইনা কাকিনী তামোল ঐ*

*মইনা এ পিছফালে শুৱনি পাণ/*

*মইনা এ বৰঘৰ শুৱনি / মইনা এ গাভৰু ছোৱালী*

*মইনা এ উলিয়াই দিবলৈ টান//*[৬৪]

গাভৰু ছোৱালী উলিয়াই দিবলৈ কিমান কষ্টকৰ আৰু উলিয়াই দিয়াৰ পিছত ঘৰুৱা

কাম-বনত কেনেকুৰা অসুবিধা হ'ব, তেনে ভাৱ প্ৰকাশৰ গীত এটি এনেধৰণৰ —

*জাপিৰ চিকিমিকি দৈ এ ৰাম ৰাম / পাটিৰ চিকিমিকি দৈ এ ৰাম /*
*আগফাল শুৰনি কাকিণী তামোল ঐ / পিছফাল শুৰনি পাণে অ ৰাম /*
*বৰঘৰ শুৰনি গাভৰু ছোৱালী / উলিয়াই দিবলৈ টান অ ৰাম //*
*নৈৰে উটি যায় নলে খাগৰি / থপিয়াই থপিয়াই ধৰো এ ৰাম /*
*নৈৰ সিপাৰ কৰি মোক বিয়া দিব / ভাতে বা ৰান্ধিব কোনে ঐ ৰাম //* ৬৫

সযতনে ৰাখি দীঘল কৰা ছোৱালীৰ লাহি চুলিখিনিয়েও আয়তীসকলৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰে —

*লাই শাকৰ মাজে মাজে / লফা শাকৰ পুলি*
*কোনে লাৰে কোনে চাৰে / আইদেউৰ লাহৰ চুলি //*
*সৰু কালিৰ পৰা চুলিকে বঢ়ালি / এডালি নিচিগা কৰি*
*লাইশাকৰ মাজে মাজে / লফা শাকৰ পুলি //*
*আইদেউক ধুওৱা কলৰ পুলি / নাকাটিবি পাত*
*সোণে ৰূপে সজাই থৈছে / মোলান পৰে গাছ //*
*নাদৰ পানী নাখাও পিতা / খালৰ পানী কুই আ*
*ইতা পিতা ডাঙৰ হলো / বিয়া নেদা কিয়া //*৬৬

গীতটিত উল্লেখ থকা লাই-লফা শাক, নাদ-খালৰ বৰ্ণনাই এখন গৃহস্থালিৰ ছবি দাঙি ধৰিছে। কইনা ধুৱাওতে ব্যৱহাৰ কৰা কলপুলিটো ভালকৈ পুতি থব লাগে। সেই গছ জোপাক সোণে-ৰূপে সজাই ৰখাৰ অৰ্থাৎ ভালকৈ ৰখাৰ কথাও কোৱা হৈছে। ডাঙৰ হ'ল মানে ছোৱালীজনী নিজেও বিয়াৰ বাবে মানসিকভাৱে প্ৰস্তুত হয়, এনে ইংগিতো গীতটোত পোৱা যায়।

ৰাজবংশী সমাজত চুলিৰ সৌন্দৰ্য প্ৰকাশ পোৱা গীত এফাঁকি এনেধৰণৰ —

*আমাৰ আয়াৰ চুলি / কৰে ঝুলা ঝুলি*
*বান্ধিছে ভোম্‌ৰা খোপাহে*
*মাহিয়া আহিয়া মাথাটো চুঁচিয়া / খোপাটো বান্ধিয়া দিলাহে //* ৬৭

তোলনি নোহোৱালৈকে ছোৱালীজনীক লৈ মাক-দেউতাকৰ মনত কিছু সংশয় থাকে, কন্যাকাল অৰ্থাৎ তোলনি হ'ল মানেই সেই চিন্তা আঁতৰে। তেওঁ প্ৰজনন ক্ষমতা লাভ কৰে আৰু বিবাহোপযুক্ত হয় —

*বিৰিখৰ চিকণ ভৰাফুলৰ থুকি / লতাৰ চিকণ পাত /*
*দেউতাৰ ঘৰৰ গাঁৱলীয়া ঝীয়া / মাতেই চেনেহৰে মাত //*
*নাকন্দা ৰুক্মিণী ভীষ্মকৰ নন্দিনী / মনে নকৰ্‌বি দুখ /*
*পালি কইনা কাল গুচিল জঞ্জাল / দেখ্‌বি স্বামীৰ মুখ //*[৬৮]

চোতালত বহুৱাই ছোৱালীজনী সজাই থাকোতে গোৱা গীতবোৰৰ মাজেৰে ছোৱালীজনীৰ অপৰূপ সৌন্দৰ্যৰ বৰ্ণনা পোৱা যায়। দেহটো মোৰা মাছৰ দৰে, চুলিটাৰি কলমৌ শাকৰ দৰে, মুখখন পূৰ্ণিমাৰ জোনৰ দৰে আৰু গোটেই মানুহগৰাকী স্বৰ্গৰ দেৱীৰ দৰে অপৰূপা। দেহৰ ৰূপ সৌন্দৰ্য প্ৰকাশ পোৱা এনে গীতৰ মাজেৰে অনামী ৰচকৰ সৌন্দৰ্যবোধৰ উমান পোৱা যায়। ইয়াত নিভাঁজ গাঁৱলীয়া সমাজৰ পৰা তুলি অনা উপমাবোৰো মনকৰিবলগীয়া বৈশিষ্ট্য —

*আই চন্দ্ৰাৱলী পাটিতে আৱলী / সোণৰে দলিচাত বহিছে জানকী ঐ*
*শৰাই লৈ মেলিছে হাত /*
*ৰাম ঐ এৰি থৈ আহিলো / মই ল'ৰালিৰ সাজ /*
*তগৰ জবাৰে আইদেউক সজালে / কোনোনো বুলিব বেয়া ঐ ৰাম //*
*পানীৰে চিকুণ পানীৰ পৰুৱা / মাছৰে চিকুণ মোৰা যে ঐ /*
*তাতোকৈ চিকুণ আমাৰে আইদেউ / যেন পূৰ্ণিমাৰ জোন ঐ ৰাম //*
*পানীতে বাঢ়িলে পানীৰে কলমৌ / তেলতে বাঢ়িলে চুলি ঐ ৰাম //*
*আমাৰে আইদেউ ইমানে ধুনীয়া / যেন সৰগৰ দেৱী ঐ ৰাম //*[৬৯]

ছশ বছৰীয়া আহোম শাসনৰ প্ৰভাৱ সমগ্ৰ অসম জুৰি পৰিছিল। লোকসাহিত্যত আহোম ৰাজত্বৰ আচাৰ ব্যৱহাৰ, বিষয়া আদিৰ নাম, উপাধি, বিভিন্ন সামগ্ৰী, আ-অলংকাৰ, কাপোৰ প্ৰভৃতিৰ শব্দ সোমাই পৰিছে। বিয়াগীততো এনে শব্দ বিচাৰি পোৱা যায়। কইনাক পিন্ধাব ওলোৱা মেখেলাখন 'কিংখাপৰ মেখেলা' বুলি কৈ সেইদিনাৰ কইনাৰ কাপোৰসাজক

বিশেষ মান্যতা প্ৰদান কৰা দেখা যায় —

*এ হৰি কিংখাপৰ মেখেলা / এ হৰি জোকেৰি পিন্ধালা*
*এ হৰি মাকে আছিলে চাই //*
*এ হৰি মাকে উঠিয়া / এ হৰি সমাজক বুলিলে*
*এ হৰি মোৰ আইৰ নিচিনা / এ হৰি ৰজাৰ নগৰতো নাই //*[৭০]

কাপোৰ সাজৰ দৰে কইনাৰ চুলি আচুৰি দিয়া ফণিখনো গড়গাওঁৰ পৰা অনা বুলি কোৱা হয় —

*কেশ চোঁচা কেশ চোঁচা / কেশৰ লাগিল গাঁঠি*
*গড় গঞা ৰঙা ফণি / কেশৰ ভাঙ্‌বো গাঁঠি*
*আমাৰ আইদেউ আমাৰ আইদেউ / নামে ৰুকুণী*
*আমাৰ আইদেউ তেল সান্‌ছি / ৰেৱা টানি টানি //*[৭১]

দীঘল চুলিটাৰিৰে ডাঙৰকৈ বন্ধা খোপাটো আৰু তাত গুজি দিয়া ফুলৰ চিত্ৰও গীতৰ মাজেৰে চিত্ৰিত হৈছে —

*জয়ধ্বনি জোকাৰ পৰে / ঘনে ঘনে হে ৰাম*
*বেৰৰ সমান আৰ্চী-ফণী / মূৰৰ সমান খোপাহে ৰাম //*
*খোপা ডাঙৰ খোপা সৰু / খোপাতে মৰুৱা ফুল*
*খোপা দেখি সমাজখন / মন বিয়াকুল //*
*জয়ধ্বনি জোকাৰ পৰে / ঘনে ঘনে হে ৰাম /*
*নকৰিবি আইদেউ এ / মনতে দুখে হে ৰাম //*
*পালি কইনাকাল আইদেউ / হলি যে ডাঙৰ হে ৰাম*
*জয়ধ্বনি জোকাৰ পৰে / ঘনে ঘনে হে ৰাম*
*সোনকালে স্বামী পাইবি / মনত হৈব যে ৰং হে ৰাম //*[৭২]

তোলনি বিয়ালৈ অহা আয়তীসকলে মাহ-প্ৰসাদৰ লগতে আখৈ লৈ অহাৰ নিয়ম। আগতে আখৈবোৰ জপাৰ ভিতৰত ভৰাই অনা হৈছিল। এই আখৈ ভৰ্তি জপাবোৰ বিয়াৰ দিনা কইনাৰ সন্মুখত চোতালত শাৰী শাৰীকৈ থৈ দিয়া হয়। বিয়াত আখৈৰ গুৰুত্ব

সম্পৰ্কে জ্ঞাত আয়তীসকলে আখৈৰ এক জীৱন্ত ৰূপ কল্পনা কৰি লয়। বিয়াগীতত আখৈক ধান বৰুৱাৰ জীয়ৰী বা কুঁৱৰী বুলি অভিহিত কৰি গায় —

*এ জয় জপা শাৰী শাৰী / এ জয় বৰুৱাৰ জীয়ৰী*
*এ জয় জপাৰ ভিতৰে / কি ঐ ৰাম।।*
*এ জয় জপাৰে ভিতৰে / এ জয় আখৈ যে কুঁৱৰী*
*এ জয় ধান বৰুৱাৰে / জীহে ৰাম //*[৭৩]

আ-অলংকাৰ বা কাপোৰ পিন্ধোৱাৰ সময়ত মনঃপূত বস্তু নাপালে ছোৱালীজনীয়ে অভিমান কৰিব পাৰে। হাতৰ-কাণৰ অলংকাৰ নাপাই অভিমান কৰা ছোৱালী এজনীৰ চিত্ৰ এনেদৰে প্ৰকাশ পাইছে —

*অ'ত বেলি ৰাধে কাছোন কাচে / চুৰি নাপাই ৰাধে গপপিটি আছে।*
*ফুলি নাপাই ৰাধে গপপিতি আছে / আপোনাৰ ভাল বেয়া আপুনি কাছে //*[৭৪]

আঠ-ন বছৰৰ পৰাই ছোৱালী এজনীক ঘৰুৱা কাম শিকোৱাটো মাকে কৰ্তব্য বুলিয়েই ধৰি লয়। কিশোৰী ছোৱালীজনীয়ে মাকৰ সতে লগ লাগি তাঁতৰ পাতত বহিবলৈও শিকে। কিন্তু তোলনি বিয়াৰ দিনা যেতিয়া ছোৱালীজনীয়ে দেখে যে মাকে তেওঁক পিন্ধাৰৰ বাবে পৰ্যাপ্ত কাপোৰ উলিয়াই দিয়া নাই, তেতিয়া তেওঁৰ মন অভিমানেৰে ভৰি পৰে। আয়তীসকলে এই অভিমানৰ বহিঃ প্ৰকাশ ঘটাই গীতৰ মাজেৰে —

*ৰ'দ পাই ৰহিলা / পীৰা পাই বহিলা*
*পাত পাই মুচিলা ভৰি /*
*গা ধুই ৰুকুণী সৰা ফুল বোটলে*
*ৰামকে বৰোগৈ বুলি //*
*সৰুৰে পৰা মই কাপোৰ বৈছিলো / মায়ে কাপোৰ দিব বুলি।*
*বিবাহৰ সময়ত মায়ে মোক নামাতে / কাপোৰ দিব লাগে বুলি //*[৭৫]

এনে অভিমানৰ প্ৰকাশ পোৱা আন এটি গীত এনেধৰণৰ —

*এ কাইমান চৰেই সীতাই স্নান কৰেই*
*এ কাইমান চৰেই মেখেলা মেখেলা কৰেই /*

*এ কাইমান চৰেই মাককে কৰেই*

*এ মাকে নকৰে কাণ কাইমান চৰেই সীতাই স্নান কৰেই।*

*এ কাইমান চৰেই চাদৰ চাদৰ কৰেই।*

*এ কাইমান চৰেই চাদৰ চাদৰ কৰেই।*

*এ কাইমান চৰেই দেউতাকক কৰেই*

*দেউতাকে নকৰে কাণে কাইমান চৰেই*

*সীতাই স্নান কৰেই।*[৭৬]

চোতালত কইনাগৰাকী সজাই পৰাই লোৱাৰ পিছত জননি লোৱা পৰ্ব আৰম্ভ হয়। পেতেৰী বা জপাৰ ভিতৰত থকা জননিটো কইনাগৰাকী আৰু জননি লোৱা আনগৰাকীৰ সৈতে তিনিবাৰ বা পাঁচবাৰ ইহঁাত-সিহঁাত কৰাৰ নিয়ম। এখন হাতত দি আনখন হাতলৈ নিয়াৰ আগতে জননিটোৰ ওপৰত ঘটৰপৰা অলপ পানী ঢালি দিয়া হয়। গৰ্ভত থকা সন্তানে বাহিৰৰ জগতখন চাবলৈ কল্পনা কৰাৰ দৰে পেটেৰীৰ ভিতৰত থকা জননিটোৱেও বাহিৰলৈ ওলাই আহিব বিচৰাৰ দৰে কল্পনা কৰি গোৱা হয় —

*ঝপাৰ ভিতৰে কান্দেই ৰঘুনাথে*

*ঐ ৰাম মোকো লৌ মোকো লৌ কৰিহে*

*আদৰি সাদৰি লাগে মাকে আনি*

*ঐ ৰাম বুকুতে সাৱটি ধৰিহে।*

*পেতেৰীৰে পৰা জনেনি উলালা*

*ঐ ৰাম কটেৰীৰ আগেৰে খুলিহে*

*পেতেৰীৰে পৰা জনেনি উলেই*

*ঐ ৰাম লৌ আচলক টানিহে।*

*জনেনিৰ ওপৰে কলচীৰে পৰা*

*ঐ ৰাম ঢালি দি এজোলোকে পানীহে*

*আহুধানৰ খেতি বৰাই লৰেই লেটি*

*ঐ ৰাম আন্ধোল পাত ভাখেৰী পেটী হে।*[৭৭]

জননিটো ইখন হাতৰ পৰা সিখন হাতলৈ নিয়াৰ প্ৰসংগত গোৱা হয় —

*ঝপা সলৌ ঝপা সলৌ কৰি যতন এ । ঝপাত আছে ঘুন্‌চাজৰী উল উলাহে কৰি এ*
*একবাৰ সলৌ আই তই দুইবাৰে সলৌ এ । তিনিবাৰে সলেই মাক তই আগবঢ়েই লৌ এ।*[৭৮]

গীতফাঁকিত থকা 'ঘুন্‌চাজৰী উল উলাহে কৰি' ৰ ঠাইত 'কানাই চলি লৌ কোলাত তুলি' বুলিও গোৱা হয়। এই কথা নিৰ্ভৰ কৰে নামতীজনীয়ে কি অংশ ব্যৱহাৰ কৰে তাৰ ওপৰত, অৰ্থ একে ৰাখি কথাংশৰ সালসলনি কৰি লোৱাটো এটা স্থানীয় বৈশিষ্ট্য বুলি কব পাৰি।

চাৰিদিনৰ মুৰত জননি ধুওৱা পৰ্ব আৰু গণনাৰ ফলাফলৰ কথা প্ৰকাশ পোৱা এফাঁকি গীত এনেধৰণৰ —

*ধুৰেনি হ'বৰেই হ'ল চাৰিদিনে । ঐ ৰাম জলেনি ধুৱাই আজিহে ৰাম*
*গণকৰে ছলি গণি-পঢ়ি চালা । ঐ ৰাম পালে পদ্মিনী কন্যাহে ।।*[৭৯]

জননিটো পানীৰে ধুওৱা কাৰ্যটো আন এটা অৰ্থৰেও দাঙি ধৰা হয়। কেঁচুৱাই মাক আইতাকৰ কোলাত শৌচ-প্ৰস্ৰাৱ কৰাটো স্বাভাৱিক। ঠিক তেনেদৰে জননিটো যিহেতু সন্তান বুলিয়েই ধৰি লোৱা হয়, সিও মাক আইতাকৰ কোলাত শৌচ কৰি দিলে যাৰ বাবে সেইটো ধুৱাব লগা হ'ল —

*পেটেৰীৰ ভিতৰে কান্দে ৰঘুনাথে । হৰি এ মাকৰকোলাত দিলাহে ৰাম ।*
*মাকৰ কোলাতে চেৰেণী হাগিলে । নদীত ধুবলৈ নিলে হে ৰাম ।।*
*পেটেৰীৰ ভিতৰে কান্দে ৰঘুনাথে । হৰি এ আইতাৰ কোলাতে দিলা হে ৰাম ।*
*আইতাৰ কোলাতে চেৰেণী হাগিলে । নদীত ধুবলৈ নিলে হে ৰাম ।।*[৮০]

জননি লোৱা শেষ হোৱাৰ পিছতো কইনাজনী কিছু সময় চোতালতে বহি থাকে। এই সময়তো আয়তীসকলে জাউৰিয়ে জাউৰিয়ে বিয়া গীত গাই থাকে। এনে সময়ত গোৱা বিয়াগীতৰ বিষয়বস্তু সলনি হৈ পৰে। নাৰীমনৰ হৰ্ষ-বিষাদ আৰু কৰুণ সুৰেৰে গোৱা গীতবোৰে এক বেদনাগধুৰ পৰিৱেশৰ সূচনা কৰে। কিয়নো গীতবোৰৰ জৰিয়তে সদ্য যৌৱনপ্ৰাপ্ত কিশোৰী গৰাকীক কেতবোৰ পৰামৰ্শ আৰু নীতি নিৰ্দেশনা দিয়াৰ চেষ্টা কৰা হয়। ভৱিষ্যত জীৱনৰ বাবে ছোৱালীজনীক মানসিকভাৱে প্ৰস্তুত কৰাটো আয়তীসকলে নিজৰ দায়িত্ব হিচাবে গণ্য কৰে।

নিজস্ব অভিজ্ঞতাৰ পৰা আয়তীসকলে এটা কথা বুজি উঠে যে গাভৰু জীৱনত বিভিন্ন সমস্যাৰ উদ্ভৱ হয়। বিশেষকৈ ন প্ৰস্ফুটিত ফুলৰ দৰে উজ্বলি উঠা ছোৱালীজনীক পুৰুষে ভিন্ন দৃষ্টিৰে চাব পাৰে। সেয়ে পুৰুষক ভোমোৰাৰ লগত তুলনা কৰি তাৰ পৰা আঁতৰি থকাৰ সকীয়নি দি গোৱা হয় —

*ফুলনিত ফুলিছে ৰক্তজবা / আজিৰ পৰা বাইদেউ সাৱধান হবা*

*পুৰুষৰ ওচৰত নাযাবা চাপি / পুৰুষক নকবা অন্তৰ খুলি*

*পুৰুষে নুবুজে নাৰীৰে মোল / নাৰী যে এপাহি ধুনীয়া ফুল //*[৮১]

কুমলীয়া পাণ এখিলা পুৰঠ হৈ পকি উঠাৰ দৰে কিশোৰী ছোৱালীজনীও গাভৰু হ'ল। গতিকে তেওঁ সাৱধান হোৱা উচিত —

*গছৰ আগৰ পকা পাণ / গছৰ আগৰ পকা পাণ*

*ডাঙৰ হলা আইদেউ / ইতা হবা সাৱধান //*[৮২]

ডাঙৰ হোৱা ছোৱালীজনীয়ে এতিয়া আগৰদৰে মুকলিমূৰীয়াকৈ ওলাই যাব নোৱাৰে। মুক্ত জীৱন সংযত কৰাটো ছোৱালীজনীৰ বাবে অত্যন্ত জৰুৰী। এতিয়াৰ পৰা ক'ৰবালৈ যাব লগা হ'লে মাক-দেউতাকৰ অনুমতি লৈ যোৱাৰ পৰামৰ্শ গীতৰ মাজেৰে দিয়া হয়—

*সেউজীয়া দুবৰি ঘূৰণীয়া পৃথিৱী / আজিৰ পৰা বাইদেউ অ সাৱধানে চলিবি*

*সাৱধানে থাকিবি চাই চিন্তি ফুৰিবি / মা দেউতাক নোসোধাকৈ ফুৰিবলৈ নাযাবি /*[৮৩]

পৰম্পৰাগতভাৱে চলি অহা বিয়াগীতবোৰৰ বাহিৰেও সময়ৰ পৰিৱৰ্তনৰ লগে লগে আন কিছুমান বিয়াগীত সৃষ্টি হোৱা দেখা যায়। এনেধৰণৰ গীতত নতুন নতুন শব্দ সোমাই পৰে যিবোৰে সৃষ্টি কালৰ আভাস দিয়ে—

*কবিগুৰু ৰবীন্দ্ৰ / আমি পঢ়ো প্ৰবন্ধ*

*আজিৰ পৰা হ'ল আইদেউ / নতুন জীৱন আৰম্ভ /*[৮৪]

'কবিগুৰু ৰবীন্দ্ৰ' 'প্ৰবন্ধ' আদি শব্দৰ ব্যৱহাৰৰ পৰা এইবোৰ অনাখৰী নাৰীৰ সৃষ্টি নহয় বুলি বুজিব পাৰি। এয়া পৰৱৰ্তী সময়ত শিক্ষিত আয়তীৰ সৃষ্টি বুলি নিঃসন্দেহে ক'ব পাৰি।

গাভৰু ছোৱালীৰ জীৱন উৰণীয়া মৌৰ দৰে, মাকৰ ঘৰত ক্ষণিকৰ বাবেহে জিৰণি লব পাৰে। ছোৱালী হলেই এঘৰত উলিয়াই দিব লাগিব, এই মানসিকতাৰে জীৱন গঢ় দিয়া আয়তীসকলে ছোৱালীজনীয়ে নতুন ঘৰত সন্মুখীন হ'বলগীয়া পৰিৱেশৰ কথা কল্পনা কৰি আৱেগমিশ্ৰিত সুৰেৰে গায় —

*চোতালৰ আগৰে গধূলি গোপাল / বাইদেউৰে ভাবিছে কিনো মোৰ কপাল ||*
*লোকৰ ঘৰেখনি কেনেকৈ চাম / মা-দেউতাক এৰি থৈ কেনেকৈ যাম ||*
*থাকিব লাগিব মা দেউতাক এৰি / চলাব লাগিব লোকৰ ঘৰখনি ||*
*আনিব লাগিব দূৰৈৰে পানী / লব যে লাগিব ওৰণি টানি ||*
*খাব যে লাগিব নিমখে ভাত / শুনিব লাগিব কেটেৰা মাত ||*[৮৫]

বিবাহৰ পিছৰ পৰ্যায়ৰ কথা ভাবি আয়তীসকলে চিন্তা প্ৰকট কৰিলেও তেওঁলোকে ছোৱালীজনীক তেওঁ হ'বলগীয়া স্বামী ভগৱানতুল্য হ'ব বুলি আশ্বস্ত কৰিব বিচাৰে —

*বৈ আছে ৰহিমালা / মেলাই আছে চুলি*
*ধেনুশৰ ধৰি আছে / ৰামে নিবো বুলি ||*
*নানা দুখে পালা আই / স্ৰজিলা তোমাকে*
*কৃষ্ণ যেন স্বামী পাই / তেজিবা আমাকে ||*
*দ্বাৰকাতে কৃষ্ণ থাকে / ছয়মাহৰ বাট*
*ইয়াৰপে আই তই / কৰ হাতযোৰ।।*
*যাই গৈয়ে পাবি আই / হোমৰে সভা*
*কৃষ্ণ যেন স্বামী পাবা / চিন্তানো কিহৰ ||*[৮৬]

সেইদিনা বিয়াখনৰ কইনাৰূপী কিশোৰী গৰাকীৰ লগতে জননি লৈ অহা দৰাৰূপী নাবালিকা ছোৱালীজনীও আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰে। ১২-১৩ বছৰীয়া ছোৱালীজনীৰ সতে ৮-৯ বছৰীয়া দৰাৰূপী নাবালিকা জনীৰ কথা ভাবিয়েই হয়তো আয়তীসকলে স্বতঃস্ফূৰ্তভাৱে গায় —

*হা হৰি চিকন কন্যা মৈলান পৰে হালি / ঝাকে ঝাকে নিয়াৰ পৰেই পদোই মেলে পাহি ||*
*আধেলীয়াৰ পানীটুপি চোকাই খচি খায় / আদৰুৱা সীতা হৰি পৰে লৈ যায় ||*

*নাকান্দিবি কইনাৰ মাক তই নপৰিবি হালি / ঝীয়া ইচ্ছাই জৰেই পালি তিয়হৰে জালি //*

*সৰু সৰু বটা পাখু সৰু সৰু ঝীয়া / সৰু সৰু ঝীয়া দেখি ৰামে পাতে বিয়া //*

*পাতে ৰামে ভাঙে ধেনু এই সময়ত / সীতা হলে দিবা লাগে অৱশ্যে ৰামক //*[৮৭]

গীতটিত নৈসৰ্গিক প্ৰকৃতিৰ বৰ্ণনাও প্ৰকাশ পাইছে। নিয়ৰ পাই পদুমে পাহি মেলা, পানীপোতাত জমা হোৱা পানী চাকৈ চকোৱাই খোৱা, সৰু সৰু চঞ্চল বতা চৰাইৰ দৰে সৰু সৰু ছোৱালীবোৰৰ চিত্ৰ গীতটিত প্ৰতিফলিত হৈছে। এনে বৰ্ণনা নাৰীৰ কল্পনাপ্ৰৱণ মনৰ পৰিচয় দাঙি ধৰে।

এটা সময়ত বিয়াখনৰ পৰিসমাপ্তিৰ দিশলৈ গতি কৰে। বিয়া ভঙাৰ আগতে চোতালত বহি থকা ছোৱালীজনীয়ে আয়তীসকলৰ ওচৰত সেৱা লৈ আশীৰ্বাদ বিচাৰে। আয়তীসকলে গায় —

*ৰুকুণীৰ মূৰে মৈৰাৰ পাখী হৰি হে*

*ওলেই আহি ৰুকুণীয়ে / ৰাইজনক সেৱা কৰে হে //*

*ৰুকুণীৰ মূৰে পকা পাণ হৰি হে*

*ওলেই আহি ৰুকুণীয়ে / আশীৰ্বাদ মাগেহে //*[৮৮]

এই সময়ত গোৱা আন এটি গীত এনেধৰণৰ —

*গা-ধুই ৰুক্মণী চোতালে থিয়া / আজি ৰুক্মিণীৰ তোলেনি বিয়া //*

*অলপ বয়সে হ'ল কইনাকাল / আজিৰপেৰে বাঢ়িল জঞ্জাল //*

*ঔৰে গাছৰ ৰঙা চিলা / ৰুক্মিণীক আয়তী আশীৰ্বাদ দিলা //*

*পলুৰে পাততে চকৰী নাচেই / আজি ৰুক্মিণী কইনা সাজেই //*

*আয়তীৰ আশীৰ্বাদ মূৰতে লৈ / সেৱা কৰি যায় ভিতৰলৈ //*

*হৰি বোল হৰি এ হ'ল /* [৮৯]

তোলনি বিয়াৰ দিনাখন আয়তীৰ আশীৰ্বাদ যে ছোৱালীজনীৰ কাৰণে অতি প্ৰয়োজনীয় সেই কথাকেই গীতটোত উনুকিয়াই দিয়া হৈছে। বিয়াখনৰ শেষত আয়তীয়ে দিয়া উৰুলি জোকাৰে ছোৱালীজনীৰ অনাগত দিনবোৰ সুন্দৰ কৰে বুলি বিশ্বাস কৰা হয়।

**৩.০২.১০ নিন্দাগীত ঃ**

নিন্দাগীতবোৰ গহীন ভাৱৰ নহয়, এইবোৰ লঘু ভাবৰ। নিন্দাগীত সম্পৰ্কে সত্যেন্দ্ৰ

নাথ শৰ্মাই উল্লেখ কৰিছে — *"এই গীতৰ সুৰ লঘু আৰু বৰ্ণনাও কৌতুকপূৰ্ণ। দৰা বা কন্যাঘৰীয়াক জোকাই ৰহইচ্ কৰাই এই শ্ৰেণীৰ গীতৰ উদ্দেশ্য।"*[৯০] তোলনি বিয়াত গোৰা নিন্দা গীতবোৰত সাধাৰণতে কইনাৰ মাক, বৌয়েক, খুড়ীয়েক, ভনীয়েক, কইনা সজোৱা গৰাকী আৰু কইনা ধুওৱা গৰাকীক প্ৰধান লক্ষ্য কৰি লোৱা হয়। নিন্দাগীতবোৰৰ যোগেদি যিয়ে যাক যেনেকৈ নিন্দা নকৰক কিয় কোনোৱে এইবোৰ গাত পাতি নলয়, ইয়াত কেৱল সকলোৱে হাঁহিৰ খোৰাকহে বিচাৰি পায়। কিছুমান নিন্দাগীত পৰম্পৰাগতভাৱে চলি অহা যদিও আন বহুতো নিন্দাগীত পৰৱৰ্তী সময়ৰ সৃষ্টি। নিন্দাগীতত বহুতো আধুনিক শব্দ পোৱা যায়। এই গীতবোৰ পৰিৱেশ-পৰিস্থিতিৰ লগত খাপ খুৱাই আয়তীসকলে তাৎক্ষণিকভাৱে সৃষ্টি কৰে। সেয়ে সেই মুহূৰ্তত তেওঁলোকৰ মনলৈ যিধৰণে মনলৈ কথাখিনি আহে সেই ধৰণেই গাই যায়। তেওঁলোকে স্থানীয়ভাৱে প্ৰচলিত শব্দ, ঘটনা আদিক গীতৰ মাজত সাঙুৰি লোৱা দেখা যায়।

গাঁৱলীয়া সমাজৰ নাৰীসকলৰ দৈনন্দিন কামৰ ভিতৰত প্ৰথম কাম হ'ল ৰাতিপুৱাৰ বাহী চোতালখন সৰা, তাৰ পিছত হে আন কাম কৰিব লাগে। বিয়াৰ দিনাখন আয়তীসকলে ঘৰৰ চুক-কোণ বিলাকলৈ চকু দিয়ে। তেওঁলোকৰ চকুত চোতালৰ এটা অংশ লেতেৰা দেখিলেও কইনাঘৰক জোকাই ল'বলৈ এটা সুযোগ পায়। এই সুযোগৰ সদ্ব্যৱহাৰ কৰি তেওঁলোকে গায় —

*সকল বনে হৈ আছে / চোতাল আছে বাহীহে*
*কইনাৰ বৈনাকক টানি আন / চোতাল সাৰক আহি /*[৯১]

'কইনাৰ বৈনাকক টানি আন' কথাংশৰ সলনি কইনাৰ মাক, বৌয়েক, খুড়ীয়েক প্ৰভৃতি সদস্যৰ নাম অন্তৰ্ভুক্ত কৰি একেধৰণে গীতটো গাই থকা হয়।

পানী তুলি আহোঁতেও কইনাঘৰক কৃপণ বুলি কৈ গীতৰ মাজেৰে জোকোৱা হয় —

*অ-মন-ৰচে / কি বিয়া পাতিলে কৃপণৰ সচে*
*পানী তুলিবলৈ নানিলে লৰী / আহোঁতে যাওঁতে বিষেই গেল ভৰি /*[৯২]

পানী তুলি আহি চাহ খাব নাপালে বুলি অভিযোগ কৰি গায় —

*পানী তুলি আহিলো / শুদা মাটিত বহিলো*

*কইনাৰ মাকৰ পৰা / চাহ একাপ নাপালো।*[৯৩]

তামোলপ্ৰিয় আয়তীসকলে চাহকাপৰ লগত তামোলখন বিচাৰে। তামোল নাপালে তামোলৰ ভৰালী কোন বুলি প্ৰশ্ন কৰি হাস্য ব্যঙ্গ কৰি গায় —

*এ জয় তামোল খাবা নাপায় / এ জয় গলে চৰে চৰায়*

*এ জয় তামোলৰ ভৰালী কোন হে।*

*এ জয় তামোলৰ ভৰালী কুঁজা বনমালী / এ জয় বঁটাখান এইফালে দিহে ৰাম*

*এ জয় বঁটা বিচাৰোতে খোচ মোচ কৰোতে / এ জয় কুঁজত চাৰিকিল দিয়াহে।*[৯৪]

চাহ-তামোলক লৈ চলি থকা হাঁহি-ধেমালিৰ মাজেৰে খুড়ীয়েক বা আন আত্মীয়ক জোকাই গোৱা হয় —

*দোকানৰে ডেক্সী দোকানৰে ডেক্সী*

*কইনাৰ খুড়ীয়াকৰ / ককাল ভাঙিম থেক্‌চী।* [৯৫]

কইনাৰ আত্মীয়ৰ চেহেৰা ভালুক, এন্দুৰ আদিৰ লগত তুলনা কৰি গায় —

*দোকানৰে জালুক / দোকানৰে জালুক*

*কইনাৰ খুড়ীয়াক / হাবিৰে ভালুক।*

*দোকানৰে সেন্দূৰ / দোকানৰে সেন্দূৰ*

*কইনাৰ খুড়ীয়াক / চাঙৰ তলৰ এন্দূৰ।* [৯৬]

কেৱল চেহেৰা লৈয়ে নহয়, কইনাৰ খুড়ীয়েক বা আনসকলৰ স্বভাৱ তথা আচৰণক টানিও নিন্দা গীত গোৱা হয়। তেওঁলোকে বিচনাত প্ৰস্ৰাৱ কৰা বা আনে খাই পেলাই দিয়া বিড়ি বিচাৰি ফুৰা আদি অবাস্তৱ কথাবোৰোকো তানি আনি জোকাই গাবলৈ ধৰে —

*বাৰীৰ পিছৰ লাইশাক / বাৰীৰ পিছৰ লাইশাক*

*কইনাৰ খুড়ীয়েকৰ / বাহাদুৰি চাই থাক।*

*বাৰীৰ পিছৰ খুতুৰা / বাৰীৰ পিছৰ খুতুৰা*

*কইনাৰ খুড়ীয়াক / শেতেলীতে মুতুৰা।*

*বাৰীৰ পিছৰ খুতুৰা / বাৰীৰ পিছৰ খুতুৰা*

*কইনাৰ খুড়ীয়াক / খৰা বিড়ি বিচৰা।*[৯৭]

বিয়াঘৰত কোনোবাজনী আনৰ পৰা আঁতৰে আঁতৰে ফুৰিলে বা আনৰ লগত মিলিব নুখুজিলে আয়তীসকলে এইটো সহজভাৱে লব নোৱাৰে। সেয়ে সেইগৰাকীয়ে বেছি দেখাইছে বুলি কৈ গীতৰ মাজেৰে থকা সৰকা কৰে —

*অ মন তৰা*

*কইনাৰ খুড়ীয়াক / আহিল ক'ৰ পৰা*

*মঙ্গলদৈ চহৰত / লেবেল দি ফুৰা /*[৯৮]

চিনেমাৰ নায়ক-নায়িকাৰ লগত পৰিচিত দুই এক আয়তীয়ে গায় —

*কলগছৰ চোঁচনি / কলগছৰ চোঁচনি*

*কইনাঘৰীয়া নামতি / চিনেমাৰে নাচনী /*[৯৯]

ঘৰৰ পৰিয়ালৰ সদস্যৰসকলৰ উপৰিও কইনা সজোৱা গৰাকীক উপলক্ষ্য কৰি লোৱা হয়। কইনা সজাই তেওঁনো কিমান টকা দৰমহা পালে এই প্ৰশ্ন কৰি গোৱা হয় —

*শিৱসাগৰ নাজিৰা / শিৱসাগৰ নাজিৰা*

*কইনা সজেইতীৰ / কেইটকা হাজিৰা /*[১০০]

লগে লগে আন এগৰাকী আয়তীয়ে তাৰ উত্তৰ দি গায় —

*স্নো পাউদাৰ হিমানী / স্নো পাউদাৰ হিমানী*

*কইনা সজেইতীৰ / দৰমহা নাই কি জানি /*[১০১]

আনক সুন্দৰকৈ সজাবলৈ যোৱা কইনা সজোৱা গৰাকীৰ অৱস্থাটোক ভেঙুচালি কৰি গোৱা হয় —

*অ দলি চপৰা / অ দলি চপৰা*

*আনক কি সজাবা / নিজৰ মূৰেই জপৰা /*[১০২]

কেৱল মূৰটো জপৰা বুলি কৈ ক্ষান্ত নাথাকি কইনা সজোৱা গৰাকীৰ দেহটো অত্যন্ত লেতেৰা বুলি কৈ জোকাই তেওঁক ব্যতিব্যস্ত কৰি তোলে—

*আগলতি কলাপাত / লৰে কি চৰে*

*কইনা সজেইতী ক'ৰপৰা আহে /*

*কইনা সজেইতীৰ মুখৰ নাই মাত / চাহীৰে ধৰিছে গোটেইটো গাত*

*খজুৱাই খজুৱাই কৰিলে ঘাঁ / গোটেই বছৰটো নুশুকায় চা /*[১০৩]

তোলনি বিয়াত দৰাপক্ষ বা কইনাপক্ষ বুলি আয়তীসকল বিশেষ ধৰণে ভাগ হৈ নবহে। দুয়োপক্ষৰ আয়তী সকলে একেলগে মিলি অনুষ্ঠানটো পৰিচালনা কৰে। সেয়ে কইনাপক্ষ দৰাপক্ষক জোকাই হাস্য ব্যঙ্গ গীত বেছি গোৱা নহয়। কেতিয়াবা দুই এটা গীতত কইনাপক্ষ আৰু দৰাপক্ষ উল্লেখ থাকিলেও ই নগন্য। এনে গীতত ঘাইকৈ দুয়োপক্ষৰ নামতীক উদ্দেশ্য কৰি লোৱা হয়। কইনাৰ খুড়ীয়েক-মাক আদিক লৈ গোৱা গীতবোৰত কইনাঘৰৰ নামতী বা দৰাঘৰৰ নামতী বুলি উল্লেখ কৰি গীতবোৰ গোৱা হয়।

নিন্দাগীতবোৰৰ উদ্দেশ্য কেৱল নিৰ্দোষ ধেমালি কৰা যদিও গীতবোৰৰ মাজে মাজে কেতিয়াবা জোকোৱা গৰাকীক শুনিবলৈ বেয়া লগাকৈ নিন্দা দিয়া হয়। আয়তীসকল এই ক্ষেত্ৰত সচেতন, সেয়ে গীতোবৰ সামৰাৰ আগমুহূৰ্তত গীতবোৰৰ বাবে সকলোৰে পৰা ক্ষমা প্ৰাৰ্থনা কৰি গোৱা হয় —

*বনে বনে ফুৰিলো / বনৰ মালা গাঁথিলো*

*বেয়া নাপাবা দেই / ধেমালিহে কৰিলো /*[১০৪]

'বেয়া নাপাবা দেই' কথাংশৰ সলনি 'ক্ষমা কৰিবা দেই' বুলি কৈও গীতটো গোৱা হয়।

**৩.০২.১১ তোলনি বিয়াৰ গীতত সামাজিক আৰু প্ৰাকৃতিক চিত্ৰ ঃ**

মৌখিক সাহিত্য বা লিখিত সাহিত্য কোনো শ্ৰেণীৰ সাহিত্যই সমাজক বাদ দি সৃষ্টি হ'ব নোৱাৰে। মৌখিক সাহিত্যই আদিম কালৰে পৰা সমাজক প্ৰতিনিধিত্ব কৰি আহিছে। মুখ-বাগৰি চলি অহা মৌখিক সাহিত্যই সময়ৰ পৰিৱৰ্তনত নতুন নতুন ৰং ৰূপ গ্ৰহণ কৰিলেও তাৰ পৰম্পৰাগত ৰূপটো একেবাৰে নোহোৱা হৈ যোৱা নাই। অনাখৰী লোকসমাজৰ ভাৱ-অনুভূতি, সুখ-দুখ, সহজ-সৰল জীৱনৰ বিভিন্ন ৰূপ পোনপটীয়াভাৱে গীতবোৰৰ মাজত চিত্ৰিত হয়। যিহেতু ব্যক্তি আৰু সমাজৰ অংগাংগী সম্বন্ধ আছে গতিকে এখন সমাজৰ লোকাচাৰ, লোকবিশ্বাস, ঘৰ দুৱাৰ, সাজ-পাৰ, আ-অলংকাৰ, খাদ্যাভাস প্ৰভৃতিৰ চিত্ৰ লোকগীতৰ মাজত প্ৰতিফলিত হয়।

বৰ বিয়া আৰু তোলনি বিয়াৰ অন্তৰ্গত বিয়াগীতবোৰ অসমীয়া লোকগীত সাহিত্যত এক সুকীয়া স্থান আছে। তোলনি বিয়া অনুষ্ঠানটো এদিনৰ এটা বেলাৰ ভিতৰতে সমাপ্ত

হয়, কিন্তু গোটেই অনুষ্ঠানটোৰ বিভিন্ন স্তৰত গোৱা গীতবোৰে অসমীয়া সমাজখনৰ চিত্ৰ চিত্ৰিত কৰে। তোলনি বিয়াৰ গীত সম্পৰ্কে মৈত্ৰেয়ী পাটৰৰ কথাখিনি এই প্ৰসংগত উল্লেখনীয়— *"তোলনি বিয়াৰ গীতসমূহত নাৰীৰ নিজস্ব সামাজিক স্থিতি, সমাজৰ আকাংখা, শাৰীৰিক তথা চাৰিত্ৰিকভাৱে নিখুঁত হোৱাৰ সামাজিক চাপ, বিবাহৰ তথা বিবাহৰ সম্ভাব্য পাত্ৰজনিত চাপ তথা উৎকণ্ঠা, বিবাহ পৰ্যন্ত যৌনতা তথা সম্ভাব্য মাতৃত্বৰ পৰা আঁতৰত থকাৰ উৎকণ্ঠা ইত্যাদি বিষয়ৰ উপস্থিতি খুউব খীণকৈ হ'লেও দেখা যায়।"*[১০৫] বিয়াগীতবোৰত নাৰী সমাজৰ জীৱন প্ৰণালী, নাৰী মনস্তত্ত্ব আৰু সমাজ ব্যৱস্থাৰ চিত্ৰ প্ৰতিফলিত হয়। অসমীয়া গ্ৰাম্য সমাজৰ ঘৰ এখনৰ আগফাল পিছফালে থকা তামোল পাণৰ উল্লেখেৰে গোৱা হয় — *আগফাল শুৱনি কাকিনী তামোল ঐ, পিছফাল শুৱনি পাণ।* বিভিন্ন ফল-মূল, পাণ-তামোলেৰে পৰিপূৰ্ণ হৈ থকা বাৰীখনত থকা আমগছৰ উল্লেখ কৰা হৈছে এনেদৰে — *শ্ৰীকৃষ্ণ আমডাল মলিছি, শ্ৰীকৃষ্ণ বন্তিখান জ্বলিছি।*

অসমীয়া সমাজখনত যৌথ পৰিয়ালৰ গুৰুত্ব আছিল। মাক, খুড়ীয়েক, বৌয়েকহঁতে লগে ভাগে গৃহস্থালিৰ কামবোৰ কৰিছিল। বিয়াগীতবোৰত বাৰে বাৰে লক্ষ্য কৰি লোৱা খুড়ীয়েকৰ প্ৰসংগৰ পৰাই এই কথা অনুমান কৰিব পাৰি।

তাঁতশালখনৰ লগত নাৰীসকলৰ এৰাব নোৱাৰা সম্বন্ধ আছে। বিয়াগীতত উল্লেখিত তাঁতশালখনে স্বভাৱ শিপিনী নাৰীসকলৰ এখন ছবি প্ৰতিফলিত কৰে। তাঁতশালৰ কামত পাৰ্গত কৰি তুলিবলৈ সৰুৰেপৰা যে তাঁতৰ কাম শিকোৱা হৈছিল তাৰ উৎকৃষ্ট উদাহৰণ তোলনি বিয়াৰ গীততো পোৱা যায় — *সৰুৰেপৰা মই কাপোৰ বৈছিলো, মায়ে কাপোৰ দিব বুলি।* গীতবোৰ উল্লেখ থকা তাঁতৰ সজুলি যঁতৰ, মহুৰা, শলা-চিৰি, তাঁতত বোৱা মুগাৰ বস্ত্ৰ, পাটৰ বস্ত্ৰ বা সূতাৰ বস্ত্ৰই শিপিনীসকলৰ তাঁতশালখনৰ লগত থকা সম্পৰ্কৰ সাক্ষ্য বহন কৰে।

কটা বাঁহ, মকল বাঁহৰ উল্লেখৰ পৰা ঘৰুৱা জীৱনত বাঁহৰ ব্যৱহাৰৰ উমান পাব পাৰি। এখন গৃহস্থালিত ব্যৱহৃত নাদ, পীৰা, বাঁওকা, শিকিয়া, হোকা প্ৰভৃতিৰ উল্লেখেৰে বিয়াগীতবোৰে অসমীয়া গ্ৰাম্য জীৱনৰ ঘৰ এখনক প্ৰতিফলিত কৰিছে। লাই শাক, লফা শাক, খুতুৰা শাক, মাহৰ দাইল, আখৈ, মোৰা মাছ, পাভ মাছ, এৰাগাখীৰ, পিঠাগুৰি, প্ৰভৃতিয়ে অসমীয়া সমাজৰ

খাদ্যাভাসৰ চানেকি বহন কৰে।

লোক কবিতা সম্পৰ্কে নিৰ্মলপ্ৰভা বৰদলৈয়ে কৈছে — *"সমাজ বিৰৰ্ত্তনৰ স্বাক্ষৰ লোক কবিতাবোৰে ধৰি ৰাখে সেইফালৰ পৰা ইয়াৰ মূল্য অপৰিসীম। তাৰোপৰি ইয়াত আছে সামাজিক শ্ৰেণীবিভাজনৰো স্বাক্ষৰ।"*[১০৬] আদিম যুগৰ পৰা চলি অহা লোকগীতবোৰৰ কথাবস্তু, সুৰ-লয় সময় সাপেক্ষে যুগধৰ্ম অনুসৰি সলনি হৈ থাকে। এনে পৰিৱৰ্তিত ৰূপত পোৱা গীতবোৰে সমাজ বিৰৰ্তনৰ স্বাক্ষৰ বহন কৰে। ৰাধা, ৰুক্মিণী, সীতা বা জানকী, কৌশল্যা, শশীপ্ৰভা প্ৰভৃতি পৌৰাণিক চৰিত্ৰৰ উল্লেখে বিয়াগীতত বৈষ্ণৱ কাব্যৰ প্ৰভাৱৰ ইংগিত দিয়ে। কিংখাপৰ মেখেলা, কেঁকোৰা দোলা, গড়গঞা ৰঙাফণি, কুঁৰৰী, বৰুৱা, ভৰালী প্ৰভৃতিৰ উল্লেখে আহোম যুগৰ স্বাক্ষৰ বহন কৰে। কবিগুৰু ৰবীন্দ্ৰ, প্ৰবন্ধ, স্নো-পাউদাৰ, লৰীৰ দৰে শব্দবোৰ যে আধুনিক যুগৰ সৃষ্টি সেয়া অনুমান কৰিব পাৰি। বিয়াগীতত বিভিন্ন আধুনিক শব্দ সোমোৱাৰ প্ৰসংগত নিৰ্মল প্ৰভা বৰদলৈয়ে কৈছে — *"মুখে মুখে বাগৰি অহা এই লোককবিতাবোৰত মা, টেক্সী, একাপ চাহ, টেবুল ইত্যাদি আধুনিক শব্দও সোমাই পৰিছে।"*[১০৭]

সমাজ বিৰৰ্তনৰ দৰে সমাজৰ শ্ৰেণী বিভাজনৰ চিত্ৰও বিয়াগীতৰ মাজত বিচাৰি পোৱা যায়। কইনাৰ খুড়ীয়েকক জোকাই গোৱা গীতত উল্লেখ থকা ধোবা, হাড়ী, কুমাৰ, ডোম আদি জাতিৰ উল্লেখৰ পৰা এনে জাতিবোৰক যে নিম্ন জাতিৰ বুলি গণ্য কৰি হাস্যব্যঙ্গ গীতবোৰত তেওঁলোকক টানি অনা হৈছিল সেইটো ঠাৱৰ কৰিব পাৰি।

তোলনি বিয়াত গোৱা গীতৰ মাজত সমাজত নাৰীৰ স্থান সম্পৰ্কেও আভাস পাব পাৰি। এটা সময়ত ছোৱালীজনী তোলনি হোৱাৰ পিছতেই কেৱল তেওঁক বিয়া দিয়াৰ চিন্তাহে কৰা হৈছিল, কিশোৰী ছোৱালীজনীকো এই সম্পৰ্কে মানসিকভাৱে সাজু কৰি তোলা হৈছিল। তাৰ ইংগিত পোৱা যায় তোলনি হোৱাৰ পিছত দাদাকক কৰা প্ৰশ্নসূচক এই গীতফাঁকিত — *ইতা দাদা ডাঙাৰ হলো, বিয়া নেদা কিয়া।* বিয়াগীতবোৰত নাৰীৰ বিনয়ী স্বভাৱৰ প্ৰকাশ দেখা যায়। আনহাতে কিশোৰী ছোৱালীজনী তোলনি হোৱাৰ পিছতেই বিয়া দিবলগা হোৱাৰ বেদনাত দো খাই পৰা মাকৰ মনৰ ছবিও গীতবোৰে দাঙি ধৰে। মাকৰ মন আৰু ছোৱালীজনীৰ মনৰ প্ৰকাশে তোলনি বিয়াৰ গীতত নাৰী মনস্তত্ত্বৰ

কিছু আভাস দিয়ে।

তোলনি বিয়াৰ লগত জড়িত লোকাচাৰ আৰু লোকবিশ্বাসৰ প্ৰকাশ গীতবোৰত স্বতঃস্ফূৰ্তভাবে ঘটিছে। তোলনি বিয়াখন ঘাইকৈ লোকাচাৰ আৰু লোকবিশ্বাসৰ আধাৰতে পালন কৰা হয়। তোলনি হোৱাৰ পৰা চাৰিদিন খেৰৰ বিচনাত শোৱা, ফলাহাৰ, এৰাঁ গাখীৰ আৰু পিঠাগুৰি খাই ব্ৰত ৰখা, পানী তুলিবলৈ গৈ জল দেৱতাক সন্তুষ্ট কৰা প্ৰভৃতি কথাবোৰ গীতত প্ৰতিফলিত হয়। গা ধুৱাই থাকোতে পালনীয় লোকাচাৰো গীতবোৰত দাঙি ধৰা হৈছে। জননি কোলাত দিয়া, গা ধুই উঠি ফলেৰে ভৰি থকা গছলৈ চোৱাৰ লগত লোকবিশ্বাসসমূহৰ চিত্ৰ গীতত চিত্ৰিত হৈছে।

প্ৰকৃতিৰ নৈসৰ্গিক শোভাৰ মাজত জীৱন কটোৱা গ্ৰাম্য নাৰীসকলক প্ৰকৃতিৰ বিভিন্ন উপাদানে আকৰ্ষণ কৰাটো স্বাভাৱিক। ফুলৰ প্ৰতি নাৰীসকলৰ এক অহেতুক প্ৰীতি আছে। গীতত জবা, নাহৰ, কেতেকী, বকুল আদি ফুলৰ উল্লেখৰ পৰা তাৰ প্ৰমাণ পাব পাৰি। গীতত উল্লেখ থকা বগলী, পানী পৰুৱা, ভোমোৰাৰ উল্লেখেও নাৰীৰ সৌন্দৰ্য পিয়াসী মনৰ ৰূপ দাঙি ধৰিছে। নৈৰ ঢৌ, নাৱৰীয়া, নাও, নৈৰ পাৰত হালি থকা কদম গছৰ সৌন্দৰ্য, নৈৰ চাপৰিত বালি ভাত খোৱাৰ দৃশ্য, নৈৰে উটি যোৱা নল-খাগৰি, গাঁৱৰ পথৰ মাজে মাজে থকা কলগছৰ শাৰী, বকুল-নাহৰ গছৰ উল্লেখ মনকৰিবলগীয়া। আহাৰ-শাওঁণৰ পানী ভৰি থকা পথাৰত পাখি গণিব নোৱাৰাকৈ পৰি থকা বগলীয়ে সৃষ্টি কৰা নৈসৰ্গিক শোভাৰ চিত্ৰ স্বভাৱ কবিয়ে দাঙি ধৰিছে — *পথাৰ ভৰিয়া বগুলা পৰিছি, গণিব নোৱাৰি পাখিহে।*

নাৰীৰ ৰূপসজ্জাৰ বৰ্ণনাও গীতৰ মাজে মাজে প্ৰকাশ পাইছে। ৰূপসজ্জাৰ বাবে ব্যৱহাৰ কৰা আৰ্চী-ফণি, খাৰু, তেল, মাহ-হালধি, ডাঙৰকৈ বন্ধা খোপা, দীঘল চুলি, খোপাত গুজি লোৱা ফুল আদিৰ উল্লেখে নাৰীৰ সৌন্দৰ্যচৰ্চাৰ চিত্ৰ চিত্ৰিত কৰে।

### ৩.০২.১২ কাব্যিক সৌন্দৰ্য ঃ

বিয়াগীত- পদৰ স্ৰষ্টা নাৰীসমাজ। বিবাহ অনুষ্ঠানটো বিয়া গীতবোৰেই প্ৰাণময় কৰি ৰাখে। এই গীতসমূহত চহা কবিৰ অলক্ষিতেই বিভিন্ন কাব্যিক বৈশিষ্টই ধৰা দিয়া পৰিলক্ষিত হয়। প্ৰকাশভঙ্গীৰ সৰলতা, অনুভূতিৰ আন্তৰিকতা, কল্পনাৰ প্ৰাচুৰ্য আৰু ঘৰুৱা উপমা, ছন্দ, অলংকাৰ, ৰস আদিৰে গীতসমূহৰ নান্দনিক মূল্য আকৰ্ষণীয় ৰূপত প্ৰত্যেক্ষ কৰা যায়।

তোলনি বিয়াৰ গীতসমূহতো উপৰোক্ত বৈশিষ্ট্যসমূহ প্ৰতিফলিত হোৱা দেখা যায়।

অত্যানুপ্ৰাস বা পদান্তমিল অসমীয়া ছন্দৰ এটি প্ৰধান অংগ, ইয়াকে মিত্ৰাক্ষৰ ছন্দও বোলা হয়। বিয়া গীতত ছন্দৰ অন্য লক্ষণতকৈ অন্ত্যমিলটোক বেছি গুৰুত্ব দিয়া দেখা যায়—

*গা ধুই শশীমাই চোতালে থিয়া,*

*মাকে সোধে অ' ভাত নাখা কিয়া* — এই গীতফাঁকিত **'থিয়া'** আৰু **'কিয়া'** শব্দ দুটাত অন্ত্যমিল হৈ শুনাত শ্ৰুতিমধুৰ হৈছে।

মৌখিক সাহিত্যত সবাটোতকৈ বেছি ব্যৱহৃত ছন্দটো হৈছে দুলড়ী। বিয়া নামৰ বাহিৰেও ধৰ্মপুথি, বিহুনাম, আইনাম আদিত ইয়াৰ প্ৰয়োগ দেখা যায়। তোলনি বিয়াৰ গীতটো দুলড়ীৰ প্ৰাচুৰ্য মনকৰিবলগীয়া। অৱশ্যে ছন্দৰ প্ৰকৃত অক্ষৰ সংখ্যা সকলোতে বিচাৰি পোৱা নাযায়, গাই যাওঁতে তাৰ সমতা ৰক্ষা পৰে —

*শ্ৰীকৃষ্ণ পানী তুলিবলৈ শ্ৰীকৃষ্ণ ওলাইছে আয়তী*

*শ্ৰীকৃষ্ণ কাষতে কলচী লৈহে।*

*শ্ৰীকৃষ্ণ নৈ হ'ল দূৰণিত শ্ৰীকৃষ্ণ বাট হ'ল ঘূৰণিত*

*শ্ৰীকৃষ্ণ ক'তৈবা যমুনাৰ জলহে।*

প্ৰায়বোৰ বিয়া গীততে 'শ্ৰীকৃষ্ণ', 'ৰাম ৰাম', 'হৰি মোৰ ঐ', 'এ জয়', 'না-ল', 'অ' মন তৰা', 'হৰি এ' আদি শব্দাংশ সুৰ মিলাই গাবৰ বাবে সংযোগ কৰি দিয়া হয়, কিন্তু এনে অংশবোৰ বাদ দিলে ছন্দৰ প্ৰকৃত ৰূপটো ওলাই পৰে। তোলনি বিয়াত পদ ছন্দৰ আৰ্হিত ৰচনা কৰা গীতো দেখা যায় —

ঝপা সলৌ ঝপা সলৌ কৰি যতন এ /
ঝপাত আছে ঘুন্চাজৰী উল উলাহে কৰি এ //
একবাৰ সলৌ আই তই দুইবাৰে সলৌ এ /
তিনিবাৰে সলেই মাক তই আগবঢ়াই লৌ //

তোলনি বিয়াৰ গীতৰ আন এটি বৈশিষ্ট্য হ'ল অলংকাৰৰ প্ৰয়োগ। গীতবোৰত উপমা অলংকাৰৰ প্ৰয়োগ আটাইতকৈ বেছি দেখা যায়। তোলনি বিয়াখনৰ মূল কেন্দ্ৰ

কিশোৰী গৰাকীৰ ৰূপ-সৌন্দৰ্য, আচাৰ আচৰণক বিমুগ্ধ নয়নেৰে প্ৰত্যক্ষ কৰি আয়তীসকলে কিশোৰী গৰাকীৰ গাত প্ৰকৃতিৰ বিভিন্ন ৰং ৰূপ আৰোপ কৰে। তেওঁলোকৰ উপমাত ছোৱালীজনী হৈ পৰে কেঁতেকীৰ ডিলা —

চাৰিদিনৰ মূৰত ওলেলি ৰুকুণী /

যেন কেঁতেকীৰ ডিলাহে ৰাম //

কেতিয়াবা ছোৱালীজনীৰ দেহটো মোৰা মাছৰ দৰে, চুলিটাৰি কলমৌ শাকৰ দৰে, মুখখন পূৰ্ণিমাৰ জোনৰ দৰে আৰু স্বৰ্গৰ দেৱীৰ দৰে অপৰূপা আদি একাধিক উপমাৰে বৰ্ণনা কৰি আয়তীসকলে মালোপমাৰ সৃষ্টি কৰে। তদুপৰি গা ধুই থাকোতে ছোৱালীজনী 'পাভুৰা মাছৰ দৰে কঁপিবা লাগ্‌ছি' বুলি পাভ মাছৰ কঁপনিৰ লগত কৰা তুলনা আৰু বেইৰ কাষত ঘূৰোতে দিয়া খোজ কেইটা 'পাউৰা বুলি দি বুলে' বুলি কৈ পাৰ চৰাইৰ বুলনিৰ লগত কৰা তুলনাৰ পৰা ব্যৱহাৰিক জীৱনত নাৰীসকলে প্ৰত্যক্ষ কৰা সূক্ষ্ম সূক্ষ্ম দৃশ্যবোৰ স্বতঃস্ফূৰ্তভাৱে গীতৰ মাধ্যমেৰে কেনেদৰে ৰূপ লয় তাৰ উমান পাব পাৰি।

খুড়ীয়েকক জোকাই গোৱা গীত এটাৰ মাজত বিষম অলংকাৰৰ প্ৰয়োগ ঘটিছে। গীতটোত উল্লেখ কৰা হৈছে যে আহাৰ-শাওঁণৰ বৰযুণে পথাৰ পানীৰে পূৰ্ণ কৰি পেলাইছে, কিন্তু কইনাৰ খুড়ীয়েক মেখেলাখন ধুবলৈ পানী পোৱা নাই

*আহাৰে শাওঁণে মেঘে বৰষিলে / হৰি এ*

*দোবেলি ভৰি গেল পানী এজয় / হৰি এ*

*কইনাৰ খুড়ীয়াকৰ একেখান মেখেলা / হৰি এ*

*ধুবলৈ নাপালে পানী এ জয় / হৰি এ*

ব্যঞ্জনাধৰ্মীতা বিয়াগীতৰ আন এটা বৈশিষ্ট্য। তীব্ৰ ব্যঞ্জনাধৰ্মী প্ৰকাশে বিয়াগীতৰ সৌন্দৰ্য দুগুণে বঢ়াই তুলিছে। অকাৰণতে মাকৰ মনত উদয় হোৱা বেদনাৰ কথা দাঙিধৰা ব্যঞ্জনাধৰ্মী এই গীতফাঁকি উল্লেখ কৰিব পাৰি —

*অ চিলা মাজ পথাৰতে / অ চিলা আহঁত গছ এজুপি*

*বিনা বতাহতে লৰে /*

প্ৰকাশভঙ্গীৰ চমৎকাৰিত্বই এই বিয়াগীতবোৰ অধিক মনোগ্ৰাহী কৰি তুলিছে। চিত্ৰধৰ্মী

প্ৰকাশেৰে অসমীয়া শিপিণীৰ কৰ্মকুশলতা দাঙি ধৰা এই গীতফাঁকি উল্লেখ কৰিব পাৰি — *অ চিলা ছাতে শুকুৰা / অ চিলা মুঠিতে লুকুৰা / আই মোক সেই কাপোৰ লাগে /*

প্ৰকৃতিৰ অপৰূপ বৰ্ণনাৰ মানসচিত্ৰবোৰেও বিয়াগীতৰ সৌন্দৰ্য বৃদ্ধি কৰিছে — আয়তীসকলে বিমুগ্ধ নয়নেৰে প্ৰকৃতিৰ নৈসৰ্গিক দৃশ্যাৱলী নিৰীক্ষণ কৰে। গীত গাই অহা নামতীজনীয়ে পৃথিৱীত পৰা পখীৰ ছায়াৰ উৎস বিচাৰি হয়তো আকাশত দেখে জাক জাক বগলী উৰি আছে। সেয়ে স্বতঃস্ফূৰ্তভাৱে গীতৰ মাজত সোমাই গ'ল এইফাঁকি পদ — *উপৰে উৰি গেল / বগাকৈ বগুলা / তলতে পৰি ৰ'ল ছায়াহে /*

এনেধৰণৰ মনোমোহা ছবি বিয়াগীতবোৰত সোমাই আছে। সেয়ে হয়তো নিৰ্মল প্ৰভা বৰদলৈয়ে মন্তব্য কৰিছে — *"প্ৰকৃতিৰ নিৰীক্ষণ, ঐশ্বৰ্যময় বৰ্ণনা, উজ্জ্বল ছবিময়তা এই গীতবোৰৰ আপুৰুগীয়া বৈচিত্ৰ্য।"* [১০৮]

নাটকীয় বচনভঙ্গী লোকগীতত দূৰ অতীতৰ পৰাই আছে। অতুল চন্দ্ৰ বৰুৱাই নাটকীয় বচনভঙ্গী সম্পৰ্কে কৈছে — *"নাটকীয় বচনভঙ্গী দূৰ অতীতৰ আদি যুগৰ পৰাই অসমীয়া কবিতাত চলি আহিছে। অঙ্কীয়া নাটৰো উদ্ভৱ ওজাপালি গীতৰ নাটকীয় বচন ভঙ্গীৰ পৰাই হোৱা বুলি অনুমান কৰাৰ স্থল আছে।"* [১০৯] বিয়াগীতবোৰতো এই নাটকীয় বচনভঙ্গীৰ উদাহৰণ আছে। কিছুমান গীতত একেটা চৰণতে প্ৰশ্নোত্তৰ থাকে আৰু কিছুমান গীতত এটা চৰণত প্ৰশ্ন আৰু আন এটা চৰণত উত্তৰ সোমাই থাকে। তোলনি বিয়াৰ প্ৰশ্নোত্তৰসূচক গীত এটিৰ উদাহৰণ দাঙি ধৰা হ'ল —

*অ চিলা পথালি কোলাতে / অ চিলা মাকে সুধিছে*
*আই তোক কি কাপোৰ লাগে চিলা / ৰামে হৰি নিলা*
*অ চিলা ছাতে শুকুৰা / অ চিলা মুঠিতে লুকুৰা*
*আই মোক সেই কাপোৰ লাগে চিলা / ৰামে হৰি নিলা //*

গীতটোত মাকে ছোৱালীজনীক কি কাপোৰ লাগিব বুলি সোধাত ছোৱালীজনীয়ে ছাতে শুকুৰা মুঠিতে লুকুৰা কাপোৰ লাগে বুলি উত্তৰ দিছে।

ৰসৰ ক্ষেত্ৰত দেখা যায় তোলনি বিয়াৰ গীতবোৰত হাস্য-ব্যঙ্গ আৰু কিছু পৰিমাণে কৰুণ ৰসৰ ছিটিকনি পৰিছে। নিন্দাগীতবোৰ আৰু কইনাৰ আত্মীয়ক জোকোৱা গীতবোৰ

হাস্য-ব্যঙ্গৰে ভৰপূৰ। আনহাতে কিশোৰী গৰাকী আৰু মাকৰ মনত খেলা কৰা ভাৱৰ বুৰবুৰণিবোৰত কিছু পৰিমাণে কৰুণ ৰস পোৱা যায়। বিশেষকৈ আয়তীসকলে যেতিয়া গায়— *বৰঘৰ শুৱনি গাভৰু ছোৱালী / উলিয়াই দিবলৈ টান*

**অথবা** *আগতেই কৈছিলো / অ কইনাৰ বাপেক / পদূলিত নুৰুবি জুনা*

*জুনাও সৰিব পৰে লৈয়া যাব / তোৰ ঘৰ হ'ব শুদা*

তেতিয়া ক্ষণিকৰ বাবে হ'লেও সকলোৰে মনবোৰ বেদনা গধূৰ হোৱাটো স্বাভাৱিক। গা ধুই উঠি ছোৱালীজনীয়ে মাকৰ মুখলৈ চাই দেখে মাকৰ মনটো গধুৰ হৈছে —

*চিলান কৰি আইদেউৰে / মাকক আছে চাই*

*মলামলি মাকৰ মনত / কি ভাবে খেলায় /*

শৃঙ্গাৰ বা আদি ৰসৰ ছিটিকনি পৰা গীত তোলনি বিয়াত দেখা যায়। কইনাজনীক মাহ হালধিৰে গা ধুৱাই উঠাৰ পিছত তেওঁৰ ৰূপ দেখি 'সমাজ ঢলি' পৰা বুলি উল্লেখ কৰি আদি ৰসৰে ইংগিত দিছে —

*বেইৰ মাজত চিকণ কন্যা / পদ্মা হেন জ্বলে*

*অগ্নিসম ৰূপ দেখি / সমাজ ঢলি পৰে /*

থলুৱা লোক ভাষাৰ প্ৰয়োগে গীতখিনিৰ সৌন্দৰ্য দুগুণে বৃদ্ধি কৰিছে। নিৰ্মলপ্ৰভা বৰদলৈয়ে লোকগীতত লোকভাষাৰ প্ৰয়োগৰ প্ৰয়োজনীয়তা সম্পৰ্কে কৈছে— *"লোকগীতত অঞ্চলৰ উচ্চাৰণ লৰচৰ হ'লে তাৰ স্বাদ কমি যায়। নিজস্ব ভঙ্গীয়েহে নিজস্ব সোৱাদটো আনে, অঞ্চলৰ বৈশিষ্ট্যৰ পৰা তাক বিচ্ছিন্ন কৰিব নোৱাৰি।"*[১১০] দৰঙৰ উপভাষা বা থলুৱা ভাষাই তোলনি বিয়াৰ গীতবোৰত এক অনন্য মাত্ৰা প্ৰদান কৰিছে। থলুৱা ভাষাৰ প্ৰয়োগৰ ফলত গীতবোৰৰ সুৰতো বৈচিত্ৰ্য আহি পৰিছে। ইয়াৰ ফলত গীতবোৰৰ সৌন্দৰ্য আৰু সাহিত্যিক মূল্য অধিক গুৰুত্বপূৰ্ণ হৈ উঠিছে। গীতবোৰৰ দুই এটা গীতত শুদ্ধ মান্য ভাষাৰ প্ৰয়োগ দেখা যায় যদিও প্ৰায়খিনিয়েই থলুৱা দৰঙী ভাষাত গোৱা হয়।

চহা কবিয়ে স্বতঃস্ফূৰ্তভাবে ৰচনা কৰা এই গীতবোৰ সহজ সৰল, কৃত্ৰিমতাহীন আৰু ভাষাৰ সৰলতা ইয়াৰ মূল গুণ। গীতবোৰত অৱধাৰিতভাৱেই গ্ৰাম্য সমাজ জীৱন, প্ৰকৃতিৰ মনোমোহা ৰূপৰ সৌন্দৰ্য আৰু নাৰী মনস্তত্বই স্থান পাইছে। ছন্দ, অলংকাৰ, ৰস

আদিৰ প্ৰতি গুৰুত্ব আৰোপ নকৰাকৈ ৰচিত হ'লেও গীতবোৰত এই আটাইবোৰ প্ৰতিফলিত হৈছে।

## প্ৰসংগটীকা ঃ

১) কনকচন্দ্ৰ চহৰীয়া (সম্পাঃ) ঃ *দৰঙী লোকগীত সংগ্ৰহ,* পৃষ্ঠা- ৪৬
২) সত্যেন্দ্ৰনাথ শৰ্মা ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* পৃষ্ঠা-২৩-২৪
৩) উল্লিখিত ঃ পৃষ্ঠা-২৪
৪) সত্যেন্দ্ৰনাথ শৰ্মা ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* পৃষ্ঠা-২৪
৫) নবীনচন্দ্ৰ শৰ্মা ঃ *অসমৰ সাংস্কৃতিক ইতিহাস,* (দ্বিতীয় খণ্ড ), পৃষ্ঠা-১০৫
৬) কনকচন্দ্ৰ চহৰীয়া (সম্পাঃ) ঃ *দৰঙী লোকগীত সংগ্ৰহ,* পৃষ্ঠা-২৩
৭) ফনীন্দ্ৰকুমাৰ নাথ ডিম্বেশ্বৰ বৰুৰা (সম্পাঃ) ঃ *দৰং ওদালগুৰি ঐতিহ্য আৰু সংস্কৃতি,* পৃষ্ঠা -২২
৮) নিৰ্মলপ্ৰভা বৰদলৈ ঃ *অসমৰ লোক কবিতা,* পৃষ্ঠা-৪৪
৯) ভৃগুমোহন গোস্বামী ঃ *সংস্কৃতি আৰু লোকসংস্কৃতি,* পৃষ্ঠা-৩০
১০) সংবাদদাত্ৰী ঃ অহল্যা চহৰীয়া, দুনী, দৰং
১১) সংবাদদাত্ৰী ঃ অহল্যা চহৰীয়া, দুনী, দৰং
১২) সংবাদদাত্ৰী ঃ ইন্দিৰা ডেকা, ঝাকুৰাপাৰা, দৰং
১৩) সংবাদদাত্ৰী ঃ শেৱালী ডেকা, দুনী, দৰং
১৪) সংবাদদাত্ৰী ঃ অহল্যা চহৰীয়া, দুনী, দৰং
১৫) নিৰ্মলপ্ৰভা বৰদলৈ ঃ *অসমৰ লোক কবিতা,* পৃষ্ঠা-৪৪
১৬) সংবাদদাত্ৰী ঃ নিৰদা চহৰীয়া, গাদলচুবা, দৰং
১৭) সংবাদদাত্ৰী ঃ দীপালী দাস বড়া, ঝাকুৰাপাৰা, দৰং
১৮) সংবাদদাত্ৰী ঃ নিৰদা চহৰীয়া,গাদলচুবা, দৰং
১৯) সংবাদদাত্ৰী ঃ ক্ষীৰদা ডেকা, বড়িচৌকা, পাথৰিঘাট, দৰং
২০) সংবাদদাত্ৰী ঃ কুঞ্জলতা ডেকা, দুনী, দৰং
২১) সংবাদদাত্ৰী ঃ বিজয়া ডেকা, পুখুৰীপাৰ, দৰং
২২) সংবাদদাত্ৰী ঃ প্ৰভা কলিতা, মেনাপাৰা, ওদালগুৰি
২৩) সংবাদদাত্ৰী ঃ নানৌ চহৰীয়া, গাদলচুবা, দৰং
২৪) সংবাদদাত্ৰী ঃ নানৌ চহৰীয়া, গাদলচুবা, দৰং
২৫) সংবাদদাত্ৰী ঃ কুন্তৰা মহন্ত, বৰখলা, ওদালগুৰি
২৬) সংবাদদাত্ৰী ঃ কুন্তৰা মহন্ত, বৰখলা, ওদালগুৰি
২৭) সংবাদদাত্ৰী ঃ সৰুমনি বড়ো, কলাইগাওঁ, ওদালগুৰি
২৮) সংবাদদাত্ৰী ঃ মনোমতী মেধি, কছাৰীঝাৰ, দৰং
২৯) সংবাদদাত্ৰী ঃ মনোমতী মেধি, কছাৰীঝাৰ, দৰং
৩০) সংবাদদাত্ৰী ঃ নানৌ চহৰীয়া, গাদলচুবা, দৰং
৩১) সংবাদদাত্ৰী ঃ লপিতা ডেকা, ঝাকুৰাপাৰা, দৰং
৩২) সংবাদদাত্ৰী ঃ লপিতা ডেকা, ঝাকুৰাপাৰা, দৰং
৩৩) সংবাদদাত্ৰী ঃ লপিতা ডেকা, ঝাকুৰাপাৰা, দৰং

৩৪)	সংবাদদাত্ৰী ঃ টুটুমণি হাজৰিকা, বানেইকুচি,
৩৫)	সংবাদদাত্ৰী ঃ টুটুমণি হাজৰিকা, বানেইকুচি,
৩৬)	সংবাদদাত্ৰী ঃ অহল্যা চহৰীয়া, দুনী, দৰং
৩৭)	সংবাদদাত্ৰী ঃ ফুলেশ্বৰী চহৰীয়া, হাজৰিকাপাৰা, দৰং
৩৮)	সংবাদদাত্ৰী ঃ ফুলেশ্বৰী চহৰীয়া, হাজৰিকাপাৰা, দৰং
৩৯)	সংবাদদাত্ৰী ঃ প্ৰেমদা কলিতা, তেজেলচুবা, দৰং
৪০)	সংবাদদাত্ৰী ঃ ইন্দিৰা ডেকা, ঝাকুৰাপাৰা দৰং
৪১)	সংবাদদাত্ৰী ঃ মইনা ডেকা, টোকোনকাটা, কলাইগাওঁ, ওদালগুৰি
৪২)	সংবাদদাত্ৰী ঃ লপিতা ডেকা, ঝাকুৰাপাৰা, দৰং
৪৩)	সংবাদদাত্ৰী ঃ হীৰা বালা ৰায়,
৪৪)	সংবাদদাত্ৰী ঃ দীপালি শইকীয়া, বৰাচুবা, দৰং
৪৫)	সংবাদদাত্ৰী ঃ মনোমতী মেধি, কছাৰীঝাৰ, দৰং
৪৬)	সংবাদদাত্ৰী ঃ লপিতা ডেকা, ঝাকুৰাপাৰা, দৰং
৪৭)	সংবাদদাত্ৰী ঃ কামিনী হাজৰিকা, ভেবাৰঘাট, দৰং
৪৮)	কনকচন্দ্ৰ চহৰীয়া ঃ *দৰঙী লোকগীত সংগ্ৰহ,* পৃষ্ঠা-১৮৪
৪৯)	সংবাদদাত্ৰী ঃ হীৰা বালা ৰায়,
৫০)	সংবাদদাত্ৰী ঃ লপিতা ডেকা, ঝাকুৰাপাৰা, দৰং
৫১)	সংবাদদাত্ৰী ঃ নানৌ চহৰীয়া, গাদলচুবা, দৰং
৫২)	সংবাদদাত্ৰী ঃ নানৌ চহৰীয়া, গাদলচুবা, দৰং
৫৩)	সংবাদদাত্ৰী ঃ নানৌ চহৰীয়া, গাদলচুবা, দৰং
৫৪)	সংবাদদাত্ৰী ঃ নানৌ চহৰীয়া, গাদলচুবা, দৰং
৫৫)	সংবাদদাত্ৰী ঃ কাঞ্চন চহৰীয়া, ভেবাৰঘাট, দৰং
৫৬)	সংবাদদাত্ৰী ঃ প্ৰভা কলিতা, মেনাপাৰা, ওদালগুৰি
৫৭)	সংবাদদাত্ৰী ঃ লপিতা ডেকা, ঝাকুৰাপাৰা, দৰং
৫৮)	সংবাদদাত্ৰী ঃ পদেশ্বৰী বৰা, ঝাকুৰাপাৰা, দৰং
৫৯)	হেম বৰুৱা ঃ *এই গাওঁ এই গীত,* পৃষ্ঠা- ২৬৮
৬০)	সংবাদদাত্ৰী ঃ অঞ্জুমণি হাজৰিকা, আন্ধেৰিঘাট, ওদালগুৰি
৬১)	সংবাদদাত্ৰী ঃ মাকন চহৰীয়া, তেজালচুবা, দৰং
৬২)	সংবাদদাত্ৰী ঃ মিনু কলিতা, হাজৰিকাপাৰা, দৰং
৬৩)	সংবাদদাত্ৰী ঃ মিনু কলিতা, হাজৰিকাপাৰা, দৰং
৬৪)	সংবাদদাত্ৰী ঃ নমাই হাজৰিকা, ধ্বজাপাৰা, দৰং
৬৫)	সংবাদদাত্ৰী ঃ শেৱালী ডেকা, দুনী, দৰং
৬৬)	সংবাদদাত্ৰী ঃ যোগেশ্বৰী হাজৰিকা, ধ্বজাপাৰা, দৰং
৬৭)	সংবাদদাত্ৰী ঃ হীৰা বালা ৰায়,
৬৮)	কনকচন্দ্ৰ চহৰীয়া ঃ *দৰঙী লোকগীত সংগ্ৰহ,* পৃষ্ঠা-১৮৫
৬৯)	সংবাদদাত্ৰী ঃ লপিতা ডেকা, ঝাকুৰাপাৰা, দৰং
৭০)	সংবাদদাত্ৰী ঃ পাতুল কলিতা, নদীৰকাষ হাজৰিকাপাৰা, দৰং
৭১)	সংবাদদাত্ৰী ঃ ৰুণু শইকীয়া, থেকেৰাবাৰী, দৰং
৭২)	সংবাদদাত্ৰী ঃ নানৌ চহৰীয়া, গাদলচুবা, দৰং
৭৩)	সংবাদদাত্ৰী ঃ শেৱালী ডেকা, দুনী, দৰং

৭৪)	সংবাদদাত্ৰী ঃ শেৱালী ডেকা, দুনী, দৰং
৭৫)	সংবাদদাত্ৰী ঃ ননী নাথ, বৰদৌলগুৰী, দৰং
৭৬)	সংবাদদাত্ৰী ঃ ননী নাথ, বৰদৌলগুৰী, দৰং
৭৭)	কনকচন্দ্ৰ চহৰীয়া ঃ *দৰঙী লোকগীত সংগ্ৰহ,* পৃষ্ঠা- ১৮৬
৭৮)	উল্লিখিত ঃ পৃষ্ঠা- ১৯০-১৯১
৭৯)	সংবাদদাত্ৰী ঃ যোগেশ্বৰী হাজৰিকা, ধ্বজাপাৰা, দৰং
৮০)	কনকচন্দ্ৰ চহৰীয়া ঃ *দৰঙী লোকগীত সংগ্ৰহ,* পৃষ্ঠা- ১৯০
৮১)	সংবাদদাত্ৰী ঃ ননী নাথ, বৰদৌলগুৰী, দৰং
৮২)	সংবাদদাত্ৰী ঃ কল্পনা দেৱী, ভুক্তাবাৰী, দৰং
৮৩)	সংবাদদাত্ৰী ঃ কল্পনা দেৱী, ভুক্তাবাৰী, দৰং
৮৪)	সংবাদদাত্ৰী ঃ বীণা কলিতা, দৌলগুৰি, দৰং
৮৫)	সংবাদদাত্ৰী ঃ বীণা কলিতা, দৌলগুৰি, দৰং
৮৬)	সংবাদদাত্ৰী ঃ নানৌ চহৰীয়া, গাদলচুবা, দৰং
৮৭)	কনকচন্দ্ৰ চহৰীয়া ঃ *দৰঙী লোকগীত সংগ্ৰহ,* পৃষ্ঠা- ১৯২
৮৮)	সংবাদদাত্ৰী ঃ লপিতা ডেকা, ঝাকুৰাপাৰা, দৰং
৮৯)	কনকচন্দ্ৰ চহৰীয়া ঃ *দৰঙী লোকগীত সংগ্ৰহ,* পৃষ্ঠা- ১৯৪
৯০)	সত্যেন্দ্ৰনাথ শৰ্মা ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* পৃষ্ঠা- ৩০
৯১)	সংবাদদাত্ৰী ঃ লপিতা ডেকা, ঝাকুৰাপাৰা, দৰং
৯২)	সংবাদদাত্ৰী ঃ লপিতা ডেকা, ঝাকুৰাপাৰা, দৰং
৯৩)	সংবাদদাত্ৰী ঃ শেৱালী ডেকা, দুনী, দৰং
৯৪)	সংবাদদাত্ৰী ঃ ইন্দিৰা ডেকা, ঝাকুৰাপাৰা, দৰং
৯৫)	সংবাদদাত্ৰী ঃ ননী নাথ, বৰদৌলগুৰী, দৰং
৯৬)	সংবাদদাত্ৰী ঃ যোগেশ্বৰী হাজৰিকা, ধ্বজাপাৰা, দৰং
৯৭)	সংবাদদাত্ৰী ঃ ইন্দিৰা ডেকা, ঝাকুৰাপাৰা, দৰং
৯৮)	উল্লিখিত
৯৯)	সংবাদদাত্ৰী ঃ শেৱালী ডেকা, দুনী, দৰং
১০০)	উল্লিখিত
১০১)	সংবাদদাত্ৰী ঃ কাঞ্চন চহৰীয়া, ভেবাৰঘাট, দৰং
১০২)	সংবাদদাত্ৰী ঃ দীপালী দাস বড়া, ঝাকুৰাপাৰা, দৰং
১০৩)	সংবাদদাত্ৰী ঃ শেৱালী ডেকা, দুনী, দৰং
১০৪)	সংবাদদাত্ৰী ঃ কুন্তী ডেকা, ঝাকুৰাপাৰা, দৰং
১০৫)	মৈত্ৰীয়ী পাটৰ ঃ *অসমৰ প্ৰেক্ষাপটত ঋতুস্ৰাৱৰ সামাজিক অভিজ্ঞতা* (প্ৰবন্ধ), *আলাপ,* পৃষ্ঠা-১৮
১০৬)	নিৰ্মলপ্ৰভা বৰদলৈ ঃ *অসমৰ লোক কবিতা,* পৃষ্ঠা- ১৫১
১০৭)	উল্লিখিত ঃ পৃষ্ঠা- ৪৭
১০৮)	নিৰ্মলপ্ৰভা বৰদলৈ ঃ *অসমৰ লোক কবিতা,* পৃষ্ঠা-৪২
১০৯)	কনকচন্দ্ৰ চহৰীয়া (সম্পাঃ) ঃ *অতুলচন্দ্ৰ বৰুৱা ৰচনাৱলী* (প্ৰথম খণ্ড), পৃষ্ঠা- ২৮৪
১১০)	নিৰ্মলপ্ৰভা বৰদলৈ ঃ *অসমৰ লোক কবিতা,* পৃষ্ঠা- ১৩-১৪

-----

# চতুৰ্থ অধ্যায়

## ৪.০০ অসমীয়া সাহিত্যত তোলনি বিয়াৰ প্ৰসংগ

**আৰম্ভণি ঃ**

অসমৰ সমাজ জীৱনত প্ৰচলিত তোলনি বিয়াৰ লোকাচাৰ আৰু লোকবিশ্বাসৰ বিভিন্ন চিত্ৰ মৌখিক সাহিত্যতৰ মাজেদি চিত্ৰিত হৈ আহিছে। মৌখিক সাহিত্যৰ পিছত অৰুণোদই যুগ, জোনাকী যুগ, আৱাহন যুগৰ পৰা বৰ্তমানলৈ ভালেমান তত্ত্বগধুৰ প্ৰবন্ধত তোলনি বিয়াৰ প্ৰসংগই স্থান লাভ কৰি আহিছে। ইয়াৰ বাহিৰেও গল্প, উপন্যাস, নাটক, আত্মজীৱনী সাহিত্য, জীৱনী সাহিত্য, গীত, কবিতা প্ৰভৃতিটো তোলনি হোৱা কথাটোৱে স্থান লাভ কৰা দেখা যায়। এই অধ্যায়ত তিনিখন আত্মজীৱনী, কিছু সংখ্যক উপন্যাস আৰু চুটি গল্পত তোলনি বিয়াৰ প্ৰসংগ কেনেদৰে উপস্থাপন কৰা হৈছে তাৰ আলোচনা আগবঢ়োৱা হৈছে।

**৪.০১ সাহিত্য আৰু সংস্কৃতি ঃ**

সাহিত্য হৈছে সমাজ জীৱনৰ দাপোন স্বৰূপ। সাহিত্য আৰু সংস্কৃতিৰ মাজত অংগাংগী সম্পৰ্ক আছে। কোনো সাহিত্যিকে সমসাময়িক সমাজখনক বাদ দি সাহিত্য সৃষ্টি কৰিব নোৱাৰে। এখন গ্ৰন্থ ৰচনা কৰিবলৈ যাওঁতে লেখকজনে যিখন সমাজত বাস কৰে সেই সমাজৰ সাংস্কৃতিক জীৱনধাৰাইও তাত ভূমুকি মাৰে। সাহিত্যৰ মাধ্যমেৰে কোনো এটা জাতিৰ অভিজ্ঞতা, জ্ঞান, সামাজিক ৰীতি-নীতি, ধৰ্ম, মানসিক উৎকৰ্ষ, কলা, স্থাপত্য, ভাস্কৰ্য প্ৰভৃতি প্ৰতিফলিত হয়। সাহিত্য হৈছে জ্ঞানৰ প্ৰকাশ আৰু সভ্যতাৰ আধাৰ স্বৰূপ। ইয়াৰ মাজেৰে এটা জাতিৰ চহকী পৰম্পৰা আৰু মূল্যবোধ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ যুগে যুগে প্ৰৱাহিত হৈ থাকে। সমাজৰ লগত সাহিত্যৰ সম্পৰ্ক এৰাব নোৱাৰা। এখন

সমাজৰ পৰাই এজন সাহিত্যিকে সাহিত্য ৰচনাৰ সমল তথা প্ৰেৰণা লাভ কৰে। যি যুগৰ যি সাহিত্য ৰচিত হয় সেই যুগৰ সেই সাহিত্যৰ মাজেদি সমসাময়িক সমাজখনৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক অৱস্থাৰ চিত্ৰ বিচাৰি পোৱা যায়। আনহাতে এখন সমাজৰ জীৱন ধাৰণৰ প্ৰণালী, ৰীতি-নীতি, আইন-কানুন, আচৰণ, বিশ্বাস-অবিশ্বাস, সমাজ জীৱনৰ পৰা লাভ কৰা শিক্ষা, জ্ঞান তথা অভিজ্ঞতা এটা যুগৰ পৰা আন যুগলৈ বা এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ প্ৰৱাহিত হয়। এইবোৰেই এটা-জাতিৰ বা এখন সমাজৰ সংস্কৃতি হিচাপে পৰিগণিত হয় আৰু পৰম্পৰাগতভাৱে সমাজত প্ৰচলিত হৈ আছে। আনহাতে সাহিত্যৰ মাজেৰে এই সমাজ আৰু সংস্কৃতিৰ প্ৰতিফলন ঘটে। জীৱন আৰু সমাজ সম্পৰ্কে লেখকৰ নিজস্ব বৰ্ণনা দাঙি ধৰিবলৈ যাওঁতে সংস্কৃতিৰ বিভিন্ন দিশৰ ওপৰতো আলোকপাত কৰা হয়। সেয়ে এটা জাতিৰ সাংস্কৃতিক জীৱনৰ ইতিহাস বিচাৰি চাবলৈ হ'লে সাহিত্য অধ্যয়ন অপৰিহাৰ্য। সাহিত্য আৰু সংস্কৃতিৰ মাজত সম্পৰ্ক দাঙি ধৰি নবীনচন্দ্ৰ শৰ্মাই মন্তব্য কৰিছে — *" সাহিত্যৰ মাজেৰে এটা জাতিৰ জ্ঞান, অভিজ্ঞতা, উপলব্ধি, সামাজিক মূল্যবোধ যুগে যুগে অভিজ্ঞাপিত হয়। সেইবাবে কোনো এখন সমাজৰ সাংস্কৃতিক বৈশিষ্ট্য বা সামাজিক মূল্যবোধৰ বিষয়ে জানিবৰ বাবে সেই সমাজৰ সাহিত্য অধ্যয়ন অপৰিহাৰ্য। উদাহৰণ স্বৰূপে বৈদিক যুগৰ সামাজিক ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, মূল্যবোধ আদি সাংস্কৃতিক আচৰণৰ বিষয়ে জানিবৰ অন্য উপায় নাই; যদিহে আমি বৈদিক সাহিত্যৰাজিৰ ওপৰত নিৰ্ভৰ নকৰো। আনকি প্ৰথিতযশা ব্যাকৰণবিদ্ পাণিনীৰ (খৃঃ পূঃ ৫ম শতিকা) 'অষ্টাধ্যায়ীটো তদানীন্তন ভাৰতীয় সাংস্কৃতিক জীৱনৰ পৰিচয় পোৱা যায়।"*[১] অসমীয়া সাহিত্যৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। যুগে যুগে পৰিৱৰ্তন ঘটা সমাজ জীৱনৰ প্ৰকৃত চিত্ৰখন সাহিত্যৰ মাধ্যমেৰে বিচাৰি চাব পাৰি। অসমৰ মৌখিক সাহিত্যখিনিক বাদ দি লিখিত সাহিত্যখিনিলৈ দৃষ্টি দিলে দেখা যায় চৰ্যাপদকালীন অসমীয়া সমাজ, প্ৰাক্ শংকৰী, শংকৰী তথা উত্তৰ শংকৰী যুগৰ লেখকসকলে যিদৰে পুৰণি অসমীয়া সমাজৰ ছবিখন চিত্ৰিত কৰিছে, ঠিক তেনেদৰে মিছনেৰী যুগৰ পৰা বৰ্তমানলৈকে সৃষ্টি হোৱা সাহিত্যৰাজিয়ে আধুনিক যুগৰ সমাজখনক প্ৰতিনিধিত্ব কৰিছে। চতুদৰ্শ শতিকাৰ অসমীয়া সমাজৰ দলিলস্বৰূপ মাধৱ কন্দলিৰ "ৰামায়ণ' খন যদিও বাল্মীকি ৰামায়ণৰ পদানুবাদ, তথাপি তাত

অসমীয়া সমাজ জীৱনৰ প্ৰতিটো কথাই লিপিবদ্ধ হৈছে। সাহিত্যৰাজিৰ মাজত যিহেতু সমসাময়িক সমাজখনৰ চিত্ৰ প্ৰতিফলিত হয়, সেয়ে একোটা যুগৰ সাহিত্য অধ্যয়নৰ দ্বাৰা সেই সমাজখনৰ সমাজ সংস্কৃতিৰ লগত পৰিচিত হ'ব পাৰি।

**৪.০২. তোলনি বিয়া আৰু অসমীয়া সাহিত্য ঃ**

অসমীয়া সাহিত্যত সামাজিক লোকাচাৰ বা লোক প্ৰথা সমূহৰ বিৱৰণ লিপিবদ্ধ হৈ আহিছে। এগৰাকী ন-গাভৰুক লৈ লিখা গীত-পদ, বিভিন্ন যোজনা পটন্তৰ, লোকবিশ্বাস প্ৰভৃতি মৌখিক সাহিত্যৰ যুগৰে পৰা এটা লক্ষ্যণীয় দিশ। বিয়াগীত, বিহুগীত, বাৰমাহী গীত, গোৱালপৰীয়া লোকগীতকে ধৰি যিবোৰ গীত-পদত নাৰীৰ ৰূপ-সৌন্দৰ্য তথা অন্যান্য দিশবোৰ প্ৰতিফলিত কৰিছে, সেইবোৰ গীত-পদত সদ্য যৌৱনা গাভৰু গৰাকীৰ ৰূপ যৌৱনৰ ছবি স্বতঃস্ফূৰ্তভাৱে প্ৰকাশ পাইছে। যৌৱনৰ গীত কবিতাসমূহৰ বাহিৰেও নাৰীকেন্দ্ৰিক প্ৰবাদ-প্ৰবচনসমূহতো নাৰীৰ মনস্তাত্ত্বিক তথা ব্যৱহাৰিক জ্ঞানৰ উমান পাব পাৰি। প্ৰবাদ বাক্যত তোলনি বিয়াৰ প্ৰসংগত নোৱাই তোলনি বা কন্যাকাল শব্দটোৰ উল্লেখ আছে। সাধাৰণতে গৃহস্থী এখনৰ মূল গৃহকৰ্ত্ৰী গৰাকীৰ কামৰ বোজাৰ মাজত তেওঁৰ আজৰি বুলিবলৈ অলপো সময় নাথাকে। তেনে অৱস্থাত জীয়েকৰ তোলনি হ'লে তেওঁৰ কামৰ বোজা অধিক হয়। কাৰণ বহলাই ব্যাখ্যা নকৰিলেও অসমীয়া সমাজত এইটো সৰ্বজনগ্ৰাহ্য যে নোৱাই তোলনি হোৱা ছোৱালীজনীৰ লগত বিভিন্ন লোকাচাৰ পালন কৰিব লাগে। এইবোৰৰ যা-যোগাৰ কৰাৰ পৰা ছোৱালীজনীক নোৱাই ধুৱাই পৱিত্ৰ কৰি নোলোৱালৈকে মাকৰ কামৰ অন্ত নাই। এনে ধৰণৰ ব্যস্ততাক প্ৰতিফলিত কৰিবলৈয়ে সৃষ্টি হোৱা দুটা প্ৰবাদ এনে ধৰণৰ —

*১) মাকৰ এনেয়ে কামৰ আজৰি নাই, তাতে জীয়েকৰ **নোৱাই তোলনি**।*[২]

*২) মাকৰ টাং বিননি, জীয়েকৰ **নোৱাই তোলনি**।*[৩]

আন এটা প্ৰবাদত বয়স হোৱা তিৰোতামানুহক ধুনীয়া বুলি বক্ৰোক্তি কৰা হৈছে। কন্যাকাল পোৱা বা তোলনি হোৱা ছোৱালী এজনীৰ দৈহিক সৌন্দৰ্যৰ লগত যাঠি বছৰ বয়সীয়া তিৰোতাৰ সাদৃশ্য নথকাটোৱেই স্বাভাৱিক, তথাপি যদি তাৰ সাদৃশ্য বিচৰা হয় বা তেনে ধৰণৰ ছোৱালীৰ দৰে ব্যৱহাৰ কৰা হয় তেনেহ'লে বক্ৰোক্তি কৰি কোৱা হয় —

*ষাঠিকাল পকালো... (অশ্লীল)।*

*এতিয়াহে হ'ল মোৰ **কন্যাকাল**।"*[৪]

বাৰ মাহীৰ গীতত বাল্যবিবাহ কৰাই পত্নীক এৰি সাউদ বনিজ কৰিবলৈ যোৱাৰ বৰ্ণনা আছে। নৱ বিবাহিতা কিশোৰীগৰাকী শাহুৱেকৰ লগত থাকি পতিলৈ অপেক্ষা কৰোঁতে কৰোঁতে পতিৰ গৃহতে প্ৰথম ৰজঃদৰ্শন হয়। 'সীতা-বাৰমাহী' গীতত উল্লেখ থকা এনে এফাঁকি গীত হ'ল —

*আহিনৰ মাহতে বাপু **ঋতু স্নান** পায়। ইটো কথা জানে মোৰ দয়াৰ শাহু আই।।*

*কাতিৰ মাহতে বাপু আছো ত্যাগ কৰি। দুষ্ট ৰাক্ষসক মাৰি আনিব উদ্ধাৰি।।*[৫]

অসমীয়া লিখিত সাহিত্যৰ ক্ষেত্ৰত দেখা যায় যে প্ৰাচীন সাহিত্যবোৰত তোলনি বিয়াৰ দৰে লোকাচাৰ বা তোলনি হোৱা বুজোৱা নামবোৰৰ কথা তেনেদৰে উল্লেখ নাই। কিন্তু ৰজঃস্বলা নাৰী সম্পৰ্কীয় কথা বৈদিক যুগৰ সাহিত্যৰ মাজেৰেই হয়তো অসমীয়া সমাজৰ সংস্কাৰৰ মাজতো সোমাই পৰিছিল। বৈদিক যুগৰ স্বাধীন নাৰীৰ ধাৰণা ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদৰ যুগত সলনি হয়। সেই সময়ৰ পৰাই পুষ্পিতা হোৱাৰ আগতে ছোৱালী বিয়া দিয়াৰ প্ৰথা প্ৰৱৰ্তন হ'ল। বৈদিক যুগ আৰু তাৰ পৰৱৰ্তী কালত ৰজঃস্বলা নাৰীৰ প্ৰসংগই স্থান পাইছিল ছোৱালীজনী বিবাহৰ উপযুক্ত হৈছে নে নাই সেই কথা নিৰ্দ্ধাৰণ কৰিবৰ বাবে। বৈদিক যুগত পুষ্পিতা হোৱাৰ পিছতে ছোৱালীৰ বিয়া দিয়া হৈছিল, আনহাতে পৰৱৰ্তীকালত আগবিয়া প্ৰচলন হোৱাত ছোৱালীৰ পুষ্পিতা হোৱাৰ আগতেই বিয়াৰ ব্যৱস্থা কৰা হৈছিল।

অসমীয়া সাহিত্যতো বিভিন্ন আলোচনাত 'আগবিয়া'ৰ কথাৰ লগতে তোলনি বা পুষ্পিতা হোৱা কথাটোই গুৰুত্ব লাভ কৰিছে। অসমীয়া আধুনিক সাহিত্যৰ যাত্ৰা আৰম্ভ হৈছে সংবাদ পত্ৰসমূহৰ মাধ্যমেৰে। অৰুণোদয় যুগৰ সাহিত্য যদিও সম্পূৰ্ণৰূপে উদ্দেশ্যধৰ্মী আছিল, কিন্তু তাৰ মাজেদিও অসমৰ সমসাময়িক সমাজখনে ভুমুকি মাৰিছিল। সেই সময়ত ভাৰত তথা অসমত প্ৰচলন থকা বাল্য বিবাহ তথা আগবিয়াৰ দৰে প্ৰথাবোৰ একোগৰাকী ফুলকুমলীয়া নাৰীৰ জীৱন কেনেদৰে ধ্বংস কৰিছিল তাৰ আভাস এ.কে. গাৰ্ণিৰ (১৮৭৭) *'এলোকেশী বেশ্যাৰ কথা'* নামৰ উপন্যাসখনত পোৱা যায়। তাৰ পৰৱৰ্তী কালত জোনাকী,

বাঁহী, উষা, চেতনা, ৰামধেনু প্ৰভৃতি আলোচনীবোৰত বাল্যবিবাহ তথা কম বয়সতে বিয়া হৈ নানা নৰক যাতনা ভুগিবলগীয়া হোৱা ছোৱালীৰ বিৱৰণ থকা গল্প, প্ৰবন্ধাদি প্ৰকাশ পাইছে। এই ৰচনাসমূহৰ মাজত ৰজঃস্বলা, তোলনি, শান্তি হোৱা শব্দবোৰৰ ব্যৱহাৰ হোৱাটো মন কৰিবলগীয়া। *'জোনাকী'* আলোচনীত বাল্য বিবাহৰ সপক্ষে আৰু বিপক্ষে এলানি প্ৰবন্ধ প্ৰকাশ পাইছিল। ১৮১১ শকত প্ৰকাশ পোৱা 'জোনাকী' আলোচনীৰ ১ম ভাগ ষষ্ঠ সংখ্যা, ১ম ভাগ অষ্টম সংখ্যা আৰু ১ম ভাগ নৱম সংখ্যাত ৰত্নেশ্বৰ মহন্তৰ *'বিবাহ'*নামেৰে লিখা এলানি প্ৰবন্ধ প্ৰকাশ পাইছিল। এই প্ৰবন্ধলানিত বাল্য বিবাহ আৰু তিৰোতাৰ কৰ্তব্য সম্পৰ্কীয় কথাবোৰ বিভিন্ন বেদাদি শাস্ত্ৰৰ উদ্ধৃতিসহ প্ৰতিপন্ন কৰিব বিচাৰিছিল। এই প্ৰবন্ধলানিৰ প্ৰতিবাদকল্পে কমলচন্দ্ৰ শৰ্মাই লিখা ১ম ভাগ ১০ম সংখ্যা আৰু ১১-১২ শ সংখ্যাৰ ১৪ভাগত দুটা প্ৰবন্ধ প্ৰকাশ পায়। এই প্ৰবন্ধলানিৰ পৰা সেই সময়ৰ সমাজ ব্যৱস্থাত তোলনি হোৱাৰ কথাটো কিমান গুৰুত্বপূৰ্ণ বুলি ভবা হৈছিল তাৰ উমান পাব পাৰি। বাল্য বিবাহৰ সমৰ্থন কৰি এওঁ কৈছে যে ছোৱালীৰ বিবাহৰ ক্ষেত্ৰত পাঁচ বছৰত গৌৰীদান কৰাৰ পৰা বিৰত থাকি ১০ বছৰত কিছু বুজন হোৱাত বিয়া দিব লাগে। গৌৰীদান প্ৰায় নোহোৱাৰ দৰে হোৱা কথাটো এটা শুভলক্ষণ বুলি তেওঁ মানি লৈও বেদাদি শাস্ত্ৰৰ উদ্ধৃতিৰে ছোৱালী ৰজঃস্বলা হোৱাৰ আগতে বিয়া দিয়াৰ সপক্ষে যুক্তি দাঙি ধৰিছে। মনুসংহিতাৰ বিভিন্ন শ্লোকেৰে উদাহৰণ দি আৰু তাৰ ব্যাখ্যা কৰি ৰত্নেশ্বৰ মহন্তই প্ৰবন্ধলানিত এইটোৱেই প্ৰতিপন্ন কৰিব বিচাৰিছিল যে ছোৱালী বিবাহৰ জৰিয়তে সংসাৰ ধৰ্ম পালন কৰিবলৈহে জন্মলাভ কৰে। প্ৰবন্ধ তিনিটাৰ প্ৰতিবাদ কল্পে কমলচন্দ্ৰ শৰ্মাই লিখা *'বিবাহ (প্ৰতিবাদ)'*শীৰ্ষক প্ৰবন্ধ দুটিত ছোৱালী ইমান কম বয়সতে বিয়া দিয়া আৰু কেৱল সংসাৰ ধৰ্ম পালন কৰিবলৈহে জন্ম হোৱা কথাষাৰ তেওঁ মানি লোৱা নাই। তেওঁ একেবাৰে বাল্য বিবাহক প্ৰত্যাখ্যানো কৰা নাই, কিন্তু বাল্যবিবাহ কৰোৱা নিয়মটো বৰ্তাই ৰাখিও ছোৱালীক স্বামীগৃহলৈ ১৬/১৭ বছৰত পঠোৱা কথাটোত গুৰুত্ব আৰোপ কৰি কৈছে — *" যাতে বাল্য বিবাহৰ বিষময় ফল নঘটে এই বিষয়ে আমি কওঁ ছোৱালী ১৬/১৭ বয়সীয়া হ'লে গিৰিয়েকৰ ঘৰলৈ নিব লাগে।"*[৬] ১৮১৩ শকত প্ৰকাশ পোৱা জোনাকীৰ ৪ৰ্থ ভাগ তৃতীয় সংখ্যাত কৃষ্ণকুমাৰ বৰুৱাৰ *'বিবাহ আৰু সমাজ'*শীৰ্ষক প্ৰবন্ধটোত ছোৱালীৰ বিবাহৰ বয়স সম্পৰ্কে আলোচনা কৰি বাল্য বিবাহ সমৰ্থন কৰিও কিছু এৰাধৰাৰ

মনোভাৱ পোষণ কৰিছে। তেওঁৰ মতে বাল্য বিবাহৰ বাবে উপযুক্ত দৰা পালে ছোৱালীক ১১/১২ বছৰতে বিয়া দিয়া উচিত, অগত্যা নাপালে ১৫/১৬ বছৰলৈ ৰৈ যোৱাটো একো জাত যোৱা কথা নহয় — *"....অত এব একেবাৰে নষ্ট নোহোৱাকৈ পুৰণিকলীয়া নিয়মৰ কিছু লৰচৰ কৰাটো একো বেয়া নহয়।"*[৭] প্ৰাচীন লোকবিশ্বাসৰ গ্ৰহণীয় আৰু বৰ্জনীয় বিষয়ত শিক্ষিতলোকৰ এনে বিচাৰধাৰাই পৰ্ৱৰ্তী সমাজ জীৱনত সদৰ্থক পৰিৱৰ্তনত বিশেষ ভূমিকা গ্ৰহণ কৰে বুলি অনুমান কৰিব পাৰি।

'আৱাহন' কাকতৰ ১ম বছৰ পঞ্চম সংখ্যাত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে লিখা *'বিবাহ আৰু বেদাদি শাস্ত্ৰ'* শীৰ্ষক প্ৰবন্ধৰ বিভিন্ন শাস্ত্ৰৰ উদ্ধৃতিসহ বিশ্লেষণ কৰিছে যে শাস্ত্ৰৰ ক'তো শান্তি বিয়াৰ কথা উল্লেখ নাই। আলোচনাটোত ঋকবেদ, তৈত্তিৰীয় ব্ৰাহ্মণ, সামবেদ, অত্ৰিসংহিতা, গোভিলাচাৰ্য্যৰ গোভিল গৃহসূত্ৰ, গোভিলপুত্ৰ গৃহ সংগ্ৰহ প্ৰভৃতি গ্ৰন্থৰ পৰা বিভিন্ন শ্লোক উদাহৰণ হিচাপে দাঙি ধৰি এইটো প্ৰমাণ কৰিছে যে শাস্ত্ৰসমূহত নাবালিকা ছোৱালীৰ বিবাহৰ কথা উল্লেখ নাই।[৮] আৱাহন কাকতৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত পদ্মেশ্বৰ গগৈয়ে লিখা প্ৰবন্ধ *'বাল্য বিবাহ আইন'*ত কম বয়সৰ ছোৱালীৰ বিবাহ যে সমৰ্থনযোগ্য নহয় তাক উনুকিয়াই দিয়া হৈছে।[৯] এনে ধৰণৰ আলোচনাবোৰত ছোৱালীৰ বিবাহৰ কালৰ কথা কওঁতে প্ৰথম ৰজঃস্বলা হোৱাৰ সময়টোৱে যথেষ্ট গুৰুত্ব লাভ কৰিছে।

### ৪.০৩ আত্মজীৱনীত তোলনি বিয়াৰ প্ৰসংগ ঃ

হৰকান্ত শৰ্মা মজুমদাৰ বৰুৱাৰ *'সদৰামীনৰ আত্মজীৱনী',* নলিনীবালা দেৱীৰ *'এৰি অহা দিনবোৰ'* আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ *'জীৱন জীৱন বৰ অনুপম'* শীৰ্ষক আত্মজীৱনী কেইখনত তোলনি বিয়া বা শান্তি বিয়াৰ প্ৰসংগই নাৰীৰ জীৱনক প্ৰতিফলিত কৰিছে। সদৰামীনৰ আত্মজীৱনীত থকা বিৱৰণ মতে তেওঁ প্ৰথমা পত্নী সাৱিত্ৰীক আগবিয়া কৰাই সেই সময়ৰ নিয়ম মতে মাকৰ ঘৰতে থাকিব দিছিল। তোলনি হোৱাৰ পিছত যথা নিয়মে শান্তি বিয়া পাতি আনিব লাগিছিল যদিও ঘৰুৱা অসুবিধাৰ বাবে বহুদিন পিছতহে বিয়া পাতিব পাৰিছিল। এই সম্পৰ্কে তেওঁ লিখিছে — *"সেই সময় মোৰ ভাৰ্য্যা সাবিত্ৰী দেব্যা শ্ৰাৱণ মাহে যুবৎ হোৱা খবৰ পোৱা হৈছিল। কিন্তু মোৰ জ্যেষ্ঠৰ বেমাৰত অত্যন্ত ব্যেস্থ থকাত, বিবাহ তোলা কি,* ***শান্তি লোৱা*** *নহ'ল।"*[১০] আত্মজীৱনীখনত শান্তি বিয়াৰ সময়ত দিবলগীয়া

আ-অলংকাৰৰ প্ৰসংগইও স্থান লাভ কৰিছে।

নলিনীবালা দেৱীয়ে তেওঁৰ আত্মজীৱনীখনত তেওঁৰ এঘাৰ বছৰ বয়সত সেই সময়ৰ নিয়মমতে পাতিব বিচৰা বিয়াখনৰ আয়োজন সম্পৰ্কে এটা বিৰৰণ দি লিখিছে — *"বিয়ালৈ খৰধৰ লাগিল। কাৰণ সেই দিনৰ ব্ৰাহ্মণ কন্যা **পুষ্পিতা** হোৱাৰ আগতেই বিবাহ দিয়াৰ নিয়ম। ১৯০৯ চনৰ যোল্ল জুলাইত বিয়াৰ দিন থিৰ হ'ল। অতি ধুমধামেৰে ঢোলে-ডগৰে নাট-ভাওনাৰে বিয়া ৰজনজনাবলৈ ধৰিলে।"*[১১] এঘাৰ বছৰীয়া কিশোৰী কইনা বৈদিক মন্ত্ৰোচ্ছাৰণৰ মাজত মন্ত্ৰমুগ্ধ হৈ বহি থকাৰ কথাৰ কথাই আত্মজীৱনীখনত স্থান পাইছে। পতিগৃহত প্ৰৱেশৰ এবছৰ পিছত শান্তি বিয়া হোৱাৰ প্ৰসংগইও আত্মজীৱনীখনত বিশেষ স্থান লাভ কৰিছে।

নিৰ্মলপ্ৰভা বৰদলৈয়ে নিজৰ বিয়াৰ অভিজ্ঞতাৰে সেই সময়ৰ ছোৱালীয়ে সংস্কাৰৰ নামত চলি অহা এটা যন্ত্ৰণাময় জীৱনৰ বৰ্ণনা দাঙি ধৰিছে। ব্ৰাহ্মণ সমাজত কন্যা ঘৰতে পুষ্পিতা হ'লে বংশৰ বাবে নৰকৰ বাট মুকলি কৰাৰ দৰে হয়। সেয়ে ক্লাছ ফ'ৰত পঢ়ি থাকোতেই চকুত পৰা হোৱা নিৰ্মলপ্ৰভাৰ বিয়াৰ কথাবাৰ্তাৰ কথা উল্লেখ কৰি সেই সময়ৰ সমাজ ব্যৱস্থাৰ কথা কৈছে — *"মই দৌৰা, খেলা, জপিওৱাৰ কাৰণেই চাগে লহপহকৈ বাঢ়ি আহিছিলো যদিও শকত নাছিলো। ব্ৰাহ্মণৰ ঘৰৰ ছোৱালী, **পুষ্পিতা** হোৱাৰ আগতেই বিয়া দিবই লাগে। নহ'লে পতিত হয় বুলি ধৰা হয়।"*[১২] সেইসময়ৰ স্ত্ৰী শিক্ষাৰ অভাৱ, পৰম্পৰাগতভাৱে মানি অহা অৰ্থহীন সংস্কাৰ কিছুমান, ছোৱালীৰ জন্ম কেৱল ঘৰুৱা কাম-বন কৰিবলৈহে বুলি থকা ভ্ৰান্তিকৰ ধাৰণাৰ বাবেই সমাজত ছোৱালীক মূল্যহীন বুলি ধৰা হৈছিল। নিৰ্মলপ্ৰভা বৰদলৈয়েও এই কুসংস্কাৰৰ বলি হ'বলগীয়া হ'ল। সৰুৰেপৰা বিয়াগীত শুনি আৰু গাই নিৰ্মলপ্ৰভা বৰদলৈয়ে বৰ ভাল পাইছিল। বৰ বিয়াৰ লগতে সেই সময়ত তেওঁ দেখা তোলনি বিয়াৰ কথা উল্লেখ কৰি তেওঁ লিখিছে— *"**নোৱাই তোলনি** বিয়াবোৰো নামগুণেৰে মুখৰ আছিল। এইবোৰ বিয়া এবেলাতে শেষ হয়। ইজনীয়ে সিজনীক পিঠাগুড়ি সানি কৰা স্ফূৰ্তিও কম নাছিল।"*[১৩] আত্মজীৱনীখনত বৰ্তমান তোলনি বিয়াত অহা পৰিৱৰ্তনৰ কথাবোৰো ইংগিত দিয়া হৈছে। নিৰ্মলপ্ৰভা বৰদলৈয়ে অতি ওচৰৰ পৰা পোৱা দুগৰাকী নাৰী অন্নবাই আৰু ভবানী বাইদেউয়েকৰ কথাৰ মাজেৰে দুয়োগৰাকীৰ আগবিয়া হোৱাৰ পিছত

হোৱা দুৰ্দশাৰ বৰ্ণনা দিছে। ৭/৮ বছৰীয়া ভবানী বাইদেৱেকৰ আগবিয়া হৈ উঠাৰ পিছত শান্তি বিয়া নৌহওঁতেই গিৰিয়েক ঢুকাইছিল আৰু গিৰিয়েক ঢুকুৰাৰ বহু দিন পিছতহে তেওঁৰ পুষ্পিতা হৈছিল। আনহাতে অন্ন বায়েকক সাত-আঠ বছৰতে পিতৃয়ে কোলাত তুলি গৌৰীদান দিছিল যদিও দৰাৰ মুখ দেখা নাপাওঁতেই দৰাজনৰ মৃত্যু হৈছিল। এই দুয়োগৰাকী নাৰীৰ জীৱনে সৰুৰে পৰা নিৰ্মলপ্ৰভাক মৰ্মাহত কৰি ৰাখিছিল আৰু পৰৱৰ্তীকালত নিজেও এই কুসংস্কাৰৰ বলি হ'ব লগা হয়। ক্লাছ ফ'ৰত পঢ়ি থাকোতেই নিৰ্মলপ্ৰভাৰ ঘৰলৈ বিয়াৰ খবৰবোৰ ওচৰ চুবুৰীয়া তথা বংশ পৰিয়ালৰ লোকে লৈ আহিব ধৰিছিল। পঢ়াত মেধাৱী নিৰ্মলপ্ৰভাক মাক-দেউতাকে পঢ়াবলৈ মন কৰিলেও সমাজৰ ৰীতি-নীতিবোৰ ভাঙিবলৈও সাহস নকৰিলে। ছোৱালী পুষ্পিতা হোৱাৰ আগতে বিয়া দিবৰ বাবে যোৰহাটৰ এটা সম্ভ্ৰান্ত ঘৰৰ পৰিয়ালৰ ল'ৰাৰ লগত নিৰ্মলপ্ৰভাৰ বিয়া ঠিক হ'ল। আঙঠি পিন্ধোৱাৰ সময়তে দৰাপক্ষৰ সতে নিৰ্মলপ্ৰভা বৰদলৈৰ পিতৃয়ে এক অলিখিত চুক্তি কৰিছিল যে নিৰ্মলপ্ৰভাই মেট্ৰিক পাছ নকৰালৈকে মাকৰ ঘৰতে থাকিব। বিশাল আয়োজনেৰে এঘাৰ বছৰীয়া নিৰ্মলপ্ৰভাৰ একত্ৰিছ বছৰীয়া ডেকা এজনৰ লগত বিয়াৰ আনুষ্ঠানিকতাবোৰ আৰম্ভ হ'ল। ইতিমধ্যে চেহেৰাই পাতিয়ে চকুত লগা হোৱা নিৰ্মলপ্ৰভাক লৈ মানুহবোৰৰ চিন্তা যাতে তোলনি নোহোৱাকৈ বিয়াখন পাৰ হৈ যায়। মানুহবোৰৰ কথাবাৰ্তাবোৰ এনেধৰণৰ— *"ছোৱালীজনী সদায় নোৱাব নালাগে। মূৰত পানী অকণ দি আমসাৰ, চাকিসাৰ দি থলেই হ'ব। মাহ-হালধিৰ গোন্ধ পালে* ***পুষ্পিতা*** *হোৱাৰ ভয়।" "এৰা যিহে বাঢ়িছে বিয়াৰ কেইদিন পাৰ হ'লেই হয়। মাইকী মানুহবোৰে কোৱাকুই কৰিছিল।"*[১৪] বিভিন্ন বৈদিক নীতি-নিয়ম আৰু লৌকিক লোকাচাৰবোৰৰ মাজত দেউতাকৰ কোলাত উঠি হোৱা আগবিয়াখন তেওঁৰ স্মৃতিপটৰ পৰা ধুনীয়াকৈ লিপিবদ্ধ কৰিছে। নিয়ম-নীতিৰ অত্যাচাৰত অকণমানি ছোৱালীজনী বিয়াহৈ যোৱাৰ পিছত অজ্ঞান হৈ পৰাত তেওঁ গিৰিয়েকৰ ঘৰ গচকিবলৈ যোৱা নহ'ল। পৰৱৰ্তী কালত ক্লাছ ছিক্সত তেওঁৰ স্কুলতে এদিন পুষ্পিতা হয়। ছোৱালী পুষ্পিতা হোৱাৰ পিছত দৰাঘৰলৈ খবৰ পঠোৱাৰ ব্যৱস্থা কৰিব লাগে, নিৰ্মলপ্ৰভাৰ দৰাঘৰলৈও খবৰ পঠোৱা হ'ল আৰু তেওঁলোকে শান্তি বিয়া পাতি কইনা নিয়াত জোৰ দিলে। এই কথাটোৱে নিৰ্মলপ্ৰভাৰ দেউতাক আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলক ক্ষুণ্ণ কৰিলে আৰু মেট্ৰিক পাছ নকৰালৈকে নিৰ্মলপ্ৰভাক

নপঠোৰাৰ সিদ্ধান্তত অটল থাকিল। কিন্তু সঘনাই নিৰ্মলপ্ৰভাৰ ঘৰলৈ অহা দৰাজনে নিৰ্মলপ্ৰভাৰ অনিচ্ছাসত্বেও চৈধ্য বছৰতে তেওঁক মাতৃ হ'বলৈ বাধ্য কৰিলে। ইয়াৰ পিছত এক সংঘাত আৰু সংগ্ৰামৰ মাজেৰে নিৰ্মলপ্ৰভাই নিজক গঢ়ি তুলিলে।

## ৪.০৪ উপন্যাসত তোলনি বিয়াৰ প্ৰসংগ ঃ

উপন্যাসৰ পৰিসৰৰ ব্যাপকতাৰ কাৰণে কোনো এটা বিষয় বিস্তৃতভাৱে উপস্থাপন তথা বিশ্লেষণ কৰাৰ সুযোগ আৰু সুবিধা দুয়োটাই থাকে। উপন্যাসৰ বিভিন্ন ঠালৰ ভিতৰত সামাজিক উপন্যাসৰ পটভূমি সম্পূৰ্ণৰূপে সমাজনিৰ্ভৰ। ঔপন্যাসিকৰ লেখনশৈলী আৰু পৰ্যবেক্ষণৰ দ্বাৰা উপন্যাসত সমাজ জীৱনে ভিন্ন ৰূপত পৰিগ্ৰহণ কৰে। সমাজ জীৱনৰ কল্যাণ তথা মঙ্গলৰ আদৰ্শৰদ্বাৰা অনুপ্ৰাণিত লেখকসকলে উপন্যাসৰ ঘটনা, চৰিত্ৰ বা জীৱন সম্পৰ্কীয় ব্যাখ্যা সেই দৃষ্টিকোণৰ পৰাই কৰে। সামাজিক উপন্যাসসমূহত সমাজ জীৱনৰ লগত জড়িত সামাজিক লোকাচাৰ, জীৱনধাৰণৰ বিভিন্ন দিশ, সামাজিক তথা ব্যক্তিগত মনস্তত্ত্ব প্ৰভৃতি দিশবোৰৰ ওপৰত আলোকপাত কৰা হয়। অসমীয়া সমাজত প্ৰচলিত বিভিন্ন লোকাচাৰ, গীত-পদ সমূহ কাহিনীৰ দাবী অনুসৰি স্থান পাই আহিছে। তোলনি বিয়াৰ লোকাচাৰ, লোকবিশ্বাস তথা ইয়াৰ লগত জড়িত গীত-পদসমূহে কোনো কোনো উপন্যাসত স্থান লাভ কৰিছে। এই লোকাচাৰক ঔপন্যাসিকে পৰম্পৰা, আধুনিকতা আৰু নিজস্ব দৃষ্টিভঙ্গীৰে উপস্থাপন কৰিছে। সমসাময়িক সমাজৰ দাবী অনুযায়ী উপন্যাসিকে পুষ্পিতা হোৱা বিষয়টো সমাজ জীৱনৰ লগত কেনেদৰে জড়িত তাক বিশ্লেষণ কৰি দেখুৱাব বিচাৰিছে। কাহিনী পটভূমি আৰু পৰিৱেশে বিচৰা অনুযায়ী তোলনি বিয়াৰ উপস্থাপন, তোলনি হোৱা বুজোৱা বিভিন্ন সমাৰ্থক শব্দৰ ব্যৱহাৰৰ মাজেৰে কৰা হৈছে। সকলো উপন্যাসতে তোলনি বিয়াৰ বিস্তৃত বিৱৰণ নাই, কিন্তু প্ৰসংগক্ৰমে এই বিয়াখনৰ উল্লেখ কৰা হৈছে। অসমীয়া উপন্যাস সাহিত্যৰ উদ্ভৱকালৰ পৰা বৰ্তমানলৈ গ্ৰন্থ আকাৰে প্ৰকাশিত উপন্যাসসমূহ, বিভিন্ন সংবাদ পত্ৰ, আলোচনী আদিত সিচঁৰতি হৈ থকা উপন্যাসসমূহ অধ্যয়ন কৰি তোলনি বিয়াৰ প্ৰসংগ বিচাৰি উলিওৱাটো এক বহল অধ্যয়নৰ বিষয়। সেয়ে ইয়াত কেইগৰাকীমান নিৰ্বাচিত ঔপন্যাসিকৰ কেইখনমান উপন্যাসৰ সহায়ত বিষয়টো বিচাৰ কৰি অসমীয়া উপন্যাস সাহিত্যত কেনে দৃষ্টিভঙ্গীৰে উপস্থাপন কৰা হৈছে তাৰ এটি আভাস দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

### ৪.০৪.১ মামনি ৰয়চম গোস্বামীৰ উপন্যাসত তোলনি বিয়া ঃ

মামনি ৰয়চম গোস্বামীৰ *'চিন্নমস্তাৰ মানুহটো'* আৰু *'দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা'* উপন্যাস দুখনত তোলনি হোৱা কথাটোৱে বিশেষ গুৰুত্ব লাভ কৰিছে। উপন্যাস দুখনত স্বাধীনোত্তৰ কালৰ সমাজ ব্যৱস্থাত ব্ৰাহ্মণ সম্প্ৰদায়ৰ মাজত চলি থকা আগবিয়া আৰু তাৰ পৰিণতি সম্পৰ্কে কিছু আভাস পাব পাৰি। আগবিয়াৰ কথা উপস্থাপন কৰোতে ইয়াৰ সীমাৰেখা হিচাবে গণ্য কৰা পুষ্পিতা হোৱা, তোলনি হোৱা, মানুহ হোৱা প্ৰভৃতি শব্দবোৰৰ ব্যৱহাৰ কৰা হৈছে।

দেৱীপীঠ কামাখ্যাধামক বিষয়বস্তু হিচাপে লৈ লিখা *'চিন্নমস্তাৰ মানুহটো'* উপন্যাসখনৰ পটভূমি স্বাধীনতাৰ আগৰ কালছোৱাৰ। এই উপন্যাসখনত কামাখ্যাধামত প্ৰচলিত বিভিন্ন পূজা-পাৰ্বণ, আচাৰ নীতি, লোকবিশ্বাস, লোকগাঁথা, দেৱী পীঠখনৰ লগত জড়িত কিম্বদন্তী, ইয়াৰ ধৰ্মীয় পৰম্পৰা, নৈসৰ্গিক প্ৰকৃতি প্ৰভৃতি আদিৰ বৰ্ণনা সাৱলীলভাৱে কৰা হৈছে। দেৱীৰ আগত পশুবলি দিয়াক কেন্দ্ৰ কৰি দুটা ফৈদৰ মাজত হোৱা সংঘাত, বলি বিধান বন্ধ কৰিবলৈ কটন কলেজৰ অধ্যাপক ৰবাৰ্ট ব্ৰাউনৰ দ্বাৰা পত্নী ডৰথি ব্ৰাউনৰ প্ৰচেষ্টা উপন্যাসখনত বৰ্ণিত হৈছে। ডৰথি ব্ৰাউনে কামাখ্যাধামৰ ছিন্নমস্তাৰ দেৱী মন্দিৰৰ জঁটাধাৰী সন্ন্যাসীৰ শৰণাপন্ন হৈছে। তেওঁলোকৰ ৰহস্যময় সম্পৰ্কক লৈ কামাখ্যধামত বু বু বা বা চলে যদিও সেইবোৰলৈ আওকান কৰি ডৰথি ব্ৰাউনে কেইজনমান সমৰ্থক লৈ বলিবিধান বন্ধ কৰিবলৈ জনমত গঠনৰ বাবে কামাখ্যাধামৰ পৰা আঁতৰি গৈছে। উপন্যাসখনত পুষ্পিতাৰ কথা উল্লেখ কৰা হৈছে কুমাৰী পূজাৰ প্ৰসংগত। কুমাৰী পূজাৰ বাবে যিকেইজনী ছোৱালীক সাজু কৰা হয় তেওঁলোক পুষ্পিতা নোহোৱালৈকেহে উপযুক্ত বুলি ধৰা হয়। উপন্যাসখনত বৰ্ণিত মতে বিধিবালাক দেউতাকে কুমাৰী পূজাত বহুৱাবলৈ কামাখ্যাধামলৈ লৈ আহিছে। বয়স অনুপাতে ছোৱালীজনীৰ হাতভৰি আৰু বুকুৰ গঠন চকুত লগা। বিধিবালাৰ চেহেৰা দেখি পূজাত থকা শম্ভু পাণ্ডা আৰু আন যজমানৰ কিছু সংখ্যকে সন্দেহ প্ৰকাশ কৰিছে যে তাইক কুমাৰী যেন নালাগে, বাৰ বছৰ হোৱা যেনহে লাগে। সকলোৱে সন্দেহ প্ৰকাশ কৰিলে — *"**পুষ্পিতা** হৈছে সম্ভৱ।"*[১৫] মানুহবোৰৰ মাজত সন্দেহৰ বীজে কিলবিলাব ধৰিলে। সকলোৱে ভাবিবলৈ ধৰিলে যে কুমাৰী পূজাত বহিলে কুমাৰীজনীয়ে পোৱা শাড়ী, টকা, আইনা আৰু সেন্দূৰৰ লোভতহে

তাই পুষ্পিতা হোৱা কথাটো লুকুৱাই কুমাৰী সাজি বহিছে। কিন্তু দেউতাকে তাই পুষ্পিতা হোৱা  কথাটো একাষাৰে প্ৰত্যাখ্যান কৰি মানুহবোৰৰ মনৰ এই ভ্ৰান্ত ধাৰণা আঁতৰাবলৈ বিচাৰি ছিন্নমস্তাৰ দেৱীৰ নামত শপত ল'লে — *"যদি আপী* ***পুষ্পিতা*** *হৈছে দেৱী ছিন্নমস্তাই মোৰ ডিঙিত ম'হ কটা দাৰে দুইঘাঁপ মাৰক।"*[১৬] এই কথাষাৰে কুমাৰী পূজাৰ প্ৰতী থকা আস্থাত সন্দেহ উপজিলে আৰু সেই সন্দেহ নিৰসনৰ বাবে কৰা প্ৰতিজ্ঞাই সমাজত তদানীন্তন সমাজত থকা লোকবিশ্বাসৰ দিশটো উন্মোচিত কৰিছে।

পুষ্পিতাৰ আন এটা সমাৰ্থক শব্দ শান্তি হোৱা কথাইও ইয়াত স্থান পাইছে। বিধিবালাৰ কুমাৰী পূজাৰ সময়ত পুষ্পিতা হোৱা বুলি যিটো উৰা বাতৰি ওলাইছিল তাৰ প্ৰভাৱ তাইৰ বিয়াৰ ক্ষেত্ৰত পৰিছিল। বিধিবালাৰ দৰে এজনী ধুনীয়া ছোৱালী কেৱল মিছা অপবাদ এটাৰ বাবে উপযুক্ত দৰা লাভৰ পৰা বঞ্চিত হ'ব  লগা  হ'ল। কামাখ্যাধামলৈ আহিলে  সাধাৰণতে বিধিবালাৰ পৰিয়ালটো পৰশু বৰদেউৰীৰ ঘৰত বাহৰ পাতে। বিধিবালাৰ চেহেৰা আৰু কামাখ্যাধামত হোৱা ঘটনাটোৰ বাবে তাইক কামাখ্যাধামৰ  প্ৰায় সকলোৱে মনত ৰাখিছে। বিধিবালাৰ বিয়া ঠিক হ'ল দুজনী তিৰোতা থকা প্ৰায় দুকুৰি বছৰীয়া এজন লোকৰ লগত। এই কথাটোৱে কামাখ্যাধামত আকৌ এটা মৃদু আলোড়ন তুলিলে কাৰণ  বিধিবালাহঁত  তাইৰ বিয়া ঠিক হোৱা  বাবে কামাখ্যাধামত ম'হ বলি দিবলৈ আহি পৰশু বৰদেউৰীৰ ঘৰত বাহৰ পাতিছে। মনমোহন দেউৰী, তেওঁৰ পত্নী বিষ্ণুপ্ৰিয়া আৰু তেওঁলোকৰ বন কৰা ছোৱালী দেৱৰ মাজত বিধিবালাৰ প্ৰসংগ অহাত বিষ্ণুপ্ৰিয়াই আগৰ ঘটনাটো পাহৰাৰ বাবে ইমান ধুনীয়া ছোৱালীজনীকনো কিয় এনে দৰা এটাক দিব লগা হ'ল জানিব বিচৰাত দেৱই কৈছে — *"***শান্তি হোৱা*** *বুলি এটা ৰৌ ৰোৱনি উঠাৰ কথা মনত নাই? পিতাকে  বলিশালত মূৰ থৈ কিৰা খাওঁতেহে ৰক্ষা। আপীত' দেখা নাই না? বুকুই টল্‌বল্ টল্‌বল্ কৰি থাকে, হাত-ভৰিৰ ৰং কাটাৰ গাখীৰৰ বৰণৰ দৰে! আৰু আপীৰ  চুলি।"*[১৭] 'জলকুঁৱৰীৰ দৰে আপী' বিধিবালা এটা অনৰ্থক সংস্কাৰ আৰু এটা বদনামৰ বাবেই উপযুক্ত প্ৰাৰ্থীৰ পত্নী হোৱাৰ পৰা বঞ্চিত হ'ল। এই কথাটো বিষ্ণুপ্ৰিয়াৰ আগত বৰ্ণনা কৰি দেৱই শান্তি হোৱাৰ প্ৰসংগটো টানি আনি পুনৰ কৈছে — *"আই কাবাই উৰা বাতেৰি ফেলেছিল নহয়-আপী* ***শান্তি হৱা*** *বুলি। বৰ বিচাৰি হাহাকাৰ। কোচবিহাৰত 'বিলেত' কৰি আহি দুটা এটা বামুণ অ'লেছিল। কিন্তু এই*

*হান আপী।"*[১৮] বিধিবালাৰ কপালৰ এই লিখন কেৱল তাইৰ চেহেৰা, কথাটো উপন্যাসত এনেদৰে কোৱা হৈছে — *"তাইক যদিও **পুষ্পিতা হোৱা** নাই বুলিয়েই সকলোৱে জানে, কিন্তু দেখাত তাই কেতিয়াবাই পুষ্পিতা হোৱা যেন লাগে।"*[১৯]

অম্বুবাচী মেলাৰ লগত পৃথিৱী ৰজঃস্বলা হোৱা কথাটো জড়িত। অম্বুবাচীৰ কেইদিন কামাখ্যাধামৰ দুৱাৰ বন্ধ থাকে। ইয়াত উল্লেখ কৰা মতে এই সময়ত দেৱীও ৰজঃস্বলা অৱস্থাত থাকে, ৰক্তবৰ্ণ বস্ত্ৰেৰে তেওঁ গুপ্তাংগ ঢাকি দেৱীৰ দুৱাৰ বন্ধ কৰি ৰখা হৈছে।

উপন্যাসখনত কুমাৰী পূজাৰ আঁত ধৰি সেই সময়ৰ কামাখ্যাধামৰ ৰীতি-নীতি আৰু পুষ্পিতা সম্পৰ্কে থকা ধ্যান ধাৰণাক বিধিবালাৰ মাধ্যমেৰে উপস্থাপন কৰিছে। আগবিয়াৰ দৰে এটা কুসংস্কাৰে সেই সময়ত বিধিবালাৰ দৰে কিমান ছোৱালীৰ জীৱন নিঃশেষ কৰিছিল সেই কথাও লেখিকাই এই সংস্কাৰৰ নীৰৱ প্ৰতিবাদ কৰি মৃত্যুবৰণ কৰা বিধিবালাৰ চৰিত্ৰৰে দাঙি ধৰিছে।

মামনি ৰয়চম গোস্বামীৰ *'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'* উপন্যাসখন দ্বিতীয় মহাযুদ্ধৰ শেষ আৰু ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ছোৱাৰ পটভূমিত ৰচিত হৈছে। ইয়াত দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰৰ প্ৰাচীন সত্ৰীয়া পৰম্পৰা, ৰীতি-নীতি আৰু কালক্ৰমত বিভিন্ন কাৰণত সত্ৰখনে পূৰ্বৰ গৰিমা হেৰুৱাই ক্ষয়িষ্ণু ৰূপ পোৱা বৰ্ণনা, ব্ৰাহ্মণ বিধৱাৰ মৰ্মান্তিক অৱস্থাৰ বৰ্ণনা, অসমৰ আৰ্থসামাজিক দিশত কানিয়ে কৰা ক্ষতি, পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ স্থান প্ৰভৃতি সমসাময়িক সমাজখনৰ বাস্তৱ চিত্ৰ এখন দাঙি ধৰা হৈছে। আমৰঙা সত্ৰৰ ভাবী অধিকাৰ ইন্দ্ৰনাথে সংস্কাৰকামী মনোভাৱেৰে কিছু কাম কৰিব চেষ্টা কৰিছে যদিও সফল হোৱা নাই। বাল্যবিবাহৰ পিছত কম বয়সতে বিধৱা হোৱা ইন্দ্ৰনাথৰ ভনীয়েক গিৰিবালা, পেহীয়েক দুৰ্গা আৰু অকালতে বিধৱা হোৱা সৰু গোসানীৰ জীৱন গাঁথাৰ মাজত আন এগৰাকী নাৰীৰ আগমন ঘটিছে। এই নাৰীগৰাকী হৈছে ইলিমন, যাৰ প্ৰতি ইন্দ্ৰনাথৰ অলপ দুৰ্বলতা আৰু সহানুভূতি আছে। ইলিমনৰ প্ৰসংগত উপন্যাসখনত তোলনি হোৱা বুজোৱা ডাঙৰ হোৱা, মানুহ হোৱা, শব্দকেইটা ব্যৱহাৰ কৰা হৈছে।

উপন্যাসত বৰ্ণিত সমকালীন সমাজখনত উচ্চবৰ্ণৰ ছোৱালী, বিশেষকৈ বামুণ-গোসাঁইৰ ছোৱালীক আগবিয়া দিব নোৱাৰিলে বংশটোৱেই পতিত হয় বুলি ভবা হৈছিল।

ফলত ঘৰত তোলনি হ'ব লগা ছোৱালী থাকিলে ছোৱালীজনীৰ লগতে অভিভাৱকসকল এক তীব্ৰ মানসিক চাপত থাকিব লগা হৈছিল। বামুণৰ ছোৱালী ঘৰত পুষ্পিতা হোৱা মানে ৰৌ ৰৌ নৰকত পৰা, গতিকে ছোৱালীজনীৰ দৈহিক গঠনৰ পৰিৱৰ্তনে অভিভাৱক আৰু বংশ-পৰিয়াল তথা ওচৰ-চুবুৰীয়াকো চকু কাণ খোলা ৰাখিবলৈ বাধ্য কৰাইছিল। ইলিমন বামুণ পুৰোহিতৰ ছোৱালী, মাকৰ মৃত্যুৰ পিছত বুঢ়ীমাকে তাইক ডাঙৰ-দীঘল কৰিছে। আগবিয়াৰ কোনো সুবন্দোৱস্ত নৌহওঁতেই ইলিমনৰ তোলনি হোৱাৰ সময় সমাগত বুলি তাইৰ দৈহিক গঠনে বুঢ়ীমাক আৰু ওচৰ চুবুৰীয়াকো যেন সতৰ্ক কৰি দিলে। লোকনিন্দাৰ ভয়ত আৰু তোলনি হ'লে বিয়া দিয়াত বাধা হ'ব বুলি ভাবি আমৰঙা সত্ৰৰ আত্মীয়ৰ ঘৰত বুঢ়ীমাকে তাইক নিজ গাঁৱৰ পৰা লুকুৱাই ৰাখিছে। কিন্তু আমৰঙা সত্ৰতে ইলিমনৰ তোলনি হ'ল। এনে অৱস্থাত অসহায় বুঢ়ীমাকে কিবা এটা কৰাৰ আশাৰে সদায় তাচখেলৰ পৰা উভতি অহা ইন্দ্ৰনাথৰ বাবে বাট চাইছে। এদিন ৰাতি তাচৰ আড্ডাৰ পৰা উভতি আহোঁতে ইন্দ্ৰনাথে সদায় পাৰ হোৱা নৈখনৰ গড়াৰ পৰা ইলিমনৰ আইতাকক ওপৰলৈ উঠি অহা আৰু ইলিমন এটা জোপোহাৰ আঁৰত ৰৈ থকা প্ৰত্যক্ষ কৰিলে। ইলিমনৰ বুঢ়ীমাকে ইন্দ্ৰনাথৰ মুখামুখি হৈ তেওঁক অনুৰোধ কৰিছে এই অৱস্থাৰ পৰা যেন ইলিমনক উদ্ধাৰ কৰে। জোপোহাৰ আঁৰত লুকাই থকা ইলিমনক ওলাই আহিবলৈ কোৱাত বুঢ়ীমাকে কৈছে— *"তাই তহনাৰ ওচৰত আজি আহিবা নৰে। তাইৰ মেখেলাত আজি তেজ লাগছি।"*[২০] তাৰ পিছত আকৌ কৈছে — *"সৰু গহে, তাই আজি **মানুহ হছি**।"*[২১] বামুণৰ আপী ডাঙৰ হোৱাৰ খবৰ লৈ ফুৰা মানুহবিলাকৰ ভয়তহে যে বুঢ়ীয়ে তাইক আমৰঙালৈ আনিব লগা হ'ল এই কথা ইন্দ্ৰনাথক কৈ বুঢ়ীয়ে তাইক উদ্ধাৰ কৰিবলৈ খাটনি ধৰিছে। ইন্দ্ৰনাথে জানে যে তেওঁ ইচ্ছা কৰিলেও বামুণ পুৰোহিতৰ মানুহ হোৱা ছোৱালীক বিয়া কৰাব নোৱাৰে। তাৰোপৰি তেওঁ দামোদৰীয়া বংশৰ ভাবী সত্ৰাধিকাৰ আছিল। আগ বিয়া দিয়াৰ আগতেই মানুহ হোৱা ইলিমনক লৈ চিন্তাত ব্যাকুল বুঢ়ীমাকে প্ৰয়োজন হ'লে ইলিমন মানুহ হোৱা কথাটো লুকুৱাই ৰাখিব পাৰে। ইন্দ্ৰনাথক এই কথাৰ ইংগিত বুঢ়ীমাকে দিছে — *"..... তাই মানুহ হলিও ভয় নাই। মই চব কথা তনচক কৰি লুকাই থম। তহনাই সাজু হবা পাৰিবি। পদ্ম ফুলৰ দৰে আপী, পণৰুৰ দৰে হাত-ভৰি, গহে।"*[২২]

সদ্য পুষ্পিতা হোৱা ইলিমনক দেখাৰ পিছত ইন্দ্ৰনাথৰ মনত সৰুকালত ৰজঃস্বলা মাকক সাৱটি ধৰাৰ পিছত সন্মুখীন হোৱা ঘটনা এটা স্মৃতিপটত ভাহি উঠিছে।ৰজঃস্বলা নাৰীক অশুচি বুলি ধৰা হয় আৰু সত্ৰীয়া সমাজত এই নিয়ম অতি কটকটীয়া। সেয়ে ৰজঃস্বলা মাকক সাৱটি ধৰি অপৱিত্ৰ হোৱা ইন্দ্ৰনাথক এৰাতি লঘোণে ৰাখি গৃহ পুৰোহিত ভাগৱতীৰ দ্বাৰা পৰাচিত কৰোৱা হৈছিল। ইলিমনক দেখাৰ পিছত সেই শ্লোকফাঁকিও তেওঁ মনলৈ আহিছে — *ৰজঃস্বলা সংস্পৃষ্ট ব্ৰাহ্মণ্যব্ৰাক্ষ নীতুযা।*

*একাৰাত্ৰং নিৰাহাৰা পঞ্চগব্যেন শুদ্ধতি।।* [২৩]

ভাবী সত্ৰাধিকাৰে এগৰাকী সদ্য পুষ্পিতা ছোৱালীক আগত লৈ এক অস্বস্তিবোধ কৰিছে। ইলিমন আৰু বুঢ়ীমাকক সেইদিনা ঘৰলৈ গুছি যাবলৈ কৈ ইলিমনক উদ্ধাৰ কৰা এটা ক্ষীণ যুঁজ দিবলৈ গৈ গৃহ পুৰোহিতক *'শান্তি হৰা বামুণৰ আপী'* দামোদৰীয়া গোসাঁইয়ে কেতিয়াবা বিয়া কৰাইছে নেকি জানিব বিচাৰিলে। গৃহ পুৰোহিতে নেতিবাচক উত্তৰ দিছে, কিন্তু তেওঁৰ কথাৰ পৰা এটা কথা স্পষ্ট হৈছে যে লাহে লাহে সমাজত কিছু পৰিৱৰ্তন হ'ব ধৰিছে যাৰ ফলত গোসাঁই বামুণৰ ঘৰৰ ছোৱালীৰ বিয়া হোৱাৰ আগতে ঘৰতে *'মানুহ হৈছি'* আৰু এই কথাটোও লাহে লাহে গ্ৰহণযোগ্য হৈ উঠিছে।

তোলনি হোৱাৰ পিছত ইলিমনৰ স্বাস্থ্য-পাতি চকুত লগা হৈ পৰিছে। বুঢ়ীমাক আৰু তাই কথাযাৰ লুকুৱাই ৰাখিলেও মানুহৰ দৃষ্টিত তাইৰ চেহেৰাটোৱে সন্দেহৰ বীজ ৰোপণ কৰিছে। ইলিমনহঁতে আশ্ৰয় লোৱা ঘৰৰ বুঢ়ী গুইমেন্নীয়েও ইলিমনক সুধিবলৈ বাধ্য হৈছে— *"মাইচানা তহনাক দেখোন দেখিলি* ***ডাঙৰ হোৱা*** *আপীৰ দৰে লাগে। পুৱা কুঁহিয়াৰৰ দৰে হাত-ভৰি। বুকুখনেও ডিমা থকা কুপ্তি চৰেৰ দৰে তলমল কৰে।"* [২৪] সমাজৰ দৃষ্টিত লাহে লাহে ইলিমনক লুকুৱাব টান হৈ পৰিছে। অসহায় বুঢ়ীমাকে এটা ক্ষীণ আশা কৰে যে ইন্দ্ৰনাথে হয়তো ইলিমনক উদ্ধাৰ কৰিব। সেয়ে ইলিমনক কেতিয়াবা গোসাঁইক অকলশৰে পালে প্ৰশ্ৰয় দিবলৈও দিহা দিছে। এইখিনিতে ইলিমনৰ মনস্তাত্বিক উৎকণ্ঠাৰ চিত্ৰ সুন্দৰকৈ ফুটি ওলাইছে।

বাল্যবিবাহ হৈ যোৱাৰ পিছত পুষ্পিতা নোহোৱালৈকে গিৰিয়েকৰ লগত সহবাস কৰিব দিয়া নহয়, এনে লোকাচাৰৰ ইংগিত সৰু গোসানীৰ সপোন এটিৰ মাধ্যমেৰে হৈছে।

সপোনত শুই থকা মহীধৰক দেখি সৰু গোসানীয়ে পুৰণি দিনৰ এটা শিহঁৰণ অনুভৱ কৰিছে— *"নিজৰ স্তনদ্বয়ক হাত দি তেওঁ অনুভৱ কৰিলে এই স্তনদ্বয় যেন কঠোৰ হৈ আহিছে।* ***মানুহ হোৱাৰ*** *পিছত গোসাঁয়ে তেওঁক প্ৰথম স্পৰ্শ কৰাৰ সময়ত ঠিক এনে এক অনুভূতি।"* [২৫] বহুদিন পিছত ইন্দ্ৰনাথৰ লগত দেৱদত্ত গোস্বামীয়ে কথাবতৰা পাতোতে ইলিমনৰ প্ৰসংগ আহিছিল। তেতিয়া দেৱদত্তই ইন্দ্ৰনাথক কৈছিল যে ইলিমনৰ প্ৰতি তেওঁৰ যি দুৰ্বলতা আছিল সেই কথা তেওঁ জানে। তেওঁ এই কথাও জানে যে সেই সময়ত ইলিমন *'মানুহ হোৱা আপী'* আছিল।

দক্ষিণ কামৰূপৰ লোকভাষাৰ প্ৰয়োগ উপন্যাসখনৰ এটা বিশেষ বৈশিষ্ট্য। সেয়ে ইয়াত তোলনি হোৱা বুজোৱা সমাৰ্থক শব্দ *'মানুহ হছি'* বা *'মানুহ হোৱা'* শব্দটোৰ বাৰম্বাৰ উল্লেখ কৰা হৈছে। ইলিমনৰ জৰিয়তে সেই সময়ৰ সমাজত বামুণৰ ছোৱালী ঘৰতে তোলনি হ'লে সন্মুখীন হোৱা সমস্যা তথা মানসিক যন্ত্ৰণাৰ এখন বাস্তৱ ছবি দাঙি ধৰা হৈছে।

## ৪.০৪.২ পূৰবী বৰমুদৈৰ উপন্যাসত তোলনি বিয়া ঃ

পূৰবী বৰমুদৈৰ *'ৰূপোৱালী নৈৰ সোণোৱালী ঘাট'* আৰু *'বাঘশাল বাঘজাল আৰু মানুহ'* উপন্যাস দুখনত তোলনি বিয়াৰ প্ৰসংগ আহিছে। দুয়োখন উপন্যাসতে সমকালীন সমাজৰ পটভূমিত উচ্চবৰ্ণৰ ছোৱালীৰ আগবিয়াক প্ৰাধান্য দিয়া হৈছে যদিও দ্বিতীয়খনত এই প্ৰথাৰ বিলুপ্তিৰো এটা ইংগিত প্ৰদান কৰা হৈছে।

*'ৰূপোৱালী নৈৰ সোণোৱালী ঘাট'* এখন বৃহৎ কলেৱৰৰ উপন্যাস। উপন্যাসখনত উনৈশ শতিকাৰ মান সেনাৰ আক্ৰমণ, ইংৰাজৰ দ্বাৰা ৰাজতন্ত্ৰৰ অৱসান, ইংৰাজৰ আগমন, স্বাধীনতাৰ উকমুকনি, স্ত্ৰী স্বাধীনতা, স্ত্ৰী শিক্ষাৰ প্ৰসাৰ, সেই সময়ৰ অসমীয়া সাহিত্যৰ ৰূপ প্ৰভৃতি সকলো দিশ চিত্ৰিত হৈছে। মানে তচনচ কৰি যোৱা অসম, মণিৰাম দেৱানৰ অসম উদ্ধাৰৰ বাবে কৰা প্ৰচেষ্টা, অৰুণোদয়-জোনাকী কাকতৰ জন্ম কাহিনী, হেমচন্দ্ৰ বৰুৱাৰ অভিধান তথা বংগৰ বৌদ্ধিক বাতাবৰণে চুই যোৱা অসমীয়া সমাজৰ চিত্ৰ, সদৰামীনৰ আত্মকথা আৰু ঠায়ে ঠায়ে বিভিন্ন চৰিত্ৰক উপস্থাপন কৰাই এটা নতুন ৰীতিৰে কাহিনীটো আগবঢ়াই নিয়া হৈছে। উপন্যাসখনত সদৰামীনৰ বিয়া আৰু তেওঁৰ জীয়েক কেইজনীৰ বিয়াৰ কথা কবলৈ যাওঁতে শান্তি বিয়াৰ কথা উল্লেখ কৰিছে। সদৰামীনৰ জীয়েক বাসন্তীৰ

বিয়াৰ ক্ষেত্ৰত তেওঁৰ বৰঘৈণী সদা চিন্তিত। গুৱাহাটীৰ ঘৰত বেছিকৈ বাহৰ পাতি থকা সদৰামীন যেতিয়াই উত্তৰ গুৱাহাটীৰ স্থায়ী ঘৰলৈ যায় তেতিয়াই বৰঘৈণীয়ে বাসন্তীৰ বিয়াৰ কথা কয়। সদৰামীনেও ভাৱে যে ব্ৰাহ্মণ কন্যাক সোনকালে বিয়া নিদিলে বংশ পতিত হয় আৰু ঘৈণীয়েকৰো একেই কথা— *"দেউতা কিবা এটা কৰা আৰু পলম কৰিলে কথা বিষম হ'বগৈ। নৈৰ পানী বঢ়াদি ছোৱালী বাঢ়ে। বংশ পতিত হ'বগৈ, কাৰো আগত মুখ উলিয়াব নোৱাৰা হ'ম।"*[২৬] বংশ পতিত হোৱাৰ ভয়ত বাসন্তী আৰু জয়ন্তী দুয়োজনী ছোৱালীকে আগবিয়া দিয়াৰ পিছত সদৰামীন যথেষ্ট মনোকষ্টত ভুগিছে। কিয়নো বাসন্তী আগবিয়াৰ কেইদিনমান পিছতেই মৃত্যুমুখত পৰে আৰু জয়ন্তীয়েও শান্তি বিয়াৰ পিছত এজনী ছোৱালী জন্ম দি বৈধব্যৰ সাজ পিন্ধি পিতৃগৃহলৈ উভতি আহিবলৈ বাধ্য হয়।

পুৰুষে যিমান গৰাকী হ'লেও বিয়া কৰাব পাৰে, সেয়ে দুগৰাকী পত্নী থকাৰ পিছতো সদৰামীনে তৃতীয় বিবাহ কৰাবলৈ ওলাল। তৃতীয় বিবাহৰ কাৰণ এগৰাকী ব্ৰাহ্মণ কন্যাক উদ্ধাৰ কৰা। বৰঘৈণীয়ে যেতিয়া সদৰামীনক আঙুলিয়াই দিছিল যে কেৱল পুৰুষ হোৱাৰ সুবাদতে তেওঁ নাতিৰ বয়সৰ এগৰাকী ছোৱালীক বিয়া কৰাই আনি দুগৰাকী সতিনী জাপি দিলে, তেতিয়া সদৰামীনে তেওঁ ছোৱালীজনীক কিয় বিয়া কৰাব লগা হ'ল তাৰ কৈফিয়ৎ দিছে *"— ছোৱালীয়ে* ***কন্যাকাল*** *পাবলগীয়া হ'ল। মোক ধৰিলেহি, বংশ পতিত হ'বৰ হৈছে। ৰক্ষা কৰিব লাগে, মই নিৰূপায় হ'লো।"*[২৭] সদৰামীনে এই সম্পৰ্কে লক্ষীমপুৰৰ এজন চিনাকি ব্যক্তিৰ পৰা এখন চিঠি লাভ কৰিছিল। চিঠিখনত এজন সগোত্ৰীয় ব্ৰাহ্মণে বিপদত পৰা আন সগোত্ৰীয় ব্ৰাহ্মণৰ বাবে সহায় বিচাৰিছিল। সেই ব্ৰাহ্মণজনক সহায় কৰাৰ একমাত্ৰ পথ আছিল ঘৰতে পুষ্পিতা হওঁ হওঁ ছোৱীলজনীক বিয়া কৰাই তাইৰ বংশটো পতিত হোৱাৰ পৰা ৰক্ষা কৰা। ষাঠি বছৰীয়া সদৰামীনে বংশ ৰক্ষা কৰিবলৈ গৈ এঘাৰ বছৰীয়া সৰুঘৈণীক আনি এক মানসিক দ্বন্দ্বটো ভুগিছে। কাৰণ তেওঁ দেখিছিল সৰুঘৈণীয়ে দিনৰ দিনটো ফটাকানিৰ কইনা দৰা খেলে, পোহনীয়া শালিকাটোৰ সতে কথা পাতে, আকাশেৰে উৰি যোৱা বগলী জাকটোলৈ ভেবা লাগি চাই থাকে। পিতৃ বয়সৰ সদৰামীনে যেতিয়া তাইক বুজাব খোজে এইবোৰে এতিয়া তাইক শোভা নাপায়, তাই ভয়াৰ্ত দৃষ্টিৰে তেওঁৰ ফালে চায়। মুক্তমনে ঘৰত খেলি থাকিব লগা সৰু ছোৱালী এজনীক সংস্কাৰে কেনেদৰে বন্দী কৰি

থয়, সেই কথা সৰুঘৈণীৰ পৰাই পৰিস্ফুট হৈছে। কিছু পৰিমাণে আধুনিক মনৰ পৰিচয় দিলেও সদৰামীন কিন্তু বাল্যবিবাহৰ দৰে সংস্কাৰৰ পৰা মুক্ত হ'ব পৰা নাই, যাৰফলত তেওঁ নাতিনী ৰোহিনীকো দহ বছৰ বয়সতে বিয়া দিছে আৰু শান্তি বিয়া হৈ যাতে ঘৰ চম্ভালিব পাৰে তাৰ বাবে তাঁতসূতা বোৱা, ৰন্ধা-বঢ়া কাম শিকাইছে। জয়ন্তীক পঢ়াব নোৱাৰাৰ কাৰণ হিচাপে সদৰামীনে অকপট স্বীকাৰোক্তি কৰিছে — *"জয়ন্তীক আখৰ শিকাব পৰা নগ'ল। আগবিয়া দি ব্ৰাহ্মণ কন্যা পৰগোত্ৰীয় কৰাটোৱেই যিখন সমাজে প্ৰথম আৰু প্ৰধান কাম বুলি গণ্য কৰে, তাত আখৰ শিকোৱা, পুথি-পাজি পঢ়িবলৈ শিকোৱা, ল'ৰাৰ দৰে অংক জ্যামিতি শিকোৱা কথাটো বৰ হাস্যকৰ কথা।"*[২৮] সেই সময়ত সদৰামীনৰ নিচিনা উচ্চ শিক্ষিত মানুহখিনিৰ এনে মানষিকতাৰ বাবেই নাৰী শিক্ষাই বিশেষ অগ্ৰগতি লাভ কৰিব পৰা নাছিল।

উপন্যাসখনত সদৰামীনে আগবিয়া সম্পৰ্কে পোষণ কৰা মতৰ সপক্ষে কবলৈ গৈ আনন্দৰাম ঢেকিয়াল ফুকনেও যে তেওঁৰ ছোৱালীক গোৰীদান কৰিবলৈ পাঁচ বছৰ বয়সতে দৰা বিচাৰিছিল, সেই কথা উল্লেখ কৰিছে। উনৈশ শতিকাৰ অসমীয়া সমাজত তোলনি হোৱা কথাটো কিমান গুৰুত্বপূৰ্ণ কথা হিচাবে বিবেচিত হৈছিল, উপন্যাসখনে তাৰ এটা সুন্দৰ প্ৰতিচ্ছবি দাঙি ধৰে।

পূৰবী বৰমুদৈৰ আন এখন উপন্যাস *'বাঘশাল, বাঘজাল আৰু মানুহ'*ত ব্ৰাহ্মণ পৰিয়ালৰ পৰম্পৰা আৰু সংস্কাৰৰ বিপৰীতে থিয় দিয়া এজন পিতৃৰ বলীষ্ঠ সিদ্ধান্তক প্ৰতিফলিত কৰিব বিচৰা হৈছে। উপন্যাসখনৰ কাহিনীভাগৰ সময় ভাৰতৰ স্বাধীনতা লাভৰ আগৰছোৱা। উপন্যাসৰ প্ৰধান চৰিত্ৰ নীল গোসাঁইৰ পৰিয়ালত তেওঁৰ মাক, পত্নী, চাৰিজনী ছোৱালী আৰু পেটমোচা ল'ৰা এটা। স্ত্ৰীশিক্ষা আৰু স্ত্ৰী স্বাধীনতাক মনে প্ৰাণে সমৰ্থন জনোৱা নীল গোসাঁইয়ে অমলা আৰু কমলাক আগবিয়া দিব লগা হৈছে। অমলাৰ শান্তি বিয়া হৈ গৈছে যদিও কমলাৰ শান্তি বিয়া হোৱা নাই। আগবিয়া হৈ যোৱা কমলাই মেখেলাচাদৰ পিন্ধি ঘৰুৱা কাম-বন কৰি থকা দেখি গোসাঁইৰ মনলৈ এটা চিন্তাই আহে যে এই অকণমানি ছোৱালীজনীয়ে কেনেকৈ লোকৰ ঘৰ গৃহস্থী চলাব, লোকৰ ঘৰৰ কেটেৰা-জেঙেৰা শুনিয়েই হয়তো তাইৰ দিনবোৰ কাটি যাব। নীল গোসাঁইয়ে স্ত্ৰীশিক্ষাৰ পৰা নিজৰ সন্তানক বঞ্চিত কৰিব বিচৰা নাছিল। তেওঁ জানে শিক্ষা-দীক্ষাবিহীন ছোৱালীবোৰৰ বিয়া হৈ যোৱাৰ লগে লগে এখন

দুৱাৰ চিৰদিনৰ বাবে বন্ধ হৈ যায়। নিজৰ মনত চলি থকা অন্তৰ্দ্বন্দ্ববোৰ তেওঁ ঘৈণীয়েকৰ সতে মাজে মাজে ভাগ বাটোৱাৰা কৰে আৰু ইয়াৰ সমাধানৰ পথ বিচাৰি ফুৰে। গুৱাহাটীৰ কলেজত পঢ়া ল'ৰা চন্দ্ৰনাথৰ লগত কথাবাৰ্তা পাতি তেওঁ মনটো যথেষ্ট বহল কৰি ললে আৰু পিছৰ দুজনী ছোৱালী বিমলা আৰু প্ৰমীলাক পাঠশালালৈ পঠাবলৈ দৃঢ়সংকল্প লয়। কিন্তু ঘৰৰ পৰাই বিশেষকৈ ডাঙৰজনা গোসাঁনীৰ পৰা প্ৰৱল আপত্তি আহিল, তেওঁ কোনোপধ্যে ঘৰতে নাতিনীদুজনীৰ তোলনি হোৱা চাব নোৱাৰে, তেওঁৰ মত সিহঁতক পঢ়াই অনাচাৰ গোটাই লোৱাতকৈ দুয়োকে বিয়া দি দিব লাগে। মাকৰ এই সিদ্ধান্তৰ বিপৰীতে নীল গোসাঁইয়ে আধুনিক মনৰ পৰিচয় দি পত্নীক কৈছে — *"বিয়া হোৱাই কথা নহয়। পৃথিৱীত জানিব লগীয়া বহুত আছে। দুজনী ছোৱালীৰ লগত গোসাঁই বামুণৰ মতেই কাম কৰিলোঁ। বাকী দুজনীৰ লগত পৰীক্ষাকে কৰোঁচোন।"*[২৯] এই পৰীক্ষা নীল গোসাঁইৰ এটা পৰম্পৰাগত ভিত্তিহীন সংস্কাৰৰ বিপক্ষে বিদ্ৰোহ বুলিও ক'ব পাৰি।

উপন্যাসখনত আগবিয়া দি থোৱা কমলাৰ শান্তি বিয়াখনৰ কথা অলপ বহলাই বৰ্ণনা কৰা হৈছে। আগবিয়া হৈ যোৱা ছোৱালী মাকৰ ঘৰতে থাকে আৰু যেতিয়া শান্তি হয় লগে লগে দৰাৰ ঘৰলৈ এযোৰ তামোল-পাণ সহিতে খবৰ পঠাব লাগে। কমলাৰ শান্তি হোৱাৰ খৱৰটো দৰাঘৰক দিয়াবলৈ নীল গোসাঁইক কৈছে — *"মিতিৰৰ ঘৰলৈ যেনে তেনে খবৰ এটা পঠোৱাৰ ব্যৱস্থা কৰক। মই তামোল -পাণ এযোৰ বান্ধি দিছো। কমলা ভিতৰ সোমাল।"* [৩০] নাৰীমুক্তি, নাৰীশিক্ষা, নাৰী স্বাধীনতাৰ কথা চিন্তা কৰি থকা নীল গোসাঁইক এই খৱৰে অধিক অস্থিৰ তথা বিহ্বল কৰি তুলিছে। এই অকণমানি ছোৱালীয়ে কেনেদৰে শহুৰী খাটিব এই কথাটো চিন্তা কৰি অস্থিৰ হোৱা গোসাঁইক ঘৈণীয়েকে কৈছে যে বিয়া দি থোৱা ছোৱালী এতিয়া ডাঙৰ হ'ল যেতিয়া শহুৰৰ ঘৰলৈ যাবই লাগিব। এজনী সৰু ছোৱালী পুষ্পিতা হোৱাৰ লগে লগে ডাঙৰ হয় বুলি সমাজে কেনেদৰে ভাবে, নীল গোসাঁইয়ে তাক বুজি নাপায়। অত্যন্ত অস্থিৰ নীল গোসাঁইক পত্নীয়ে নিজৰ বিয়াৰ কথা মনত পেলাই দি আশ্বস্ত কৰিব খোজে যে তেওঁ এনে বয়সতে এই ঘৰ ধৰিছিলহি।

কমলাৰ চাৰিদিনীয়া গা ধুৱাবলৈ মিতিৰৰ মানুহ আহে। তেওঁলোক অহাৰ আগতে ঘৰত যথেষ্ট কাম থাকে। সৰু গোসাঁনী কাহিলী পুৱাতে উঠি কামত ধৰিছে। অতিথিৰ ঘৰৰ

মানুহ অহাৰ পিছত দৰাঘৰীয়া তিৰোতা মানুহখিনি আৰু ওচৰ-চুবুৰীয়া তিৰোতাখিনি ব্যস্ত হৈ পৰিছে। এই চাৰিদিনীয়া গা ধুওৱা বিয়াখন আৰু সাদিনীয়া শান্তি বিয়াখনত তোলনি বিয়াৰ লোকাচাৰ, লোকবিশ্বাস আৰু বিয়াগীতো উল্লেখ আছে। ধুৱাবৰ দিনা পুৰুষৰ অংশ গ্ৰহণ নিষেধ বাবে নীল গোসাঁই চ'ৰাঘৰতে বহি আছে আৰু তাৰ পৰাই শুনিছে পিছ চোতালৰ হুলস্থুল আৰু জাত জাত বিয়া নামবোৰ। ইয়াত দুটা বিয়ানামৰ উল্লেখ আছে, এটা কইনা গা ধুৱাই থাকোতে গোৱা আৰু আনটো জননী আনোতে গোৱা গীত। গা ধুৱাই থাকোতে গোৱা গীতটোত ছোৱালীজনীয়ে কন্যাকাল পোৱা কথাটো উল্লেখ আছে —

*'কোৱাতকৈ বাতৰি দিলেহে আইদেউ / চিলাত বাতৰি দিলা।*

*তোমাৰ ৰামচন্দ্ৰ কপাল হ'ল মুকলি / সৰুতে **কন্যাকাল** পালা।"* [৩১]

দৰাঘৰীয়াই জননী লৈ আহোতে এক ব্যস্ততাপূৰ্ণ পৰিৱেশেৰে তেওঁলোকক পদূলিমুখৰ পৰা আদৰি অনা হৈছে। কমলাৰ মাকে হাতত শৰাই বিচনী লৈছে আৰু আন এগৰাকী তিৰোতাই এখন কাঁহীত একাঁহী চাউল লৈ তাত এখন থুৰীয়া তামোল আৰু এগচি চাকি লৈ যথাযোগ্যভাবে দৰাঘৰীয়াক আদৰি আনিছে। নামতীসকলে গাইছে —

*"ওলাই আহা আইদেউৰ মাক হাতত শৰাই লৈ / আদৰাহি বিয়নীকে বাটত আছে বৈ -*

*আদৰি নিয়াহি কনাই চেনেহৰে নাতি / বহিবলৈ পাৰি দিয়া হাতী দাঁতৰ পাটী।"* [৩২]

চাৰিদিনৰ দিনা এনেদৰে দৰাপক্ষ আৰু কইনাপক্ষৰ তিৰোতাসকলে কমলাক ধুৱালে। দৰাঘৰে সেইদিনা পাঁচটা ডিমৰুগুটিৰে বন্ধা কনাইটো কইনাঘৰতে এৰি গুচি যোৱাৰ নিয়ম। সাধাৰণতে গণনাৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰি তোলনি হোৱা ছোৱালীজনীক খোৱা বস্তু যুগুতাই দিয়া হয়। তোলনি হোৱা মাহ, দিন, ক্ষণৰ ওপৰত নিৰ্ভৰ কৰি গণকে বিধান দিয়ে আৰু সেয়া ছোৱালীজনীয়ে মানি চলিব লাগে। কমলাৰ খোৱালোৱাৰ খবৰ লওঁতে ডাঙৰজনা গোসাঁনীয়ে কোৱা কথাখিনিৰ পৰা এই লোকাচাৰ আৰু লোকবিশ্বাসসমূহ প্ৰতিফলিত হৈছে — *"পদ্মিনী কন্যা, বেলি নৌ ডুব যাওঁতেই পদুমফুলৰ পাতত বুটমাহ কেইটামান আৰু শিলৰ বাটিত গাখীৰ এবাঁটি দিলো। পদুম ফুলৰ পাত পাবলৈহে অসুবিধা হৈছে, খৰালি দিন নহয়। যজ্ঞেশ্বৰে বৰপুখুৰীৰ মাজৰ পৰা কেইটামান আনি দিলে বুলিহে।"* [৩৩] পুৰুষে এই বিয়াখনত বাহিৰৰ কামত কিছু সহায় কৰে, যজ্ঞেশ্বৰে পদুম পাত

আনি দিয়াৰ কথাৰ পৰাই তাৰ আভাস পাব পাৰি।

কমলাক লৈ চলি থকা আয়োজনবোৰ দেখি নীল গোসাঁইয়ে মাকৰ বিয়াৰ কথা জানিবৰ মন কৰিলে। মাকে নিজৰ বিয়াৰ স্মৃতি ৰোমন্থন কৰি কৈছিল যে তেওঁ আজোককাকৰ কোলাত টোপনি গৈ থাকোতেই হেনো সম্প্ৰদান কৰা হৈছিল আৰু হোমৰ গুৰিলৈ তেওঁ ফটাকানিৰ কইনাটো লৈ আহিছিল। তেওঁ ফটাকানিৰ কইনা আৰু পোহনীয়া মইনাটো এৰি অহা দুখতে কান্দিছিল, বেলেগ দুখে ভৰ কৰিব জনাই নাছিল। মাকৰ নিজৰ বায়েকৰ চাৰিটা সন্তান থকা এজন ব্যক্তিৰ লগত বিয়া হৈছিল। সন্তান কেইটি আলপৈচান ধৰিবলৈ ন বছৰীয়া বায়েকক শান্তি নৌহওঁতেই সেইখন ঘৰলৈ নিয়া হৈছিল। দিন ৰাতি একাকাৰ কৰি সন্তান পালন কৰা আৰু পেহী শাহুৱেকৰ গালি খাই জীৱন কটোৱাই বায়েকৰ ভাগ্যত লিখা আছিল। নীল গোসাঁইয়ে এনে এজন ব্যক্তিলৈ বায়েকক কিয় দিলে বুলি সোধাত মাকে কৈছে — *"নিদিলে কেনেকৈ? সৰু সৰু বুলি থওঁতে ন বছৰ হ'ল। ঘৰতে **কন্যাকাল** পালে সমাজে নধৰিবনে? বংশটো পতিত নহবনে। সমাজ আৰু বংশটো ডাঙৰনে ছোৱালীজনী ডাঙৰ? এতিয়াৰ দৰে তেতিয়া ইমান অনাচাৰ হোৱা নাছিল নহয়।"*[৩৪] এয়া হৈছে পৰম্পৰাগতভাৱে বহন কৰি অহা এটা সমাজ ব্যৱস্থাৰ মানসিকতা। নীল গোসাঁইয়ে সেয়ে নিজৰ ইচ্ছাৰ বিৰুদ্ধে কমলাক উলিয়াই দি অসহায় বোধ কৰিছে। তাইৰ শান্তি বিয়াৰ দিনা ঘৰখন উদুলি মুদুলি। নোৱাই ধুৱাই কইনা সজোৱা কমলাৰ ৰূপ চকুত পৰাকৈ জিলিকি উঠিছে। সাধাৰণতে চাৰিদিন আছুতীয়াকৈ থাকি ফলাহাৰ কৰা আৰু দেহত নতুন যৌৱন অহাৰ ফলত পুষ্পিতা হৈ উঠাৰ পিছত ছোৱালীজনী অতি চকুত পৰা হৈ উঠে। ঔপন্যাসিকে কমলাৰ ৰূপ বৰ্ণনা কৰিছে এনেদৰে — *"সেওঁতাত দগমগীয়া সেন্দূৰ, কাণত এযোৰ থুৰীয়া, ডিঙিত দুগদুগী আৰু গলপতা, হাততো অলংকাৰ, এই সাতটা দিন ঘৰৰ চুকত সোমাই পদুম ফুলৰ পাতত কল আৰু বুটমাহ, শিলৰ বাটিত গাখীৰ খাই কমলা চকুৰ পচাৰতে সাধুকথাৰ ৰাজকন্যাজনী হৈ পৰিছে। ভৰপূৰ হৈ পৰিছে তাইৰ গাটো। পকা বিৰালৰ শাহৰ দৰে হৈছে তাইৰ গাৰ ৰং, কমলা অকণমান ওখও হৈছে? সোন্দাকলৰ পুলিটোৰ দৰে ভৰি হাতবোৰো পূৰঠ হৈ পৰিছে। তিৰোতা মানুহখিনিয়ে জাত জাত বিয়ানাম গাই আছে। বিয়ানামৰ সুৰবোৰৰ মাজত সোমাই কমলা নিজেই এটা মনোমোহা সুৰ হৈ পৰিছে।"*[৩৫]

শান্তি বিয়াখনৰ আয়োজন বৰবিয়াৰ দৰে কৰা হয়। শান্তি বিয়াত জলপান হিচাপে পিঠাগুড়ি বা কোমল চাউল, দৈ গাখীৰ আৰু গুড়েৰে আলহীক আপ্যায়ন কৰা হৈছে। হোমৰ গুৰিত গোৱা আৰু বিদায়ৰ মুহূৰ্তত গোৱা বিয়া গীত দুটিয়ো ইয়াত উল্লেখ কৰা হৈছে। কমলাই নিজৰ শৈশৱ কৈশোৰ মষিমূৰ হোৱাৰ দুখত বিদায়ৰ মুহূৰ্তত দেউতাকক এটাই অনুৰোধ কৰিছে যাতে বিমলা আৰু প্ৰমীলাক সোনকালে বিয়া নিদি দুয়োকে পঢ়ুৱায়। এঘাৰ-বাৰ বছৰতে শহুৰী খাটিবলৈ যোৱা অমলা আৰু কমলাৰ জীৱন দুৰ্দশাই এখন পিতৃহৃদয়ত তোলা মনোকষ্টৰ বাবেই তেওঁ দৃঢ় প্ৰতিজ্ঞ হ'ল যে নিয়মৰ নামত বাকী দুজনী ছোৱালীৰ জীৱন ধ্বংস নকৰে। পঢ়া-শুনাত মেধাবী বিমলা আৰু প্ৰমীলাক টাউনত পঢ়াবলৈ পঠোৱা আৰু দুয়োৰে ঘৰতে তোলনি হোৱা কথাটোৱে নীল গোসাঁইৰ মাক আৰু বংশ-পৰিয়ালৰ বাবে এটা অনাচাৰ যেন বোধ হৈছে, সকলো অসন্তুষ্ট, কাৰণ ইতিমধ্যে বিমলাই কন্যাকাল পাইছিল। *"আগবিয়া নিদিয়াকৈ* ***কন্যাকাল*** *পোৱাৰ বাবে আত্মীয় স্বজন, মিতিৰ কুটুমেও নীল গোসাঁইক গৰিহণা দিছিল। তেওঁলোকে আহ-যাহ বন্ধ কৰি দিছিল। অমলাৰ বিহুৰে সংক্ৰান্তিয়ে ঘৰলৈ অহা বন্ধ হৈছিল। শাহুৱেকৰ কঠোৰ হুকুম।"* [৩৬] ঘৰ তথা সমাজৰ প্ৰৱল বাধা ওফৰাই পৰম্পৰাগতভাৱে চলি অহা এটি কুসংস্কাৰৰ বিৰূদ্ধে নীল গোসাঁইয়ে দৃঢ় স্থিতি অটুট ৰাখিলে। বিমলাই কইনাকাল পোৱা কথাযাৰ লুকুৱাই ৰাখিব পৰা অৱস্থাত থকাও নাছিল, কাৰণ তাইৰ চেহেৰা পাতিয়ে চকুত লগা হৈ পৰিছিল। বংশৰ সকলোৱে নীল গোসাঁইক বংশটো পতিত কৰালে বুলি ভৰ্ৎসনা আৰু গৰিহণা দিলেও নীল গোসাঁইয়ে এটা কথা উপলব্ধি কৰিছিল যে এই পৰম্পৰা ভাঙিবলৈ কোনো নহয় কোনো আগবাঢ়ি অহা উচিত। প্ৰমীলাতকৈ বিমলা পঢ়া শুনাত ভাল, সমাজৰ বিৰূদ্ধে গৈ বাপেকে কৰা যুদ্ধখনৰ বাবেই বিমলাই পঢ়া-শুনাত মন দি ছাত্ৰ বৃত্তি পৰ্যন্ত লাভ কৰিবলৈ সক্ষম হয়। প্ৰমীলাক বিমলাতকৈ আগতে বিয়া দিয়াৰ চিন্তা-চৰ্চা কৰোঁতে আৰু বিয়াখন দিওঁতেও ডাঙৰ জনা গোসাঁনীয়ে প্ৰৱল বিৰোধিতা কৰিছিল, কাৰণ বিমলাক হে আগতে বিয়া দিব লাগে। কিন্তু নীল গোসাঁইয়ে স্ত্ৰী স্বাধীনতা আৰু স্ত্ৰী শিক্ষাৰ সপক্ষে নীৰৱে চলাই থকা যুঁজখনত কিছু হ'লেও সফল হৈছে। লাহে লাহে গোসাঁনীয়ে বিমলাৰ পঢ়া-শুনাৰ খবৰ লোৱা আৰম্ভ কৰা কথাটোৱেও মনৰ সংস্কাৰ কিছু আঁতৰি যোৱাৰ এটা আভাস দিয়ে। উপন্যাসখনৰ শেষত

পোৰালী সহিতে জালত পৰা এজনী বাঘিনী জাল ফালি ওলাই যাবলৈ সক্ষম হোৱাৰ নিশাই ডাঙৰজনা গোসাঁনীৰ মৃত্যু হোৱা কথাটো ইংগিতধৰ্মী। গোসাঁনীৰ মৃত্যুৰ লগে লগে জাল ফালি ওলাবলৈ সক্ষম হোৱা বাঘিনীজনীৰ দৰে কুসংস্কাৰ মুক্ত এখন সমাজেও জাল ফালিবলৈ আৰম্ভ কৰিছে তেনে ইতিবাচক বাৰ্তাৰে উপন্যাসখনৰ সামৰণি ঘটিছে।

**৪.০৪.৩ অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসত তোলনি বিয়া ঃ**

অনুৰাধা শৰ্মা পূজাৰীৰ ইন্দিৰা মিৰিৰ জীৱনভিত্তিক উপন্যাস *‘মেৰেং’*ত ১৯১০ চনৰ পৰা পঞ্চাশৰ দশকলৈ অসমীয়া সমাজৰ সামাজিক ইতিহাস দাঙি ধৰা হৈছে। এই উপন্যাসখনত সেই সময়ৰ সমাজৰ বিৱৰণ দাঙি ধৰিবলৈ যাওঁতে অৱধাৰিতভাবে তদানীন্তন সমাজত চলি থকা কুসংস্কাৰৰ চিত্ৰও চিত্ৰিত হৈছে। উপন্যাসখনৰ এটা চৰিত্ৰ বেণুক মেৰেঙৰ দেউতাকে গাঁৱৰ পৰা পোন্ধৰ বছৰমান বয়সতে গুৱাহাটীৰ শিলপুখুৰীৰ ঘৰখনলৈ লৈ আহিছিল। মাকৰ মৃত্যুৰ পিছত কেঁচুৱা ভাই-ভনীয়েকহঁতক চোৱাৰ দায়িত্ব কান্ধ পাতি লবলগীয়া হোৱা প্ৰায় দহ বছৰীয়া মেৰেঙক কথা প্ৰসংগত বেণুৱে কৈছিল যে তাইৰ এতিয়া বহুত দায়িত্ব। তাই বহুত ডাঙৰেই হ’ল, বামুণৰ ছোৱালী হোৱাহেঁতেন তাইক ইতিমধ্যে গৌৰী দান কৰি উলিয়াই দিলেহেঁতেন। মেৰেং এই সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ, তাইৰ বিস্ফোৰিত নেত্ৰ দেখি বেণুকাইয়ে বামুণৰ ছোৱালীৰ দুৰ্দশাৰ কথা কবলৈ যাওঁতে প্ৰসঙ্গক্ৰমে শান্তি হোৱা বা তোলনি হোৱাৰ কথা আহিছে। বামুণৰ ছোৱালী যে শান্তি হোৱাৰ আগতেই বিয়া দিয়া হয় আৰু এই ৰীতিৰ বলি হৈ বহু ফুকলীয়া ছোৱালীৰ জীৱন দুৰ্বিসহ হৈ পৰে তাৰ এটা আভাস বেণুৱে মেৰেঙক দি সমাজৰ এটা অন্ধকাৰ দিশৰ লগত চিনাকি কৰি দিছে। বামুণৰ ছোৱালীৰ কথা ক’বলৈ গৈ বেণুৱে কৈছে — *“বামুণৰ ছোৱালীবোৰৰ বাবে ন-দহ বছৰীয়া ছোৱালীমানে বহুত বয়স। তই ভালকৈ নুবুজিবি। ছোৱালী ঘৰতে শান্তি হ’লে সেই ছোৱালী অস্পৃশ্য হয় আৰু গৌৰীদান কৰিব পাৰিলে পুণ্য হয়। বামুণৰ লগতে চহকী আন জাতৰ ডাঙৰ মানুহবোৰেও এই নিয়মত বিয়া দি পুণ্যৰ ভাগ পায়। ঘৰতে* ***তোলনি হোৱা*** *ছোৱালী থাকিলে জুই পানী নিষেধ কৰি সমাজে তেনে ছোৱালীৰ ঘৰখনক এঘৰীয়া কৰে। কেতিয়াবা এনে ছোৱালী বুঢ়া মানুহ একোটা নতুবা আঁহত গছ একোজোপালৈ বিয়া দি মানুহঘৰ পাপৰ পৰা উদ্ধাৰ হয়। আমাৰ ঔতলিৰ ফালে বামুণ দুঘৰমান আছে, দেহি ঐ, ফুল কুমলীয়া ছোৱালীবোৰৰ বিলৈ*

*দেখিলে বেয়া লাগে।"*[৩৭] মেৰেঙক সেই সময়ৰ সামাজিক জীৱনৰ এটা দিশৰ আভাস দিবলৈ যাওঁতে নিজে সন্মুখীন হোৱা এটা মৰ্মান্তিক ঘটনাৰ বৰ্ণনা দিছে। ঔতলিৰ এটি ব্ৰাহ্মণ পৰিয়ালৰ এগৰাকী ৰূপৱতী নৱ যৌৱনা গাভৰু আগবিয়া হৈ মাকৰ ঘৰতেই থকা কালত, তোলনি নৌহওঁতেই গিৰিয়েকক সাপে খুঁটিলে। তোলনি হোৱাৰ পিছত শহুৰৰ ঘৰে বাঁৰী হোৱা গাভৰুজনীক নিব বিচাৰে যদিও তাইৰ দৈহিক সৌন্দৰ্য লাঘৱ কৰিবলৈ দাঁত কেইটা ক'লা কৰাৰ প্ৰয়োজন হৈছিল। সৰু ছোৱালীজনীয়ে বগা কপাহী চাদৰ মেখেলা পিন্ধি থকা দৃশ্য আৰু তাইৰ দাঁত ক'লা কৰিবলৈ পৰিয়ালে কৰা জোৰ জবৰদস্তি দেখি বেণুৰ চকুপানী ওলাই আহিছিল। তাই এটা সময়ত দৌৰি পুখুৰীত জাপ দিব খোজাত তাত উপস্থিত থকা বেণুৱে থাপ মাৰি ধৰিছিল। বেণুৰ এই কাৰ্যত তাইৰ পৰিয়ালটো অসন্তুষ্ট হৈ পৰে। নীহকুলীয়া বেণুক স্পৰ্শ কৰাৰ বাবে তাই পৰাচিত হ'বলগীয়া হ'ল আৰু দুয়োজনে বেতৰ কোব শাস্তি হিচাবে গ্ৰহণ কৰিবলগীয়া হ'ল।

উপন্যাসখনত তোলনি বিয়াৰ লোকাচাৰ সম্বন্ধীয় কোনো বিস্তৃত বিৱৰণ নাই যদিও মেৰেঙক বেণুৱে কোৱা কথাখিনিৰ পৰা তোলনি হোৱা ছোৱালী সম্পৰ্কে এটা ধাৰণা দি সমাজত এই দৈহিক পৰিৱৰ্তনটো যে এটা লক্ষ্মণৰেখাৰ দৰে মানি চলা হয় তাৰ চিত্ৰ চিত্ৰিত কৰা হৈছে।

**৪.০৪.৪ অৰূপা পটঙ্গীয়া কলিতাৰ উপন্যাসত তোলনি বিয়া ঃ**

অৰূপা পটঙ্গীয়া কলিতাৰ 'মৃগনাভি' আৰু 'অয়নান্ত' উপন্যাস দুখনত তোলনি বিয়াৰ ছবি ভিন্ন ধৰণে উপস্থাপন কৰা হৈছে। *'অৰুণিমাৰ স্বদেশ'* নামৰ তিনিখন উপন্যাসৰ সংকলনত অন্তৰ্ভুক্ত অৰূপা-পটঙ্গীয়া কলিতাৰ *'মৃগনাভি'* উপন্যাসত সোণতৰা নামৰ এজনী ছোৱালীৰ জীৱনৰ উত্থান-পতনৰ কাহিনী বৰ্ণিত হৈছে। নানান ঘাত-প্ৰতিঘাতৰ মাজেৰে এটা সুস্থ জীৱন পাবলৈ সক্ষম হোৱা সোণতৰাই নিজৰ কৈশোৰ যৌৱনৰ দিনবোৰৰ কথা ৰোমন্থন কৰোতে তোলনি বিয়াৰ প্ৰসংগ আহিছে। লক্ষ্যণীয় যে সোণতৰাৰ প্ৰথম ঋতুমতী হোৱা দিনটো আৰু তাৰ পাছত ৰীতি-নীতিবোৰৰ কথা কওঁতে ক'তোৱে এবাৰলৈ তোলনি হোৱা আৰু তোলনি বিয়াৰ কোনো সমাৰ্থক শব্দ ব্যৱহাৰ হোৱা নাই। তথাপিও অসমীয়া সমাজ জীৱনৰ লগত পৰিচিত পাঠকৰ বাবে এইটো সহজে বোধগম্য হয় যে এই বৰ্ণনাখিনি প্ৰথম

ঋতুমতী ছোৱালী এজনীৰ ক্ষেত্ৰতহে খাটে। সোণতৰা এদিন স্কুললৈ যোৱাৰ সময়ত গা ধুবলৈ বাথৰুমত সোমাওঁতেই তোলনি হ'ল। তেতিয়া তাই ক্লাছ এইটত পঢ়ি আছে। এজনী ছোৱালীয়ে শৰীৰৰ গুপ্তাংগৰ পৰা হঠাৎ ৰক্তস্ৰাৱ হোৱা দেখিলে ভয় খোৱাটো স্বাভাৱিক। সোণতৰাইও বাথৰুমৰ পৰা ভয়াৰ্তভাৱে মাকক চিঞৰি চিঞৰি মাতিছে। ইয়াত ৰক্তস্ৰাৱৰ কথা উল্লেখৰ পৰাও লেখিকা বিৰত আছে যদিও তাইৰ ভয়াৰ্ত চিঞৰ আৰু ভয়ত কঁপি উঠা তাইৰ বৰ্ণনা আৰু মাকে তাইক আলহীৰ কাৰণে আছুতীয়াকৈ থোৱা কোঠালিত সোমাই থোৱা কথাটোৰে কৌশলেৰে তাই প্ৰথম ঋতুস্ৰাৱ হোৱা কথাটোৰ ইংগিত কৰিছে। *"ক্লাছ এইটৰ বছৰেকীয়া পৰীক্ষা চলি আছিল। সেইদিনা অংক আৰু বিজ্ঞানৰ পৰীক্ষা আছিল। বাথৰুমত গা ধুবলৈ গৈ মই পাগলৰ দৰে চিঞৰিছিলো - মা- মামা-মা। মা আহি থক্‌থকাই কঁপি থকা মোৰ হাতত ধৰিছিল। মায়ে মোক আছুতীয়া কৰি থোৱা বিছনাত শুৱাই দিছিলহি। সেইখন বিচনাত শুই শুই মই সাতদিন ফলমূল আৰু গাখীৰ খাইছিলোঁ। দেউতা, ভাইটি কাকো মায়ে মোৰ ওচৰলৈ আহিবলৈ দিয়া নাছিল।"*[৩৮] আছুতীয়া বিচনাখনত তাই সাতদিন সোমাই থাকিল। এইকেইদিন মাকে দেউতাক আৰু ভায়েকহঁতক তাইৰ ৰুমত সোমোৱাৰ পৰা বিৰত ৰখাৰ কাৰণটো লোকবিশ্বাস। অসমীয়া সমাজৰ লোকবিশ্বাসমতে তোলনি হোৱা ছোৱালীজনীক পুৰুষে চাব নাপায়, চালে আয়ুস কমে।

সাতদিনলৈ ফলাহাৰ কৰি থকাৰ পিছত সাতদিনৰ নিয়ম উল্লেখ কৰিছে যদিও চাৰিদিনীয়া ধুওৱাৰ উল্লেখ নাই। চহৰত বাস কৰা পৰিয়ালটোৰ বাবে তোলনি বিয়াৰ আনুষ্ঠানিকতা বহলাই পতাটো কিছু পৰিমাণে অসুবিধাজনক, সোণতৰাৰ মাকেও জীয়েকৰ ক্ষেত্ৰত কেৱল নিয়মটোহে কৰিছে। সাতদিনৰ দিনা অনুষ্টুপীয়াকৈ তাইক শুচি কৰাৰ বৰ্ণনাও ইয়াত দাঙি ধৰিছে— *"সাতদিনৰ দিনা ড্ৰইং ৰুমৰ চোফা আঁতৰাই মায়ে বটা এটাত নামঘোষাখন থৈ কাঁহী এখনত বুট কল সজাই দুগৰাকী গোপিনীৰে সবাহ পাতিছিল। নতুনকৈ অনা পাটৰ মেখেলা চাদৰযোৰ পিন্ধি আঁঠু লৈ সেৱা কৰোঁতে সদায় দেখি থকা ৰুণৰ মাক আৰু লতাৰ আইতাকলৈ মূৰ তুলি চাব পৰা নাছিলোঁ। দেউতা, ভাইটি আনকি মাৰ মুখলৈয়ো চাব পৰা নাছিলোঁ।"*[৩৯]

তোলনি হোৱাৰ পিছত ৰীতি-নীতি আচাৰ-অনুষ্ঠানবোৰ পাৰ হোৱাৰ পিছত

ছোৱালীজনীৰ মনলৈ এক অদ্ভুত পৰিৱৰ্তন ঘটে। তাই ডাঙৰ হ'ল এই কথাটো যিহেতু সমাজে জানে আৰু দৈহিক পৰিৱৰ্তনো চকুত পৰা হয়, সেয়ে তাইৰ মনলৈ এক অচিন অনুভূতি আৰু লজ্জাৰ ভাব আহে। সোণতৰাৰ মনলৈ অহা এনে মানসিক পৰিৱৰ্তনৰ আভাস কৌশলেৰে দাঙি ধৰি সকলো ক্ষেত্ৰতে তাইৰ সচেতনতাৰ কথা উল্লেখ কৰিছে। বিশেষকৈ স্কুললৈ অহা যোৱা কৰোতে চিনাকি মানুহখিনিৰ চাৱনি, দোকানত আড্ডা দিয়া ল'ৰাবোৰৰ কথা-বাৰ্তা তাইক কেন্দ্ৰ কৰিয়েই ঘূৰি থকা যেন অনুভৱ হয়। অতি কম কথাৰ মাজেৰেও উপন্যাসখনত তোলনি বিয়াৰ লোকাচাৰ আৰু বয়ঃসন্ধিৰ জটিল সময়ছোৱাৰ এজনী ছোৱালীৰ মানসিক অৱস্থাৰ ছবিখন উপন্যাসিকাই ইয়াত দাঙি ধৰিছে।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ শেষৰ সময়ছোৱাৰ অসমৰ সামাজিক পটভূমিত অৰূপা পটঙ্গীয়া কলিতাই 'অয়নান্ত' উপন্যাসখন ৰচনা কৰিছে। উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ বীণাই সংস্কাৰমুক্ত, যুক্তিবাদী আৰু মানৱীয় প্ৰমূল্যৰে আগবাঢ়ি যোৱাৰ কাহিনী বৰ্ণিত হৈছে। দেউতাকে চাহ বাগিছাত ডাক্তৰ হৈ থাকোঁতে বীণাই নকৰিবলগীয়া বহুত কাম কৰিছিল যাৰ বাবে তাইক ককাক-আইতাকৰ ঘৰলৈ পঠিয়াই দিয়া হৈছিল, যাতে তাই এগৰাকী সহনশীল আৰু সেই সময়ৰ সমাজে ভাল বোলা এগৰাকী নাৰীলৈ পৰিৱৰ্তিত হ'ব পাৰে।

বীণাৰ জীৱনলৈ অভিশাপ নামি আহে যেতিয়া তাইৰ তোলনি বিয়া বা সৰু বিয়া হয়। পঢ়াৰ প্ৰতি প্ৰবল ইচ্ছা থকা সত্বেও তাইক স্কুললৈ যাব দিয়া নহ'ল। মাক-দেউতাক, ককাক-আইতাক সকলোৰে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাৰ বিৰুদ্ধে যাব নুখুজিছিল। বীণাৰ তোলনি হোৱাৰ সময়ত বেইৰ তলত গা ধুওৱা, দৰাৰূপী কলপুলিক চুমা খাবলৈ দিয়া, ৰিহা মেখেলা পিন্ধিবলৈ দিয়া, কনাই কোঁচত দিয়া আদি নিয়মবোৰ পালিত হৈছে।[৪০] বীণাই নতুনকৈ পিন্ধিবলৈ আৰম্ভ কৰা মেখেলা-চাদৰ, জোনবিৰি আদিয়ে তাইক নাৰীলৈ উত্তৰণ ঘটালে হয়, কিন্তু এইবোৰ তাইৰ জীৱনত বন্দীত্বৰ শিকলিস্বৰূপ হৈ পৰিল। স্বাধীনতাৰ আগৰ সমাজ ব্যৱস্থাই ছোৱালী এজনীয়ে পঢ়া-শুনা কৰা, অন্যায় অবিচাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰা, প্ৰচলিত কুসংস্কাৰৰ বিৰুদ্ধে মাত মতা আদি কাৰ্যবোৰ অনুমোদন কৰা নাছিল, কিন্তু বীণাই এই কামবোৰ কৰিবৰ বাবে সাহস কৰিছিল। উপন্যাসখনত ঔপন্যাসিকে তোলনি বিয়াখনক অন্ধবিশ্বাস, সংকীৰ্ণ আৰু ৰক্ষণশীল মনোবৃত্তিৰ প্ৰথম ঢাপ বুলি অংকণ কৰিছে, যাৰ জড়িয়তে

নাৰী এগৰাকীৰ স্বাধীনতা আৰু মনৰ আকাংক্ষাক বান্ধি পেলোৱাৰ প্ৰক্ৰিয়া আৰম্ভ হয়।

### ৪.০৪.৫ জুৰি শইকীয়াৰ উপন্যাসত তোলনি বিয়া ঃ

জুৰি শইকীয়াৰ *'সৌমাৰ নন্দিনী'* আৰু *'ৰাধিকা'* উপন্যাসত তোলনি বিয়াৰ কথা সমকালীন সমাজৰ পটভূমিত উপস্থাপন কৰা হৈছে। *'সৌমাৰ নন্দিনী'* জুৰি শইকীয়াৰ এখন ঐতিহাসিক উপন্যাস। চুতীয়া ৰাণী সাধনী কুঁৱৰীৰ জীৱনভিত্তিক উপন্যাসখনৰ আৰম্ভণিতে পুষ্পিতা বা তোলনিৰ কথা আহিছে। ইয়াত কোনোধৰণৰ লোকাচাৰৰ বিশদ বিৱৰণ নাই, কিন্তু সেই সময়ত তোলনি হোৱা ছোৱালীজনীক সমাজে বা অভিভাৱকে কেনে দৃষ্টিৰে লক্ষ্য কৰিছিল তাৰ এটা আভাস পাব পাৰি। সৰুৰে পৰা স্বাধীনচেতীয়া মনৰ সাধনীক পিতৃ ধীৰনাৰায়ণে তাইৰ ইচ্ছানুযায়ী কিছু স্বাধীনতা দিব বিচাৰে যদিও মাক শ্ৰীকান্তি ইয়াৰ ঘোৰ বিৰোধী। মাকে সমাজৰ পৰম্পৰা অনুযায়ী ছোৱালীজনী কিছু বাধ্যবাধকতাৰ মাজত থকাটো বিচাৰে। ধনুৰ্বিদ্যা, ঘোঁৰা চালনা, সাতোঁৰ প্ৰভৃতি বিদ্যাবোৰৰৰ প্ৰতি আকৰ্ষিত সাধনীক মাকে ঘৰতে আৱদ্ধ কৰি ৰাখিব বিচাৰে। কিন্তু সাধনী ইয়াৰ বিপৰীত চৰিত্ৰৰ — *"কেঁচাইখাতী গোসাঁনীৰ আশীৰ্বাদত জন্মা ৰাজকুমাৰী সাধনী একলা দুকলাকৈ চন্দ্ৰমাৰ দৰে বাঢ়িবলৈ ধৰিলে।* ***পুষ্পিতা*** *হোৱাৰ পিছতো ৰাজহাউলীত শুই বহি কটোৱা বিধৰ ৰাজকন্যা নহয়। সধেয়াধিপতি ধীৰ নাৰায়ণৰ আদৰৰ কন্যা সাধনী ৰূপে-গুণে অন্যন্যা হ'লেই নহ'ব সকলো দিশতে পাৰ্গত হ'ব লাগিব চুতীয়া ৰাজকন্যা। ৰজাৰ আব্দাৰ পাই সাধনীয়ে ঘোঁৰাত উঠি চিকাৰ কৰিবলৈ যোৱা, সেনা শিবিৰ পৰিদৰ্শন কৰা এইবোৰ চাই ফুৰে।"*[৪১] মহাৰাণীয়ে পৰম্পৰা বিশ্বাসী এগৰাকী নাৰীৰ দৃষ্টিৰে সাধনীক এগৰাকী গাভৰু ছোৱালীয়ে পালন কৰিবলগীয়া কামবোৰহে শিকাব বিচাৰে। মাকে বিচাৰে তাই পুৰুষৰ কামবোৰ শিকাতকৈ ঘৰুৱা কামবনতহে মন দিব লাগে যিবোৰ তিৰীৰ কাম। কম পৰিসৰতে উপন্যাসিকে তোলনি হোৱাৰ পিছতে ডাঙৰ হৈ পৰিল বুলি ভবা সমাজৰ মানসিকতাৰ এটা আভাস দিছে।

তোলনি বিয়াত 'সখী পতা', 'সখী বন্ধা' বা 'লগৰীয়া বন্ধা'ৰ এটা প্ৰথা আছে। সাধাৰণতে মনে মিলা, চেহেৰাপাতিৰ কিছু মিল থকা দুগৰাকী সমবয়সীয়া ছোৱালীৰ মাজত সখী বন্ধা হয়। এই উপন্যাসখনতো এই প্ৰথাৰ উল্লেখ কৰা হৈছে। ন্যায়পাল বৰুৱাৰ জীয়েক সুমলাৰ ৰাজহাউলিলৈ অবাধ গতি, যেতিয়াই সাধনীয়ে মাতে তেতিয়াই আহি উপস্থিত হ'ব পাৰে।

ইয়াৰ কাৰণ দুয়োজনীয়ে সখী সম্বন্ধেৰে বান্ধ খোৱা, যি সম্বন্ধ তোলনি বিয়াত পতা হৈছিল। এই সম্পৰ্কে উল্লেখ কৰা হৈছে — *"সাধনীৰ নিৰ্দেশত ৰাতিপুৱাই ওলালহি সুমলা। সুমলা ন্যায়পাল বৰুৱাৰ জীয়েক। দুয়োজনী একে যুৰীয়া। নোওৱা-ধুওৱা সখী। নোৱাই* ***তোলনী বিয়াত*** *দুইজনীকে বেইঘৰত সখী পতাই থৈছে।"*[৪২] তোলনি বিয়াত নোৱাই ধুৱাই কইনা সজাই আয়তীসকলৰ সন্মুখত সখী বন্ধা হয়। ইয়াত সাধনীৰ জীৱন পৰিক্ৰমাৰ আগছোৱাত অৰ্থাৎ পুষ্পিতা হোৱা আগৰ সাধনীৰ কাম-কাজ আৰু তাৰ পিছৰ কাম কাজ কেনে হোৱা উচিত বুলি মাক বা সমাজে কি ভাবে তাৰ এটা বৰ্ণনা দিয়াৰ লগতে, পিতৃ হিচাপে ধীৰ নাৰায়ণে জীয়েকৰ ক্ষেত্ৰত গ্ৰহণ কৰা স্থিতিয়ে পাৰস্পৰিক লোকবিশ্বাসক অতিক্ৰমি জীৱনত প্ৰয়োজন হোৱা শিক্ষাৰ প্ৰতি আগ্ৰহৰ দিশটো প্ৰতিফলিত কৰিছে। তদুপৰি অসমীয়া সমাজত সখীৰ স্থানৰ গুৰুত্ব আৰু মৰ্যদাৰ প্ৰকাশো এটা লক্ষ্যণীয় দিশ।

জুৰি শইকীয়াৰ আন এখন উপন্যাস *'ৰাধিকা'ত* সমসাময়িক সমাজখনৰ তোলনি বিয়াৰ এটা বিস্তৃত বিৰৰণ দাঙি ধৰা হৈছে। *'গুৰু চৰিত কথা'*ত উল্লেখ থকা এটা কাহিনীৰ আধাৰত ৰাধিকা উপন্যাসৰ কাহিনীভাগ গ্ৰহণ কৰা হৈছে। ইয়াত উল্লেখ থকা মতে বৰদোৱাৰ ওচৰৰ টেম্বুৱানী জানৰ বাঢ়নী পানী ৰোধ কৰিবলৈ এগৰাকী সতী সাধ্বী তিৰোতাই অনা এক প'ল পানীৰ প্ৰয়োজন হৈছিল। সাধাৰণতে বিশ্বাস কৰা হয় যে কুলীন ব্ৰাহ্মণসকলৰ তিৰোতাসকল সতী সাধ্বী, কিন্তু তেওঁলোকৰ পৰা কোনো ওলাই আহিবলৈ সাহস নকৰিলে। বানৰ পানী ভেটিবলৈ নৈৰ পাৰত চিন্তা চৰ্চা কৰি থকা মানুহবোৰৰ জুমটো দেখি ইয়াৰ কাৰণ জানিব বিচৰাত পূৰ্ণানন্দই ৰাধিকাক কাৰণটো কোৱাত তাই এই কামটো কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। নাৱত যোৱা বলভা মুদৈৰ জৰিয়তে এই কথাটো শংকৰদেৱৰ কাণ চুওৱা হ'ল আৰু শংকৰদেৱে অনুমতি প্ৰদান কৰিলে। ৰাধিকাই প্ৰথমবাৰ সফল নহ'ল যদিও দ্বিতীয়বাৰ সফল হ'ল আৰু টেম্বুৱানী বান্ধও বন্ধা হ'ল। এই কাহিনীটোক ভিত্তি হিচাবে লৈ লিখা ৰাধিকা উপন্যাসখনৰ বহু অংশ তোলনি বিয়াই স্থান পোৱাটো লক্ষ্যণীয়।

ৰাধিকা কৈৱৰ্ত্ত কুলত জন্ম গ্ৰহণ কৰা এগৰাকী নাৰী। ৰাধিকাৰ শৈশৱ যৌৱনৰ কাহিনীবোৰ বৰ্ণনাৰ মাজত তাইৰ কন্যাকাল প্ৰাপ্তিৰ সময়ছোৱাৰ কথাও বিস্তৃতভাৱে উপন্যাসখনত আলোচনা কৰা হৈছে। ইয়াত তোলনি হোৱা বুজোৱা প্ৰায় আটাইবোৰ শব্দকে

ব্যৱহাৰ কৰা হৈছে। তোলনি হোৱাৰে পৰা নোৱাই তোলনি বিয়াখন পতালৈকে পালনীয় লোকাচাৰ তথা গীত-মাতৰ বৰ্ণনা উপন্যাসখনৰ প্ৰায় সাত পৃষ্ঠা আগুৰি আছে। ইয়াত তদানীন্তন সমাজখনত বাস কৰা কৈৱৰ্ত্ত সম্প্ৰদায়ৰ তোলনি বিয়াৰ লোকাচাৰ আৰু লোকবিশ্বাসবোৰ প্ৰতিফলিত হৈছে যদিও এইবোৰ অসমীয়া সমাজৰ সকলো সম্প্ৰদায়ে পালন কৰা লোকাচাৰৰ সতে প্ৰায় একে। তোলনি হোৱাৰ লগে লগে ৰাধিকাক এটা আছুতীয়া কোঠাত মাটিত খেৰৰ বিচনা পাৰি দি ৰখা হৈছে। আছুতীয়া কোঠাত ৰখা মূল কাৰণ ইয়াৰ লগত জড়িত লোকবিশ্বাস। আনহাতে ছোৱালীজনীৰ মূৰ শিতানত কিছু সামগ্ৰীও ৰখা হয়। এই আটাইবোৰৰ বৰ্ণনা দিয়া হৈছে এনেদৰে — *“চাৰিদিনীয়া গা নোধোৱালৈকে চন্দ্ৰ, সূৰ্যকে ধৰি জীৱ-জন্তু, পুৰুষ মানুহে আনহে নালাগে নিজৰ পিতৃৰ মুখো চাব নাপায়। ছোৱালীজনীক আছুতীয়া ঘৰ এটাত ভৰোৱাৰ আগতে এটা মাটিৰ দুণৰিত চাউল আধাতকৈ অলপ বেছি লৈ তাৰ ওপৰত কেঁচা ফল একাখি, পাণ দুখিলা, তামোল দুটা দি দুণৰিত মাটি চাকি এগছি জ্বলায়। এটা পিতলৰ লোটাত বা এৰাঁ টেকেলীত মুখলৈকে পানী ভৰাই ডিঙিত ৰঙা এৰাঁ সূতা এনেচা মেৰিয়াই তিনিখিলা পাত থকা আমগছৰ কুমলীয়া ঠাল এটা এৰাঁ ঘটত সেন্দূৰৰ ফোঁট দি গুজি দিয়ে। দুণৰি আৰু এৰাঁ ঘট বা পিতলৰ লোটা* ***কন্যাকাল*** *হোৱা ৰাধিকাৰ মূৰ শিতানত থলে।”*[৪৩] তাৰ উপৰিও তাইক অপদেৱতাৰ কুদৃষ্টিৰ পৰা বচাই ৰাখিবলৈ বিচনাত কাচি বা কটাৰী এখন ৰাখি তাইক এযোৰ নতুন কাপোৰ পিন্ধাই দিয়া হৈছে। কাপোৰসাজ পিন্ধি হাচতিত তামোল এটা আৰু হাতত চুৰি কটাৰী এখন লৈ থাকিব লাগে। ৰাধিকাক চাৰিদিনলৈ ফলাহাৰ কৰিব দিয়া হৈছে। চাৰিদিনীয়া গা ধুৱাবলৈ সজা বেইখনৰ বৰ্ণনাও দিয়া হৈছে। ঠাইভেদে বা সম্প্ৰদায় ভেদে বেইখন সজাৰ প্ৰণালীৰ ভিন্নতা লক্ষ্য কৰা যায়। ইয়াত বৰ্ণিত কৈৱৰ্ত্ত সম্প্ৰদায়ৰ বেইখন বৈশিষ্ট্যপূৰ্ণ। এই সম্প্ৰদায়ৰ চাৰিদিনীয়া গা ধুওৱা আৰু নোৱাই তোলনি বিয়াত সজা বেইৰ পাৰ্থক্য আছে। চাৰিদিনীয়া গা ধুওৱা বেইখন কেৱল চাৰিডাল তৰাগছ বা ভীমকলৰ ঠাৰি মাটিত পুতি আগকেইটা একেলগে কৰি বান্ধি দিয়া হয় আৰু কইনা বহিবৰ বাবে এখন ভীমকলৰ কলপাত পাৰি দিয়া হয়। কিন্তু নোৱাই তোলনি বিয়াৰ দিনা বেইখন সাজিব বাবে মাক-বাপেক জীৱিত থকা এগৰাকী বিবাহিত পুৰুষ লাগে। বেই সজাৰ আগতে দোণ এটাত তামোল-পাণ এযোৰ, হাঁহৰ কণী এটা, পইচা এটা, আৰৈ চাউল ভৰোৱা হয় আৰু কাচি এখন

লৈ আটাইবোৰ মাটিৰ তলত পোতা হয়। এই সামগ্ৰীখিনিৰ ওপৰত মাটিৰ ঢিপ এটা বান্ধি বেই সাজে। ইয়াত দিয়া বৰ্ণনামতে — *"সেই ঢিপৰ ওপৰতে বেই সাজে। বেইটো একেটা বাঁহেৰে সাজে। বেইৰ বাবে চাৰিটা খুঁটা কাটি বাঁহটোৰ থাকি যোৱা গুৰি ফালটো চাৰিফাল কৰে। অৱশিষ্ট বাঁহৰ অংশটোৰ আগলৈকে ফুল কাটি তাত অৰ্থাৎ আগটোত ভীমকলৰ ডিল এটা ওপৰলৈ মুখ কৰি গুজি দিয়ে। বেইৰ চাৰি চুকত খুঁটা চাৰিটা পুতি লৈ ওপৰৰ ফালৰ পাবটোত বাঁহৰ আগটো ভৰাই দি ওপৰলৈ থিয় কৰি দি খুঁটা কেইটাৰ মাজৰ ঢিপটোত কলপটুৱাৰ সুন্দৰকৈ ঢাৱিৰ দৰে গাঁঠি দিয়ে। তাৰ ওপৰত এখন চামকাঠৰ পীৰা বা তামূলী পীৰা দিয়া হয়। পীৰাৰ আগত পূৱমুৱাকৈ ভৰি থবৰ বাবে আগলি কলপাত এখন পাৰি দিয়ে। বেইৰ কাষতে ভীমকলৰ পুলি এটাও ৰোৱা হয়। এই পুলিটো কইনাৰ বৰ অৰ্থাৎ দৰাৰ প্ৰতীক। বেইৰ ওপৰৰ বাঁহ কেইফাল ঢাকি চেলেং কাপোৰ এখনেৰে মেৰিয়াই দিয়া হয়। তাৰ পিছত খুঁটা কেইটাত এৰাঁ সূতাৰে বন্ধা আমডালি আঁৰি দিয়ে।"*[৪৪] বেইখনৰ বৰ্ণনাৰ উপৰিও বিয়াৰ দিনা ঘৰ দুৱাৰ মচি কাপোৰ কানি ধুই পৰিষ্কাৰ কৰা, মাটি মাহ আৰু হালধি খুন্দি তেল সানি ৰখা, মাকে গা মূৰ ঢাকি উৰুলি জোকাৰৰ মাজেৰে ৰাধিকাক উলিয়াই অনা, বেইৰ চাৰিওফালে তিনিপাক ঘূৰি পূৱমুৱাকৈ বেইত থকা কলপাতত বহি ভৰি দুটা খেৰৰ মুঠিৰ ওপৰত থোৱা, দুণৰি কলচী ছোৱালীজনীৰ আগত ৰখা, গা-ধুৱাই থাকোতে মাহ হালধি সানি দিয়া, ধানখেৰ পুৰি উলিয়াই লোৱা খাৰেৰে মূৰ ধুৱাই দিয়া, আগদিনাই কলহত সাজু কৰি ৰখা তাম, তুলসী, দুবৰি, আৰৈ চাউল, সোণ-ৰূপ তিয়াই ৰখা পানী গাত ঢলা প্ৰভৃতি বৰ্ণনাই তোলনি বিয়াৰ এখন জীৱন্ত ছবি দঙি ধৰাৰ লগতে গ্ৰাম্য সমাজখনে তোলনি বিয়াখনক দিয়া প্ৰাধান্যকো প্ৰতিফলিত কৰিছে। উপন্যাসখনত চাৰিদিনীয়া আৰু সাতদিনীয়া গা ধুওৱা বিয়া দুখনত গোৱা বিয়ানামবোৰৰ উল্লেখে ইয়াৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। সাধাৰণতে তোলনি হোৱা ছোৱালীজনীয়ে এটা নতুন জীৱনত প্ৰৱেশ কৰা বুলি ধৰা হয় আৰু ভৱিষ্যতৰ সুৰক্ষাৰ বাবে কেতবোৰ বাধা নিষেধ মানি চলাটো সকলোৱে বিচাৰে। বিয়াগীতৰ মাধ্যমেৰে তেনে সাৱধান বাণী শুনোৱা গীত এফাঁকি উপন্যাসখনত উল্লেখ কৰা হৈছে —

*"**শান্তি হলা** যেতিয়া / চাদৰ ল'বা এতিয়া / আগৰ দৰে নুফুৰিবা...."*[৪৫]

উপন্যাসখনত বিশেষতঃ গা-ধুৱাই উঠি নতুন মেখেলা চাদৰ পিন্ধোৱা, থুৰীয়া তামোল

চাৰিখন, গাখীৰ এবাটি হাতত লৈ সূৰ্যক প্ৰণাম কৰা, দুণৰিটো কইনাৰ চাৰিওফালে ঘূৰোৱা, কইনাক চোতালৰ ধানখেৰৰ মুঠা এটাত বহুৱাই সেন্দূৰৰ ফোঁট দিয়া, কইনাৰ লগতে আন তিনিজনীকো সেন্দূৰৰ ফোঁট পিন্ধোৱা, কইনাজনীৰ মুখৰ আগত কেঁচা পিঠাগুৰি, এৰাঁ গাখীৰ, কল গুৰ যতনাই দিয়া প্ৰভৃতি কৈৱৰ্ত্ত সমাজৰ নিয়ম পালন কৰা দেখা গৈছে। চাৰিদিনীয়া গা ধুওৱাৰ পিছত পুৰোহিতৰ নিৰ্দেশত ব্ৰতৰ ভাত খোৱাৰ নিয়ম আছে। ভাত ৰান্ধিবৰ বাবে কইনা গৰাকীয়ে আমৰ ঠাৰিৰে খুতি পুতি মলাচৰুত তিনিমুঠি আৰৈ চাউল তিয়াই, ধুই তাত পাচলি দি তেল-হালধিবিহীন খাদ্য নিজে ৰান্ধি খাব লাগে। তদুপৰি এই কেইদিন ঘৰত ছোৱালীজনীয়ে শুনাকৈ বেমাৰ-আজাৰ বা মৃত্যু সম্বন্ধীয় কথা পাতিব নালাগে, এনে কথা শুনিলে ছোৱালীজনীৰ অমংগল হয় বুলি বিশ্বাস কৰা হয়।

কৈৱৰ্ত্ত সমাজৰ নোৱাই তোলনি বিয়াৰ লোকাচাৰ অনুযায়ী আখৈ ভজা, মিঠৈ বন্ধা, পুৰোহিত বামুণৰ দিহা মতে দান কাৰ্য সমাপন কৰা, মৃতকলৈ সাজপানী আগবঢ়োৱাৰ দৰে পৰম্পৰাগতভাৱে নিয়ম কিছুমান পালন কৰি অহা হৈছে। ৰাধিকাৰ তোলনি বিয়াখনতো এই নিয়মবোৰ সম্পূৰ্ণ শুদ্ধভাৱে পালন কৰাত পৰিয়ালে গুৰুত্ব প্ৰদান কৰিছে। তোলনি বিয়াৰ 'সখী বন্ধা' নিয়ম মতে ৰাধিকাৰ বাবেও সম্পূৰ্ণ নিয়ম নীতিৰে পদূলি মুখৰ পৰা সমবয়সীয়া ছোৱালী এগৰাকীক আদৰি আনি কইনাৰ দৰে সজোৱা হৈছে। সেই সময়ত হয়তো সখীয়েক গৰাকীক আগবঢ়াই আদৰি অনাৰ নিয়ম আছিল আৰু আদৰি আনিবলৈ যাওঁতে বিয়াগীতো গোৱা হৈছিল। ইয়াত তেনে এটি গীতৰ উল্লেখ আছে —

*"ৰামকৃষ্ণ ওলায়ে উৰুলি / ৰামকৃষ্ণ বজাই দে মুৰুলী*
*হৰি মোৰ ঐ / সখী আনিবলৈ যাওঁ।"*[৪৬]

পানী তুলিবলৈ যাওঁতে পালন কৰা বিশেষ নিয়ম কেতবোৰো ইয়াত উল্লেখ কৰা হৈছে। সেই নিয়ম অনুসৰি বালি আৰু মাটিৰে চাৰিটা টিপ কৰি একোডালকৈ এৰাঁ সূতা মেৰিয়াই অৰিহণা দি জলকুঁৱৰীক জল এৰি দিবলৈ কাকুতি কৰা হয়। আয়তীসকলে উৰুলি জোকাৰ আৰু বিয়ানামৰ মাজেৰে পানী তুলি আনি বেইত কইনাক বহুৱাই কলহৰ পানীৰে গা ধুৱাই দিয়ে লগতে কলপুলিটোকো গা ধুৱাই মণি এধাৰ পিন্ধাই দিয়া হয়। কাৰণ কলপুলিটো শান্তি হোৱা ছোৱালীজনীৰ বৰ বুলি ধৰা হয়। ছোৱালীজনীকো এজন দৰাৰ

লগত বিয়া হ'ব লাগিব এই কথাটো বুজাই দিয়া হয়।[৫৭] মনস্তাত্ত্বিক দিশেৰে চাবলৈ গ'লে সকলো অভিভাৱকে ছোৱালীৰ বিয়াখন ডাঙৰকৈ পতাৰ সপোন দেখে, কিন্তু তোলনি হোৱাৰ পিছত ছোৱালীজনী বৰ বিয়ালৈ নোৰোৱাকৈ নিজ পচন্দৰ ল'ৰাৰ লগত পলাইও যাব পাৰে। এনে কৰিলে জীয়ৰীৰ বিয়া পতাৰ সপোন দেখা মাক-বাপেকে ৰাইজক ভালকৈ খুৱাব নোৱাৰাৰ আৰু বিয়াত আনন্দ স্ফূৰ্তি কৰিব নোৱাৰাৰ বাবে মনোকষ্ট পাব পাৰে। সেয়ে তোলনি বিয়াখন ধুমধামকৈ পাতি সকলোৰে একেলগে আনন্দ স্ফূৰ্তি কৰে। কইনাৰ ব্ৰতৰ ভাত ৰন্ধা মলা চৰুটো দুজনী শান্তি হ'বলগীয়া ছোৱালীৰ নাম কৈ খুঁটি এটাৰে ভাঙে, এনে কৰিলে ছোৱালীজনীৰ সোনকালে তোলনি হয় বুলি বিশ্বাস কৰা হয়। বিয়াৰ দিনা সখীয়েক আৰু কইনা দুয়োকে ৰভাৰ তলত কঠৰ ওপৰত বহুৱাই দিয়ে। গা ধুওৱাৰ পিছত ৰৈ যোৱা মাহ-হালধি তথা আন অলাগতিয়াল সামগ্ৰীবোৰ নৈত উটুৱাই দি থৈ অহা হয় আৰু বেইৰ তলত পুতি থোৱা বস্তুখিনি উলিয়াই আছুতীয়া ঠাইত লুকুৱাই ৰখা হয়। কলপুলিটো উঠাই আন ঠাইত পুতি ৰখা হয়। কইনা আৰু সখীয়েকক সজাওঁতে একেধৰণে আ-অলংকাৰ পিন্ধাই, কপাল, শিৰ, দুই আঁঠুত, কাণৰলতি আৰু বাহুত সেন্দূৰৰ ফোঁট দি সজোৱা হয়। কইনাই কোলাত পাঁচটা সৰু কেঁচুৱা লৈ কেঁচুৱাকেইটাৰ প্ৰত্যেককে পিঠাগুড়িৰ লাৰু খুৱাই দিয়ে। কইনাৰ এই পৰ্ব শেষ হোৱাৰ পিছত উপস্থিত আয়তীসকলক সেৱা কৰে আৰু ভীমকলৰ পুলিটোৰ গুৰিত আখৈ ঢালি দিয়ে। মাক আৰু কইনাজনীয়ে গাত চেলেং কাপোৰ লৈ সকলোকে সেৱা কৰি আশীৰ্বাদ গ্ৰহণ কৰে। সাধ্যানুসাৰে উপস্থিত সকলোকে মাছ-ভাত, মাংস আৰু সাজপানী খুওৱা হয়। এনে খাদ্য দিব নোৱাৰিলে দৈ, চিৰা আৰু গুৰেৰে জলপান খাবলৈ দিয়া হয়। বিয়াৰ শেষত সখীয়েক গৰাকীক বিভিন্ন উপহাৰ আদি দি বিদায় দিয়া হয়।

ৰাধিকাৰ তোলনি বিয়াখনক কেন্দ্ৰ কৰি এই লোকাচাৰ আৰু লোকবিশ্বাসসমূহৰ বৰ্ণনা দি তাইৰ বিয়াখনতো এই নিয়মবোৰ আখৰে আখৰে পালন কৰা হৈছে বুলি উল্লেখ কৰিছে। ৰাধিকাৰ তোলনি বিয়াখনৰ মাজেৰে গ্ৰাম্য সমাজৰ সহজ-সৰল লোকসকলে এই অনুষ্ঠানত লাভ কৰা অনাবিল আনন্দৰ ছবি প্ৰাণৱন্ত হৈ উঠিছে।

### ৪.০৪.৬ ৰীতা চৌধুৰীৰ উপন্যাসত তোলনি বিয়া ঃ

ৰীতা চৌধুৰীৰ '*মায়াবৃত্ত*' নামৰ উপন্যাসখনৰ কথাবস্তু এগৰাকী নাৰীৰ অন্তঃস্থলত

থূপ খাই থকা মান, অভিমান, খং, ক্ষোভ, অপমান, নিন্দা, অৱহেলা-অনাদাৰ আৰু তাৰ মাজেৰে চলোৱা এখন সংগ্ৰাম যি খন সংগ্ৰাম মূল নাৰী চৰিত্ৰ নীৰা (পুতি) ৰ কাৰ্যাৱলীৰ মাজেৰে প্ৰকাশ পাইছে। দুজনী বায়েক আৰু দুজন ভায়েকৰ মাজত নীৰা। এগৰাকী চৰকাৰী উচ্চপদস্থ বিষয়াৰ ছোৱালী নীৰা আনকেইটি সন্তানৰ তুলনাত দেখাত বেয়া, আকৰ্ষণহীন চেহেৰাৰ। ক'লা বৰণৰ, জপৰা চুলিৰে আৰু কিছু পৰিমাণে অবাধ্য স্বভাৱৰ নীৰাৰ বাবে ঘৰৰ আন সদস্যসকলে মাজে মাজে বিব্ৰতবোধ কৰে। সৰুৰে পৰা স্বাধীনচেতীয়া মনৰ নীৰা ঘৰৰ আনসকলে নকৰা কামবোৰ কৰিহে ভাল পায়। তাইৰ বন্ধুত্ব একেটা চৌহদতে থকা দেউতাকৰ অফিচৰ তলখাপৰ কৰ্মচাৰী এজনৰ পুত্ৰ সুৱৰ্ণৰ লগত। শৈশৱৰ দিনবোৰত নিজৰ ঘৰখনৰ পৰা পোৱা অৱহেলা-অনাদৰৰ বিপৰীতে সুৱৰ্ণৰ পৰা পোৱা মৰম ভালপোৱাই নীৰাক নিজক জুখি চাবলৈ, নিজৰ আত্মবিশ্বাস বঢ়াই তুলিবলৈ ইন্ধন যোগায়। সৰুৰে পৰা সুৱৰ্ণৰ লগত ঘূৰিপকি প্ৰকৃতিক ভাল পাবলৈ, জীৱ-জন্তুক ভাল পাবলৈ শিকা পুতিয়ে জীৱনৰ নানা সংঘাত পাৰ হৈ পৰৱৰ্তী কালত নীৰা নামেৰে নিজৰ এটা গৌৰৱময় পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হয়। নীৰাৰ শৈশৱ কালৰ বৰ্ণনাৰ মাজত তাই তোলনি হোৱা সময়ছোৱাৰ ঘটনা ইয়াত উপস্থাপন কৰা হৈছে।

নীৰাই কন্যাকাল পোৱা সময়ছোৱাত পালনীয় ৰীতি নীতি, সেই সময়ত তাইৰ মানসিক অৱস্থা, তাইক কেন্দ্ৰ কৰি ঘৰখনত হোৱা পৰিৱেশ, সৰু বায়েকতকৈ আগতে তাইৰ তোলনি হোৱা বাবে বায়েক মাকৰ চিন্তিত মুখ এই আটাইবোৰ কথা নীৰাৰ স্মৃতিপটৰ পৰা আনি চিত্ৰিত কৰা হৈছে। বায়েকতকৈ আগতে তোলনি হোৱা খবৰ পাই হতাশ হৈ পৰা বায়েক আৰু চিন্তিত মাকৰ চিত্ৰ অংকন কৰা হৈছিল। সাধাৰণতে মানুহে ভাৱে সৰুৰে পৰা চেহেৰা পাতি ভাল হ'লে ছোৱালী এজনী সোনকালে তোলনি হ'ব পাৰে। সেয়ে পুতিৰ তোলনি হওঁতে মানুহবোৰে কোৱাকুই কৰিছিল— *"ইমান সোনকালে **তোলনী** হ'ল। তেজপানী ভাল।"*[৪৮] উপন্যাসখনত পুতিৰ সোনকালে তোলনি হোৱাত নিজৰ পেহীয়েকৰ সন্দেহ মনকৰিবলগীয়া — *" স্বভাৱ বেয়া হোৱাৰ লক্ষণ। লোকৰ ল'ৰাৰ লগত ঘুৰি ফুৰাৰ ফল।"*[৪৯]

তোলনি হোৱাৰ পিছত দেউতাক-ভায়েকহঁত অফিছ-স্কুললৈ ওলাই নোযোৱালৈকে

তাইক ষ্ট'ৰুমত সোমাই থাকিব দিয়াত পুতিয়ে একেবাৰে অমান্তি হৈছে, যাৰ ফলত মাকে তাইক সিহঁতৰ কোঠাতে থবলৈ বাধ্য হ'ল। অৱশ্যে দেউতাক-ভায়েকহঁত ওলাই যোৱাৰ পিছত তাইক পিছফালৰ এটা আছুতীয়া কোঠাত থাকিবলৈ ঠিক কৰি দিয়া হয়। তাইৰ তোলনি হোৱাৰ খবৰ পাই পেহীয়েকো আহি মাকৰ লগ লাগিল। কিছু পৰিমাণে উদণ্ড স্বভাৱৰ পুতিক মাকে আগৰ দৰে সুৱৰ্ণৰ লগত ঘূৰা ফুৰা নকৰিবলৈ, কিছু গহীন-গম্ভীৰ হৈ থাকিবলৈ  উপদেশ দিলে। তাই ডাঙৰ হ'ল, সুৱৰ্ণৰ লগত আগৰ দৰে ঘূৰা পকা কৰিব নোৱাৰে- এনেধৰণৰ উপদেশবোৰ তাইৰ বাবে কোনো প্ৰকাৰেই গ্ৰহণযোগ্য নহয় যদিও পুতিয়ে দৈহিক পৰিৱৰ্তনৰ এই নতুন ৰূপটোত এটা অচিনাকী অনুভৱত মানসিকভাৱে সোমাই পৰিছে। সকলো নীতি-নিয়ম  মানিবলৈ প্ৰস্তুত পুতিয়ে সুৱৰ্ণক নেদেখাকৈ থাকিবলগীয়া হোৱা কথাটোহে মানি ল'বলৈ টান পাইছে। সুৱৰ্ণৰো একেই অৱস্থা, সেয়ে পুতিৰ তোলনি হোৱা তৃতীয়দিনা সুৱৰ্ণ  বাৰীৰ পিছফালে আহি আছুতীয়াকৈ থকা পুতিৰ লগত কথাত মগ্ন হৈ পৰিছে। দুয়োকে  এনেদৰে কথা পতা অৱস্থাত  দেখি পেহীয়েক খঙতে হুলস্থুল লগাই দিলে— *“খালি খালি  চব শেষ কৰিলি। নিয়ম নীতি চব গ'ল।* ***তোলনী*** *হ'ল কি নহ'ল— চুৱা গা ধুলে কি  নুধুলে, লাগিয়েই গ'ল  লেটিপেটি।”*[৫০] তেওঁ কেৱল পুতিকে গালি পৰা নাই, সাধাৰণ কৰ্মচাৰী এজনৰ পুতেক বুলি  সদায় অৱজ্ঞাৰ চকুৰে চোৱা সুৱৰ্ণকো গালি পাৰিছে — *“এই ল'ৰা - কি নাম তোৰ?* ***শান্তি হোৱা*** *ছোৱালীক লুকাই লুকাই চাবলৈ?”*[৫১] সুৱৰ্ণক গালি পৰা কথাটো  সহ্য কৰিব নোৱাৰি পেহীয়েকক কেটেপা মাৰি  কপাল ফুটাব বুলি কোৱাত পেহীয়েক জাঙুৰ  খাই উঠিছে। তোলনি হোৱা ছোৱালীয়ে বৰতীয়া খোৱাৰ নিয়ম আৰু লোকবিশ্বাসমতে বৰতীয়া  খোৱা অৱস্থাত কোৱা কথাবোৰ  বেয়া হ'লে সি অভিশাপতুল্য হয়। এই ঘটনাটোৰ বাবেই পেহীয়েকে খং কৰি পুতিহঁতৰ ঘৰৰ পৰা গুছি গৈছে।

তোলনি হোৱাৰ পিছত ছোৱালীজনীৰ দৈহিক পৰিৱৰ্তনৰ বাবে বহুক্ষেত্ৰতেই তাই সাৱধান হোৱা  উচিত। পুতিৰ স্বভাৱৰ প্ৰতি লক্ষ্য ৰাখি  মাকে  বাৰে বাৰে তাইক সুৱৰ্ণৰ লগত আগৰ দৰে ঘূৰি ফুৰা, তাৰ পিঠিত উঠা আৰু সিহঁতৰ ঘৰলৈ ঘনাই যোৱা ধৰণৰ কামবোৰ কৰিবলৈ মানা কৰিছে। এগৰাকী মাকৰ এই সময়ত ছোৱালীজনীক এনে শিকনি দিয়াটো কৰ্তব্য বুলিয়েই ধৰা হয়। চাৰিদিনীয়া গা ধুই কইনাৰ সাজেৰে সুৱৰ্ণৰ ঘৰ ওলোৱা

পুতিৰ বিৰক্তিসূচক মন্তব্যৰ মাজেৰে উপন্যাসিকাই তোলনি বিয়াৰ সময়ত ছোৱালীয়ে পালন কৰিবলগীয়া নীতি-নিয়মৰ দাঙিব নোৱাৰা বোজাটো উদঙাই দিছে — *"মানুহবোৰ যে কি! খালী ইটো নকৰিবি, সিটো নকৰিবি, ইটো বেয়া, সিটো বেয়া- ঘৰত সোমাই থাক। ল'ৰাৰ মুখ নাচাবি। চাগু খা, কল খা, গাখীৰ খা..."*[৫২] পুতিয়ে বিৰক্তিৰে কোৱা এই কথাখিনিতে তোলনি হোৱা ছোৱালীয়ে চাৰিদিনীয়া গা ধুওৱালৈকে পালনীয় নীতি-নিয়মসমূহো বৰ্ণিত হৈছে।

পুতি আৰু সুৱৰ্ণৰ কথাবোৰ মুকলিমুৰীয়া। তথাপিও বয়ঃসন্ধি কালৰ এই সীমাৰেখা চুই দুয়োজনৰে মনত এক অচিন অনুভূতিৰ সৃষ্টি হৈছে। ইতিমধ্যে সুৱৰ্ণৰ মুখতো গোফৰ ৰেখা প্ৰকট হৈছে। মেখেলা চাদৰৰ মাজেৰে এটা নতুন জীৱনক আদৰি লোৱা পুতি সুৱৰ্ণৰ সন্মুখত থকা সময়খিনি বা দুয়োৰে পতা কথা বতৰাবোৰ ঠিক যেন আগৰদৰে মুকলি নহয়, ক'ৰবাত এক লাজৰ আভাই দুয়োকে চুই গৈছে। ন-যৌৱনপ্ৰাপ্ত কিশোৰ-কিশোৰী এহালৰ মনোজগতত সৃষ্টি হোৱা ভাৱ-অনুভূতিৰ বৰ্ণনা দাঙি ধৰা হৈছে এনেদৰে— *"একো নোকোৱাকৈয়ে একো নজনাকৈয়ে তেওঁলোকে প্ৰৱেশ কৰিছিল অন্য অনুভৱৰ পৃথিৱী এখনত। কোনেও কাকো একো কোৱা নাছিল। কোৱাৰ কোনো প্ৰয়োজন হোৱা নাছিল।"*[৫৩]

তোলনি বিয়াৰ বিস্তৃত বিৱৰণ নিদিয়াকৈও উপন্যাসখনত তোলনি বিয়াত পালনীয় লোকাচাৰ তথা ৰীতি নীতিৰ আভাস আৰু এগৰাকী কিশোৰীৰ জীৱনলৈ আহি পৰা বাধ্যবাধকতাৰ ইংগিত অতি কৌশলেৰে ইয়াত চিত্ৰিত কৰা হৈছে। পুতিৰ দৰে স্বাধীনচেতীয়া কিশোৰী এগৰাকীৰ মনোজগতত এনে বাধ্যবাধকতাই কেনে ধৰণে ক্ৰিয়া কৰে, তাৰ ওপৰতো কিছু আলোকপাত কৰা হৈছে।

**৪.০৪.৭ ৰাস্না পালকৰ উপন্যাসত তোলনি বিয়া ঃ**

*'বেলিবিহীন কপালৰ ৰ'দঘাই মানুহজনী'* ৰাস্না পালকৰ প্ৰথম প্ৰকাশিত উপন্যাস। উপন্যাসখনত অকাল বৈধব্যই বেলিবিহীন কৰা মাখনি নামৰ এগৰাকী গাঁৱলীয়া মহিলাই সাহস আৰু সততাৰে কিদৰে চাৰিটিকৈ এমাডিমা সন্তানক মানুহ হিচাপে গঢ়ি তুলি সমাজত প্ৰতিষ্ঠিত কৰালে তাৰে এক মনোৰম কাহিনী উপস্থাপন কৰা হৈছে। বিভিন্ন ঘাট-প্ৰতিঘাতৰ মাজেৰে ডাঙৰ হোৱা ধৃতি, জুলি, কনটি নামৰ তিনিওজনী ছোৱালীৰেই তোলনি বিয়াৰ

কথা উপন্যাসখনত উল্লেখ কৰা হৈছে। ধৃতিৰ তোলনি বিয়াখনৰ বৰ্ণনাৰ মাজেৰে কিছু লোকাচাৰ আৰু সেই সময়ত ছোৱালীৰ মানসিক চিন্তা ভাৱনাৰ ওপৰত পোহৰ পেলাইছে। তিনিওজনী ছোৱালীৰ বয়সৰ ব্যৱধান এক ডেৰ বছৰমানহে গতিকে একেলগে বাঢ়ি অহা ছোৱালীকেইজনীক দেখি মাকৰ মনলৈ চিন্তা আহি থাকে, পাল পাতি এজনী এজনীকৈ গোটেইকেইজনীৰে তোলনি হ'ব। ধৃতি কৰবাত জুপুকা মাৰি বহি থকা দেখিলে মাকৰ মনত চিন্তা হয় আৰু ভাৱে— *" **শান্তি** হওঁ হওঁ তাই। আঘোণত এঘাৰ বছৰ পূৰ হ'ব।"*[৫৪] মাখনিয়ে মনে প্ৰাণে কামনা কৰে যে ছোৱালীজনীৰ যাতে আঘোণৰ দিনতহে তোলনি হয়, কাৰণ সেই সময়ত তেওঁৰ ঘৰত ধানমুঠি জমা হয়, অইন সময়ত নিমন্ত্ৰিত অতিথিক আপ্যায়ন কৰা তথা অন্যান্য যা-যোগাৰ কৰাত তেওঁৰ কিছু অসুবিধা হ'ব। কম কাপোৰেৰে গা আৱৰি থকা ধৃতিৰ বাঢ়ি অহা চেহেৰাটোৰ পৰিৱৰ্তনে মাকক সচেতন কৰি তুলিছে, তাইৰ বাবে তলত পিন্ধা কাপোৰৰ প্ৰয়োজন হৈছে আৰু খৰধৰকৈ বজাৰৰ পৰা গৈ দুটা তলচোলা কিনি আনিছে। জুলিয়েও এনে চোলা বিচৰাত মাকে সময়ত তাইক দিব বুলি কৈ থৈছে। অভাৱ-অনাটনৰ মাজত টানিটুনি চলি থকা সংসাৰ এখনত প্ৰাক্ যৌৱনা ছোৱালীৰ ক্ষেত্ৰত সচেতন মাকে লোৱা সাৱধানতাৰ এখন নিখুঁট ছবি দাঙি ধৰা হৈছে।

ধৃতিৰ তোলনি হোৱা বৰ্ণনাখিনি বাস্তৱসন্মতভাৱে দাঙি ধৰা হৈছে। নিজ জীয়েকৰ তোলনি হোৱাৰ দিনা মাকক এক গধুৰ অচিনাকি আবেগে আৱৰি ধৰে, তাতে পিতৃহীনা ছোৱালীক ডাঙৰ কৰা মাকে এনে আৱেগ ঢাকি ৰখা টান। ধৃতিৰ তোলনি হোৱা খবৰে মাখনিৰ মন দুখেৰে ভাৰাক্ৰান্ত কৰি তুলিছে যদিও কন্দা-কটা নকৰি নিজৰ দায়িত্ব স্থিৰ কৰি লৈছে। জুলিক ওচৰৰ তিৰোতাখিনিক খবৰ দিব কৈ আৰু চুৰি কটাৰী আনিবলৈ দোকানলৈ পঠিয়াই দি ধৃতিক আছুতীয়াকৈ ৰখাৰ ব্যৱস্থা কৰিছে।

লোকবিশ্বাস অনুসৰি তোলনি হোৱা ছোৱালীজনীয়ে চুৰা গা নুধুৱালৈকে পিন্ধি থকা কাপোৰ সাজ সলোৱাৰ নিয়ম নাই। সেয়ে ধৃতিক কাপোৰ সলাব নিদি, এঠাইত থিয় হৈ থাকিব দি মাকে তাইৰ কাৰণে খেৰৰ বিচনাখন সাজু কৰিছে। ৰক্তক্ষৰণ হৈ থকা ধৃতিয়ে অতি কষ্টেৰে থিয় হৈ আছে যদিও মাকে মেখেলা এখন পিন্ধাই দিওঁতে তাইৰ তেজৰ ক্ষীণ সুঁতি এটা বৈ আহিছে। উপন্যাসখনত কথাখিনি জীৱন্ত ৰূপত এনেধৰণে চিত্ৰিত হৈছে —

*"নাৰী জীৱনৰ প্ৰথম পাঠ লুটিয়াই খেৰ পাৰি ওপৰত পাৰি দিয়া বিছনা চাদৰখনত তলমূৰা হৈ বহি আছে ধৃতি। মানুহজনী বেকা হ'লেই নিম্নাংশৰে সুৰসুৰাই বব ধৰা তেজৰ ধাৰাটো যেন কিছু পৰিমাণে বন্ধ কৰিবলৈ চেষ্টা কৰিছে তাই। থিয় দিবলৈও ভয়। পিছফালে তেজৰ শুকান দাগ। গাটো কেচেমা কেচেমা গোন্ধ এটাও পাইছে। আজি তিনিদিন ধৰি তাই মেখেলা পিন্ধি আছে। তলত তেজ লগা স্কাৰ্টটোকে কোঁচাই কোঁচাই সোপা মাৰি থৈছে। অস্বস্তিত নাযায় সময়। ফলাহাৰ খাই খাই পেটটো ফুলি গৈছে।"*[৫৫] পৰম্পৰাৰ নামত ছোৱালী এজনী কিমান অস্বাস্থ্যকৰ পৰিৱেশৰ মাজত ৰখা হয়, তাৰ উমান এই কথাখিনিৰ পৰা পাব পাৰি। ঘৰৰ ভিতৰতে আৱদ্ধ ধৃতি কেৱল পায়খানা কৰিবলৈহে বাৰীৰ পিছফালে এবাৰ ওলোৱাৰ অনুমতি আছে। লেতেৰা স্কাৰ্টটো পিন্ধি থাকি অস্বস্তি লগাত সেইটো মনে মনে খুলি জুলিক খুজি আন এটা পিন্ধা চকুত পৰাত মাক অসন্তুষ্ট হৈ তাইক বকি বকি কৈছে যে গাঁৱৰ তোলনি হোৱা সকলোৱে এনেদৰেই থাকে, কাপোৰ নসলায়। ভায়েক ভনীয়েকহঁতে ভাত খোৱাৰ উমান পালে ধৃতিৰ পেটে কলমলায়, দুখ-ভোকত চকুলো বাগৰি আহে। নিয়মৰ নামত এজনী কিশোৰীক ভোকে লঘোণে ৰাখি, কেৱল ফলাহাৰ খাব দিয়া কথাটো ধৃতিৰ বাবে বোধগম্য নোহোৱা কথা।

তোলনি বিয়াত পিন্ধাবলৈ কেইসাজমান কাপোৰৰ প্ৰয়োজন হয়, পাৰিলে এসাজ পাটৰ কাপোৰ হ'লে ভাল। ধৃতিৰ মাকেও জীয়েকৰ ক্ষেত্ৰত এই অভাৱ পূৰণ কৰিবলৈ পোহনীয়া ছাগলী বেচি টকা যোগাৰ কৰিছে আৰু তাইৰ বাবে পাটৰ কাপোৰ এসাজ আনিছে। দেউতাক ঢুকুৱাৰ পৰাই সততে ধৃতিহঁতৰ খবৰ ৰখা মামাকেও ভাগিনীয়েকৰ তোলনি বিয়াত দিবলৈ সোণৰ কাণফুলি গঢ়াইছে। এই আয়োজনবোৰ মাকে অতি কষ্টেৰে কৰি থকা দেখিও কিশোৰী ধৃতিয়ে এক অজানা পুলক আৰু আনন্দ অনুভৱ কৰিছে — যিটো মনস্তাত্ত্বিক দিশৰ পৰাও বাস্তৱসন্মত। ধৃতিৰ মনৰ অনুভৱ উপন্যাসখনত এনেদৰে বৰ্ণনা কৰা হৈছে— *"পাটৰ কাপোৰ আৰু সোণৰ কাণফুলি পিন্ধি তাই কইনা হ'ব। অকমানি কইনা। তাই দেখিছে গাঁৱৰ প্ৰায় সমবয়সীবোৰ কইনা হোৱা। তাইৰো কইনা হোৱাৰ দিন পৰিছে। তাই কইনা হ'ব। তাইক সজাব ৰভাৰ তলত। সোণৰ চকমকনিত জিলিকিব তাই। পাটৰ কাপোৰ পিন্ধি ধুনীয়াজনী হ'ব তাই। তাইক সজাওঁতে আয়তীসকলে গীত জুৰিব। মাকে কাপোৰৰ টোপোলা এটা দি*

*তাইক চুমা খাব। কোলাত চাউল এবাতি লৈ তাই মানুহৰ পৰা উপহাৰ ল'ব।"*[৫৬]

ছোৱালী এজনী গাভৰু হোৱাৰ লগে লগে নিৰাপত্তা আৰু সুৰক্ষাৰ অধিক প্ৰয়োজন বুলি ভবা সমাজখন আৰু অভিভাৱসকল কিছু সজাগ, সচেতন হয়। পিতৃহীনা ছোৱালীৰ ক্ষেত্ৰত এই সজাগতাৰ অধিক প্ৰয়োজন বুলি কৰা ধাৰণাই বিধবা মাকজনীক কিছু চিন্তাত পেলায়। ধৃতিৰ খবৰ লবলৈ আৰু তোলনি বিয়াৰ যা-যোগাৰত সহায় কৰিবলৈ অহা প্ৰতিবেশী মহিলাসকলৰ কথা বাৰ্তাবোৰ শুনি শুনি ধৃতি বিৰক্ত হয়। গাভৰু ধৃতিক লৈ অহেতুক চিন্তা কৰি মাকৰ মনত ভীতিসঞ্চাৰ কৰি কথা কৈ থকা মানুহখিনিলৈ তাইৰ ভিতৰি ভিতৰি খং উঠি আহে। সেয়ে তাইৰ কোমল মনটোৱে চিন্তা কৰে — *"প্ৰাকৃতিক ঘটনাটোত ভীষণ অশান্তি ভোগা ছোৱালীজনীক একেদিনাই* ***ডাঙৰ হ'ল*** *বুলি তাইৰ কোমল মনটোক বাৰে বাৰে আঘাত সনা কি নিয়ম এয়া সমাজৰ।"*[৫৭]

শুই বহি ওচৰ চুবুৰীয়া মাইকী মানুহবোৰৰ কথা বতৰা শুনি শুনি তাইৰ কোমল মনটো আগতকৈও দৃঢ় হ'ল। তাই সিদ্ধান্ত ল'লে যিকোনো পৰিস্থিতিতে মাকক সহায়ৰ হাত আগবঢ়াই দিয়াৰ লগতে, পঢ়ি-শুনি শিক্ষিতা হ'ব আৰু ভায়েক ভনীয়েকহঁতৰো পথ প্ৰদৰ্শক হ'ব। সাতদিনৰ দিনা তোলনি বিয়াৰ সকলো নিয়ম নীতি হৈ যোৱাৰ পিছত যেতিয়া তাই বাহিৰ ওলাব পৰা হ'ল, তেতিয়াহে তাইৰ উপলব্ধি কৰিলে যে এই পৰিৱৰ্তনে এক অচিনা লাজৰ আভা ছটিয়াই গৈছে। প্ৰথমদিনা তাই স্কুললৈ নগ'ল, আনকি পথাৰত ছাগলী এৰাল দিবলৈ যাব মন নকৰিলে। তোলনি হোৱাৰ পিছত স্কুলত সমবয়সী, যিসকলৰ তেতিয়ালৈ তোলনি হোৱা নাই সিহঁতে সেইকেইদিনৰ অনুভৱ ধৃতিৰ পৰা জানিব বিচৰাত ধৃতিয়ে এই অৱস্থা হোৱাসকলেহে অনুভৱ কৰিব পাৰে বুলি উত্তৰ দিছে।

ধৃতিৰ ভনীয়েক জুলি আৰু কণটিৰ তোলনি বিয়া কেইখনো ধৃতিৰ নিয়মেৰে পালন কৰা হৈছিল বুলি উপন্যাসিকে উল্লেখ কৰিছে যদিও বহলাই আলোচনা কৰা নাই। কিন্তু কিছু পৰিমাণে জেদী জুলিৰ তোলনি হোৱাৰ পিছত মনৰ যিধৰণৰ পৰিৱৰ্তন হৈছিল তাৰ কিছু আভাস দিছে। ধৃতিৰ বিয়াত পাটৰ কাপোৰ, সোণৰ ফুলি দেখি জুলিয়েও মাকক তাইকো এইবোৰ লাগে বুলি আপত্তি দৰ্শাওতে মাকে কৈছিল যে তাইৰ তোলনি বিয়াত তাইকো এইবোৰ দিব। সেয়ে জুলিয়ে এইবোৰ পোৱাৰ আশাতে তোলনি হোৱা দিনটোলৈ বাট চাই

আছিল। কিন্তু যেতিয়া তাইৰ তোলনি হ'ল, তাই ভয়ত বিতত হৈ পৰিল আৰু লগে লগে গম্ভীৰো গ'ল। সেই মুহূৰ্ততে তাই উপলব্ধি কৰিলে মাক আৰু মামাকৰ কষ্ট, যিয়ে তাইৰ বাবে পাটৰ কাপোৰ আৰু সোণৰ কাণফুলি গঢ়াবলৈ যথেষ্ট চিন্তা কৰিব লাগিব। নাৰীলৈ উত্তৰণ ঘটা এটা মুহূৰ্ততে যেন ছোৱালীজনীৰ মনলৈ চিন্তাৰ গভীৰতা আহি গ'ল। তাই মাক আৰু মামাকক তাইৰ বাবে কষ্ট কৰি কাপোৰ অলংকাৰ একো গোটাব নালাগে বুলি কৈ দিলে। এই উত্তৰণ মনৰো উত্তৰণ— *"কৈশোৰ এৰি নাৰীলৈ উত্তৰণ ঘটিছে জুলিৰো। বুজন হোৱাটোৱে বৈশিষ্ট্য কিশোৰীৰ।"*[৫৮]

সাধাৰণতে গ্ৰাম্য সমাজখনত তোলনি হোৱাৰ পিছতে ছোৱালীৰ বিয়াৰ কথা আহে। সমাজৰ একাংশই ছোৱালীৰ অভিভাৱকৰ মনত সততে এই চিন্তা সোমাই দি কিছু পৰিমাণে ব্যতিব্যস্ত কৰি তোলে। মাখনিৰ ল'ৰা ছোৱালী কেইটা পঢ়াই শুনাই, ব্যৱহাৰ পাতিয়ে ভাল। এগৰাকী বিধৱাই সংসাৰখন আজুৰি সম্পূৰ্ণ নিষ্ঠা, দায়িত্ব, সাহস আৰু সততাৰে কেনেদৰে সিহঁতক মানুহ কৰিছে সকলোৱে দেখিছে। আনৰ ভাল দেখিব নোৱাৰা ঈৰ্ষাপৰায়ণ কিছুৱে সেয়ে কৈছে — *"**তোলনি** হৈ আমিনো কেইটা দিন আছিলো। মানুহ এটা চাই বিয়া দি দে। এটা পেট আঁতৰিলেও তোৰ কষ্ট কিছু কমিব।"*[৫৯] এই ধৰণৰ কথাইও মাখনিক নিজৰ সিদ্ধান্তৰ পৰা আঁতৰাই নানিলে, তাই আটাইকে সুপ্ৰতিষ্ঠিত কৰাবলৈ সক্ষম হ'ল। বাৰ-তেৰ বছৰত তোলনি হোৱাৰ পিছতে ছোৱালী বিবাহৰ উপযুক্ত হয় বুলি সমাজৰ এচামে মানি চলিলেও মাখনিয়ে বয়সৰ জোখাৰে ডাঙৰ হ'লে হে ছোৱালী বিয়া দিয়াৰ উপযুক্ত হয় বুলি বিবেচনা কৰে। উপন্যাসখনত তোলনি বিয়াৰ পাৰম্পৰিক ৰীতি-নীতিৰ পৰিৱৰ্তনৰ সমান্তৰালভাৱে নাৰী শিক্ষাৰ প্ৰতি থকা ধাউতিয়ে উত্তৰণমুখী সমাজ এখনৰ সৃষ্টিত যোগাব পৰা অৰিহণাই বিশেষ স্থান লাভ কৰিছে।

### ৪.০৪.৮ অন্যান্য লেখকৰ উপন্যাসত তোলনি বিয়া ঃ

নৱকান্ত বৰুৱাৰ *'ককাদেউতাৰ হাড়'* মহিম বৰাৰ *'এধানি মাহীৰ হাঁহি'*, জুৰি বৰা বৰগোহাঞিৰ *' নাংফা',* 'মণিকুন্তলা ভট্টাচাৰ্যৰ *'বৰদোৱানী'* উপন্যাস কেইখনত তোলনি বিয়াৰ ভিন্ন দৃষ্টিভঙ্গীয়ে স্থান পাইছে। *'ককাদেউতাৰ হাড়'* উপন্যাসখনত গাভৰু হোৱাৰ পিছত ছোৱালীবোৰ নৈৰ পাৰলৈ যে পানী নিবলৈ নাহে তাৰ এটি উল্লেখ আছে। ইয়াত

*'মানুহ হোৱা'* শব্দটো ব্যৱহাৰ কৰা হৈছে। উপন্যাসখনত দুটা আহোম বংশ ভোগাই বৰুৱা আৰু বাখৰ বৰাৰ কেইবা পুৰুষৰ আগত থকা এটা পৰিয়ালকেন্দ্ৰিক সংঘাতৰ কথা হেমন্তৰ আইতাকৰ মুখেৰে কৌশলেৰে উপস্থাপন কৰা হৈছে। হেমন্তই পচন্দ কৰা ছোৱালীজনীক বিয়া কৰোৱাৰ অনুমতি বিচাৰি গুৱাহাটীৰ পৰা নগাঁওলৈ যাওঁতে মৰাসুঁতিৰ দৰে কলংখন দেখি মনলৈ অহা স্মৃতি ৰোমন্থন কৰিছে। নৈৰ ঘাটত দেখা সৰু সৰু ছোৱালী কেইজনীমানৰ প্ৰসংগত কোৱা হৈছে — *"সৰুতে দেখিছিলো শিলঘাটৰ ওচৰত বাৰিষাৰ নাওঁৰ তলিখন মাথো তিতে। নাওঁবোৰ দলঙৰ দৰে উবুৰি হৈ পৰি থাকে। খৰালি বালিত গাঁত খান্দি পানী একো গাগৰি নিয়ে, ওহো গাঁৱৰ জীয়ৰী বোৱাৰীবোৰে নহয়, চুটি মেখেলাৰ ওপৰত ব্লাউজ পিন্ধা পেন্দুকনা আইটি একোজনীয়ে। কাৰণ* ***'মানুহ'*** *হোৱাৰ পিছত ছোৱালী ঘাটলৈ যোৱাটো লাজৰ কথা। "ভাল মানুহৰ গাওঁ যে।"*[৬০] এই কথাখিনিয়ে দুটা ইংগিত বহন কৰিছে, সেই সময়ৰ সৰু ছোৱালীবোৰে চুটি মেখেলাৰ ওপৰত ব্ৰাউজ পিন্ধিছিল আৰু তোলনি হোৱাৰ পিছত নৈ ঘাটলৈ অহা কথাটো উচ্চবৰ্ণৰ মানুহে পচন্দ কৰা নাছিল।

আন এটা ঘটনাক কেন্দ্ৰ কৰি সেইসময়ত বৰুৱা বংশৰ লোকৰ ছোৱালীৰ 'আগবিয়া' দিয়াৰ প্ৰথা যে নাছিল তাৰ ইংগিত পোৱা যায়। বাখৰ বৰুৱা আৰু ভোগাই বৰাৰ পৰিয়ালকেন্দ্ৰিক সংঘাতে এনে এটা ৰূপ লৈছিল যে ভোগাই বৰুৱাই বাখৰ বৰাক অপদস্ত কৰিবলৈ সাধাৰণ মানুহবোৰে বন্ধক থোৱা সোণ মোকলাবলৈ মানুহখিনিক ধন দি মনে মনে সহায় কৰিছিল। কিন্তু এনেদৰে সোণ মোকলাবলৈ গৈ কুমুদ নামৰ ব্যক্তিজন বাখৰ বৰাৰ লগুৱাৰ গুলিত নিহত হ'ব লগা হ'ল। এই ঘটনাটোত ভোগাই বৰুৱাই যাতে নিজৰ নাম সাঙোৰ নাখায় তাৰ বাবে মানুহবোৰক ক'বলৈ ধৰিলে যে তেওঁ কুমাৰ গাঁৱৰ মানুহবোৰক ছোৱালীৰ বিয়াৰ বাবে চৰু মলা গঢ়াবলৈহে টকা-সিকা দিছিল। এই কথাটো কাৰোৰে বাবে বিশ্বাযোগ্য নহ'ল, সেই সময়ৰ এঘাৰ বছৰীয়া ছোৱালীজনীৰ বাবে এতিয়াই চৰু মলা গঢ়াব দিয়াৰ কোনো যুক্তি নাই। কাৰণটো হ'ল এই বংশত কোনোৱে আগবিয়া নাপাতে, বৰবিয়া পাতিবলৈও বহু বছৰ — *"কথাখিনি আটাইৰে অস্বাভাৱিক যেন লাগিল, ভোগেশ্বৰ বৰুৱাই সাধাৰণতে ইমান কথা নকয়। এঘাৰ বছৰ বয়সতে এওঁ ছোৱালী উলিয়াই দিবনে? আগবিয়া দিয়া প্ৰথা এওঁলোকৰ পৰিয়ালত নাই...।"*[৬১] এনেদৰে ককাদেউতাৰ হাড়ত নৈৰ ঘাটত পানী অনা প্ৰসংগ আৰু

আগবিয়াৰ প্ৰসংগেৰে অসমীয়া সমাজৰ তোলনি বিয়াৰ পৰম্পৰাগত ৰীতি-নীতিৰ পৰিৱৰ্তনৰ লগে লগে তোলনি হোৱা ছোৱালীৰ স্বাধীনতাৰ দিশটো উন্মোচিত হৈছে।

মহিম বৰাৰ *'এধানি মাহীৰ হাঁহি'* উপন্যাসখনত তোলনি হোৱাৰ প্ৰসংগ আহিছে উপন্যাসখনৰ নায়ক জ্ঞানেন্দ্ৰ বায়ন অৰ্থাৎ দেউকনৰ ভনীয়েকৰ প্ৰসংগত। দেউকনে ককাকৰ ঘৰত এধানী মাহীৰ বিশেষ মৰম আৰু যত্নত চাৰিবছৰ থাকি সেই গাঁৱৰ হাইস্কুলত পঢ়িছিল আৰু তাৰ পৰাই মাইনৰ পাছ কৰে। মাইনৰ পাছ কৰিয়েই সি মামাকৰ সহযোগত চাহ বাগানত চাকৰিত সোমাল। এধানি মাহী আৰু নিজ ঘৰৰ পৰিয়ালৰ লগত যোগাযোগ ৰাখি চলা দেউকনে গাঁৱৰ ঘৰখনৰ খা-খবৰবোৰ ৰাখি থাকে। নিজৰ ভনীয়েক বকুলীৰ শিক্ষাৰ ক্ষেত্ৰত আহি পৰা ডাঙৰ সমস্যাটো আছিল, তাই স্কুললৈ যাবলৈ লগৰীয়াৰ অভাৱ। দেউকনে চাকৰিটো পোৱাৰ কাৰণে টকা পইচাৰৰ ক্ষেত্ৰত তাইৰ অসুবিধা হোৱা নাছিল, কিন্তু সেই সময়ত গাঁৱৰ ছোৱালীবোৰ তোলনি নোহোৱালৈকেহে স্কুললৈ গৈ আছিল, তোলনি হোৱাৰ লগে লগে সিহঁতক ঘৰতে ৰাখি তাঁত বোৱা তথা ঘৰুৱা অন্যান্য কামবোৰ কৰোৱা হৈছিল। এই কথাটো ইয়াত দেউকনৰ মুখেৰেই দাঙি ধৰা হৈছে — *"এতিয়া মোৰ চাকৰি হোৱাত ঘৰলৈ সহায় কৰিব পৰা অৱস্থা হোৱাত বৌটিয়ে ছোৱালীক ইংৰাজী পঢ়াবলৈ জোৰ দিলে। কিন্তু পঞ্চমমান শ্ৰেণীত লগৰ ছোৱালীৰজনী মানুহ হোৱাত অৰ্থাৎ* ***পুষ্পিতা*** *হোৱাত ছোৱালী স্কুললৈ নপঠোৱা হ'ল। বকুলীকো স্কুল এৰুৱাই ঘৰতে তাঁত সূতাৰ কাম, হাতৰ কাম শিকাইছে।"*[৬২] কেৱল লগৰীয়াৰ অভাৱত পঢ়া-শুনাৰ পৰা বঞ্চিত হোৱা কথাষাৰৰ পৰা সেই সময়ৰ সামাজিক জীৱনত নাৰীৰ স্থানৰ এটা আভাস পোৱা যায়। সেই সময়ত গাঁৱৰ ছোৱালীক পঢ়া-শুনা কৰোৱাতকৈ ঘৰুৱা কাম-বন শিকোৱাতহে অভিভাৱকে গুৰুত্ব দিছিল। বকুলীৰ ইচ্ছা থকা সত্বেও শিক্ষা লাভৰ পৰা বিঞ্চত হ'ব লগা হ'ল।

সাধাৰণতে ১১-১২ বছৰ বয়সত এজনী ছোৱালীৰ তোলনি হয় যদিও কেতিয়াবা এই বয়সৰ কিছু তাৰতম্য ঘটে। কোনো কোনো কাৰণত কেতিয়াবা ছোৱালী এজনীৰ তোলনি হওঁতে দেৰি হ'ব পাৰে। এনেদৰে দেৰিলৈ তোলনি নোহোৱাকৈ থকা ছোৱালীৰ অভিভাৱক, বিশেষকৈ মাকজনী অতি চিন্তিত হৈ পৰে। বকুলীৰ তোলনি হওঁতে পলম হোৱাত দেউকনৰ মাকো চিন্তিত হৈ পৰিছিল। বকুলীৰ সমবয়সী ছোৱালীবোৰৰ তোলনি হৈ

যোৰাৰ পিছতো বকুলীৰ তোলনি নোহোৱাত মাক যে যথেষ্ট চিন্তিত হৈ পৰিছিল তাৰ উমান দেউকনে আগতেই পাইছিল। এধানি মাহীৰ গিৰিয়েক ঢুকোৱাৰ সময়ত মাক তাইৰ ওচৰলৈ যাব নোৱাৰিলে, কাৰণ সেই সময়তে বকুলীৰ তোলনি হ'ল। দেউকনে এই সমস্ত খবৰ দেউতাকে তালৈ পঠোৱা চিঠিৰ পৰা জানিছিল — *"পিতাদেউৰ চিঠিৰ পৰা জানিলো মোৰ ভনী বকুলীও* ***তোলনি*** *হ'ল। তাইৰ* ***শান্তি হোৱা*** *পলম হোৱাত বৌটিৰ বৰ চিন্তা হৈছিল। সাদিনীয়া নোতোলাকৈ বৌটি ঘৰবন্দী। মাহীৰ দুৰ্যোগৰ সময়ত আমি কোনোৱে মাতষাৰ দিবলৈ যাব নোৱাৰিলো, ইয়ো এক ভাগ্যৰ পৰিহাস।"*[৬৩] উপন্যাসখনত দেউকনৰ মামাকৰ ছোৱালী দুজনীক টাউনৰ মিশ্যনেৰী স্কুলত নাম লগাই দিয়াৰ সময়ত *'ইতিমধ্যে সিহঁত ডাঙৰ হৈছে'* বুলি তোলনি হোৱাৰ কথা ইংগিত কৰিছে।

জুৰি বৰা বৰগোহাঞিৰ নাংফা উপন্যাসখন জয়মতী কুঁৱৰীৰ জীৱনভিত্তিক এখন ঐতিহাসিক উপন্যাস। ইয়াত জয়মতীয়ে কন্যাকাল পোৱাৰ সময়ছোৱাৰ অলপ উল্লেখ আছে আৰু তোলনি হোৱা বুজোৱা আহোম নাম *'নাং তেক বক'* বুলি উল্লেখ কৰিছে। কেইদিনমান আগতে জয়মতীৰ অৰ্থাৎ জয়াৰ নাং তেক বক খন পালন কৰা হৈ গৈছে। সেই সময়ৰ আহোম বিষয়াৰ তোলনি হোৱা কুমাৰীজনীক ওখ পালেঙত আছুতীয়াকৈ ৰখা হৈছিল আৰু আছুতীয়াকৈ কোঠাত আৱদ্ধ কৰি ৰাখি কেৱল ফলাহাৰহে কৰিব দিয়া হৈছিল। জয়মতীকো এই নিয়মেৰে ৰখা হৈছে। হয়তো আহোমৰ বিষয়াৰ ছোৱালীৰ তোলনি বিয়াত পানী তুলিবলৈ যাওঁতে ঢোল-পেপা সংগত কৰাৰ নিয়ম আছিল, সেয়ে আহোম বিষয়া লাইথেপেনা বৰগোঁহাইৰ আদৰৰ জীয়ৰী জয়াৰ তোলনি বিয়াত পানী তুলিবলৈ এনে আয়োজন কৰা হৈছিল — *"ঢোল পেপা লৈ বোৱাৰী জীয়ৰীয়ে পানী তুলিও আনিলে। খাৱনি পানীৰে গা ধুলে।"*[৬৪] জয়মতীক মাহীমাকহঁতে দলিচা পাৰি বহুৱাইছে আৰু নানা আ-অলংকাৰ পিন্ধাই ন-কইনাৰ দৰে সজাই পৰাই তুলিছে। ঢোল-পেপা বজোৱা, আ-অলংকাৰ পিন্ধোৱা আদি জাকজমকতাপূৰ্ণ ৰজাঘৰীয়া আয়োজনে সমসাময়িক প্ৰজাসকলৰ মাজত ক্ৰিয়া কৰিছিল বুলি অনুমান কৰিব পাৰি। জয়মতীৰ মাক চন্দ্ৰদাৰুৱে জয়মতীক ধুওৱা পৰ্ব শেষ হোৱাৰ পিছত সেই সময়ৰ নিয়ম মতে কইনাৰ মংগলৰ বাবে পুখুৰী পাৰত প্ৰাৰ্থনা কৰিলে। আহোম ৰীতিমতে চন্দ্ৰদাৰুৱে প্ৰাৰ্থনা কৰাৰ বৰ্ণনা দিয়া হৈছে — *"পুখুৰীৰ পাৰত গৈ ৰঙা মাটিৰে লিপি তাত এজোৰ ভীমকলৰ আগলি পাত*

*পাৰি এখন মিঠাতেলৰ মাটি চাকি, তামোল, পাণ, তামৰ অৰিহণা এটি, এমুঠি আৰৈ চাউল, হাঁহ কণী দি খামলাও স্রোতেৰে প্ৰাৰ্থনা কৰিলে।"*[৬৫] এই তোলনি বিয়াখন হৈ যোৱাৰ পিছৰে পৰা সকলোৰে চকুত পৰাকৈ জয়মতী গহীন-গম্ভীৰ হৈ পৰিছে আৰু ঘৰুৱা কাম-বন তথা নিজ ঘৰতে ৰাজবিষয়াসকলৰ মাজত হোৱা কথা বাৰ্তাৰ পৰা সেই সময়ৰ আহোম ৰাজ কাৰেঙত চলি থকা ঘটনা প্ৰৱাহৰ প্ৰতি অধিক মনোযোগী হৈ পৰিছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ *'বৰদোৱানী'* উপন্যাসত তোলনি হোৱা ছোৱালীজনীৰ মানসিক পৰিৱৰ্তনৰ সময়ত সাহস দিয়া মানুহৰ যে প্ৰয়োজন হয় তাৰ আভাস এটা সৰু ঘটনাৰ মাজেৰে দিয়া হৈছে। বৰদোৱানীৰ প্ৰতি অকৃত্ৰিম মৰম ভালপোৱা থকা সত্বেও মৃত্যুমুখী মাকৰ কথা ৰাখিবলৈ কেৱল সন্তান লাভৰ বাবেই পুণ্যধৰে ৰেণুক বিয়া কৰাব লগা হৈছিল। অৱশ্যে ৰেণুৱে পুণ্যধৰক নিৰাশ নকৰিলে, তাই লক্ষ্য আৰু কান্তা নামৰ এহাল ল'ৰা-ছোৱালীৰ মাক হ'ল। বৰদোৱানীয়ে দুয়োকে নিজৰ সন্তানৰ দৰেই মৰম কৰিলে। বৰদোৱানী গাঁৱৰ ঘৰত আৰু ৰেণু পুণ্যধৰৰ লগত পামৰ ঘৰতে বেছি থাকে। পামতেই কান্তাৰ তোলনি হোৱাৰ খবৰ লৈ পুণ্যধৰ বৰদোৱানীৰ ওচৰলৈ আহিছে। পামত পাতলীয়াকৈহে মানুহ থাকে, তাতে তিৰোতা মানুহৰ সংখ্যাও কম। কিশোৰী কান্তাই তোলনি হোৱাৰ পিছত অলপ ভয় কৰিছে, মাকে কি কৰিম নকৰিম যেন হৈ পৰিছে। কান্তাৰ তোলনি হোৱাৰ খবৰ পুণ্যধৰে বৰদোৱানীৰ কাণত পেলাইছে, বৰদোৱানীয়ে শুনিছে — *" হয়, কান্তাই **কন্যাকাল** পাইছে। বৰদোৱানী পামলৈ যাব লাগে।"*[৬৬] মাজে মাজে বৰদোৱানীৰ এটা মূৰ ঘূৰণি হয়, খবৰটো পোৱাৰ সময়তো তাইৰ গা-মূৰ ভাল নহয়। তথাপি পুণ্যধৰে তাইক কৈছে — *"অকণ মান বাৰু পালেই যাবি। তায়ো আশা কৰিছে, কান্তাইয়ো ভয় খাইছে। তই গলে ভাল পাব।"*[৬৭] বৰদোৱানীয়ে পামত থাকি তোলনি বিয়াখন পতাৰ পিছত ঘৰলৈ উভতি অহাৰ কথা উপন্যাসখনত বৰ্ণনা কৰা হৈছে যদিও ইয়াত তোলনি বিয়াৰ বিস্তৃত বিৱৰণ দাঙি ধৰা হোৱা নাই।

উপন্যাসসমূহত তোলনি বিয়াৰ লোকাচাৰ বা লোকবিশ্বাসসমূহ স্থান পোৱাটোৱে অসমীয়া সমাজত এই বিয়াখনৰ স্থান কিমান গুৰুত্বপূৰ্ণ তাৰ আভাস পাব পাৰি। ঔপন্যাসিকৰ নিজস্ব দৃষ্টিভঙ্গীৰে বিয়াখনৰ বিশ্লেষণ আৰু সেইসময়ৰ ছোৱালীজনীৰ মানসিক অৱস্থাৰ

চিত্ৰ চিত্ৰিত কৰাৰ  চেষ্টা কৰা দেখা যায়। কাহিনীৰ প্ৰয়োজন অনুসৰি তোলনি বিয়াৰ উপস্থাপনে একোখন উপন্যাসৰ কথাবস্তুক বিশেষ মান্যতা প্ৰদান কৰিছে।

### ৪.০৫ চুটিগল্পত তোলনি বিয়া ঃ

উপন্যাস সাহিত্যৰ দৰে গল্প সাহিত্যত সমাজ-জীৱনৰ বিস্তৃত ব্যাখ্যা সম্ভৱ নহ'লেও সমাজৰ কোনো দিশৰ খণ্ড চিত্ৰ একোটা প্ৰতিফলিত নোহোৱাকৈ নাথাকে। অসমীয়া চুটিগল্পত সমাজ-জীৱনৰ প্ৰতিচ্ছবি বিচিত্ৰ ৰূপত প্ৰতিফলিত হৈ আহিছে। গল্পকাৰসকলে তেওঁলোকে বাস কৰা সমাজখনৰ অৰ্থনৈতিক, ৰাজনৈতিক তথা সামাজিক জীৱনক সচেতনভাৱে অনুধাৱন কৰে আৰু প্ৰয়োজন সাপেক্ষে সাহিত্যত তাক দাঙি ধৰাৰ চেষ্টা কৰে। গ্ৰামীন অসমীয়া সমাজৰ নিখুঁট চিত্ৰ থকা গল্পবোৰত সমাজ জীৱনত প্ৰভাৱ পেলাই অহা ৰীতি-নীতি, ভাৱধাৰা, সামাজিক জীৱনত পালনীয় উৎসৱ-পাৰ্বণ তথা ইয়াৰ লগত জড়িত কু-সংস্কাৰ আৰু অন্ধ বিশ্বাসৰ ভয়াবহ ৰূপটোকে দাঙি ধৰা হয়। গাঁৱলীয়া সমাজৰ বিভিন্ন ৰীতি-নীতি, নিয়ম কানুনৰ দীঘলীয়া বৰ্ণনাৰে সমাজ এখনৰ লগত লেখক-লেখিকাসকলৰ নিবিড় সম্পৰ্ককে প্ৰমাণ কৰে। অসমীয়া সমাজ জীৱনত, বিশেষকৈ গ্ৰাম্য সমাজখনৰ প্ৰতিটো খোজতে পালনীয় লোকাচাৰ আৰু লোকবিশ্বাসসমূহৰ বিৱৰণ চুটিগল্পত কাহিনীৰ প্ৰয়োজন সাপেক্ষে বৰ্ণিত হৈ আহিছে। অসমীয়া গ্ৰাম্য সমাজত পুৰুষানুক্ৰমে চলি অহা এটি স্ত্ৰী আচাৰযুক্ত অনুষ্ঠান 'তোলনি বিয়া'ই প্ৰসংগক্ৰমে গল্প সাহিত্যত ভূমুকি মাৰিছে।

পৰম্পৰাগতভাৱে পালন কৰি অহা তোলনি বিয়াখনৰ গুৰুত্ব অসমীয়া সমাজত পৰিৱৰ্তিত ৰূপত হ'লেও বৰ্তমানো বৰ্তি আছে। আগবিয়া প্ৰচলন থকাৰ সময়ৰ পৰাই অসমীয়া সমাজত যে তোলনি হোৱা কথাটোৱে বিশেষ গুৰুত্ব লাভ কৰিছিল, সেই কথা গল্প সাহিত্যৰ মাজত ভূমুকি মাৰিছে। তোলনি হোৱা বুজোৱা আন শব্দবোৰৰ ব্যৱহাৰেৰে গল্পত আলোচিত হোৱা তোলনি বিয়াখনৰ প্ৰসংগত লোকাচাৰ বা লোকবিশ্বাস আদি সকলো গল্পত বহলাই আলোচনা হোৱা নাই। আৱাহন যুগৰ গল্পত শান্তি বিয়াৰ প্ৰসংগই স্থান পোৱাটো মন কৰিবলগীয়া। আগবিয়া হৈ উঠা ছোৱালী গৰাকী পুষ্পিতা হোৱাৰ পিছত শান্তি বিয়াখন পতা হয়। যিহেতু স্বাধীনতাৰ আগৰ সময়ছোৱাত অসমীয়া উচ্চবৰ্ণৰ মানুহৰ মাজত আগবিয়াখনৰ গুৰুত্ব আছিল সেয়ে ন-দহ বছৰীয়া ছোৱালী এজনীক বিয়া দিয়াটো এটা সাধাৰণ ঘটনাৰ দৰে

আছিল। কেতিয়াবা শান্তি বিয়া নোহোৱাৰ আগতে ছোৱালী গৰাকী বিধৱা হ'ব লগা হৈছিল বা অন্যান্য কাৰণত ছোৱালীজনী বিয়াখন নিটিকিলে তাই ওৰেটো জীৱন সমাজৰ অনাদৰ অৱহেলাৰ মাজেৰে থাকিব লগা হৈছিল। আৱাহন যুগৰ কেইটামান গল্পত এই শান্তি বিয়াখনৰ উল্লেখ আছে। আৱাহন যুগৰ গল্পত এটা কু-সংস্কাৰ হিচাবে বৰ্তি থকা বাল্যবিবাহৰ প্ৰসংগেৰে লিখা গল্পবোৰত শান্তি বিয়াৰ কথা দাঙি ধৰা হৈছে। অৱশ্যে গল্পবোৰত এই বিয়াখনৰ বিস্তৃত বিৱৰণ নাই, দুই এটা গল্পত ইয়াৰ লগত জড়িত লোকবিশ্বাসৰ এটা আভাস পাব পাৰি। আৱাহন যুগৰ গল্পত শান্তি বিয়াৰ উল্লেখ থকা কেইটামান উল্লেখযোগ্য গল্প হ'ল আনন্দচন্দ্ৰ বৰুৱাৰ *'কপাল'*, হলীৰাম ডেকাৰ *'বিধান'*, হৰেন্দ্ৰনাথ কলিতাৰ *'সুদূৰ-ভৱিষ্যত'* ৰজনীকান্ত বৰদলৈৰ *'গা-ধন'* আৰু *গিৰিশ চন্দ্ৰ কাকতিৰ 'গোলাপী'*।

'আৱাহন' ৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত প্ৰকাশ পোৱা আনন্দচন্দ্ৰ বৰুৱাৰ 'কপাল' গল্পত এগৰাকী ন-দহ বছৰীয়া ছোৱালীক কলেজত পঢ়ি থকা প্ৰায় ২০-২১ বছৰীয়া ডেকাই বিয়া কৰোৱাৰ কথা বৰ্ণনা কৰা হৈছে। গল্পটোৰ পৰা এটা কথা গম পোৱা যায় যে সেই সময়ত বাল্যবিবাহ কৰাই ছোৱালী গৰাকী পুষ্পিতা নোহোৱালৈকে মাকৰ ঘৰতে থোৱা হয় যদিও ল'ৰাজন মাজে মাজে তেওঁলোকৰ ঘৰলৈ যোৱাৰ নিয়ম আছে। গল্পটোত উল্লেখ থকা মতে কলেজীয়া ছাত্ৰ কনকে প্ৰতিভা নামৰ ছোৱালীজনীক আগবিয়া কৰাই থোৱা প্ৰায় এবছৰে হ'ব। এই প্ৰসংগত গল্পৰ বিৱৰণ এনেধৰণৰ— *"যোৰহাটতে কনকৰ শাহুৰেকৰ ঘৰ। যোৱা বছৰ বিয়া কৰালে। এতিয়াও **শান্তি** লোৱা নাই।"* ৬৮ গল্পটোত বৰ্ণনা কৰা মতে কলেজৰ বন্ধত কনক ঘৰলৈ নগৈ অ'ত ত'ত ঘূৰি ফুৰি, শেষত শহুৰেকৰ ঘৰত কটাইহে নিজ ঘৰলৈ গৈছে। পোনে পোনে ঘৰলৈ নোযোৱাৰ ফলত সেই সময়তে তেওঁৰ পিতৃ বিয়োগ ঘটাত জীয়াই থকা অৱস্থাত দেউতাকক দেখা নোপোৱাৰ এটা দুখ থাকি গ'ল। আগবিয়া কৰাই থোৱা ছোৱালীৰ ঘৰত তেওঁৰ স্বামীজন থকাৰ নিয়ম যে প্ৰচলিত আছিল তাৰ উমান গল্পটোৰ পৰা পাব পাৰি।

আৱাহনৰ ১ম বছৰ ১ম সংখ্যাতে প্ৰকাশিত আন এটা গল্প হৈছে হৰেন্দ্ৰনাথ কলিতাৰ 'সুদূৰ ভৱিষ্যত'। গল্পটোত বাল্য বিবাহ কৰাই শান্তি বিয়া পতালৈকে মাকৰ ঘৰত থকা কালছোৱাত বিনা কাৰণত বদনামী হৈ কেনেদৰে এটা ভয়াৱহ ভৱিষ্যতৰ পিনে গতি কৰিব

লগা হয় তাকেই কোৱা হৈছে। হাকিমৰ ছোৱালী মাইচেনাক বাল্যবিবাহ কৰাই তাইৰ দৰাজন হাকিমৰ সহযোগতে কলিকতাত পঢ়িবলৈ যায়। এদিন হাকিমৰ ঘৰত চুৰ কৰিবলৈ সোমাই হৰিহৰ নামৰ ডেকা এজন ৰাইজৰ হাতত ধৰা পৰে। ধৰা পৰাৰ পিছত নিজক বচাবলৈ মাইচেনাইহে তাক হাকিমৰ ঘৰলৈ মাতি আনিছে আৰু মাজে মাজে তাক তাই মাতে বুলি সকলোৰে আগত কৈ দিলে। সকলোৰ আগত এই গোকাট মিছা কথা কোৱাৰ পিছত মাইচেনাৰ জীৱনলৈ ঘোৰ অন্ধকাৰ নামি আহে। তাই আত্মপক্ষ সমৰ্থন কৰাৰ সুযোগেই নাপালে, সকলোৱে চোৰৰ কথাটোৱে সঁচা বুলি ভাবি ল'লে। ইকাণে-সিকাণে কথাটো দৰাজনৰ কাণতো পৰিলগৈ আৰু তাৰ গাঁৱৰ মানুহেও এনে দুশ্চৰিত্ৰৰ ছোৱালী গাঁৱত সোমালে সিহঁতক এঘৰীয়া কৰিব বুলি ভাবুকি দিলে। উপায়ন্তৰ হৈ দৰাই তাইক শান্তিবিয়া নকৰোৱাৰ সিদ্ধান্ত লয়।

মাইচেনাৰ ভৱিষ্যত এনে অন্ধকাৰত সোমাই পৰাৰ কাৰণে তাইৰ দেউতাকো কিছু পৰিমাণে দায়ী। দৰাজনৰ দেউতাকে পুষ্পিতা হোৱাৰ আগতে মাইচেনাক ঘৰলৈ নিব বিচাৰিছিল যদিও হাকিমে তাইক শান্তি হোৱাৰ পিছত পঠাম বুলি কৈ থলে। শান্তি হোৱা পিছত কইনাক নিবলৈ দৰাৰ দেউতাক যোৱাৰ কথা দৰাৰ মুখেৰে গল্পকাৰে এনেদৰে কৈছে — *"মই কলিকতালৈ যোৱাৰ পিছত মোৰ পত্নীৰ* ***শান্তি হ'ল****। দেউতাই মোৰ শান্তি বিয়া পাতিবলৈ বুলি শহুৰৰ ঘৰলৈ দিন কৰিব আহিল।"*[৬৯] কিন্তু এইবাৰ তেওঁ গাঁৱলৈ ছোৱালী নপঠাও বুলি কোৱাত দৰাইও তেওঁক শান্তি বিয়া নকৰাও বুলি কৈ দিলে। মাজৰ এই সময়ছোৱাতেই মাইচেনাক চোৱে বদনামী কৰিবলৈ সুবিধা পালে। মাইচেনাৰ দেউতাকে যদি শান্তি হোৱাৰ পিছতেই ছোৱালী পঠোৱা হ'লে মাইনেচাৰ জীৱনলৈ এনে দুৰ্ভাগ্য নাহিলহেঁতেন। আনহাতে গল্পটোৰ মাজেৰে সেই সময়ৰ পুৰুষতান্ত্ৰিক সামজৰ মানসিকতাও ফুটি ওলাইছে। বাদী আৰু প্ৰতিবাদী দুয়োপক্ষৰ কথা নুশুনাকৈ অকল পুৰুষ হোৱা বাবে চোৰ হ'লেও চোৰৰ কথাকে হয়ভৰ দিয়া ৰাইজৰ বাবেই তেনে ঘটনা সংঘটিত হৈছে।

'আৱাহন' ৰ প্ৰথম বছৰ তৃতীয় সংখ্যাত প্ৰকাশিত হলিৰাম ডেকাৰ *'বিধান'* নামৰ গল্পটোতো এগৰাকী প্ৰতিপত্তিশালী ব্যক্তি অশোক বৰুৱাৰ নাতিনী লাৱণ্যৰ দুৰ্ভাগ্যৰ কথা কবলৈ যোৱাৰ প্ৰসংগতে শান্তি বিয়াৰ কথা উল্লেখ কৰা হৈছে। লাৱণ্যৰ আগবিয়া দিয়াৰ

সময়ত নবীন নামৰ এজন ডেকা পচন্দ কৰা হৈছিল যদিও নবীনৰ লগত ৰাহি-যোৰা নিমিলাত তাইক তৰুণ নামৰ আন এজন ডেকাৰ লগত বিয়া ঠিক হ'ল। আগবিয়া কৰাই তৰুণ বৰুৱাৰ ঘৰতে থাকিলেও শান্তি নোহোৱাৰ বাবে লাৱণ্যৰ লগত ঘনিষ্ঠ হোৱাৰ সুযোগ পোৱা নাছিল। অৱশ্যে লাৱণ্য তৰুণৰ সন্মুখত ওলোৱা সোমোৱা কৰিছিল। অশোক বৰুৱাৰ অধিক কতৃত্বশীল ব্যৱহাৰত বেয়া পাই তৰুণ এদিন টালি-টোপোলা বান্ধি তাৰপৰা পলাই গ'ল। ইয়াৰ লগে লগে পুষ্পিতা হোৱাৰ পিছত হ'বলগীয়া শান্তি বিয়াখনত অনিশ্চয়তা দেখা দিলে — *"কিন্তু তৰুণ যে আহিব লাগে, লাৱণ্যক* ***শান্তি বিয়া*** *কৰাই নিব লাগে, এই কথাৰ বন্দোৱস্ত কৰে কোনে?"*[১০] অৱশ্যে তৰুণে তাৰ টি.বি হোৱাৰ কাৰণেহে যে আঁতৰি আছিল সেই কথা পিছত বৰুৱাহঁতে গম পায়। তৰুণৰ লগত লাৱণ্যৰ বিয়া হৈও সংসাৰ নহ'ল, নবীনৰ লগত ৰাহি-যোৰা নহ'ল। ফলত লাৱণ্য এগৰাকী বিধৱা নাৰীৰ দৰে জীৱন কটাবলগা হ'ল।

ৰজনীকান্ত বৰদলৈৰ *'গা-ধন'* নামৰ গল্পটো আৱাহন'ৰ প্ৰথম বছৰ ৬ষ্ঠ সংখ্যাত প্ৰকাশ পাইছিল। হলধৰ ব্ৰাহ্মণে নজনী ছোৱালীৰ আঠজনীক গা-ধন লৈ বিয়া দি অজস্ৰ টকা গোটাই থৈ সৰুজনী ছোৱালী কেতেকীকো শান্তি হোৱাৰ আগতে বিয়া দিবলৈ সাজু হ'ল। ভবানন্দই কেতেকীক বিয়া কৰাব খোজে যদিও পাঁচশ টকা গা-ধন দিবলৈ টান পায়। কিন্তু তাৰ মাক ৰূপহীয়ে গৰু-ছাগলী বিক্ৰি কৰি পুতেক ভবানন্দৰ বিয়াখন কেতেকীৰ লগতে পাতিলে। কেতেকীয়ে কিন্তু বিয়াৰ দিনাই বাপেকে গোটাই থোৱা টকা-পইচা গোটেই সোপা মনে মনে আনি ৰূপহীক দি দিলে। ইফালে টকা চোৰ হোৱা বিচাৰত কেতেকীয়ে বাপেকৰ কথাবোৰ ৰাইজক কোৱাত ৰাইজে হলধৰৰ লোভকে ধিক্কাৰ দিলে। হলধৰেও নিজৰ ভুল বুজিব পাৰিলে। গল্পটোত কেতেকীৰ লগত হোৱা শান্তি বিয়াখনৰ কথা কবলৈ গৈ তাই পোৱা সুভাগা যোগৰো উল্লেখ কৰা হৈছে — *"বিয়া কৰোৱাৰ ছমাহৰ মূৰত কেতেকীৰ* ***নোৱাই তোলনি*** *হ'ল। সুভাগা যোগৰ.... ভবানন্দে শান্তি কৰাই ঘৰলৈ আনিলে।"* [১১]

আৱাহনৰ প্ৰথম বছৰ অষ্টম সংখ্যাত প্ৰকাশিত গিৰিশচন্দ্ৰ কাকতীৰ *'গোলাপী'*নামৰ গল্পটোত উচ্চবৰ্ণৰ লোকসকলে প্ৰথম কন্যা সন্তানটিক যে বাল্য বিবাহ দি পুণ্য অৰ্জন কৰিব বিচাৰিছিল তাৰ আভাস পোৱা যায়। গোলাপীৰ শান্তি নোহোৱাৰ আগতে বিয়া দিবলৈ যো-

জা কৰি দৰা ঠিক কৰা হ'ল। কিন্তু দুৰ্ভাগ্যবশত: বিয়াৰ আগদিনা দৰাজনৰ মৃত্যু ঘটাত ছোৱালীজনীৰ ভৱিষ্যত অনিশ্চিত হৈ পৰিল। আৱশ্যে তাইক সৰুৰেপৰা ভালপোৱা ৰমেশ নামৰ ডেকা এজনে গোলাপীক বিয়া কৰাই পৰিয়ালটো উদ্ধাৰ কৰে। গল্পটোত পৰিৱৰ্তকামী সমাজৰ উজ্বল দিশটো গল্পৰ মাজেৰে ফুটি ওলাইছে, ৰমেশ নামৰ চৰিত্ৰটোৱে সেই পৰিৱৰ্তনক প্ৰতিনিধিত্ব কৰিছে।

আৱাহন যুগৰ গল্পত বাল্যবিবাহ অৰ্থাৎ আগবিয়াখনক কেন্দ্ৰ কৰি শান্তি বিয়াখনক গুৰুত্ব দিয়া হৈছে। ইয়াৰ পৰৱৰ্তীকালৰ গল্পসমূহত আগবিয়া আৰু পৰম্পৰাগত নীতি-নিয়মৰ কথা আলোচনা প্ৰসংগত তোলনি বিয়াৰ উল্লেখ আছে। কাহিনী বা পটভূমিৰ দাবী অনুযায়ী কোনো কোনো গল্পত তোলনি বিয়াৰ বিস্তৃত বিৱৰণো দিয়া হৈছে। লেখক লেখিকাৰ নিজস্ব দৃষ্টিকোণৰ পৰা এই বিয়াখনৰ বা তোলনি হোৱা অৱস্থাটোৰ বিভিন্ন দিশ বিচাৰ বিশ্লেষণ কৰিছে। তলত ৰামধেনু যুগৰ পৰা সাম্প্ৰতিক যুগলৈ প্ৰকাশিত কেইজনমান নিৰ্বাচিত লেখকৰ কেইটামান গল্পত তোলনি হোৱা কথাটোৱে কেনেদৰে গুৰুত্ব লাভ কৰিছে তাক আলোচনা কৰা হ'ল।

### ৪.০৫.১ নন্দিতা দেৱীৰ গল্পত তোলনি বিয়া ঃ

নন্দিতা দেৱীৰ *'বান্দী'* নামৰ গল্প পুথিখনত সন্নিবিষ্ট *'চাৰিত্ৰিক উত্তৰাধিকাৰ'* শীৰ্ষক গল্পটোত নতুন দৃষ্টিভঙ্গীৰে তোলনি বিয়াৰ প্ৰসংগই স্থান পাইছে। গল্পটোৰ নায়িকা ভানুবালা আৰু তাইৰ মাক সুৱৰ্ণ দুটা ভিন্ন যুগৰ, ভিন্ন মনৰ নাৰী। সুৱৰ্ণই চাৰিটা সন্তানৰ মাক হৈও গিৰিয়েকৰ আন এগৰাকী নাৰীৰ সতে থকা অবৈধ সম্পৰ্কক এয়া পুৰুষৰ চৰিত্ৰ বুলি নিৰ্বিবাদে মানি লৈছে। গিৰিয়েকৰ ওচৰত বা শহুৰ-শাহুৰ ওচৰত মুখ বন্ধ কৰি তাই যেন তেওঁলোকৰ প্ৰতি তেওঁক উদ্ধাৰ কৰাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। সুৱৰ্ণ এগৰাকী ব্ৰাহ্মণ সম্প্ৰদায়ৰ ছোৱালী। সুৱৰ্ণৰ বসন্ত ৰোগ হৈ এটা চকু কেৰা হৈছিল। কেৰা চকুৰ বাবে তাইৰ বাল্য বিবাহৰ বাবে উপযুক্ত পাত্ৰ পোৱাটো জটিল হৈ পৰিছিল। সুৱৰ্ণৰ বাপেকৰ সদায় চিন্তা শান্তি হোৱাৰ আগতে তাইক বিয়া দিব নোৱাৰিলে গোটেই পৰিয়াল নৰকত পৰিব লাগিব, গল্পকাৰে এই কথা বৰ্ণনা কৰিছে এনেদৰে — *"ঘৰতে* ***শান্তি*** *হৈ পূৰ্বপুৰুষ ৰৌ ৰৌ নৰকত পৰিব বুলি বংশ পৰিয়ালৰ মাজত একপ্ৰকাৰ হাহাকাৰেই লাগিছিল। ভাগ্যে বলোপণ্ডিতৰ*

*ঘৰৰ সম্বন্ধটো আহিল। ছোৱালীজনী  এঘৰত গতাই বাপেকটো উদ্ধাৰ হ'ল।"*[১২] শান্তি হোৱাৰ আগতে সুৱৰ্ণক  বিয়া দি বাপেক  উদ্ধাৰ হোৱাৰ বিনিময়ত সুৱৰ্ণই  গিৰিয়েকৰ অৱহেলা অনাদাৰ নীৰৱে সহি থাকি  পৰিয়ালটোলৈ কৃতজ্ঞ হৈ থাকিব লগা হ'ল। বাপেক উদ্ধাৰ হোৱা ভাবটোৱে মানুহজনীৰ সকলো আশা আকাংক্ষা মষিমূৰ কৰি পেলালে।

মাকে সহি অহা অপমান, দুখ কষ্টখিনি অনুধাৱন কৰি অহা তেওঁৰ ডাঙৰ ছোৱালী ভানুবালা দৰ্শনৰ অনাৰ্চ লৈ পঢ়ি আছে। দেউতাকে মাকক কৰা ব্যৱহাৰ আৰু বিশ্বাসঘাটকতা দেখি তাই কিছু পৰিমাণে পুৰুষ বিদ্বেষী হৈ উঠে আৰু বিয়াত বহিবলৈ অমান্তি হয়। প্ৰত্যেকবাৰে তাইক চাবলৈ অহা মানুহক তাই নিৰাশ কৰে। ইয়াৰ বাবে ঘৰৰ মাক, আইতাক যিমানেই অসন্তুষ্ট, সিমানেই দেউতাকৰ তৰ্জন গৰ্জনো বাঢ়ি যায়, তথাপি তাই বিয়াত বহিবলৈ মত নিদিয়ে। ভানুবালা  বাল্য বিবাহৰ সময়ছোৱাৰ পৰা বাহিৰ হৈ আহিছে যদিও তাইৰ তোলনি বিয়াখনক গুৰুত্ব দিয়া হৈছে। গল্পটোত তোলনি বিয়াৰ লোকাচাৰ আৰু লোকবিশ্বাসবোৰ উল্লেখ আছে, যিবোৰ ভানুবালাই ডাঙৰ হৈ মনত পেলাইছে আৰু নিজস্ব দৃষ্টিভঙ্গীৰে তাক বিচাৰ কৰিছে। বছৰচেৰেক আগতে হোৱা ভানুবালাৰ তোলনি বিয়াখনৰ কথা মনত পেলাই তাই  অনুভৱ কৰিছে সেইবোৰ এক মানসিক নিৰ্যাতনৰ বাহিৰে আন একো নহয়। ছোৱালী মানুহৰ জীৱনত বিয়া আৰু স্বামীভক্তিৰ বাহিৰে যেন ভাবিবলগীয়া একোৱেই নাই, এনে মানসিকতাক গঢ় দিয়াৰ উদ্দেশ্যে সৰুতে ছোৱালীজনীৰ মনত দৰাৰ ভাৱমূৰ্তি এটা  স্থাপন কৰাৰ চেষ্টা কৰা হয়। এই কথাখিনি গল্পটোত সন্নিৱিষ্ট হৈছে এনেদৰে— ***"নোৱাই তোলনি*** *বিয়াত আয়তীসকলে তাইক নি কলগছৰ গুৰিত সেৱা কৰোৱালে। এয়া হ'ল তাইৰ কলগছৰূপী ভাবী স্বামী। ভাল হওঁক বেয়া  হওঁক এতিয়াৰ পৰাই ভাব  ভক্তি কৰি  ভাবী  স্বামীৰ কাল্পনিক অৱয়ৱ এটা  অন্তৰত থিত দিয়াবলৈকে  এইবোৰৰ  আয়োজন।"*[১৩] তোলনি বিয়াখন যে আয়তীসকলৰ মাজতেই সীমাবদ্ধ  থাকে  আৰু বেইৰ কাষত পোতা কলগছটো দৰাৰ প্ৰতীক বুলি ভবা হয় সেই কথাৰ উমানো এই কথাখিনিৰ  মাজত পোৱা যায়। আয়তীসকলে মাটিমাহ আৰু কেঁচা হালধি বটাৰে তাইক গা ধুওৱাৰ কথা উল্লেখেৰে তোলনি বিয়াৰ কইনাজনী গা ধুৱাওতে মাহ হালধি বটাৰ ব্যৱহাৰ হোৱা কথাটোকে সুচাইছে।

অসমীয়া লোক জীৱনত ভূত-ভৱিষ্যত  সম্পৰ্কে জানিবলৈ ভৱিষ্যত গণনা কৰাৰ

নিয়ম প্ৰচলিত আছে। তোলনি হোৱা ছোৱালীৰ গণনা কাৰ্য অপৰিহাৰ্য, ভানুবালাৰো গণনা কৰা হৈছে। তাইৰ গণনাৰ ফলাফল শুভ নহয়, বিশেষকৈ তাই যিটো যোগ পাইছে সেই যোগটো আটাইতকৈ বেয়া যোগ বুলি ধৰা হয়। তাই পোৱা যোগটো হৈছে পতিহীনা। এই যোগে ভৱিষ্যতে ছোৱালীজনী সোনকালে বিধৱা হোৱাৰ ইংগিত দিয়ে, গতিকে ইয়াৰ বাবে আয়তীসকলে ইস্-আস্ লগাইছে। এগৰাকী কিশোৰীৰ ভৱিষ্যত লৈ অযথা হৈ চৈ কৰা এনে ধৰণৰ মানসিকতাই তাইৰ বাবে নিৰ্যাতন স্বৰূপহে বুলি ভানুবালাই উপলব্ধি কৰে — *"কি সাংঘাতিক মানসিক নিৰ্যাতন। ছোৱালীজনীৰ মনটো যেন লাহে লাহে চেঙা মাছে বাম পানীৰ গাঁতত সোমোৱাইদি সোমাইহে পৰিব। আঃ নাৰীৰ মন দুখেৰে ভৰাই তুলিব পৰাকৈ নাৰী জীৱনৰ এক ব্ৰহ্মমুহূৰ্তৰ কি এক বুকু বিন্ধি যোৱা নামকৰণ। বেশ্যা যোগ, পতিহীনা যোগ। নাৰীৰ ভৱিষ্যতটো যেন শাস্ত্ৰই আগতীয়াকৈ হাতৰ মুঠিত ৰাখি থব।"*[৭৪] ভানুবালাই এইদৰে এটা প্ৰাকৃতিক ঘটনাৰ আলমত ভূত ভৱিষ্যত গণনা কৰি কোমল বয়সীয়া ছোৱালী এজনীৰ মনত ভৱিষ্যতৰ ভয়াৱহতা দাঙি ধৰাটো একেবাৰে যুক্তিসংগত নহয় বুলি উপলব্ধি কৰে। এটা প্ৰাকৃতিক ঘটনাৰ মুখামুখি হ'বলৈ ছোৱালীজনীক লৈ যিবোৰ আনুষ্ঠানিকতা কৰা হয় ল'ৰা এজনৰ ক্ষেত্ৰত এনে কোনো আনুষ্ঠানিকতাৰ আয়োজন নহয়। কিন্তু পুৰুষেও নাৰীৰ দৰে এটা নতুন জীৱনত সোমাই পৰে — *"পুৰুষটো সময় কালৰ অতীত নহয়। পুৰুষৰো বীৰ্যস্খলনৰ এক ব্ৰহ্মমুহূৰ্ত থাকে। সেই ব্ৰহ্মমুহূৰ্ত শুভনে অশুভ তাক নিৰ্ণয় কৰাৰ কিবা বিধান শাস্ত্ৰই দিয়েনে? নাৰীৰ দৰে পুৰুষৰ বেলিকা মানুহৰ জীৱনৰ একান্ত ব্যক্তিগত তথা প্ৰাকৃতিক সেই পৰিঘটনা ঢাক-ঢোল বজাই জনাজাত কৰাৰ কোনো আয়োজনটো সমাজত নাই।"*[৭৫] পুৰুষ আৰু নাৰীৰ এই বিভেদ লক্ষ্য কৰি আৰু লোকাচাৰৰ নামত, পৰম্পৰাৰ নামত সমাজে এগৰাকী কিশোৰীক দি থকা তীক্ষ্ণ চকুৰে ভানুবালাক মানসিকভাৱে বিধ্বস্ত কৰে, কিন্তু তাই জানে ইয়াৰ পৰা পৰিত্ৰাণৰ উপায়ো নাই। সেয়ে তাই উপলব্ধি কৰে— *"ধুৱনিৰ পাছৰ পৰা সমাজশাস্ত্ৰই বান্ধি দিয়া অন্য এক ভয়ংকৰ পৃথিৱীৰ উপলব্ধিয়ে ভানুবালাৰ মনৰ আকাশখন বাৰিষাৰ মেঘাচ্ছন্ন আকাশৰ দৰে ওন্দোলাই আনিছে। সাংঘাতিক মনৰ জোৰ নাথাকিলে এনে অৱস্থাৰ পৰা উদ্ধাৰ নাই।"*[৭৬] ভানুবালাৰ মনত উদয় হোৱা এনেধৰণৰ চিন্তা ভাৱনাবোৰৰ যুক্তিসংগত কাৰণ থাকিলেও নাৰী হোৱাৰ দুৰ্ভাগ্যৰ

বাবেই তাই তাৰপৰা ওলাই অহাৰ বাট বিচাৰি নাপায় বুলি অনুভৱ কৰে।

গল্পটোত লেখিকাই তোলনি হোৱাৰ সমাৰ্থক বহুকেইটা শব্দ ব্যৱহাৰ কৰিছে, সেইকেইটা হ'ল— শান্তি হোৱা, নোৱাই তোলনি বিয়া, কইনাকাল পোৱা আৰু ধুৱনি। গল্পটোৰ মূল বিষয়বস্তু যদিও পুৰুষ প্ৰধান সমাজত নাৰীৰ তুচ্ছ মৰ্যাদা দাঙি ধৰা, তাৰ মাজতে লেখিকাই সাৱলীলভাৱে তোলনি বিয়াৰ প্ৰসংগক টানি আনিছে। তোলনি বিয়াৰ প্ৰসংগৰ মাজেৰে নাৰী আৰু পুৰুষৰ ক্ষেত্ৰত সমাজৰ ভিন্নমুখী বিচাৰক নতুন দৃষ্টিভংগীৰে লেখিকাই চিত্ৰিত কৰিছে।

**৪.০৫.২ নীলিমা শৰ্মাৰ গল্পত তোলনি বিয়া ঃ**

হৃদয়ানন্দ গগৈয়ে সম্পাদনা কৰা *'ৰামধেনুৰ শ্ৰেষ্ঠ গল্প সংকলন'*ৰ অন্তৰ্গত নীলিমা শৰ্মাৰ *'অন্যসুঁতি'* গল্পটোত এগৰাকী কিশোৰীৰ মনৰ জগতখনৰ কথা বৰ্ণনা কৰা হৈছে। মিনু নামৰ কিশোৰীগৰাকী ঘৰৰ একমাত্ৰ ছোৱালী, মাক ৰুগ্না। মাক, আইতাক আৰু দেউতাকৰ অতি মৰমৰ ছোৱালী মিনুক সহায় কৰে মালতী নামৰ আন এজনী ছোৱালীয়ে। মিনুৰ দেহলৈ লাহে লাহে অহা পৰিৱৰ্তনবোৰৰ বাবে আইতাকে সদায় তাইক ফ্ৰক এৰি মেখেলা চাদৰ পিন্ধিব কয়, কিন্তু মিনুৱে আপত্তি কৰে। মাকে তাইৰ দৈহিক পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি ছোৱালীৰ আচাৰ-ব্যৱহাৰ, স্বভাৱ কেনে হোৱা উচিত সেই সম্পৰ্কে বুজাবলৈ চেষ্টা কৰে। মিনুৱে মন কৰে লিচু বগৰীৰ জুতি বিচাৰি ফুৰা, গুটি খেলি ফুৰা তাইৰ সমনীয়াবোৰ লাহে লাহে খেলিবলৈ নহা হ'ল। তাই বুজিব পাৰে সকলো ছোৱালী লাহে লাহে ডাঙৰ হ'ল। মেখেলা চাদৰ পিন্ধিবলৈ আপত্তি কৰিলে সেয়েহে আইতাকে নিজৰ নাতিনীয়েকক কয় — *"আমি এই বয়সত লোকৰ ঘৰত গেবাৰি খাটিছিলো, তহঁতৰ কপাল ভাল, দিন কাল সলনি হ'ল। সেই বুলিনো আৰু গাভৰু বয়স পাই মেখেলা চাদৰ সাজ পিন্ধিব নেপাৱনে?"*[১১] তোলনি হোৱাৰ আগতে গাত কাপোৰ দিয়াৰ যি প্ৰথা আছিল মেখেলা পিন্ধিব দিয়া কথাটোৰ মাজেৰে তাৰেই ইংগিত পোৱা যায়।

গল্পটোত পোনপটীয়াকৈ তোলনি হোৱাৰ উল্লেখ নাই, কিন্তু পৰিস্থিতি আৰু মিনুৰ অৱস্থাৰ বৰ্ণনাই তোলনি হোৱাৰ ইংগিত বহন কৰিছে। মিনুৰ দৈহিক গঠনৰ প্ৰতি লক্ষ্য ৰাখি আইতাক আৰু তেওঁৰ ওচৰলৈ অহা বুঢ়ী মানুহবোৰে যিধৰণৰ কথাবাৰ্তা পাতে, সেইবোৰ

শুনি নিজকে এটা নতুন ৰূপৰ মাজলৈ গৈ থকা কথাটো অনুভৱ কৰি তাইৰ লাজ লাগে। কিন্তু ডাঙৰ হোৱাৰ কথা তাই ভাবিবই নোখোজে। যিদিনা তাইৰ জীৱনলৈ সেইদিন আহিল, সেইদিনা এটা নতুন পৰিস্থিতিৰ মাজত সোমাই মিনু চমকি উঠিল। তাই এই পৰিস্থিতিত উচুপি উচুপি কান্দি ভগৱানক খাটনি ধৰিছে — *"তুমি মোক এইবোৰৰ পৰা নিস্কৃতি দিয়া। মোক তুমি আগৰ মিনু পাতি দিয়া। মোক ভন্টি হৈ থাকিবলৈ দিয়া।"*[৭৮] তাই ইয়াৰ পৰা নিস্কৃতি নাপালে বৰং আইতাকৰ ব্যস্ততাহে লক্ষ্য কৰি থাকিল। আইতাকে এটা কোঠাত তাইক থৈ পৰ্দাবোৰ টানি দি ভিতৰতে আবদ্ধ হৈ থাকিবলৈ উপদেশ দিলে। এনে অৱস্থাত ল'ৰা মানুহে তাইক চাব নোৱাৰে। তদুপৰি দিনটোৰ শুভাশুভও বহুত প্ৰয়োজনীয় কথা। আইতাকে বোৱাৰীয়েকক কৈছে যে তাইৰ দিনটো ভাল — *"শুনিছনে মাই, আজি দিনটো ভাল। শুভ লক্ষণহে। ল'ৰা কিটাক তাইৰ কোঠালিটোত সোমাবলৈ নিদিবি।"*[৭৯] এই সকলোবোৰ মিনুৱে সময়ৰ নিষ্ঠুৰতা বুলিহে গণ্য কৰিছে। মাক আইতাকৰ উপদেশ, জীৱনৰ নিৰ্ঘাত সত্য সম্পৰ্কে লাভ কৰা জ্ঞানে মিনুক মানসিকভাৱে কিছু পৰিৱৰ্তন কৰালে। নিৰ্দিষ্ট দিনকেইটা পাৰ কৰি নিজৰ ৰূপ চাই নিজেই চমকি উঠিল। দৈহিক পৰিৱৰ্তনৰ লগে লগে মানসিক পৰিৱৰ্তনেও তাইক চুই গ'ল, লেখিকাই বয়ঃসন্ধিৰ কালছোৱাৰ কিশোৰী গৰাকীৰ মনৰ পৰিৱৰ্তনৰ বৰ সুন্দৰ বৰ্ণনা দিছে — *"প্ৰলয়ৰ বান যিদিনা আঁতৰি গ'ল সেইদিনা ওখ, বহল দাপোণখনৰ সমুখত থিয় হৈ মিনু অবাক হৈ গ'ল। তাই ইমান সুন্দৰ। দাপোনখনৰ একেবাৰে কাষলৈ গৈ তাই বহলকৈ চকুযোৰ মেলি দিলে, গভীৰ ক'লা এযুৰি চকু, ওঁঠ দুপাহ কঁপি উঠিল। তাই চুটিকৈ হাঁহি দিলে, ডালিম গুটিবোৰ জিলিকি উঠিল। নিজকে নিজৰ খুব ভাল লাগি গ'ল।"*[৮০] তোলনি হোৱাৰ পিছত এগৰাকী কিশোৰী নিজক লৈ যথেষ্ট সচেতন হৈ পৰে। ঘৰ-দুৱাৰ পৰিপাটীকৈ ৰাখি ভাল পায়, সাজি-পাৰি থাকি আনৰ আকষৰ্ণৰ কেন্দ্ৰবিন্দু হ'ব খোজে। ন-গাভৰু সাজেৰে মেখেলা চাদৰ পিন্ধি স্কুললৈ যাওঁতে তাই কিছু সংকোচ অনুভৱ কৰা হ'ল, বাটৰ মানুহবোৰে যেন তাইকে লক্ষ্য কৰি আছে এনে ভাবে মনত লাজ ভাৰ আনি দিলে, খোজে প্ৰতি মেখেলাৰ জোটা-পোটা লাগিব ধৰিলে। এনেধৰণৰ বৰ্ণনাই তোলনি হোৱাৰ পিছত এগৰাকী কিশোৰীৰ মানসিক জগতখনক স্পষ্ট ৰূপত প্ৰতিফলিত কৰিছে।

### ৪.০৫.৩ অৰূপা পটঙ্গীয়া কলিতাৰ গল্পত তোলনি বিয়া ঃ

*‘দেও পাহাৰৰ ভগ্নস্তূপ’* নামৰ অৰূপা পটঙ্গীয়া কলিতাৰ গল্পপুথিখনত সন্নিবিষ্ট *‘নিমন্ত্ৰণ’* নামৰ গল্পটোত খুব কম কথাত তোলনি বিয়াৰ প্ৰসংগ আহিছে। গল্পটোত বৰ্ণিত শৰ্মানী এগৰাকী সাত্ত্বিক ব্ৰাহ্মণৰ কন্যা। জীয়ৰীকালত পূজা-পাতলত ব্যস্ত থকা দেউতাকৰ প্ৰতিটো বস্তু যা-যোগাৰ কৰি দিয়া, সকলোৰে ভালপোৱাকৈ পূজাৰ ঘোল বনাই দিয়া শৰ্মানী বিয়াৰ পিছত এখন বিশৃংখল ঘৰত থাকিব লগা হ’ল। বিয়াৰ পিছত জুৱা আৰু মদত আসক্ত গিৰিয়েক, উতনুৱা ল’ৰা তিনিটা আৰু চৌখিন ছোৱালীজনীৰে অনবৰতে হুলস্থুল হৈ থকা ঘৰখনত শৰ্মানীৰ ইচ্ছা অনিচ্ছাৰ একো স্থান নাই। শৰ্মানীয়ে যৌতুকত অনা সকলো বস্তু গিৰিয়েক পুতেকে বেচি শেষ কৰিলে। কিন্তু অসমীয়া কহাৰে ফুলজালি কাটি সজা এখন প্ৰকাণ্ড শৰাই শৰ্মানীয়ে পুতেকহঁতৰ পৰা বচাই ৰাখিছে। শৰাইখন শৰ্মানীৰ বৰ মৰমৰ, সদায় সেইখন ফুটছাইৰে ঘঁহি মাজি পৰিস্কাৰ কৰে। পিতৃ গৃহত পতাৰ দৰে পূজা এভাগ পাতি শৰাইখন সজোৱা, ওচৰৰ মানুহখিনিক নিমন্ত্ৰণ কৰাৰ এটা অপূৰ্ণ ইচ্ছা শৰ্মানীয়ে গোপনে পুহি ৰাখিছে। শৰাইখন বেচিবলৈ পুতেকহঁতে টনা আজোৰা কৰা আৰু তাৰ ফলত ঘৰত হোৱা হুলস্থুলীয়া পৰিৱেশৰ পৰা হাত সাৰিবলৈ শৰ্মানী প্ৰতিবেশী মহিলা এগৰাকীৰ ঘৰত আশ্ৰয় লয়। এই মহিলাগৰাকীৰ আগতেই তেওঁ ঘৰত এভাগ শৰাই পাতিবলৈ মন থকাৰ কথা কৈ এবছৰ আগতে জীয়েক ডাঙৰ হোৱাৰ কথাটো উনুকিয়াইছে — *“বাইদেউ ছোৱালীজনী* ***ডাঙৰ হ’ল,*** *মই অকলেই নাম এযাৰ গাই তাইক গাধুৱাই থ’লো। তেতিয়াই গোপিনী সবাহ এভাগ মানস কৰি থৈছিলো। আজি এবছৰ হ’ল.. ।”*[৮১] শৰ্মানীয়ে জীয়েকৰ তোলনি বিয়াখন মনৰ ইচ্ছাৰে পাতিব নোৱাৰিলে, কিন্তু এটা আশা পুহি ৰাখিছিল যে গোপিনী সবাহ এভাগ পাতি জীয়েকক শুদ্ধ কৰিব। তোলনি বিয়া পাতিব নোৱাৰিলে গোপিনী সবাহ পাতি শুদ্ধ হোৱাৰ উল্লেখেৰে গল্পকাৰে সেইসময়ত প্ৰচলিত লোকাচাৰৰ ছবি এখন ফুটাই তোলাৰ লগতে মাতৃ এগৰাকীৰ মনৰ আশাক প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে।

### ৪.০৫.৪ বন্তি শেনছোৱাৰ গল্পত তোলনি বিয়া ঃ

হোমেন বৰগোহাঞিয়ে সম্পাদনা কৰা *‘অসমীয়া গল্প সংকলন’* (৩য় খণ্ড)ত স্থান লাভ কৰা বন্তি শেনছোৱাৰ *‘জল ভৰি যশোদা’* নামৰ গল্পটি এটি দীঘল গল্প। সামাজিক

জীৱনত পালনীয় লোকাচাৰ আৰু লোকবিশ্বাসে গল্পটোৰ বহু ঠাই আগুৰি আছে। গল্পটোত গাঁৱত ডাঙৰ হৈ বৰ্তমান চহৰত স্থায়ীভাৱে বসবাস কৰা ৰুণ নামৰ দুটা সন্তানৰ মাতৃ এগৰাকীৰ মনত সৃষ্টি হোৱা ভাৱ-চিন্তাৰ এখন দুৱাৰ মুকলি কৰা হৈছে। গিৰিয়েক কৰ্মসূত্ৰে বাহিৰত থকা বাবে ল'ৰা-ছোৱালীহালৰ লগত বেছি সময় দিব লগা হোৱাত মিনুৱে চকুৰ সন্মুখতে ডাঙৰ হৈ অহা দুয়োটা সন্তানৰ মনোজগতখনৰ লগত ভালকৈ পৰিচয় হ'ব পাৰিছে। আজিৰ প্ৰজন্ম ৰুণহঁতৰ সময়তকৈ বহু আগবঢ়া, কিন্তু কংক্ৰিটৰ মহানগীৰত সিহঁতৰ জীৱন আবদ্ধ। ৰুণে পাই অহা গাঁৱৰ মুকলিমূৰীয়া পৰিৱেশ সিহঁতৰ বাবে সুদূৰ পৰাহত। চহৰ আৰু গাওঁৰ পাৰ্থক্য আৰু আজিৰ প্ৰজন্মৰ মন-মগজুৰ চিন্তাধাৰাক তুলনা কৰিবলৈ গৈ ৰুণে গাঁৱৰ পৰিৱেশ, গাঁৱত পালন হোৱা উৎসৱ অনুষ্ঠান আৰু এৰি অহা গাঁওখনৰ সমাজ জীৱনৰ মাজত নিজক বিচাৰি চাইছে। নিজৰ এৰি অহা গাঁওখনৰ স্মৃতি ৰোমন্থনৰ মাজত অৱধাৰিতভাৱে গ্ৰাম্য সমাজৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা উৎসৱ-অনুষ্ঠান আৰু দৈনন্দিন জীৱনৰ কৰ্মকাণ্ডৰ মাজেৰে লোকাচাৰ আৰু লোকবিশ্বাসবোৰ গল্পটোত উল্লেখ কৰা হৈছে। নিজৰ কিশোৰী জীয়েক পাহিৰ বয়ঃসন্ধিৰ সময়ছোৱাক ওচৰতে পাই গাঁৱত দেখি অহা তোলনি বিয়া এখনৰ ছবি তেওঁৰ মনলৈ আহিছে আৰু গল্পটোত তোলনি বিয়াই এক বুজন অংশ অধিকাৰ কৰিছে।

গল্পটোত তোলনি বিয়াৰ প্ৰসংগ ৰুণে সৰুতে দেখা এখন বিয়াৰ বৰ্ণনাৰ পৰা আহিছে। তাইৰ বৰপিতাকৰ জীয়েকৰ বিয়াখন সৰুতে দেখিছিল, যিখন বিয়াৰ আয়োজনবোৰৰ বৰ্ণনাৰ মাধ্যমেৰে তোলনি বিয়াৰ পালনীয় বিভিন্ন লোকাচাৰ প্ৰতিফলিত হৈছে। সৰু ছোৱালীৰ চপলতাৰে বিয়াঘৰত দেও দি ঘূৰি ফুৰোতে চকুত পৰা বেইখনৰ স্মৃতিয়ে ৰুণৰ মনোজগতত এনেদৰে ভুমুকি মাৰিছে — *"বগা কলগছৰ চাৰিখুটা। টিপটোও পাতলকৈ বখলিয়াই লোৱা কলপটুৱাৰে খাপ্ খাপ্‌কৈ বন্ধোৱা। চেঁচা আৰু পিছল। মানুহটো থিয় হ'বৰ জোখাৰে উদং।"*[৮২] মণিকূটৰ আকৃতিত সজোৱা বেইখনৰ কাৰুকাৰ্যই ৰুণক মুগ্ধ কৰিলে, তাই তাত উঠি চালে, কোনোবা এজনে কথাটো মন কৰি তাইক জোকালে যে তাইৰ বেলিকাও তেওঁলোকে ধুনীয়া বেই সাজিব। বৰবিয়া বা তোলনি বিয়া যি বিয়াই নহওঁক অসমীয়া সংস্কৃতিত বেইখনৰ গুৰুত্ব অপৰিসীম। পৰম্পৰাগত নিয়ম পালনেৰে বেইৰ কাষত কইনা নোওৱাৰ ইংগিত বহন কৰি ৰুণৰ বেলিকা একেধৰণৰ বেই সজাৰ কথাটো প্ৰাসংগিকভাৱে উপস্থাপন কৰা হৈছে।

তোলনি বিয়াৰ কইনা নোৰাবলৈ নদী বা পুখুৰীৰ পৰা পানী তুলি অনা নিয়ম। পানী তুলিবলৈ আম গছৰ ঠাৰি ভৰোৱা লোটা বা ঘট লৈ আয়তীসকল যোৱাৰ সময়ত উজনিমুৰা হৈ যোৱাৰ নিয়ম। লোকবিশ্বাসমতে ভটিয়াই পানী তুলিব নাপায়। পানী তুলিবলৈ যাওঁতে ছুৰি-কটাৰিৰে পানীখিনি কাটিব লাগে, এই লোকাচাৰৰ প্ৰকাশ ঘটিছে এনেদৰে— *"নৈৰ পাৰে পাৰে উজনিমুৰা হৈ আগবাঢ়ে আয়তীসকল। ভটিয়াই পানী তুলিব মুঠেও নেপায়। ছুৰি-কটাৰিৰে পানী কাটি আমপাতৰ ঠাৰি ভৰোৱা লোটা ভৰাব।"* [৮৩]

অসমীয়া বিবাহ অনুষ্ঠানত বিবাহৰ বিভিন্ন পৰিৱেশ পৰিস্থিতিৰ লগত সংগতি ৰাখি গোৱা বিয়াগীতবোৰৰ বিশেষ গুৰুত্ব আছে। বিয়াগীত অবিহনে বিয়া এখনৰ কল্পনাই কৰিব নোৱাৰি, সেয়া বৰ বিয়া বা তোলনি বিয়া যিয়েই নহওঁক। তোলনি বিয়াৰ স্মৃতি ৰোমন্থন কৰোতে ৰুণৰ মনলৈ অহা আৰু আয়তীসকলে গোৱা তিনিটি গীতৰ উল্লেখ কৰা হৈছে, ইয়াৰে দুটা পানী তোলোতে গোৱা আৰু আনটো কইনা গা ধুৱাই থাকোতে গোৱা গীত। গীতকেইটিৰ ব্যৱহাৰে তোলনি বিয়াৰ চিত্ৰ বেছি সজীৱ আৰু বাস্তৱসন্মতভাৱে দাঙি ধৰাত সহায়ক হৈছে। পানী তোলোতে গোৱা গীত দুফাঁকি হ'ল —

*যমুনাৰে ঢৌ দেখি*
*ৰাধাৰ কম্পে হিয়া*
*ঘাটে নাও চপাই দিয়া*
*ঐৰে বিনন্দীয়া*
*ইপাৰৰে চাকনৈয়া*
*সিপাৰৰে ঢৌ*
*তামৰে কলসী ৰাধা*
*ভৰিলনে নৌ।* [৮৪]

গল্পটোত উল্লেখ থকা, কইনা ধুৱাই থাকোঁতে গোৱা গীতফাঁকি হৈছে —

*আগত দিয়া*
*পাছত দিয়া*

*পঞ্চ আয়তীয়ে*

*ধোবা ঘাটৰ পানী আনি*

*আইদেউৰ মূৰত দিয়ে।*[৮৫]

(দুয়োটা গীততে তোলনি বিয়াৰ বাবে নদীৰ পৰা পানী তুলি অনাৰ কথা কোৱা হৈছে। প্ৰথম গীতটোত কইনাক ৰাধাৰ লগত, তেওঁৰ মনৰ অৱস্থাক যমুনাৰ ঢৌৰ লগত আৰু ভৱিষ্যতৰ বিপদসংকুল সময়বোৰক নদীৰ চাকনৈয়াৰ স'তে তুলনা কৰা হৈছে। তদুপৰি মাংগলিক কামত যে তামৰ কলহ ব্যৱহাৰ হয় তাকো গীতটোৰ পৰা বুজা যায়। দ্বিতীয় গীতটোত অযুগ্ম সংখ্যাৰে অৰ্থাৎ পাঁচজনী আয়তীয়ে ঘট লৈ নদীলৈ পানী তুলিবলৈ যোৱাৰ কথা কোৱা হৈছে। গীতটোত উল্লেখ থকা 'ধোবা ঘাট'ৰ শব্দটোৰ সলনি 'দুৰ্বা ঘাট' শব্দটোৰো ব্যৱহাৰ কৰা দেখা যায়। কইনাক মূৰত চাউল দিয়াৰ সময়ত এই গীতটো গোৱা হয়।)

বিয়াগীতবোৰ গাই থকাৰ লগতে কইনা গা ধুৱাই থাকোতে বিভিন্ন লোকাচাৰ পালন কৰা হয়। তুলি অনা পানীৰে গা ধুবাই থাকোঁতে আগচাউল ছটিওৱা হয় আৰু গা ধুওৱাৰ পিছত নতুন মেখেলা চাদৰ পিন্ধাই কইনাক ৰভাতলত বহুওৱাৰ নিয়ম। চোতালত বহুওৱাৰ পিছত 'কনাই' কোলাত দিয়া কাৰ্য কৰা হয়। এই সময়ত ইজনীয়ে সিজনীক পিঠাগুড়ি সানি দি এক আনন্দমুখৰ পৰিৱেশৰ সূচনা কৰে। কইনাজনীয়ে আখৈ বিলোৱাৰো নিয়ম আছে। লোকাচাৰসমূহৰ দৰে তোলনি বিয়াৰ লগত কেতবোৰ লোকবিশ্বাসো জড়িত হৈ আছে। তোলনি বিয়াৰ লগত জড়িত দুটা লোকবিশ্বাস গল্পটোত উল্লেখ কৰা হৈছে। অসমীয়া সমাজৰ লোকবিশ্বাস মতে তোলনি নোহোৱা ছোৱালীক কইনাৰ বাবে যুগুতোৱা সেন্দূৰ পিন্ধালে তাইৰ সোনকালে তোলনি হয়। সেয়ে আয়তীসকলে এনে ছোৱালীক বিচাৰি ফুৰে *"কইনাজনীৰ সমান বয়সৰ **পুষ্পিতা** হ'বলৈ বাকী থকা কিজনীক, কইনাৰ ফোঁটৰ কাৰণে যুগুতোৱা সেন্দূৰ দিবলৈ বিচাৰি ফুৰে।"* [৮৬]

তোলনি বিয়াখনত পুৰুষৰ অংশগ্ৰহণ নিষেধ, পুৰুষ বুলি কওঁতে কমবয়সীয়া ল'ৰা এজনেও ইয়াত অংশ ল'ব নোৱাৰে। লোকবিশ্বাসমতে পুষ্পিতা হোৱা ছোৱালী দেখা সৰু ল'ৰাবোৰৰ ভৱিষ্যতে দাড়ি নগজে। সৰু ল'ৰাবোৰে বিয়াখনৰ ওচৰে পাজৰে ভূমুকি মাৰিলে আয়তীসকলৰ কোনোবাই খেদি দিয়ে— *" যা যা। ইঃ ইয়াৰ আৰু কোনোদিনেই*

*দাঢ়ি নগজে।”*[৮৭]

সময়ৰ পৰিৱৰ্তনৰ লগে লগে গ্ৰাম্য সমাজখনৰো বহু পৰিৱৰ্তন ঘটিছে। সময়ৰ লগে লগে সাংস্কৃতিক, সামাজিক, অৰ্থনৈতিক তথা মানসিক পৰিৱৰ্তনৰ ফলত ৰুণে এৰি অহা গাঁৱলীয়া সমাজখনৰ বহুত পৰিৱৰ্তন আহি পৰিল। এই পৰিৱৰ্তনে গ্ৰামীন সমাজত পৰম্পৰাগতভাৱে পালন কৰি অহা তোলনি বিয়াৰ আনুষ্ঠানিকতাকো চুই গৈছে। বৰ্তমান তোলনি বিয়াৰ জাকজমকতাই ইয়াৰ পূৰ্বৰ ৰূপ আৰু উদ্দেশ্য ম্লান কৰি পেলাইছে — *“এতিয়া* ***তোলনি বিয়া****ৰ ৰংৰহইচ আৰু লোকাচাৰ নিৰুদ্দেশ। নতুনকৈ তাৰ ঠাই দখল কৰি বহিছে* ***তোলনি বিয়া****ৰ ভোজ ভাতে। কাঠফুলাৰ দৰে বাঢ়ি আহিছে ব্যয়বহুল আপ্যায়ন।”*[৮৮] এইবোৰ দেখি-শুনি ৰুণৰ মনত শংকা উপজিছে, ভৱিষ্যতে তোলনি বিয়াৰ ব্যয়বহুলতাই কন্যাসন্তানৰ মাক-বাপেকৰ বাবে চিন্তনীয় বিষয় হৈ পৰিব। গল্পটোত অতীতৰ তোলনি বিয়া আৰু বৰ্তমান পৰিৱৰ্তিত সমাজত প্ৰচলিত তোলনি বিয়াৰ এটি আভাস পোৱা যায়।

### ৪.০৫.৫ ইমৰান হুছেইনৰ গল্পত তোলনি বিয়া ঃ

ইমৰান হুচেইনৰ *‘হুদুমদেও আৰু অনান্য গল্প’*নামৰ গল্প পুথিখনত সন্নিৱিষ্ট *‘পখিলা’* নামৰ গল্পটোত তোলনি বিয়াৰ প্ৰসংগই স্থান পাইছে। গল্পটোত তগৰ নামৰ এগৰাকী কিশোৰীৰ অভাৱগ্ৰস্ত পৰিয়াল এটাৰ বৰ্ণনা কৰা হৈছে। তগৰৰ পৰিয়ালত ৰুগ্ন বাপেক-মাক, গৰ্ভৱতী বৌয়েক আৰু দুগৰাকী ভতিজী। গৰ্ভৱতী বৌয়েকক এৰি ককায়েক পবিনৰ এৰাতিৰ শৌচ বমিতে মৃত্যু ঘটিছে। ঘৰখনৰ অভাৱ কিছু দূৰ হওঁক বুলিয়েই মাক গোলাপীয়ে তাইক মাহিলী দুকুৰি টকা দৰমহা ঠিক কৰি কিছু দূৰৰ গাঁৱৰ জয়ৰাম মণ্ডলৰ ঘৰত থৈছে। জয়ৰাম মণ্ডলৰ ঘৰত ভালকৈ খাব পাই তগৰৰ চেহেৰাৰ পৰিৱৰ্তন চকুত লগা হৈ পৰিছে। মঙহে ভৰ কৰা কিশোৰী তগৰৰ চেহেৰাটোৱে জয়ৰাম মণ্ডলক অস্থিৰ কৰি তোলে আৰু সুবিধা পালেই তেওঁ তাইৰ নিষিদ্ধ অংগত স্পৰ্শ কৰি বিকৃত কামনাৰ সোৱাদ লয়। এই ধৰণৰ স্পৰ্শত তাইও এক সুখ অনুভৱ কৰিছিল যদিও কোনোদিনে গভীৰ দৃষ্টিৰে চোৱা নাছিল। কিন্তু এদিন তাইৰ জীৱনৰ আটাইতকৈ বিপৰ্যয়ৰ মুহূৰ্তটো আহিল। দুপৰীয়া এটাত মণ্ডলনীয়ে সৰু ল'ৰাটোক লৈ ওচৰৰ মানুহ এঘৰলৈ যোৱাৰ সুযোগ গ্ৰহণ কৰি মণ্ডলে তাইক বিচনাত শুৱাই দি তাইৰ সৰ্বনাশ কৰিবলৈ উদ্যত হোৱাৰ মুহূৰ্ততে মণ্ডলনী আহি ঘৰৰ দুৱাৰমুখত হাজিৰ

হ'ল। মণ্ডলনীৰ চিঞৰত মণ্ডলে তাইক এৰি দিলে যদিও ৰণচণ্ডী মূৰ্তি ধৰা মণ্ডলনীৰ হাতৰপৰা মণ্ডল আৰু তগৰ এজনো সাৰি নগল। শুকান জেওৰা খৰি এডালেৰে তগৰক কোবাই কোবাই বকি থাকোঁতে মণ্ডলনীৰ মুখত তোলনি হোৱাৰ প্ৰসংগ আহিছে — '*'পঘাখাঁতী, জহৰী, চুৰা চেলেকাৰ জাত, শান্তি নহওঁতেই মোৰ সংসাৰত জুই জ্বলাবলৈ আহিছ — ফুলতে বাঁৰী হবি তই। ওলা মৰতী, ওলা মোৰ ঘৰৰ পৰা...।*''[৮৯] তাই এটা অচিনাকি, বুজিব নোৱাৰা অভিজ্ঞতা লৈ মণ্ডলৰ ঘৰৰ পৰা নিজৰ ঘৰলৈ গুছি আহিল। তাই ঘৰলৈ আহিবৰ দিনা গৰ্ভৱতী বৌয়েকৰ প্ৰসৱ বেদনা আৰম্ভ হৈছে আৰু গাঁৱৰ তিৰোতাবোৰ সিহঁতৰ চোতালত জুম বান্ধিছে। বৌয়েকে তিনি নম্বৰ ছোৱালী এজনী জন্ম দিয়াত গোট খোৱা তিৰোতাবোৰ আৰু মাকে তাইলৈ মন দিয়া নাই। কিন্তু সকলোবোৰ ঘৰাঘৰি যোৱাৰ পিছত হঠাৎ মাকৰ চকু মন মাৰি বহি থকা তগৰৰ ওপৰত পৰিল আৰু তগৰক দেখি তেওঁ আচৰিত হ'ল। তগৰে যেতিয়া মণ্ডলৰ ঘৰৰ পৰা একেবাৰে গুছি অহাৰ কথা কলে মাকে খঙে দুখে তাইৰ গালত দুচৰ লগাই দিলে। তগৰে প্ৰকৃত কথাটো মাকক কোৱাৰ সুযোগেই নেপালে, তাই খঙে দুখে শুই থাকিল। ৰাতি ঘৰৰ আটাইয়ে ভাত খালে যদিও তাইক কোনোৱে ভাত খাবলৈ নামাতিলে, লঘোণে ভোকে তাই শুই থাকিল। সেইদিনা ৰাতিয়েই তাইৰ জীৱনৰ এটা নতুন পৰ্ব আৰম্ভ হ'ল।

এগৰাকী কিশোৰী তোলনি হোৱাৰ যি অভিজ্ঞতা, সেই অভিজ্ঞতাই মানসিক জগতখনতো প্ৰভাৱ পেলায়। পাছ ৰাতি পেচাব কৰিবলৈ যাওঁতে তগৰে প্ৰত্যক্ষ কৰিছিল তাইৰ প্ৰথম ঋতুস্ৰাৱ, ভয়তে তাই চিঞৰি দিছিল। তাইৰ চিঞৰত ঘৰৰ মানুহবোৰ উঠি আহি পেচাবখানাত এক অদ্ভুদ ভংগীত তাইক বহি থকা দেখে। মাকে প্ৰথমে ভয়েই খাইছিল তাইক সাপে খোঁটা বুলি ভাবি, কিন্তু পিছমুহূৰ্ততে ধৰিব পাৰিলে তগৰ গাভৰু হ'ল। ওৰে ৰাতি চাংখনত ভোকে লঘোণে পৰি থকাৰ সময়তেই তগৰৰ দেহলৈ চিৰাচৰিত প্ৰাকৃতিক ঘটনাটোৰ আগমন, মাৰ কিল খাই তাই কিশোৰীৰ পৰা নাৰী হৈ যায়। গল্পকাৰৰ ভাষাত— *"নতুন অভিজ্ঞতাৰ সুখ আৰু যন্ত্ৰণাত দিনটো তগৰ অদ্ভুত ভংগীত চাংখনত পৰি থাকিল। আচলতে যোৱা নিশাই প্ৰচণ্ড অভিমানত যেতিয়া তাইৰ গোটেই বুকুলৈ উজাই আহিছিল লুণীয়া জোৱাৰৰ ধল, তেতিয়াই আৰম্ভ হৈছিল তাইৰ আচৰিত ভ্ৰমণ। কিশোৰীৰ পৰা নাৰী হোৱাৰ চিৰাচৰিত ভ্ৰমণ। ক'ব নোৱাৰাকৈ তগৰে প্ৰৱেশ কৰিছে এক অচিনাকি জগতত। যি*

*জগতত প্ৰৱেশ কৰিলে সকলো কিশোৰীয়েই নাৰী হৈ যায়, আৰু নাৰী হোৱাৰ এয়াই নেকি প্ৰকৃতিৰ সেই ৰক্তাক্ত পদ্ধতি? সেয়েহে আজি তাই অইন দিনাৰ তুলনাত শান্ত আৰু ভীত। **পুষ্পিতা**ৰ প্ৰথম ঋতুস্ৰাৱৰ দিনা চাগৈ সকলো কিশোৰীয়েই তাইৰ দৰে ভীত হয়।"* ৯০

গ্ৰামাঞ্চলত কিশোৰী এগৰাকী তোলনি হোৱাৰ খবৰটো ওচৰ-চুবুৰীয়া তথা আত্মীয় স্বজনৰ মাজত সোনকালে বিয়পি পৰে। খবৰটো পোৱাৰ পিছত সকলোৱে ছোৱালীজনীৰ খবৰ লবলৈ অহাটো এটা কৰ্তব্য বুলিয়েই জ্ঞান কৰে। এনেদৰে খবৰ ল'বলৈ অহা তিৰোতাসকলে ছোৱালীজনীৰ কাৰণে বিভিন্ন ফলমূল, বুট মুগ আদি লৈ অহাৰ নিয়ম। তগৰক খবৰ ল'বলৈ অহা সকলেও গাখীৰ, কল, বুট-মাহ, কুঁহিয়াৰ আদি সামৰ্থ অনুযায়ী লৈ আহিছে। এই সময়ত তিৰোতাবোৰে ছোৱালীজনীয়ে ভৱিষ্যত জীৱনত মানি চলিবলগীয়া বাধ্যবাধকতাবোৰ বুজাই দিয়ে আৰু বিভিন্ন ধৰণৰ উপদেশ দিয়ে। তগৰকো সকলোৱে বুজাইছে যে তাই এতিয়া গাভৰু হ'ল, আগৰদৰে অ'লৈ ত'লৈ যাব নোৱাৰে, গাঁৱৰ ল'ৰাবোৰৰ লগত খেলা-ধুলা কৰাও নিষেধ। তগৰ সাদিনলৈ পাৰ বাহৰ দৰে অকণমানি ঘৰটোৰ কেঁচা মজিয়াত ধানখেৰৰ ওপৰত কেৱল ফলাহাৰ কৰি থাকিব লাগিব। এই নীতি-নিয়ম কৰ্মকাণ্ডবোৰে তগৰক অতীষ্ঠ কৰি তোলে — *"তগৰে ভাবি নাপায় এনে কি ঘটনা ঘটি গ'ল যে তাই সাতদিনলৈ পাৰৰ বাহৰ দৰে অকমানি কোঠালিটোৰ পৰা ওলাই মামা খুৰাহঁতকো তামোল এখন যাচিব নোৱাৰে, আৰ্চি চাব নোৱাৰে, আনকি নিজৰ অসুখীয়া বাপেকজনৰো গা মূৰ মোহাৰি আল ধৰিব নোৱাৰে? নাবালিকা নাৰী হৈ গ'লে চাগৈ তাইৰ ছাঁতো স্পৰ্শ থাকে।"* ৯১

সেইদিনা ৰাতি লঘোণীয়া পেটে থকা অৱস্থাত শান্তি হোৱা বাবে উপবাস থাকিব লগীয়া হোৱা ছোৱালীজনীৰ ভোকৰ বৰ্ণনাও বাস্তৱধৰ্মী। তগৰৰ ইমানেই ভোক লাগিছিল যে তাইৰ মূৰ শিতানত ৰখা দুণৰিৰ চাউল আৰু কেঁচা কল আখিকে চোবাই খাব মন গৈছিল। সন্ধিয়া ফলাহাৰ খাবলৈ বাট চাই যেতিয়া আপেল, বুটমাহ আগত পালে, তাই গোগ্ৰাসে সমস্ত খাই পেলালে। সেইদিনা তাইৰ বাবে চুবুৰীৰ ইঘৰে সিঘৰে অনা সকলো বস্তু খাই শেষ কৰা দেখি সকলো আচৰিত হ'ল। পিছদিনাও তাই ফলাহাৰে কৰিলে। সেইদিনা মাকে তাইৰ বাবে আপেল আৰু আঙুৰো অলপ যোগাৰ কৰা দেখি মাকৰ প্ৰতি কৃতজ্ঞতাত তাইৰ মন দোঁ খাই গ'ল। কিশোৰী মনটোৱে এটা নতুন অভিজ্ঞতাৰ সন্মুখীন হৈ একেলগে সুখ আৰু যন্ত্ৰণা

অনুভৱ কৰে। সেমেকা দেহা, ককঁাল আৰু তলপেটত অনুভৱ কৰা বিষৰ মাজতো তাই থকা কোঠাৰ বেৰৰ জলঙাৰে বাহিৰলৈ চাই চাই তাইৰ মনত অগাডেৰা কৰা ভাৱ চিন্তাবোৰে বয়ঃসন্ধি কালৰ এই নতুন অভিজ্ঞতাত মনলৈ অহা ভাৱৰে মূৰ্ত প্ৰকাশ — *"কেতিয়াবা বেৰৰ জলঙাৰে তাইলৈ ফিচিঙা ফিচিঙি কৰি থকা গাঁৱৰ কিশোৰীহঁতৰ কৌতূহল মিশ্ৰিত দুষ্ট হাঁহিত খং উঠে, কেতিয়াবা নাৰী হোৱাৰ সামাজিক মৰ্যাদাত আপ্লুত হয়, কেতিয়াবা আকৌ বেৰৰ গাতে লাগি থকা পিৰালিখনত তাইক কেন্দ্ৰ কৰি মজি উঠা বোৱাৰীহঁতৰ ফুচুৰি মেলৰ ৰসাল মন্তব্যত তগৰৰ বগা মুখখন লাজত ৰঙা পৰে— এক অদ্ভুত অজানা আনন্দৰ ধল তাইৰ শৰীৰেদি বাগৰি যায়।"*[৯২]

তগৰৰ তোলনি বিয়াৰ আগদিনা ওচৰৰ তিৰোতাবোৰে চোতালত আখৈ ভাজি এটা হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰিছে। তাই কিন্তু এটা সেমেকা মনেৰে জয়ৰাম মণ্ডলৰ ঘৰত ঘটা ঘটনাটো আৰু তিনিজনী ভতিজী ছোৱালীৰ ভৱিষ্যতৰ কথা ভাবি আনমনা হৈ বহি থাকিল। সেইদিনা ৰাতি মাক আৰু পেহীয়েকৰ কথা বতৰাবোৰ গোপনে শুনি বুজিলে ঘৰখন কিমান অভাৱৰ মাজৰে চলি আছে। মাকে খুঁটি এটি ভাঙি গোটোৱা টকাৰে তাইক আপেল আঙুৰ আনি খুৱাইছে যদিও পৰিয়ালৰ বাকী কেইজনক খুদকণ এটাও দিয়া টান হৈছে। মাক-পেহীয়েকৰ কথা-বতৰাৰ পৰাই তাই গম পালে, তাইৰ গণনাৰ ফলাফল খুবেই বেয়া। লোকবিশ্বাসমতে দিন, বাৰ, ক্ষণৰ ওপৰত নিৰ্ভৰ কৰি কৰা গণনাৰ ফলাফল ভৱিষ্যতে ফলিয়ায়। পেহীয়েকে তাইৰ গণনাৰ ফলাফল বেয়া নেকি বুলি সোধাত মাকে কৈছে— *"বেয়া মানে? তই শুনা নাই এতিয়াও? একেবাৰে বেয়াটো আকৌ পতিহীনা যোগ। তাতে আকৌ দিনটো আছিল শনিবাৰ, সময়ো মাজৰাতি। একেবাৰে চাৰিওপিনৰ পৰা বেয়াই।"*[৯৩] পতিহীনা যোগৰ ফলাফল অনুসৰি এই যোগ পোৱা ছোৱালী বিধবা হয়, শনিবাৰে শান্তি হ'লে বাঁজী হয়। মাকে নিজৰ যোগটোৰ কথা কৈছিল যে তেওঁৰ সুভাগা যোগ আছিল। পেহীয়েকে সুভাগা যোগৰ দৰে ভাল যোগ পাইও তেওঁ কিমান দুৰ্দ্দশা ভুগিব লগা হৈছে সেই কথা কৈ হাঁহিলে। এনে কথা বতৰাৰ পৰা গণনাৰ ফলাফলবোৰ যে ভিত্তিহীন সেইয়াও সূচায়।

গণনাৰ দোষ খণ্ডনৰ বাবে গণকক দিব লগা দানৰ তালিকাখনো বৰ দীঘলীয়া। গণকে দান দক্ষিণাৰ বাবে কাপোৰ-কানি আনকি ক'লা-ছাগলীও দিয়াৰ দিহা দিছে আৰু

ঘৰত হৰি-কীৰ্ত্তন কৰাব দিছে। মাক-পেহীয়েকৰ কথাৰ পৰা তাই পতিহীনা যোগ পোৱা বুলি গম পাই মণ্ডলনীয়ে দিয়া অভিশাপৰ কথা মনত পৰি এক অজান ভয়ত কঁপি উঠিল। তাই শুই শুই চিন্তা কৰিবলৈ ধৰিলে তাইৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ স্বাৰ্থত মাকে কি কি গোটাব লাগিব আৰু কিমান কষ্টেৰে এইবোৰ গোটোৱা হ'ব। বিশ্বাস-অন্ধবিশ্বাস, লোকাচাৰ, নিয়ম-নীতি এইবোৰৰ লগত পৰিচিতা হৈ তগৰে এতিয়াহে অশুচি অনুভৱ কৰিলে, তাইৰ খুব লেতেৰা লেতেৰা লাগিল। লাহে লাহে তগৰ টোপনিত ঢলি পৰিল আৰু টোপনিতে তাইক মাহ-হালধিৰে গা ধুওৱা সপোন দেখিলে। সপোনত বিৰবিৰাই কিবাকিবি কৈ থাকোঁতেই মাকে তাইক গা ধুৱাবলৈ মাতিব আহিল। এই চাৰিদিনৰ অভিজ্ঞতাই এগৰাকী এঘাৰ-বাৰ বছৰীয়া কিশোৰীক ইমান পৰিপক্ক তুলিলে যে তাই অনুভৱ কৰিলে পেটৰ জ্বালাতকৈ নিয়ম-নীতি সমাজ একোৱেই ডাঙৰ নহয়। পতিহীনা যোগ পোৱাৰ বাবে তিনিমাহ ব্ৰত ৰাখি ঘৰত আবদ্ধ হৈ থাকি তাই নিজওে মৰিব নোৱাৰে পৰিয়ালটোকো মাৰিব নোৱাৰে। দৈহিক গঠনৰ ফালৰ পৰাই নহয় মানসিক ভাৱেও তাই সচা অৰ্থত ডাঙৰ হ'ল। সেয়ে গা ধুৱাবলৈ নিব অহা মাকক তাই কৈছে *"আই মানুহে দুনুহে গা ধুবলৈ মোৰ লাজ লাগে। সিহঁতক যাবলৈ দে, মই নিজেই গা ধুম। আৰু এটা কথা, মই কিন্তু ব্ৰত নাপালো। তিনিমাহ ধৰি এইবোৰ কৰি থাকিলে খাম কি? আজিয়েই মইনা পেহীৰ লগতে মোক পঠিয়াই দে, পেহীহঁতৰ সমবায়ত কাপোৰ বম...।"*[১৪] মাক এক মুহূৰ্তৰ কাৰণে তগৰৰ কথা শুনি অবাক হৈ গ'ল, পিছমুহূৰ্ততে তগৰৰ সিদ্ধান্তত তেওঁ পুলকিত হৈ পৰিল। তেওঁ অনুভৱ কৰিলে ছোৱালীজনী প্ৰাকৃতিক ঘটনা এটাৰে ডাঙৰ হোৱা নাই, মন-মগজুৰ চিন্তা শক্তিৰে কণমানি ছোৱালীজনী মানসিকভাৱেও বহুত ডাঙৰ হ'ল। গল্পটোৰ মুখ্য চৰিত্ৰটোৱে তোলনি বিয়াৰ পৰম্পৰাগত ৰীতি-নীতি অস্বীকাৰ কৰি বাস্তৱবাদী তথা সময়োপযোগী চিন্তা ধাৰাৰে পৰিচালিত হোৱা দেখা গৈছে।

**৪.০৫.৬ সঞ্জীৱ পল ডেকাৰ গল্পত তোলনি বিয়া ঃ**

সঞ্জীৱ পল ডেকাৰ *'এই পিনে কি আছে'* নামৰ গল্প সংকলনখনৰ দুটা গল্পত তোলনি বিয়াৰ কথা উল্লেখ আছে। গল্প দুটা হ'ল *'বেৰ'* আৰু *'কাল-আকাল'*। 'বেৰ' গল্পটোত উল্লেখ থকা তৰামাই আৰু তাইৰ বান্ধৱী নিৰ্মলাৰ মাক অবলাৰ জীৱনৰ কাহিনীৰ যোগসূত্ৰ এটা

আছে। গংগাৰাম মহাজনৰ পুতেক চন্দ্ৰৰামৰ কামনাৰ বলি হৈ তৰামাইয়ে অবৈধ সন্তান জন্ম দিয়াৰ ফলত সিহঁতৰ পৰিয়ালটো এঘৰীয়া হ'ব লগা হৈছে। নিৰ্মলাই লুকাই চুৰকৈ সিহঁতৰ ঘৰলৈ যায় আৰু তৰামাইক কিছু সাহস দিবলৈ চেষ্টা কৰে। নিৰ্মলাৰ মাক অবলাকো জীয়ৰী কালত গংগাৰামে দেহা চুৰা কৰিছিল আৰু বদনামী হোৱাৰ বাবে তাই এটা সন্তানৰ পিতৃ এজনৰ লগত প্ৰায় দুকুৰি বছৰতহে বিয়া হ'ব পাৰিছিল। তৰামাই সাৰধান নোহোৱাৰ বাবেহে চন্দ্ৰৰামে এনে এটি দুষ্কাৰ্য কৰিব পাৰিলে, এই কথাটোৱে নিৰ্মলাক মাজে মাজে ক্ষুণ্ণ কৰে। নিৰ্মলা বহু পৰিমাণে সচেতন আৰু ইয়াৰ কাৰণ হিচাবেই তোলনি হোৱাৰ কথাটো উপস্থাপন কৰা হৈছে। তোলনি হ'লে কিশোৰী এগৰাকীয়ে নাৰীত্ব লাভ কৰে, সেয়ে পুৰুষৰ পৰা সাৰধানে থকা উচিত। অবলা বুঢ়ীয়ে নিজে জীৱনত এটা ভুল কৰি থোৱাৰ বাবেই তোলনি হোৱাৰ পিছত জীয়েকক চাই-চিতি ফুৰিবলৈ কৈছিল। নিৰ্মলাৰ এই অসাৰধানতাৰ বাবে তৰামাইক কেতিয়াবা খং কৰিবৰ মন যায় —*"তৰামাইলৈ নিৰ্মলাৰ খং উঠিছিল মনে মনে। তাইতো অলপ সাৰধান হৈ চলিব পাৰে। নিৰ্মলাই আজিলৈকে বেচ চাই-চিতিয়েই ফুৰিছে। আচলতে তাইৰ* ***তোলনি বিয়া*** *হোৱাৰ পিছতেই মাক অবলাই সাৰধান কৰি কৈছিল — তই ইতাৰ পেৰে আগৰ নিচিনাকে ফুৰাচকা বাদ দিবি। কোনো লিকিৰাকে বিচ্ছাচত নল'বি?.. আই মোৰ নিচিনাকে তোৰো যদি কিবা এটা হৰেই মই মৰিও শান্তি নাপাম।"*[৯৫] গ্ৰাম্য সমাজত তোলনি বিয়াৰ মাজেৰে কিশোৰী গৰাকীক ভৱিষ্যত জীৱনত, দৈহিক পৰিৱৰ্তনে আনিব পৰা বিপদৰ আগজাননী দি তাৰপৰা বাচি থকাৰ বাবে বিভিন্ন ধৰণে উপদেশ দিয়া হয়। নিৰ্মলাক এই উপদেশে নিজক বচাই ৰখাত সহায় কৰিছিল, কিন্তু তৰামাইয়ে নিজক বচাব নোৱাৰিলে।

সঞ্জীৱ পল ডেকাৰ *'কাল-অকাল'* গল্পটোত পুতেক-বোৱাৰীয়েকৰ কেটেৰা-জেঙেৰা খাই ঘৰত থকাতকৈ অ'ত ত'ত আলহী খাই ফুৰি থকাই ভাল বুলি ঘূৰি ফুৰা ভোগেশ্বৰী বুঢ়ীৰ জীৱন গাঁথা বৰ্ণিত হৈছে। মাহটোৰ বেছি কেইটা দিন আৰ ঘৰে তাৰ ঘৰে আলহী খাই ফুৰা ভোগেই বুঢ়ীৰ অতীতৰ কথা প্ৰসংগত তোলনি হোৱাৰ কথাটো আহিছে। বৰ্তমান যদিও ভাত এসাঁজৰ কাৰণেও বুঢ়ীৰ টান পৰিছে, তাই কিন্তু এটা অৱস্থাপন্ন ঘৰলৈয়ে বিয়া হৈ আহিছিল। বিয়াৰ সময়ত ভোগেশ্বৰীৰ প্ৰায় চৈধ্য বছৰ, কম বয়সতে ছোৱালী বিয়া দিয়াৰ পৰম্পৰাৰ ইংগিত দি শান্তি বিয়াৰ কথা কোৱা হৈছে —*"টলৌ টলৌকৈ মিতিৰৰ ঘৰে ঘৰে*

*ফুৰা পিতাক হলধৰ মহাজনৰ ম'হৰ গাড়ীৰ পৰা নামি বৰাচুকৰ বুধিৰামৰ গাড়ীখনত ওৰণি লৈ উঠি আহোঁতে ক'তনো কিমান বয়স হৈছিল ভোগেইৰ? **শান্তি হ'ব**ৰ দুবছৰেই পূৰ হোৱা নাছিল। ভাদমহীয়া সুৱাগমণি ধানৰ পথাৰখনৰ দৰে লহপহকৈ বাঢ়ি আহিছিল তাই। তাৰ ফিৰি বছৰৰ পৰা এটা এটাকৈ জন্ম হ'ল চলিকেইটাৰ।"*[৯৬] তোলনি হোৱাৰ পিছতেই নাৰীত্ব লাভ কৰে, সেয়ে কেৱল সন্তান জন্ম দিয়া আৰু বিয়া হৈ এখন ঘৰ চম্ভালাই নাৰীৰ কাম বুলি জ্ঞান কৰা সমাজে ছোৱালীজনীক বিয়া দিয়াৰ চিন্তাতে থাকে। ভোগেশ্বৰীকো সেয়ে তোলনি হোৱাৰ পিছত দুবছৰো ঘৰত ৰখা হোৱা নাছিল। বিয়াৰ পিছতো অতি কম বয়সতে তাই তিনিটি সন্তানৰ মাতৃ হয়। এগৰাকী নাৰীৰ জীৱনৰ ওপৰত তোলনি হোৱা কথাটো কিমান গুৰুত্বপূৰ্ণ সেই কথাটোৰ আভাস গল্পটোৰ শান্তি হোৱাৰ উল্লেখেৰে দাঙি ধৰা হৈছে।

**৪.০৫.৭ অন্যান্য লেখকৰ চুটি গল্পত তোলনি বিয়া ঃ**

সাম্প্ৰতিক কালত প্ৰকাশিত গল্পসমূহতো তোলনি বিয়াৰ প্ৰসংগই স্থান পাইছে। নিয়মীয়াভাৱে প্ৰকাশিত অসমীয়া আলোচনী তথা পূজা-বিহু সংখ্যাত প্ৰকাশিত বিভিন্ন আলোচনীত প্ৰকাশিত গল্পৰ মাজতো তোলনি বিয়াই বিভিন্ন দৃষ্টিভঙ্গীৰে স্থান পোৱা দেখা যায়। পষেকীয়া আলোচনী *'প্ৰান্তিক'*আৰু মাহেকীয়া আলোচনী *'গৰিয়সী'*ত প্ৰকাশিত কেইটামান গল্পৰ আধাৰত তোলনি বিয়াৰ আনকেতবোৰ দিশৰ আভাস পাব পাৰি। ২০১৯ চনৰ ১-১৫ জুন সংখ্যাৰ 'প্ৰান্তিক' আলোচনীত প্ৰকাশ পোৱা মেঘনা চৌধুৰীৰ *'শিলৰ বুকু বুকুৰ শিল'* নামৰ গল্পটোত তোলনি বিয়াৰ কথা উল্লেখ আছে। গল্পটোত উচ্চবৰ্ণৰ ছোৱালী এগৰাকী ঘৰতে তোলনি হোৱাৰ ফলত সমাজ আৰু ঘৰত সৃষ্টি হোৱা বিৰূপ প্ৰতিক্ৰিয়াৰ কথা উল্লেখ আছে। এনে প্ৰতিক্ৰিয়াৰ ফলত কম বয়সীয়া ছোৱালীজনীৰ মনত কেনেধৰণৰ মানসিক যন্ত্ৰণাৰ সৃষ্টি হ'ব পাৰে তাৰো আভাস গল্পটোৰ পৰা পাব পাৰি। আগবিয়া দিয়াৰ আগতেই তোলনি হোৱাৰ ফলত গল্পটোৰ নায়িকা প্ৰজ্ঞাৰতীয়ে এগৰাকী চাৰিটা সন্তানৰ পিতৃৰ সতে বিয়াত বহিব লগা হয়। এখন সম্ভ্ৰান্ত ঘৰৰ ছোৱালী প্ৰজ্ঞাৰতীৰ পাঁচোটা ভায়েক ভনীয়েক আৰু দেউতাকে ব্যৱসায়সূত্ৰে লগ পাই অনা দহ বছৰীয়া ল'ৰা হৰিপ্ৰসাদ একেলগে ডাঙৰ-দীঘল হৈছে। অৱশ্যে হৰিপ্ৰসাদক ঘৰখনে নিজৰ সন্তানৰ দৰে মৰম কৰিলেও তাক নিম্নজাতৰ বুলি এটা ভিন্ন ভাৱেৰে চোৱা হয়। এই হৰি প্ৰসাদৰ লগত প্ৰজ্ঞাৰতীৰ লাহে লাহে এটা আত্মিক

সম্পৰ্ক গঢ় লয় যদিও ই বাস্তৱ ৰূপ পোৱা সম্ভৱ নাছিল। হৰিপ্ৰসাদ প্ৰজ্ঞাৰতীৰ ঘৰখন এৰি কলিকতালৈ গুচি যোৱাৰ পিছত আৰু তাতেই মৃত্যু হোৱাৰ খবৰ পাই প্ৰজ্ঞাৰতীয়ে শেষবাৰৰ বাবে তাক চাবলৈ আহিছে। হৰিপ্ৰসাদৰ মৃত্যুৰ পিছত স্মৃতি ৰোমন্থনত প্ৰজ্ঞাৰতীয়ে নিজৰ তোলনি হোৱাৰ সময়ৰ সামাজিক অৱস্থাটো মনত পেলাই তেওঁ কিদৰে তথাকথিত সমাজ ব্যৱস্থাৰ বলি হ'ব লগা হ'ল তাৰ বৰ্ণনা কৰিছে। প্ৰজ্ঞাৰতীয়ে জীৱনত পাৰ কৰা বিভিন্ন ধুমুহাৰ ভিতৰত তোলনি হোৱা পিছত উদ্ভৱ হোৱা সামাজিক আৰু পাৰিবাৰিক ধুমুহাজাক আছিল অতি ভয়াবহ, যাৰ প্ৰভাৱ আছিল সুদূৰ প্ৰসাৰী। প্ৰজ্ঞাৰতীয়ে মনত পেলাইছে, তাই যেতিয়া নবছৰীয়া তেতিয়াই তাইৰ তোলনি হৈছিল আৰু প্ৰথম ৰক্তক্ষৰণ দেখি তাইক কিহবাই কামুৰি চোলাত তেজ লগাই দিলে বুলি ভয়তে কান্দি মাকৰ বুকুত সোমাই পৰিছিল। তাই যেতিয়াই খবৰটো দি কান্দিব ধৰিলে, ঠিক তেতিয়াই এক অভাৱনীয় পৰিৱেশৰ সৃষ্টি হ'ল *"উচ্চবৰ্ণৰ ছোৱালীজনী আবিয়ৈ হৈ থাকোতেই* ***পুষ্পিতা*** *হোৱাটো বংশৰ পৰম্পৰাৰ পৰিপন্থী আছিল। আইতাক মাক আৰু সকলোৱে প্ৰজ্ঞাৰতী* ***পুষ্পিতা*** *হোৱা কথাটো গাপদি ৰাখিবলৈ বাধ্য হৈছিল। তেওঁলোকে চেষ্টা কৰিছিল যাতে বতাহেও কথাটো গম পাব নোৱাৰে। তলে তলে তেওঁলৈ সুপাত্ৰৰ সন্ধানো চলি আছিল। কিন্তু উপযুক্ত পাত্ৰ পোৱাটো সিমান সহজ নাছিল। ইফালে প্ৰজ্ঞাৰতীৰ শৰীৰটো লাহে লাহে ভৰুণ হৈ আহিছিল।"*[১৭]

বতাহৰো কাণ থাকে। অৱশেষত দুটা বছৰ পাৰ হোৱাৰ পাছত এদিন সকলোৱে গম পাইছিল প্ৰজ্ঞাৰতী পুষ্পিতা হোৱা কথাটো। কণমানি ছোৱালীজনীয়ে একো বুজি নোপোৱাৰ বয়সতে সমাজখনে তাইৰ বাবে নিৰ্ধাৰণ কৰিছিল পৰাচিতৰ শাস্তি। মাক-দেউতাকেও নামঘৰত সেৱা লৈ ৰাইজৰ আগত নিজৰ ভুলৰ বাবে ক্ষমা বিচাৰি সমাজৰ বিধানবোৰ মূৰ পাতি লৈছিল। পুষ্পিতা হোৱা ছোৱালীক আবিয়ৈ কৰি ৰাখি তেওঁলোকে যি অপৰাধ কৰিছিল তাৰ বাবে কোনোমতেহে তেওঁলোক এঘৰীয়া নোহোৱাকৈ থাকিব পাৰিছিল।

প্ৰজ্ঞাৰতীৰ ঘৰতে পুষ্পিতা হোৱা কথাটো ইমান গুৰুতৰ অপৰাধ বুলি গণ্য কৰা হৈছিল যে তাইক ৰাজহুৱা কাম কাজত অংশ ল'ব দিয়া হোৱা নাছিল, লগৰ ছোৱালীবোৰ বিয়া হৈ গুচি যোৱাৰ বাবে তাই নিঃসংগ অনুভৱ কৰিছিল। এনে সময়ত হৰিপ্ৰসাদে তাইক

সাহস, প্ৰেম-ভালপোৱা আৰু প্ৰেৰণাৰে জীয়াই থকাৰ পথ দেখুৱাই দিছিল। ঘৰতে তোলনি হোৱাৰ দোষত বিয়াৰ ক্ষেত্ৰত বাধা আহি পৰাত তাইৰ বাইশ বছৰ বয়সলৈকে বিয়া হোৱা নাছিল যদিও ভনীয়েক দুজনীৰ সময়মতেই বিয়া হৈ গৈছিল। পৰিয়ালটোৱে তাইক বিয়া দিবলৈ কৰা চেষ্টা ব্যৰ্থ হৈছিল, দেউতাকৰ ভাৱমূৰ্তি, অগাধ ধন সম্পত্তিয়েও সুপাত্ৰ পোৱাত সহায় কৰিব পৰা নাছিল — *"মাক-দেউতাকৰ সন্মুখৰ প্ৰজ্ঞাৱতী যেন জীয়া জুই একুৰা হৈ ঘূৰি ফুৰিছিল। সমাজৰ কোনো পৰিয়ালেই ওঠৰ বছৰীয়া ছোৱালীজনীক বিয়া পাতি নিবলৈ আগবাঢ়ি অহা নাছিল। আনকি প্ৰজ্ঞাৱতীৰ দেউতাকৰ অগাধ সা-সম্পত্তিয়েও এই সমস্যা সমাধান কৰিব পৰা নাছিল।"*[১৮] হৰিপ্ৰসাদে চকুৰ সন্মুখতে প্ৰজ্ঞাৱতীৰ দুখবোৰ দেখি তাইক উদ্ধাৰ কৰিব বিচাৰিছিল যদিও, সাহস নাছিল। সেয়ে চাৰিটা সন্তানৰ পিতৃ এজনৰ সৈতে বাইশ বছৰীয়া প্ৰজ্ঞাৱতীৰ বিয়াৰ দিনাই সময়ৰ হাতত তাইক এৰি দি হৰিপ্ৰসাদ কলিকতালৈ গুছি গ'ল। সামাজিক সংস্কাৰৰ বলি হৈ প্ৰজ্ঞাৱতীয়ে ইচ্ছাৰ বিৰুদ্ধেও কেৱল মাক-দেউতাকৰ সন্মুখৰ জীয়া জুই একুৰা আঁতৰি আহিব লাগে বুলিয়েই বিয়া হ'বলগীয়া হ'ল। গল্পটোত সমাজৰ বাবে অহিতকৰ সংস্কাৰবোৰে কিদৰে ব্যক্তিৰ জীৱন বিষময় আৰু দুৰ্বিসহ কৰি তোলে, তাৰেই সুন্দৰ প্ৰতিচ্ছবি দাঙি ধৰা হৈছে।

২০১৯ চনৰ ১-১৫ আগষ্টত প্ৰকাশিত কাব্যশ্ৰী মহন্তৰ গল্প *'পীড়িত-নিপীড়ক'*নামৰ গল্পটোত অলপ কথাৰে তোলনি বিয়াৰ গুৰুত্ব বুজোৱা হৈছে। গল্পটোৰ বিষয়বস্তু অনুসৰি সত্যব্ৰত ফুকন নামৰ মৌজাদাৰজনে নিজৰ সন্তান আৰু পত্নী থকাৰ পিছতো দুমাহ পত্নী ঘৰত নথকাৰ সুযোগতে কাম কৰা ছোৱালীজনীৰ লগত দৈহিক সম্পৰ্ক স্থাপন কৰে। ইয়াৰ ফলত তাই এটি ছোৱালী সন্তানৰ মাতৃ হয়। মাক-জীয়েকক মৌজাদাৰে কোনো এটা নাম নিদিলেও ঘৰখনৰ আন পৰিয়ালৰ সন্মতি সাপেক্ষে ঘৰতে ৰাখে। মাক-জীয়েক কিন্তু এই ঘৰখনত চাকৰৰ দৰেই থাকে। জীয়েকজনী পঢ়াশুনাত মেধাবী আছিল বাবে এটা সময়ত তাই দিল্লীত চাকৰি পাই মাকক লগত লৈ যায়। ছোৱালীজনীয়ে এটা কথা লক্ষ্য কৰিছিল যে ঘৰখনে তাইৰ মাকক আৰু তাইক স্বীকৃতি নিদিলেও মাক ঘৰখনৰ প্ৰতি অতি কৃতজ্ঞ। মৌজাদাৰৰ পত্নী, যাক তাই বৰমা বুলি মাতে সেইগৰাকীৰ প্ৰতি মাক আটাইতকৈ বেছি কৃতজ্ঞ। ইয়াৰ কাৰণ জানিব বিচৰাত মাকে কাম কৰা ছোৱালী হ'লেও মাকক কিমান মৰম

কৰিছিল তাক বুজাবলৈ গৈ তোলনি বিয়াত দেখুওৱা মৰমৰ কথা ব্যক্ত কৰিছে। সাধাৰণতে অতি আপোন মানুহকহে তোলনি বিয়াত সোণৰ অলংকাৰ উপহাৰ হিচাবে দিয়া হয়। সৰুতে কাম কৰা ছোৱালী হিচাবে থকা মানুহগৰাকীক বৰমাকে খুবেই মৰম কৰিছিল, যাৰ ফলত তোলনি বিয়াত সোণৰ দুল দিছিল। জীয়েকক অতি কৃতজ্ঞ কণ্ঠেৰে মাকে কৈছে —*"মোক আঠবছৰ বয়সতে তোৰ বৰমাৰে লৈ আহিছিল। লিখা-পঢ়া শিকাইছিল। নখ কাটিবলৈ, চুলি আঁচুৰিবলৈ শিকাইছিল।* ***তোলনি হওঁতে*** *সোণৰ দুল বনাই দিছিল।"*[৯৯] এনেদৰে এগৰাকী কাম কৰা ছোৱালী, যদিও পৰৱৰ্তী সময়ত মালিকৰ কামনাৰ বলি হৈ এটি সন্তানৰ মাতৃ হৈও কোনো স্বীকৃতি নোহোৱাকৈ সেই ঘৰখনতে থাকিল, তথাপিও তাই মালিকনীৰ প্ৰতি থকা কৃতজ্ঞতাৰ কাৰণ এটা তোলনি বিয়াত দেখুওৱা মৰম বুলি কব বিচাৰিছে।

'*প্ৰান্তিক*'ৰ ২০২০ চনৰ ১-৩০ এপ্ৰিল সংখ্যাত প্ৰকাশিত ডাঃ জয়ন্ত কুমাৰ গোস্বামীৰ '*শান্তিপৰ্ব*'ত এক বিশেষ কৌশলেৰে কিশোৰী এগৰাকী 'ডাঙৰ হোৱা' কথাটো দাঙি ধৰিছে। গল্পটোত আয়েছা নামৰ এঘাৰ বছৰীয়া ছোৱালী এগৰাকী 'কলেডেকেল চিষ্ট' নামৰ পেটৰ এটা দুৰ্লভ ৰোগৰ অপাৰেচনৰ কথা উল্লেখ আছে। বেমাৰটোৰ দৰে তাইৰ তেজৰ গ্ৰুপটোও দুৰ্লভ 'এ-বি. নিগেটিভ'। এই আপাৰেচনটোৰ পিছত যথেষ্ট তেজৰ দৰকাৰ হয় কাৰণে ডাক্তৰ বিকাশ বৰুৱাই আগতীয়াকৈ পৰিয়ালক এই গ্ৰুপৰ তেজ যোগাৰ কৰিবলৈ কৈ অপাৰেচনৰ বাবে সাজু হৈছে। তেজৰ যোগাৰ হোৱাৰ পিছত সফলতাৰে ডাক্তৰে অপাৰেচনটো সম্পন্ন কৰিলে। কিন্তু অপাৰেচনটোৰ পিছত ৰোগীৰ যিকোনো অংশৰপৰা ৰক্তক্ষৰণ হোৱাৰ এটি সম্ভাৱনা থাকে। ডাক্তৰ বৰুৱাই ভবাৰ দৰে আয়েছাৰো ৰক্তক্ষৰণ সম্পূৰ্ণৰূপে বন্ধ নহৈ প্ৰায় পঞ্চমদিনৰ পুৱালৈ তাইৰ ৰক্তক্ষৰণ হৈ থাকিল আৰু তাইক ড্ৰেছিং কৰাই থাকিব লগা হ'ল। পঞ্চমদিনা পুৱাৰে পৰা তাইক আৰু ড্ৰেছিং কৰাবলগীয়া নহ'ল, তাইৰ ৰক্তক্ষৰণ ভাল হ'ল। ডাক্তৰ বৰুৱাৰ মনৰ পৰা দুঃশ্চিন্তা আঁতৰি গ'ল। কিন্তু হঠাৎ ষষ্ঠদিনা পুৱা তাইৰ পুনৰ ৰক্তক্ষৰণ হোৱাৰ কথা গম পাই তাইৰ কেবিনলৈ আহি মাকৰ পৰা তেজলগা কাপোৰখিনি চাব বিচাৰিলে। মাকে কাপোৰখিনি ধুই পেলোৱা বুলি কোৱাত ডাক্তৰে পিছত তেজ ওলালে কাপোৰবোৰ ধুবলৈ মানা কৰি থৈ গুছি গ'ল। আঢ়ৈমান বজাত ডাক্তৰ আহি তাইৰ তেজলগা কাপোৰবোৰ চাব খোজাত মাকে ডাক্তৰক কোৱা কথাখিনিতেই ছোৱালীৰ তোলনি হোৱাৰ

কথাটো আহিছে —*“মানে, এটা কথা। তাই ডাঙৰহে হ’ল নেকি? মই নাৰ্ছ বাইদেউক কোৰাত তেঁৰো চালে। ৰাতিপুৱাৰ তেজখিনিও সেয়াই আছিল বোধ হয়।”*[১০০]

গল্পটোত এটা প্ৰাকৃতিক ঘটনাক ডাক্তৰে কৰা অপাৰেচনৰ পিছত হোৱা ৰক্তক্ষৰণৰ কথাৰে শেষ মুহূৰ্তলৈ উৎকণ্ঠা বজাই ৰাখি এঘাৰ বছৰীয়া ছোৱালীজনীৰ ডাঙৰ হোৱা অৰ্থাৎ তোলনি হোৱাৰ প্ৰসংগ উপস্থাপন কৰা হৈছে। কিশোৰী এগৰাকী নাৰীত্বলৈ উত্তৰণ ঘটা এই ক্ষণটো সকলোৰে বাবে আনন্দৰ বিষয়। ঘটনাটোৰ গুৰুত্ব তথা মাকৰ মনৰ সন্তুষ্টিলৈ লক্ষ্য ৰাখি ডাক্তৰে আয়েছাক জোকাইছে — *‘ ‘মিঠাই খুৱাব লাগিব কিন্তু।”*[১০১] আয়েছাইও বুজিছে তাইৰ দৈহিক পৰিৱৰ্তন তথা এই স্বাভাৱিক পৰিঘটনাটোৰ গুৰুত্ব, সেয়ে লাজ লাজকৈ ডাক্তৰক কৈছে — *“খুৱাম।”*[১০২]

গৰিয়সী আলোচনীৰ ২০২০ চনৰ নবেম্বৰ সংখ্যাত প্ৰকাশিত প্ৰকৃতি নাজিৰৰ *‘বৈভৱ’* নামৰ গল্পটোত তোলনি বিয়াৰ এটি আভাস পাব পাৰি। গল্পটোত দুগৰাকী অশুৱনি, পুৰুষসুলভ চেহেৰাৰ ক্ষীণমীন নাৰীৰ জীৱনগাঁথা বিভূতি নামৰ প্ৰধান চৰিত্ৰটোৰ মাধ্যমেৰে দাঙি ধৰা হৈছে। বিভূতিয়ে নিজৰ বায়েক আৰু চাকৰি কালত ভাড়াঘৰত থাকোঁতে লগ পোৱা প্ৰায় ৪০-৪২ বছৰীয়া অবিবাহিতা নন্দিনীৰ জীৱনৰ কৰুণ দিশটো দেখা আৰু বুজাৰ সুবিধা পাইছে। দুয়োগৰাকী নাৰী পুৰুষসুলভ চেহেৰাৰ, দেখিবলৈ অশুৱনি আৰু ক্ষীণমীন হোৱাৰ বাবে পৰিয়াল তথা সমাজৰ আন একাংশৰ পৰাও অনাদৰ অৱহেলা পাই আহিছে। বায়েকৰ লগত নন্দিনীৰ চেহেৰাৰ মিল থকাৰ বাবেই গ্ৰামীন বেংকৰ বিষয়া বিভূতিয়ে নন্দিনীৰ প্ৰতি কৌতূহল প্ৰকাশ কৰিছে আৰু নিজৰ ভাড়া ঘৰৰ ওচৰৰে আন এটা ভাড়াঘৰত থকা নন্দিনীক লক্ষ্য কৰি মন কৰিছে যে সদায় ৰাতি ৰাতি নন্দিনীয়ে কান্দে। নন্দিনীৰ মনোবেদনা উপলব্ধি কৰি তাইৰ ওচৰ চপাৰ সিদ্ধান্ত লোৱা বিভূতিয়ে বায়েকৰ দুৰ্ভাগ্যৰ কথা মনত পেলাওতেই তোলনি বিয়াৰ প্ৰসংগ আহিছে।

বিভূতিয়ে নিজৰ ঘৰখনত ৰূপহী ভনীয়েক আৰু অশুৱনি বায়েকৰ মাজত পৰিয়ালে কৰা বৈষম্য দেখিছে। ক্লাচ ফাইভত পঢ়া ভনীয়েক আৰু ক্লাচ চেভেনত পঢ়া বিভূতি সদায় একেখন বিচনাতেই শুইছিল। সিহঁত দুয়োৰে পিছদিনা ৰাতিপুৱা কাৰ বাৰীত সোমাই কি চুৰ কৰিব, কি খেল খেলিব এইবোৰ ৰাতিয়েই আলোচনা কৰি ঠিক কৰি থৈছিল। কিন্তু এদিন

বিভূতিক কোৱা হ'ল যে এতিয়াৰে পৰা ভনীয়েক তাৰ লগত শুব নোৱাৰে, তাই গাভৰু হ'ল— *"আজি ভনীয়েক তাৰ লগত নাই। মাকহঁতে ভনীয়েকক আছুতীয়া কোঠা এটাত খেৰৰ ওপৰত পৰা কাপোৰৰ বিছনা এখনত শুৱাইছে। চাৰিদিনত মাকৰ সমবয়সী চুবুৰীৰ তিৰোতা মানুহবোৰ পুৱাতেই আহি তাইক ধুৱালেহি।"*[১০৩] পিছত মাকে বিভূতিক এতিয়াৰে পৰা আৰু তাইৰ লগত শুব নোৱাৰে বুলি কৈ থলে— *"তই আৰু তাইৰ লগত শুব নোৱাৰ। তাই **ডাঙৰ হ'ল**।"*[১০৪] বিভূতিৰ মনত এটা প্ৰশ্নই আমনি কৰিলে, ক্লাছ ফাইভত পঢ়া ভনীয়েক ডাঙৰ হ'ল কিন্তু বায়েক নহ'ল। মাকে হয়টো বিভূতিৰ মনত উদয় হোৱা প্ৰশ্নটোৰ উমান পাইছিল, তেওঁ নিজকে নিজে কোৱাইদি ক'লে— *"**গাভৰু হ'ব** লাগিছিল বায়েক, হ'ল ভনীয়েক।"*[১০৫] বায়েকৰ শুকান চেহেৰা আৰু পুৰুষসুলভ গঠনে হয়তো বায়েকৰ তোলনি হোৱাত পলম কৰিলে। ভনীয়েকৰ আগতে তোলনি হোৱা, আৰু ইয়াৰ কাৰণে ঘৰখনত এটা উৎসৱ চলা কথাটোৱে বায়েকৰ মনত কিমান কষ্ট দিছিল তাৰ উমান বিভূতিয়ে ৰাতি ৰাতি পাইছিল। কাৰণ গাভৰু ভনীয়কেৰ লগত শুব নোৱাৰা বিভূতিয়ে, গাভৰু নোহোৱা বায়েকৰ লগত শুইছিল আৰু সদায় ৰাতি ৰাতি সাংঘাতিক মনোবেদনাত উচুপি উচুপি কন্দা বায়েকৰ কান্দোনৰ সাক্ষী হ'বলগীয়াত পৰিছিল। বহুদেৰিকৈ তোলনি হোৱা বায়েকৰ উপযুক্ত পাত্ৰ নোপোৱাত ৰূপহী ভনীয়েকৰ আগতে বিয়া পতা হৈছিল। বিয়াৰ আগদিনা ৰাতি ষ্ট'ৰৰুমত সোমাই কান্দি থকা বায়েকক বিভূতিয়েই পহৰা দিছিল। পৰৱৰ্তী সময়ত এজন অন্ধ শিক্ষকৰ লগত বায়েকৰ বিয়াৰ কথা-বাৰ্তা চলাৰ পিছতো বিয়াখন নোহোৱাত তাই চিপ লৈ আত্মহত্যা কৰে। নন্দিনীৰ সমস্যা বায়েকৰ সমস্যাৰ দৰেই একে এই উপলব্ধিৰ বাবেই বিভূতিয়ে নন্দিনীৰ বাহ্যিক সৌন্দৰ্যক গুৰুত্ব নিদি তাইৰ মন জীপাল কৰি মৃত বায়েককে যেন ন্যায় দিব বিচাৰিলে।

গল্পটোত তোলনি হোৱা কথাটোৱে দুগৰাকী সমবয়সী কিশোৰীৰ মনস্তত্ত্বত কিদৰে প্ৰভাৱ পেলায় তাৰো আভাস পাব পাৰি। ডাঙৰজনী থাকোঁতেই সৰুজনীৰ তোলনি হ'লে স্বাভাৱিকতেই ডাঙৰজনীৰ মনোজগতত এক হীনমন্যতা আৰু অৱহেলিত ভাৱৰ সৃষ্টি হ'ব পাৰে। ইয়াত বিভূতিৰ বায়েকৰ মনোজগতখনৰ খবৰ বিভূতিৰ জৰিয়তেই দাঙি ধৰা হৈছে।

অসমীয়া সাহিত্যৰ এই গল্পসমূহ বিচাৰ কৰি চালে দেখা যায় যে, এইবোৰত তোলনি বিয়াৰ সম্পূৰ্ণ বিৰৰণ পোৱা নাযায় যদিও ইয়াৰ মাজেৰে তোলনি বিয়াৰ খণ্ডচিত্ৰ একোটা প্ৰতিফলিত হৈছে। যিবোৰ গল্পত তোলনি বিয়াই স্থান পাইছে সেই গল্পবোৰত তোলনি বিয়াৰ কোনো এটা দিশৰ ওপৰত আলোকপাত কৰা হৈছে। অসমীয়া সমাজত তোলনি বিয়াৰ স্থানৰ গুৰুত্ব আৰু ইয়াৰ মূল্যায়নৰ চেষ্টাৰ পৰিপ্ৰেক্ষিতত তোলনি বিয়াই ভিন্ন ৰং ৰূপেৰে গল্প সাহিত্যত স্থান লাভ কৰি আহিছে।

## প্ৰসংগ টীকা ঃ

১) নবীনচন্দ্ৰ শৰ্মা ঃ *অসমীয়া লোকসংস্কৃতিৰ আভাস,* পৃষ্ঠা-২২
২) সৰ্বেশ্বৰ ৰাজগুৰু ঃ *অসমীয়া প্ৰবাদ,* পৃষ্ঠা-২৫৭
৩) উল্লিখিত ঃ পৃষ্ঠা-২৫৭
৪) উল্লিখিত ঃ পৃষ্ঠা-৩১৯
৫) ফনীন্দ্ৰ নাথ কলিতা ঃ *বাৰমাহী আৰু বিলাপ গীত,* পৃষ্ঠা-৪
৬) নগেন শইকীয়া (সম্পাঃ) ঃ *জোনাকী, একত্ৰ সংকলন,* পৃষ্ঠা-১১১
৭) উল্লিখিত ঃ পৃষ্ঠা-৪৬০
৮) পৰমানন্দ মজুমদাৰ (সম্পাঃ) ঃ *আৱাহন,* প্ৰথম খণ্ড, পৃষ্ঠা-৪৭২
৯) উল্লিখিত ঃ পৃষ্ঠা-১০৭
১০) বসন্ত ভট্টাচাৰ্য (সম্পাঃ) ঃ *সদৰামীনৰ আত্মজীৱনী,* পৃষ্ঠা-২০
১১) নলিনীবালা দেৱী ঃ *এৰি এহা দিনবোৰ,* পৃষ্ঠা-৬৫
১২) নিৰ্মলপ্ৰভা বৰদলৈ ঃ *জীৱন জীৱন বৰ অনুপম,* পৃষ্ঠা-৫৮
১৩) উল্লিখিত ঃ পৃষ্ঠা-৬১
১৪) উল্লিখিত ঃ পৃষ্ঠা-৭৭
১৫) মামনি ৰয়চম গোস্বামী ঃ *ছিন্নমস্তাৰ মানুহটো,* পৃষ্ঠা-৪৯
১৬) উল্লিখিত ঃ পৃষ্ঠা-৪৯
১৭) উল্লিখিত ঃ পৃষ্ঠা-৯০
১৮) উল্লিখিত ঃ পৃষ্ঠা-৫
১৯) উল্লিখিত ঃ পৃষ্ঠা-১০৩
২০) মামনি ৰয়চম গোস্বামী ঃ *উপন্যাস সমগ্ৰ,* পৃষ্ঠা-২৮
২১) উল্লিখিত ঃ পৃষ্ঠা-২৮
২২) উল্লিখিত ঃ পৃষ্ঠা-৩০
২৩) উল্লিখিত ঃ পৃষ্ঠা-৩০
২৪) উল্লিখিত ঃপৃষ্ঠা-৬৬
২৫) উল্লিখিত ঃ পৃষ্ঠা-৯৩
২৬) পূৰবী বৰমুদৈ ঃ *ৰূপোৱালী নৈৰ সোণোৱালী ঘাট,* পৃষ্ঠা-৫৭
২৭) উল্লিখিত ঃ পৃষ্ঠা-১২১

২৮)   উল্লিখিত ঃ পৃষ্ঠা-৩০৬
২৯)   পূৰবী বৰমুদৈ ঃ *বাঘশাল, বাঘজাল আৰু মানুহ,* পৃষ্ঠা-১৫
৩০)   উল্লিখিত ঃ পৃষ্ঠা-৬২
৩১)   উল্লিখিত ঃ পৃষ্ঠা-৬৯
৩২)   উল্লিখিত ঃ পৃষ্ঠা-৬৯
৩৩)   উল্লিখিত ঃ পৃষ্ঠা-৭০
৩৪)   উল্লিখিত ঃ পৃষ্ঠা-৭২
৩৫)   উল্লিখিত ঃ পৃষ্ঠা-৭৩-৭৪
৩৬)   উল্লিখিত ঃ পৃষ্ঠা-১২০
৩৭)   অনুৰাধা শৰ্মাপূজাৰী ঃ *মেৰেং,* পৃষ্ঠা-৭
৩৮)   অৰূপা পটঙ্গীয়া কলিতা ঃ *অৰুণিমাৰ স্বদেশ,* পৃষ্ঠা-৫
৩৯)   উল্লিখিত ঃ পৃষ্ঠা-৫
৪০)   অৰূপা পটঙ্গীয়া কলিতা ঃ *অয়নান্ত,* পৃষ্ঠা-১০২
৪১)   জুৰি শইকীয়া ঃ *সৌমাৰ নন্দিনী,* পৃষ্ঠা-৫০
৪২)   উল্লিখিত ঃ পৃষ্ঠা-৫১-৫২
৪৩)   জুৰি শইকীয়া ঃ *ৰাধিকা,* পৃষ্ঠা-৪১
৪৪)   উল্লিখিত ঃ পৃষ্ঠা-৪৪
৪৫)   উল্লিখিত ঃ পৃষ্ঠা-৪২
৪৬)   উল্লিখিত ঃ পৃষ্ঠা-৪৪
৪৭)   উল্লিখিত ঃ পৃষ্ঠা-৪৬
৪৮)   ৰীতা চৌধুৰী ঃ *মায়াবৃত্ত,* পৃষ্ঠা-৪৫
৪৯)   উল্লিখিত ঃ পৃষ্ঠা-৪৫
৫০)   উল্লিখিত ঃ পৃষ্ঠা-৪৬
৫১)   উল্লিখিত ঃ পৃষ্ঠা-৪৬
৫২)   উল্লিখিত ঃ পৃষ্ঠা-৪৯
৫৩)   উল্লিখিত ঃ পৃষ্ঠা-৫০
৫৪)   ৰাস্না পালক ঃ *বেলিবিহীন কপালৰ ৰ'দঘাই  মানুহজনী,* পৃষ্ঠা-৩৫
৫৫)   উল্লিখিত ঃ পৃষ্ঠা-৫০
৫৬)   উল্লিখিত ঃ পৃষ্ঠা-৫৪
৫৭)   উল্লিখিত ঃ পৃষ্ঠা-৫২
৫৮)   উল্লিখিত ঃ পৃষ্ঠা-৬৩
৫৯)   উল্লিখিত ঃ পৃষ্ঠা-৬৭
৬০)   নৰকান্ত বৰুৱা ঃ *ককাদেউতাৰ হাড়,* পৃষ্ঠা-৭২
৬১)   উল্লিখিত ঃ পৃষ্ঠা-১০১
৬২)   জীৱন নৰহ (সম্পাঃ) ঃ *মহিম বৰাৰ ৰচনা সমগ্ৰ,* পৃষ্ঠা-৯০৪
৬৩)   উল্লিখিত ঃ পৃষ্ঠা-৯০৫
৬৪)   জুৰি বৰা বৰগোহাঞি ঃ *নাংফা,* পৃষ্ঠা-৫
৬৫)   উল্লিখিত ঃ পৃষ্ঠা-৩
৬৬)   মণিকুন্তলা ভট্টাচাৰ্য ঃ *বৰদোৱানী,* পৃষ্ঠা-১৭১
৬৭)   উল্লিখিত ঃ পৃষ্ঠা-১৭২

৬৮) আনন্দ চন্দ্ৰ বৰুৱা, *কপাল* (গল্প) ঃ *আৱাহন,* প্ৰথম খণ্ড, পৃষ্ঠা-৪৩
৬৯) হৰেন্দ্ৰ নাথ কলিতা, *সুদূৰ ভৱিষ্যত* (গল্প) ঃ *আৱাহন,* প্ৰথম খণ্ড, পৃষ্ঠা-৬৯
৭০) হলিৰাম ডেকা, *বিধান* (গল্প) ঃ *আৱাহন,* প্ৰথমখণ্ড, পৃষ্ঠা-২৪৯
৭১) ৰজনীকান্ত বৰদলৈ, *গা ধন* (গল্প) ঃ *আৱাহন,* প্ৰথমখণ্ড, পৃষ্ঠা-৫৭১
৭২) নন্দিতা দেৱী ঃ *বান্দী,* পৃষ্ঠা-৩১
৭৩) উল্লিখিত ঃ পৃষ্ঠা-৩৪
৭৪) উল্লিখিত ঃ পৃষ্ঠা-৩৪
৭৫) উল্লিখিত ঃ পৃষ্ঠা-৩৪
৭৬) উল্লিখিত ঃ পৃষ্ঠা-৩৪
৭৭) নীলিমা শৰ্মা, *অন্য সুঁতি* (গল্প) ঃ *ৰামধেনুৰ শ্ৰেষ্ঠ গল্প সংকলন,* পৃষ্ঠা-২৭৯
৭৮) উল্লিখিত ঃ পৃষ্ঠা-২৮০
৭৯) উল্লিখিত ঃ পৃষ্ঠা-২৮০
৮০) উল্লিখিত ঃ পৃষ্ঠা-২৮০-২৮১
৮১) অৰূপা পটঙ্গীয়া কলিতা ঃ *দেওপাহাৰৰ ভগ্নস্তূপত,* পৃষ্ঠা-১৪২
৮২) বন্তি শেনচোৱা, *জল ভৰি যশোদা* (গল্প) ঃ *অসমীয়া গল্প সংকলন,* পৃষ্ঠা-২৭৩
৮৩) উল্লিখিত ঃ পৃষ্ঠা-২৭৩
৮৪) উল্লিখিত ঃ পৃষ্ঠা-২৭৩
৮৫) উল্লিখিত ঃ পৃষ্ঠা-২৭৪
৮৬) উল্লিখিত ঃ পৃষ্ঠা-২৭৪
৮৭) উল্লিখিত ঃপৃষ্ঠা-২৭৪
৮৮) উল্লিখিত ঃ পৃষ্ঠা-২৭৪
৮৯) ইমৰাণ হুছেইন ঃ *হুদুমদেও আৰু অন্যান্য গল্প,* পৃষ্ঠা-৬৭
৯০) উল্লিখিত ঃ পৃষ্ঠা-৭২
৯১) উল্লিখিত ঃ পৃষ্ঠা-৭২
৯২) উল্লিখিত ঃপৃষ্ঠা-৭৩
৯৩) উল্লিখিত ঃ পৃষ্ঠা-৭৪
৯৪) উল্লিখিত ঃ পৃষ্ঠা-৭৭
৯৫) সঞ্জীৱ পল ডেকা ঃ *এইপিনে কি আছে,* পৃষ্ঠা-২০
৯৬) উল্লিখিত ঃ পৃষ্ঠা-৩৫
৯৭) মেঘনা চৌধুৰী, *শিলৰ বুকু বুকুৰ শিল* (গল্প) ঃ *প্ৰান্তিক* ১-১৫ জুন, ২০১৯, পৃষ্ঠা-৫৪
৯৮) উল্লিখিত ঃ পৃষ্ঠা-৫৪
৯৯) কাব্যশ্ৰী মহন্ত, *পীড়িত-নিপীড়ক* (গল্প) ঃ *প্ৰান্তিক* ১-১৫ আগষ্ট,২০১৯ চন, পৃষ্ঠা-৫৮
১০০) ডাঃ জয়ন্ত কুমাৰ গোস্বামী, *শান্তি পৰ্ব* (গল্প) ঃ *প্ৰান্তিক* ১৫-৩০ এপ্ৰিল,২০২০ চন, পৃষ্ঠা-৫৮
১০১) উল্লিখিত ঃ পৃষ্ঠা-৫৮
১০২) উল্লিখিত ঃ পৃষ্ঠা-৫৮
১০৩) প্ৰকৃতি নাজিৰ, *বৈভৱ* (গল্প) ঃ *গৰিয়সী,* ২০২০ নবেম্বৰ সংখ্যা, পৃষ্ঠা-৭২
১০৪) উল্লিখিত ঃ পৃষ্ঠা-৭২
১০৫) উল্লিখিত ঃ পৃষ্ঠা-৭২

----

# পঞ্চম অধ্যায়

## ৫.০০ তোলনি বিয়াৰ পৰিৱৰ্তন আৰু প্ৰাসংগিকতা

**আৰম্ভণি ঃ**

সংস্কৃতি বোঁৱতী নদীৰ দৰে গতিশীল। সময়ৰ লগে লগে ঘটা সমাজ আৰু সংস্কৃতিৰ পৰিৱৰ্তন এক স্বাভাৱিক প্ৰক্ৰিয়া। এখন স্থিতিশীল সমাজে নতুন ৰূপ পৰিগ্ৰহ কৰিব নোৱাৰে, স্থিতিশীল সমাজ সদায় মৃত্যুমুখী। এখন সমাজে বিৱৰ্তনৰ মাজেৰে গতি কৰাৰ লগে লগে সমাজৰ বিভিন্ন দিশত বিভিন্ন ধৰণৰ পৰিৱৰ্তন পৰিলক্ষিত হয়। সামাজিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত গঢ়ি উঠা সংস্কৃতিৰ পৰিৱৰ্তনো সমাজ পৰিৱৰ্তনৰ লগে লগে হোৱা নতুন ৰূপ চকুত পৰা ধৰণৰ হয়। সময়ভেদে মানুহৰ ৰুচি-অভিৰুচি, জীৱন ধাৰণ প্ৰণালী, সামাজিক লোকাচাৰ বা ৰীতি-নীতি, ভৌতিক সংস্কৃতি আৰু লোক পৰিৱেশ্য কলাসমূহতো পৰিৱৰ্তন ঘটি আহিছে। সাংস্কৃতিক পৰিৱৰ্তনসমূহে লোকজীৱনত অলক্ষিতে প্ৰৱেশ কৰে। সংস্কৃতিৰ সকলো দিশতে এই পৰিৱৰ্তন বিচাৰি পোৱা যায়। সামাজিক জীৱনত এজন ব্যক্তি বা এটা পুৰুষে লাভ কৰা জ্ঞান, অভিজ্ঞতা, ৰীতি-নীতিসমূহ পৰম্পৰাগতভাৱে এখন সমাজত জীয়াই থাকে আৰু ই এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ বাগৰি যায়। এনেদৰে যুগ যুগ ধৰি প্ৰৱাহিত হৈ থকা সংস্কৃতি সময়ৰ সোঁতত কিছু পৰিৱৰ্তিত হৈ আহি কিছু এৰি আৰু কিছু নতুন সংযোগৰ মাজেৰে নতুন ৰূপত আত্মপ্ৰকাশ কৰে।

সমাজ অবিহনে সংস্কৃতিৰ বিকাশ সম্ভৱ নহয় আৰু সংস্কৃতি অবিহনেও সমাজৰ পৰিচয় নাথাকে। এনে পৰিপ্ৰেক্ষিতত সমাজ আৰু সংস্কৃতি অভিন্ন বুলি ক'ব পাৰি। সেয়ে সময়ৰ পৰিৱৰ্তনে সমাজ আৰু সংস্কৃতিত পৰিৱৰ্তন সাধন কৰে। সংস্কৃতিৰ এনে পৰিৱৰ্তন সম্পৰ্কে নবীনচন্দ্ৰ শৰ্মাই উল্লেখ কৰিছে এনেদৰে —"*সাংস্কৃতিক পৰিৱৰ্তন সাংস্কৃতিক স্থবিৰতাৰ পটভূমিতহে অধ্যয়ন কৰিব পাৰি। সংৰক্ষণশীলতাৰ বিৰুদ্ধে পৰিৱৰ্তন সূচিত*

*হোৱাৰ গভীৰতাৰ সংযোগতহে সাংস্কৃতিক স্থবিৰতাৰ আভাস পোৱা যায়।”*[১] সময়ৰ সোঁতত পৰিৱৰ্তনশীল সংস্কৃতিৰ লগে লগে জনসাধাৰণৰ ৰুচি-অভিৰুচি, জীৱন ধাৰণ প্ৰণালীৰ মাজত পৰিৱৰ্তনৰ আঁচোৰ পৰে। নগৰীয়া বা গ্ৰাম্য যি সমাজেই নহওঁক প্ৰত্যেক মানৱ সমাজ আধুনিকতাৰ দ্বাৰা প্ৰভাৱিত হৈছে আৰু ইয়াৰ ফলত লোকসংস্কৃতিৰ পৰম্পৰাসমূহৰ কম বেছি পৰিমাণে পৰিৱৰ্তন ঘটিছে।

প্ৰাক্ আহোম যুগ আৰু আহোম যুগৰ শাসন ব্যৱস্থাই অসমৰ সুশৃংখল সামাজিক বাতাবৰণ সৃষ্টিত অৰিহণা যোগাইছিল। এই সময়ছোৱাত অসমৰ স্বাধীন ৰাজ্যসমূহৰ মানুহৰ দৈনন্দিন জীৱন প্ৰণালীক লোকসংস্কৃতিমূলক শিক্ষাই ভালেখিনি নিয়ন্ত্ৰিত কৰি ৰাখিছিল। মানুহৰ জীৱনৰ প্ৰয়োজনীয় কাৰ্যসমূহ সম্পাদনাত প্ৰত্যেকে আহৰণ কৰা ব্যৱহাৰিক অভিজ্ঞতাই মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। সমাজত উদ্ভৱ হোৱা যিকোনো সমস্যা নিজা গোষ্ঠীৰ বা সম্প্ৰদায়ৰ ভিতৰতে বিচাৰ প্ৰক্ৰিয়াৰে সমাধান কৰা হৈছিল। শৃংখলাবদ্ধ আৰু কঠোৰ অনুশাসনৰ মাজেৰে পৰিচালিত সমাজ ব্যৱস্থাত ৰাইজৰ বিচাৰৰ মাজেৰেই সুসিদ্ধান্তত উপনীত হোৱাৰ পথ প্ৰশস্ত হৈ পৰিছিল, আইন আদালতৰ কাম এই সমাজ ব্যৱস্থাৰ বিচাৰ প্ৰক্ৰিয়াৰ মাজেৰেই সম্পাদন হৈছিল।

১৮২৬ চনৰ পৰা, বিশেষকৈ বৃটিছসকল অহাৰ পিছত অসমৰ প্ৰায় সকলো দিশতে প্ৰভূত পৰিৱৰ্তন পৰিলক্ষিত হয়। বৃটিছৰ শাসন কালত অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক দিশত আহি পৰা পৰিৱৰ্তনে পৰম্পৰাগতভাৱে চলি অহা অসমৰ সমাজ ব্যৱস্থাৰ কাঠামোত মোক্ষম আঘাত হানিলে। খ্ৰীষ্টান ধৰ্মৰ প্ৰসাৰ আৰু প্ৰচাৰে মানুহৰ মন-সংস্কাৰমুক্ত কৰি বৈজ্ঞানিক দৃষ্টিভংগীৰে সকলো দিশ চালিজাৰি চোৱাত সহায় কৰে। নবীনচন্দ্ৰ শৰ্মাই কোৱাৰ দৰে —*“সময়ৰ সোঁতত পৰম্পৰাৰ পৰিৱৰ্তন ঘটে। তেনেদৰে আধুনিক শিক্ষাৰ সম্প্ৰসাৰণ, দেশ-বিদেশৰ সৈতে সম্পৰ্ক সম্বন্ধ স্থাপন তাতোকৈও গোলকীকৰণৰ প্ৰভাৱৰ হেতু মানুহৰ মন, ৰুচিবোধ, আদৰ্শৰো পৰিৱৰ্তন ঘটা স্বাভাৱিক।”*[২]

বিজ্ঞান প্ৰযুক্তিৰ উন্নতি আৰু ইয়াৰ ব্যৱহাৰ, স্বাস্থ্যখণ্ডৰ উন্নতি তথা উদ্যোগ বাণিজ্যৰ উন্নতিয়ে সমাজ জীৱনলৈ অনা সুবিধাসমূহে নগৰীয়া জীৱনৰ লগতে গ্ৰাম্য জীৱনকো প্ৰভাৱিত কৰিবলৈ সক্ষম হৈছে। ফলত গাঁৱৰ বোকা-পানীৰ জীৱনতকৈ মানুহবোৰ লাহে

লাহে বস্তুবাদী পৃথিৱীখনলৈ আকৰ্ষিত হোৱাটো স্বাভাৱিক। গাঁৱৰ সমাজ ব্যৱস্থাত আহি পৰা পৰিৱৰ্তনৰ ঢৌৰ বাবে ব্যক্তিকেন্দ্ৰিকতাৰ আগমন ঘটিল আৰু লাহে লাহে পাশ্চাত্যৰ আদৱ কায়দাৰ অনুসৰণ আৰু অনুকৰণৰ মাজেৰে এক মিশ্ৰিত সংস্কৃতিৰ গঢ় লোৱাত সহায় কৰিলে। তথ্য প্ৰযুক্তিৰ উন্নতিৰ লগে লগে যোগাযোগ ব্যৱস্থাৰো উন্নতি ঘটিছে, যাৰ ফলত বিশ্বৰ ইমূৰৰ পৰা সিমূৰলৈ মানুহে সম্পৰ্ক গঢ়িবলৈ সুবিধা পাইছে। গোলকীকৰণ বা বিশ্বায়নৰ ফলত এতিয়া পদে পদে মানুহ সমগ্ৰ বিশ্বৰ সতে সংযোজিত হৈ থাকে, সমগ্ৰ পৃথিৱীখন এখন সৰু গাঁৱৰ ধাৰণালৈ পৰ্যবসিত হৈছে। নবীন চন্দ্ৰ শৰ্মাই এই সম্পৰ্কে উল্লেখ কৰিছে— *"গোলকীকৰণ বা বিশ্বায়ন (Globalisation)ৰ অৰ্থ হৈছে আন্তৰ্জাতিক একত্ৰীকৰণ। এক সামাজিক প্ৰক্ৰিয়া আৰু ইয়াৰ উদ্ভৱ হৈছে উৎপাদন, আদৰ্শ আৰু সংস্কৃতি সম্পৰ্কীয় জাগতিক দৃষ্টিভংগীৰ পৰা।"*[৩] গোলাকীকৰণৰ ফলত বিশ্বৰ দেশবোৰৰ মাজত পাৰস্পৰিক সহযোগিতা বৃদ্ধি পাইছে আৰু ইয়াৰ ফলত সাংস্কৃতিক আদান-প্ৰদানো সম্ভৱ হৈছে। গোলকীকৰণৰ ফলত সৃষ্টি হোৱা তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক বজাৰে ব্যক্তিৰ জীৱন-প্ৰণালী, বিচাৰ-ধাৰা, ৰুচি-অভিৰুচি, খাদ্যাভ্যাস, পোচাক-পৰিচ্ছদ আদি সৰ্বদিশতে চকুত পৰা পৰিৱৰ্তন সাধন কৰিছে। বিশ্বায়নে বৃহৎ জাতি জনগোষ্ঠীৰ পৰা ক্ষুদ্ৰ জাতি-জনগোষ্ঠীৰ সকলো শ্ৰেণীৰ লোকৰ জীৱনক চুই গৈছে। গ্ৰাম্য সমাজ ব্যৱস্থাত পৰা গোলকীকৰণৰ প্ৰভাৱৰ ফলত পৰম্পৰাগত আচাৰ-অনুষ্ঠান, উৎসৱ-পাৰ্বণ তথা জীৱন ধাৰণ প্ৰণালীত আমূল পৰিৱৰ্তন ঘটাইছে। অসমীয়া লোকসংস্কৃতিত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি অহা জন্ম-মৃত্যু-বিবাহ সম্পৰ্কীয় লোকাচাৰ আৰু লোকবিশ্বাসসমূহত চকুত পৰা পৰিৱৰ্তন সাধন হৈছে। এই পৰিৱৰ্তনে অসমীয়া সমাজ জীৱনত অতীতৰ পৰা পৰম্পৰাগতভাৱে প্ৰচলন হৈ থকা তোলনি বিয়া খনৰ সৰ্বদিশতে প্ৰভূত পৰিৱৰ্তন ঘটাইছে।

### ৫.০১ তোলনি বিয়াৰ পৰিৱৰ্তন ঃ

সমাজ আৰু সংস্কৃতিত পৰিৱৰ্তনৰ লগে লগে পৰম্পৰাগত আচাৰ-নীতিসমূহৰ পৰিৱৰ্তন হোৱাটোও স্বাভাৱিক। পৰম্পৰাগতভাৱে অসমীয়া সমাজত পালন কৰি অহা তোলনি বিয়াখন এটি নাৰীকেন্দ্ৰিক অনুষ্ঠান হিচাপেই চিনাকি আছিল যদিও বৰ্তমান ইয়াত পুৰুষৰ অংশগ্ৰহণ লক্ষ্যণীয় দিশ। তোলনি বিয়াখনৰ মূল উদ্দেশ্যক গুৰুত্ব নিদি বৰ্তমান ইয়াৰ

বাহ্যিকতাৰ ওপৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা হৈছে। অসমৰ ভালেমান জনগোষ্ঠীয়ে আগতে তোলনি বিয়া পতা নাছিল, বৰ্তমান তেওঁলোকেও এই তোলনি বিয়াখনৰ প্ৰতি আকৰ্ষিত হোৱা দেখা যায়। লোকাচাৰসমূহত বিশেষ গুৰুত্ব নিদিলেও তোলনি বিয়াখনৰ মাধ্যমেৰে ঘৰত এটা জাকজমকীয়া অনুষ্ঠান পতাৰ প্ৰৱণতা গা কৰি উঠাটো বিশেষভাৱে লক্ষ্যণীয়। সমগ্ৰ অসমত তোলনি বিয়াখনলৈ এটা পৰিৱৰ্তনৰ ঢৌ আহিছে। বৰ্তমান তোলনি বিয়াখন এটা উৎসৱৰ আহিলা স্বৰূপ হৈ পৰিছে। এই পৰিৱৰ্তনবোৰ নামনি অসমৰ প্ৰায়বোৰ জিলাত প্ৰচলিত তোলনি বিয়াৰ ক্ষেত্ৰতো ব্যতিক্ৰম নহয়। এটা সময়ত অসমীয়া সংস্কৃতিত লোকাচাৰ আৰু গীত-পদৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগোৱা তোলনি বিয়াখনে আগৰ ৰংৰূপ প্ৰায় হেৰুৱাই পেলাইছে। তোলনি বিয়াখনলৈ অহা বিভিন্ন দিশৰ পৰিৱৰ্তনবোৰ আলোচনাৰ সুবিধাৰ্থে তলত দিয়া ধৰণে ভাগ কৰি ল'ব পাৰি —

| | | |
|---|---|---|
| ৫.০১.১ | ঃ | লোকাচাৰৰ পৰিৱৰ্তন |
| ৫.০১.২ | ঃ | লোকবিশ্বাসৰ পৰিৱৰ্তন |
| ৫.০১.৩ | ঃ | সময় আৰু স্থানৰ পৰিৱৰ্তন |
| ৫.০১.৪ | ঃ | বিয়াগীত পদৰ পৰিৱৰ্তন |
| ৫.০১.৫ | ঃ | বিয়াঘৰৰ সাজসজ্জাৰ পৰিৱৰ্তন |
| ৫.০১.৬ | ঃ | খাদ্যসম্ভাৰৰ পৰিৱৰ্তন |
| ৫.০১.৭ | ঃ | সাজপাৰ আৰু আ-অলংকাৰৰ পৰিৱৰ্তন |
| ৫.০১.৮ | ঃ | উপহাৰ প্ৰদানৰ পৰিৱৰ্তন |
| ৫.০১.৯ | ঃ | সজুলি তথা বয়-বস্তুসমূহৰ পৰিৱৰ্তন |
| ৫.০১.১০ | ঃ | নিৰ্দোষ ধেমালিৰ পৰিৱৰ্তন |

**৫.০১.১ ঃ লোকাচাৰৰ পৰিৱৰ্তন ঃ**

আধুনিক শিক্ষাৰে শিক্ষিত পিতৃ-মাতৃয়ে এতিয়া দহ-এঘাৰ বছৰ বয়সতে তোলনি হোৱা নিজৰ কন্যা সন্তানক কোনো নীতি-নিয়মৰ মাজত আৱদ্ধ কৰি ৰাখিব নিবিচাৰে। প্ৰথম চাৰিদিন কিছু পৃথকে ৰখাৰ পোষকতা কৰিলেও আগৰদৰে মাটিত খেৰৰ বিচনা পাতি দিয়া, বিচনাৰ সন্মুখত দুণৰি ৰখা, মূৰ শিতানত কটাৰী বা আন লোহাৰ অস্ত্ৰ ৰখাৰ দৰে ব্যৱস্থাবোৰ

পৰিহাৰ কৰি এটা আছুতীয়া কোঠাৰ বিচনাত স্বাভাৱিকভাৱে থাকিব দিয়ে।

তোলনি হোৱাৰ প্ৰথম চাৰিদিন মূৰ ফণিওৱা, কাপোৰ সলোৱা, নখ কটাৰ ক্ষেত্ৰত থকা বিধি নিষেধো বহুতে মানিব নোখোজে। চাৰিদিনলৈ গা নোধোৱাকৈ থকাৰ নিয়মো প্ৰায় নোহোৱা হৈছে। এতিয়া ছোৱালীজনীয়ে প্ৰত্যেকদিনাই গা-পা ধুই লেতেৰা কাপোৰ কানি সলাই মূৰ ফণিয়াই অতি পৰিষ্কাৰ হৈ থাকে। আগতে ঘৰৰ ভিতৰতে ছোৱালীজনীয়ে নিত্য নৈমিত্তিক কৰ্মবোৰ কৰাৰ যি নিয়ম আছিল, সেই নিয়মৰ প্ৰায় বিলুপ্তি ঘটিছে। এতিয়া ছোৱালীজনীক গা ধোৱা ঘৰ তথা পায়খানা ব্যৱহাৰৰ পূৰ্ণ স্বাধীনতা দিয়া হৈছে। এটা সময়ত ৰক্তস্ৰাৱৰ পৰিমাণ বৃদ্ধি পালেও ছোৱালীজনীয়ে কাপোৰ সলোৱাৰ কথা ভাৱিব পৰা নাছিল, বৰ্তমান পৰিষ্কাৰ পৰিচ্ছন্নভাৱে থকাৰ ওপৰত গুৰুত্ব দিয়া হৈছে আৰু চেনিটাৰি পেডৰ ব্যৱহাৰৰ কথা ছোৱালীজনীক শিকাই দিয়া হৈছে।

তোলনি হোৱা ছোৱালীজনীৰ ক্ষেত্ৰত বিশেষ বাধা নিষেধ প্ৰচলিত আছিল। আগদিনা ৰজঃস্বলা হোৱা ছোৱালীজনীয়ে পিছদিনা জ্যোতিষীয়ে গণনা কৰি নিদিয়ালৈকে একোৱে খাব নোৱাৰিছিল। গণনাৰ পিছত ফলাহাৰহে কৰিব পাৰিছিল। ফলৰ ভিতৰত কল খোৱা একেবাৰে নিষেধ আছিল। তদুপৰি জুইত তপতোৱা গাখীৰ বা আন খাদ্য গ্ৰহণ কৰিব দিয়া নহৈছিল। ৰান্ধনী ঘৰৰ পৰা অহা ৰন্ধা ভাত আঞ্জাৰ গোন্ধত ভোকত আতুৰ সৰু ছোৱালীজনীয়ে কান্দিব লগা পৰিস্থিতিৰো উদ্ভৱ হৈছিল। বৰ্তমান এনে বাধা নিষেধৰ গুৰুত্ব কমি আহিছে। ছোৱালীজনীৰ ইচ্ছানুযায়ী খোৱা খাদ্যৰ যোগান ধৰা হয়। বহুতে ফলাহাৰৰ ওপৰত অধিক গুৰুত্ব দিলেও এসাঁজ হ'লেও ভাত খাবলৈ দিয়াৰ পোষকতা কৰা দেখা যায়। তদুপৰি ব্ৰেড, কেক, বিস্কুট জাতীয় বস্তুবোৰো খাব দিয়ে। সৰু ছোৱালীজনীৰ দৈহিক পৰিৱৰ্তনৰ এই সন্ধিক্ষণত পুষ্টিকৰ আহাৰৰ প্ৰয়োজন সৰ্বাধিক, সেয়ে পুষ্টিকৰ আহাৰ খাবলৈ দিয়াৰ ক্ষেত্ৰত সকলোৱে বিশেষ দৃষ্টি ৰাখে। অৱশ্যে গ্ৰাম্য সমাজৰ বহুতেই এতিয়াও খোৱাৰ ক্ষেত্ৰত ফলাহাৰকহে আগস্থান দি আহিছে। তোলনি বিয়াৰ নীতি নিয়মবোৰ যথেষ্ট শিথিল হৈ আহিলেও পৰম্পৰা আৰু সংস্কাৰক একেবাৰে এৰি নিদি নতুন দৃষ্টিভঙ্গীৰে গাঁৱলীয়া সমাজখনে তোলনি বিয়াৰ লোকাচাৰৰ এক সংমিশ্ৰিত সংস্কৃতি গঢ়ি তুলিছে বুলি কব পাৰি।

ছোৱালীজনীক অস্বাস্থ্যকৰ পৰিৱেশত ৰখাৰ সলনি গাঁও বা চহৰ সকলোতে এটা

স্বাস্থ্যকৰ পৰিৱেশত ৰখাৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়া হয়। দৈনিক গা ধোৱা, কাপোৰ সলোৱা, বিচনাত শুবলৈ দিয়া প্ৰভৃতি নিয়মবোৰ গাঁৱলীয়া সমাজখনে লাহে লাহে মানি ললেও আছুতীয়া কোঠাত ৰখা আৰু পুৰুষক চাবলৈ নিদিয়াৰ পৰম্পৰাটো এতিয়াও ধৰি ৰাখিছে। চহৰত যিসকলে এই নিয়মবোৰ কৰে, তেওঁলোকৰ বহুতে আন পুৰুষক ওচৰ চাপিব নিদিলেও ছোৱালীজনীৰ নিজৰ দেউতাক বা ভায়েক ককায়েকহঁতক সেই কোঠাত সোমোৱাত আপত্তি নকৰে।

চাৰিদিনৰ দিনা নৈ বা পুখুৰীৰ পৰা পানী তুলি অনা নিয়মটোও বহুত শিথিল হৈছে। গ্ৰামাঞ্চলত নৈ বা পুখুৰীৰ পৰা পানী আনি গা ধুৱালেও নিয়মটো কৰি ছোৱালীজনীক পুনৰ স্নানাগাৰত গা ধুই অহাৰ সুবিধা কৰি দিয়া হয়। চহৰাঞ্চলত পানীৰ নল, দমকল বা কুৱাৰ পৰা পানী তুলি আনি সুবিধা পালে এটা কলপুলি পুতি তাত গা ধুওৱাৰ নিয়মটো কৰা হয়। প্ৰথম ঋতুস্ৰাৱ হোৱাৰ পৰা চাৰিদিনলৈ ঘৰৰ ভিতৰত ছোৱালীজনীক ৰাখি চাৰিদিনৰ দিনা ওচৰ চুবুৰীয়াৰ আয়তীসকলৰ সহযোগত গা ধুওৱা নিয়মটো গ্ৰামাঞ্চলত কিছু পৰিমাণে আছে। কিন্তু চহৰাঞ্চলত চাৰিদিন স্বাভাৱিকভাৱেই ঘৰত থাকিব দি চাৰিদিনৰ দিনা ঘৰৰ তিৰোতাখিনি আৰু আত্মীয় দুই এগৰাকীয়ে মিলি ছোৱালীজনীক গা ধুওৱাৰ অনুষ্টুপীয়া অনুষ্ঠান এটা কৰা হয়।

জননী বা জপা থোৱা প্ৰথা গাঁও অঞ্চলত এতিয়াও আছে যদিও আগৰদৰে নীতি-নিয়মৰ মাজেৰে জপাটো থোৱা নহয়। যাৰ ঘৰত জপাটো ৰাখিব তেওঁক মৌখিকভাৱে বা ফোনৰ জৰিয়তে কৈ থোৱা হয় আৰু বিয়াৰ দিনা তেওঁলোকে জপাটো লৈ আহে। বহু ঠাইত জপা ননাকৈও বিয়াখন পতাৰ পৰম্পৰা আৰম্ভ হৈছে। বিয়াৰ আগদিনাখন সমূহীয়াভাৱে আখৈ ভজাৰ দৃশ্য এতিয়া দুৰ্লভ। কইনাঘৰত অলপ আখৈ ভাজি বা কিনি আনি কেৱল আখৈৰ ব্যৱহাৰৰ নিয়মটোহে কৰা হয়, তাৰ সলনি মুড়িৰ প্ৰচলন হোৱা দেখা যায়। চহৰাঞ্চলত মুড়িৰ ব্যৱহাৰো নাই, কেৱল অলপ মাহ-প্ৰসাদৰহে আয়োজন কৰা হয়। অৱশ্যে গাঁও অঞ্চলত কইনাজনীক বেইৰ তলত ধুওৱা, পিঠাগুড়ি বা সেন্দূৰ সানি তিৰোতাবোৰে নিৰ্দোষ ধেমালি কৰাৰ পৰম্পৰাৰ এতিয়াও লোপ পোৱা নাই।

গণনা চোৱা, পৰাচিত হোৱা, দান-দক্ষিণা দিয়াৰ দৰে নীতি-নিয়মসমূহৰ ক্ষেত্ৰত

যথেষ্ট এৰাধৰা কৰা দেখা যায়। গণনাই কোৰামতে সকলো কথা বিশ্বাসত লৈ সেইবোৰ কাৰ্যত পৰিণত কৰাৰ ক্ষেত্ৰত সকলো  মানুহ সহমত হোৱা দেখা নাযায়। অৱশ্যে তাৰ মাজতো কিছুসংখ্যকে এই নীতি-নিয়মখিনি সাধ্যানুসাৰে  কৰিবলৈ চেষ্টা কৰে। গাঁৱত লাহে লাহে চহৰীয়া মানসিকতা বৃদ্ধি পোৱা তথা সচেতন মাতৃসমাজৰ দূৰদৰ্শিতাৰ বাবে তোলনি বিয়াত নীতি-নিয়ম  শিথিল হৈছে যদিও  বিয়াখনৰ পৰম্পৰা সমাজৰ এৰাব নোৱাৰ অনুষ্ঠান হিচাবে  চলি আছে।

আজি প্ৰায় দহ বছৰমান আগলৈকে তোলনি হোৱাৰ প্ৰথম চাৰিদিন বাদ দিও ব্ৰত পালন কৰি থকা দিনকেইটাও ছোৱালীজনী ঘৰৰ চাৰিবেৰৰ বাহিৰত ওলাব দিয়া হোৱা নাছিল। বিদ্যালয়ত পঢ়ি থকা ছোৱালী এজনী বহুদিন পাঠ গ্ৰহণৰ পৰা বঞ্চিত হ'ব  লগাত পৰিছিল। বৰ্তমান এনে প্ৰথা নোহোৱা হৈছে। গণকে নিৰ্ধাৰণ কৰি দিয়া নিৰ্দিষ্ট দিনকেইটা ছোৱালীজনীয়ে ইচ্ছা কৰিলে ব্ৰত ৰাখিব পাৰে, কিন্তু ঘৰতে আৱদ্ধ হৈ নাথাকে। এইকেইদিন বিদ্যালয়লৈ যোৱাত এতিয়া কোনো বাধা নোহোৱা হৈছে। বৰ্তমান বহুতে ব্ৰত ৰখা বা ব্ৰাহ্মণৰ জৰিয়তে পৰাচিত কৰোৱাৰ ক্ষেত্ৰতো অনীহা প্ৰকাশ কৰা দেখা যায়। তাৰ সলনি ঘৰতে আইনাম পাতি বা মাহ-প্ৰসাদ আগবঢ়াই  ছোৱালীজনীক শুচি কৰি লোৱা হয়।

তোলনি  বিয়াত চাৰিদিনীয়া গা ধুওৱা পৰ্বটোত ওচৰ-চুবুৰীয়া আয়তীসকলৰ সহযোগিতা অত্যন্ত  দৰকাৰী। গ্ৰামাঞ্চলত এতিয়াও ওচৰ  চুবুৰীয়াৰ সহযোগতে গা ধুওৱা ৰীতিটো প্ৰচলন থাকিলেও ইয়াৰ  আনুষ্ঠানিক নীতি নিয়মসমূহ যথেষ্ট কমি গৈছে। বহুতে ঘৰৰ পৰিয়ালতে এই  গা ধুওৱা নিয়মটো কৰে। অৱশ্যে সুবিধা অনুযায়ী ভাল তোলনি বিয়াখন পতাৰ নিয়মটো আগতকৈ বেছি জাকজমক হৈ পৰিছে। নিয়ম নীতি বা পৰম্পৰাগত লোকাচাৰৰ পৰিৱৰ্তে এই  বিয়াখনৰ চকুত লগা আয়োজনে এটা নতুন উৎসৱৰ সংযোজনহে ঘটাইছে বুলি ক'ব পাৰি।

**৫.০১.২ লোকবিশ্বাসৰ পৰিৱৰ্তন ঃ**

লোকাচাৰসমূহৰ লগত লোকবিশ্বাসসমূহ বহু পৰিমাণে  জড়িত হৈ থাকে। লোকবিশ্বাসসমূহ মনোজগতৰ বস্তু। মনত খোপনি পুতি থকা শুভাশুভ ধাৰণাই লোকবিশ্বাসসমূহৰ  জন্ম দিয়ে। ই সহজে মানুহৰ মনৰপৰা আঁতৰি নাযায়। কিন্তু বৈজ্ঞানিক

দৃষ্টি-ভঙ্গীৰে নতুনকৈ চিন্তা-চৰ্চা কৰিব পৰা মানুহৰ মনৰপৰা তোলনি বিয়াৰ লোকবিশ্বাসসমূহ লাহে লাহে লোপ পাব ধৰিছে। তোলনি হোৱা কেইদিন পুৰুষক দেখিলে বা স্পৰ্শ কৰিলে সেই পুৰুষজনৰ আয়ুস টুটে বুলি কৰি অহা বিশ্বাস এতিয়া নোহোৱা হৈছে। এই কেইদিন ভুত-প্ৰেতৰ উপদ্ৰৱৰ পৰা হাত সাৰি থাকিবলৈ হাতত চুৰি কটাৰী লৈ থকা, ঘৰৰ পৰা উলিয়াই আনি গা ধুওৱালৈকে চকুমুদি থকা, ভৰা গছ-বিৰিখলৈ চোৱাৰ লগত জড়িত লোকবিশ্বাসসমূহ এতিয়া প্ৰচলন নাই বুলিয়েই ক'ব পাৰি। কেঁচুৱাৰ প্ৰতীক হিচাবে কনাই লোৱাৰ যি প্ৰথা সেয়া কিছু পৰিমানে বৰ্তি আছে যদিও কনাইক গা ধুওৱাৰ নিয়মবোৰো পৰ্যায়ক্ৰমে মনা নহয়। ভূত-প্ৰেত বা অন্য লোকৰ কু-দৃষ্টি বা কু-প্ৰভাৱৰ পৰা হাত সাৰিবলৈ হাতত ডোল বা তাবিজ পিন্ধি থকাৰ ব্যৱস্থাও এতিয়া কোনোৱে নকৰে। কল খালে কলংক পায় বুলি যি লোকবিশ্বাস প্ৰচলন আছিল সেয়াও এতিয়া নাইকীয়া হৈছে, এতিয়া পুষ্টিকৰ ফল হিচাবে ছোৱালীজনীক কল খাব দিয়া হয়। বৈজ্ঞানিক ধ্যান ধাৰণাই মনত সৃষ্টি কৰা যুক্তিবাদী চিন্তাই এতিয়া লোকবিশ্বাসসমূহক মানুহৰ মনৰ পৰা আঁতৰাই লৈ যাব ধৰিছে।

**৫.০১.৩. তোলনি বিয়াৰ সময় আৰু স্থানৰ পৰিৱৰ্তন ঃ**

তোলনি বিয়া এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত শেষ হয়। সাধাৰণতে ওচৰ চুবুৰীয়াৰ সহযোগত চাৰিদিনত পতা চুৱা গা ধুওৱা অনুষ্ঠান আগবেলা ১১-১২ বজাৰ ভিতৰত শেষ হয় আৰু ভাল ধুওৱা অনুষ্ঠানটো পিছবেলা ১-২ বজাৰ পৰা আৰম্ভ হৈ সন্ধিয়া শেষ হয়। কিন্তু বৰ্তমান চুৱা ধুওৱা অনুষ্ঠানটো এটা বেলাতে সামৰা হয় যদিও ভাল ধুওৱা অনুষ্ঠানটো বৰবিয়াৰ দৰে গোটেই দিন জুৰি চলি থাকে। আজিকালি তোলনি বিয়া খাবলৈ মানুহ সন্ধিয়া বা ৰাতিও অহা পৰিলক্ষিত হয়।

তোলনি বিয়াৰ সময়ৰ লগে লগে বিয়া পতা স্থানৰো পৰিৱৰ্তন ঘটিছে। আগতে তোলনি বিয়াখন নিজৰ ঘৰৰ চোতালতে পতা হৈছিল। তোলনি বিয়াখনৰ বাবে কইনাঘৰৰ চোতালখনেই উপযুক্ত স্থান আছিল। আহল-বহল চোতালখনত নিমন্ত্ৰিত আয়তীসকলৰ বাবে ঢাৰি-কঠ পাৰি দিয়া হৈছিল। পুৰুষে অংশগ্ৰহণ নকৰে যেতিয়া মহিলাখিনি বা ছোৱালীখিনি য'ত যেনেকৈ পাৰে বহিছিল। চোতালত বহুৱাই লৈ কইনাজনীক সজোৱা, জননি লোৱা, মাহ-প্ৰসাদ বিতৰণ কৰা প্ৰভৃতি কামবোৰ সুকলমে কৰা হৈছিল। চাহ জলপানৰ ব্যৱস্থাও

চোতালতে বা ঘৰৰ চৌহদৰ এঠাইত কৰা হৈছিল আৰু অলপ অলপকৈ আয়তীসকল বা উপস্থিতসকলক উঠাই নি আপ্যায়নৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু বৰ্তমান গ্ৰামাঞ্চলতো চোতালৰ পৰিসৰ কমি আহিল। আনহাতে ভাল তোলনি বিয়াখনৰ আয়োজনৰ পৰিসৰ বৃদ্ধি পালে। এতিয়া কাষৰ ঘৰৰ চোতালো ব্যৱহাৰ কৰিব লগীয়া অৱস্থা হয়। চহৰাঞ্চলত এতিয়া বিবাহ ভৱন, হোটেল আদি ভাড়া লৈ তোলনি বিয়া পতাৰ প্ৰৱণতা বৃদ্ধি পোৱা দেখা গৈছে। তোলনি বিয়া পতা স্থানৰ পৰিৱৰ্তনে বিয়াখনৰ আয়োজনৰ ব্যয়বহুলতাকে প্ৰতিপন্ন কৰে।

### ৫.০১.৪ বিয়াগীত পদৰ পৰিৱৰ্তন ঃ

অসমীয়া বিবাহ অনুষ্ঠানৰ অন্যতম আকৰ্ষণ বিয়াগীতসমূহ। তোলনি বিয়াত পৰ্যায়ক্ৰমে গোৱা গীতবোৰে পুৰোহিতৰ দৰে কাম কৰি আহিছিল যদিও বৰ্তমান তোলনি বিয়াত গীত গোৱাৰ পৰম্পৰা কমি আহিছে। নৱপ্ৰজন্মৰ মাজত মৌখিক ভাৱে চলি অহা বিয়াগীতবোৰৰ প্ৰতি অনীহাই ইয়াৰ মূল কাৰণ। নতুন প্ৰজন্মৰ বোৱাৰী বা ছোৱালীবোৰে বিয়াগীত বা বিয়ানামৰ চৰ্চাৰ প্ৰতি বৰ বিশেষ আগ্ৰহ প্ৰদৰ্শন নকৰা হ'ল। যাৰ ফলত গ্ৰামাঞ্চলতো নতুনকৈ বিয়াগীত গাব পৰা জীয়ৰী বোৱাৰীৰ সংখ্যা কমি আহিছে। পুৰণি চামৰ উৎসাহ-উদ্দীপনাত তোলনি বিয়াত বিয়াগীত গোৱা হয় যদিও তেওঁলোকক সহযোগ কৰা সংগীৰ অভাৱ বাৰুকৈয়ে দৃষ্টিগোচৰ হয়। এতিয়া গাওঁ-চহৰ সকলোতে বিয়াগীতবোৰ অডিঅ' মাধ্যমত উপলব্ধ হোৱাৰ বাবে মুখ পৰম্পৰাৰে সংৰক্ষণৰ ধাৰণাটো সলনি হৈছে। এতিয়া তোলনি বিয়া এখনত মিউজিক চিষ্টেমত বিভিন্ন বাদ্য সংগত কৰি গোৱা বিয়াগীতে ৰজনজনাই থাকে।

'বৰবিয়া' আৰু 'তোলনি বিয়া'ৰ গীতৰ কথাবস্তুৰ মাজত পাৰ্থক্য আছে। পানী তুলিবলৈ যোৱা আৰু গা ধুৱাই থাকোঁতে গোৱা গীতবোৰৰ মাজত কিছু সাদৃশ্য থাকিলেও আন সময়ত গোৱা গীতবোৰৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। কিন্তু এতিয়া কেছেটৰ জৰিয়তে বজাই থকা গীতবোৰৰ মাজত কোনো পাৰ্থক্য বিচাৰি পোৱা নাযায়। বৰবিয়া বা তোলনি বিয়াত বজোৱা গীতবোৰ একে ধৰণৰ, ইয়াত তোলনি বিয়াৰ লগত সংগতি থকা গীত বিচাৰি পোৱাই টান। অৱশ্যে তাৰ মাজতো গ্ৰামাঞ্চলৰ আয়তীসকলৰ কিছুসংখ্যকে নতুনকৈ এই বিয়াগীতবোৰ পুনৰুদ্ধাৰ আৰু পৰিবেশনত গুৰুত্ব দিয়া দেখা যায়। বৰ্তমান বিয়াগীতবোৰ

বাদ্য সংগতেৰে বাণীবদ্ধ ৰূপত গোৱা হয় বাবে ইয়াৰ স্বকীয়তা আৰু গাম্ভীৰ্যতা বহু পৰিমাণে লোপ পোৱা দেখা গৈছে।

খিচাগীত বা নিন্দাগীতৰ মাজেৰে যি নিৰ্দোষ ধেমালি কৰা হৈছিল, তাৰো এতিয়া উমঘাম নোহোৱা হৈছে। নিন্দাগীতৰ মাজেৰে কইনাঘৰীয়া বা দৰাঘৰীয়াক তথা কইনাৰ অত্মীয়স্বজনক জোকাই যিবোৰ ধেমালি কৰা হৈছিল সেইধৰণৰ ধেমালি এতিয়া তোলনি বিয়াৰ মাজত দেখা নাযায়।

**৫.০১.৫ বিয়াঘৰৰ সাজ-সজ্জাৰ পৰিৱৰ্তন ঃ**

তোলনি বিয়া এখনৰ বাবে বিশেষ সাজ-সজ্জাৰ প্ৰয়োজন নাথাকে। মুকলি চোতালত চুৰা ধুওৱা পৰ্ব হ'লে আগবেলা আৰু ভাল ধুওৱা হ'লে দুপৰীয়া একমান বজাৰ পৰা অনুষ্ঠানটো অনুষ্ঠিত কৰা হয়। কোনো কোনোৱে চোতালত চাৰিটা বাঁহৰ খুঁটা পুতি ওপৰত বাঁহ ফালি দি তাত কলপটুৱা পেলাই এখন ৰভাৰ ব্যৱস্থা কৰে যদিও এই বিয়াত ৰভাৰ প্ৰয়োজন নাই। কিন্তু বৰ্তমান তোলনি বিয়া এখনত জাকজমক আয়োজনৰ পয়োভৰ ঘটিছে। *'আধুনিকতাৰ প্ৰেক্ষাপটত অসমীয়া লোক সংস্কৃতিৰ পৰিৱৰ্তন'* শীৰ্ষক প্ৰবন্ধত দীপামনি হালৈয়ে বৰবিয়াৰ পৰিৱৰ্তন সম্পৰ্কে যি মতামত আগবঢ়াইছে সেই কথাই তোলনি বিয়াৰ ক্ষেত্ৰতো প্ৰযোজ্য। তেওঁ অসমীয়া বিবাহ অনুষ্ঠানৰ পৰিৱৰ্তন সম্বন্ধে লিখিছে— *"আধুনিকতাই স্পৰ্শ কৰা অসমীয়া সমাজত সজা ৰভা গুচি টেন্ট হাউচৰ সামগ্ৰীৰে পেণ্ডেল হ'ল। বাসগৃহত বিবাহ অনুষ্ঠিত নহৈ 'বিবাহ ভৱন'তহে বিবাহ অনুষ্ঠিত হ'বলৈ ধৰিছে। ঢৰা পৰা ঠাইকণ ৰঙা-নীলা প্লাষ্টিকৰ চকীয়ে দখল কৰাৰ দৰে কলপাতখিলাৰ স্থান লৈছে কাগজৰ প্লেটে।"*[৪] চহৰ বা গাঁও দুয়োঠাইতে এতিয়া টেন্ট হাউচৰ ৰংচঙীয়া বস্তুৰেহে তোলনি বিয়াৰ ৰভা সজোৱা হয়। ৰাতিলৈ আলহী অতিথিৰ আগমন ঘটি থকাৰ বাবে এতিয়া ৰভাথলিত জাকজমকীয়া পোহৰৰো সুব্যৱস্থা কৰা হয়।

**৫.০১.৬ খাদ্যসম্ভাৰৰ পৰিৱৰ্তন ঃ**

আগতে তোলনি বিয়াত নিমন্ত্ৰিত অতিথিক খুৱাবলগীয়া খাদ্যৰ কথা ভাবিবলগীয়া নাছিল। কাৰণ অতিথিসকলক চাহ বিস্কুট বা বুণ্ডিয়া-ভুজিয়াৰ সৰু একোটা টোপোলাৰে আপ্যায়ন কৰিলেই হৈছিল। এটা সময়ত তোলনি বিয়াত পিঠাগুড়িৰ লগত গাখীৰ বা পানী

আৰু গুড়ৰ জলপান খাবলৈ দিয়া হৈছিল। সামৰ্থ্য থকাসকলে কোমল চাউল, চিৰা-দৈৰ জলপানৰ ব্যৱস্থাও কৰিছিল। প্ৰসাদৰ বাবে বুট-মুগ, মাটি-মাহ আৰু আখৈৰ প্ৰয়োজন হৈছিল। গাঁৱলীয়া সমাজৰ ছোৱালীৰ অভিভাৱকৰ কাৰণে এই বস্তুখিনি গোটোৱাটো বিশেষ চিন্তাৰ কাৰণ নাছিল। কিন্তু লাহে লাহে তোলনি বিয়াখনৰ আয়োজনো বৰ বিয়াৰ দৰে কৰাৰ প্ৰথা এটা আৰম্ভ হোৱাত খাদ্য তালিকাখনলৈও বিপুল পৰিৱৰ্তন আহিল। তোলনি বিয়াত মাহ-প্ৰসাদ বা আখৈৰ ব্যৱহাৰ কেৱল নিয়মৰ বাবেহে কৰা হ'ল। বৰ্তমান তোলনি বিয়াত লুচী-তৰকাৰী, পায়স বা ভাত মাছ-মাংস আৰু পোলাওয়ে নতুনকৈ স্থান লাভ কৰিলে। স্বচ্ছল লোকসকলৰ বাবে তোলনি বিয়াখনৰ নামত খৰছ কৰাটো এটা নতুন উৎসৱত পৰিণত হৈছে। দীপামণি হাঁলৈয়ে উল্লেখ কৰিছে — ***"তোলনি বিয়া বা শান্তি বিয়া** আগেয়ে সীমিত অংশগ্ৰহণকাৰী উৎসৱ আছিল। অৰ্থাৎ অনুষ্ঠানটো কেৱল মহিলাসকলৰহে আছিল। কিন্তু আজিকালি এই বিয়াখনো বৰবিয়াৰ দৰেই খৰচ কৰি পতা হ'ল আৰু পুৰুষ মহিলা উভয়ে সমানে সেই বিয়া খাবলৈ যোৱা হ'ল। এই বিয়াক 'বৰ বিয়া'ৰ দ্বিতীয় সংস্কৰণ বুলিব পাৰি, মাথোঁ বৰ বিয়াৰ দৰাজনহে নাথাকে ইয়াত। বাকী খুওৱা বুওৱা, উপঢৌকন আদিৰ আড়ম্বৰতা বৰ বিয়াৰ সমানেই।"*[৫] এই বিয়াখনৰ খাদ্যসম্ভাৰৰ পৰিৱৰ্তনে সাধাৰণ শ্ৰেণীৰ অভিভাৱকসকলক দুশ্চিন্তাত পেলোৱাৰ দৰে হৈছে। তদুপৰি তোলনি বিয়াত চাহ-পানীৰে আপ্যায়ন কৰাৰ সময়ৰ যি আন্তৰিকতা ভৰা আতিথ্য লাভ কৰা হৈছিল, বৰ্তমান সেই আতিথ্যও নোহোৱাৰ দৰে, নিমন্ত্ৰিত অতিথিসকলৰ গৃহস্থই আথে বেথে মাতি নি খুউৱাৰ পৰিৱৰ্তে বহুতে ভাৰাতীয়া লোকক খুওৱা বুওৱাৰ দায়িত্ব এৰি দিয়ে। তদুপৰি 'বুফে চিষ্টেম'ৰ প্ৰচলনৰ ফলত বহু বিয়াত হাতত থাল লৈ থিয়ৈ থিয়ৈ খাবলগীয়া অৱস্থাও হয়, যাৰ ফলত কিছুসংখ্যক লোকে বিয়া খাবলৈ গৈ অস্বস্তিত পৰাও দেখা যায়।

**৫.০১.৭ সাজপাৰ আৰু আ-অলংকাৰৰ পৰিৱৰ্তন ঃ**

বিশ্বায়নে অনা বস্তুবাদী বজাৰখনে সাজসজ্জা আৰু আ-অলংকাৰৰ ক্ষেত্ৰত প্ৰভূত পৰিৱৰ্তন অনা পৰিলক্ষিত হয়। সাধাৰণতে তোলনি বিয়াৰ কইনাজনীৰ কাৰণে বিশেষ সাজপাৰৰ প্ৰয়োজন নহয়, মাকে ঘৰতে তাঁতত বৈ সাজু কৰি ৰখা কাপোৰকেই বিয়াৰ কইনাক পিন্ধোৱা হয়। ঘৰৰ আৰ্থিক অৱস্থা ভাল হ'লে কোনোৱে বজাৰৰ পৰা এসাজ পাট-মুগাৰ

কাপোৰ আনি দিয়ে যদিও এয়া বাধ্যতামূলক নহয়। দৰাপক্ষ হৈ অহাসকলে ঘৰত থকা পুৰণি পাটৰ সাজ এযোৰ লৈ আহি কইনাক পিন্ধাই আৰু উভতি যোৱাৰ সময়ত বা পিছদিনা কাপোৰসাজ উভতাই লৈ যায়। অৱশ্যে দৰাপক্ষৰ সামৰ্থ্য থাকিলে দুই এজনে বজাৰৰ পৰা কিনি অনা এসাজ কাপোৰ ছোৱালীজনীক দিয়ে। কিন্তু বৰ্তমান তোলনি বিয়াৰ কইনাক পিন্ধোৱা কাপোৰ সাজ বৰবিয়াৰ কইনাৰ দৰে পাটৰহে অনা হয়। দৰাপক্ষইও পাটৰ নোৱাৰিলেও ভাল এসাজ কাপোৰ কইনাৰ বাবে লৈ আহে।

আ-অলংকাৰৰ ক্ষেত্ৰখনলৈ মন কৰিলে দেখা যায় যে তোলনি বিয়াৰ কইনাজনীক পিন্ধোৱা গামখাৰু বা মুঠিখাৰু কাৰোবাৰ পৰা খুজি অনা হয় নতুবা কইনাৰ খুড়ীয়েক-মাক-বৌয়েকহঁতৰ পুৰণি অলংকাৰকে দিয়া হয়। কিন্তু বৰ্তমান কইনা সজাবৰ বাবে নতুন আৰ্হিৰ আ-অলংকাৰ বিচাৰি অনাৰ নিয়ম হ'ল। বৰ্তমান বিশেষভাবে চাহিদা থকা সোণপানী চৰোৱা অসমীয়া গহনা কিনি আনি কইনাক পিন্ধোৱা হয়। কোনো কোনোৱে তোলনি বিয়াত কইনাজনীক সোণৰ গহণা-গাঁঠৰিও পিন্ধায়। বৰবিয়াৰ দৰে তোলনি বিয়াৰ এখনৰ বাবেও আ-অলংকাৰ, কাপোৰ-কানিৰ বজাৰ আগতেই কৰাৰ পৰম্পৰা এটা গঢ়ি উঠিছে।

প্ৰসাধন সামগ্ৰীৰ ক্ষেত্ৰতো প্ৰভূত পৰিৱৰ্তন লক্ষ্য কৰা হয়। কইনাজনীক এতিয়া সাধাৰণ স্নো-পাউদাৰ, সেন্দূৰ তথা কাজলৰ ফোঁটেৰে সজোৱা নহয়। বজাৰত পোৱা বিভিন্ন ধৰণৰ প্ৰসাধন সামগ্ৰীৰে চকুত লগাকৈ তোলনি বিয়াৰ কইনা সজোৱা হয়। কইনা সজাবৰ বাবে 'বিউটি পাৰ্লাৰ' পৰা যথেষ্ট টকা খৰচ কৰি 'বিউটিচিয়ান' অনাৰ এটা নতুন ধাৰাৰ প্ৰচলন হোৱা পৰিলক্ষিত হৈছে।

**৫.০১.৮ উপহাৰ প্ৰদানৰ পৰিৱৰ্তন ঃ**

বৰ্তমান যুগত তোলনি বিয়াত উপহাৰ দিয়াটো এটা এৰাব নোৱাৰা অংগৰ দৰে হৈ পৰিছে। এটা সময় আছিল, যেতিয়া তোলনি বিয়াত কইনাক উপহাৰ দিব লাগিব বুলি কোনো কথা নাছিল। নিমন্ত্ৰিত অতিথিসকলে বটাত মাহ-প্ৰসাদ আৰু সৰু সৰু খৰাহীত আখৈ লৈ বিয়াঘৰলৈ আহিছিল। এই মাহ-প্ৰসাদ আৰু আখৈবোৰ গৃহস্থই নিজে যোগাৰ কৰা মাহ-প্ৰসাদ আৰু আখৈৰ লগত লগ কৰি নিমন্ত্ৰিতসকলক ভগাই দিছিল। এনেদৰে ৰাইজে বিয়াখন পতাত হাত উজান দিছিল বুলি ক'ব পাৰি। নিকটাত্মীয় কোনো কোনোৱে মাহ-প্ৰসাদ বা

আখৈৰ লগতে ছোৱালীজনীৰ কাৰণে ঘৰতে বোৱা এসাজ কাপোৰ বা চাদৰ এখন আনিছিল। কিন্তু বৰ্তমান তোলনি বিয়াতো বৰবিয়াৰ দৰেই কাপোৰৰ পৰা আৰম্ভ কৰি অন্যান্য সামগ্ৰী উপহাৰ দিয়াৰ এটা নতুন পৰম্পৰাৰ সৃষ্টি হৈছে। আৰ্থিকভাৱে স্বচ্ছলসকলে ছোৱালীজনীক সোণৰ গহনাও উপহাৰ হিচাবে দিয়া দেখা যায়। বৰ্তমান এনে এটা অৱস্থাৰ সৃষ্টি হৈছে যে তোলনি বিয়া এখন খাবলৈ ওলাওঁতে বহুতে উপহাৰৰ খৰছৰ কথাটোও চিন্তা কৰি পিছ হুহকিব লগা হয়।

**৫.০১.৯ সা-সজুলি তথা বয় বস্তুসমূহৰ পৰিৱৰ্তন ঃ**

তোলনি বিয়াত ব্যৱহৃত সামগ্ৰীবোৰৰ ভিতৰত কাপোৰ থোৱা বেতৰ জপা, জননি থোৱা জপা, কাঁহৰ বটা, খৰাহী প্ৰভৃতি বস্তুবোৰ অতি প্ৰয়োজনীয় বুলি ক'ব পাৰি। কিন্তু বৰ্তমান বিয়াত এই সামগ্ৰীবোৰৰ ব্যৱহাৰ প্ৰায় নোহোৱাই হৈছে। কাপোৰ থোৱা জপাৰ প্ৰচলন আজিৰ পৰা প্ৰায় বিশ বছৰ মান আগৰে পৰা নোহোৱা হৈছে, জননি থোৱা জপাটো অৱশ্যে গ্ৰামাঞ্চলত এতিয়াও প্ৰচলন আছে। মাহ-প্ৰসাদ আৰু আখৈ থবলৈ বাহঁৰ খৰাহীৰ ঠাইত বজাৰত পোৱা ষ্টিল বা প্লাষ্টিকৰ তৈয়াৰী সামগ্ৰীৰ অধিক প্ৰচলন দেখা যায়। তদুপৰি কাঁহৰ বটাৰ সলনি পিতল বা ষ্টিলৰ বটা, শৰাই আদিৰ ব্যৱহাৰ অধিক হ'বলৈ ধৰিছে।

গা ধুৱাই উঠি চোতালত কইনাজনীক বৰপীৰাত বহুওৱাৰ নিয়ম। বৰ্তমান এই নিয়মৰো পৰিৱৰ্তন ঘটিছে। কইনাক গা ধুৱাই ঘৰৰ ভিতৰত সজাই পৰাই আনি বৰবিয়াৰ কইনাৰ দৰে ফুল আদিৰে সজোৱা চকী বা বিচনাত বহুৱাই ৰখা হয়।

বিয়াত মাহ-প্ৰসাদ, চাহ বা আন জলপান খাবলৈ ব্যৱহাৰ হোৱা কলপাত, কলপটুৱাৰ চতি বা দোনাৰ ব্যৱহাৰ নোহোৱা হৈছে। তাৰ পৰিৱৰ্তে বজাৰত সহজতে পোৱা ডিচ্‌পজিবল কাপ-প্লেট, গিলাচ আৰু থালৰ ব্যৱহাৰ হ'বলৈ ধৰিছে।

তামোল-পাণৰ ব্যৱহাৰো কমি আহিছে। বজাৰত পোৱা ৰং বিৰঙৰ মচলাৰ পেকেট বা চফ গুটিহে মুখশুদ্ধিৰ বাবে বিয়াত দিয়াৰ নিয়ম প্ৰচলন হৈছে।

**৫.০১.১০ নিৰ্দোষ ধেমালিৰ পৰিৱৰ্তন ঃ**

নাৰীকেন্দ্ৰিক লোকাচাৰ হিচাবে তোলনি বিয়াত নাৰীসকলে নিঃসংকোচে আৰু মুকলিমনেৰে অংশগ্ৰহণ কৰিব পাৰে। এদিনৰ বাবে তেওঁলোকে বিয়াঘৰৰ চোতালখনক

অনাবিল আনন্দ স্ফূৰ্তিৰ স্থান হিচাবে নিৰ্বাচন কৰে। তোলনি বিয়াৰ কইনা ধুৱাই থকাৰ পৰা বিয়াখন শেষ নোহোৱালৈকে আয়তীসকলে কৰা নিৰ্দোষ ধেমালিবোৰে বিয়াঘৰত এক আমোদজনক পৰিৰেশৰ সৃষ্টি কৰে। তোলনি বিয়াত চুৰা গা ধুৱাওতে ধুৰেতীক নুচুৰাকৈয়ে ডিঙিত দলিয়াই দি হ'লেও শামুকৰ খোলা বা গছৰ পাতেৰে তৈয়াৰ কৰা মালা পিন্ধাই দিয়া, ভঙা ছাটি বা ভঙা জাপি মূৰত ধৰা আদি ধেমালিৰ এটা অংশ আছিল। ভাল তোলনিখনতো এনদেৰে মালা পিন্ধেৰা হয়। তোলনিত কইনা বহোঁতে জননি লোৱা পৰ্বখিনি উপভোগ কৰিবলৈ যেন উপস্থিত সকলোৱে বাট চাই থাকে। জননি লবলৈ অহাজনীক পীৰাত বহিবলৈ দি পীৰাৰ তলত ঘটীৰে পানী ঢালি দিয়া হয়। জননি লৈ থকাৰ মাজতে বা জননি লোৱা পৰ্ব শেষ হ'লে হঠাতে পীৰাখন আঁতৰাই তেওঁক পানীত চোঁচৰাই অনা হয়। বোকাৰে লুতুৰি-পুতুৰি চেহেৰাৰ মানুহগৰাকীক দেখি বিয়াঘৰত হাঁহিৰ ৰোল উঠে। আনহাতে ইজনীয়ে সিজনীক মুখত পিঠাগুড়ি, সেন্দূৰ ঘঁহাই দিয়া, বয়সস্থ মহিলাই পুৰুষৰ সাজ পিন্ধি চকীত বহি ছোৱালীৰ গণনা কৰাৰ অভিনয় কৰা প্ৰভৃতি ধেমালিৰ অংশবোৰ এতিয়া বিয়াঘৰৰ পৰা হেৰাই গ'ল। এইখিনিতে উল্লেখ কৰিব পাৰি যে এতিয়াও বহু গাঁৱত সত্তৰোৰ্ধৰ মহিলাসকলে ওখ আসনত বহিবলৈ টান পায়, তেওঁলোকে সদায় চাপৰ আসনতে বহি ভাল পায়। গতিকে কোনোদিনে চকীত নবহা মানুহ এগৰাকী পুৰুষৰ সাজেৰে চকীত বহাৰ লগে লগেই সকলোৱে হাঁহিৰ খোৰাক বিচাৰি পায়।

বৰ্তমান তোলনি বিয়াত এনেধৰণৰ ধেমালিবোৰ একেবাৰেই নোহোৱা হৈছে বুলি কব পাৰি। অৱশ্যে ইজনীয়ে সিজনীক পিঠাগুড়ি ঘঁহি দি কৰা ধেমালিবোৰ গ্ৰামাঞ্চলত একেবাৰে হেৰাই যোৱা নাই। ভিতৰুৱা গাওঁসমূহত দুই এঠাইত অন্যান্য ধেমালিবোৰো কৰা হয় যদিও ই এটা সীমাবদ্ধতাৰ মাজত থাকে। খিচাগীতসমূহৰ মাজেৰে কৰা ধেমালিবোৰে নোহোৱা হ'ল, কাৰণ নতুন প্ৰজন্মই বিয়াগীত গাবলৈ আগ্ৰহ নকৰে।

তোলনি বিয়াৰ নিৰ্দোষ ধেমালি অৱলুপ্তিৰ কাৰণ হিচাপে কেইটামান কথা উল্লেখ কৰিব পাৰি। প্ৰথমতে, তোলনি বিয়াখনত পুৰুষৰ অংশগ্ৰহণৰ বাধা-নিষেধ নোহোৱা হ'ল, ইচ্ছা কৰিলে বিয়াখনত পুৰুষেও অংশ ল'ব পাৰে। চুৰা গা ধুওৱা অনুষ্ঠানটো ঘৰৰ পৰিয়াল বা ওচৰ চুবুৰীয়াৰ মাজত সীমাবদ্ধ থাকিলেও পুৰুষ উপস্থিত থাকিব পৰা হ'ল। ইয়াৰ ফলত

নাৰীসকলে নিৰ্দোষ ধেমালি কৰা সুবিধাকণৰ পৰা বঞ্চিত হ'ল বুলি ক'ব পাৰি।

দ্বিতীয়তে, গৃহস্থ আৰু নিমন্ত্ৰিত আয়তীসকলৰ সাজ-পোছাকৰ পৰিৱৰ্তন। আগতে তোলনি বিয়াখনত গৃহস্থ তথা ওচৰ চুবুৰীয়াসকলে এসাজ ভাল কাপোৰ পিন্ধিছিল যদিও লেতেৰা হ'লে ধুই দিব পৰা ধৰণৰ আছিল। গতিকে বিয়াত পিঠাগুড়ি, বোকামাটি বা সেন্দূৰ লাগিলেও কাপোৰ সাজ লেতেৰা হোৱাৰ বাবে বিশেষ চিন্তা কৰিবলগীয়া হোৱা নাছিল। আজিকালি মহিলাসকলৰ সাজ-পোছাকলৈ এটা পৰিৱৰ্তনৰ ঢৌ আহিছে, ঘৰুৱা বা সমূহীয়া যি কোনো অনুষ্ঠানতে সকলোৱে নিজকে সজাই পৰাই উপস্থিত হ'বলৈ ভালপোৱা হ'ল। তোলনি বিয়া খাবলৈ অহা আলহী অতিথিসকলে বৰবিয়াত পিন্ধাৰ দৰে ভাল দামী কাপোৰ পিন্ধি আহি এনেধৰণৰ ধেমালিত ভাগ লোৱাৰ কথা ভাবিবই নোৱাৰে। তদুপৰি গৃহস্থ বা প্ৰতিবেশী মহিলা সকলেও বিয়াখনত সুন্দৰ সাজপাৰেৰে অংশ গ্ৰহণ কৰে। নিজৰ সাজপাৰক লৈ সচেতন নাৰীসকলে বিয়াখনৰ ধেমালিবোৰত ভাগ লৈ কাপোৰসাজ লেতেৰা কৰাৰ পক্ষপাতী নহয়।

নাৰী এগৰাকীৰ প্ৰসাধনৰ ক্ষেত্ৰতো অভূতপূৰ্ব পৰিৱৰ্তন আহি পৰিছে। বজাৰত পোৱা বিভিন্ন ধৰণৰ প্ৰসাধন সামগ্ৰীৰে সুন্দৰী ৰূপত নিজকে সজাই পৰাই বিয়া খাবলৈ অহা কোনোৱে ধেমালিত অংশ লৈ প্ৰসাধন নষ্ট কৰিবলৈ ইচ্ছা নকৰে। প্ৰসাধনৰ লগতে বিভিন্ন ডিজাইনৰ অসমীয়া অলংকাৰ পৰিধানো এটা নতুন ফেশ্বনত পৰিণত হৈছে। কাপোৰৰ সতে মিলাই অলংকাৰ পৰিধান কৰি আহি এঠাইত সুন্দৰকৈ বহি থকা আৰু বিয়াত আয়োজন কৰা খাদ্য গ্ৰহণ কৰি ঘৰলৈ যোৱাৰ বাবেহে ইচ্ছা প্ৰকাশ কৰে।

তৃতীয়তে কব পাৰি, অনীহা আৰু কৰ্মব্যস্ততা। নতুন প্ৰজন্মৰ মাজত তোলনি বিয়াত কৰা ধেমালিবোৰৰ গুৰুত্ব কমি আহিছে। এনেধৰণৰ ধেমালি কৰা বা ভাগ লোৱাত উৎসাহী লোকৰ অভাৱৰ বাবে এটা দিনৰ আমোদজনক কাণ্ড-কাৰখানাবোৰ বিয়াঘৰত নেদেখা হ'ল। কৰ্মব্যস্ততাৰ বাবেও মহিলাসকলে এনে ধৰণৰ ধেমালি কৰাৰ সময় উলিয়াব নোৱাৰা হ'ল। আগতে ঘৰুৱা কাম-বনত নিমজ্জিত মহিলাসকলৰ বাবে সামাজিক অনুষ্ঠানবোৰ হাঁহি স্ফূৰ্তিৰ এখন মঞ্চস্বৰূপ আছিল। কিন্তু আজিকালি গ্ৰামাঞ্চল বা চহৰাঞ্চলৰ সকলো মহিলাই বিভিন্ন কাম-কাজত ব্যস্ত থাকে। ব্যস্ততাৰ বাবে বিয়াঘৰত বহুত সময় দিব নোৱাৰাৰ বাবেও এনেধৰণৰ

নিৰ্দোষ ধেমালিবোৰ কৰিবলৈ কোনোৱে আগ্ৰহ প্ৰকাশ নকৰে।

**৫.০২ তোলনি বিয়াৰ প্ৰাসংগিকতা ঃ**

লোকাচাৰসমূহে সমাজ এখনৰ ঐতিহ্য, পৰম্পৰা আৰু ইয়াৰ অন্তৰালত লুকাই থকা ধ্যান-ধাৰণাক প্ৰতিফলিত কৰে। পূৰ্বৰেপৰা অসমীয়া সমাজত চলি অহা তোলনি বিয়াখন অতীতৰ প্ৰেক্ষাপটত বিচাৰ কৰিলে এই বিয়াখন পতাৰ প্ৰয়োজনীয়তা আৰু সামাজিক দিশত ইয়াৰ তাৎপৰ্য অতি গুৰুত্বপূৰ্ণ বুলি ক'ব পাৰি। চিকিৎসা বিজ্ঞানৰ দৃষ্টিত ঋতুস্ৰাৱৰ কাৰণ সম্বন্ধে ডাঃ নীলাক্ষি দেৱ চৌধুৰীয়ে উল্লেখ কৰিছে এনেদৰে— *"ঋতুস্ৰাৱ তথা স্ত্ৰী জননাংগৰ বিকাশ মুখ্যতঃ পিটুইটেৰি গ্লেণ্ডৰ পৰা নিঃসৰিত গণাড'ট্ৰফিন হৰমোন তথা ডিম্বগ্ৰন্থিৰ পৰা নিঃসৰিত ইষ্টোজেন আৰু প্ৰজেষ্টেৰণ হৰমোনৰ ওপৰত নিৰ্ভৰ কৰে। এই হৰমোনৰ ক্ৰিয়াৰ ফলস্বৰূপে কিশোৰীৰ প্ৰজনন অংগ পৈণত হয়। ঋতুস্ৰাৱৰ আৰম্ভণিয়ে ইয়াকে সূচায় যে নাৰীৰ শৰীৰ এতিয়া গৰ্ভধাৰণৰ বাবে যোগ্য হৈ পৰিছে।"*[৬] গৰ্ভধাৰণৰ বাবে যোগ্য হৈ পৰা এগৰাকী কিশোৰীৰ শাৰীৰিক আৰু মানসিক পৰিৱৰ্তন গ্ৰাম্য নাৰীসকলে মন নকৰাকৈ থকা নাছিল। প্ৰথম ৰজঃ দৰ্শনৰ আকস্মিক, অপ্ৰত্যাশিত আৰু বিস্ময়কাৰী পৰিৱৰ্তনে কিশোৰী গৰাকীৰ মনত ভয়-শংকা, লাজ-সংকোচৰ ভাৱে আৱৰি ধৰাটো স্বাভাৱিক। এনে অৱস্থাত অশিক্ষিত চহা গ্ৰাম্য সমাজখনে ভৱিষ্যত জীৱনৰ বাবে পৰিপক্ক কৰি তোলাৰ প্ৰথম পদক্ষেপ হিচাবে প্ৰথম ঋতুস্ৰাৱ হোৱা সময়চোৱাক উপযুক্ত বুলি গণ্য কৰিছিল। বাৰ-তেৰ বছৰত গাভৰু হোৱা ছোৱালীজনীক আছুতীয়া কোঠা এটাত ৰাখি মাতৃ, চুবুৰীয়া তথা আত্মীয় অভিজ্ঞতাসম্পন্ন মহিলাসকলে সামাজিক তথা নৈতিক জ্ঞান দি অনানুষ্ঠানিক শিক্ষাৰ ব্যৱস্থা কৰিছিল।

ৰক্তস্ৰাৱ হৈ থকা অৱস্থাত ছোৱালীজনীৰ জিৰণিৰ একান্ত প্ৰয়োজন। কাম-বন কৰিলে বা ওলাই-সোমাই ফুৰিলে ছোৱালীজনীৰ ৰক্তস্ৰাৱ বেছি হ'ব পাৰে এই কথালৈ নাৰীসকলেই দৃষ্টি ৰাখে। সাধাৰণতে প্ৰথম তিনিদিন ৰক্তস্ৰাৱ অধিক হোৱাৰ সম্ভাৱনা থাকে। সেয়ে সেইকেইদিন ছোৱালীজনীক বেছি লৰচৰ নকৰাকৈ একেঠাইতে ৰখাৰ ব্যৱস্থা কৰা হয়। চাৰিদিনৰ দিনা গা ধুৱাই তেওঁক শুচি কৰি লোৱা হয়। যিহেতু গাঁৱলীয়া জীৱনত কিশোৰী এগৰাকীয়ে ঘৰুৱা ইটো-সিটো কামত হাত উজান দিবলগীয়া হয় সেয়ে এই চাৰিদিনৰ

জিৰণিয়ে ছোৱালীজনীক যথেষ্ট সকাহ দিয়ে। এই সম্পৰ্কে নীলাক্ষি দেৱ চৌধুৰীয়ে উল্লেখ কৰিছে এনেদৰে — *"ঋতুস্ৰাৱৰ সময়ছোৱাত শাৰীৰিকভাৱে বিশ্ৰাম লোৱা তথা মানসিকভাৱে নিশ্চিত আৰু প্ৰসন্নচিত্ত হৈ থকাটো জৰুৰী। এই সময়ত মানসিক উদ্বিগ্নতা, পৰিশ্ৰম, খেলা-ধূলা, দৌৰা, জপিওৱা তথা কঠিন কাম কৰা হানিকাৰক হ'ব পাৰে। সেয়ে ভাৰতীয় সামাজিক পৰম্পৰাত এই সময়ত বিশ্ৰামৰ পৰামৰ্শ দিয়া হয়।"*[৭] ভাৰতীয় সামাজিক পৰম্পৰাৰ অংশীদাৰ অসমীয়া সমাজেও এই সময়ক বিশেষভাৱে গুৰুত্ব দিয়াটো নিশ্চয় প্ৰাসংগিক।

গ্ৰাম্য সমাজখনে সদ্য গাভৰু কিশোৰীগৰাকীক যৌন শিক্ষা দিয়াৰ স্থান হিচাবে এই চাৰিদিনৰ সদ্ব্যৱহাৰ কৰিছিল। মাতৃগৰাকীয়ে আৰু খবৰ ল'বলৈ অহা চুবুৰীয়া তথা অভিজ্ঞতা থকা নাৰীসকলে কিশোৰী গৰাকীক এই পৰিৱৰ্তনত ভীতিবিহ্বল নহৈ সহজ আৰু স্বাভাৱিকভাৱে গ্ৰহণ কৰাৰ পৰামৰ্শ দিয়ে। যিহেতু এই সময়ৰপৰাই তেওঁ গৰ্ভধাৰণৰ ক্ষমতা লাভ কৰে, গতিকে এই বয়সত হ'ব পৰা ভুলবোৰ কেনে হ'ব পাৰে তাৰো ইংগিত এটা দিয়ে। বিশেষকৈ পুৰুষ ব্যক্তিৰপৰা গা বচাই ৰখাৰ পৰামৰ্শ দিয়া হয়। এই সময়ত শৰীৰত কেনে লক্ষণ বা পৰিৱৰ্তন হ'ব পাৰে তাকো কিশোৰী গৰাকীক বুজাই কোৱা হয়।

কন্যা সন্তান এটি লাহে লাহে ডাঙৰ হৈ যৌৱনপ্ৰাপ্ত হোৱাৰ লগে লগে বিবাহৰ উপযুক্ত হ'ল বুলি জাননী দিয়াটোও তোলনি বিয়াখনৰ উদ্দেশ্য বুলি কব পাৰি। স্ত্ৰী শিক্ষাৰ প্ৰতি গুৰুত্ব নিদিয়াৰ সময়ছোৱাত ছোৱালী গাভৰু হ'লেই বিয়া দিয়াৰ চিন্তা-চৰ্চা কৰা হৈছিল। বাৰ-তেৰ বছৰ বয়সত তোলনি হোৱা ছোৱালীজনীক বিবাহৰ উপযুক্ত হ'ল বুলি জনাই পৰোক্ষভাৱে ল'ৰাৰ সন্ধান কৰা হৈছিল। দৰাৰ সন্ধান কৰোতে ছোৱালীজনী গৰ্ভধাৰণৰ উপযুক্ত হোৱা কথাটোৱে প্ৰাধান্য পোৱাৰ কাৰণে তোলনি বিয়াখনৰ দ্বাৰা আওপকীয়াকৈ ছোৱালীগৰাকী উপযুক্ত হোৱা বুলি প্ৰমাণ দাঙি ধৰা হয়।

সামাজিক দায়বদ্ধতাৰ বাবেও তোলনি বিয়াখনৰ গুৰুত্ব আছে। এই সম্পৰ্কে বলীন কুমাৰ কোঁৱৰে আলোচনা প্ৰসংগত উল্লেখ কৰিছে — *"প্ৰথম ঋতুমতী হোৱা ছোৱালী এজনীৰ ক্ষেত্ৰত ঘৰখনৰ লগতে গাঁও আৰু সমাজৰ যথেষ্ট কৰিব লগা থাকে আৰু তেওঁৰ প্ৰতি দায়িত্বও বাঢ়ি যায়। তাতে তেওঁৰ মনত যথেষ্ট ভয়ভাৱৰ উদ্ৰেক হয়। মাক, বায়েক বা অন্যান্য সম্বন্ধীয় মহিলাসকলে তেওঁক বুজনি দিয়াৰ লগতে পৰিস্কাৰ পৰিচ্ছন্ন হৈ থকাৰ জ্ঞান*

*দিয়ে। **তোলনি বিয়া** পাতি আত্মীয়-কুটুম আৰু গএগ্রা জ্ঞাতিক কালিলৈকে সৰু ছোৱালী হৈ থকা ছোৱালীজনী গাভৰু হ'ল বুলি জনাই দি একপ্ৰকাৰ এইটো কোৱা হয় যে তেওঁ গাভৰু হ'ল, গাঁও আৰু সমাজে এতিয়াৰ পৰা তেওঁৰ প্ৰতি সজাগ হোৱাৰ লগতে উপযুক্ত সন্মানৰ চকুৰে চাব লাগে। ই হ'ল এটা সামাজিক দায়িত্ব আৰু দায়বদ্ধতা। এতিয়াৰে পৰা তেওঁৰ সুৰক্ষাৰ প্ৰতি গাঁও আৰু সমাজখনৰ সকলোৱে গুৰুত্ব দিব লাগিব।"* [৮] তোলনি হোৱা ছোৱালীজনীৰ ভৰিষ্যত সুৰক্ষাৰ প্ৰতি ঘৰখনৰ লগত সমাজখনৰ এটা দায়িত্ব থাকে। সেয়ে বিয়াখনৰ জৰিয়তে সকলোকে জনাই দিয়া হয় যে সামাজিক দায়িত্ব আৰু দায়বদ্ধতাৰ পৰিচয় দাঙি ধৰি ছোৱালীজনীক সকলোৱে সুৰক্ষা প্ৰদান কৰিব লাগে।

তোলনি বিয়াখনৰ জৰিয়তে ছোৱালীজনীক সামাজিক দায়িত্ব, ভৰিষ্যতে কৰণীয় আৰু নিৰাপত্তাৰ কথাও জনাই দিয়া হয়। যৌৱনপ্ৰাপ্তিৰ পিছত সমাজত ছোৱালীজনীৰ আচৰণ কেনে হ'ব লাগে, ভৰিষ্যতে নিজক কেনেদৰে সুৰক্ষিত ৰাখিব লাগে তাকো শিকোৱা হয়। এই সময়ছোৱাতে ছোৱালীজনীক নৈতিক শিক্ষাও প্ৰদান কৰা হয়। এগৰাকী ছোৱালী মানেই ভৰিষ্যতে কাৰোবাৰ পত্নী, মাতৃ, শাহু বা আইতাৰ ৰূপত নিজকে পৰিৱৰ্তিত কৰিব লগা হয়। গতিকে এই দীঘল পথ পৰিক্ৰমাত নাৰী এগৰাকীৰ কাৰ্য, আচৰণ, ব্যক্তিগত তথা সামাজিক দায়িত্বৰ কথা বাৰ-তেৰ বছৰতে শিকোৱা হয়। তদুপৰি দৰাৰূপী কলগছৰ ধাৰণা এটাৰে ভৰিষ্যতৰ দৰা এজন যে তেওঁৰ বাবে গুৰুত্বপূৰ্ণ তাৰো ইংগিত এটি দিয়া হয়।

বাল্যবিবাহৰ সময়ত পতা 'শান্তি বিয়া' খনৰ গুৰুত্ব আছিল সৰ্বাধিক। কিয়নো তোলনি নৌহওঁতেই বিয়া হোৱা ছোৱালীজনীৰ প্ৰকৃত জীৱন আৰম্ভ হৈছিল তোলনি হোৱাৰ পিছত। বাল্যবিবাহ কৰাই থোৱা দৰাৰ পৰিয়ালে তেওঁলোকৰ ঘৰত কইনাঘৰৰ পৰা জননি লৈ আহিলেই গম পাইছিল যে ছোৱালীজনীৰ শান্তি হ'ল। খবৰটো পোৱাৰ পিছত 'শান্তি বিয়া' পাতি ছোৱালীজনীক একেবাৰে লৈ অহাৰ অধিকাৰ পাইছিল। সেয়ে বাল্যবিবাহৰ সমকালীন সমাজখনত তোলনি বিয়াখনৰ গুৰুত্ব যথেষ্ট আছিল।

অসমৰ মৌখিক সাহিত্যৰ চহকী পৰম্পৰাত বিয়াগীত পদসমূহৰ এখন সুকীয়া স্থান আছে। বৰবিয়া আৰু তোলনি বিয়া দুয়োখনতে বিয়াৰ কাৰ্যক্ৰমণিকাবোৰ চলি থাকোতে পৰ্যায়ক্ৰমে বিয়াগীত গোৱা হয়। তোলনি বিয়াত সদ্যযৌৱনা গাভৰু গৰাকীৰ লগত পালনীয়

ৰীতি-নীতি, লোকাচাৰ, লোকবিশ্বাস, নাৰী মনস্তত্ত্ব আৰু অসমীয়া সামাজিক জীৱনৰ যি আভাস পোৱা যায়, তাৰ পৰাই সমাজ বিৱৰ্তনৰ চিত্ৰখনো প্ৰতিফলিত হয়। সেইফালৰ পৰাও তোলনি বিয়াৰ গীত-পদৰ এক সুকীয়া তাৎপৰ্য আছে।

ব্যক্তিৰ ভাৱ-ভাষা, ৰীতি-নীতি, শিল্প-সাহিত্য, লোকাচাৰ তথা লোকবিশ্বাসমূহৰ মাজতেই এখন সমাজৰ সাংস্কৃতিক পৰিচয় নিহিত হৈ থাকে। সমাজ পৰিৱৰ্তনৰ লগে লগে এইবোৰৰ ৰংৰূপৰ পৰিৱৰ্তন ঘটে যদিও ই হেৰাই নাযায়। প্ৰত্যেক জাতিৰে এটা সুকীয়া সাংস্কৃতিক ঐতিহ্য থাকে আৰু ই উৎসৱ-অনুষ্ঠানৰ মাজেদি প্ৰৱাহিত হৈ থাকে। তোলনি বিয়াৰ মাজতো এই ঐতিহ্য সোমাই আছে যদিও লাহে লাহে আধুনিক শিক্ষাৰে শিক্ষিত লোকসকলে এই ঘটনাটোক নতুন দৃষ্টিভংগীৰে চাবলৈ লৈছে। স্বাস্থ্যখণ্ডৰ প্ৰভূত উন্নতি, তথ্য-প্ৰযুক্তিৰ জৰিয়তে দেশ-বিদেশৰ লগত সংযোগ স্থাপনৰ সুব্যৱস্থা, শিক্ষাৰ প্ৰসাৰ, সকলো বস্তুকে যুক্তিৰে চালিজাৰি চাব পৰা মানসিক উৎকৰ্ষতাই তোলনি বিয়াৰ প্ৰাসংগিকতাক শিক্ষিত অভিভাৱসকলৰ ওচৰত কমাই তুলিছে। ৰানা মুকুট কেওঁটে কোৱাৰ দৰে — *"মাহেকীয়া হোৱাটো এটা স্বাভাৱিক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াটোকে বিভিন্ন নিয়মৰ মাজেৰে এনেকুৱা কৰি পেলোৱা হয় যেন ই এটা নোহোৱা নোপোজা সাংঘাতিক ঘটনাহে। নিয়ম পালন নকৰিলে কিবা দায় দোষ লাগিব পাৰে বুলি মানুহে বিশ্বাস কৰে। ধুমধামেৰে বিয়া বাৰু পতাৰ নিচিনা বাহ্যিক আঁৰ-বেৰত সুমুৱাই স্বাভাৱিক প্ৰক্ৰিয়া এটাক অস্বাভাৱিক কৰি তোলাটো অনুচিত। এনে কথাই খাটে মাহেকীয়া হ'লে চুৱা বুলি মনা, পাকঘৰলৈ নোযোৱা, বস্তু নুচুৱা, ধৰ্মস্থানলৈ নোযোৱা আদি। আগৰ দিনত যেতিয়া ছেনিটেৰী পেড নাছিল তেতিয়া তেজ লগা কাপোৰ পিন্ধি ইফাল-সিফাল কৰাত অসুবিধা হোৱা বাবে কিছু প্ৰতিবন্ধকতা থকাৰ কথাটো সুকীয়া আছল। কিন্তু আজিকালি সেই দিন নাই।"*[৯] বৰ্তমান পৰিৱেশৰ প্ৰভাৱত কিশোৰী এগৰাকী দহ এঘাৰ বছৰ বয়সতে তোলনি হোৱা দেখা যায়। গতিকে শিক্ষিত অভিভাৱকে আগৰদৰে ছোৱালী এজনীক অস্বাস্থ্যকৰ পৰিৱেশত নাৰাখি পৰিস্কাৰ-পৰিচ্ছন্নভাৱে ৰখাত গুৰুত্ব দিয়ে। অৱশ্যে পৰম্পৰা আৰু ঐতিহ্যক একেবাৰে এৰিব নিবচৰা গাঁৱলীয়া সমাজ তথা চহৰীয়া সমাজত কোনো কোনোৱে চাৰিদিন ছোৱালীজনীক আছুতীয়াকৈ ৰখাত গুৰুত্ব প্ৰদান কৰা দেখা যায়। খোৱা লোৱাৰ ক্ষেত্ৰতো বাধা-নিষেধ নামানি তেওঁক পুষ্টিকৰ আহাৰ প্ৰদান কৰা

হয়। এতিয়া তোলনি বিয়াৰ আচাৰ পদ্ধতি সলনি হৈছে, ঘৰতে কিছু এৰা ধৰাৰ মাজত বিয়াখনৰ আনুষ্ঠানিক নিয়ম পালন কৰা হয়। কিন্তু বৰ্তমানৰ পৰিপ্ৰেক্ষিতত আন লোকাচাৰসমূহৰ স্থান গৌণ হ'লেও ভালকৈ ধুওৱা তোলনি বিয়াখন জাকজমক আৰু ব্যয়বহুল আয়োজনেৰে পতাৰ এটা নতুন ঢৌ আহিছে। দৰাবিহীন, কিন্তু বৰবিয়াৰ দৰে বিশাল আয়োজনেৰে পতা তোলনি বিয়াখনৰ যি পৰিৱৰ্তন আহিছে, ই গাঁৱে-চহৰে সমানে বৃদ্ধি পোৱা দেখা গৈছে। ধনী লোকসকলে পতা এনে বিয়াৰ আয়োজনবোৰ দেখি মধ্যবিত্ত তথা দুখীয়া লোকসকলে নিজৰ জীয়ৰীৰ তোলনি বিয়াখনৰ বাবে ভাবিবলগীয়া হৈছে। বৰ্তমানৰ প্ৰেক্ষাপটত তোলনি বিয়াখন সৰ্বসাধাৰণৰ বাবে বব নোৱাৰা বোজা হৈ পৰিছে।

স্বাস্থ্যখণ্ডৰ উন্নতিয়ে তোলনি বিয়াৰ লগত জড়িত লোকবিশ্বাসসমূহো ভিত্তিহীন বুলি প্ৰতীয়মান কৰিছে। আগৰ দিনত বাৰ-তেৰ বছৰলৈ তোলনি নোহোৱা ছোৱালীজনীক লৈ ঘৰ এখনৰ সকলো সদস্য চিন্তিত হৈ পৰিছিল, এনে ক্ষেত্ৰত ভূত-প্ৰেত বা আন কাৰোবাৰ কু-প্ৰভাৱ পৰা বুলি ছোৱালীজনীক ডোল-মাদলি, তাবিজ আদি দি আত্মসন্তুষ্টি লাভ কৰিছিল। কিন্তু শিক্ষা আৰু স্বাস্থ্যখণ্ডৰ প্ৰতি সচেতন লোকসকলে ইয়াৰ কাৰণ যে হৰমোনজনিত সেই কথাটো বুজি পাই চিকিৎসকৰ কাষ চপা দেখা যায়। প্ৰথম ৰজঃদৰ্শন দেৰি হোৱাৰ কাৰণ আৰু ইয়াৰ প্ৰতিকাৰ সম্পৰ্কে নীলাক্ষি দেৱ চৌধুৰীয়ে উল্লেখ কৰিছে এনেদৰে — *"ডিম্বগ্ৰন্থি বা অন্য কোনো গৰ্ভাশয়গত বিকৃতিত ঋতুস্ৰাৱ কম হোৱা, কষ্টদায়ক হোৱা আদি কাৰণত হ'ব পাৰে। পোন্ধৰ-যোল্ল বছৰ বয়সলৈ ঋতুস্ৰাৱ নোহোৱাৰ কাৰণটো যোনিচ্ছদৰ দ্বাৰা যোনি মাৰ্গ সম্পূৰ্ণৰূপে বন্ধ হৈ থকাটোও হ'ব পাৰে। সাধাৰণ এটা অপাৰেচনৰ দ্বাৰা ইয়াক ঠিক কৰিব পৰা যায়। অত্যাধিক ৰক্তস্ৰাৱ হ'লৈ ৰক্তহীনতা, মূৰঘূৰণি, দুৰ্বলতা আদি লক্ষণে দেখা দিব পাৰে। এনে সকলোবোৰ অৱস্থাকে গুৰুত্বসহকাৰে লৈ স্ত্ৰীৰোগ বিশেষজ্ঞ চিকিৎসকৰ উচিত পৰামৰ্শ লোৱা আৱশ্যক। বিশেষকৈ মাতৃগৰাকীয়ে উপৰোক্ত যিকোনো ঋতুস্ৰাৱ সম্বন্ধীয় বিকাৰক সৰ্তকতাৰে নিৰীক্ষণ কৰি চিকিৎসকৰ ওচৰলৈ সন্তানক লৈ যাব লাগে যাতে এনে সমস্যাই আগলৈ গভীৰ ৰূপ ধাৰণ কৰিব নোৱাৰে।"*[১০] বৰ্তমান সচেতন সকলো মাতৃয়ে এই দিশটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰি, ছোৱালীজনক তাবিজ, মন্ত্ৰপুত জাপ-জৰী দিয়াতকৈ চিকিৎসকৰ ওচৰলৈ নিয়া পৰিলক্ষিত হয়। গ্ৰাম্য সমাজলৈও চিকিৎসা সেৱাৰ বিস্তাৰ হোৱাত

আৰু বিভিন্ন বিনামূলীয়া চিকিৎসা সহজলভ্য হোৱাত মাতৃসকল জীয়ৰীৰ স্ত্ৰীজনিত যিকোনো সমস্যাত চিকিৎসকৰ ওচৰ চপা দেখা যায়।

একে ধৰণে যৌৱনপ্ৰাপ্তিৰ দিশলৈ কিশোৰসকলো আগবাঢ়ি যায়, কিন্তু কিশোৰসকলৰ ক্ষেত্ৰত এনেধৰণৰ দীঘলীয়া আৰু ৰাজহুৱা কোনো অনুষ্ঠান পতা নহয়। অৱশ্যে উপনয়ন, চুন্নত আদি এনেধৰণৰ অনুষ্ঠান যদিও ইয়াত লাজ-ভয়ৰ বিশেষ কাৰণ নাথাকে। কিশোৰী গৰাকীৰ দৈহিক গঠনৰ পৰিৱৰ্তনৰ লগত এই উৎসৱ জড়িত হোৱাৰ বাবে এনে ৰাজহুৱা অনুষ্ঠানত ভাগ ল'বলৈ ন প্ৰজন্মই অনিচ্ছা প্ৰকাশ কৰে। কিছুসংখ্যকে মানসিকভাৱে অপ্ৰস্তুত কিশোৰী এগৰাকীক লৈ এনেধৰণৰ অনুষ্ঠান পতাৰ প্ৰয়োজনবোধ নকৰে।

বৰ্তমান তথ্য প্ৰযুক্তিৰ যুগ। আমাৰ দেশৰ প্ৰত্যেকখন ৰাজ্যৰ লগত যোগাযোগৰ সু-ব্যৱস্থা হোৱাত পাৰস্পৰিক সাংস্কৃতিক দিশৰ লগতো মানুহৰ পৰিচয় ঘটিছে। মোবাইল ইন্টাৰনেট, WhatsApp প্ৰভৃতি মাধ্যমৰ জৰিয়তে অসমৰ নাৰী এগৰাকীয়ে প্ৰথম ৰজঃদৰ্শন হোৱাৰ সময়ত কি ধৰণৰ আচৰণ বা বিচাৰ কৰে সেয়া বাহিৰৰ মানুহে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জানিব পাৰে। দেখা যায় যে ভাৰতৰ অনুন্নত ৰাজ্যসমূহৰ কিছুমান সম্প্ৰদায়ৰ মাজত এই অনুষ্ঠানটোৰ প্ৰচলন থাকিলেও প্ৰায়বোৰ ৰাজ্যতেই এই প্ৰাকৃতিক ঘটনাটোক লৈ কিশোৰী গৰাকীক অস্বস্তিত পেলোৱা ধৰণৰ কোনো অনুষ্ঠান পতা নহয়। গতিকে আন ৰাজ্যৰ লগত সম্পৰ্কিত লোকসকলেও বিষয়টো নতুনকৈ ভাবিবলৈ শিকি অনুষ্ঠানটোৰ যুক্তিযুক্ততা বিচাৰ কৰি চাব পৰা হৈছে। ঠিক সেইদৰে সৰু গাঁও এখনৰ ধাৰণাত পৰিণত হোৱা বিশ্বৰ আন আন উন্নত দেশতো অনুষ্ঠানটোৰ প্ৰাসংগিকতা যে প্ৰায় নাই, সেই কথা জনাৰ সুযোগ বহুতে লাভ কৰিছে। দেশ-বিদেশৰ সাংস্কৃতিক দিশবোৰৰ সতে পৰিচিত হোৱাৰ ফলস্বৰূপে তোলনি বিয়াৰ প্ৰাসংগিকতা লাহে লাহে কমি অহা পৰিলক্ষিত হৈছে।

তোলনি বিয়াৰ লোকাচাৰ আৰু তেওঁৰ ওচৰত উপস্থিত থকা লোকসকলৰ কথা-বাৰ্তাই কিশোৰী এগৰাকীৰ মনোজগতত কি ধৰণৰ প্ৰভাৱ পেলাব পাৰে সেই সম্পৰ্কে অনুৰাধা শৰ্মা পূজাৰীয়ে লাভ কৰা এগৰাকী কিশোৰীৰ এখন চিঠিৰ কথা উল্লেখ কৰিছে য'ত কিশোৰী এগৰাকীয়ে অনুভৱ কৰা হৃদয়ৰ মৰ্মবেদনাক প্ৰকট কৰিছে। প্ৰসংগৰ লগত সংগতি থকা বাবে চিঠিখন উল্লেখ কৰা হ'ল — *"তাই লিখিছিল.... মোৰ বয়সতকৈ দেৰিকৈ* ***শান্তি বিয়া***

*হৈ গ'ল। শান্তি নোহোৱা বাবে চুবুৰীয়াই মোৰ কিবা বেমাৰ হোৱা বুলি আৰু লগতে 'লুকুৱাইছো' বুলি কৰা নানা মন্তব্যই মোক অতীষ্ট কৰি তুলিছিল। আমাৰ ঘৰত আনবোৰ ছোৱালীক কৰাৰ দৰে মোকো কইনা সজালে। শিৰত সেন্দূৰ দি কলপুলি এটাৰ লগত বিয়া পাতিলে। তদুপৰি বিয়াখনত যিবোৰ মন্তব্য বা ঠাট্টা-তামাচা হ'ল, সেইবোৰ সকলো মোৰ অশ্লীল যেন লাগিল। কালিলৈকে যি বন্ধুটোৰ সৈতে মই সংকোচবিহনীভাৱে মিলামিছা কৰিছিলোঁ, 'লাজ' ৰ পৰ্দা এখন তাৰ আৰু মোৰ মাজত আহি পৰিল। বুঢ়ী মানুহবোৰে শিকালে মই **গাভৰু হোৱা** কথাটো জনাজাত হ'ল, আৰু পুৰুষৰ পৰা সাৱধানে শৰীৰটোক ৰক্ষা কৰাৰ দায়িত্ব এতিয়া মোৰ নিজৰ, এজন স্বামীৰ হাতত মোৰ শৰীৰটো সমৰ্পণ নকৰালৈকে। গোটেই ঘটনাটোতে মোৰ বৰ লাজ লাগিছে। ই যদি এটা নাৰীৰ শৰীৰলৈ অহা স্বাভাৱিক পৰিৱৰ্তন, তেন্তে ইয়াক লৈ স্ফূৰ্তি তামচা কৰি আমাৰ চুবুৰীয়া ল'ৰাবোৰক জনোৱা হ'ল কিয়? আকৌ যদি জাননী দিলেই তেন্তে মোক নিজৰ দায়িত্ব নিজে লৈ ল'ৰাবোৰৰ পৰা সাৱধানে থাকিবলৈ কোৱা হ'ল কিয়? ৰাস্তাত, স্কুললৈ যাওঁতে কি ব্যৱহাৰ কৰিলা, কেয়াৰ ফ্রি নে হুইছপাৰ?' বুলি বদমাছ ল'ৰাই যেতিয়া মন্তব্য দিয়ে, তাৰ লজ্জা-অপমানৰ দায়িত্বও মই ল'ব লাগিব বুলি ডাঙৰ মানুহবোৰে কৈ নিদিলে কিয়? এই কথাবোৰ লৈ মই কেবাদিনো কন্দা-কটা কৰিলত বাইদেউৰে এখন চিঠি লেখিবলৈ ক'লে, আপোনালৈ, চিঠিখন লিখোতে বাইদেউৰে মোক সহায় কৰিছে....।"*[১১] এই চিঠিৰ উত্তৰ স্বৰূপে অনুৰাধা শৰ্মা পূজাৰীয়ে পুৰুষ শাসিত সমাজ ব্যৱস্থাত এনে ঘটনাৰে ছোৱালীজনী বিবাহৰ উপযুক্ত হ'ল বুলি পৰোক্ষভাৱে জনাই দিয়া ৰীতি অতীতৰে পৰা অসমীয়া সমাজত চলি আহিছে যেতিয়া এইবোৰ সতকাই এৰিব নোৱাৰি বুলি জনালে। কিন্তু ইয়াৰ লগত জড়িত উপৰোক্ত ধৰণৰ কথাবোৰ ঘৃণা কৰিবলৈ শিকা উচিত। এগৰাকী কিশোৰীক যদি এটা অনুষ্ঠানে আঘাত দিয়ে বা মনোকষ্ট দিয়ে বুলি অভিভাৱকে বা সমাজে অনুভৱ কৰে, তেনেহ'লে এনে অনুষ্ঠানৰ প্ৰাসংগিকতা নাই বুলিয়েই ক'ব পাৰি।

দৈৱজ্ঞৰ দ্বাৰা গণনা চাই যিবোৰ ফলাফল ঘোষণা কৰা হয় সেই ফলাফলবোৰে কিশোৰী গৰাকীৰ মনত বিৰূপ প্ৰভাৱ পেলাব পাৰে। কিয়নো ভাল ফলাফলৰ লগতে যিবোৰ বেয়া ফলাফলৰ কথা কোৱা হয়, সেইবোৰে কিশোৰীগৰাকীক অদূৰ ভৱিষ্যতে অমঙ্গল কৰিব

বুলি তেওঁৰ মনত এটা ধাৰণা সোমাই দি তাৰ প্ৰতিকাৰৰ উপায়ো দিয়া হয়। ভৱিষ্যতে হ'ব পৰা বিপদৰ আশংকাই কুমলীয়া মনত আঘাত দিয়াটো স্বাভাৱিক, ইয়াৰ ফলত কিশোৰীগৰাকীৰ মনস্তাত্ত্বিক দিশত বেয়া প্ৰভাৱ পেলাব পাৰে।

বৰ্তমান চ'চিয়েল মিডিয়া বা অন্যান্য মাধ্যমত তোলনি বিয়াৰ প্ৰাসংগিকতা সম্পৰ্কে বিভিন্ন ধৰণৰ আলোচনা তথা বিৰ্তক চলি থকা দেখা যায়। উচ্চ শিক্ষিত নাৰী একাংশই এই বিয়াখনৰ প্ৰাংসগিকতা নুই কৰিলেও সাধাৰণৰভাৱে হ'লেও পৰম্পৰাক জীয়াই ৰখাৰ পোষকতা কৰে। বহুতে চাৰিদিন ছোৱালীজনীক স্বাস্থ্যসন্মতভাৱে ঘৰতে ৰাখি চাৰিদিনৰ দিনা ঘৰৰ মহিলাখিনিৰে গা ধুৱাই নিয়মটো কৰি থয়, পিছলৈ আৰু কোনো ৰাজহুৱা অনুষ্ঠানৰ আয়োজন নকৰে। কিছু সংখ্যকে একেবাৰেই নিয়ম-নীতি নকৰে, এইক্ষেত্ৰত কিশোৰী গৰাকীৰ পিতৃৱেও সহযোগ কৰে। আনহাতে বহুতে লোকাচাৰবোৰ পালনৰ পক্ষপাতী নহয় যদিও ঘৰত এটা অনুষ্ঠান পতাৰ ব্যৱস্থা কৰে। মুঠতে পৰিৱৰ্তিত ৰূপত হ'লেও তোলনি বিয়াখনৰ প্ৰচলন হৈ আছে।

তোলনি বিয়াত যি ধৰণৰ লোকাচাৰ পালনীয় আছিল বৰ্তমান সমাজ ব্যৱস্থাই তাক নুই কৰিলেও তাৰ অন্তৰালত যি ধাৰণা বা ভাৱ অনুভূতি আছে সেই সমূহ বৰ্তমানো অপৰিৱৰ্তিত ৰূপত আছে। গাঁও অঞ্চলত এই সময়ত প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰিলেও পৰম্পৰাগত বিশ্বাস আৰু লোকাচাৰসমূহ পালন কৰা দেখা যায়। অৱশ্যে লোকাচাৰসমূহৰ পালনৰ পদ্ধতি বা স্বৰূপ বহুত পৰিৱৰ্তন হৈছে। সামাজিক লোকাচাৰ হিচাবে স্ত্ৰীসকলে পালন কৰা তোলনি বিয়াৰ ইতিবাচক দিশবোৰে ইয়াৰ প্ৰাসংগিকতা থকাটোৱে সূচায়, যদিও সময়ৰ পৰিৱৰ্তনৰ লগে লগে বিয়াখনৰ প্ৰাসংগিকতাক এটা ঘৰুৱা বা সামাজিক অনুষ্ঠান পতাৰ আহিলাস্বৰূপ হৈ পৰিছে। বৰ্তমান ই এটা অনুষ্ঠান পতাৰ মাধ্যম বা সুযোগ হিচাবেহে বহুতে গ্ৰহণ কৰা দেখা যায়। ক্ষেত্ৰ অধ্যয়নৰ সময়ত এটা কথা স্পষ্ট হৈছে যে বহুতেই বৰ বিয়াখন পাতিব পৰাৰ অনিশ্চয়তাৰ বাবে তোলনি বিয়াখন পাতি ওচৰ-চুবুৰীয়া, আত্মীয়স্বজন তথা বন্ধু-বান্ধৱক খুওৱাৰ এটা সুযোগ গ্ৰহণ কৰে। বহু অভিভাৱকৰ মতামতৰ পৰা আজিৰ নৱ প্ৰজন্মৰ ধ্যান-ধাৰণা, চিন্তা-চৰ্চাক যে তেওঁলোকে যথেষ্ট সন্মান কৰে সেইটো অনুধাৱন কৰিব পাৰি। পুত্ৰ সন্তানৰ দৰে কন্যাসন্তানৰ শিক্ষা-দীক্ষাৰ প্ৰতি সমানে গুৰুত্ব প্ৰদান

কৰাত সৰুৰে পৰা তেওঁলোকক প্ৰতিযোগীতামূলক পৃথিৱীত খোজ পেলাবলৈ শিকোৱা হয়। আজিকালিৰ ছোৱালী দেশ-বিদেশত সিঁচৰতি হৈ আছে, গতিকে পিতৃ-মাতৃয়ে তেওঁলোকৰ মতে বৰবিয়াখন পতাত অনিশ্চয়তাই দেখা দিয়ে, সেয়ে সৰু বিয়া বা তোলনি বিয়াতেই সকলো একগোট হোৱাৰ এটা পৰিকল্পনা কৰে।

তোলনি বিয়াৰ সপক্ষে-বিপক্ষে চলা যুক্তি তৰ্কৰ মাজতে বহুতে কন্যাসন্তানটোক অসমীয়া পৰম্পৰাৰ লগত চিনাকি কৰি দিয়াৰ উদ্দেশ্যেই বিয়াখন পতাৰ যুক্তি দৰ্শায়। আন এচামে ঘৰত আইতা-ককাকহঁতৰ সন্তুষ্টিৰ কাৰণেও বিয়াখন পতাৰ পোষকতা কৰে। উচ্চবৰ্ণৰ লোকসকলৰ মাজত যিসকলে ল'ৰাৰ উপনয়ন অনুষ্ঠান পাতি ভোজ-ভাতৰ আয়োজন কৰে তেওঁলোক কিছুমানেও এই বিয়াখনৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰা দেখা যায়। যিহেতু ল'ৰাৰ ক্ষেত্ৰত উপনয়নৰ দৰে অনুষ্ঠান এটা পাতি ৰাইজক আপ্যায়ন কৰা হয়, ছোৱালীজনীৰ ক্ষেত্ৰত এনে অনুষ্ঠান এটা নিশ্চয় পাতিব পাৰি। পুত্ৰসন্তান নথকাসকলে উপনয়ন পতাৰ সুযোগ নোপোৱাৰ বাবে তোলনি বিয়াখন ধুমধামেৰে পাতিব বিচাৰে বুলি মতামত ব্যক্ত কৰা লোকো ক্ষেত্ৰ অধ্যয়নৰ সময়ত পোৱা গৈছিল।

## প্ৰসংগ টীকা ঃ

১) নবীনচন্দ্ৰ শৰ্মা ঃ *অসমৰ লোকসংস্কৃতিৰ আভাস,* পৃষ্ঠা-১০
২) নবীনচন্দ্ৰ শৰ্মা ঃ *অসমৰ লোকসাহিত্য,* পৃষ্ঠা-৬২৫
৩) উল্লিখিত ঃ পৃষ্ঠা-৬২৫
৪) দীপামণি হালৈ ঃ *আধুনিকতাৰ প্ৰেক্ষাপটত অসমীয়া লোক সংস্কৃতিৰ পৰিৱৰ্তন, অসম সাহিত্য সভা পত্ৰিকা,* তৃতীয় সংখ্যা, ডিচেম্বৰ,২০০৯, পৃষ্ঠা-১২-১৩
৫) উল্লিখিত ঃ পৃষ্ঠা-১৩
৬) নীলাক্ষী দেৱ চৌধুৰী ঃ *প্ৰথম ৰজোদৰ্শনত মাতৃৰ দায়িত্ব,* শৰৎ ৰাজখোৱা (সম্পাঃ), *স্বাস্থ্য আৰু দীৰ্ঘজীৱন,* নবেম্বৰ,২০১৯, পৃষ্ঠা-৪০
৭) উল্লিখিত ঃ পৃষ্ঠা-৪০
৮) বলীন কুমাৰ কোঁৱৰ ঃ *মহিলাৰ ঋতুচক্ৰত আৱদ্ধ জীৱন,* প্ৰদীপ বৰুৱা (সম্পাঃ), *প্ৰান্তিক,* ১৬-৩০ চেপ্তেম্বৰ,২০১৯, পৃষ্ঠা-২৬
৯) ৰানা মুকুট কেওঁট ঃ *স্বাস্থ্য আৰু অন্ধবিশ্বাস* ঃ *প্ৰান্তিক,* ডিচেম্বৰ ১৬-৩১, ২০২০, পৃষ্ঠা-৩৪-৩৫
১০) নীলাক্ষী দেৱ চৌধুৰী ঃ *প্ৰথম ৰজোদৰ্শনত মাতৃৰ দায়িত্ব,* শৰৎ ৰাজখোৱা (সম্পাঃ), *স্বাস্থ্য আৰু দীৰ্ঘজীৱন,* নবেম্বৰ,২০১৯, পৃষ্ঠা-৪০
১১) অনুৰাধা শৰ্মা পূজাৰী ঃ *ডায়েৰী,* পৃষ্ঠা-৭৬-৭৭

# উপসংহাৰ

"নামনি অসমৰ তোলনি বিয়াঃ এটি অধ্যয়ন (দৰং জিলাৰ বিশেষ উল্লিখনেৰে)" শীৰ্ষক শিৰোনামেৰে পাঁচটা অধ্যায়ত বিভক্ত কৰি গৱেষণাৰ বিষয়বস্তুসমূহ আলোচনা কৰা হৈছে। গৱেষণাৰ বাবে সংগ্ৰীহিত তথ্যসমূহ পৰ্যবেক্ষণ, পৰ্যালোচনা আৰু বিশ্লেষণ কৰাৰ সময়ত ভালেমান ন ন তথ্যৰ সন্ধান পোৱা হৈছে আৰু নাৰীকেন্দ্ৰিক লোকাচাৰ হিচাপে ইয়াৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত সম্পৰ্কে এটি সম্যক আভাস পাবলৈ সক্ষম হোৱা যেন দেখা গৈছে।

গৱেষণা গ্ৰন্থৰ প্ৰথম অধ্যায়ত লোকাচাৰৰ লগত সমাজৰ সম্পৰ্ক, অসমত জন্ম, মৃত্যু, বিবাহ সম্পৰ্কে প্ৰচলিত নাৰীকেন্দ্ৰিক লোকাচাৰ, উৎসৱ-অনুষ্ঠান সম্পৰ্কীয় নাৰীকেন্দ্ৰিক লোকাচাৰ, দৈনন্দিন পালনীয় নাৰীকেন্দ্ৰিক লোকাচাৰ সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে। ঋতুমতী হোৱা সম্পৰ্কে আদিম সমাজৰ ধাৰণা, ভাৰতৰ সমাজ ব্যৱস্থাত ইয়াৰ গুৰুত্ব, তোলনি বিয়াৰ আভিধানিক অৰ্থ সম্পৰ্কে এই অধ্যায়ত আলোচনা কৰা হৈছে। তাৰোপৰি অসমৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত তোলনি বিয়াৰ প্ৰচলন সম্পৰ্কেও এটি আভাস দাঙি ধৰা হৈছে। বিশ্বৰ অন্যান্য দেশসমূহত তোলনি বিয়াৰ ৰেহৰূপ আৰু ভাৰতৰ বিভিন্ন প্ৰদেশত তোলনি বিয়াৰ প্ৰচলন সম্পৰ্কেও যিমানদূৰ পাৰি আলোচনা আগবঢ়োৱা হৈছে। এই আলোচনাবোৰৰ পৰা এটা কথা প্ৰতীয়মান হয় যে নাৰী ৰজঃস্বলা হোৱাৰ যি স্বাভাৱিক প্ৰক্ৰিয়া সেই প্ৰক্ৰিয়াক পৃথিৱীৰ সকলো ঠাইৰ মানুহে উৎসুকতাৰে লক্ষ্য কৰিছিল। কালক্ৰমত নাৰীৰ সামাজিক অৱস্থান, উৰ্বৰতা বৃদ্ধিৰ আকাংক্ষা, ভৌগোলিক অৱস্থান আদি কাৰকসমূহে লোকাচাৰসমূহত ভিন্নতা আনি দিলেও এইবোৰৰ মাজত থকা সাৰ্বজনীনতাৰ ছবি অন্যতম মন কৰিবলগীয়া বিশেষত্ব। অসমৰ প্ৰসঙ্গত আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল বৰ্ণহিন্দু লোকসকলৰ মাজত তোলনি বিয়াৰ প্ৰচলন সৰ্বাধিক পৰিলক্ষিত হয়।

অসম, ভাৰত তথা বিশ্বৰ অন্যান্য প্ৰান্তৰ তোলনি বিয়ালৈ মন কৰিলে এটা কথা লক্ষ্য কৰিব পাৰি যে অসমৰ বাহিৰে ভাৰত তথা বিশ্বৰ অন্যান্য প্ৰান্তৰ যিসকলে তোলনি বিয়া সদৃশ লোকাচাৰ পালন কৰি আহিছে, সেইবোৰ অসমৰ দৰে এটা বিবাহোৎসৱত পৰিণত হোৱা নাই। অনুষ্টুপীয়া অনুষ্ঠান কেতবোৰৰ মাজেৰে তেওঁলোকে প্ৰথম ঋতুমতী ছোৱালীজনীৰ লোকাচাৰসমূহ পালন কৰে।

দ্বিতীয় অধ্যায়ত তোলনি বিয়াৰ লোকাচাৰ আৰু লোকবিশ্বাস সম্পৰ্কে বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। কিশোৰী এগৰাকীৰ গাত প্ৰাক্ যৌৱনৰ লক্ষণসমূহ ফুটি উঠাৰ লগে লগেই পৰিয়ালৰ মহিলাখিনিৰ মাজত যি সচেতনতা আৰম্ভ হয় তাৰ ফলতেই গাত কাপোৰ দিয়াৰ নিচিনা কৃত্যসমূহৰ সৃষ্টি হৈছিল। এই অধ্যায়ত গাত কাপোৰ দিয়া, ৰজঃস্বলা হোৱা, ৰজঃস্বলা হোৱাৰ সময়ত ল'বলগা সাৱধানতা, গণনা কাৰ্য, ৰজঃস্বলা হোৱাৰ পৰা চতুৰ্থ দিনা কিশোৰীগৰাকী গা ধুওৱালৈকে পালন কৰা সকলোবোৰ নীতি-নিয়ম আৰু ইয়াৰ লগত জড়িত লোকবিশ্বাসসমূহৰ বিস্তৃত আলোচনা দাঙি ধৰা হৈছে। তদুপৰি আগবিয়া আৰু পাছবিয়াৰ লগত তোলনি বিয়াৰ সম্পৰ্কৰ বিষয়েও আলোচনা আগবঢ়োৱা হৈছে।

লোকাচাৰসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে সমগ্ৰ অনুষ্ঠানটোত কিছু নেতিবাচক দিশ থাকিলেও বেছিখিনিয়েই সমাজৰ পক্ষে হিতকৰ আছিল। ৰজঃস্বলা অৱস্থাত কিশোৰীগৰাকীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি বিশেষ মনোযোগ দিয়া নহৈছিল। ঘৰুৱা কৰ্মব্যস্ততাৰ মাজতে নাৰীসকলে এই অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰি সাময়িকভাৱে সকাহ লাভ কৰে, প্ৰাণ খুলি আনন্দ উলাহত মগ্ন হয়। ঘৰুৱাভাৱে প্ৰস্তুত কৰা বস্তুবোৰেৰেই সমগ্ৰ অনুষ্ঠানটো পাতিব পৰা গৈছিল, কিনিবলগা বস্তু খুউব কম আছিল। আনহাতে বৰ্ণহিন্দু সমাজখনৰ জ্যোতিষ শাস্ত্ৰৰ প্ৰভাৱো এক লেখত ল'বলগীয়া বৈশিষ্ট্য আছিল। গণকৰ বিধি বিধান মানি চলাটো সামাজিক পৰম্পৰাৰ এক অংগ আছিল। অসমৰ কৃষিকেন্দ্ৰিক সমাজখনৰ প্ৰায়বোৰ অনুষ্ঠানতেই উৰ্বৰতা বিশ্বাস নিহিত থকা দেখা যায়। তোলনি বিয়াৰ 'জননি বন্ধা' কাৰ্য এনে বিশ্বাসৰ এটা উদাহৰণ বুলিব পাৰি। তোলনি বিয়াত সৰ্বাধিক ব্যৱহৃত হোৱা আখৈৰ ব্যৱহাৰো এক প্ৰতীকাত্মক বুলিব পাৰি। দৰঙৰ বৰ্ণহিন্দু লোকসকলৰ প্ৰভাৱত জনজাতীয় লোকসকলেও তোলনি বিয়াৰ লোকাচাৰ পালন কৰা দেখা যায়; আনকি ইছলাম ধৰ্মী লোকসকলৰ কিছুসংখ্যকেও তোলনি

বিয়াৰ দৰে কিছু লোকাচাৰ ঘৰুৱাভাৱে পালন কৰা দেখা যায়। আনহাতে অসমৰ নৱ-বৈষ্ণৱ ধৰ্মী লোক সকলে অনুষ্ঠানটো আধ্যাত্মিকতাৰ দৃষ্টিভঙ্গীৰে পালন কৰে।

তোলনি বিয়াৰ লগত জড়িত লোকবিশ্বাসসমূহ জীৱন যাত্ৰাৰ এক অভিন্ন অংগ বুলিব পাৰি। ৰজঃস্বলা হোৱাৰ দিনৰ পৰা ধুৱাবৰ দিনলৈকে যিবোৰ লোকবিশ্বাস প্ৰচলিত আছে ইয়াৰ প্ৰায়বোৰেই আদিম উৰ্বৰা বিশ্বাসৰ লগত জড়িত। ইয়াৰোপৰি আমাৰ দৈনন্দিন জীৱনৰ লগত জড়িত ভূত-প্ৰেত, জৰাফুকা, ভৱিষ্যত গণনা, অশৌচ, কুমন্ত্ৰণা আদি সম্পৰ্কীয় লোকবিশ্বাসসমূহ উৰ্বৰা বিশ্বাসৰ সৈতে যোগ হৈ তোলনি বিয়াৰ অনুষ্ঠানটোক স্থানীয় ৰূপ প্ৰদান কৰা পৰিলক্ষিত হয়। অসমৰ লোকজীৱনত জন্ম-মৃত্যু, বিবাহ সম্পৰ্কে যিবোৰ লোকবিশ্বাস প্ৰচলিত থকা দেখা যায়, তোলনি বিয়াৰ লগত জড়িত লোকবিশ্বাসসমূহো ইয়াৰ ব্যতিক্ৰম নহয়। কিশোৰীজনীক ভৱিষ্যতৰ দিনবোৰৰ বাবে উৰ্বৰা শক্তিৰে ভৰপূৰ এগৰাকী নাৰী হিচাপে সুৰক্ষিত কৰি ৰখাৰ সামাজিক বান্ধোনৰ পৰাই এই লোকবিশ্বাসসমূহৰ উৎপত্তি হোৱা দেখা যায়।

তৃতীয় অধ্যায়ত নামনি অসমৰ তোলনি বিয়াৰ গীত-পদ সম্পৰ্কে এটি বিতং আলোচনা আগবঢ়োৱা হৈছে। তোলনি বিয়াত দৰাপক্ষ আহোঁতে গোৱা গীত, দৰা আদৰোঁতে গোৱা গীত, পানীতোলা গীত, কইনা উলিওৱা গীত, গা ধুওৱা গীত, কাপোৰ পিন্ধাওঁতে গোৱা গীত, কইনা চোতালত বহোঁতে গোৱা গীত, খিচাগীত বা নিন্দা গীত আদিৰে বিয়াৰ প্ৰতিটো মুহূৰ্ত সজীৱ কৰি ৰখা হয়। গীতবোৰৰ দ্বাৰা শ শ বছৰৰ অভিজ্ঞতাৰে সমৃদ্ধ কৃষিকেন্দ্ৰিক গ্ৰাম্য সমাজ এখনৰ নাৰীৰ মানসিক জগতখনৰ কথা অনুভৱ কৰিব পাৰি। প্ৰত্যেকটো গীততে নিভাঁজ চহা গ্ৰাম্য সমাজৰ জীৱন্ত ছবি এখন প্ৰতিফলিত হোৱা দেখা যায়। অসমৰ নাৰীসকল নিৰক্ষৰ হ'লেও বৈষ্ণৱ যুগৰ প্ৰভাৱত আধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধ আছিল আৰু পৌৰাণিক কাহিনীবোৰৰ চৰিত্ৰবোৰ তেওঁলোকৰ মানস পটত জিলিকি আছিল। ইয়াৰ ফলত কৃষ্ণ-ৰুক্মিণী, ৰাধা-কৃষ্ণ, ৰাম-সীতা, দৈৱকী, যশোদা বা ভীষ্মৰ দৰে চৰিত্ৰবোৰৰ লগতে যমুনা নদী, গংগা নদী বা কৃষ্ণই বাঁহী বজোৱা কদম্ব গছডাল তেওঁলোকৰ চিনাকী আছিল। সেয়ে বিয়াগীতবোৰত এনে চৰিত্ৰবোৰ আৰু গংগা-যমুনা তথা কদম্বগছে সঘনাই ভুমুকি মাৰিছে। তদুপৰি গীতসমূহৰ মাজেদি কিশোৰীগৰাকী যাতে নৈতিক, শাৰিৰীক, সামাজিক তথা

মানসিকভাৱে বলীয়ান হ'ব পাৰে তাৰ বাবে উপমা আদিৰে বুজাবৰ চেষ্টা কৰা দেখা যায়। সন্তান ধাৰণৰ বাবে সক্ষম হোৱাৰ বাবেই তোলনি বিয়া, অৰ্থাৎ ই এক নাৰীৰ প্ৰজনন ক্ষমতা লাভৰ বাবে উদ্‌যাপন কৰা অনুষ্ঠান বুলিব পাৰি। গতিকে কিশোৰী গৰাকীয়ে এই গুণটো লাভ কৰাৰ সময়ত তেওঁক মানসিকভাৱে প্ৰস্তুত কৰি তোলাটো লোকসমাজৰ এক দায়িত্ব আছিল, গীতবোৰত তাৰেই অনুৰণন শুনা যায়।

অসমৰ সামাজিক জীৱনত নাৰীসকলৰ স্থান, দৈনন্দিন জীৱনত তেওঁলোকৰ কৰণীয়, দৈনন্দিন জীৱনত ব্যৱহৃত সা-সামগ্ৰীৰ উল্লেখ তোলনি বিয়াৰ গীতবোৰৰ এটা উল্লেখনীয় দিশ। তদুপৰি অসম প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ হোৱা বাবে গীতবোৰৰ মাজত প্ৰাকৃতিক চিত্ৰসমূহে ভিৰ কৰা পৰিলক্ষিত হয়। প্ৰাকৃতিক পৰিবেশত দৈনন্দিন জীৱন পাৰ কৰা চহা নাৰীসকলৰ মনবোৰ প্ৰকৃতিৰ দৰেই সেউজীয়া আৰু কল্পনা প্ৰৱণ, সেয়ে কৰ্মব্যস্ততাৰ মাজত সামান্য অৱসৰৰ সুযোগ লাভ কৰি নাৰীমনৰ স্বতঃস্ফূৰ্ত প্ৰকাশ ঘটিছে। চহা নাৰী সমাজৰ মনোজগতৰ কথা জানিবলৈ এই গীতবোৰৰ অধ্যয়ন নিঃসন্দেহে গুৰুত্বপূৰ্ণ। সাধাৰণতে বৰবিয়া আৰু তোলনি বিয়া দুয়োখনতে নাৰীসকলে গীত-পদেৰে অনুষ্ঠান দুটা সজীৱ কৰি ৰাখে। কিন্তু দুয়োখন বিয়াৰ উদ্দেশ্য ভিন্ন হোৱাৰ বাবে গীত-পদসমূহৰ বিষয়বস্তুৰ পাৰ্থক্য সহজে চকুত পৰে।

চতুৰ্থ অধ্যায়ত অসমীয়া সাহিত্যত তোলনি বিয়াৰ প্ৰসংগই কিদৰে স্থান পাইছে তাক আলোচনা কৰা হৈছে। মৌখিক সাহিত্য, বিভিন্ন সংবাদ পত্ৰ, আলোচনী, তত্বগধুৰ প্ৰৱন্ধ, আত্মজীৱনী সাহিত্য, উপন্যাস আৰু গল্প সাহিত্যত তোলনি বিয়াৰ প্ৰসংগই ভুমুকি মাৰিছে। আহোম ৰাজত্বৰ সময়ৰ, স্বাধীনতাৰ আগৰ আৰু স্বাধীনোত্তৰ কালৰ তথা আধুনিক যুগৰ তোলনি বিয়াৰ বিভিন্ন প্ৰসংগই সাহিত্যৰ মাধ্যমেৰে স্থান লাভ কৰিছে। গীত, কবিতাৰ মাজত তোলনি বিয়াৰ প্ৰসংগই স্থান পালেও আলোচনাত সেই প্ৰসংগ সামৰি লোৱা হোৱা নাই।

সাহিত্যত তোলনি বিয়াৰ প্ৰসংগ আলোচনা কালত কেইটামান দিশৰ সন্ধান পোৱা গৈছে। লেখক-লেখিকাসকলৰ নিজস্ব দৃষ্টিভঙ্গীৰে তোলনি বিয়াৰ কথা উল্লেখ কৰোতে এটা অংশত তোলনি হোৱাৰ আগতে কম বয়সতে (আগবিয়া) বিয়া দিব নোৱাৰাৰ বাবে বংশ পতিত হোৱা, সমাজৰ আগত লাঞ্চিত হ'ব লগাৰ দৰে ঘটনাৰ বিৱৰণ প্ৰকাশ পাইছে। বিশেষকৈ

উচ্চবৰ্ণৰ লোকসকলৰ মাজত এই পৰিৱেশ সততে পোৱা গৈছিল। আলোচনাত উল্লেখ কৰা আত্মজীৱনী তিনিখন, পূৰবী বৰমুদৈৰ 'বাঘশাল, বাঘজাল আৰু মানুহ" শীৰ্ষক উপন্যাসখনত এই দিশটোৰ বিস্তৃত বিৱৰণ আছে।

সাহিত্যৰ আন এটা অংশত পৰম্পৰাগতভাৱে পালন কৰা তোলনি বিয়াৰ লোকাচাৰ, লোকবিশ্বাস, গীত-পদ আদিৰ বিষয়ে সাধাৰণ বৰ্ণনা পোৱা যায়। জুৰি শইকীয়াৰ "ৰাধিকা" (উপন্যাস), ৰাস্নাপালকৰ "বেলিবিহীন কপালৰ ৰ'দঘাই মানুহজনী (উপন্যাস), বন্তি শেনছোৱাৰ "জল-ভৰি যশোদা" (গল্প) আদিত তোলনি বিয়াৰ পৰম্পৰাগত ৰূপৰ বৰ্ণনা পোৱা যায়।

তোলনি বিয়াৰ বিপক্ষে ক্ষোভ আৰু অসন্তুষ্টিৰ প্ৰকাশ অইন এক ধাৰাৰ সাহিত্যত দেখা যায়। এই ধৰণৰ ৰচনাত তোলনি বিয়াখনক মানি লৈও তাৰ বিপক্ষে মনত পুঞ্জীভূত বিদ্ৰোহৰ ভাৱৰ প্ৰকাশ ঘটিছে। স্বাধীনতাৰ আগৰ পটভূমিত লিখা "বাঘশাল, বাঘজাল আৰু মানুহ" নামৰ উপন্যাসখনত চাৰিগৰাকী কন্যাসন্তানৰ এগৰাকী ব্ৰাহ্মণ সম্প্ৰদায়ৰ পিতৃ চৰিত্ৰৰ জৰিয়তে আগবিয়াৰ দৰে প্ৰচলিত সংস্কাৰৰ বিৰূদ্ধে নিজৰ প্ৰগতিশীল চিন্তাধাৰাক প্ৰতি ফলিত কৰিব বিচৰা হৈছে। ৰীতা চৌধুৰীৰ 'মায়াবৃত্ত' উপন্যাসতো কম পৰিসৰতে এনে কিছু বৰ্ণনা পোৱা যায়। আনহাতে কিছুসংখ্যক গল্প উপন্যাসত তোলনি হোৱাৰ পিছত কিশোৰী গৰাকীৰ প্ৰতি যি বাধা নিষেধ আৰোপ কৰা হয় সেই বাধা ওফৰাই পেলোৱাৰ ছবিও প্ৰকাশ পাইছে। জুৰি শইকীয়াৰ সৌমাৰ নন্দিনী (উপন্যাস)ৰ 'সাধনী কুঁৱৰী', ইমৰাণ হুচেইনৰ 'পখিলা' (গল্প)ৰ তগৰ চৰিত্ৰৰ মাজেৰে এনে মনোভাৱ প্ৰতিফলিত হোৱা দেখা যায়।

তোলনি বিয়াৰ প্ৰসংগই স্থান লাভ কৰা একাংশ সাহিত্যত লেখক - লেখিকাসকলে এফালে প্ৰচলিত সংস্কাৰ, লোকাচাৰ বা সামাজিক বান্ধোন মানি চলা আৰু আনফালে তেনে সংস্কাৰৰ বিৰুদ্ধে প্ৰকাশ্যে বিৰূদ্ধাচৰণ কৰিব নোৱাৰি বৈজ্ঞানিক দৃষ্টিভঙ্গী অথবা যুক্তিবাদী মনেৰে কথাবোৰ চালিজাৰি চাই তোলনি বিয়াৰ কেতবোৰ লোকাচাৰৰ অসাৰতাকো অনুভৱ কৰা দেখা যায়। এই ক্ষেত্ৰত নন্দিতা দেৱীৰ 'চাৰিত্ৰীক উত্তৰাধিকাৰ' শীৰ্ষক গল্পটোৰ নাম ল'ব পাৰি। অৱশ্যে কম বেছি পৰিমাণে বহুতো গল্পত এনে অসাৰতা প্ৰতিফলিত হোৱা দেখা যায়।

তোলনি বিয়াৰ পিছত কিশোৰীগৰাকীৰ যি শাৰিৰীক, মানসিক পৰিৱৰ্তন হয়, সেই পৰিৱেশে কিশোৰীগৰাকীৰ মনলৈ আনি দিয়া লজ্জা, চিনাকি মানুহৰ আগতে অপ্ৰস্তুত অনুভৱ

কৰা, প্ৰসাধনৰ প্ৰতি ধাউতি, নিজৰ প্ৰতি অত্যধিক মনোনিৱেশ কৰা আদি মনস্তত্ত্বৰ বিশ্লেষণাত্মক বিৱৰণ থকা গল্প উপন্যাসো অধ্যয়নৰ জৰিয়তে লাভ কৰা হৈছে। অৰূপা পটঙ্গীয়া কলিতাৰ 'মৃগনাভি' (উপন্যাস), নিলীমা শৰ্মাৰ 'অন্যসুঁতি' (গল্প) প্ৰভৃতি এনেধৰণৰ ৰচনাৰ উদাহৰণ।

কিছুসংখ্যক গল্প উপন্যাসত দেখা যায় তোলনি হোৱাৰ নাম বুজোৱা কোনো শব্দ ব্যৱহাৰ হোৱা নাই। কিন্তু কিশোৰী গৰাকীৰ আচৰণ, পৰৱৰ্তীকালত উল্লেখ কৰা লোকাচাৰৰ বিৱৰণৰ মাজত এনে এটা পৰিবেশ সৃষ্টি কৰা হয় যে অসমীয়া সমাজ জীৱনৰ লগত পৰিচিত সকলোৱে সেয়া যে কিশোৰী গৰাকীৰ কন্যাকাল প্ৰাপ্তিৰ ঘটনা তাক সহজে বুজিব পাৰে। নিলীমা শৰ্মাৰ 'অন্যসুঁতি' কথা এই প্ৰসংগত উল্লেখ কৰিব পাৰি।

সাধাৰণতে মহিলা লেখিকাসকলৰ আলোচনাত তোলনি বিয়াৰ প্ৰসংগই স্থান লাভ কৰিলেও পুৰুষ লেখকসকলেও অসমীয়া সমাজ জীৱনৰ এই গুৰুত্বপূৰ্ণ অনুষ্ঠানটোক আওকাণ কৰা নাই। অধ্যয়নত সামৰি লোৱা পুৰুষ লেখকসকলে তেওঁলোকৰ লিখনিত প্ৰয়োজন সাপেক্ষে 'তোলনি বিয়া'ৰ প্ৰসংগ দাঙি ধৰিছে। এনে লেখকসকলৰ ভিতৰত নৱকান্ত বৰুৱা, মহিম বৰা, ইমৰাণ হুচেইন, প্ৰকৃতি নাজিৰ, সঞ্জীৱ পল ডেকা আদিৰ নাম উল্লেখ কৰিব পাৰি।

মৌখিক সাহিত্যত তোলনি বিয়াক কৃষিকেন্দ্ৰিক সমাজৰ কৰ্মব্যস্ততাৰ মাজত এটা গুৰুত্বপূৰ্ণ অনুষ্ঠান হিচাপে দাঙি ধৰা হৈছে। বিহুগীত, বাৰমাহী গীত, ফকৰা-যোজনাত তোলনি বিয়াৰ প্ৰসংগই স্থান পোৱাটোৱে অসমীয়া জন জীৱনত বিয়াখনৰ গুৰুত্বকে প্ৰতিপন্ন কৰে।

মুঠতে অসমীয়া সাহিত্যৰ এটি দীঘলীয়া সময়ছোৱাৰ ভিতৰত ৰচিত সাহিত্যত তোলনি বিয়াৰ প্ৰসংগই বিভিন্ন দৃষ্টিভঙ্গীৰে ভুমুকি মাৰিছে। এনে ধৰণৰ সাহিত্য অধ্যয়নৰ যোগেদি বিভিন্ন সময়ৰ অসমৰ ভিন্নস্তৰৰ লোকৰ ধ্যান-ধাৰণা, সামাজিক অৱস্থান তথা মনস্তাত্ত্বিক জগতখনৰ কথাৰ সম্ভেদ পোৱা যায়।

পঞ্চম অধ্যায়ত তোলনি বিয়াৰ পৰিৱৰ্তন আৰু প্ৰাসংগিকতা সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে। স্বাস্থ্য আৰু শিক্ষাৰ উন্নতি, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব উত্থান, বিশ্বায়নৰ আগ্ৰাসন প্ৰভৃতি বিভিন্ন কাৰণত সমাজ জীৱনৰ প্ৰায় প্ৰতিটো দিশতে পৰিৱৰ্তন হোৱা দেখা যায়। তোলনি বিয়াৰ পৰম্পৰাগত লোকাচাৰ আৰু লোক বিশ্বাসসমূহৰ ক্ষেত্ৰতো

এই পৰিৱৰ্তন লক্ষ্য কৰিব পাৰি। সংস্কৃতিৰ ক্ষেত্ৰত এই পৰিৱৰ্তন নিতান্ত স্বাভাৱিক যদিও সকলো পৰিৱৰ্তন সমাজৰ বাবে হিতকৰ নহ'বও পাৰে, অথচ সমসাময়িক কালত এই পৰিৱৰ্তনৰ বেয়া দিশটো ৰোধ কৰাটো সহজ নহয়। এই দৃষ্টিকোণৰ পৰা আমাৰ সমাজত প্ৰচলিত পৰম্পৰাগত অনুষ্ঠানসমূহৰ প্ৰাসংগিকতা বিচাৰ কৰাটো দৰকাৰ, কাৰণ সঠিক মূল্যায়ন অবিহনে উৎসৱ অনুষ্ঠানবোৰে আচহুৱা ৰূপৰ পৰিবেশৰ ফালে গতি কৰাটো স্বাভাৱিক। বৰ্তমান সময়ৰ প্ৰায়বোৰ উৎসৱ অনুষ্ঠানক বাহ্যিকতাই গ্ৰাস কৰাটো পৰিলক্ষিত হয়। তোলনি বিয়াৰ পৰম্পৰাগত ৰূপৰ গ্ৰহণীয় আৰু বৰ্জনীয় দিশবোৰ বিচাৰ কৰি লোকসংস্কৃতিৰ এটা ভঁড়াল হিচাপে অনুষ্ঠানটোৰ মূল্যায়নৰ প্ৰয়োজন আছে। বৰ্তমান যুক্তিবাদী তথা বৈজ্ঞানিক ধ্যান-ধাৰণাৰে পৰিপুষ্ট সমাজখনত তোলনি বিয়াৰ লোকাচাৰ বা লোকবিশ্বাসসমূহ যদিও গুৰুত্বহীন, কিন্তু ইয়াৰ অন্তৰ্নিৰ্হিত তাৎপৰ্যও একে আষাৰে নুই কৰিব নোৱাৰি। তোলনি বিয়াৰ সাংস্কৃতিক উপাদানসমূহ জীয়াই ৰখাৰ ক্ষেত্ৰত সকলোৰে কিছু দায়িত্ব আছে।

তোলনি বিয়া জন্মৰ লগত জড়িত এটি নাৰীকেন্দ্ৰিক লোকাচাৰ। একমাত্ৰ নাৰীৰ অংশগ্ৰহণেৰে অনুষ্ঠানটো যুগ যুগ ধৰি প্ৰচলিত হৈ আহিছে। বৰ্তমান একক পৰিয়াল হোৱাৰ ফলত লোকাচাৰসমূহ মানি চলাৰ ক্ষেত্ৰত কোনো বাধ্যবাধকতা নোহোৱা হৈছে। ভালেমান লোকাচাৰৰ বিলুপ্তি হোৱাত ন্যূনতম নিয়ম-নীতিৰে অনুষ্ঠানটো পালন কৰাৰ মানসিকতাই গঢ় লোৱা পৰিলক্ষিত হৈছে। এনে পৰিস্থিতিত বৰ্তমান পুৰুষৰ অংশগ্ৰহণত তেনে কোনো বাধা নিষেধ থকা দেখা নাযায়। বস্তু-বাহানি যা-যোগাৰ কৰাৰ ক্ষেত্ৰত ঘৰখনৰ পুৰুষসকলেই আগভাগ লোৱা দেখা যায়। আগতে তোলনি বিয়াৰ বাবে কিনিব লগা বস্তু প্ৰায় নাছিলেই, সকলোবোৰ ঘৰুৱাভাৱে যা-যোগাৰ কৰিব পৰা গৈছিল। এতিয়া সকলোখিনি বজাৰ-নিৰ্ভৰ হোৱাৰ বাবে পুৰুষৰ অংশগ্ৰহণৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে আৰু বাধা-নিষেধবোৰো আঁতৰি গৈছে।

আমাৰ অধ্যয়নৰ নামনি অসমৰ ভিতৰত দৰং জিলাত প্ৰচলিত তোলনি বিয়াৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছিল। দৰং জিলাৰ বিভিন্ন অঞ্চলৰ ক্ষেত্ৰ অধ্যয়নৰ কালত আৰু তোলনি বিয়াত উপস্থিত থাকি স্বচক্ষে তাক প্ৰত্যক্ষ কৰি গ্ৰামাঞ্চলত এতিয়াও তোলনি বিয়াৰ জনপ্ৰিয়তা উপলব্ধি কৰিব পৰা গৈছিল। তদুপৰি ভিতৰুৱা গাওঁসমূহত এতিয়াও বহু লোকাচাৰ আৰু

গীত-পদ প্ৰায় অক্ষত অৱস্থাত থকাও পৰিলক্ষিত হয়। আনহাতে চহৰাঞ্চল তথা যথেষ্ট উন্নত গাওঁসমূহৰ ক্ষেত্ৰত লক্ষ্য কৰা বিষয়টো হ'ল প্ৰায়ভাগ পৰম্পৰাগত লোকাচাৰৰ বিলুপ্তি ঘটিলেও, অনুষ্ঠানটোৱে পৰিৱৰ্তিত পৰিৱেশৰ লগত খাপ খাই নতুন ৰূপত প্ৰচলন হ'ব ধৰিছে।

বৰ্তমান আমাৰ সমাজ জীৱনৰ এটা বৈশিষ্ট্য হৈছে বাহ্যিক আড়ম্বৰতা। এই আড়ম্বৰতাই উৎসৱ-অনুষ্ঠান, ৰীতি-নীতিসমূহকো সমানে চুই যোৱা পৰিলক্ষিত হৈছে। কিন্তু এনে বাহ্যিক আড়ম্বৰতাই সবাতোকৈ ক্ষতিগ্ৰস্ত কৰে কম আয়ৰ লোকসকলক। পৰম্পৰাগত তোলনি বিয়াত খৰচৰ পৰিমাণ নাই বুলিলেও হয়। সকলোৱে এপদ-দুপদ বস্তুৰ সহযোগীতাত উৎসৱ-অনুষ্ঠানসমূহ সুকলমে অনুষ্ঠিত হৈছিল। কিন্তু বৰ্তমান পৰিৱেশ সম্পূৰ্ণ বিপৰীত দেখা যায়। অৰ্থনৈতিকভাৱে সৱল লোকসকলৰ  বিপৰীতে দুখীয়া লোকসকলৰ বাবে তোলনি বিয়াখন এক বোজাস্বৰূপ হৈ পৰা দেখা গৈছে। বৰ্তমান তোলনি বিয়াৰ আয়োজন 'বৰবিয়া'ৰ দৰে জাকজমকতাৰে পালন কৰাটো সমাজ এখনৰ বাবে কিমান গ্ৰহণযোগ্য এইটোও এটা বিচাৰ্য বিষয় হৈ পৰিছে।

তোলনি বিয়াৰ আন এটা এটা মন কৰিবলগীয়া বৈশিষ্ট্য আছিল যে এই অনুষ্ঠানত নাৰীসকলে এককভাৱে ঘৰুৱা কম-বনৰ পৰা মুক্ত হৈ হাঁহি-ধেমালি কৰিছিল। পুৰুষ প্ৰধান সমাজত নাৰীয়ে এনেদৰে মুক্তভাৱে একগোট হোৱাটো কম গুৰুত্বপূৰ্ণ কথা নাছিল। বিশেষকৈ অনুষ্ঠানত অংশ গ্ৰহণৰ সময়ত মহিলাসকলে পুৰুষৰ সাজ-পোচাক পৰিধান কৰি, সেন্দূৰ-পিঠাগুড়িৰে ইজনীয়ে সিজনীৰ চেহেৰা সলাই পেলোৱাৰ দৰে কামবোৰ নিৰ্ভীক আৰু স্বাধীনভাৱে কৰি এক অনাবিল আনন্দ উপভোগ কৰিছিল। এইফালৰ পৰা চাবলৈ গলে অসমীয়া সমাজৰ নাৰীসকল সমাজিক অস্পৃশ্যতাৰ পৰা মুক্ত আৰু বহুগুণে স্বাধীনচেতিয়া আছিল। কিন্তু বৰ্তমান তোলনি বিয়াত পুৰুষৰ অংশগ্ৰহণত বাধা নিষেধ আঁতৰি যোৱাত নাৰীসকলৰ নিৰ্দোষ ধেমালিৰ পথ প্ৰায় ৰুদ্ধ হৈ পৰিল।

তোলনি বিয়া নাৰী এগৰাকীয়ে প্ৰজনন ক্ষমতাৰ অধিকাৰী হোৱাৰ উপলক্ষে পতা উৎসৱ বুলিব পাৰি। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰী এগৰাকীৰ যৌৱন প্ৰাপ্তিৰ ঘটনাটোক যেনেকৈ ৰাজহুৱা কৰা হয়, পুৰুষৰ ক্ষেত্ৰত তেনেকৈ কৰা নহয়। সমাজত থকা লিংগ বিভাজনৰ

ছবিখন তোলনি বিয়াৰ দৰে অনুষ্ঠানবোৰে অধিক প্ৰকট কৰি তোলে।

পৰম্পৰা, সাংস্কৃতিক ঐতিহ্য, পৰম্পৰাগত মূল্যবোধ আদিতে জাতি এটাৰ পৰিচয় পাব পাৰি। বিশ্বায়ন তথা পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱ, দ্ৰুত নগৰীকৰণে সমাজ জীৱনত আমূল পৰিৱৰ্তন সাধন কৰিছে। নৱপ্ৰজন্মৰ এটা চামে পৰম্পৰাগত এনে অনুষ্ঠানসমূহ আওকাণ কৰিলেও এইক্ষেত্ৰত সমাজৰ অগ্ৰণী ব্যক্তিসকল সজাগ আৰু সচেতন হোৱা উচিত। নিজস্ব সামাজিক আচাৰ অনুষ্ঠানসমূহ নৱপ্ৰজন্মক চিনাকি কৰাই দিবলৈ সমাজৰ দায়িত্বশীল লোকসকল আগবাঢ়ি দিগ্‌দৰ্শনৰ ভূমিকা গ্ৰহণ কৰিব পাৰে। প্ৰগতিৰ উচ্চ শিখৰত আৰোহণ কৰিলেও ঐতিহ্য আৰু পৰম্পৰা অবিহনে জাতি এটাৰ পৰিচয় কেতিয়াও সম্পূৰ্ণ নহয়। পৰম্পৰাগত উৎসৱ-অনুষ্ঠানসমূহৰ লগত জড়িত লোকাচাৰ-লোকবিশ্বাসসমূহ বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে বিচাৰ কৰি ইয়াৰ পৰিৱৰ্তিত ৰূপক স্বীকাৰ কৰি ল'ব পাৰি। তোলনি বিয়াৰ জাকজমকতা তথা ব্যয়বহুল আয়োজনবোৰৰ বিলুপ্তি ঘটাই পৰম্পৰাগত ৰূপৰ গ্ৰহণীয় দিশবোৰ নতুন দৃষ্টিভঙ্গীৰে সৰ্বজনগ্ৰাহ্য ৰূপ দিব পাৰিলে অসমীয়া লোকসংস্কৃতিৰ এটা নাৰীকেন্দ্ৰিক অনুষ্ঠান হিচাপে ইয়াৰ স্বকীয় বৈশিষ্ট্য অটুট থাকিব আৰু ভৱিষ্যতে ইয়াৰ পৰিৱেশ্য দিশসমূহে অসমীয়া সংস্কৃতিৰ ভঁড়ালত এক নতুন মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰিব পাৰি।

-----

# গ্ৰন্থপঞ্জী

## (ক) অভিধান / অন্যান্য গ্ৰন্থ


অসমীয়া আখৰ জোঁটনি ঃ জাতীয় কৰ্মশালা আৰু আলোচনাসত্ৰৰ সিদ্ধান্তসমূহ, প্ৰকাশক, পৰমানন্দ ৰাজবংশী অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১

আধুনিক অসমীয়া অভিধান ঃ প্ৰকাশক সতীশ ভট্টাচাৰ্য সচিব, অসম প্ৰকাশন পৰিষদ, চতুৰ্থ পুৰ্ণ মুদ্ৰণ,১৯৮৯

চন্দ্ৰকান্ত অভিধান ঃ গুৱাহাটী বিশ্ববিদ্যালয়, ২য় সংস্কৰণ,১৯৬২

গোস্বামী, দীনেশচন্দ্ৰ (সম্পাঃ) ঃ *শৰাইঘাট অভিধান*, শৰাইঘাট প্ৰকাশন, গুৱাহাটী-২১, তৃতীয় মুদ্ৰণ,২০১২

চলিহা, সুমন্ত ঃ *আধুনিক অসমীয়া শব্দকোষ*, বাণী মন্দিৰ, পুনৰ মুদ্ৰণ,২০০৯

বৰুৱা, শান্তনু কৌশিক ঃ *অসম অভিধান*, বনলতা, গুৱাহাটী-১, চতুৰ্থ সংস্কৰণ,২০১২

শব্দকল্পদ্ৰুম ঃ *সাহিত্যত সংস্কৃত সংস্থান* মাণিত বিশ্ববিদ্যালয় ৫৬-৫৭ ইন্টাৰনেচনেল এৰিয়া, জনকপুৰী, নতুন দিল্লী-১

শৰ্মা, কিৰণ ঃ *সংস্কৃত অসমীয়া অভিধান*, চন্দ্ৰ প্ৰকাশ, পঞ্চম সংস্কৰণ,২০১২

শৰ্মা, গিৰিধৰ ঃ *অসমীয়া অভিধান*, বীণা লাইব্ৰেৰী, দশম সংস্কৰণ,২০১১


## (খ) গৱেষণা গ্ৰন্থ (অপ্ৰকাশিত)


চলিহা, হেমন্তকুমাৰ ঃ *সোণোৱাল কছাৰীৰ সংস্কৃতি ঃ এটি অধ্যয়ন*, গুৱাহাটী বিশ্ববিদ্যালয়,২০১০

চহৰীয়া, পূবালী ঃ *দৰঙৰ স্ত্ৰী লোকাচাৰ ঃ এটি অধ্যয়ন*, গুৱাহাটী বিশ্ববিদ্যালয়,২০১৭

ঠাকুৰীয়া, মমতা ঃ *কামাখ্যা ধামৰ স্ত্ৰী লোকাচাৰ ঃ এটি সামাজিক সাংস্কৃতিক অধ্যয়ন*, গুৱাহাটী বিশ্ববিদ্যালয়,২০১৭

দাস, কৰবী ঃ *অসমীয়া লোকসাহিত্য নাৰী আৰু নাৰী মনস্তত্ত্ব*, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৬

বৰা, ৰমেশ ঃ *অসমীয়া আৰু বড়ো জনগোষ্ঠীৰ লোকাচাৰ আৰু লোকবিশ্বাস ঃ এটি তুলনামূলক অধ্যয়ন*, গুৱাহাটী বিশ্ববিদ্যালয়,২০১৮

বেগম, আসমান আৰা ঃ *অসমীয়া লোকসাহিত্যত নাৰী ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন*,২০০৪, গুৱাহাটী বিশ্ববিদ্যালয়

বেজবৰা, ভানু ঃ *গোৱালপাৰা লোকসংস্কৃতিত নাৰী ঃ এক বিশ্লেষণাত্মক অধ্যয়ন*,২০০৮, গুৱাহাটী বিশ্ববিদ্যালয়

ভট্টাচাৰ্য, মামণি ঃ *নামনি অসমৰ স্ত্ৰী প্ৰধান সামাজিক আচাৰ অনুষ্ঠান আৰু গীত-পদ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন*, গুৱাহাটী বিশ্ববিদ্যালয়,২০০৯

## (গ) অসমীয়া গ্ৰন্থ

কছাৰী, নন্দেশ্বৰ ঃ *সোণোৱাল কছাৰী সমাজ আৰু সংস্কৃতি আৰু ভাষাৰ পৰিচয়,* সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ, প্ৰথম প্ৰকাশ,২০১১

কৰ্মকাৰ, সন্তোষ কুমাৰ ঃ *সংস্কৃতি আৰু সমাজ*, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী-১,২০০৩

কলিতা, অৰূপা পটঙ্গীয়া ঃ *দেওপাহাৰৰ ভগ্নস্তূপ,* সাহিত্য প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৯

——— ঃ *অৰুণিমাৰ স্বদেশ,* বনলতা, পাণবজাৰ, গুৱাহাটী-১, ৩য় সংস্কৰণ,২০০৮

——— ঃ *অয়নান্ত,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী-১, ৫ম প্ৰকাশ,২০০৮

কলিতা, ফুলকুমাৰী ঃ *লোক সংস্কৃতিৰ দাপোণ,* প্ৰকাশকঃ কমল নাৰায়ণ পাটোৱাৰী, বৰপেটাৰোড, প্ৰথম সংস্কৰণ,২০০০

——— ঃ *আয়তীৰ উৰুলি,* প্ৰকাশক ঃ বিবেক তালুকদাৰ, হাউলী, বৰপেটা, প্ৰথম সংস্কৰণ, ১৯৯২

——— ঃ *লোক সাহিত্যৰ ৰহ্ঘৰা-ফকৰা যোজনা,* প্ৰকাশক-নিপ কুমাৰ ডেকা, বৰপেটাৰোড, প্ৰথম তাঙৰণ,২০০৩

——— ঃ *লোককৃষ্টি আৰু নাৰী,* অৱগুণ্ঠিতা শিল্পী সমাজ, বৰপেটা,১৯৯৩

কলিতা, ৰাজেন ঃ *প্ৰাচীন অসমৰ সংস্কৃতি আৰু বুৰঞ্জী,* চন্দ্ৰ প্ৰকাশন, গুৱাহাটী,২০০৩

কাকতি, গণেশচন্দ্ৰ ঃ *পূৰ্বাঞ্চলৰ ভাষা সাহিত্য আৰু সংস্কৃতি,* অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠান, ১ম প্ৰকাশ, ২০০৬ জৱাহৰনগৰ, গুৱাহাটী।

কায়স্থ, পুতলী (সম্পাঃ) ঃ *অসমৰ বিভিন্ন জনগোষ্ঠীৰ বিবাহ পদ্ধতি,* ভবানী প্ৰিন্ট এণ্ড পাব্লিকেশ্যন্চ, গুৱাহাটী, ভৱানী সংস্কৰণ, ২০১১

——— (সম্পাঃ) ঃ *অসমৰ বিভিন্ন জনগোষ্ঠীৰ জন্ম-মৃত্যু সম্পৰ্কীয় লোকাচাৰ,* এন, এল, পাব্লিকেশ্যন্চ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ, ২০০৬

কোঁচ, জীৱন চন্দ্ৰ ঃ *সৃষ্টিৰ আনন্দময় উৎসৱ, বিয়া আৰু বিয়ানাম,* বাণীমন্দিৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ, ২০০৬

——— ঃ *অসমীয়া ভাষাৰ অলংকাৰ- ফকৰা যোজনা,* বনলতা, গুৱাহাটী-১, তৃতীয় প্ৰকাশ, ১৯৯৯

গগৈ, চাও লোকেশ্বৰ ঃ *অসমৰ লোকসংস্কৃতি,* ক্ৰান্তিকাল প্ৰকাশন এম. জি. ৰোড, নগাওঁ, সংশোধিত সংস্কৰণ, ২০১৩ চন

গগৈ, দেবেন (সম্পাঃ) ঃ *বিয়ানাম,* সবিতা প্ৰকাশ, গুৱাহাটী-৩ প্ৰথম প্ৰকাশ,২০০৬

গগৈ, লীলা ঃ *অসমৰ সংস্কৃতি,* বনলতা, গুৱাহাটী-১, ৯ম সংস্কৰণ,২০১২

—— —— —— ঃ *টাই সংস্কৃতিৰ ৰূপৰেখা,* শ্ৰীভূমি পাব্লিচিং, কলিকতা, ১ম প্ৰকাশ,১৯৮৫

—— —— —— ঃ *অসমৰ লোক-সাহিত্যৰ ৰূপৰেখা,* বনলতা, গুৱাহাটী-১, পুনৰ মুদ্ৰণ, ২০০৮

—— —— —— ঃ *সাহিত্য-সংস্কৃতি-বুৰঞ্জী,* কে, এন, প্ৰকাশন, গুৱাহাটী-১, ১৯৯১-৯২

—— —— —— ঃ (সম্পাঃ) *অসমীয়া সংস্কৃতি,* অসম সাহিত্য সভা, বনলতা, গুৱাহাটী-১, চতুৰ্থ প্ৰকাশ, ২০০৩

—— —— —— ঃ (সম্পাঃ) *অসমীয়া সংস্কৃতি,* বাণী প্ৰকাশ, গুৱাহাটী-১, ১৯৭৫

গগৈ, হৃদয়ানন্দ (সম্পাঃ) ঃ *ৰামধেনুৰ শ্ৰেষ্ঠ গল্প-সংকলন,* জ্যোতি প্ৰকাশন, পাণবজাৰ গুৱাহাটী-১, দ্বিতীয় প্ৰকাশ,১৯৯৯

গফুৰ, মঃ আব্দুল ঃ *গোৱালপৰীয়া সংস্কৃতি,* বীণা লাইব্ৰেৰী, গুৱাহাটী- ১, প্ৰথম প্ৰকাশ,২০০০

গোস্বামী, প্ৰফুল্ল দত্ত ঃ *বাৰ মাহৰ তেৰ গীত*, সাহিত্য অকাডেমী, ৰবীন্দ্ৰ ভৱন, ফিৰোজ শ্বাহ ৰোড, নতুন দিল্লী-১১০০০১, চতুৰ্থ মুদ্ৰণ,২০১৭

—— —— —— ঃ *সাহিত্য, সংস্কৃতি, ইতিহাস,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,১৯৯২

—— —— —— ঃ *অসমীয়া জন-সাহিত্য,* বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড,গুৱাহাটী-১, পঞ্চম সংস্কৰণ,১৯৯৪,

গোস্বামী, মামনি ৰয়ছম ঃ *চিন্নমস্তাৰ মানুহটো,* ষ্টুডেন্টচ্ ষ্ট'ৰচ্, কলেজ ৰোজ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,২০০১

—— —— —— ঃ উপন্যাস সমগ্ৰ, ষ্টুডেন্টচ্ ষ্ট'ৰচ্, চতুৰ্থ সংস্কৰণ,২০১১

গোস্বামী, ত্ৰৈলোক্যনাথ ঃ *আধুনিক গল্প সাহিত্য,* গুৱাহাটী-১, বাণী প্ৰকাশ, ষষ্ঠ প্ৰকাশ,২০০৯

গোস্বামী, ভৃগুমোহন ঃ *সংস্কৃতি আৰু লোকসংস্কৃতি,* চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৯৪

চহৰীয়া, কনকচন্দ্ৰ ঃ *দৰঙী লোকগীত সংগ্ৰহ,* আদৰণী সমিতি, অষ্টষষ্টিতম্ অধিবেশন, অসম সাহিত্য সভা, ছিপাঝাৰ,২০০৫

—— —— —— ঃ *অসমীয়া লোক সংস্কৃতিৰ ৰেঙণি,* অসম বুক পাব্লিচাৰ্চ, মঙ্গলদৈ, ১৯৯৬

—— —— —— (সম্পাঃ) ঃ *বৰদৌলগুৰিৰ বুৰঞ্জী আৰু সংস্কৃতি,* বৰদৌলগুৰি সাহিত্য সভা, দৰং, প্ৰথম প্ৰকাশ,২০০১

চলিহা, পৰাগ ঃ *অসমীয়া সংস্কৃতিৰ সুভাগু,* বাণী প্ৰকাশ, গুৱাহাটী-১, ১৯৮৬.

চেতিয়া, উমেশ ঃ *অসমৰ লোক সংস্কৃতিৰ ৰূপৰেখা,* কিৰণ প্ৰকাশন ধেমাজি, ২০১০

চেতিয়া, কমলচন্দ্ৰ ঃ *অসমৰ জনগোষ্ঠীয় লোকসংস্কৃতি* (প্ৰথম খণ্ড), জাগৰণ সাহিত্য প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,২০১২

চৌধুৰী, নিশিপদদেৱ আৰু অন্যান্য (সম্পাঃ) ঃ *অসমৰ ইতিহাস,* অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট,২০০৭

চৌধুৰী, প্ৰসেনজিৎ ঃ *বিজ্ঞান বনাম অন্ধবিশ্বাস,* জ্যোতি প্ৰকাশন, গুৱাহাটী,১৯৯৩

চৌধুৰী, ৰীতা ঃ *মায়াবৃত্ত,* জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,২০১২

চৌধুৰী, লক্ষেশ্বৰ ঃ *ক্ষেত্ৰী অঞ্চলৰ বিবাহ আৰু আচাৰসমূহৰ তাৎপৰ্য* , প্ৰকাশক-নয়নজ্যোতি লহকৰ, সৰ্থেবাৰী, প্ৰথম প্ৰকাশ,২০০৭

ছাত্তাৰ, আব্দুছ ঃ *সংমিশ্ৰণত অসমীয়া সংস্কৃতি,* যোৰহাট, ১৯৮৬

ডেকা, কনকচন্দ্ৰ (সম্পাঃ) ঃ *অতুলচন্দ্ৰ বৰুৱা ৰচনাৱলী* (প্ৰথম খণ্ড) বৰুৱা প্ৰকাশন, চানমাৰি, গুৱাহাটী-৩, প্ৰথম সংস্কৰণ,১৯৯৩

ডেকা, সঞ্জীৱপল ঃ *এইপিনে কি আছে,* পাঞ্চজন্য, পাণবজাৰ, গুৱাহাটী-১, দ্বিতীয় প্ৰকাশ,২০১৫.

তামূলী, লক্ষ্মীনাথ (সংকলিত) ঃ *ঊষা,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১ দ্বিতীয় প্ৰকাশ,২০০৮

দত্ত, উৎপল (সম্পাঃ) ঃ *নৱকান্ত বৰুৱা উপন্যাস সমগ্ৰ,* জাৰ্নাল এম্পৰিয়াম, নলবাৰী-৭৮৭৩৩৫, প্ৰথম প্ৰকাশ,২০০২

দত্ত, দণ্ডিৰাম ঃ *ডাকৰ বচন,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী-১, ১৯৭৩

দত্ত, বীৰেন্দ্ৰ নাথ ঃ *গোৱালপাৰাৰ লোকসংস্কৃতি আৰু অসমীয়া সংস্কৃতিলৈ ইয়াৰ অৱদান,* ১৯৯২

দলে, বসন্ত কুমাৰ (সম্পাঃ) ঃ *অসমৰ জনগোষ্ঠী এটি পৰিচয়,* অসম সাহিত্য সভা, ২০০৯

দাস, অংশুমান (সম্পাঃ) ঃ *অসমৰ জনগোষ্ঠীয় উৎসৱ-পাৰ্বণ,* আঁক-বাক, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৩

দাস, নাৰায়ণ আৰু ৰাজবংশী,পৰমানন্দ (সম্পাঃ) ঃ *অসমীয়া সংস্কৃতিৰ কণিকা,* চন্দ্ৰ প্ৰকাশ, গুৱাহাটী-১, ২০০৬

—— —— —— ঃ *অসমৰ সংস্কৃতিকোষ,* অসমীয়া বিভাগ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, জ্যোতি প্ৰকাশন, গুৱাহাটী- ১, ২০০৯

দাস, ভুবনমোহন (সম্পাঃ) ঃ *অসমৰ মানুহ,* অসম সাহিত্য সভা, ১৯৮৬

—— —— —— ঃ *সময়ৰ সোঁতত অসমীয়া সংস্কৃতি,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী- ১, ২০০৯

—— —— —— ঃ *অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়,* অসমীয়া ভাষা বিজ্ঞান সমিতি, গুৱাহাটী-২০০৩

দাস, যুগল : *গহনা-গাঁঠৰি,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১, প্ৰথম প্ৰকাশ, ১৯৮৮

দেউৰী, নন্দেশ্বৰ : *দেউৰী সংস্কৃতিৰ ৰূপৰেখা,* কিৰণ প্ৰকাশন, ধেমাজি, প্ৰথম প্ৰকাশ, ২০০৯

দেব, অমৰেন্দ্ৰ নাৰায়ণ (সম্পাঃ): *দৰঙৰ লোক সংস্কৃতি সমীক্ষা,* দৰং জিলা সাহিত্য সভা, ২০০২ চন

দেৱ শৰ্মোপাধ্যায় বিদ্যাভূষণেন : *যৰ্জুৱেদীয় বিবাহ পদ্ধতি,* এন. এল পাব্লিকেচন পাণবজাৰ, গুৱাহাটী-১৯৮১

দেৱী, নন্দিতা : *বান্দী,* ষ্টুডেন্টচ্ ষ্ট'ৰচ্, কলেজ হোষ্টেল ৰোড, গুৱাহাটী-১, প্ৰথম প্ৰকাশ-২০০৫

দেৱী, নলিনীবালা : *এৰি অহা দিনবোৰ,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,২০১৭

নৰহ, জীৱন (সম্পাঃ) : *মহিম বৰা ৰচনা সমগ্ৰ,* ষ্টুডেন্টচ্ ষ্ট'ৰচ্, কলেজ হোষ্টেল ৰোড, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,২০০৮

নাজৰী, ভূপেন : *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি,* বীণা লাইব্ৰেৰী, গুৱাহাটী-১,১৯৬৬

নাথ, অনিমা আৰু
নাথ, প্ৰীতি (সংগ্ৰাহিকা) : *বিয়ানাম চিত্ৰণ* , পাব্লিকেচন নতুন বজাৰ, ডিব্ৰুগড়, চতুৰ্থ প্ৰকাশ,২০১৩

নাথ, অক্ষয় কুমাৰ (সম্পাঃ) : *দৰঙৰ সাহিত্য-সংস্কৃতিৰ ৰূপৰেখা,* প্ৰকাশন পৰিষদ, ছিপাঝাৰ সাহিত্য সভা,১৯৯৭

নাথ, দ্বিজেন : *গোৱালপাৰাৰ লোক-সংস্কৃতি,* বনলতা, গুৱাহাটী- ১,২০০৮

নাথ, প্ৰফুল্ল কুমাৰ : *অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা,* বাণী মন্দিৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,২০০৮

নাথ, ফণীন্দ্ৰকুমাৰ
বৰুৱা, ডিম্বেশ্বৰ (সম্পাঃ) : *দৰং ওদালগুৰিৰ ঐতিহ্য আৰু সংস্কৃতি,* অসম কলেজ শিক্ষক সংস্থা,২০১৬

নাথ, ভৱকান্ত : *অসমীয়া সংস্কৃতিৰ পটভূমি,* বাণী মন্দিৰ,গুৱাহাটী, ২০০৬

নেওগ, ডিম্বেশ্বৰ : *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* গুৱাহাটী, ২০০৮

নেওগ মহেশ্বৰ : *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* বাণী মন্দিৰ, ডিব্ৰুগড়, ১৯৮৬

—— —— —— : *পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি,* ডিব্ৰুগড়, ১৯৫৭

—— —— —— (সম্পাঃ) : *অৰুণোদই,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১ প্ৰথম প্ৰকাশ,১৯৮৩

নেওগ, ৰূপক : *আই খেৰী উৰুলি,* প্ৰকাশক- জানমনি মৰাণ, তিনিচুকীয়া, প্ৰথম প্ৰকাশ,২০০৮

পাটৰ, পদ্ম (সম্পাঃ) : *জনজাতি সমাজ সংস্কৃতি,* ভবানী অফছেট প্ৰাইভেট লিমিটেড, গুৱাহাটী, তৃতীয় প্ৰকাশ,২০১৩

পাদুন, নাহেন্দ্ৰ : *অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি,* জনজাতীয় গৱেষণা প্ৰতিষ্ঠান, অসম,১৯৮৮

পালক, ৰাস্না : *বেলিবিহীন কপালৰ ৰ'দঘাই মানুহজনী,* চন্দ্ৰপ্ৰকাশ, পাণবজাৰ, গুৱাহাটী-১ চতুৰ্থ প্ৰকাশ,২০০৯

পেগু, গনেশ : *ৰহনীয়া মিচিং সমাজ আৰু ভাষা সংস্কৃতিৰ গতিবিধি,* গুৱাহাটী-২৮, প্ৰথম প্ৰকাশ, ১৯৯৬

পূজাৰী, লাৱণ্য ভকত : *ঐ ৰাম আমাৰ আইদেউৰ বিয়াহে,* বনলতা, পাণবজাৰ গুৱাহাটী-১, প্ৰথম প্ৰকাশ,২০০৩

ফুকন, মৌচুমী (সম্পাঃ) : *অসমৰ জনগোষ্ঠীয় সমাজৰ বসন্ত উৎসৱ,* প্ৰকাশক-শিপা, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ২০১০

বৰগোহাঞিং, যতীন্দ্ৰ কুমাৰ : *অসুৰ সভ্যতাৰ পৰা গোলকীয় দুস্কৃতিলৈ,* অসম পাব্লিচিং কোম্পানী, গুৱাহাটী-১, প্ৰথম প্ৰকাশ, ২০১৩

——— (অনু) : *লোকায়ত দৰ্শন,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১, প্ৰথম সংস্কৰণ,২০০৭

——— : *অসমৰ উৎসৱ আৰু পূজা,* ষ্টুডেন্টচ্ ষ্ট'ৰচ্, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,২০০৪

——— (সম্পাঃ) : *অসমৰ সাংস্কৃতিক ইতিহাস* (প্ৰথম খণ্ড) অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১, দ্বিতীয় প্ৰকাশ,২০০৭

বৰগোহাঞিং, হোমেন (সম্পাঃ) : *ৰামধেনু* (৫ম, ৬ষ্ঠ ৭ম খণ্ড) বনলতা, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,২০০৯

——— : *ৰামধেনু* (অষ্টম, নৱম আৰু দশম বৰ্ষ), বনলতা, প্ৰথম প্ৰকাশ-২০০৯

——— : *অসমীয়া গল্প সংকলন* (দ্বিতীয় খণ্ড), অসম প্ৰকাশন পৰিষদ গুৱাহাটী-৩, তৃতীয় প্ৰকাশ,২০০৪

——— : *অসমীয়া গল্প সংকলন* ( ৩য় খণ্ড), অসম প্ৰকাশন পৰিষদ গুৱাহাটী,২০০৭

——— : *ৰামধেনু* (একাদশ আৰু দ্বাদশ বৰ্ষ), বনলতা, প্ৰথম প্ৰকাশ,২০০৯

——— : *ৰামধেনু* (ত্ৰয়োদশ, চতুৰ্থ, পঞ্চম আৰু ষষ্ঠদশ বৰ্ষ), বনলতা, প্ৰথম প্ৰকাশ,২০০৯

বৰদলৈ, নিৰ্মলপ্ৰভা : *অসমৰ লোক সংস্কৃতি,* বীণা লাইব্ৰেৰী, গুৱাহাটী-১,চতুৰ্থ প্ৰকাশ, ১৯৯১

——— : *দেৱী,* সাহিত্য প্ৰকাশ, গুৱাহাটী- ৩, প্ৰথম প্ৰকাশ, ১৯৮৬

——— : *অসমৰ লোক কবিতা,* প্ৰকাশক, এস. আৰ. দে., গুৱাহাটী-১, ১৯৮৭

——— : *সূৰ্য্য,* সাহিত্য প্ৰকাশ, গুৱাহাটী-৩, দ্বিতীয় প্ৰকাশ, ২০০৮

——— ——— ——— : *জীৱন জীৱন বৰ অনুপম,* জ্যোতি প্ৰকাশন, গুৱাহাটী-১, সপ্তম প্ৰকাশ, ২০১৮

বৰমূদৈ, পূৰবী : *ৰূপোৱালী নৈৰ সোণোৱালী ঘাট,* বনলতা, নতুন বজাৰ, ডিব্ৰুগড়-১, দ্বিতীয় প্ৰকাশ,২০০৭

——— ——— ——— : বাঘশাল, বাঘজাল আৰু মানুহ, বনলতা, গুৱাহাটী-১, দ্বিতীয় প্ৰকাশ, ২০১১

বৰ্মন, শিৱনাথ : *লোক কৃষ্টিৰ উৎস,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১, তৃতীয় প্ৰকাশ, ২০০৩

——— ——— ——— : *ভাৰতীয় চিন্তা,* অসম পাব্লিচিং কোম্পানী, গুৱাহাটী-১, প্ৰথম প্ৰকাশ, ২০১৩

বৰা, অপূৰ্ব (সম্পাঃ) : *অসমীয়া চুটিগল্প, ঐতিহ্য আৰু বিৱৰ্তন,* যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয় প্ৰকাশন কোষ, প্ৰথম প্ৰকাশ,২০১২

বৰা, আৰাধনা : *অসমৰ জনগোষ্ঠী আৰু বিবাহ উৎসৱ,* প্ৰকাশক- তৰুণ কমল বৰা, গুৱাহাটী-৩, প্ৰথম প্ৰকাশ, ২০০২

বৰা বৰগোহাঞি, জুৰি : *নাংফা,* বনলতা, নতুন বজাৰ, ডিব্ৰুগড়-১ প্ৰথম প্ৰকাশন,২০১০

বৰাডেকা, হীৰা : *নোৱাই তোলনি বিয়া,* অৰুণোদয়, প্ৰিন্টাৰ্চ, শিৱসাগৰ, প্ৰথম প্ৰকাশন,২০১১

বৰা, ধ্ৰুৱজ্যোতি : *কথা ৰত্নাকৰ,* অন্বেষা, গুৱাহাটী-১, চতুৰ্থ মুদ্ৰণ,২০১০

বৰা, ভদ্ৰকান্ত : *অসমীয়া সমাজৰ লোকাচাৰ আৰু লোকবিশ্বাস,* হৰ্ণবিল পাব্লিকেচন, নগাওঁ, প্ৰথম প্ৰকাশ,২০১৪

বৰা, মহেন্দ্ৰ : *গৱেষণা প্ৰণালী তত্ত্ব,* বনলতা সংস্কৰণ, গুৱাহাটী-১, ২০০৯

——— ——— ——— : *অসমীয়া কবিতাৰ ছন্দ,* জ্যোতি প্ৰকাশন, তৃতীয় প্ৰকাশ, গুৱাহাটী-১

বৰা, যতীন : *অসমীয়া কবিতাৰ ছন্দ বিচাৰ,* বাণী প্ৰকাশ, গুৱাহাটী-১, ১৯৯৭

বৰুৱা, নৰকান্ত : *নৰকান্ত বৰুৱা উপন্যাস সমগ্ৰ,* জাৰ্ণাল এম্পৰিয়াম, নলবাৰী, প্ৰথম প্ৰকাশ,২০০২

বৰুৱা, প্ৰহ্লাদ কুমাৰ : *অসমীয়া সংস্কৃতিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ,* নাহৰকটীয়া মহাবিদ্যালয়, প্ৰথম প্ৰকাশ, ২০০৭

——— ——— ——— (সম্পাঃ) : *অসমীয়া লোকসাহিত্য,* সুৰভি সাহিত্য কুটীৰ, ডিব্ৰুগড়, ২য় সংস্কৰণ, ২০০১

বৰুৱা, বিৰিঞ্চিকুমাৰ : *অসমৰ লোক সংস্কৃতি,* বীণা লাইব্ৰেৰী, গুৱাহাটী-১, ৮ম প্ৰকাশ,২০০৫

——— ——— ——— : *অসমীয়া ভাষা আৰু সংস্কৃতি,* জাৰ্নাল এম্পৰিয়াম, নলবাৰী, ৯ম প্ৰকাশ, ২০০১

বৰুৱা, ৰজনীকান্ত : *দৰঙী কলা-কৃষ্টিৰ চমু কথা,* ছিপাঝাৰ, দৰং, প্ৰথম প্ৰকাশ,১৯৮৩

বৰুৱা, ৰুণিমা : *বিবাহ চয়নিকা,* কুঞ্জলতা প্ৰকাশন, প্ৰথম সংস্কৰণ,২০১৬

——— ——— ——— : *অসমীয়া চুটি গল্প অধ্যয়ন,* বনলতা, গুৱাহাটী, দ্বিতীয় প্ৰকাশ,২০০৫

বৰুৱা, সুৰেন্দ্ৰ প্ৰসাদ : *জ্যোতিষ শিক্ষণ,* কিতাপ সমলয়, গুৱাহাটী-১ তৃতীয় প্ৰকাশ,২০০৯

বৰুৱা, হেম : *এই গাওঁ এই গীত,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী-১, দ্বিতীয় প্ৰকাশ, ১৯৬৭

——— ——— ——— : *বহাগতে পাতি যাওঁ বিয়া,* লয়াৰ্ছ বুক ষ্টল, ১৯৬৯

বেগম, চেনেহী (অনু) : *অসম বুৰঞ্জী,* লয়াৰ্ছ বুকষ্টল,গুৱাহাটী-১, ২০০৫.

ভট্টাচাৰ্য, প্ৰমোদচন্দ্ৰ (সম্পাঃ) : *অসমৰ জনজাতি, অসম সাহিত্য সভা,* তৃতীয় সংস্কৰণ,২০০৮

ভট্টাচাৰ্য, বসন্তকুমাৰ (সমীক্ষক) : *সদৰামীনৰ আত্মজীৱনী,* জাৰ্ণাল এম্পৰিয়াম, নলবাৰী, প্ৰথম সংস্কৰণ,১৯৯৩

ভট্টাচাৰ্য, বীৰেন্দ্ৰ কুমাৰ (অনু) : *ভাৰতৰ ইতিহাস,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১, চতুৰ্থ প্ৰকাশ,২০০৬

ভট্টাচাৰ্য, মণিকুন্তলা : *বৰদোৱানী,* ষ্টুডেন্টচ্ ষ্ট'ৰচ্, কলেজ হোষ্টেল ৰোড, গুৱাহাটী-১, ৭ম সংস্কৰণ,২০১৮

ভৰালী, শৈলেন : *অসমীয়া লোকনাট্য পৰম্পৰা,* বাণী প্ৰকাশ, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,১৯৮৪

মজুমদাৰ, আৰ চি (সম্পাঃ) : *বৈদিক যুগ,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী-১, দ্বিতীয় প্ৰকাশ,১৯৯৯

মজুমদাৰ, পৰমানন্দ (সম্পাঃ) : *আৱাহন* (প্ৰথম খণ্ড), অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১, প্ৰথম সংস্কৰণ,২০১৫

——— ——— ——— : *আৱাহন,* দ্বিতীয় খণ্ড, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১, ২০১৫

——— ——— ——— : *বিজ্ঞান অন্ধবিশ্বাস আৰু সমাজ,* অসম প্ৰকাশ পৰিষদ, গুৱাহাটী-২১, ২০০৩

ৰাজকুমাৰ, সৰ্বানন্দ : *ইতিহাসে সোঁৱৰা ছশটা বছৰ,* বনলতা, গুৱাহাটী-১, ২০০২.

ৰাজখোৱা, অজন্তা : *নাৰী ঐতিহ্য আৰু বাগ্‌ধাৰা,* প্ৰকাশক, ঐকান্তিক, প্ৰথম প্ৰকাশ,২০১৭

ৰাজগুৰু, সৰ্বেশ্বৰ : *অসমীয়া প্ৰবাদ,* বালগোপাল প্ৰকাশন, মিলনপুৰ, নগাওঁ ২য় তাঙৰণ,২০০৩

ৰাজবংশী, পৰমানন্দ (সম্পাঃ) : *অসমীয়া জাতি আৰু সংস্কৃতি,* প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী-৯, প্ৰথম প্ৰকাশ,২০০৩

ৰাজবংশী, শৈলেন কুমাৰ আৰু ভট্টাচাৰ্য, ৰঞ্জন (সম্পাঃ) : *দৰঙৰ সমাজ সংস্কৃতিৰ স্বৰ্ণৰেখা,* অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১, প্ৰথম প্ৰকাশ,২০১৫

ৰাভা, মলিনা দেৱী : *অসমীয়া আৰু ৰাভা সমাজ সংস্কৃতিৰ স্বৰূপ,* এম. এফ. এল. পাব্লিকেচন, গোৱালপাৰা, প্ৰথম প্ৰকাশ,১৯৯৯

ৰাভা, মলিনা দেৱী আৰু
অন্যান্য (সম্পাঃ) : *অসমৰ জনজাতি আৰু সংস্কৃতি,* অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট, প্ৰথম প্ৰকাশ, ২০১১

ৰাভা, ৰাজেন : *ৰাভা জনজাতি,* বীণা লাইব্ৰেৰী, গুৱাহাটী - ১, দ্বিতীয় প্ৰকাশ, ২০০২

ৰাভা, হাকাচাম : *অসমীয়া জনজাতীয় সংস্কৃতি,* প্ৰথম প্ৰকাশ বাণী মন্দিৰ, গুৱাহাটী,২০০৫

শইকীয়া, ডিম্বেশ্বৰ (সম্পাঃ) : *দৰঙৰ ইতিহাস,* দৰং জিলা সাহিত্য সভা, মঙ্গলদৈ,-২০০৫

শইকীয়া, জুৰি : *সৌমাৰ নন্দিনী,* বনলতা, ডিব্ৰুগড়-১ প্ৰথম প্ৰকাশ,২০১৫

—— —— —— : *ৰাধিকা,* বনলতা, ডিব্ৰুগড়-১ প্ৰথম সংস্কৰণ, নৱেম্বৰ,২০১৬

শইকীয়া, নগেন : *গৱেষণা পদ্ধতি পৰিচয়,* বনলতা, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,১৯৯৬

—— —— —— : *ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু অন্যান্য ৰচনা,* বনলতা, ডিব্ৰুগড়,১৯৯৩

শৰ্মা দলৈ, হৰিনাথ : *শক্তি সাধনা আৰু শাক্ত সাহিত্য,* পদ্মপ্ৰিয়া লাইব্ৰেৰী, বৰপেটা, দ্বিতীয় প্ৰকাশ,১৯৯২

শৰ্মা, অঞ্জলি : *অসমীয়া মহিলাৰ জীৱন আৰু কৰ্ম,* বনলতা, গুৱাহাটী-১, প্ৰথম সংস্কৰণ,২০১৭

শৰ্মা, কিৰণ : *মনুসংহিতা,* চন্দ্ৰ প্ৰকাশ, গুৱাহাটী-১, চতুৰ্থ প্ৰকাশ,২০১৫

শৰ্মা, গংগা : *অসমীয়া সাহিত্যত বাৰমাহী,* বিষ্ণু প্ৰকাশন, গুৱাহাটী-১০, প্ৰথম সংস্কৰণ,১৯৭৭

শৰ্মা, গায়ত্ৰী : *পশ্চিম অসমৰ লোক সংস্কৃতিৰ আভাস,* ভবানী বুক হাউচ, ধুবুৰী, অসম, ১৯৯৭

শৰ্মা, গোবিন্দ প্ৰসাদ : *উপন্যাস আৰু অসমীয়া উপন্যাস,* ষ্টুডেন্টচ্ ষ্ট’ৰ্চ্, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,১৯৯৫

—— —— —— : *নাৰীবাদ আৰু অসমীয়া উপন্যাস,* অসম প্ৰকাশন পৰিষদ,২০০৭

শৰ্মা, দীনেশ্বৰ : *মঙ্গলদৈৰ বুৰঞ্জী,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী,২০০৪

শৰ্মা, বিজয়কুমাৰ : *দৰং জিলাৰ উৎসৱ অনুষ্ঠানৰ অধ্যয়ন,* চন্দ্ৰ প্ৰকাশ, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী,২০০৫

শৰ্মা, নবীন চন্দ্ৰ : *অসমৰ লোকসাহিত্য,* জ্যোতি প্ৰকাশন, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,২০১৪

—— —— —— : *অসমৰ কৃতি-কৃষ্টি-সংস্কৃতি,* অশোক বুক ষ্টল, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,২০১

—— —— —— : *লোক সংস্কৃতি,* চন্দ্ৰ প্ৰকাশ, গুৱাহাটী-১, পৰিশোধিত সংস্কৰণ, ২০১৩

——— ——— ——— : *অসমীয়া লোক সংস্কৃতিৰ আভাস,* বাণী প্ৰকাশ, গুৱাহাটী-১, পঞ্চম প্ৰকাশ,২০১১

——— ——— ——— : *ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ লোক সংস্কৃতি,* বাণী প্ৰকাশ, গুৱাহাটী-১, দ্বিতীয় প্ৰকাশ,২০০৩

——— ——— ——— : *ডাক প্ৰবচন আৰু ডাক পৰম্পৰা,* জ্যোতি প্ৰকাশন, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,২০০৫

——— ——— ——— : *অসমৰ সাংস্কৃতিক ইতিহাস* (১ম আৰু ২য় খণ্ড), অসম সাহিত্য সভা, প্ৰথম প্ৰকাশ, ২০০৯

——— ——— ——— (সম্পাঃ) : *অসমৰ সংস্কৃতি সমীক্ষা,* চন্দ্ৰ প্ৰকাশ, গুৱাহাটী,২০০০

শৰ্মা, পবিত্ৰ : *জ্যোতিষৰ হাতপুথি,* সবিতা প্ৰকাশ, গুৱাহাটী-৩, দ্বিতীয় প্ৰকাশ,২০০৭

শৰ্মা পূজাৰী, অনুৰাধা : মেৰেং, বনলতা, গুৱাহাটী-১, চতুৰ্থ সংস্কৰণ,২০১১

——— ——— ——— : ডায়েৰী, জ্যোতি প্ৰকাশন গুৱাহাটী-১, সপ্তম প্ৰকাশ,২০১৪

শৰ্মা, মুকুন্দ আৰু শৰ্মা, যজ্ঞেশ্বৰ : *বিবাহ বিচিত্ৰা,* পাবলিকেশ্বন বোৰ্ড অফ আসাম, গুৱাহাটী,১৯৭৩

শৰ্মা, শশী : *অসমৰ লোক সাহিত্য,* ষ্টুডেন্ট ষ্ট'ৰচ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,১৯৯৩

শৰ্মা, সত্যেন্দ্ৰনাথ : *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* প্ৰকাশিকা প্ৰতিমা দেৱী গুৱাহাটী-৮, পুনৰ মুদ্ৰণ, ২০০৪

——— ——— ——— : *অসমীয়া উপন্যাসৰ গতিধাৰা,* সৌমাৰ প্ৰকাশ, পুনৰ মুদ্ৰণ, গুৱাহাটী-৮, ২০১০

——— ——— ——— : *অসমীয়া উপন্যাসৰ ভূমিকা,* সৌমাৰ প্ৰকাশ, চতুৰ্থ প্ৰকাশ,১৯৯২

শৰ্মা, হেমন্তকুমাৰ : *অসমীয়া লোকগীতি সঞ্চয়ন,* বীণা লাইব্ৰেৰী, গুৱাহাটী-১, দ্বিতীয় তাঙৰণ,১৯৯০

——— ——— ——— : *অসমীয়া সাহিত্যত দৃষ্টিপাত,* বীণা লাইব্ৰেৰী, গুৱাহাটী-১

শাস্ত্ৰী, বিশ্বনাৰায়ণ আৰু চলিহা, ভৰপ্ৰসাদ (সম্পাঃ) : *সূৰ্যখড়ি দৈৱজ্ঞৰ দৰং ৰাজবংশাৱলী,* লয়াৰ্ছ বুক ষ্টল,২০০২

সৰকাৰ ডেকা, আল্পনা : *ঊনবিংশ শতিকাৰ পটভূমিত অসমীয়া নাৰী,* অসম পাবলিচিং কোম্পানী, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,২০১৬

হাকাচাম, উপেন ৰাভা : *অসমৰ জনজাতীয় সংস্কৃতি,* বাণী মন্দিৰ, গুৱাহাটী-১, প্ৰথম সংস্কৰণ, ২০০৫

——— ——— ——— : *অসমীয়া আৰু অসমৰ জাতি-জনগোষ্ঠী ঃ প্ৰসঙ্গ- অনুসঙ্গ,* কিৰণ প্ৰকাশন, ধেমাজি, প্ৰথম প্ৰকাশ,২০১৩

——— ——— ——— : *বৰ অসমৰ বৰ্ণিল সংস্কৃতি,* বীণা লাইব্ৰেৰী,২০০২

——— ——— ——— : *বৰ অসমৰ বৰ্ণহিন্দু জাতি জনগোষ্ঠী,* ৰেখা প্ৰকাশন, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,২০১৭

হাকাচাম, উপেন ৰাভা আৰু
নাথ, প্ৰফুল্ল কুমাৰ (সম্পাঃ) ঃ *অসমৰ জনগোষ্ঠীয় সামাজিক লোকাচাৰ,* বনলতা, গুৱাহাটী-১, প্ৰথম প্ৰকাশ,২০১৭

হুছেইন, ইমৰান ঃ *হুদুমদেও আৰু অন্যান্য গল্প,* জ্যোতি প্ৰকাশন সংস্কৰণ, গুৱাহাটী-১, ২০১৩

## (ঘ) English Book :

Abbott. J. ঃ *A study of Indian Ritual and belief,* Kissinger publishing, Newyork, Reprint,2003.

Arnold, Matthew, ঃ Cultural and Anarchy, Cambridge University Press,1993.

Barkakati, S. ঃ *Tribes of Assam*, 1963

Barua, B. K. ঃ *A cultural History of Assam* (Early period), Bina Library Ghy-1, Fourth Edition,2003.

Barua, H.C. ঃ *Notes on the Marriage System of the People of Assam,* Publisher : Ananda Ram Barua, 2nd Edition,1909

Bhattacharyya, Narendra Nath ঃ *Indian Puberty Rites,* Munshira Manoharala Pub lishers Pvt. Ltd., Second Revised Edition,1980

Chattopadhyay, D.P. ঃ *Science and Society in Ancient India,* John Benjamins publishing,1978

Das, Jogesh ঃ *Folklore of Assam,* National Book trust, New Delhi, 1972

Datta, B.N. ঃ *Folkloric Foragings in India's North East ,* Anandaram Baruah Institute of Language, Art and Culture, 1999

—— —— —— ঃ *A study of the Folk Culture of the Goalpara Region of Assam,* Gauhati University, 1995

Datta B.N.& others ঃ *A Hand book of the Folklore Material of North East,* Anandaram Barua Institute of Language Art & culture, Assam, 1994

Deka, Umesh ঃ *A Glimpse of Language & Culture of North East India,* Chardra Prakash, Ghy-1, behalf of GUINEIS (Guahati University), First edition, 2012

Dorson, Richard. M (ed) ঃ *Folklore and Folklife An introduction,* University of Chicago press,1972

—— —— —— (ed) ঃ *Folklore in the Modern world,* The Hague Mouton Publishers, 1978

Dubois, A ঃ *Hindu Manners and customs,* London, 1935

Dundes, Alan (ed) : *The Study of Folklore,* Prentice Hall Inc, 1965

Eliot. T.S. : *Notes Fowards the Definition of Culture,* Faber of Faber,1972

Emerson, Ralph Waldo : *Indian Superstition,* The friends of the Dartmouth Library, Hanover, Hampshie, 1954

Frazer, Sir James : *The Golden Bough (A study in Magic and Religion),* words worth Edition Limited,1993

Goswami, Prafulladatta : *Essays on the folklore and culture of North Eastern India,* spectrum publication,1982

—— —— —— : *Folk literature of Assam : An introductory Survey* Dept. of Historical and Antiquarian Studies in Assam, 1965

Guha, Biraja Sankar : *Racial Elements in the population.* Publisher – H. Milford, Reprint, 1944

Herskovits, Melville. J. : *Cultural Anthropology,* Oxford Publishing House, New Delhi,1955

Kakati, B.K. : *The Mother Goddess Kamakhya,* Publication Board of Assam, Third Edition,2004,Ghy-21

Kennedy, J.M. : *The Religion and Philosophies of the East,* New York, John Lane company, 1911

Kosambi, D.D. : *The culture and civilization of Ancient India in Historical out line* (1965) Reprint, Vikas Publishing House Pvt. Ltd.,2009

Mahanta, Pradipjyoti
Nath, Debrshi Prasad (ed) : *Cultural studies : Perpective from North East India.* Purbanchal Prakash, Ghy-1, 2003

Malinowsky, B. : *Magic, Science and Religion, and other essays.* Waveland press, New York,1948

Nath, Raj Mohan : *The Back - ground of Assamese Culture,* Publisher- A. K. Nath, 1948

Oman, John Campbell : *Cults, Customs and Superstition of India* publisher T.F. Unwin, London, 1908

Rajkhowa, Benudhar : *Assamese popular Superstitions and Assamese Demonology,* Folklore Research, Gauhati University, 1973

Vyse, Stuart : *Believing in Magic : The Psychology of Superstition,* Oxford University Press, 1997

Westermarck, Edward : *The History of Human Marriage,* Macmillan And Co. And New York, 1891

## (ঙ) বাংলা গ্রন্থ ঃ

ইসলাম, শেখ মকবুল ঃ *লোক সংস্কৃতি বিজ্ঞান তত্ত্ব, পদ্ধতি ও প্রয়োগ,* বঙ্গীয় সাহিত্য সংসদ, কলকাতা-৯, প্রথম প্রকাশ,২০১১

—— —— —— : *গৱেষণা পদ্ধতি বিজ্ঞান, সাহিত্য সমাজ সংস্কৃতি,* বঙ্গীয় সাহিত্য সংসদ, কলকাতা-৯, প্ৰথম প্ৰকাশ, ২০০৯

চক্ৰৱৰ্তী, বৰুণকুমাৰ (সম্পাঃ) : *বাংলার লোক সংস্কৃতি,* অপর্না বুক ডিষ্ট্ৰিবিউটাৰ্স, কলিকতা,১৯৯৫

—— —— —— : *লোকবিশ্বাস ও লোকসংস্কার,* পুস্তক বিপনি, কলকাতা-৯, চতুৰ্থ সংস্কৰণ,২০০৩

নায়ক, জীবেশ : *লোক সংস্কৃতি পরিচয়,* ব্ৰাইট প্ৰিন্টাৰ্ছ, মেদিনীপুৰ,২০০০

ভট্টাচাৰ্য, নৰেন্দ্ৰনাথ : *ভারতীয় ধর্মের ইতিহাস,* কলকাতা,১৯৮০

ভট্টাচাৰ্য, সুকুমাৰী : *প্ৰাচীন ভারত : সমাজ ও সাহিত্য,* কলকাতা, ১৯৮৭

সুৰ, অতুল : *ভারতের বিবাহের ইতিহাস,* আনন্দ পাবলিশাৰ্স প্ৰাইভেট লিমিটেড, কলকাতা-৯, তৃতীয় মুদ্ৰণ, আহিন,১৪০৭

## (চ) আলোচনী আৰু স্মৃতিগ্ৰন্থ :
## ( অসমীয়া )

*অসম সাহিত্য সভা পত্ৰিকা* : চতুঃষষ্টিতম বৰ্ষ, চতুৰ্থ সংখ্যা, সম্পাঃ উপেন ৰাভা হাকাচাম,২০১০

*অসম সাহিত্য সভা পত্ৰিকা* : (নাৰী বিশেষ সংখ্যা) চতুঃষষ্ঠিতম বৰ্ষঃ প্ৰথম সংখ্যা, জুন, সম্পাঃ উপেন ৰাভা হাকাচাম,২০০৯

*অসম সাহিত্য সভা পত্ৰিকা* : সপ্তপঞ্চাশত্তম বৰ্ষ, দ্বিতীয় সংখ্যা, সম্পাঃ প্ৰহ্লাদ কুমাৰ বৰুৱা,২০০২

*অসম সাহিত্য সভা পত্ৰিকা* : পঞ্চপঞ্চাশত্তম বৰ্ষ, প্ৰথম সংখ্যা, সম্পাঃ পৰমানন্দ ৰাজবংশী,১৯৯৯

*অসম সাহিত্য সভা পত্ৰিকা* : ৬০ তম বৰ্ষ, তৃতীয় সংখ্যা, সম্পাঃ মদন শৰ্মা,২০০৫

*অসম সাহিত্য সভা পত্ৰিকা* : সম্পাঃ ৰামচন্দ্ৰ ডেকা, অসম সাহিত্য সভা,২০০৮

*আলাপ* : সম্পাঃ সঞ্জীৱ পল ডেকা, প্ৰকাশ বান্ধৱ, ষষ্ঠ সংখ্যা, অক্টোবৰ-ডিচেম্বৰ,২০২০

*আৱাহন* : সম্পাঃ পৰমানন্দ মজুমদাৰ (প্ৰথম খণ্ড), অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১

—— —— —— : সম্পাঃ পৰমানন্দ মজুমদাৰ (দ্বিতীয় খণ্ড), অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১, ২০১৫

*গৰিয়সী* : এয়োবিংশ বছৰ, নৱম সংখ্যা, সম্পাঃ লক্ষীনন্দন বৰা, ২০১৬

*গৰীয়সী* : সপ্তদশ বছৰ, দ্বাদশ সংখ্যা, সম্পাঃ লক্ষ্মীনন্দন বৰা, গুৱাহাটী, ৩,২০১০

*গৰীয়সী* : অষ্টাদশ বছৰ, চতুৰ্থ সংখ্যা, সম্পাঃ লক্ষ্মীনন্দন বৰা, গুৱাহাটী, ৩,২০১১

*গৰীয়সী* ঃ একবিংশ বছৰ, দশম সংখ্যা, সম্পাঃ লক্ষ্মীনন্দন বৰা, গুৱাহাটী,২০১৪

*গৰিয়সী* ঃ সম্পাঃ  লক্ষীনন্দন বৰা, সপ্তবিংশ বছৰ, দ্বিতীয় সংখ্যা, নবেম্বৰ,২০১৯

*গৰিয়সী* ঃ সম্পাঃ লক্ষীনন্দন বৰা, অষ্টোবিংশ বছৰ, প্ৰথম সংখ্যা, নবেম্বৰ,২০১৯,  সাহিত্য  প্ৰকাশ, গুৱাহাটী-৩

*জি এন আৰ চি স্বাস্থ্য* ঃ সম্পাঃ হোমেন বৰগোহাঞিং, চেপ্তেম্বৰ,২০২০ প্ৰকাশক, ইন্দ্ৰমোহন কলিতা

*জোনাকী* ঃ সম্পাঃ নগেন  শইকীয়া, (একত্ৰ সংকলন), অসম সাহিত্য সভা,২০১১

*প্ৰান্তিক* ঃ ২২ শ বছৰ ২০ শ সংখ্যা, সম্পাঃ প্ৰদীপ বৰুৱা, গুৱাহাটী-৩, ২০০৩

*প্ৰান্তিক* ঃ ২৬ শ বছৰ ২০ শ সংখ্যা, সম্পাঃ প্ৰদীপ বৰুৱা, গুৱাহাটী-৩, ২০০৭

*প্ৰান্তিক* ঃ ২৩ শ বছৰ ১১শ সংখ্যা, সম্পাঃ প্ৰদীপ বৰুৱা, গুৱাহাটী-৩, ২০০৪

*প্ৰান্তিক* ঃ সম্পাঃ প্ৰদীপ বৰুৱা, অষ্টাত্ৰিংশ বছৰ ত্ৰয়োদশ সংখ্যা,  ১-১৫ জুন,২০১৯, শৰাইঘাট অফছেট প্ৰেছ, বামুণীমৈদাম, গুৱাহাটী-২১

—— —— —— ঃ অষ্টাত্ৰিংশ বছৰ সপ্তদশ সংখ্যা, ১-১৫ আগষ্ট,২০১৯,

—— —— —— ঃ ১৬-৩০ চেপ্তেম্বৰ অষ্টাত্ৰিংশ বছৰ বিংশ সংখ্যা

—— —— —— ঃ উনচত্বিংশ বছৰ, নৱম-দশম সংখ্যা ১-৩০ এপ্ৰিল,২০২০

—— —— —— ঃ উনচত্বিংশ বছৰ, ত্ৰয়োদশ সংখ্যা ১-১৫ জুন,২০২০

—— —— —— ঃ উনচত্বিংশ বছৰ, দ্বাবিংশ সংখ্যা ১৬-৩১ অক্টোবৰ,২০২০

—— —— —— ঃ চত্বিংশ বছৰ, দ্বিতীয় সংখ্যা ১৬-৩১ ডিচেম্বৰ,২০২০

*বাৰ্তা পখিলী* ঃ সম্পাঃ ব্ৰজেন্দ্ৰনাথ ডেকা, দ্বাদশ সংখ্যা, চেপ্তেম্বৰ,২০১৯ বিশাল প্ৰকাশন, গুৱাহাটী-৩

*বাঁহী* ঃ সম্পাঃ লক্ষ্মীনাথ তামূলী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২০০৮

*সাৰঙ্গ সৌৰভ* ঃ স্মৃতিগ্ৰন্থ, সম্পাঃ ৰামচন্দ্ৰ ডেকা আৰু  প্ৰসন্ন কুমাৰ নাথ, অসম সাহিত্য সভা, ছিপাঝাৰ,২০০৫

*স্বাস্থ্য আৰু দীৰ্ঘজীৱন* ঃ সম্পাঃ মিহিৰ কুমাৰ গোস্বামী আৰু শৰৎ ৰাজখোৱা, নবেম্বৰ,২০১৯

—— —— —— ঃ উনবিংশ বছৰ, ষষ্ঠ সংখ্যা, নবেম্বৰ,২০১৯ জনমভূমি  প্ৰেছ প্ৰাঃ লিঃ কালাপাহাৰ, গুৱাহাটী

*স্বৰ্ণলিপিকা* ঃ সম্পাঃ - নাজমা মুখাৰ্জী, সোনালী জয়ন্তী উৎসৱ উদযাপন সমিতি, অসমীয়া আলোচনা চক্ৰ, অসমীয়া বিভাগ, কটন কলেজ, গুৱাহাটী,২০১৫

## (ছ) Internet links

i) https://www.womensweb.in/2016/09/puberty-rituals-in-india/
Date-20-7-2020, Time 12 noon

ii) https://health.howstuffworks.com/wellness/women/general/female-puberty6.htm
Date 11/11/2020

iii) https://prezi.com/1mn0ypyxkruf/puberty-rituals-in-islam-and-apache-tribes/
Date 17/08/2020

iv) https://www.actonaid.org.uk/blog/news/2019/10/18/how-do-people-around-the-world-celebrate-periods

v) Do, Date 09/11/2020

vi) Do, Date 09/11/2020

vii) https://www.sapiens.org/biology/puberty-ritual/
Date 11/10/2020

viii) https://roar.media/english/life/culture-identities/puberty-rituals-in-sri-lanka-a-tale-of-blood-demons-and-flower-baths Date 09/09/2020

ix) https://www,storypick.com/period-rituals-in-india/amp/
Date 09/10/2020

# পৰিশিষ্ট - ক

## সংবাদদাতা / সংবাদদাত্ৰী

| | নাম | বয়স | লিংগ | স্থান |
|---|---|---|---|---|
| ১) | অঞ্জুমণি হাজৰিকা | ৬৫ | মহিলা | আন্ধেৰীঘাট, ওদালগুৰি |
| ২) | অঞ্জুলী সূত্ৰধৰ | ৬৭ | মহিলা | ৰয়নাডাব্ৰী, কোকৰাঝাৰ |
| ৩) | অহল্যা চহৰীয়া | ৮০ | মহিলা | দুনী, দৰং |
| ৪) | আনিনাচ হেমব্ৰম | ৫৭ | পুৰুষ | ৰবীন্দ্ৰ নগৰ, কোকৰাঝাৰ |
| ৫) | ইন্দিৰা ডেকা | ৭৫ | মহিলা | পিঠাখোৰা পাৰা, দৰং |
| ৬) | কনক হাজৰিকা | ৮৬ | পুৰুষ | দেবানন্দ সত্ৰ, দৰং |
| ৭) | কুঞ্জলতা ডেকা | ৬৫ | মহিলা | দুনী, দৰং |
| ৮) | কাঞ্চন চহৰীয়া | ৫২ | মহিলা | ভেবাৰঘাট, দৰং |
| ৯) | কুন্তী ডেকা | ৫০ | মহিলা | পিঠাখোৰাপাৰা, দৰং |
| ১০) | কুন্তৰা মহন্ত | ৫৪ | মহিলা | বৰখলা, ওদালগুৰি |
| ১১) | কামিনী হাজৰিকা | ৪৮ | মহিলা | কৰিমচ’ক, দৰং |
| ১২) | কেশৱ চন্দ্ৰ বৰা | ৮১ | পুৰুষ | ঝাকুৰাপাৰা, দৰং |
| ১৩) | খগেন চহৰীয়া | ৬৫ | পুৰুষ | গাদলুচুৰা, দৰং |
| ১৪) | গীতা বসুমতাৰী | ৪৮ | মহিলা | বিজনী, চিৰাং |
| ১৫) | গোবিন্দ বৈশ্য | ২৬ | পুৰুষ | সেৰফানগুৰি, কোকৰাঝাৰ |
| ১৬) | চন্দ্ৰমোহন শৰ্মা | ৬২ | পুৰুষ | বিশ্বসত্ৰ, দৰং |
| ১৭) | চাৰু চহৰীয়া | ৬২ | মহিলা | বৰঙ্গাবাৰী, ওদালগুৰি |
| ১৮) | চায়েনা বিবি | ৭০ | মহিলা | মকৰাপাৰা, কোকৰাঝাৰ |
| ১৯) | চুফলা দাস | ৫২ | মহিলা | বিধানপল্লী, কোকৰাঝাৰ |
| ২০) | জয়মতী দাস | ৬১ | মহিলা | বাঘমাৰা, পাঠশালা |

| নাম | বয়স | লিংগ | স্থান |
|---|---|---|---|
| ২১) টুটুমনি হাজৰিকা | ৪৮ | মহিলা | বানেইকুচি, দৰং |
| ২২) দীপালী বৰা দাস | ৭০ | মহিলা | বৰাচুৰা, দৰং |
| ২৩) দীপালী শইকীয়া | ৫০ | মহিলা | তেজালচুৰা, দৰং |
| ২৪) ধীৰেশ্বৰী ৰয় | ৭০ | মহিলা | বালাগাঁও, কোকৰাঝাৰ |
| ২৫) নাজমা বেগম | ৭০ | মহিলা | বৰদৌলগুৰি, দৰং |
| ২৬) নমাই হাজৰিকা | ৮০ | মহিলা | ধ্বজাপাৰা, দৰং |
| ২৭) ননী নাথ | ৬৫ | মহিলা | বৰদৌলগুৰি, দৰং |
| ২৮) নন্দেশ্বৰ ডেকা | ৮৫ | পুৰুষ | মুকালমুৱা, নলবাৰী |
| ২৯) নানৌ চহৰীয়া | ৭৫ | মহিলা | গাদলুচুৰা, দৰং |
| ৩০) নিৰদা চহৰীয়া | ৬২ | মহিলা | গাদলুচুৰা, দৰং |
| ৩১) নিৰন কলিতা | ৮৫ | পুৰুষ | হাজৰিকাপাৰা, দৰং |
| ৩২) নিশা চৌধুৰী | ৫০ | মহিলা | পাঞ্জাবাৰী, গুৱাহাটী |
| ৩৩) পদেশ্বৰী বৰা | ৬৫ | মহিলা | ঝাকুৰাপাৰা, দৰং |
| ৩৪) পাতুল কলিতা | ৬২ | মহিলা | থেকেৰাবাৰী, দৰং |
| ৩৫) প্ৰণালী নাথ | ৪৬ | মহিলা | ভাউৰাগুৰি, কোকৰাঝাৰ |
| ৩৬) প্ৰেমদা কলিতা | ৬৭ | মহিলা | তেজেলচুৰা, দৰং |
| ৩৭) প্ৰভা কলিতা | ৬২ | মহিলা | মেনাপাৰা, দৰং |
| ৩৮) পীতাম্বৰ শৰ্মা | ৭৮ | পুৰুষ | বৰথেকেৰাবাৰী, দৰং |
| ৩৯) ফুলেশ্বৰী চহৰীয়া | ৯০ | মহিলা | হাজৰিকাপাৰা, দৰং |
| ৪০) বিন্দু ৰাভা | ২৪ | পুৰুষ | মাগুৰমাৰী, কোকৰাঝাৰ |
| ৪১) বীণা কলিতা | ৬৫ | মহিলা | দৌলগুৰি, দৰং |
| ৪২) বিজয়া ডেকা | ৪৮ | মহিলা | ঝাকুৰাপাৰা, দৰং |
| ৪৩) বীণা দেৱী | ৬৭ | মহিলা | ভুক্তাবাৰী, দৰং |
| ৪৪) বীণা প্ৰসাদ | ৬৫ | মহিলা | বিধানপল্লী, কোকৰাঝাৰ |
| ৪৫) বেদন্তী শ্বাহ | ৫৫ | মহিলা | বিধানপল্লী, কোকৰাঝাৰ |

| নাম | বয়স | লিংগ | স্থান |
|---|---|---|---|
| ৪৬) বেলশ্ৰী বসুমতাৰী | ৬৫ | মহিলা | ভদিয়াগুৰী, কোকৰাঝাৰ |
| ৪৭) ভানু গোস্বামী | ৭০ | মহিলা | দেবানন্দ সত্ৰ, দৰং |
| ৪৮) ভানু দত্ত | ৭৮ | মহিলা | খাৰখুলি, গুৱাহাটী |
| ৪৯) মইনা ডেকা | ৬৫ | মহিলা | টোকোনকাটা, ওদালগুৰি |
| ৫০) মনমায়া সোণাৰ | ৫০ | মহিলা | সৰলপাৰা, কোকৰাঝাৰ |
| ৫১) মাকন চহৰীয়া | ৫০ | মহিলা | তেজালচুৱা, দৰং |
| ৫২) মাকনী ডেকা | ৬৫ | মহিলা | দিপীলা, দৰং |
| ৫৩) মিনু কলিতা | ৬৩ | মহিলা | হাজৰিকাপাৰা, দৰং |
| ৫৪) মিলন দেৱী | ৭০ | মহিলা | বামুণপাৰা, মঙ্গলদৈ, দৰং |
| ৫৫) যোগমায়া ছেত্ৰী | ৮০ | মহিলা | পাটগাঁও, দৰং |
| ৫৬) যোগেশ্বৰী হাজৰিকা | ৬৫ | মহিলা | ধ্বজাপাৰা, দৰং |
| ৫৭) ৰুণু দেৱনাথ | ৫১ | মহিলা | গোসাঁইগাওঁ |
| ৫৮) ৰুণু শইকীয়া | ৪৯ | মহিলা | থেকেৰাবাৰী, দৰং |
| ৫৯) লপিতা ডেকা | ৮০ | মহিলা | পিঠাখোৱাপাৰা, দৰং |
| ৬০) লীনা শৰ্মা | ৫৩ | মহিলা | গোৱালপাৰা |
| ৬১) শেৱালী ডেকা | ৪৯ | মহিলা | দুনী, দৰং |
| ৬২) সৰুমণি বড়ো | ৬৫ | মহিলা | কলাইগাঁও, ওদালগুৰি |
| ৬৩) স্বপ্নালী দাস | ৪৭ | মহিলা | বশিষ্ঠ চাৰিআলি, গুৱাহাটী |
| ৬৪) হৰিপ্ৰিয়া ৰাভা | ৬৫ | মহিলা | বৰকলা, ওদালগুৰি |
| ৬৫) হীৰাবালা ৰায় | ৬৭ | মহিলা | বালাগাঁও, কোকৰাঝাৰ |
| ৬৬) হীৰালাল সূত্ৰধৰ | ৬৫ | পুৰুষ | ৰয়নাডাব্ৰী, কোকৰাঝাৰ |
| ৬৭) ক্ষীৰদা ডেকা | ৫০ | মহিলা | বড়িচৌকা, দৰং |

-------

# পৰিশিষ্ট - খ

## দৰঙী উপভাষাৰ শব্দাৰ্থ

| শব্দ | অৰ্থ | শব্দ | অৰ্থ |
|---|---|---|---|
| অইন দিগিৰ | আনফালে | খাবা | খাব |
| অৰো | ইয়াৰো | গাছ | গছ |
| আউলা চাউল | আৰৈ চাউল | গেল | গ'ল |
| ইতা | এতিয়া | গোঁহাইথেৰ | গোঁহাইঘৰৰ |
| উৰেই যাওঁ | উৰি যাওঁ | ঘটিয়া | একোতে বলে লোৱাৰা |
| উলেই | উলিয়াই | চতি মাৰি | উচাৎ |
| উৰ্মাল | ৰুমাল | চাহিৰে | গৰু-ছাগলী আদিৰ গাত |
| এৰ্লো | এৰিলো | | হোৱা এবিধ সৰু পোক |
| ওলেই যাবো | ওলাই যাব | চিতেই | ছটিয়াই |
| ওলেইছি | ওলাইছে | চিলান | স্নান |
| ওলেলি | ওলালা | চিয়েৰী | চিৰি |
| কইনাথেৰ | কইনাঘৰৰ | চেৰেণী ধৰিবো | হাগনী হ'ব |
| কচ্ছা | কৰিছা | জৰাৰেক | জোৰাঁয়েৰাক |
| কটা বাঁহৰ | কাঁইট থকা বাঁহ | জ্বলিছি | জ্বলিছে |
| কটেৰীৰে | কটাৰীৰে | | (উজ্বল হোৱা অৰ্থত) |
| কঁপিবা লাগছি | কঁপিব লাগিছে | জোকেৰি | জোকাৰি |
| কাৰোল্লে | কাৰোফালে | ঝিয়া | ছোৱালী |
| কিয়াহে | কিয়হে | ডাঙাৰ | ডাঙৰ |
| কুই আ | গেলি যোৱা | তৰো | তাৰো |
| কেহোমবাই | কোনোবাদিনাই | তুল্বা | তুলিব |
| খন্দিকৰে | পাকৈত লোকে | থিয়া | থিয় |

| শব্দ | অৰ্থ | শব্দ | অৰ্থ |
|---|---|---|---|
| থেক্ চি | থেকেচি | বাৰীখান | বাৰীখন |
| থৌহে | থোৱাহে | বেচ্পা | বেচিব |
| দেখ্বি | নেখিবি | বৈনাকক | ভনীয়েকক |
| . দেই কি নেদেই | দিয়ে কি নিদিয়ে | ভখুৰী | ভেকুঁৰ লগা |
| দেও | দিও | ভাঙ্বো | ভাঙিব |
| ধুৰাবা | ধুৰাব | মলিছি | মলিয়াইছে |
| নকৰ্বি | নকৰিবি | মূৰৰপে | মূৰৰ পৰা |
| নাখা কিয়া | নোখোৱা কিয় | লৱেই | লয় |
| নাপা | নোপোৱা | লাগেই | লাগে |
| নালাগেই | নালাগে | লৌ হে | লোৱা হে |
| নেগেল | নগ'ল | শুকেই গেল | শুকাই গ'ল |
| নেদা | নিদিয় | সজেইতীৰ | সজোৱাগৰাকীৰ |
| নোলেলি | নোলালি | সলৌ | সলোৱা |
| পাউৰা | পাৰ চৰাই | সানচি | সানিছে |
| পাভুৰা মাছ | পাভ মাছ | সোল্কা কটেৰী | নাল নথকা কটাৰী |
| বগুলা | বগলী | হতৰ-মতৰ | খৰধৰকৈ ঘূৰি ফুৰা |
| বৰাই | গাহৰিয়ে | হাল্ধি | হালধী |

## পৰিশিষ্ট - গ


# আলোক চিত্ৰ



গণনা কৰি থকাৰ মুহূৰ্তত



কাপোৰ থোৱা জপা



গণনাৰ ফলাফল



জননী লৈ অহা জপা
(বন্ধ কৰি থোৱা অৱস্থাত)



জননী লৈ অহা জপা
(খোলা অৱস্থাত)



দুণৰি আৰু ঘট



পানী তুলিব যোৱাৰ আগমুহূৰ্তত



পানী তুলি থকা অৱস্থাত



জননি লৈ অহা অৱস্থাত



দৰা আদৰোঁতে




দৰাক ভৰি ধুওৱা অৱস্থাত



বা দি দৰাক আগবঢ়াই আনোতে



কইনাক গা ধুৱাব নিয়াৰ সময়ত



কইনাক ধুৱাবৰ বাবে সজা বেই



গা ধোৱা স্থানত কইনা



গা ধুৱাই থকা সময়ত



কইনাক ঘটৰ পানীৰে শুচি কৰাৰ সময়ত



কইনাক পিন্ধাৰৰ বাবে থোৱা কাপোৰ



ৰাজবংশী সমাজৰ কইনাক ধুওৱা স্থানত
থোৱা চালনী বাতি (কোকৰাঝাৰ)



কইনাক চোতালত বহুৱাবলৈ পতা আসন



ৰাজবংশী সমাজৰ ঝপাঝুপা (কোকৰাঝাৰ)



কইনা সজোৱাৰ আগত



সজাই থকাৰ মুহূৰ্তত



কইনাক কোচত ফল দিয়াৰ সময়ত
(কোকৰাঝাৰৰ নাথ সম্প্ৰদায়)



জননি লৈ থকা অৱস্থাত



কইনাৰ মূৰত আগ চাউল দিয়া



আগ চাউল চটিওৱা



আখৈ বাতি টনা-টনি
(দৰং জিলাৰ নাথ সম্প্ৰদায়)



ৰাজবংশী সমাজত কইনাই কৰা পূজা
(কোকৰাঝাৰ)



মুখত পিঠাগুড়ি সনা দৃশ্য



মুখত পিঠাগুড়ি সনা দৃশ্য



বিয়া ঘৰত ধেমালি
(পুৰুষৰ পোছাকত আৰু হাতত চিগাৰেট লৈ আইতা)



বিয়া ঘৰত ধেমালি
(কইনাৰ আত্মীয়ক বিভিন্ন বস্তুৰে
পিন্ধোৱা মালা)



তোলনি বিয়াৰ কইনা



তোলনি বিয়াৰ কইনা



তোলনি বিয়াৰ কইনা



বৰ্তমান সময়ত আখৈৰ সলনি মুড়ি



মাহ-প্ৰসাদ



কইনাই আয়তীৰ ওচৰত সেৰা লোৱাৰ সময়ত



কইনাৰ স'তে মাকে আয়তীৰ ওচৰত সেৱা লোৱাৰ সময়ত



কইনাই আখৈ বিলোৱা





পৰাচিত হৈ থকা অৱস্থাত



তোলনি বিয়াৰ আধুনিক সাজ-সজ্জা



তোলনি বিয়াৰ  আপ্যায়ন



দোষ খণ্ডনৰ বাবে দেখুৱাবলৈ অনা ৰাজহাঁহৰ সৈতে কইনা



মহানগৰীত অনুষ্টুপীয়াকৈ পতা তোলনি বিয়া (গুৱাহাটী)

## ক্ষেত্ৰ অধ্যয়নত লগ পোৱা বিভিন্ন ব্যক্তিৰ সৈতে গৱেষিকা



সোঁফালৰ পৰা ক্ৰমে- প্ৰেমদা কলিতা,
ফুলেশ্বৰী চহৰীয়া, হাজৰিকা পাৰা (দৰং)



অহল্যা চহৰীয়া, দুনী (দৰং)



সোঁফালৰ পৰা ক্ৰমে- নানৌ চহৰীয়া,  নিৰদা চহৰীয়া, গাদলু চুবা (দৰং)



দৌলগুৰি জ্ঞানোদয়  পুথিভঁৰালত
গ্ৰন্থগাৰিকৰ স'তে, দৌলগুৰি (দৰং)



গৱেষিকাৰ সৈতে ইন্দিৰা ডেকা,
ঝাকুৰাপাৰা (দৰং)